অসমৰ স্বাস্থ্য পৰম্পৰা

(প্ৰথম ভাগ)

ডঃ ধ্ৰুৱানন্দ দাস

ASOMOR SWASTHYA PARAMPARA a Book on various Medicines, Mantras Etc of Assamese People Collected and Written by Dr. Dhrubananda Das, Guwahati - 781028 (1994)

First Editon : 1994, (3000 copies)

Published by Dhrupad Publishers, "ANKUR PATH",
Beltola Guwahati- 781028, Assam, (INDIA)

AUTHOR on text only. No copyright exists on Medicinal Formula.

Price : Rs. 400.00 (Pucca Bound)
Rs 70.00 (Katcha Bound)

ছপা ঃ
অৰুণোদয় প্ৰেছ
শিলপুখুৰী, গুৱাহাটী- ৩

পাতনি

অকল ঔষধৰ কথাই নহয় মন্ত্ৰ, শ্লোক, মাংগলিক লক্ষণ ৰোগ নিৰাময়ৰ অন্যান্য অসমীয়া দিশো অন্তৰ্ভুক্ত কৰিবলৈ ইয়াৰ কলেৱৰ বঢ়াইছো যদিও দৰাচলতে বৰ্তমানৰ এইবেলা কাম কৰিবলৈ ১৯৯১ চনতে দুটাখণ্ডত প্ৰকাশিত "অসমৰ পৰম্পৰাগত ঔষধি" শীৰ্ষক পুথিখনৰ পৰৱৰ্তী খণ্ডহে। প্ৰাৰম্ভণীতে ৰোগ নিৰাময় আৰু ঔষধৰ মাজৰ পাৰ্থক্য দেখুওৱাটো প্ৰয়োজন, ঔষধৰ আভ্যন্তৰীণ প্ৰয়োগ, মলম বা বেজী বা দিয়েই মানুহক ঔষধ মানুহৰ শৰীৰত ক্ৰিয়া কৰে। আনহাতে ৰোগ নিৰাময়ৰ পদ্ধতিত ঔষধ থাকিলেও ই ঔষধতে সীমাবদ্ধ নাথাকে। বিভিন্ন কৌশলেৰে সক্ৰিয় কৰা যেনে - একুপাংচাৰ আৰু দেৱ-দেৱীক আৰাধনা পদ্ধতি, তাবিজ, মন্ত্ৰপূত মাদলী আদি সকলোবোৰ ৰোগ নিৰাময় পদ্ধতিৰে অন্তৰ্গত।

"অসমৰ পৰম্পৰাগত ঔষধি" খন প্ৰকাশ পোৱাৰ সময়ত কাকতে-পত্ৰই বহুতো পৰ্য্যালোচনা ওলায়, বহুতে ব্যক্তিগত মন্তব্যও দিয়ে। যেনে- (ক) কিতাপখনৰ ভাষা সৰল আৰু সহজ কৰিব লাগে, (খ) অসমীয়া শব্দ 'গ্ৰহণী'তকৈ আধুনিক চিকিৎসা ব্যৱস্থাৰ 'ডিচেণ্ট্ৰী' শব্দটো যিহেতু বেছি প্ৰচলিত সেয়ে বহুতো ৰোগৰ নাম অপৰিচিত হৈছে আৰু (গ) ঔষধি গছৰ উল্লিখিত বহুতো নামেই পৰিচিত নহয় বিশেষকৈ চহৰ অঞ্চলৰ পাঠকৰ কাৰণে।

এনেবোৰ সমালোচনাৰ প্ৰতি মই বিশেষভাৱে চিন্তা কৰি এই ধৰণৰ সিদ্ধান্ত লৈছো (ক) কিতাপখনৰ ভাষা যেনে আছে তেনেকৈয়ে থাকক কিয়নো মই চিকিৎসক সকলৰ পৰা পোৱা ঔষধ আদিৰ ব্যৱস্থাপত্ৰ (Prescription) বা প্ৰাপ্ত তথ্যপাতিত পোৱা নাম যথাযথভাৱে উল্লেখ কৰিছো। কিবা পৰিবৰ্তন সাধন কৰিলে লিখনিৰ মাধুৰ্য্য কমিব বুলিহে মই ভাবো। গাঁৱলীয়া চিকিৎসকসকল সমাজৰ বিভিন্ন স্তৰৰ পৰা অহা, তেওঁলোকৰ অকল পটভূমি (Background)টোৱে সুকীয়া নহয়, ভৌগোলিক অৱস্থানো সুকীয়া সুকীয়া তেওঁলোকে কোৱা ভাষাও সেয়ে বেলেগ বেলেগ। (খ) মই ৰোগৰ নামবোৰ অনুবাদ কৰিবলৈও চেষ্টা কৰা নাই কাৰণ, ইংৰাজী নাম সচৰাচৰ ব্যৱহাৰ হয় যদিও অসমীয়া নাম গ্ৰাম্য জনগণৰ জ্যেষ্ঠসকলৰ মাজতহে প্ৰচলিত আৰু এওঁলোকেই হ'ল গ্ৰাম্য জ্ঞানৰ ভঁৰাল/ভাণ্ডাৰ। দ্বিতীয়তে, 'কেন্সাৰ'ক 'কৰ্কট' ৰোগ আৰু 'এন্দুৰীয়া' বুলিও কোৱা হয়। 'এন্দুৰীয়া'ক 'কাৰ্বাংকুলো' বোলা হয়। অৰ্থাৎ এনেক্ষেত্ৰত বুজাত খেলিমেলি হ'ব পাৰে। গতিকে মই হুবহু অনুবাদ কৰা ঠিক হ'ব জানো? সন্দেহ হ'লে অসমীয়া ইংৰাজী বা ইংৰাজী-অসমীয়া অভিধান চোৱাটো ভাল হ'ব। (গ) কিতাপখনত উল্লেখ কৰা ঔষধি গছ চিনি পোৱাত সহায়ক হোৱাকৈ অসমীয়া নাম, হিন্দী /সংস্কৃত নাম, কোনো কোনো ক্ষেত্ৰত সাধাৰণ ইংৰাজী নাম আৰু বোটানিকেল নাম যেনে - মানিমুনি, ব্ৰাহ্মী, ইণ্ডিয়ান পেনিৱৰ্ট, হাইড্ৰকোটাইল এচিয়াটিক ইত্যাদি বিস্তৃতভাৱে উল্লেখ কৰি সূচী এখন যুগুত কৰি দিছো।

এই সংকলনটোত কমেও তিনি হেজাৰ ঔষধৰ কথা আছে। ব্যক্তিগত চিকিৎসক আৰু পুৰণি পুথিৰ পৰা সংগ্ৰহ কৰা আৰু প্ৰায় তিনি হেজাৰমান ঔষধৰ কথা মোৰ লগত আছে। মন্ত্ৰৰ ক্ষেত্ৰতো সেই একেই কথা। কিতাপখনে জনসাধাৰণৰ সমাদৰ লাভ কৰিলে বাকী থকা ঔষধ আৰু মন্ত্ৰ আৰু সম্ভাব্য যিকোনো নতুন তথ্যৰে দ্বিতীয় আৰু তৃতীয় খণ্ড প্ৰকাশৰ কথা ভাবিছোঁ।

নেশ্বনেল বুকট্ৰাষ্ট চিৰিজত শ্ৰীযোগেন দাসৰ অসমৰ লোক সংস্কৃতিৰ ওপৰত প্ৰকাশিত মূল্যবান পুস্তিকাৰ পৰিচিত দি বিভিকেচ্‌কাৰে কৈছে "লোক সংগীতৰ ক্ষেত্ৰত অসম ভাৰতৰ ৰাজ্যবোৰৰ ভিতৰত নিৰ্ব্বিবাদে আটাইতকৈ চহকী। দেশখনৰ অন্যান্য স্থানতকৈ ইয়াত পৰম্পৰা, প্ৰথা, আচাৰ-ব্যৱহাৰ, পৌৰাণিক শাস্ত্ৰ আদি অধিক জীৱন্ত।"

বিভিন্ন বন্যপ্ৰাণী আৰু উদ্ভিদেৰে চহকী অসম ভৈয়ামৰ জন-জাতি অজনজাতি বিভিন্ন জনগোষ্ঠী আৰু বাৰেৰবীয়া বিভিন্ন সংস্কৃতিৰ মিলন ভূমি।

পৰম্পৰাগতভাৱেই সংস্কৃতিৰ মিলন থলি অসমলৈ আৰম্ভণীতে প্ৰব্ৰজন ঘটিছিল পশ্চিম চীন আৰু ব্ৰহ্মদেশ থাইদেশৰ পৰা। আৰ্যসকল আহিছিল ৰাজস্থান, বেংগল আৰু অন্যান্য স্থানৰ পৰা। প্ৰতিটো সম্প্ৰদায়েই ওচৰ-চুবুৰীয়াৰ লগত মিলি পৰিল আৰু ফলস্বৰূপে এটা চহকী লোকসংস্কৃতি গঢ় লৈ উঠিল। বহিঃ প্ৰভাৱত এক নিৰ্দিষ্ট পৰ্য্যায়ত চিকিৎসা প্ৰথাও গঢ় লৈ উঠিল। এইটোৱেই এক নিৰ্দ্দিষ্ট ব্যৱহাৰ বা আচৰণক বা স্বপ্ন বা মাঙ্গলিক লক্ষণক বিশেষকৈ অসমৰে বুলি আঙুলিয়াই দিয়াত জটিল কৰি তুলিলে। অসমত বিশেষভাৱে গুৰুত্ব লাভ কৰা কোনো এক মাংগলিক লক্ষণ প্ৰকৃততে অন্য ঠাইত উদ্ভৱ হোৱাও হ'ব পাৰে। ঔষধ সম্পৰ্কীয় বিধি-বিধান, মাংগলিক লক্ষণ আৰু অলীক কল্পনাৰ কথা কওঁতে এই কথাও মনত ৰাখিব লাগিব। "নিদান" আৰু "পুথি"ৰ পৰা সংগ্ৰহ কৰা মন্ত্ৰ, প্ৰবাদ বচন আৰু ঔষধপাতি দেখাত অসমৰ থলুৱা যেনেই লাগে। কদাচিৎৰ নিচিনাকৈ মাংগলিক লক্ষণ আৰু অলীক কল্পনা ভাৰতৰ অন্যান্য স্থানৰ লগত কিছুক্ষেত্ৰত অসমতো একে হোৱা দেখা যায়। ডঃ বি কে বৰুৱাই কয় যে দেশৰ অন্যান্য অঞ্চলৰ লোক-সংস্কৃতিৰ লগত অসমৰ লোক-সংস্কৃতি বহুখিনি মিল আছে।

ৰোগ নিৰাময়ৰ অসমীয়া প্ৰথাই বহুদিশ সামৰিছে। ইয়াৰে সবাতোকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল ঔষধ আৰু মন্ত্ৰ। সংগঠিত চিকিৎসা ব্যৱস্থা যেনে, আয়ুৰ্বেদ বা এলোপেথিকৰ কথা মই আলোচনা কৰি খোজা নাই, এইবোৰ যিহেতু প্ৰকৃততে অসমৰ পৰম্পৰাৰ অংশ নহয়। সেই একেদৰে, অসমৰ চিকিৎসা ইতিহাসত জ্যোতিবিদ্যাই এক গুৰুত্বপূৰ্ণ অংশ গ্ৰহণ কৰিছে যদিও পুথি সমূহত লিপিবদ্ধ বেছিভাগে সূত্ৰ আৰু নীতি-নিয়মেই দেশখনৰ অন্যান্য স্থানৰ জ্যোতিবিদ্যা সম্পৰ্কীয় আচাৰ-ব্যৱহাৰৰ লগত প্ৰায়ে একে। কামৰূপ অনুসন্ধান সমিতিৰ পুথিভঁৰালত থকা পুথিবোৰেই অসমৰ জ্যোতিবিদ্যাৰ পৰম্পৰাৰ যথেষ্ট প্ৰমাণ দিয়ে। এই বিষয়ত মই বিশদ আলোচনা কৰিব খোজা নাই কিয়নো ইয়াৰ সূত্ৰ, নীতি-নিয়মাৱলীৰ ফলপ্ৰসু প্ৰয়োগৰ গভীৰ তাত্ত্বিক জ্ঞানৰ প্ৰয়োজন।

অসমৰ জনসাধাৰণৰ কল্যাণৰ দিশত ৰুদ্ৰাক্ষৰেও চিকিৎসা আৰু অন্যান্য প্ৰকাৰে ভূমিকা নোলোৱাকৈ থকা নাই। এই গছজোপা অসমৰ থলুৱা বিশেষকৈ শিৱসাগৰৰ পৰা আগলৈ উজনি অসমত পোৱা যায। ইয়াৰ গুটিটো ভগবান শিৱৰ লগত বহুখিনি একে বুলি জ্ঞান কৰা হয়. আৰু শিৱ পুৰাণত এই সম্পৰ্কে বিস্তৃত বিৱৰণ পোৱা যায়। ৰুদ্ৰাক্ষৰ গুটি আৰু মালা কামাখ্যা মন্দিৰ আৰু শিৱ দ'লত শিৱৰাত্ৰীৰ সময়ত মুৰ্কলিকৈ বিক্ৰী কৰা হয়। বৈষ্ণৱ ধৰ্মলৈ ধৰ্মান্তৰ হোৱাৰ আগলৈকে আহোম ৰজাসকল কম-বেছি পৰিমাণে শিৱপন্থী আছিল আৰু তেওঁলোকেই হয়তো ৰুদ্ৰাক্ষ সংস্কৃতি প্ৰচাৰত প্ৰধান ভূমিকা লৈছিল। ৰুদ্ৰাক্ষ সম্পৰ্কীয় বিস্তৃত বিৱৰণ তলত দিয়া হ'ল।

আপ্তবাক্য পুঞ্জীভূত জ্ঞানৰ পৰিশোধিত নিঃসৰণ। অসমৰ আপ্তবাক্যৰ ভঁৰালো চহকী। স্বাস্থ্য সম্পৰ্কীয় কথা থকা আপ্ত বাক্য কিছুমিন নিৰ্বাচন কৰি ব্যাখ্যাগত টিকা সম্বলিত অধ্যায় এটা সংযোজনা কৰিছোঁ।

আপ্তবাক্যৰ কথা সুকীয়া, অলীক কল্পনা আৰু মাংগলিক লক্ষণত অসমীয়া লোকে বিশ্বাস কৰে। তাৰে কেইটামান তলত উল্লেখ কৰা হ'ল। শৰীৰৰ বিভিন্ন অংশৰ মাংসেপেশীৰ আকস্মিক সংকোচনৰ কিছু কথাও দিয়া হৈছে। স্বাস্থ্যৰ কথা মনত ৰাখি বিশ্বাস, অন্ধবিশ্বাস, আচাৰ-ব্যৱহাৰ আৰু খাদ্যভ্যাসৰ কথাও আলোচনা কৰিছোঁ।

চিকিৎসা সম্পৰ্কীয় অন্যান্য পদ্ধতিও অসমত আছে। বহুদিন ধৰি যোগ চিকিৎসা পদ্ধতিও চলি আছে। তান্ত্ৰিক চিকিৎসাই হয়তো পুৰণি। তান্ত্ৰিক চিকিৎসকসকল সাধাৰণতে কামাখ্যা মন্দিৰৰ চৌকাশৰ আৰু মৰিগাওঁ জিলাৰ মায়ং অঞ্চলৰ। ১৮ শতিকাৰ তান্ত্ৰিকতাবাদক আহোম ৰজাসকলৰ ধৰ্মৰূপে পৰিগণিত হৈছিল। মুখমণ্ডল, তিল আৰু হস্তৰেখা চাই ৰোগ নিৰ্ণয় কৰিব পৰা লোক আৰু ওজাক মই লগ পাইছোঁ। বিভিন্ন কাৰণত এনেবোৰ বিষয়ৰ ওপৰত বিস্তৃত আলোচনা কৰিব খোজা নাই; (ক) ইতিমধ্যে, এই বিষয়ত ভালেমান কিতাপ পত্ৰ আছে, (খ) এনেবোৰ বিষয়ৰ ওপৰ মোৰ নিজৰ জ্ঞানৰ পৰিসৰো বিস্তৃত নহয়, আৰু (গ) সাধাৰণ মানুহে এনেবোৰ বিষয় প্ৰয়োগ কৰাৰ আগতে যথেষ্ট তত্বগত জ্ঞানৰ প্ৰয়োজন। নিৰ্দিষ্ট বিধি আৰু বিধান অনুসৰি প্ৰয়োগ নকৰিলে যোগ আৰু তান্ত্ৰিক ঔষধ মাৰাত্মক হ'ব পাৰে। গুপ্তজ্ঞান বা সংগঠিত পদ্ধতি যেনে যোগ বা তান্ত্ৰিক ঔষধক লোক সংস্কৃতিৰ অংশ বুলি ক'ব পাৰিনে নোৱাৰি সেইটো বিৰ্তকৰ বিষয়। কিতাপখনত লোক সংস্কৃতিৰ কথাকে কোৱা হৈছে।

অকল অসমতে নহয়, আন আন ঠাইতো ৰোগ নিৰাময়ৰ ক্ষেত্ৰত মন্ত্ৰই সদায়েই মুখ্য ভূমিকা লৈ আহিছে। ইয়াত উল্লেখ কৰা মন্ত্ৰবোৰৰ ভিতৰৰ বেছিভাগেই বৈদিক মূলৰ। আনবোৰ হয়তো তান্ত্ৰিক হ'ব পাৰে। আন কিছুমান, যেনে, ৰুদ্ৰাক্ষ বীজমন্ত্ৰ পুৰাণ মূলৰ। সি যি কি নহওক, মই মন্ত্ৰবোৰৰ উৎস সম্পৰ্কে অনুধাৱন কৰাৰ চেষ্টা কৰা নাই। 'লোক ঔষধি' নামৰ কিতাপখন প্ৰকাশ কৰাৰ পাচত তাত মালা, মাদলী আৰু তাবিজৰ এটা সুকীয়া খণ্ড সংযোজন কৰা উচিত আছিল বুলি এক পৰামৰ্শ আগবঢ়োৱা হৈছিল। যেনে ধৰক

অধ্যাপকৰ চাৰি এটুকুৰা সূতাৰে বান্ধি ৰাখি লʼলে গৰ্ভপাত প্ৰতিৰোধ এইটো কামৰ প্ৰকাশত লাগি থকা বাবে সময়ৰ অভাৱত মই উক্ত শাখাটো সম্পূৰ্ণ কৰিব নোৱাৰিলোঁ। আৰু ইয়াক দ্বিতীয় খণ্ডত সাঙুৰি লোৱাৰ পৰিকল্পনা কৰা হৈছে। যানহওঁক এইবোৰৰ কিছু কিছু কথা পাঠ্যপুথিখনৰ অন্ত ভাগত পোৱা যাব আৰু ইতিমধ্যে এক ক্ষুদ্ৰাংশ সংযোজন কৰাও হৈছে আৰু তাকে মই পৰিবৰ্দ্ধন কৰাৰ প্ৰস্তাৱ লৈছো।

বেমাৰৰ উৎপত্তি আৰু ইয়াৰ চিকিৎসা সম্পৰ্কে শ শ বছৰ ধৰি বিশেষকৈ অতি পিছপৰা অঞ্চল সমূহত চলি থকা বিবিধ বিশ্বাস আৰু ক্ৰিয়াকৰ্মৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তোলাৰ অদ্যাপি প্ৰয়োজন আছে। বেমাৰ-আজাৰ সমূহ প্ৰায়ে দেৱ-দেৱীৰ ৰোষ (যেনে ধৰক মানুহে মাৰিবৰ বাবে ব্ৰহ্মাই চৌষষ্ঠিটা ৰোগ জাপি দিছে অথবা বসন্তৰ দেৱীৰ ৰোষত হোৱা 'আই' বা বসন্ত ৰোগ) তথা পূৰ্বপুৰুষৰ অসন্তুষ্টি, পূজা-পাৱনৰ অসুচীতা যেনে ধৰক বিধি নিষিদ্ধ কাৰ্য্যত লিপ্ত হোৱাৰ বাবে তিৰোতাৰ লেঠীৰ, শাৰীৰিক অসুদ্ধতা যেনে ধৰক নীচকুলৰ লোকৰ পৰা আহাৰ গ্ৰহণ, প্ৰতিকূল বতৰত উন্মুক্ত বিচৰণ অথবা অনুপযুক্ত আহাৰ গ্ৰহণ (যেনে 'গৰম' বা 'ঠাণ্ডা' আহাৰৰ প্ৰভাৱ) আৰু ভূত প্ৰেত অন্যান্য প্ৰেতাত্মা (পিশাচ, খেতৰ, খেতৰি, দাইনী, যখিনী, হাতোবালী, বাটোবালী, চামোন, বণ্ডাকবৰণ ডাঁৰবীয়া আৰু অন্যান্য) ইত্যাদিক দায়ী কৰি অহা হৈছে। ভেল্কীবাজী বা ইন্দ্ৰজাল আদিয়েও বেমাৰ সৃষ্টিত ভূমিকা লয়, যেনে ধৰক চকুলগা অথবা (মুখলগা) বেমাৰ। ৰোগ-ব্যাধি পূৰ্ব্ব জন্মৰ পাপৰ ফল বুলি বিশ্বাস কৰা হিন্দু বিশ্বাসৰ কথাটোত এই দিশত মুখ্যতঃ প্ৰণিধানযোগ্য বিষয়।

বেমাৰ সৃষ্টি কৰা অতি প্ৰাকৃতিক শক্তিসমূহৰ ক্ষেত্ৰত কোন অপদেৱতা বা শক্তি ৰোগ সৃষ্টিৰ লগত জড়িত তাক প্ৰথমে বাছি উলিয়াব লাগে। এইখিনিতেই আমাৰ ঐশ্বৰিক বা স্বৰ্গীয় ভূমিকাৰ কথা আহি পৰে। এনেক্ষেত্ৰত আহোম ৰজাসকলে আগৰ দিনত দেওধাইৰ দ্বাৰাই কুকুৰাৰ ঠেং পৰীক্ষা কৰাইছিল। এনেক্ষেত্ৰত স্বৰ্গীয় উৎসৰ আতৰিচাৰি খাটীয়া আৰু জনজাতীয় লোকসকলৰ মাজত এনেধৰণৰ আগণন মংগলচোৱা পদ্ধতি প্ৰচলিত আছিল আৰু এইবোৰৰ বিতং বাখ্যাৰ ইয়াত আৱশ্যক নাই, সেই সম্পৰ্কেও, পি, গোগীৰ 'লোক ঔষধি' নামৰ কিতাপখনত বিস্তৃতভাৱে আলোচনা কৰা হৈছে।

ৰোগটোৰ কাৰণটো এবাৰ চিনাক্তকৰণৰ পাচত ইয়াৰ বাবে আৱশ্যকীয় চিকিৎসাৰ কথাটো আহি পৰে। অসমত পৰ্যাপ্ত হাৰত মন্ত্ৰ সাহিত্য পোৱা যায়, ইয়াৰে অধিকাংশই শৰীৰৰ পৰা ভূত প্ৰেত আদি আতৰাই পঠিওৱা কামত ব্যৱহাৰ কৰা হয়। অন্যান্যবোৰ হʼল যেনে ব্ৰহ্মাৰ দ্বাৰা প্ৰেৰিত ৰোগৰ বাবে বৰদোৱাৰ গ্ৰন্থাগাৰত থকা সৰ্ব্বৰোগ নিবাময়কাৰী 'সৰ্ব্বঢাক' মন্ত্ৰ আৰু অন্যান্য দেৱ-দেৱীৰ মন্ত্ৰসমূহ। এনেদৰে ভেল্কিবাজী, মুখলগা, কলাযাদু, ভুতধৰা আদিৰ ক্ৰিয়াশীল সমূহ দূৰ কৰাৰ বাবেও মন্ত্ৰ আছে। নৰবলিৰ প্ৰথাটো এসময়ত সাধাৰণ কথা আছিল আৰু এতিয়াও কোনো কোনো দেৱতাৰ সন্তুষ্টিৰ বাবে শিশু বলি দিয়াৰ কথা বাতৰি কাকত আদিত মাজে সময়ে ওলাই থাকে। আহোম ৰজাসকলে প্ৰায়েই নৰবলি

দিছিল। দেৱ-দেৱীৰ সন্তুষ্টিৰ বাবে তেওঁলোকে পূজাৰ ব্যৱহাৰ কৰিছিল আৰু 'বিখণ্ডান' আদি পূজা দিছিল আৰু দীৰ্ঘায়ু হ'বলৈ আৰু আন আন কাৰণৰ হেতু 'জবিগছ' আদিও কৰিছিল। দেৱ-দেৱীৰ সন্তুষ্টি বা গ্ৰহণৰ ক্ষেত্ৰত সন্তুষ্টি অথবা ভৱিষ্যত মংগলৰ বাবে আজিকালিও পূজা আৰু নাম-কীৰ্ত্তনৰ (যেনে - ভাদ মহীয়া নাম) ব্যৱস্থা কৰা হয়।

এই ব্যৱস্থাবোৰ অসমত সম্পূৰ্ণৰূপত প্ৰচলিত আনকি ড° মহেশ্বৰ নেওগ ডাঙৰীয়াও আই দেৱীৰ পূজা সম্পৰ্কীয় আলোচনাত এই সম্পৰ্কে কৈছে তথাপিও পুনসু ক'ব পাৰি জনস্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত ঔষধ ঔষধহে সাধাৰণতে ব্যৱহাৰ কৰা হয় বা ই প্ৰধান ব্যৱহাৰ্য্য উপাদান।

এইটো দুৰ্ভাগ্যজনক কথা যে গ্ৰাম্য ঔষধৰ ব্যৱহাৰ এতিয়া কমি অহা দেখা গৈছে। আমাৰ মতে ইয়াৰো কাৰণ বহুতো। (অসমৰ পৰম্পৰাগত ঔষধিৰ পৰা উদ্ধৃত)

গাঁৱলীয়া ঔষধ আৰু ৰোগ নিবাময়ৰ অধ্যয়ন বহুদিনৰ পৰাই গুৰুত্বপূৰ্ণ। এইটো সুপ্ৰতিষ্ঠিত কথা যে ই জনগণৰ গ্ৰহণযোগ্য আৰু ই এলোপেথিক পদ্ধতিৰ এক বিকল্প - যি এলোপেথিক পদ্ধতি এতিয়াও গ্ৰাম্যাঞ্চলৰ একেবাৰে ভিতৰলৈ সোমাব পৰা নাই। গাঁৱলীয়া ঔষধৰ বিকাশৰ যথেষ্ট সুবিধা আছে। অকল উত্তৰ পূৰ্বাঞ্চলতে পোৱা বিভিন্ন জাৰ হাজাৰ হাজাৰ ঔষধি গছৰ তুলনাত সংগঠিত পদ্ধতি যেনে - আয়ুৰ্বেদ আৰু ইউনানিত কাটিংহে ১০০ বা সমপৰিমাণৰ ঔষধি গছ ব্যৱহাৰ কৰা হয়। বেছিভাগ ঔষধি গছ অসমতে পোৱা যায় ৰোগ নিবাময়ৰ থলুৱা পদ্ধতিৰ উন্নয়নে আমদানি ব্যয় হ্ৰাস কৰিব।

আজিকালি গাঁৱলীয়া ৰোগ নিবাময় পদ্ধতিৰ প্ৰাসংগিকতা আৱশ্যে এইবোৰৰ বাহিৰলৈ গৈছে। এনে বহুতো ঔষধি গছ আছে যিবোৰক অতীতত পূজা কৰা হৈছিল আৰু অপকৰ্মত ব্যৱহৃত তন্ত্ৰ-মন্ত্ৰ যাদুমন্ত্ৰ আৰু কুকৰ্ম প্ৰতিৰোধত ফলপ্ৰদ বিবেচিত হৈছিল। আদিম মানুহে হয়তো তেওঁলোকৰ মাজত বিশেষ গুণ থকাৰ উমান পাইছিল কিন্তু বিজ্ঞানৰ অগ্ৰগতিৰ অবিহনে এই বিষয়ে জনাৰ কোনো উপায় নাছিল।

নহৰু তেনে এবিধ গছ। পৰীক্ষা কৰি পোৱা গৈছে যে নহৰুত যথেষ্ট ঔষধি গুণ আছে। উচ্চ ৰক্তচাপ আৰু অন্যান্য ৰোগত নহৰু উপকাৰী। জনা গৈছে যে নহৰু কৰ্কট ৰোগৰ ক্ষেত্ৰতো উপকাৰী।

সম্ভৱতঃ তেনে এক ঔষধি গছ হ'ল কাঁইটযুক্ত পাত থকা গছ। সাধাৰণতে এই গছ ইউৰোপত পোৱা যায়। পুৰণি কালত এই গছজোপাক কুকৰ্ম আৰু অপদেৱতা ৰোধৰ ৰক্ষক হিচাপে বিবেচিত কৰা হৈছিল। গছজোপাই যুদ্ধক্ষেত্ৰত সৈনিকক ৰক্ষণা-বেক্ষণ দিয়াৰ সম্মোহন শক্তি থকা বুলিও বিবেচিত হৈছিল। "এনথ্ৰপচফিকেল স্কুল"ৰ প্ৰতিষ্ঠাতা জাৰ্মান দাৰ্শনিক ৰোডল্ফ ষ্টেইনাৰে কাঁইটযুক্ত পাত থকা গছবোৰ বিশেষকৈ কৰ্কট ৰোগত ইয়াক বহুলভাৱে ব্যৱহাৰ কৰা হয়। ইয়াৰ পৰা সুফলো পোৱা গৈছে।

এই কিতাপখনৰ ১ ম আৰু ২য় খণ্ডত বহুলোকে অবিহণা যোগাইছে। "অসমৰ পৰম্পৰাগত বনৌষধি"ৰ পাতনিত অবিহণা যোগোৱাসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছো।

পুথি-পাজি আৰু ঔষধ বা মন্ত্ৰ যোগান ধৰোঁতাসকলৰ নাম কিতাপখনৰ শেষত দিয়া হৈছে। ছপা কাম চোৱাচিতা কৰে চৰকাৰী ছপাশালৰ সঞ্চালক শ্ৰী বি, হাজৰিকা আৰু সহকাৰী সঞ্চালক শ্ৰীপ্ৰবোধ চন্দ্ৰ দাসে। কম সময়ৰ ভিতৰতে অধিক ভুল-ভ্ৰান্তি নোহোৱাকৈ কিতাপখন ছপাকৰি গুৱাহাটীৰ প্ৰশংসনীয় কাম কৰিলে। মোৰ মাতৃ শ্ৰীমতী মাধুৰী দাস, মোৰ খুড়ী শ্ৰীমতী গিৰিজা বালা দাস আৰু .... মোৰ অলীক কল্পনা, মাংগলিক লক্ষণ আৰু আপ্ত বাক্য যোগান ধৰি যথেষ্ট সহায় কৰিছে। ঔষধৰ পুথি-পাজি বিচাৰি সংগ্ৰহ কৰাত নগাঁৱৰ ড° নবেন কলিতা আৰু ড° খাহাৰুদ্দিন আহমেদ বিশেষভাৱে সহায় কৰিছে। এওঁলোক সকলোৰে ওচৰত মই কৃতজ্ঞ।

সদৌ শেষত কওঁ যে মোৰ ভূমিকাক ঔষধ, মন্ত্ৰ আদিৰ এজন মাথো সংগ্ৰাহক হিচাপে বিবেচনা কৰোঁ। উজনি অসমৰ আয়ুক্ত হিচাপে এক সুচল স্থানত, থকা হেতুকে মই এই কাম সম্পন্ন কৰিব নালাগে। পেশাদাৰীৰ বিশেষ তদাৰকতাত ব্যৱহাৰ কৰা নহ'লে বেছিভাগ ঔষধ আৰু মন্ত্ৰই বিপদজনক হ'ব পাৰে। বিশেষজ্ঞৰ পৰামৰ্শ অবিহনে এইবোৰ ব্যৱহাৰ কৰা উচিত নহয়।

সূচী-পত্ৰ

১ম খণ্ড

মাউৰা	১
জলাৰ বন্ধ হ'লে খোৱা দৰৱ	২
শৌচ, বাঁতি বন্ধ কৰা দৰৱ	৪
বাগী বা বাইৰহী, বেৰা	৪
মোচৰ ৰোগ	৬
খেহু ৰোগ	৭
গোধ ৰোগ	৮
চৰ্ম ৰোগ	৯
নীলাই	১০
পিত্ত ৰোগ	১১
গোপ্তিক বেমাৰৰ ঔষধ	১৩
ৰক্তপিত্ত	১৪
দাঁতৰ দৰৱ	১৫
ফোঁহা ৰোগ	১৬
প্ৰসূতি ৰোগ	১৮
প্ৰসৱ হোৱা ঔষধ	২২
নাক সুৰলুৰাই তেজ যোৱাৰ ঔষধ	২৩
কাণৰ দৰৱ	২৩
মূৰ কামোৰণি, আধ-কপালি	২৪
শূলৰ দৰৱ	২৫
পিঠাখোৱা, টনচিল	২৬
অৰ্বাবুৰ ৰোগ	২৬
শিশুৰ দৰৱ	২৬
টোপনিত প্ৰস্ৰাৱ হোৱা	২৭
বমি	২৮
গৰ্মী ৰোগ	২৯
লেওৰ দৰৱ	২৯
কেঁচুমূৰীয়া ৰোগ	৩০
আঘাত পোৱাৰ দৰৱ	৩১
বেতুৰ দৰৱ	৩২
পালমইলা	৩২
অজীৰ্ণ বা আজোক	৩৩
গুহ্যদ্বাৰৰ বেমাৰ	৩৩
হৃদ ৰোগ, কোষ্ঠ-কাঠিন্য	৩৪
কুকুৰ চপচপনিৰ ঔষধ	৩৪
কুকুৰ পোৱণিৰ ঔষধ	৩৫
যক্ষ্মা ৰোগ	৩৬
নাক্ৰজা ৰোগ	৩৬
কাঁহৰ দৰৱ	৩৬
ব্ৰংকাইটিচ্	৩৭
শিংগাড় বা হোৱা দৰৱ	৩৮
স্বপ্ন-দোষ	৩৮
জেলৰোগ, ধনুষ্টংকাৰ, সাপে কামোৰা, শামুকীয়া, গৰ্ভপাত	৩৯
প্ৰসৱৰ দৰৱ, জোৰ জিৰাৰ দৰৱ	৪০
জলনধৰাৰ দৰৱ, পখা	৪০
দুধমোৰ, গৰ্ভৱতী হোৱাৰ দৰৱ	৪১
ঘুমকক্ক	৪১
মৃগী, মূৰ্চ্ছা ৰোগ, কৰ্কট ৰোগ	৪২
কোষ্ঠকাঠিন্য, সাপে কামোৰা, মকৰুচিৰা, এন্দুৰীয়া	৪২
ভুতৰ দৰৱ	৪৩
পেট কামোৰণি	৪৩
চকুৰ দৰৱ	৪৪
জীৱ-জন্তু আৰু বিষাক্ত প্ৰাণীয়ে কামুৰিলে	৪৫
সৰ্ব বেথা	৪৭
নিউমোনিয়া, বেচু	৪৮
লেও	৪৯
শিশুৰ জুৰীয়া হাগনি, লেও	৫০
তেজ সাৰ বা সাৰৰ দৰৱ	৫৪
উচ্চ ৰক্তচাপ	৫৭
নিম্ন ৰক্তচাপ, হৃদৰোগ, মৃদ্গাৰ	৫৭
মূত্ৰকৃচ্ছ্ৰ, মৃদ্গাৰ আৰু পোৱা জিকৰি	৫৮
মূতত গাঠি লগা বেমাৰ, জলসাৰ	৫৯
হাপতংকা ৰোগ	৫৯
মামৰি ৰোগ	৬০
পাল জ্বৰ	৬২
মোৰৰ দৰৱ	৬৩
শিৰা বেমাৰ	৬৪
এন্দুৰীয়া	৬৫

- গ্ৰহণী ৰোগ ৬৫
- চুলিৰ ঔষধ ৬৭
- বাত বিষৰ ঔষধ ৬৭
- শক্তিমান, সন্নিপাত জ্বৰ, বিষ ব্যাধি ৬৯
- কটা ঘা, পোৰা ঘা, কাণৰ বেমাৰ ৬৯
- কাঁহ ৰোগ ৭০
- মুত্ৰ বন্ধ হোৱা ৰোগ ৭১
- শালমন, ব্ৰণ ৭২
- গণ্ড বা গঠলু, পিলা ধমনা ৭৩
- পিলা ধমনা, বাত ব্যাধি ৭৩
- ডেঁউৰ বা অচেতন ৭৬
- যোনী ৰোগ ৭৭
- ফিঁটা পেলু বা পেলুৰ দৰব ৭৭
- মোহনী ৭৮
- হাড় ভগা বা জোৰা লগোৱা ৭৮
- ব্ৰংকাইটিছৰ দৰব ৭৯
- লখত ঘগা পৰা ৭৯
- নাকৰ ৰোগৰ দৰব ৭৯
- গা ফটা, চোম পৰা, খজ ৭৯
- ভূতৰ দৰব ৮০
- কলঙ্ক নিবাৰণ কৰা ঔষধ ৮১
- গা চকা হোৱা ঔষধ ৮২
- বিছা শুং উলিওৱা, পোৰা, অংগ মৰা ঔষধ, জিভাৰ দৰব ৮২
- বিহালা, বেণ্ডৰ ঔষধ ৮৩
- বাজপীড়া ৮৩
- কাণবন্ধ হোৱা, মদ কৰা ৮৪
- বায়ু, মূৰ্চ্ছা, অগ্নি বায়ু ৮৫
- সৰ্ব ব্যাধিৰ ঔষধ ৮৫
- গাত এচিড পৰিলে ৮৬
- এনকেফেলাইটিছ ৰোগ ৮৭
- এলাৰ্জী ৮৮
- বহুমূত্ৰ ৰোগ ৮৮
- পাকস্থলিৰ ঘা ৮৯
- গোধ ৰোগ, মৃগী ৰোগ ৯০
- জিকৰি ৯১
- অচেতন হোৱা ৯২
- পগলা হোৱাৰ ঔষধ, আঁঠু কামোৰণিৰ ঔষধ ৯২
- হাবা কুমজ্ৰৰ ঔষধ ৯৩

২য় খণ্ড

- বিষৰ দৰব/হাৰ্ট টনিক ১
- অম্লৰ ৰোগ/বিষ খোঁচোৰকৰ দৰব ২
- গল বেৰা আৰু ডিপ্থিৰ দৰব ৩
- গল বকাৰ দৰব/গলনাৰ দৰব/টনচিল ৪
- পিঠিবেলা/গৰল ৰোগ ৪
- বিসুনাৰ /প্ৰসাৱৰ দোষ ৫
- প্ৰসূতাৰ দৰব ৬
- চকুৰ দৰব ৭
- গৰ্ভ পতনলাৰ দৰব /শিৰ কুষ্ঠ /কুষ্ঠ ৰোগ ১০
- বাৰ ঘোৰৰ দৰব/ বাৰ চাপৰিৰ দৰব / বাঘে কামুৰিলে /হকাৰ দৰব ১০
- মূলাৰ দৰব /গাঠিয় মূলাৰ ১১
- প্ৰস্ৰাৱৰ গণ্ডগোল বা পাথৰ হ'লে/নাবেংগাৰ দৰব ১২
- এলুবীয়াৰ দৰব ১৩
- পেটৰ বেদনা ১৫
- তেজ সাৰৰ দৰব ১৮
- ৰক্ত সাৰৰ দৰব /বাদুৰ দৰব ১৯
- গ্ৰহণীৰ দৰব ২১
- কলেৰাত /গৰ্ভৱতী/বাতবিষ /সাপে কামোৰা/ বাজ পীড়া ২৩
- জৰ ব্যাধি ঔষধ/ জলসাৰৰ দৰব ২৪
- চাঁইবেটিস ২৫
- বাটেজণি /গাঠি গাঠি বিষ/ৰক্ত পৰিষ্কাৰ বাত ২৬
- শিৰাৰ দৰব ২৬
- বল ধৰ/কুণ্ডলীয়া ২৭
- পোৰা যেঠৰ দৰব /সন্তানহীন তিৰোতাৰ গৰ্ভৱতী হোৱাৰ দৰব ২৮
- গৰ্ভধাৰণ/পেট বাকুলি মাইকী মানুহৰ গৰ্ভ নষ্টৰ দৰব ২৮
- গা চলাৰ দৰব /দ'ৰ ডোৱাণী নহ'লে ২৯
- চিৰ বন্ধ্যা শক্তি /সন্তান হোৱাৰ ৩০
- সন্তান নোহোৱা /ঋতুকালত বেছিকৈ তেজ পৰা /শক্তি বিন্দু কম হ'লে /কাম শক্তি/ বটিকা ৩০
- ৰতি শক্তি /পুত্ৰ লাভ /গৰ্ভৰেৰ ৩১
- শক্তি বৃদ্ধি, বীৰ্য্য নষ্ট /গাধীৰ বেছিদিন /বন্ধ্যাৰ ৩১
- গৰ্ভপাতৰ আশংকা/ বন্ধ্যা দ্বিতীয় সন্তান লাভ / গৰ্ভ ব্যাধি ৩২

- ☐ পা উপরের দরদ/ রাত্রকালীন রোগ/ অংকু- রোহালী হৈ নখরা হলে ৩২
- ☐ সন্ধী সন্ধতি মেয়েদের ঋতিবন্ধন /স্রেতুর দরদ ৩৩
- ☐ আয়রন কৌমেরবার দরদ/ উরাম কোমর দরদ ৩৫
- ☐ আলফেব কাশ্যব দরদ ৩৫
- ☐ কুকুলী কলার দরদ ৩৬
- ☐ অকতিব দরদ/উদর বা আতোক ৩৬
- ☐ জিহ্বার ঘার /ঠোঁট ফুলি ব্যাধির দরদ/ জিহ্বার বেদনা দরদ /মুখত ঘা হলে ৩৭
- ☐ দুধ বেদনা দরদ /লবণ তেল বন্ধ রোগের দরদ লাগিয়া রোগ /চাইলা চাইতিয়ের দরদ ৩৮
- ☐ লাবণ্য ভিতরের রোগ টেমুনা ৩৮
- ☐ পালি পাচ/ নারেলি তেল আর /লবণ ঘা/ প্রসাব জমা /প্রসাব বন্ধ রোগের দরদ/ যোবব দরদ ৩৯
- ☐ বলিয়া শিয়ালে খোয়া / বলিয়া কুকুরে খোয়া দরদ ৪০
- ☐ বলিয়া জীব-জন্তুয়ে কামুরিলে/ সর্পের বিষ নাশ ৪১
- ☐ কীট পিতল দরদ ৪২
- ☐ পেটজ্বিক ৪৩
- ☐ অম্ল পিত্ত /পাথরী রোগ /পেটের ঘা ৪৪
- ☐ পেটজ্বিক আলচাল ৪৪
- ☐ পানী লাগা জ্বরের দরদ ৪৫
- ☐ কটুবাই কটের দরদ/সূর্য্য কলাজী/ আন কলাজী ৪৫
- ☐ চন্দ্র কলাজী/ মূর কামোবলি/ মবমুতিয়াব/ জুইয়ে পোকার দরদ ৪৬
- ☐ কুকু পোকা/ চকু চমচমোরা / কুকু কাঁপনি কর্ণমূল বা কানের দরদ ৪৭
- ☐ কাপড় কেকেলুয়া সোমালে/ কালেরে পুঁজ বৈ থকা/ কাণ তাল মরা ৪৯
- ☐ গাঁথীর মোজাই কাণ পকিলে /কানের ভিতরত রোগ বিষ /নাক মুখ ঝরা দরদ/ কুমলী রোগ বহুমূত্র ৪৯
- ☐ প্রসাবর সোঁতত পাথর হলে পাথর বাহির করা দরদ ৫০
- ☐ জলাশয় /জলকিচ, আরেকিডিং, প্রসাবত জ্বলা পোড়া করা, পাথর রোগ, চেনি পরা, ধাতু রোগ রোগ হলে ৫১
- ☐ মুত্রশুল /প্রসাবত পুঁজ ওলালে / বিচলাত ফুলা /মতমেদ /খেত প্রদর/ মুত্র বন্ধ হলে /শিশুর প্রসাব বন্ধ হলে ৫২
- ☐ ধাতু রোগের ৫৩
- ☐ গর্ভি রোগ /পাথরি / মূত্রের পাড়ি পড়া /উচুহুজকলা আর তেরগোঁবীয়ার দরদ ৫৩
- ☐ মিমশিরা /হুলম পাষণ দরদ ৫৪
- ☐ অংশ দরদের দরদ ৫৫
- ☐ যৌন ক্রিনীয় ৫৫
- ☐ পুরুষ কলা /গর্ভ রক্ষা /পানকির দরদ ৫৬
- ☐ শিলা থাপনি /হুলি থাপনি /জল থাপনি/ থাপনি পেটে ব্যাঙেকলি ৫৭
- ☐ পো কিতর দরদ/ পোলাও ব্যাধি ৫৭
- ☐ পা ফুলা রোগের দরদ ৫৮
- ☐ মুখ বিষ আর মুখ কামোবলি ৫৮
- ☐ মুখ দুর্বলির দরদ ৫৯
- ☐ যোব পাংগাটি /কলমুচি ৫৯
- ☐ চাওলি রোগের পিরপিরুনির দরদ ৬০
- ☐ নখ চুরা /পাথর/ নখা ঘা/ গাঁটিয়া ৬০
- ☐ হাত পড়া/ পাদ রোগের দরদ ৬১
- ☐ গরম পাঁশ রোগ/ সোনা ব্যাধি/ কলজিয়া কলাওটিয়া থকলা ৬১
- ☐ অংগারা/ হেমেন্দ রোগের দরদ ৬২
- ☐ সূচিবেধ /টংকা /জেবরা /সোনা /সুরজিয়া এর্ণ দরদ ৬২
- ☐ নিদ্রা অর দরদ ৬৩
- ☐ সক লাখ-তোতালীয়ে টোপলিত পদ্মরোগের দরদ ৬৩
- ☐ হাতের দরদ /হাড় ভঙা দরদ ৬৪
- ☐ হাড়ের ঔষধ ৬৪
- ☐ যদি রোগের /তেজ প্রসাব হলে /প্রেমের ব্যঞ্জিয়া ব্যাধি ৬৬
- ☐ পেটের রোগ ৬৬
- ☐ গ্রহণী / আমশূল ৬৭
- ☐ অজীর্ণ / বমি ৬৮
- ☐ উকি ওঠার দরদ ৬৯
- ☐ ওকণি দর /চিকৌয়ে খোয়া ৬৯
- ☐ দাঁতের পোক /দাঁত কলা/ পায়রিয়া ৭০
- ☐ দাঁতর তলিয়ে তেজ ওলোয়া দরদ ৭১
- ☐ দাঁতর বিষ /দাঁত উথার /মাড়ির রোগ ৭১
- ☐ দাঁত পোকে খোয়া ৭২
- ☐ রোগ রোগ ৭২
- ☐ দাঁত নরম/ দাঁতর আলু উথার/ কাল ফুটন /বিবর্ণ ফুটন দরদ ৭৩

- জ্বর, বন্ধ্যা/ঐকয় জ্বর/জোম জ্বরের দবর ৭৪
- বন্ধ্যা ৭৪
- সুমধিকা জ্বর /বন্ধ্যা রোগের দবর ৭৫
- পাতড়েছে খোরা /বোরা পোকে খোরা /
- ধবর দবর ৭৭
- সতী ধব ৭৮
- ঋতু বিধিনীর দবর /স্ত্রী পুস্পিতা
  হোরা/ঋতু বন্ধন হ'লে পুনর হোরা দবর ৭৯
- মেটিকে ঋতু হোরা /ঋতুর সময়ত
  কামোরে/ পুরে/ কন্যাকাল নোহোৱা /গা-
- চলা /চোরা কামুকী ৭৯
- জ্বর হোরা দবর ৮০
- উদকাইর দবর ৮০
- যোমুকন্যা ৮২
- প্রদর রোগ /সাব বেমাব /চুলি সবা ৮২
- টকৌরে খোরা/কেচুমুবীয়াব দবর ৮৩
- কেচুমুবীয় জাতি গ'লে/ কুমজেলুকাই খোরা ৮৫
  দা-কুঠারে কাটিলে ৮৬
- কাটিলে তেজ ওলালে /কটা ঘা/ গাইকী
  মানুহর পাচ নহ ৮৬
  পাচ অন্নর দবর ৮৭
- পাথবি রোগ /গকর জল সাব/ গকব
  বেমাব নোহোৱা দবর /গকব ধকা /খভীয়া
- সাপে খালে ৮৭
- মকবাই খালে /বিচা শুং সোমালে/ গম্মী
  বেমাবব দবর ৮৮
- প্রমেহ /সমীরোগ/ আৰ্বীয় বেমাবব দবর ৮৯
- মৃগী রোগ/পয়লগা দবর ৯০
- কাহ-কফ /পেসাবব দুবাব পোবাব দবর ৯১
- অর্শপিচ/সাব বেমাব /বক্তসাব /রোম সাব ৯৩
- মাইকী মানুহৰ গা-চলাৰ দবর/ গর্ভপাত
  চুৱা কামোবণি ৯৪
- ধাতু দুর্বল ও মাইকী মানুহৰ গর্ভপাত/
- ঋতুসাব অনিয়ম ৯৫
- কন্যাধারণ নোহোৱা /গর্ভপাত ৯৫
- চুৱা কামোবণি/ঋতুস্রাব অনিয়মিত ৯৬
- ঝিঙ্কি ব গকল/টনটিল ৯৭
- কাঠ ছেদন দবর /মাত ভাল হোৱা ৯৭
- মুখর গন্ধ নাশ হোৱা /গ্রীষ্ম ৯৮
- মহব পেলু /ছাগলীব হ্যাগলী /ঘহলীয়াব ৯৮
- পুরুষ বা স্ত্রীর জাথান উঠাছিলে /ওলাব
  শুল রোগ ৯৯
- প্রেচাবব দবর /ঘুই প্রেচাব ৯৯
- চর্ম রোগ ১০০

৩ য় খণ্ড

- উর্দ্ধবাশব দবর ১
- চক্ষুরোগব দবর ১
- উদকাই, কাঁহ, দুংগুকব দবর ১
- কান, কান, পানীলগাব দবর ১
- বব বায়ুব দবর ১
- বিপাদিকাব দবর ১
- হাড় ভগা জোবা হোৱা দবর ১
- দাঁত পোকব দবর ১
- দাঁতব শুবি পবিলে পিয়া দবর ১
- কুমতিয়াব দবর ১
- সাপব বিষব দবর ২
- সোতব দবর ২
- সর্প কাহব দবর ২
- কুক্ষিয়মোব, পেটিব বিষ, পেট উখহাব দবর ২
- থবব পবা মিশুল হোৱাব দবর ২
- চকুত কুলাপবাব দবর ২
- বক্ত বাতব দবর ৩
- ববখাবব দবর ৩
- কোব নাশ হোৱা দবর ৩
- জোম জ্বরব দবর ৩
- শোভ নাশ হোৱা দবর ৩
- বাত বিষব দবর ৩
- কুমসাবব দবর ৩
- টেংগাপানী অম্ল, বমিব দবর ৩
- বাত রোগব দবর ৩
- দানহ, বাকল, ভুত-প্রেত ডাকিনী আদিব ভয়
  নাশ হোৱা দবর ৪
- কাস, কাঁহ, হৃদরোগব দবর ৪
- থকপীড়াব দবর ৪
- অন্ন পিত্তব দবর ৪
- পিত্ত ব্যক্তব দবর ৪

□ থকনীয়া, গাঠি মুদ্গৰ, জিবৌৰ আদিৰ দৰব ৪
□ পেটৰ জন্মৰোগ নাশ ৪
□ মুখ, কপাল বিবোৱা আৰু শোথম দৰব ৫
□ মুখৰ বিৰৰ দৰব ৫
□ এৰ্ৱা লগাৰ দৰব ৫
□ অৰ্দ্ধ কপালীৰ দৰব ৫
□ মুখৰ বিষ, আদকপালীৰ দৰব ৫
□ ঔষধ ওলোৱা দৰব ৫
□ দাঁত পোকম দৰব ৫
□ স্বপন দোষৰ দৰব ৫
□ বলীয়া কুকুৰে খোৱা দৰব ৫
□ নাকেদি তেজ গ'লে তাৰ ঔষধ ৬
□ ল'ৰাৰ দাঁত গজিবৰ সময়ত বেমাৰ হ'লে ৬
□ চেংগাৰীৰ ঔষধ ৬
□ জ্বৰনি বেমাৰৰ ঔষধ ৬
□ গ্ৰহণীৰ দৰব ৭
□ মাইকী মানুহৰ ধৰমুল সৰা ৭
□ জ্বৰ কাঁহ আৰু বুকু ঠাহ মাৰি ধৰাৰ দৰব ৭
□ সন্তান হোৱা দৰব ৭
□ মামৰিৰ দৰব ৮
□ পদ্মনলাৰ দৰব ৮
□ ঘুংগাৰৰ দৰব ৮
□ সৰ্ব্ব কুষ্ঠৰ দৰব ৮
□ কুকওৰ দৰব ৮
□ বাত কণ্যকৰণ দৰব ৮
□ জল সাৰৰ দৰব ৮
□ অৰিসৰ দৰব ৮
□ বিকুস্যাৰৰ দৰব ৮
□ স্ত্ৰীৰ জলসাৰৰ দৰব ৯
□ কুকওৰ দৰব ৯
□ দাঁত চুলি নপকাৰ দৰব ৯
□ ডিংগৰীয়া ৰোগৰ দৰব ৯
□ স্কন্ধ ৰোগৰ দৰব ৯
□ কাম নাশ হোৱা দৰব ৯
□ অৰ্দ্ধ কপালিৰ দৰব ৯
□ বিদুসাৰৰ দৰব ৯
□ উদৰৰ সৰ্ব্ব গুলৰ দৰব ৯
□ কুকওৰ দৰব ৯
□ কলাত ৰোগৰ দৰব ৯
□ চক্ষুৰ পটলৰ দৰব ১০
□ চক্ষু ৰোগৰ দৰব ১০
□ কৃষ্ণ কুষ্ঠৰ দৰব ১০
□ শ্বেত কুষ্ঠ ৰোগৰ দৰব ১০
□ বিকৃত কুষ্ঠৰ দৰব ১০
□ কুকওৰ দৰব ১০
□ গলগণ্ডৰ ঔষধ ১০
□ অবলিৰ চক্ষু ৰোগৰ দৰব ১০
□ সৰ্ব্ব ব্যাধি আৰু অজ্ঞান কুষ্ঠৰ দৰব ১০
□ নিদ্ৰা অজ্ঞনৰ দৰব ১০
□ নাৰী পুত্ৰৱতী হোৱা দৰব ১১
□ উদৰ গুণ্ডৰ দৰব ১১
□ ক্ষীণৰণৰ দৰব ১১
□ কাঁহৰ দৰব ১১
□ কুকুৰি কলাৰ দৰব ১১
□ পাতা জ্বৰৰ দৰব ১১
□ দাঁতৰ বিষৰ দৰব ১১
□ ধাতুদীৰ্ঘ কৰণৰ দৰব ১১
□ বীৰ্য্যস্তম্ভনৰ দৰব ১১
□ বাত ৰোগৰ দৰব ১১
□ গলাবেৰাৰ দৰব ১২
□ কৰ্ণশূলৰ দৰব ১২
□ গলগণ্ডৰ দৰব ১২
□ শিৰ শূলৰ দৰব ১২
□ কুষ্ঠ নাশ ১২
□ স্ত্ৰীবশ্য হোৱা দৰব ১২
□ দাঁত নৰবা দৰব ১২
□ ইন্দ্ৰিপাতৰ দৰব ১২
□ দাঁত নলৰা দৰব ১২
□ বাত ৰোগৰ দৰব ১২
□ কাঁহ, শ্বাস, মন্দাগ্নি আৰু অজীৰ্ণ জ্বৰৰ দৰব ১২
□ ধবলি নাশ ১২
□ মাঠ বিৰালৰ দৰব ১২
□ সূৰ্য্য ফটাৰ দৰব ১৩
□ দদ্ৰৰোগৰ দৰব ১৩
□ নিদ্ৰা নাশ হোৱা দৰব ১৩
□ শ্বেত জলসাৰৰ দৰব ১৩
□ হেৰেচিৰ দৰব ১৩
□ মূৰ্চ্ছাৰ দৰব ১৩

- বন্ধ্যা হেরো দমন ১৩
- অতিবলী হেরো দমন ১৩
- সর্পের বিষ নাশ হেরো দমন ১৩
- মহামারী গর্ভবতী হের দমন ১৩
- বিষ ঝাড় মাশর দমন ১৩
- ক্ষুধার ঔষধ ১৪
- রক্ত সাবর দমন ১৪
- বাজ মোহিনী ১৪
- বস্ত্রহরণ ১৪
- সৌভাগ্য হেরো ১৪
- বন্ধতা হেরো দমন ১৪
- সুতা টিপা দমন ১৪
- মাছ হরণের দমন ১৪
- মলা হরণ করা দমন ১৪
- লোহা মধ্য কদর দমন ১৪
- তেল হরণ দমন ১৪
- কাজিয়া লাগানো দমন ১৪
- কীর্তিবতী হেরো ১৪
- পাব বং জাল হেরো ১৫
- অর্দ্ধ কপালীর দমন ১৫
- ত্রিশিরা ব্যথার দমন ১৫
- মুখ সুবর্ণ বংগ হেরো দমন ১৫
- বাজ বশীভূত হেরো দমন ১৫
- বশ তিলক ১৫
- বিন্দু পতিত মোহেরো দমন ১৫
- চণ্ড হুলার দমন ১৫
- বিষ নাশ নাশ হেরো দমন ১৫
- শ্বাসরোগ, জ্বর, শোথর দমন ১৫
- মহেশের পূজা অম্ন দমন ১৫
- আট প্রকারের মুখের রোগ নাশ হোরা দমন ১৬
- পাকস্থলী, জিহ্বাবেধ, নত্ররোগের দমন ১৬
- জ্বর জাল হেরো দমন ১৬
- মূত্র বিষ, বাত বিষ, গো পোক্ষণী আনকপালীর দমন ১৬
- জন্ডী কিরণের দমন ১৬
- জলোদর নাশ হেরো দমন ১৬
- জোক লাগা দমন ১৬
- অতিথি হেরো দমন ১৬
- জলোদর দমন ১৬
- বাত রোগের দমন ১৭
- সাবু শূলের দমন ১৭
- জিংগবীর দমন ১৭
- যোনকণ্টিকার দমন ১৭
- রক্ত সাবর দমন ১৭
- বিন্দু পাত মোহেরো দমন ১৭
- বিদ্যুৎ বন দমন ১৭
- বাম, বাস ভাল জয় ১৭
- অংশবাত নাশহেরো দমন ১৭
- পংত বাতর দমন ১৭
- জল বৃদ্ধি হেরো দমন ১৭
- পেটের ব্যাধির দমন ১৭
- স্ত্রীর গর্ভপাতের দমন ১৮
- সংগ্রামে জয় হেরো দমন ১৮
- শোভনাল ১৮
- গোয়ার দমন ১৮
- সন্নিপাত প্রলাপীর দমন ১৮
- নানা বাহি রোহে ১৮
- নাক চক্র গৌথ দমন ১৮
- চন্দোদয় বর্তির দমন ১৮
- পেত কামুখিয়ার দমন ১৮
- পেট কামুখি, কুঞ্চিয়া চেংগা কামুখির দমন ১৯
- হাথি কামুখির দমন ১৯
- বাঘ চোঁর দমন ১৯
- সর্প ভয় নাশ ১৯
- জিহ্বাবেধ নাশর দমন ১৯
- পেলু কামুখিয়ার দমন ১৯
- লেংগার দমন ১৯
- পেচুর দমন ১৯
- বাঁহর দমন ১৯
- চক্ষুর রোগের দমন ১৯
- চক্ষুর জালপরা দমন ২০
- চক্ষুর ঝিরি-মিরি মাথার দমন ২০
- অন্ন বাসনা দমন ২০
- অবধবছার দমন ২০
- পাদুর মলার দমন ২০
- সূতি মাতর দমন ২০
- এবাঁব মন্ত্র ২০
- চৌধু জোতর মন্ত্র

- চক্ষু রোগের সর্ব্বধাক মন্ত্র ২১
- আজিমাইর মন্ত্র ২১
- বিছাই ডাকিলে জবা মন্ত্র ২১
- জিভা বাড়িলে জবা মন্ত্র ২১
- নাম বন্ধ করা মন্ত্র ২১
- চক্ষু গুলব মন্ত্র ২২
- বিক্র বন্ধা কালনিকা মন্ত্র ২২
- পর্য্যে লগা মন্ত্র ২২
- পবিয়াহ জবা মন্ত্র ২২
- অবৌহ লাগা মন্ত্র ২২
- থুথুবী কাতনি মন্ত্র ২২
- চুন দিয়া মন্ত্র ২৩
- মুখ লাগা জবা মন্ত্র ২৩
- পীয়াহ শিরাব মন্ত্র ২৩
- মুখ কামোরণী জবা মন্ত্র ২৪
- পিয়াহ শিরাব মন্ত্র ২৪
- জিভিব গলাল তোরা ধর্ব্বণি ধবা মন্ত্র ২৪
- দাঁত পোকার মন্ত্র ২৪
- নারেংগাল মন্ত্র ২৫
- আলাৰ্দ্ধনা মন্ত্র ২৫
- সর্ব্ব ব্যাধি নাশব মন্ত্র ২৬
- মোবব মন্ত্র ২৭
- গরুর চেমানিংগাবাব মন্ত্র ২৭
- কুমত্রে সেপুৱা, বেং, জেঠি, মকরা, বৈচু সাপ, আদিয়ে খোয়া জবা মন্ত্র ২৭
- গা বান্ধনি মন্ত্র ২৯
- সর্ব্বধাক মন্ত্র ৩০

৪ র্থ খণ্ড

- কাছি মন্ত্র ১
- অডেজবাহ ৪
- আলাৰ্জণিব মন্ত্র ৪
- মাছৰ কাইটেব মন্ত্র ৫
- গাজঠি জবা মন্ত্র ৫
- বাব মোহিনী মন্ত্র ৫
- মুত্রে পোৱা মন্ত্র ৬
- মুখ কামোরণি মন্ত্র ৬
- পিয়াহ শিবা জবা মন্ত্র ৬
- মোবব মন্ত্র ৬
- তেজ বধা মন্ত্র ৭
- সর্ব্ব বিৰব মন্ত্র ৭
- কাঁহি জবা মন্ত্র ৮
- সর্ব্ব ঢাক মন্ত্র ৮
- বায়ু মন্ত্র ৯
- অজলা মৰ্ম্মশিংহ মন্ত্র ১২
- নারায়ণ কবচ মন্ত্র ১৬
- চক্র কবতি মন্ত্র ২১
- জবব মন্ত্র ২৪
- মোহনি মন্ত্র ২৪
- তাতপাল বন্ধন মন্ত্র ২৫
- গুবৰ্বাতি মন্ত্র ২৫
- সৰ্পৰ ধৰণী মন্ত্র ৩০
- সর্পৰ মন্ত্র ৩০
- খেটিব খেলা মন্ত্র ৩২
- ঘাঁ, খোসথুবা জবা মন্ত্র ৩২
- সেজবধা মন্ত্র ৩৫
- মুখ বামোকণীর মন্ত্র ৩৫
- বায়ু মন্ত্র ৩৫
- মোহনী মন্ত্র ৩৫
- যৌবন মেলা মন্ত্র ৩৬
- চুনদিয়া মন্ত্র ৩৬
- মোবব মন্ত্র ৩৬
- পিয়াহ শিরাব মন্ত্র ৩৭
- ঘা, কোসথোবা, বেতুব মন্ত্র ৩৭
- ওঁজোতে উজান মন্ত্র ৩৭
- প্রণবব মন্ত্র ৩৮
- গরুড় বেজালি মন্ত্র ৩৮
- শংখী বেজালী মন্ত্র ৫১
- মোহনি মন্ত্র ৫৪
- ধুলি জবাব মন্ত্র ৫৪
- বিবাব মন্ত্র ৫৫
- বিবাব মন্ত্র ৫৭
- জল বন্ধন মন্ত্র ৫৯
- বান্ধনি মন্ত্র ৬৭
- সেনা মাজন মন্ত্র ৬৭
- ভৈরবী পিশাচব মন্ত্র ৭৫

- পিত্তশূল ঔষধ ৮০
- সাপের ঝাড়নি মন্ত্র ৮০
- বিষম ঝিঁঝি মন্ত্র ৮১
- কাম শক্তি বৃদ্ধি ঔষধ ৮১
- গাঠিয়া মুত্রাশয় ঔষধ ৮১
- কুষ্ঠের সার ৮১
- পুরুষ শৌচতে তেজ যোজা ঔষধ ৮২
- গাঠিয়া মুত্রাশয় ঔষধ ৮২
- বিন্দু সারক ঔষধ ৮২
- শিরামুক্তির ঔষধ ৮২
- চুলকানির মন্ত্র ৮২
- বলিয়া শিয়াল কুকুরে কামুড়িলে ঝাড়া মন্ত্র ৮৩
- জ্বরের মন্ত্র ৮৩
- ভূতিয়ে পুরিলে ঝাড়া মন্ত্র ৮৪
- কালিকার মন্ত্র ৮৪
- চাউল ঝাড়া মন্ত্র ৮৫
- পুলিয়া কামলিকার ঔষধ ৮৬
- আফেয়ম ছোড়েয়বার দাক ৮৬
- দাঁত পোকার মন্ত্র ৮৬
- বাঁধের ঔষধ ৮৬
- জ্বর আর কাঁহ হ'লে ৮৭
- বলিয়া লেংগার দাক ৮৭
- মুক্তালেংগের দাক ৮৭
- সোনা লেংগের দাক ৮৭
- তপত লেংগের দাক ৮৭
- চাম ছাড়াব ঔষধ ৮৮
- পোড়া সারার ঔষধ ৮৮
- পোর হড়োর দাক ৮৮
- ঔখল্ল হবার দাক ৮৮
- সেন হবার দাক ৮৮
- উদরাইর দাক ৮৯
- অশৌচ হেবা দাক ৮৯
- হাসালি কাসোবা দাক ৮৯
- চুল সুপাকলার দাক ৯০
- মেব হুংগুকের দাক ৯০
- তেজ সারক দাক ৯০
- পুরুষ মলার ঔষধ ৯০
- বৌদুমুরীয়ার ঔষধ ৯১
- বিন্দু সারক দাক ৯১
- জ্বরের ঔষধ ৯১
- বাতুলীয় মোবর দাক ৯১
- মিরগেয়া মরা মোর ৯১
- গেঁঠি মোর ৯২
- মাকেরে তেজ পরাব দাক ৯২
- চোখ বগাপরের দাক ৯২
- কর্ণ তালের দাক ৯২
- গলবেবার দাক ৯২
- গল হেংগেবার দাক ৯২
- গলবিকার দাক ৯২
- গলশিরার দাক ৯২
- কাছিয়া সূলর দাক ৯৩
- পিত্ত সূলর দাক ৯৩
- পিত্তর দাক ৯৩
- সেন পর্হবির ৯৩
- কাহিলে পুজ ওসোবার দাক ৯৩
- বাতি কামুরির দন্ড ৯৩
- কণ্ঠশিরার দাক ৯৪
- বাচ্চুরা পেটত হয় অন্তত কামোরে আরে দাক ৯৪
- মারাংগার দাক ৯৪
- মাইর গুবিত কাসোবা ৯৪

পঞ্চম খণ্ড

- প্রস্তাবনা ১
- বর্ণনা আর অবস্থান ১
- রুদ্রাক্ষর উৎপত্তি, ইয়ের মহাত্ম্য আর সাধারণ প্রভাব ২
- রুদ্রাক্ষ মণির শ্রেণী ৩
- আকার আর গুণ ৩
- অনুসারী মণি ৩
- বিভব মণির পরীক্ষা ৪
- কু-প্রভাব আর সাবধানতা ৪
- রুদ্রাক্ষর আর গ্রহ ৪
- রুদ্রাক্ষর ব্যবহার প্রভৃতি বিধি ৫
- একমুখী রুদ্রাক্ষ ৫
- দুমুখী রুদ্রাক্ষ ৬
- তিনমুখী রুদ্রাক্ষ ৬
- চারমুখী রুদ্রাক্ষ ৭
- পাঁচমুখী রুদ্রাক্ষ ৭

- ষষ্ঠমুখী রুদ্রাক্ষ ৮
- সপ্তমুখী, অষ্টমুখী রুদ্রাক্ষ ৮.৯
- নবমুখী, দশমুখী রুদ্রাক্ষ ৯,৯
- এগারমুখী, বারমুখী রুদ্রাক্ষ ১০
- তেরমুখী, চৌদ্দমুখী রুদ্রাক্ষ ১১
- গৌরীশঙ্কর রুদ্রাক্ষ ১২
- রুদ্রাক্ষ মালা ১২
- সাধারণ জনবিশ্বাস ১৫
- পরিভাষা ১৮

ঔষধ

১ম খণ্ড

বিষৰ দৰৱ (Pain)

১। ন-দহ ,খলা ভেদাই লতাৰ পাত (কেঁচা) তিনিটা জালুক খুন্দি ৰস উলিয়াই অলপ গৰম কৰি পুৱা খাব।

২। বেল পাতৰ চাৰি চামুচ কেঁচা ৰস এক চামুচ মৌজোলসহ মিহলাই ৰাতিপুৱা খাব।

৩। ১০০ গ্ৰাম মিঠা তেল, ১০০ গ্ৰাম ভেজমুইৰ শিপা, ১০০ গ্ৰাম কেতুৰি হালধি, ১০০ গ্ৰাম ধতুৰা গুটি, ১০০গ্ৰাম শদুলিযে খোৱা কল নাকলিৰ খাহ (পোৰোতে জুই জ্বলি থকা অৱস্থাত নমাব লাগে) ১০০ গ্ৰাম কৰ্কৰা ভাতৰ লগত ওপৰৰপৰা তললৈ সানিব লাগে।

৪। নাগিনী পাতৰ আলু, গৰুড়ৰ পাখি, ৰঙা কাঠফুলা, বিহজপৰাৰ আস্ত পুৰি খাৰণি কৰি তাৰ লগত বাটি মংগলবাৰে মূৰৰপৰা তললৈ সানিব।

৫। ক'লা হালধি, ক'লা কেতুৰি, ৰঙা এৰা পাতৰ কুচি, বৰুণ পাত, তেল সোন্দা কলৰ শিপা সবাকে বাটি সোন্দা বা মালভোগ কলৰ পাতত বান্ধিব।

৬। ৰঙা যুৰি এবিৰ পাত, য'খাৰ, কৰ্ণ বিহ বাটি লিপি দিব।

৭। জালুক এটকা, পিপলি এটকা, আদা এটকা, ঘিঁউ এটকা বাটি জোল কৰি আধা তোলা বা এমহা কৰি খাব।

৮। টংলতিৰ শিপা, ভেদাই লতা, বগা ভেদালীৰ শিপা, পাত, গছ সবাকে বাটি জোল কৰি লোণ বা জালুক দি তপতাই খাব।

৯। তুলসীৰ ৰস এটকা, তেল তিনি টকা, লোণ জালুক দি তপতাই খাব।

১০। কপৌ ফুলৰ শিপাসহ গছজোপা উঘালি আনি (ফুল থকা হ'লে ভাল) আধা সেৰ পানীত সিজাই দহ টকা ৰাখি ৬ চামুচ উক্ত কোৱাথ পানীৰ লগত এক চামুচ বা বিহ ফুটা মৌ দি পুৱা খাব।

১১। বিষলতা এডাল ভগৱানৰ নামত একে উশাহে পিন্ধিব লাগে। কঁকালৰ বিষ ভাল হয়।

হাৰ্ট উইক : (কলিজা দুৰ্বল হ'লে)

লক্ষণ - বুকুৰ বিষ হয়, খোজ কাঢ়িলে কঁপনি উঠে।

১২। দৰৱ : মাটি কান্দুৰী পাতত দি গৰুৰ এৰজা গাখীৰ আধা পোৱাৰ লগত চেনি মিহলাই খাব।

১৩। ডিমৰু গছৰ পাত (ডাঙৰ গছৰ পাত, দীঘলীয়া, সৰু অৰণ্যে থইটা ডিমৰু নহয়, থোপা গুটি লগা বিধৰ) মাটিৰ তলৰ শিপাৰপৰা ওলোৱা পানী, দিনে খালি পেটত এগিলাচ খালে ভাল হয়।

১৪। অর্জুন গছৰ ছাল প্ৰায় ২০০ গ্ৰাম খুন্দি দুই লিটাৰমান পানীত সিজাই তাৰ ৰস দিনে দুবাৰকৈ খাব।

১৫। ৫০ গ্ৰাম অর্জুন গছৰ ছালৰ গুৰি, ১০ গ্ৰাম ঘিঁউ, ২০০ গ্ৰাম গাখীৰৰ লগত মিলাই খাব।

১৬। গাখীৰ, ঘিঁউ বা অর্জুন গছৰ ছালৰ গুৰি আধাতোলা পৰিমাণে দিনে দুবাৰকৈ খালে ভাল হ'ব।

১৭। ময়দা এভাগ, অর্জুন গছৰ ছালৰ গুৰি এভাগ, ছাগলী গাখীৰ চাৰিভাগ, ঘিঁউ, চেনি মিহলাই চেঁচা কৰি অলপ মৌ দি খাব। হৃদ ৰোগ ভাল হ'ব।

যকৃতৰ ৰোগ ঃ

১৮। মনোবা শাক পাতত দি তাৰ জোল সৰু পিয়লা এটাৰ জোখৰ লৈ ভাতত মোহাৰি খাব লাগে।

১৯। অর্জুন গছৰ ছাল, বচ, ৰাস্না, বেড়েলা, গোৰক্ষ চাকলে, হৰিতকী, শটী, কুড়, পিপলি ও শুঠ প্ৰত্যেকাৰে সমাগ চূৰ্ণ একত্ৰ মিশ্ৰিত কৰি আধা তোলা মাত্ৰাৰে উপযুক্ত পৰিমাণৰ গব্য ঘৃতৰ লগত পুৰা সেৱন কৰিলে ভাল হয়।

২০। অর্জুন গছৰ ছাল প্ৰায় ২০০ গ্ৰাম খুন্দি প্ৰায় ২লিটাৰ পানীত সিজাই তাৰ ৰস দিনে ২ বাৰকৈ দহ-পোন্ধৰ দিন খালে হৃদ ৰোগ ভাল হয়।

বিষৰ দৰৱ ঃ মাটি ঢকাৰ শিপা তিনিজোপা, জালুক ৩ টাৰ সতে খাব।

কলিজাৰ বিষ ঃ পকা তেতেলিৰ ৰস ১০ গ্ৰাম অলপ মিচিৰি মিহলাই দিনে ৩/৪ বাৰকৈ খাব লাগে।

বিহ ফোঁহোৰাৰ দৰৱ ঃ

২১। জালুকৰ গুড়িত থু দি, সেপ দি দাঁতিয়ে, দাঁতিয়ে সানি দিব। মূৰত নিদিব। মূৰটো বগা হ'লে চেপা মাৰি উলিয়াই দিলে ভাল হ'ব।

২২। পকা ডেকুৰি, বগুৰী এবা, নেফাফু তিনিওকে বাটি লিপি দিব।

২৩। বহ ফোঁহোৰাৰ মূৰটো ভাঙি ভোট জলকীয়া এটাৰ মূৰটো ভাঙি, সানিলে বিষ কমে আৰু ফোঁহা বহি যায়।

২৪। সৰু সোণবৰিয়ালৰ দুই-তিনিখন পাত খুন্দি বিহ ফোঁহোৰাৰ মুখত এবাতি প্ৰলেপ দি থ'ব।

২৫। এটা পোৱাল বেঙেনা, মাজতে দীঘলে দীঘলে কাটি ফালি তাৰ ভিতৰত দুটা জালুক গুৰি কৰি সানিব। তেতিয়া ফোঁহা বহি যায়।

২৬। নিম গছৰ শুকান ছাল, শিলৰ পটাত পানী দি বাটি চন্দন ভুলি এটা কুমলীয়া ধতুৰা পাতত সানি ফোঁহোৰাৰ ওপৰত লগাই দিলে ভাল হয়।

২৭। তিল বা তুলসীৰ পাত বটি লেপ দিলে বহি যাব।

২৮। জালুক বটি লেপ দিব।

২৯। তেজমুইৰ আলু, চতিয়নাৰ ছাল আৰু ইয়াৰ পশ্চিম ফালৰ পাত, তিতা ভেকুৰীৰ পকা গুটি, ভোট এৰাৰ শিপা সবাকো ব্যটি লেপ দিলে ভাল হ'ব।

৩০। বটৰ আঠা লগাই ওপৰত শিমলু তুলা দি থ'লে বিহ ফোঁহোবা ভাল হয়।

৩১। পানী নিদিয়াকৈ জবা ফুলৰ পাত লেপ দিব।

৩২। পুঁহৰ পাত গৰু ঘিউত সানি লেপ দিলে পকে।

ফোঁহা ঃ

৩৩। সৰু সোণৰৰলীয়াৰ দুই-তিনিখন পাত, পচতিয়াৰ পাত হাতেৰে মোহাৰি খণ্ড হোৱাৰ পিছত ছয় ঘণ্টা প্ৰলেপ দিব।

৩৪। তিনি চাৰিখন বেলপাত আৰু দুটা জালুক একেলগে খুন্দি ফোঁহাৰ মুৰত লগাই দিব।

৩৫। ভোট জলকীয়া পকা বিহ ফোঁহোবাৰ মুৰত লগাব লাগে।

৩৬। আমলখি, দুবৰী বন, আৰৈ চাউল, ডালিম ফুল, চাৰিওকে বাটি ভৰণ দিলে ফোঁহাৰ বিষ কমে।

৩৭। জেতুকাৰ পাতৰ ৰসেৰে ফোঁহা ধুলে ফোঁহা ভাল হয়।

৩৮। বগা বাহেকৰ ৪/৫ খিলা পাত খুন্দি তাত অলপ চেনি মিহলাই ফোঁহাত প্ৰলেপ দিলে ফোঁহা ভাল হয়।

৩৯। ২/৩ খিলা বেলপাত আৰু দুটা জালুক ভালদৰে পিহি ফোঁহাত লগালে ফোঁহা বহি যায়।

৪০। সিজুৰ কেঁচা ঠাৰি থেতেলিয়াই ফোঁহাত প্ৰলেপ দিলে ফোঁহা বহি যায়।

গলবেৰা আৰু ডিঙিৰ দৰৱ ঃ

৪১। কুমলীয়া কল, কল বাকলি, তুলিছাই, মিটিমি তিতা, শ্যামা কচু, নহৰু সবাকে চন্দন যেন কৰি বটি লিপি দিব।

৪২। শ্বেত অপৰাজিতাৰ মূল, চন্দন যেন কৰি বাটি ঘৃত সতে খাব।

৪৩। বিহঁমনা, শ্যামাকচু, বটি লিপি দিব।

৪৪। মিটিমি তিতা, হাইঠা ছাল, বিহমনা, শ্যামাকচু, নহৰু সবাকে বটি লিপি দিব। চেটুৱা, গলবেৰা ভাল হ'ব।

৪৫। মিটিমি তিতা, কোটকবাৰ দক্ষিণৰ শিপা, বিহমনা শিপা বটি লেপ গিলিব আৰু বাহিৰত বাঁহি দিব। গলবেৰা ভাল হ'ব।

৪৬। শ্বেত কুঁহুৰ মূল অলপ পানীৰে এসপ্তাহ খাব।

৪৭। চলীয়া লতাৰ ৰস, পাত, টকুনাৰ পাত সমে বটি খাব।
৪৮। কঁৰৈ গছৰ ছাল ওভোটা একৰাই আনি বটি খাব।
৪৯। কাঞ্চনৰ ছালৰ ক্বাথ আধা সেৰ খাব।
৫০। বৰুণৰ শিপাৰ ক্বাথ মৌৰে খাব।
৫১। বগা অপৰাজিতাৰ শিপা আৰু গৰু মুতেৰে লেপ দিব।
৫২। বগা টিয়ঁহৰ শিপা আৰু গৰু মুতেৰে বটি লেপ দিব।
৫৩। আমচেৰেকা, বেজকচুৰ মূল বটি দিব।
৫৪। শালু গ'খাৰ সমে বটি তপত কৰি দিব।
৫৫। আমঠু, অজ্ঞাচিত বটি তপত কৰি দিব।
৫৬। মাৰ্কাৰ ঘিলা পুৰি সেক দিব।

গলবন্ধাৰ দৰৱ ঃ

৫৭। কুঞ্জ ফুলৰ মূল, লোণ, পাত সুতাৰে বান্ধি দিব।

গগলাৰ দৰৱ ঃ

৫৮। ধেনুচোচা, বিহলঙনীৰ শিপা ও আগ, মৰাণ আদাৰে সৈতে বটি দিলে ভাল হ'ব।
৫৯। চাক মাদলীৰ গুটি (আঘোণ মাহত পকে) আনি শুকুৱাই থ'ব লাগে। চাউল পাঁচটা নখেৰে বাৰ্কলি গুচাই লৈ ভাল গুলমৰিচ পাঁচোটা, চাক মাদলী গুটি তিনিটা একেলগে খুন্দি জ্বাৰবটো পেলাই অলপ পানীত ঘুটি খাব লাগে।

টনচিল বা গলবেৰ ঃ

৬০। সুৰগা এটকা, অমৰা গুটি এটা, শিলিখা এটা, কেঁচা হালধি এটুকুৰা খুন্দি ৰস উলিয়াই এসপ্তাহ কুলকুলি কৰিব।
৬১। শিশু গছৰ পাঁচ/ছয়খন পাত খুন্দি তাৰ ৰস মিচিৰিৰে সৈতে খাব।
৬২। মাটি কঠালৰ কুমলীয়া কল, তুঁহ জুইত পুৰি পিছদিনা তাৰ ৰস মিচিৰিৰে সৈতে মিহলাই খাব।
৬৩। দোৰোণ শাকৰ তৰকাৰী আৰু পাতত দি খাব লাগে।

পিঠা খোৱা ঃ

৬৪। মৰাণ আদা খুন্দি প্ৰলেপ দিব বা চক্তিনাৰ শিপাৰ ছালৰ সম পৰিমাণে সৰিয়হ দি বটি প্ৰলেপ দিব।

গৰল ৰোগ বা গলগণ্ড ঃ

৬৫। নহৰু বা পিঁয়াজ দিনে পয়সভৰ গ্ৰামকৈ খালে এই ৰোগ ভাল হয়। এই দৰৱ প্ৰায়

এমাহমান খাব লাগে।

টনচিল :

৬৬। ভৰুৱা কদমৰ ২০০ গ্ৰাম ওজনৰ ছাল খুন্দি দাঁতৰ আলু আৰু টনচিল হোৱা বাহিৰ ফালে প্ৰলেপ দি আধাঘণ্টা ৰাখিব। গলবেৰা- মানুহৰ ও গৰুৰ- মাখিয়াতিৰ পাত খুন্দি মিঠাতেলৰ সৈতে ডিঙিত সানি দিব।

বিন্দু সাৰৰ দৰব :

৬৭। বাঘ আঁচোৰাৰ মূল, বকুলৰ মূল, জাইফল বটি দুগ্ধ সমে খাব।

৬৮। বানাচৰী চেনি এতোলা, গাই গৰুৰ গাখীৰ পাঁচতোলা, সোম লতাৰ ৰস পাঁচতোলা সহ মিহলাই খাব।

৬৯। সোমলতা ৰস তিনি তোলাৰ লগত একে বৰণীয়া গৰুৰ গাখীৰৰ লগত মিহলাই খাব।

৭০। শিঙৰি পাত, পনৌনৌৰা, বাটি ছাগলী দুগ্ধ সমে খাব।

৭১। হাঁহ কণী কুহুমৰ লগত গৰু গাখীৰ সহ খাব।

৭২। ভজাৰতী শিপা এঘাৰ গোট, লোণ একমহা, জালুক এঘাৰ গোটা বটি পাতত দি এঘাৰ টেপা কৰি খাব।

প্ৰস্ৰাৱৰ দোষ :

ছালকুঁৱৰী চাৰি আঙুল, তালমিচিৰি আধা তোলা, একে বৰণীয়া গৰুৰ গাখীৰৰ লগত খাব লাগে।

৭৩। দুপৰ টেঙাৰ পাতৰ ৰস এতোলা খালে প্ৰস্ৰাৱ ভাল হয়।

৭৪। ঘৃত কুমাৰী বটি ক্ষীৰেৰে খাব।

৭৫। আকলবীৰৰ ৰস গাখীৰেৰে খাব।

৭৬। কেঁচুৰ ৰস, পুৰণি গুৰ মেথিগুৰি সমে খাব।

৭৭। নৰসিংহৰ পাত, পুৰণি শিলিখা বাটি ছাগলী গাখীৰৰ লগত খাব।

৭৮। অৰ্জুন গছৰ গুটি, কুকুৰ সূতাৰ ছাল, বৰিয়ালৰ আগ, নাহৰৰ উজ কেশৰ বটি গাখীৰৰ সমে খাব।

৭৯। কাঞ্চন শিপা, জাইফল সমে বটি গাখীৰেৰে খাব।

৮০। বচন পাত, বৰিয়ালৰ পাত, কহীয়া হালধি, পিপলি বটি ছাগলী গাখীৰ লগত খাব।

৮১। আউনী পাণৰ শিপা, একে বৰণীয়া গাইৰ ক্ষীৰ অঞ্জলীখাৰ সবাকে বটি খাব।

৮২। হেলচিৰ খাৰ খাব।

৮৩। বাকৰ মূল ছাগলী গাখীৰেৰে খাব।

৮৪। চিতা মূল, বচ, শুঁঠ, পিলি, সৈন্ধৱ লোণ আদা সবাকো পগাই সমভাগ কৰি খাব।

৮৫। অথনি শাক, পুৰণি খৰিছা, মাগুৰ মাছ, জালুক এটা লোণ দি বান্ধি খাব।

৮৬। যম লাখুটিৰ মূলৰ ৰস, অমৰাৰ ছাল, জামুৰ ছাল আৰু মূলৰ ৰস, পূৰ্ণ নবাৰত ৰস এৰাঁ গাখীৰেৰে খাব।

৮৭। আগীয়া চম্পাৰ ৰস, এৰাঁ গাখীৰেৰে খাব।

৮৮। কেঞ্জেবন গুটি গুড়ি কৰি মেটেকাৰ ৰস, পকা আঠিয়া কল মচি গাখীৰৰ লগত খাব।

৮৯। পূৰ্বতীয়া, পিপলি আৰু ঘৃণী চূৰ্ণ সমভাগ গাখীৰৰ সমে খাব।

৯০। ত্ৰিফলা, আচুকাঠ, উৰৈকাঠ, মুঠা-ইসবৰ ক্বাথ মৌ মিহলাই এৰাঁ গাখীৰৰ লগত খাব।

৯১। আধাতোলা ডালিমৰ শিপাৰ ছালৰ ৰস এপোৱা গাখীৰৰ লগত খাব।

৯২। বিন্দুসাৰ- কণাবিহমনাৰ ৰস, লাই জাবৰি, শুকলতি, তিনিওকে ৰস কৰি খাব।

৯৩। গৰুৰ গাখীৰ, পুনৌনৌৱা, শিঙাপাত; কুৰৈ লতাৰ আগ সমানে সমানে ৰস লৈ খাব। ভাল হ'ব।

প্ৰসূতাৰ দৰৱ :

৯৪। পাকৈ চোঁৱাৰ মঙহ, কালজীৰা, ভোগজীৰা, গুৱামৰি, পুৰণি ধনীয়া, পানী মদাৰৰ মূল, বিজুলৰ গুটি, জাইফল, জাতি চন্দন, কস্তুৰী সবাকো বটি খাব।

৯৫। ভাতঘিলাৰ ছাল, কল বাকলিৰ খাৰনি, শুকান বেলৰ গুৰি, ধনীয়া, ক'লা জীৰা, ভোগ জীৰা, জালুক, পিপলি গুৰি কৰি খাব।

৯৬। লেটা গুটি তিনিটা, বাঘ নলাৰ আগ দুটা, টংলাৰ আগ তিনিটা, হাতী পিপলিৰ ঠাৰি, তামোলৰ কলিৰ কোঁহ সবাকে বাটি ৰসলৈ চেনিৰে খাব আৰু ঘঁহিব।

৯৭। টেঙামৰা, আদা, হালধি, বেলপাত, বিহলঙনিৰ শিপা সকলো অনুমান পৰিমাণৰ লৈ দিনে খাব।

প্ৰসূতি :

৯৮। ভেদাই লতাৰ শিপা, তিনি আঙুল, বাটদুবৰি মালি তিনি আঙুল, উলুৰনী গছৰ শিপা তিনি আঙুল, বিহলঙনিৰ ঠাৰি তিনি আঙুলকে তিনি পাব দিব। খৰুৱা বেঙেনাৰ শিপা তিনি আঙুল, খুদ জলকীয়াৰ শিপা তিনি আঙুল দিব।
মিহি কৰি ৰস উলিয়াই গুটি জালুকৰ লগত অলপ গৰম কৰি খোৱাৰ অলপ আগে আগে অলপ নিমখ দি তিনিপালি খাব।

প্ৰসূতি উখহিলে :

৯৯। কোটাহী বেঙেনাৰ শিপা তিনি আঙুল, টংলতি তিনি আঙুল, শুকলাটি তিনি আঙুল পটাত খুন্দি ৰস উলিয়াই আধা চামুচ পানী দি মিলাব। তিনিবাৰ চেকিব, নতুন

কাপোৰত চাকি পাঁচটা জালুক দি অলপ নিমখ মিহলাই খোৱাৰ আগতে তিনিপালি খাব।

প্ৰসূতা :

১০০। লং এটা, জালুক তিনিটা, কাণি, চাই পান, (কাণিৰ পৰিমাণে পান) চোৰাতৰ শিপা, এডাল তংলতিৰ শিপা, এডাল ধপাতৰ শিপাৰ লগত লোণ দি বেলপাত তিনিটা, অকাঠি বাৰটা বটি বড়ি কৰি খাব।

১০১। সোণবৰিয়ালৰ শিপা সৈতে গাখীৰ, তিনিদিনীয়া পইতা ভাত, আঠিয়া কল, কেৰাহিৰ চাই, হেন্দালিৰ চোঁচা এলাচু, হেটাৰে চোঁচা উধানৰ মাটি আটাই কেইটা গোটাই খাব।

প্ৰসৱ হোৱা দৰৱ :

খৰুৱা বেঙেনাৰ সৰা ফুল তিনিটা তিনিখন তামোলৰ লগত খাব অথবা (ক) কেতকোৱা ছাল তুলসীৰ ডালৰ চালত খুচি থ'ব। প্ৰসৱ হ'ব। (খ) সিজুৰ দক্ষিণৰ এঠা প্ৰসূতিৰ শিৰত ফোট দিব।

প্ৰসূতিৰ দৰৱ :

১০২। ভোগ জিৰা, ডাউকাৰ মাংস, কেতেলা পক্ষ ভুৰ, বনজিৰাৰ শিপা, জালুক ১৩টা, আধা পিপলি, অলপ নিমখ দি পগাই খাব। ভাল হ'ব।

১০৩। ১ বা ২ খিলা মধুৰী গছৰ পাতৰ ১০০ টা মান আগ, তাৰ লগত টেঙা ডালিম এটা ভাঙি ভিতৰৰ গুটি লৈ খুন্দি ২০০ মান পাতৰ লগত পটাত পিহি লৈ ৰ'দত শুকুৱাই বড়ি কৰিব। বড়িটো পাৰ চৰাই কণীৰ জোখৰ কৰি বটলত ভৰাব। খোৱাৰ নিয়ম : আগবেলা, পিছবেলা দিনে ২ বাৰ। প্ৰতিবাৰত এটাকৈ বড়ি। ব্যাধিটো ৩ দিনত ভাল হ'ব। অলপ ম'হৰ গাখীৰৰ বাদে গাখীৰ মিচিৰি দি মিলাই ল'ব।

চকুৰ দৰৱ : (EYE DISEASE)

চকুত জাল পৰা দৰৱ :

১০৪। পুৰা কলৰ আঠা বা শামুকৰ পানী দিলে ভাল হয়।

চকুৰ মল কটাৰ দৰৱ :

১০৫। সিজু গছৰ শিপা কাণত আৰি থলে ভাল হ'ব।

১০৬। মনিছাল, সৈন্ধৱ লোণ, কণা শিমলু সবাকে বটি বস উলিয়াই নিৰ্মল জলত পেলাই থ'ব। পিছদিনা পুৱা সেই পানীৰে চকু ধুব।

চক্ষু কোটৰ দৰব :

১০৭। চাউলৰ সিতা, আমৰ ছাল, বৰ শামুকৰ পানী, অমৰাৰ ৰস, মানুহৰ দুগ্ধ সবাকে চন্দন যেন কৰি লিপি দিব।

চক্ষু নেঠৰ দৰব :

১০৮। আমৰ্লখিৰ ৰস উলিয়াই নিৰ্মল কৰি চকুত তিনি দিন দিলে ভাল হয়।

চক্ষু শূলৰ দৰব :

১০৯। (ৰঙা পৰা) পনৌনৌৰাৰ ৰস উলিয়াই চাকি নিৰ্মল কৰি চকুত তিনি দিন

দিবা অজ্ঞান পলাশ বেমাৰ :

১১০। (চকু পিৰিকিয়ায়, খজুৰায়, ঘা হয়, পানী ওলাই থাকে) শ্বেত অপৰাজিতাৰ ফুল তিনি তোলা, দহ তোলা পানীত পেলাই থৈ পিছ দিনা সেই পানীৰে চকু ধুব।

চকু চন্দা বেমাৰৰ দৰব :

১১১। বেলপাত, হালধি, আমৰ্লখি সবাকে বাটি ৰস উলিয়াই নিৰ্মল কৰি বাহী চকু ধুব।
১১২। পদ্ম মধু লগাতে ঠাণ্ডা জল (চিচাত থকা হ'ব লাগে) পুনৰ গোলাপ জল ল'বলৈ দিব লাগে।

চক্ষু উখহিলে :

১১৩। আচু কাঠ, শিলিখা সৈন্ধাৱ লোণ, গোৰেউ মাটি, ৰঙা চন্দন, কেতুৰী, খৈ, মাটি, বচ আৰু সন্ধত এই বিলাকৰ লেপ দিব।
১১৪। মৰাপাট ধনা সিজাই তাৰ তপতে তপতে সেক দিব।
১১৫। হালধি আৰু শিলিখা মৌত চাকি চকুৰ পিৰিকটিত দিব।

চকুৰে পানী বৈ থাকিলে :

১১৬। আমৰ্লখি, শিলিখা আৰু উহৰা গুটি পানীৰে বটি দিনটোত তিনি চাৰিবাৰ চকুত অঞ্জল দিলে ভাল হ'ব।
১১৭। পানৌনৌৰা শাকৰ ৰস পাঁচ/ছয় টোপ দিনৌ চকুত চেপি দিলে চকুৰে পানী বোৱা ভাল হয়।
১১৮। চজিনাৰ পাতৰ ৰস তামৰ পাত্ৰত লৈ ঘিঁউ সানি অলপ তপতাই চকুৰ পিৰিকটিত দিলে চকুৰ পানী বোৱা ভাল হয়।

চকুৰে ধোঁৱাকোঁৱা দেখা :

১১৯। চিত্ৰানক্ষত্ৰৰ পুৱা ষষ্ঠী তিথিত সৈন্ধাৱ লোণ নিমকতকৈ বটি চকুত অঞ্জল দিলে

এই ৰোগ ভাল হয়।

১২০। পনৌনৌৱাৰ ৰসত তিনি জোখা পানী মিলাই চকুত দিলে ভাল হয়।

চকুত চলিহা পৰিলে :

১২১। ৰৌ মাছৰ তেল একোহা চৰালি (আইজন) গুৱামৰি, ধনিয়া, কালজিৰা, ভোগ জিৰা, জাইফল, লং, গাঠিয়ন আৰু তেল সবাকো মাটিত ভৰি নিমিয়াকৈ পিৰাত ভৰি তুলি ৰাখি খালে আৰু অলপ চকুত দিলে চকুত চলিহা লগা গুচে।

১২২। চোকা ধপাতৰ ৰস এটোপালকৈ তিনি চাৰি দিন চকুৰ মণিত পেলাই দিলে চকুৰ ফুল পৰা ভাল হয়।

১২৩। কণা শিমলুৰ পাত আৰু তুলসীৰ আগ এটা হাতেৰে মোহাৰি ৰস চকুত দিলে চকুত ফুল পৰা ভাল হয়।

চকু ৰঙা পৰিলে :

১২৪। ৰাতিপুৱা দুবৰি বনৰ পানী আৰু ক'লা তুলসী পাতৰ পানী চকুত লগালে ভাল হয়। পানীখিনি ছাকি লৈ লগাব লাগে।

১২৫। জেতুকা, মিচিমি তিতা দুয়োকে বটি দিলে ভাল হয়।

১২৬। পুৰৰ্তীয়া ৰস চেপি চকুত দিলে চকু ভাল হয়।

১২৭। মেনেকা বটি দিলে চকুৰ ৰোগ ভাল হয়।

১২৮। শিলিখা বা হালধিৰ ৰস চকুত দিব লাগে। নাইবা এৰাপাত এখন জুইত সেকি তাৰ তিনি চাৰি টোপাল ৰস চকুৰ কোণত দিলে চকুৰ খচ্‌খচনি ও পোৰণি মৰে। পিঁয়াজৰ ৰস তিনি/চাৰি টোপ দিব পাৰি। কুহমীয়া গৰম পানীত অলপ নিমখ দি পৰিস্কাৰ কাপোৰেৰে সেই মিশ্ৰণসহ চকু দুটা লাহে-লাহে ভালদৰে মোহাৰি আমলখি ৰস তিনি/চাৰি টোপাল চকুত দিব পাৰি।

চকুৰপৰা পানী ওলোৱা দৰৱ :

১২৯। পঞ্চাছ গ্ৰাম তৰুণা কদমৰ ছাল খুন্দি তাৰ ৰস চকুৰ কোণত এটোপ এটোপ দিব লাগে।

চকুত জাল পৰা ৰোগ :

১৩০। পকা গোল নেমুৰ ৰস চকুৰ কোণত চাৰি/পাঁচ টোপালকৈ প্ৰতিদিনে দিব লাগে। পোন্ধৰ/বিছ দিনমান দিলে ভাল হয়। নাইবা পুৰা কলৰ আঠা তিনি/চাৰি টোপালকৈ চকুৰ কোণত প্ৰতিদিনে দিব লাগে। একেৰাহে ১১/২০ দিন।

১৩১। অসমীয়া বগৰীৰ আগৰ ৰস দুটোপালকৈ সাত বা দহ দিন প্ৰতি দিনে একে সময়তে দিব।

১৩২। দ্ৰোণ বনৰ শিপা গধূলি এবাটি পানীত তিয়াই থ'ব। সেই পানীত ৰাতিপুৱাই সেই শিপা খচিব আৰু সেই পানীৰে চকু ধুব।

গৰ্ভ পদ্মনলাৰ দৰৱ :

১৩৩। টেঙা মৰাৰ আলু, লোণ, মৰিচ সমে পাগ কৰি খাব অথবা লেটা গুটি, তিতা কেৰেলাৰ গুটি, গড়ৰ শুকান মগুহ, কেটেলাৰ ভুৰু, তেজাৱতীৰ শিপা, পানী মুটুৰা, সৰু মানিমুনি, হাঁচিয়তি বন, বৰালি বুকুৰা, লাই, কচু পদ্মচকা, লোণ, ভালুক দি পগাই খাব।

শিৰ কুষ্ঠৰ দৰৱ :

১৩৪। কপাহৰ গুটি, শিল পৰা মাটি বা বালিমাটি লিপি দিলে ভাল হয়।

কুষ্ঠ ৰোগ :

১৩৫। ভীম কলৰ সাৰৰ লগত কেঁচা হালধি এটুকুৰা খুন্দি সানিলে ভাল হয়। নাইবা সোমৰাজ পাতৰ ৰসত অলপ নিমখ দি মিশ্ৰিত কৰি সানিলেও উপকাৰ হয়।

১৩৬। পচতিয়াৰ পাতৰ গুৰি ১ জোখ, মৌ ২ জোখ, ঘি ২ জোখ এটা পাত্ৰত ভৰাই থৈ মুখ ভালদৰে বন্ধ কৰি মাটিৰে লেপ দি এমাহমান ধানত ভৰাই থ'ব। আৰু এই দৰৱ দৈৰ লগত খালে শিৰৰ ভিতৰত থকা সকলো ৰোগ নাশ হয়।

১৩৭। কৰ্ণিবিহৰ আগ বটি দিলে কুষ্ঠ ৰোগ ভাল হয়।

বাঘ মোৰৰ দৰৱ :

১৩৮। তুঁতিয়া, বগৰীৰ মূল, কোঁহপাত বাটি লিপি দিলে ভাল হয়।

বাঘ চাপৰিৰ দৰৱ :

১৩৯। গলধন বা মূৰত হোৱা বিশাল ফোঁহোৰাক বাঘচাপৰি বোলে। লাই জাবৰি, চোশিৰ, সৰ্পজিভা, ক'লা তুলসীৰ পাত, কলখাৰণী বা ছাগলী গাখীৰ একেলগে লিপি দিব।

বাঘে কামুৰিলে :

১৪০। সৰল কাঠৰ চন্দন ঢেকীয়া লতাৰ আগ খুন্দি মিঠাতেল মিহলাই কামোৰাৰ ঠাইত লগাব লাগে।

হুৱাৰ দৰৱ :

১৪১। আঠিয়া কলৰ শিপা, লাংগল ভঙাৰ দক্ষিণৰ শিপা, মৰিচ, পিপলি সবাকো বটি খাব।

১৪২। নহৰু এটা, বনকপাহ, বনমৰা, এলাচু এটকা পুৰি ছাই কৰি একে ৰৰণৰ গৰুৰ গাখীৰেৰে পুৰা/বেলা খুৱাব হবাব কৰ্মকাৰ নষ্ট হ'ব।

মুদগাৰৰ দৰব ঃ

১৪৩। আৰৈ চাউল, ঘুণগুৰি সবাকো বটি গৰু গাখীৰেৰে খাব।
১৪৪। কটা কলগছৰ পানী, ৰুদ্ৰাক্ষ, বগৰীৰ গুটি, তিনিওকে মিশ্ৰিত কৰি খাব।
১৪৫। সিজুৰ দক্ষিণ ফালৰ পাতৰ ৰস, গোৰকটৰ ৰস, মনমৰটী টেঙাৰ ৰস জালুক দি খাব।
১৪৬। কোটাহি বেঙেনাৰ শিপা, খৰুৱা বেঙেনাৰ শিপা বড়ি বনাই খাব।
১৪৭। দহিকচু, মাটিমাহ, তিল, চেপা আঠিয়া কল, সবাবো ৰস এৰা গাখীৰেৰে খাব।
১৪৮। শিলিখাৰ ছাল, ঔৰ ছাল, বন কপাহীৰ আলু এপোৱা গাখীৰত খচি এতোলা চেনি আৰু এতোলা মিছিৰি মিহলাই খাব।
১৪৯। হেলচী শাকৰ আগ, জালুক, পিপলি সমে জোল কৰি খাব।
১৫০। কোমোৰাৰ ৰস চাৰিতোলা, য'খাৰ চাৰি অনা, চেনি দুই অনা সবাকে মিলাই খালে মুত্ৰাবাট, শৰ্কৰা আদি উপশম হয়।
১৫১। শিলাজতু পাঁচ ৰতি মৌৰে দিনত দুবাৰকৈ খাব।
১৫২। কেঁচা এৰা গাখীৰ আঠ তোলা, মিচিৰি আধা তোলা, ফিটকিৰি আধা অনা মিহলি কৰি দিনত দুবাৰকৈ খালে এই ৰোগ ভাল হয়।
১৫৩। কেঁচা হালধিৰ ৰস দুতোলা আৰু মৌ আধা তোলা একেলগে খালে এই ৰোগ ভাল হয়।

গাঁঠিয়া মুদগাৰ (পাথৰি) ঃ

১৫৪। নাৰিকলৰ ফুল আৰু য'খাৰ বটি খালে একেদিনাই গাঁঠিয়া মুদগৰ বা পাথৰি ওলাই পৰে।
১৫৫। গোধালতাৰ আলু বা গৰখীয়া তিয়ঁহৰ শিপা বাহি পানী দি বটি খালে পাথৰি ভাল হয়।
১৫৬। গোক্ষুৰৰ গুটিৰ গুড়ি, মৌ আৰু ছাগলী গাখীৰৰ লগত খালে গাঁঠিয়া মুদগৰ ভাল হয়।
১৫৭। চজিনাৰ ছাল, (শিপাৰ) খুন্দি তপতে তপতে খালে বা বৰুণৰ ছাল খুন্দি বা গুড়ি কৰি পুৰণি গুৰেৰে খালে বেদনা সংযুক্ত গাঁঠিয়া মুদগৰ ভাল হয়।
১৫৮। বৰুণৰ ছাল, আদা, গোক্ষোৰ সবাকো মিলাই দোতোলা, ডেৰ পোৱা পানীত পগাই আধাপোৱা ৰস ৰাখি, সেই ৰস য'খাৰ আৰু কুঁহিয়াৰৰ গুৰ মিহলাই খাব।
১৫৯। নাৰিকলৰ ফুল আৰু কোমল তামোলৰ ৰস তিনিদিন খালে ভাল হয়।
১৬০। চজিনাৰ শিপা এতোলা, আধাসেৰ পানীত পগাই আধাপোৱা জোল ৰাখি

তিনি/চাৰি দিন খালে ভাল হয়।

১৬১। সন্যাসীগুটাৰ শিপা এমুঠা, ঘোলৰ সৈতে বাটি সাত দিন খালে ভাল হয়।

১৬২। কঠনা ফুলৰ ছাল, শিপাৰ ৰস আৰু পানী পোৰ্তণি শাকৰ ৰস মিহলাই খালে ভাল হয়।

১৬৩। গৰু খিচ্ ৩ টা আনি তাক খুৱাই আৰু তাৰ পাত খুন্দি মুত্ৰ নলীৰ আগত বান্ধি দিব। তিনিদিন দিব।

১৬৪। গাঠিয়ন, দীঘলতিৰ আগ পাঁচটা আৰু ছাল, জালুক পাঁচটা, পাঁচ টোপাকৈ হিয়াৰৰ আগ একাদিক্ৰমে খুৱালে নাশ হয়।

প্ৰস্ৰাৱৰ গণ্ডগোল হ'লে বা পাথৰ হ'লে ঃ

১৬৫। ঢেম ডেউকাৰ আগ পাঁচটা, দ্ৰোণ বনৰ আগ পাঁচটা, মাটি কঠালৰ কোঁহ পাঁচটা আধাপোৱা গৰু গাখীৰৰ লগত চেনি বা মিছিৰি মিহলাই খালী পেটত খাব লাগে।

১৬৬। গৰখীয়া ৰবাই (ডাঙৰ জাতৰ) শিপা শকত হ'লে চাৰি আঙুলকৈ পাঁচ টুকুৰা লৈ ধুই ছালটো লৈ মাজৰ শাহ পেলাই দিব আৰু পানীত তিয়াই খাব। এই দৰৱ মূদগৰ কাৰণে ভাল।

নাৰেংগাৰ দৰৱ ঃ

১৬৭। গান্ধ কচুৰ সিপা, চোৰাতৰ শিপা, বেতগাজ সবাকো বটি খুৱালে ভাল হয়।

১৬৮। বিহমলাৰ গুটি, ভলুকা বাঁহৰ পাতৰ থোৰ দুযোকো লোণ সমে বটি খুৱাব।

১৬৯। ওলকচু, মৰাণ আদা, মাটি কান্দুৰী, সবাকো বটি দিলে ভাল হ'ব। পকনি- বিহাৰ আলু, চন্দন যেন কৰি বাঁ ব্যাধিৰ মূৰত দিলে নাৰেংগা পকি উঠিব।

১৭০। কলিয়া কচু, বৰ কচু, বেজ কচু, তিনি চকলকৈ কাটি বটি লিপি দিব। নাৰেংগা ভাল হ'ব।

১৭১। কপাহৰ আলু, মেটেকাৰ আলু, ৰৰপুনি, ৰঙা পুৰৈ সবাকে বটি খুৱালে নাৰেংগা ভাল হয়।

১৭২। কুকুৰ সূতাৰ পাত, মূৰ ফুলা বন, পকা পান, খয়েৰ আৰু এৰাপাত সবাকে বটি লেপ দিব।

১৭৩। গোধলতাৰ কুঁহিপাত সাতোটা আৰু কুকুৰ সূতাৰ ছাস-পাত বটি লিপি দিব লাগে।

১৭৪। কুণসাৰৰ বিহাৰ আলু, দীঘলতিৰ আলু, দুয়োকো বটি লেপ দিব, নাৰেংগা পকিব।

১৭৫। আমঠু, শিলিখা, আহঁতৰ গাৰ ছাল, দুৱাৰ চলত বৰ গছৰ ছাল সবাকে পুৰি ছাই কৰি লগালে নাৰেংগা পকে।

গৰ্ভ নাৰেংগাৰ দৰৱ :

১৭৬। কপাহৰ আলু, বৰপুনিৰ ৰস, বৰপুৰৈ সবাকে বটি খাব।

১৭৭। ভাতঘিলাৰ ছাল খুন্দি ৰস উলিয়াই লোণ, জালুক দি তপতাই খালে ব্যাধি বাজলৈ ওলায়।

১৭৮। বৰ মানিমুনি, সৰু মানিমুনি, আমৰ ছাল, কদমৰ ছাল, চাঙেৰী টেঙা সবাকো খুন্দি ৰস লগালে গৰ্ভ নাৰেংগা গুচে।

১৭৯। কোমোৰাৰ আগ তিনিটা খৰধিয়া কৰাই শিপাৰ ৰস এৰা গাখীৰৰ লগত খাব, ভাল হ'ব।

ভিতৰ নাৰেংগাৰ দৰৱ :

১৮০। নাহৰ পটিয়া লতাৰ পাত, পুৰণি বচ, একে কৰি বটি লগাব লাগে।

মন্দ ৰোগৰ দৰৱ :

১৮১। আগদিনা চুণত পানী দি সেই পানী নিজনি কৰি, দুটকামান তুলি অলপ এলাচুৰ লগত গুদা পেটত খাব।

১৮২। আমলখি দি পানী গৰম কৰি খাব।

১৮৩। বনজবাৰ মূল, কণি বিহৰ ফুল, ৰঙা যুগী এৰিৰ শিপা, ভজাবতীৰ শিপা, ঘুনুচাৰ শিপা, লং ৩ টা, কাকুৰ হৰতি, দেওবিহ একৰতি, জালুক পাঁচটা সবাকে বিৰিত (তাবিজ) ভৰাই ল'ব। মন্দ কৰা ভাল হ'ব।

এন্দুৰীয়াৰ দৰৱ (CARB UNCLE) :

১৮৪। তৰাগুটি এটা, কণি বিহৰ গুটি এটা, সিজুৰ আঠা এটোপ সবাকে মিহি কৰি দিব।

১৮৫। বৰ থেকেৰা পুৰি ছাই কৰি তেল মাৰি দিব।

১৮৬। কামসেন্দুৰ লেপি দিব।

১৮৭। গাজ বিৰিণাৰ শিপা একে উশাহতে উভালি তাক বছিৰে বান্ধি জুই কাৰত ওপৰত ওলোমাই থব লাগে। দুয়োটা একেলগে শুকাব।

১৮৮। চটিয়নাৰ আঠা কপাহত ধৰি আনি ঘাত চেপি দিব। আগতে গৰম পানীৰে ধুই চাফা কৰি লব।

১৮৯। সাগৰৰ ফেন, নহৰুৰ ফুটা ৯ টা, গোমসাপৰ মূৰ শ্ৰৱনা নক্ষত্ৰত বিৰিত ভৰাই ল'ব।

১৯০। কণি বিহ, কুটুকাৰ আগ, জেতুলী লতাৰ আগ, দীঘলতিৰ আগ বটি লিপি দিব।

১৯১। গুলঞ্চ পাতৰ কুমলীয়া পাত তাৰ আঠাসহ পিহিব আৰু ঘাত লগাই থ'ব।

দুপালিতে ভাল হ'ব।

১৯২। কেহেঁৰাজ বন, কাচিধৰীয়া বন, তিনি/চাৰি সীৰিয়া বন, জালুক পাঁচটা, ধপাত এইবিলাক খুন্দি পাতত পুৰি সহিব পৰা অৱস্থাত অলপ গৰমকৈ বান্ধিব লাগে।

১৯৩। ধপাতৰ পাত, হিং, তুঁতিয়া, গন্ধক, ডেওলতাৰ মূল আৰু গুটি, মদাৰৰ কুঁহি, সৰাপাণ, চুণ, বিয়নী সাবটাৰ পাত আৰু গুটি কুঢ়ি মাহেৰে বান্ধি থাব।

১৯৪। নিমৰ পাত, শিপা, ছাল আৰু ফুল শুকাই সৰাকো সমজোখে গুৰি কৰি ঘিঁউ আৰু মৌ দি নাইবা গাখীৰেৰে এবছৰ কাল খালে ভাল হ'ব।

১৯৫। বোকবল বিহৰ শিপা, চোৰাতৰ শিপা, তেজ মুইৰ শিপা, কাঞ্চনৰ শিপা, লোণ, জালুক, পিপলি, মৰাণ আদা সৰাকো বটি লেপ দিব।

১৯৬। ডালিমৰ গুটি, জলকীয়া আৰু জালুক বটি দিব।

১৯৭। মংগলবাৰে এন্দুৰ মাৰি দহ দিনমান ধোন্দত থৈ ঘিঁউ এতোলাৰে মাৰি দিব।

১৯৮। মালভোগ কল ব্যাধিৰ মুখত দিব। পাছত তেজমুইৰ ছাল, বনকুকুটা, কাতিলতাৰ আগ, কুমজেলুকা পুৰি ছাই কৰি দিলে এন্দুৰীয়া ভাল হয়!

১৯৯। বগা শিঙৰাৰ বুকু আৰু পাণৰ শিপা বটি দিব আৰু ওপৰত আকণৰ আঠা দিব।

২০০। বগীতৰাৰ টেপু তিনিটা, কলা কুকুৰা বা পাৰ এটা, খৰুৱা বেঙেনা তিনি/চাৰিটা অলপ জোল কৰি ভাতৰ লগত খাব। একেটা পাৰকে দুদিন/তিনিদিন খাব পাৰিব।

২০১। দীঘলতি গছৰ কোঁহ পিহি মানুহৰ গাখীৰৰ লগত মিহলাই বান্ধিব।

২০২। এই ৰোগত সাতটা তৰাগুটি, এটা কণি বিহৰ গুটি আৰু সিজু গছৰ এটোপ ৰস মিলাই লগাব লাগে। বা ৰৰথেকেৰা পুৰি তাৰ ছাই মিঠাতেলৰ সৈতে লগালেও ভাল হয়।

ছাল এন্দুৰীয়া (বাহিৰত হয়)

২০৩। কপাল ফুটা গছ উঘালি ধুই টুকুৰা টুকুৰ কৰি কাটি শুকাই গুৰি কৰি খুন্দি ল'ব। গুৰি চালনিৰে চালিব। পৰাখিনি পুনৰ ধুলিয়ৰী কৰিব। বটলত ভৰাব। কাগত কে, এম, পি, নাৰিকলৰ তেল ঢালি "ৰিকাৰে ল'বাব। তেতিয়া মিঠাতেলৰ দৰে ডাঠ হ'ব। তাকে হাঁহৰ পাখীৰ আগেৰে ভালদৰে ধুই ল'ব আৰু লগাব। তিনিদিনৰ ভিতৰত ভাল হ'ব।

২০৪। তৰাপাতিৰ পকা গুটি ৭ টা, কণি বিহ বন গছ গুটি এটা, বন জলকীয়াৰ গছ ৭ জোপা মিহলাই গুৰি কৰি খুন্দি ঘা হোৱা ঠাই ঢাকা কাপোৰেৰে বান্ধি দৰৱৰ ওপৰত কুমলীয়া কল পাতেৰে মেৰাই ল'ব। এই দৰৱ গৰম দিনত এদিন আৰু ঠাণ্ডা দিনত দুদিন বান্ধিব।

২০৫। বনমটৰ বীজ আৰু সৈন্ধৱ নিমখ মিহলি কৰি খুন্দি বান্ধি ৰাখিলেও এন্দুৰীয়া ৰোগ ভাল হয়।

২০৬। ম'হৰ দৈৰ লগত সৰু মিহি চাউলৰ ভাত কিছুদিন খালে এন্দুৰীয়া ভাল হয়।

২০৭। বগা এৰা গছৰ আৰু খয়েৰ সমান পৰিমাণৰ লৈ ভালদৰে পিহি এন্দুৰীয়া ঘাত লগালে ঘা ভাল হয়।

২০৮। সিজুৰ আঠা, আকণৰ আঠা, আচুকাঠৰ গুড়া সমান পৰিমাণ লৈ ভালদৰে বাটি লগালে এন্দুৰীয়া ৰোগ ভাল হয়।

পেটৰ বেদনা ঃ

২০৯। পচতিয়া গছৰ আগ এমুঠি আৰু লেটা গুটি তিনিটা নিমখৰ লগত বুট মাহতকৈ ডাঙৰ বড়ি কৰি পুৱা খালি পেটত খাব। ৰাতি আৰু দুপৰীয়া খোৱাৰ পাছত খাব।

পেট কামোৰণিৰ দৰৱ ঃ

২১০। বৰুণৰ ছাল, লেটা গুটি, বাদুলী মাংস, ডাউকৰ মাংস, সবাকো বাটি ছাগলী গাখীৰৰ সৈতে খাব।

২১১। কঠনা ফুলৰ শিপা, মাখিয়তী গছৰ শিপা, ফুটুকাৰ শিপা, তিতা ভেকুৰীৰ শিপা, নেমু টেঙাৰ আগ, সাত গোট লাটুমনি, তিনি গোট লেটা গুটি, কেটেলাৰ ভুৰু, লোণ, জালুক দি সিজাই খাব।

২১২। বগা বাহেকৰ শিপা, বিৰিণাৰ শিপা, শিলিখা সিজাই তাৰ জোল মৌ দি খাব।

২১৩। ভুঁই তিতা, মৰাণ আদা, ক'লা কেতুৰী, আমলখি খুন্দি তাৰ ৰস মৌ আৰু চেনি দি খাব।

২১৪। সোণাৰুৰ কোমল পাতত লোণ দি তেলত ভাজি থৈ পুৱা খাব।

২১৫। ১০০ গ্ৰাম পুৰণি কুঁহিয়াৰৰ ৰস খালে ভাল হয়। নাইবা নৰসিংহৰ ৫০ গ্ৰাম পাতৰ ৰস উলিয়াই তাত সামান্য ঠাণ্ডা পানী দি খাব।

২১৬। কলিয়া হালধি, জাতি হালধি, মৰাণ আদা, কল খাৰণি , তিতাৰ ঠাৰি পুৰি তাৰ খাৰণি, লাইজাবৰি, নেমুটেঙা সমানে ৰস, জালুক, পিপলি নহৰু লোণ, য'খাৰ দিব। সকলো পগাই খাব। টেঙা একেবাৰেই খাব। অথবা বৰুণৰ ছাল এপোৱা, কেঁটাহী বেঙেনাৰ পাত এপোৱা, বিহলঙনিৰ মূল, অপৰাজিতাৰ মূল, সিজুৰ শাহ, মৰাণ আদা, জালুক, পিপলি, সবাকো চন্দন যেন কৰি বাটি বড়ি কৰি প্ৰতিদিনে তিনিটাকৈ খাব।

২১৭। পিঁয়াজৰ ৰসৰ লগত অলপ চেনি মিশ্ৰণ কৰি খালে পেট কামোৰণি নাশ হয়।

২১৮। নহৰুৰ ৰস অলপমান উলিয়াই অকণমান নিমখ দি খালে ভাল হয়।

২১৯। ১০ গ্ৰাম মূগাৰ ৰসত নিমখ মিহলি কৰি মিছিৰিৰ সৈতে খাব।

২২০। মচলা গুটি আৰু কলা নিমখ পিহি গৰম গাখীৰৰ সৈতে খালে ভাল হয়।

২২১। ৫০ গ্ৰাম নৰসিংহৰ পাতৰ ৰসৰ লগত অলপ পানী মিহলাই খালে পেট কামোৰণি ভাল হয়।

২২২। ২ চামুচ আদাৰ ৰসৰ লগত মৌজোল মিহলি কৰি গৰম পানীৰ লগত খালে ভাল ফল পোৱা যায়।

২২৩। হিং, জিৰা, জালুক, নিমখ আৰু পদিনা প্ৰত্যেকৰে ৩ গ্ৰামকৈ একেলগে পিহি খালে ভাল হয়।

২২৪। পিয়ালি কুঁৰুৰী বা নয়নতৰাৰ কেঁইখিলামান পাত ১০০ গ্ৰাম পানীত সিজাই ছাগলী গাখীৰৰ লগত খালে সুফল পোৱা যায়।

পেটৰ গৰম বাজ কৰাৰ দৰৱ ঃ

২২৫। টংলতিৰ শিপা, আম- চেলেঙনাৰ পাত, কেটাহী বেঙেনাৰ শিপা, বগা বাহেকৰ শিপা লোণ, জালুক দি বাটি ৰস উলিয়াই খাব।

কচুৰা ৰোগৰ দৰৱ-(পেটত হয়) ঃ

২২৬। কাছৰ মূৰ, জালুক, পিপলি, মৰাণ আদা, জাইফল, ক'লা জিৰা সবাকো বটি মিহি কৰি পগাই খাব। দিনে দুবাৰকৈ (পুৱা গধূলি) ৩ দিন খাব।

ল'ৰাৰ পেট কামোৰাৰ দৰৱ ঃ

২২৭। কণ্টলা ফুল এপাহ, নীলকণ্ঠ, আঠিয়া কল, পোৰোলা লটিৰ মূল, ভাত তিতাৰ মূল, জালুক, পিপলি সবাকো বটি খুৱাব।

যি কোনো পেটৰ অসুখৰ দৰৱ ঃ

২২৮। আমলখি বাটি আঞ্জা কৰি খালে পেটৰ অসুখ ভাল হয়।

২২৯। পুৰণি কুঁহিয়াৰৰ ৰস আধা তোলা খালী পেটত খাব।

২৩০। পঞ্চাছ গ্ৰাম নৰসিংহ পাতৰ ৰস উলিয়াই তাত ঠাণ্ডা পানী মিহলাই খাব।

২৩১। তিতা কেৰেলা বা নীলকণ্ঠৰ ৰস কৰি ভাতৰ লগত খাব। তিতা কেৰেলা তুহঁত পুৰি খালে পেট কামোৰণি ভাল হয়।

২৩২। পুৰণি ঠেকেৰা খটি চেনিৰ লগত খালে পেট কামোৰণি ভাল হয়।

পেলুৰ দৰৱ ঃ

২৩৩। ভেটাই ফুলৰ শিপা, মৌ সমে খালে পেলু মৰিব।

২৩৪। কেঁএগা বনৰ আলু তিনি/চাৰিটা বাটি খুৱালে পেলু ওলায়।

২৩৫। উজুবনৰ শিপাৰ ৰস উলিয়াই খুৱাব লাগে।

পেটৰ বিষ :

২৩৬। ডেউত্বাৰ আলু কাটি ৰস উলিয়াই খাব।

২৩৭। সৰু মানিমুনি, বৰ মানিমুনি, বন জালুক পিহি ৰস উলিয়াই এক চটাক নিমখ দি গৰম কৰি খাব।

২৩৮। কেঞাবনৰ গুটি, বৰ মানিমুনি, ভুত মৰিচ সবাকো মিহলাই গুৰি কৰি খাব।

ল'ৰাৰ পেলু মৰাৰ দৰৱ :

২৩৯। চেলাৰ ছাল, মাটি কঠালৰ পাত, সবাৰে ৰস উলিয়াই চূণৰ পানীৰে খাব। পেলু মৰিব।

শৌচত শাওঁ পৰিলে :

২৪০। প্ৰথমে অমৰা গুটি বা ইয়াৰ ছাল বা কোঁহ তিনিটা পাতত দি নিমখৰ সৈতে চোবাই খালে ভাল হয়।

পেট জ্বলা-পোৰা কৰাৰ দৰৱ :

২৪১। দ্ৰোণ বনৰ কুমলীয়া আগ, বৰ মানিমুনি, সৰু মানিমুনি, মাটি কাঁদুৰীৰ কুমলীয়া আগ এমুঠি কৰি ধান খেৰৰ জুইত পাতত দি নিমখ দি খাব লাগে।

পেটত পেলু হ'লে :

২৪২। কেঞা বনৰ আলু তিনি/চাৰিটা বাটি খুৱালে পেলু ওলায়।

২৪৩। উলুবনৰ শিপাৰ ৰস উলিয়াই খুৱাব লাগে।

পেট চলা :

২৪৪। বগা মদাৰ গছৰ ফুল বা পাতৰ ৰস আধা পোৱা খাব, ই হাইজাৰ দৰৱও।

২৪৫। পাঁচ/ছয়টা শিলিখা সম-পৰিমাণৰ পিপলি খুন্দি তাৰ ৰস বাহিৰ কৰি তাত প্ৰায়১০০ গ্ৰাম পানী মিহলাই গৰম কৰিব লাগে। তেনেদৰে প্ৰস্তুত কৰা মিশ্ৰণ সদায় ৰাতিপুৱা, দুপৰীয়া, ৰাতি আহাৰ খোৱাৰ প্ৰায় ৩০ মিনিটৰ আগতে খাব লাগে। একেৰাহে তিনি চাৰিদিন এই দৰৱ ব্যৱহাৰ কৰিলে পেট চলা বেমাৰ সম্পূৰ্ণ ভাল হয়।

পেটৰ বিষ :

২৪৬। সৰু মানিমুনি, বৰ মানিমুনি, বন জালুক পিহি ৰস উলিয়াই এক চটাক নিমখ দি গৰম কৰি খাব।

পেট কামোৰণি হৈ শৌচ হ'লে :

২৪৭। দ্ৰোণ বনৰ ৰস উলিয়াই কেঁচাই কেঁচাই খাব।

গৰুৰ পেট খহিলে :

২৪৮। বচ এক আঙুল, বৰাহ এক আঙুল, ঘোৰা নিমৰ ছাল দক্ষিণ ফালৰ এক আঙুল, ভকুৰা কদমৰ ছাল এক আঙুল, নহৰু তিনি ফুটা সকলোকে খুন্দি ৰস উলিয়াই খুৱাব লাগে।

পেট চলা আৰু নচলাৰ দৰব :

২৪৯। লাটুমনি য'খাৰ এটা খালে পেট চলে আৰু বগা য'খাৰ বটি খালে পেট চলা বন্ধ হয়।

পেটৰ বিষৰ দৰব :

২৫০। কেঞাবনৰ গুটি, বৰ মানিমুনি, ভুত মৰিচ সবাকো মিহলাই গুৰি কৰি খাব।

২৫১। আগিয়াচিতাৰ শিপা, গুণৰাজ, চাউল, লোণ, জালুক বাটি গুৰি কৰি মিলাই খাব।

তেজ সাৰৰ দৰব :

২৫২। বাহেকৰ বগাপাত, চাউল সমে খুন্দি কফুৰৰ নিচিনা গুৰি কৰি প্ৰতিদিনে এমহা কৰি খাব। তেজ সাৰ নাশ হ'ব।

২৫৩। চেঙা মাছ, টেঙামৰা জালুক দি ৰান্ধি খাব।

২৫৪। খালত থকা ঢেকীয়াৰ চোঁচ, চালৰ কোটা বৰ বিয়নিৰ আগ ৯ গোটা, গোবৰৰ গুটি সবাকে গুৰি কৰি ক'লা জিৰা, য'নী, থৰুৱা ফুল লোণ, জালুক, পিপলি আৰু চাউলৰ কৰাই খুন্দি খাব। তেজ সাৰ নাশ হ'ব।

২৫৫। ৰঙা এৰাৰ আগ শিঙা পাতৰ গুটি, লোণ, জালুক , পিপলি, বাটি গৰে মাছসহ ৰান্ধি খাব।

২৫৬। জাতি বাঁহৰ কুমলীয়া কেওঁ খুন্দি ৰস উলিয়াই, জালুক ২০ টা, লোণৰ সৈতে বটি তপতাই খাব।

২৫৭। সৌৰাৰ ছাল, পানী পোতনি, সিজুৰ মধা, সালধুনা, খহটা ডিমৰুৰ ছাল, এৰাঁ গাখীৰৰ সমে বটি খাব।

২৫৮। বগা অপৰাজিতাৰ শিপা পানীৰে বটি খাব।

২৫৯। ঔ গছৰ দক্ষিণৰ শিপা, সোণ বৰিয়ালৰ মূল, ডিমৰু গছৰ ছাল, হাড়-ঘুনুছাৰ ছাল, চেঙেলী মাছ সমে আঞ্জা কৰি খাব।

২৬০। কহঁৰা বন, উলু, কলি কুঁহিৰাৰ, কুঁশবন, ইসবৰ মূল ২ তোলা ছাগলী গাখীৰ১৫ তোলা, ১ সেৰ পানীত দি পগাব। পানী পোহগৈ গাখীৰ ভাগ থাকোতে নমাই দিব লাগে। পাছত খাব।

২৬১। শতমূল আৰু গোক্ষুৰৰ মূল গাখীৰেৰে পগাই খাব।

২৬২। ক'লা বৰা ধানৰ চাউল নাহৰ গছৰ শুকান ছাল কঠালৰ পকা পাত উলু খেৰত

অহা শুকান ঢেকীয়া, লোণ, আলুক, পিপলি, মৰাপ আদা একত্রে গুৰি কৰি খাব। টেঙা নেখাব তেজ সাব নাশ হ'ব।

বক্ত সাবৰ দৰব :

২৬৩। বঙা বিধৰ যম লাখুটিৰ গজালি আনি বস উলিয়াই নাৰিকল, মিছিৰি, গাখীৰত মিলাই খাব। বক্ত সাব নাশ হ'ব।

২৬৪। বাহকৰ পাতৰ বস প্রাতঃকালে খাইলে বক্ত সাব নাশ। বা পুবৈৰ আসু বত্ত টেংগিয়া বটি খাব। বক্ত সাব নাশ হ'ব।

বায়ুৰ দৰব :

২৬৫। জাতি কাকিবলাব মূল, কুকুৰা লতাব মূল, আঠিয়া কলৰ মূল, যম লাখুটিৰ মূল, গুটি খালিৰ মূল, খাকৰি খিলা সবাকো বটি পুবাত্তে খাব।

২৬৬। ঔ শিপাৰ পানী, নাগফেনা, মাটিমাহ, মুঠা, পথালি কোমোৰা, টিকনি বৰাৰ আগ, ঔ শিপা, পুৰণি কোমোৰা সকলো মিলাই মুৰত ল'ব।

২৬৭। চাউল ধোৱা পানী, আগিয়া চিতা দুয়োটাবে ভৰণ দিব।

২৬৮। বাজী ঔৰ আগ, শতমূল, বগৰীৰ আগ, অমৰাৰ ছাল সবকলো খুন্দি ভৰণ দিব। বায়ু নাশ হ'ব।

২৬৯। ৫/৬ টা পুৰণি শিলিখা ভাজি আহাৰৰ লগত খাব। আহাৰ খোৱাৰ আগে বা পিছে বা আহাৰৰ লগত ৫/৬ টা কেঁচা শিলিখা চোবাই খাব। গৰু ঘিঁউৰ লগত ৪/৫ টা শিলিখা খুন্দি খাব।

২৭০। আদা টুকুৰা কৰি নিমখৰ সৈতে আহাৰ খোৱাৰ আধা ঘণ্টা আগতে খাই গৰম পানী খাব লাগে।

২৭১। পেটত বায়ু জমা হোৱাৰ কাৰণে যদি ৰোগীৰ বুকু পোৰে তেন্তে ২০ গ্রাম গাজৰৰ বসত মৌজোল মিহলাই দিনে দুবাৰকৈ খাব।

২৭২। পাঁচ গ্রাম গৰম গাখীৰত অলপ হালধি বস আৰু নিমখ মিহলি কৰি খালে সোনকালে ভাল হয়।

২৭৩। গৰম গাখীৰ মৌজোল মিহলাই খালেও পেটত বায়ু জমা হ'ব নোৱাৰে।

২৭৪। আমলখি, শিলিখা, ভোমোৰাৰ গুটিৰ গুড়া পানীত মিহলাই খালেও পেটত বায়ু জমা হ'ব নোৱাৰে।

২৭৫। গৰম গাখীৰত ১ টা পিপলি দি গৰম কৰি খালে পেটৰ বায়ু গুলাই যায়।

২৭৬। ৫/৬ টা শিলিখা ভাজি আহাৰৰ লগত খাব। আহাৰ খোৱাৰ পাছত শিলিখা চোবাই খাব পাৰিলে ভাল ফল পোৱা যায়।

২৭৭। সোল বৰলিয়াৰ বস ঘিউৰে খাব। বায়ু নাশ হ'ব।

২৭৮। সোণ বৰিয়াঙৰ ৰস ঘিঁউৰে তপতাই খাব বায়ু নাশ হ'ব।

২৭৯। ৫ গ্ৰাম গৰম গাখীৰত অলপ হালধিৰ ৰস আৰু নিমখ মিহলি কৰি খালে তৎক্ষণাৎ ভাল হয়।

তেজ গ্ৰহণীৰ দৰৱ :

২৮০। ঔৰ ফুল, আঠিয়া কল, বৰ জামুৰ ছাল, মৰিচ, পিপলি সকলোৰে ৰস উলিয়াই তপতাই খাব। ৪ ঘণ্টাৰ পাছত আধা সেৰমান গৰুৰ গাখীৰ খাব।

২৮১। কলৰ পিলি, কেন্দুগছৰ কোঁহপাত বাটি ৰস খালে তেজ গ্ৰহণী ভাল হয়।

২৮২। ৰঙা মধুৰী আমৰ আগ এমুছি কুটি সিজাই দিনে দুবাৰ খোৱাৰ পাছত খাব।

২৮৩। চেনি আৰু মৌ চাউল খচা পানীৰে খালে তেজ গ্ৰহণী ভাল হয়।

২৮৪। ভুঁই তামোলৰ শিপা বটি নাৰিকলৰ পানীৰে খালে তেজ গ্ৰহণী ভাল হয়।

২৮৫। ৪/৫ ডোখৰ কেন্দু গছৰ গুৰি ধেতালি এপোৱা পানীত খটি সেই পানী খালে ভাল হয়।

২৮৬। চেপা আঠিয়া কলৰ থিয় ডিলৰ ভিতৰত কোঁহটো হাতেৰে মোহাৰি মোহাৰি মিঠা তেলত মঠিয়াই খাব।

২৮৭। এটা আঠিয়া কলৰ শাহ, জামুৰ ছাল ৫০ গ্ৰাম, মৰিচ, পিপলি, সমপৰিমাণে ঔ ফুলৰ ৰসৰ সৈতে তপত কৰি খাব লাগে। এই দৰৱ খোৱাৰ কমেও ৪ ঘণ্টাৰ পিছত ২০০ গ্ৰাম গৰুৰ গাখীৰ খালে ভাল হয়। পুৰণি বেলৰ শাহ পানীত তিয়াই সেই পানী খালে পুৰণি গ্ৰহণী ৰোগ ভাল হয়।

সঞ্চিত গ্ৰহণীৰ দৰৱ :

২৮৮। মিঠা আমৰ ছাল, কৰদৈৰ ছাল, ভেদাই লতাৰ মূল সবাকো চূণৰ পানীৰে এসপ্তাহ খাব।

২৮৯। ১০১ টা মধুৰী আমৰ কোমল আগ, ১ সেৰ পানীত সিজাই এতোলা ৰাখি তাক ২ তোলা পানীত মিহলাই প্ৰতিদিনে ১ চামুচকৈ পুৱা খালী পেটত খাব। সঞ্চিত গ্ৰহণী ভাল হ'ব।

২৯০। বচ, বৰাহ, হালধি, আদা, শিলিখা সবাকে বাটি ৰস খাব। জাতি বা মৰাণ আদা, শিলিখা, ক'লা হালধি, জাতি হালধি, চাহপাত, মাণ ধপাত, ক'লা গৰুৰ মুত আটাইকে চুঙাত সিজাই জোল কৰি ছাকি খাব।

২৯১। কঠাল গুটি ৮ টা, তামোলৰ দক্ষিণৰ ফালৰ কেঁচা শিপা ১২ ডালমান বটি বড়ি কৰি দিনে ৩ টাকৈ ২০ পালি খাব।

২৯২। ত্ৰিফলা (ভোমোৰা গুটি, আমলখি, শিলিখা) ৭ টাকৈ খুন্দি বাকলি গুচাই লব। ১ কাপ পিপলি গুড়ি কৰি আধা কাপ ল'ব। কেয়াবনৰ গুটি শুকুৱাই ভাঙি লৈ ৰ'দত শুকুৱাই খুন্দি গুৰি ১ চামুচ ল'ব। সৈন্ধৱ নিমখ ১ চামুচ সবাকো মিলাই

গুৰি কৰি কাজি নেমুৰ ৰসৰ লগত বড়ি কৰিব পৰা কৰি লৈ ৰত্তালি বগৰিব দৰে কৰিব। খোৱাৰ ব্যৱস্থা ঃ দিনে ৩ বাৰকৈ আধা ঘন্টাৰ মূৰে মূৰে বৰিটো চোবাই গিলি খাব। ভাল হ'বই।

২৯৩। মানিমুনিৰ ২৫ গ্ৰাম ৰসত সামান্য চেনি বা মৌ মিহলাই একেবাৰে খালে ভাল হয়।

গ্ৰহণীৰ দৰৱ ঃ

২৯৪। আঠিয়া কলৰ আঠা, নেমু টেঙাৰ গুটি বা ছাল, ছাগলী গাখীৰ ৪ টোপালমান দি শুদা পেটত খাব। লগত পাৰিলে ডালিমৰ ৰস খাব।

২৯৫। ৰহুৰ মাহৰ আগ ৩ টা, মধুৰীৰ আগ ৩ টা কাজি নেমু টেঙাৰ আগ তিনিটা সবাৰে ৰস উলিয়াই ২ চামুচ মৌৰ লগত ৩ দিন খাব।

২৯৬। চেঙা মাছ, উৰিয়ামৰ আগ ৭ গোট, নেমু টেঙাৰ আগ সাত গোট, টেপৰ টেঙা ৭ চকল, জালুক ১৯ টা, গোটা নিমখ দি সিজাই ৰস খাব। গ্ৰহণী নাশ হ'ব।

২৯৭। শুকান ঢেকীয়া, কেঁচা ঢেকীয়া, শোকোটা, মাটিমাহ, এৰী গাখীৰ, জালুক ১৩ টা সবাকে চুঙাত সিজাই ৰাতিপুৱা খালে ভাল হয়।

২৯৮। পুলি তেতেলীৰ কুঁহিপাত থেতালি ৰস তপতাই খাব।

২৯৯। ডালিমৰ বাকলি, শুকান বেল, মুথা, ভাং, কঠাল পাতেৰে খোলা চপৰিয়া পিঠা ভাজি খাব।

৩০০। কুমলীয়া মধুৰী গছৰ কুঁহি আগ অলপ ডাঙৰ পাঁচটা আৰু সৰু তিনিটা, সৰু মানিমুনি অলপ পৰিমাণে পিহি ৰস উলিয়াই ৩ পালি খাব।

৩০১। মাটি কান্দুৰী, তেঙেচী টেঙা পাতত দি ৰস উলিয়াই ভাতৰ লগত খাব।

৩০২। শুকান বেল তিয়াই পানীত খচি দুই বা আঢ়ৈ তোলা পৰিমাণে দিনে ৩ বাৰকৈ খালে ভাল হয়।

৩০৩। কপাল ফুটা, আফিং, আদা, বটি আৰু বগী মনোহৰ কল গাখীৰৰ লগত খালে গ্ৰহণী ভাল হয়।

৩০৪। ঔৰ ফুলৰ কলি এটা, শিঙৰি পাঁচটা, কল ফুলৰ লগত খাব।

৩০৫। মনোহৰ কলৰ শিপা, চম্পা কলৰ শিপা, আঠিয়া কলৰ শিপা, একেলগ কৰি ৰসৰ সৈতে চিৰা আৰু মৌ খাব।

৩০৬। বচ, লেটা গুটি ১ টা, কেঞ্জাবনৰ গুটি ৩ টা সবাকো বটি খাব লাগে।

৩০৭। মালভোগ খুটুৰাৰ এক আঙুলকৈ শিপা, ৩ জোপাৰ তিনি আঙুল খুন্দি গৰু গাখীৰৰ লগত মিহলি কৰি খাব। সঞ্চিত গ্ৰহণী ভাল হ'ব।

৩০৮। মধুৰী আগ তিনিটাৰ ৰস, পুৰণি গোলনেমু (নিমখত থোৱা) এক চামুচ ৰাতিপুৱাই তিনিদিন খাব। সঞ্চিত গ্ৰহণী ভাল হ'ব। নিৰামিষ আহাৰ খাব।

৩০৯। চিতামূল, পিপলমূল, যঁখাৰ সাচিক্ষাৰ, লৱণ, (সৈন্ধৱ) মচলা, বিট, উদ্ভিদ আৰু কৰ্কচ্ লৱণ, ত্ৰিকুট, হিং বনযমানী ও চৈ, এইবিলাক একত্ৰে চূৰ্ণ কৰি টাবালেবুৰ বা অম্ল ডাড়িনেৰ ৰসে মৰ্দন কৰিয়া (একে মাত্ৰা পৰিমাণে) গুৰিকা প্ৰস্তুতি কৰিয়ে ইহা আম পাচক আৰু দিপ্তী কাৰক (বঙালী নিদানৰপৰা)।

৩১০। এটা কেঁচা বা পুৰঠ ভীমকলৰ বাকলিৰে সৈতে ডোখৰ ডোখৰ কৰি কাটি এবাটি পানীত তিয়াই ৰাখি পিচদিনা সেই পানী শুদা পেটত খাব লাগে। গ্ৰহণী ৰোগ ভাল হয়।

৩১১। মধুৰীৰ আগ এমুঠি, ভীম কলৰ পচলা, অলপ নিমখ দি ৰস উলিয়াই ৩ দিন খাব।

৩১২। পুলি তেতেলীৰ কুঁহিপাতৰ ৰস তপতাই খাব।

৩১৩। দীঘলতিৰ কুঁহি বা ডালিমৰ পাতৰ ৰস, ভাঙ, বিশল্যকৰণিৰ ৰস দুধমুৰি ছালৰ ৰস বা ক্বাথ বৰ উপকাৰী।

৩১৪। সৰু সোণবৰিয়ালৰ শিপা, কেঁচা ভীমকলৰ ৰস কণিত মিহলাই খালে ভাল হয়।

৩১৫। পাদাম তাককুৰ গছৰ আগ, অচিন অইন বনগছৰ আগ, ভীমকলৰ শিপা, ফল ধৰাৰ তিনিও মিহলাই নৰম কৰি ৫০০ গ্ৰাম পানীত তিয়াই সেই পানী দুভাগ কৰি দিনত দুবাৰকৈ কমেও ৪ দিন খাব লাগে।

৩১৬। আমৰ কেঁচা আৰু কুমলীয়া পাতৰ ৰস ৫ গ্ৰাম লৈ ১০ গ্ৰাম ছাগলীৰ গাখীৰ আৰু ১ চামুচ মৌ মিহলাই দিনে ২/৩ বাৰকৈ খাব লাগে।

৩১৭। গাজৰ আৰু কিচমিচৰ ৰস প্ৰায ৫০ গ্ৰাম একেলগে খাব লাগে।

৩১৮। পুৰণি গোল নেমুৰ ৰস নিমখ দি খালে গ্ৰহণী ভাল হয়।

৩১৯। পুৰণি গোল নেমুৰ ৰস গৰম পানীত মিহলাই খালে গ্ৰহণী ৰোগৰ পেট কামোৰণি ভাল হয়।

তেজ শাওঁ পৰাত ঃ

৩২০। পুৰণি বৰঠেকেৰাৰ গুটি মাটি তেল লোণ দি খাব। নতুবা কেঁচা বেল পুৰি গুৰ বা মিছিৰিৰে ৬/৭ দিন খাব। বা ২/৩ টা হালধি পাতৰ ৰস সমপৰিমাণ চূণৰ পানীৰে খাব।

৩২১। কেঁচা পিঁয়াজ খুব মিহিকৈ পিহি ছাগলী গাখীৰৰ দৈৰ লগত খাব লাগে।

৩২২। ছাগলী গাখীৰ বন আমলখিৰে খুৱাব তৎকালে আৰোগ্য হয়।

৩২৩। শুকান নেমুটেঙা পানীত তিয়াই পিছদিনা খাব লাগে।

কুতজ গছৰ বিৱৰণ ঃ

১৫/১৬ মিটাৰ ওখ হোৱা এজোপা মধ্যমীয়া গছ। গুৰিৰ ব্যাস ১ মিটাৰ বছৰি

এবাৰ পাত সৰি লঠঙা হয়। কুমলীয়া পাতত বগা বগা মিহি নোম থাকে পৈণত হ'লে সৰি যায়। পাতৰ দীঘ ১৫/২০ ছেঃ মিটাৰ আগ জোঙা ফুলৰ পাহি ৫ টা কেশৰ ৫ ডাল সামান্য গোন্ধ আছে। ফল দীঘল গোটা গুটি চেপেটা। মূৰত মূগা বৰণীয়া নোম থাকে।

৩২৪। কুটজৰ কেঁচা ছালৰ ৰস খুৱালে ভাল হয়।

কলেৰাত ঃ

৩২৫। কুটজৰ গুটি পানীত সিজাই খুৱালে ভাল হয়।

গৰ্ভৱতী ঃ

৩২৬। কুটজৰ গুটি জাফ্ৰানীৰ লগত পিহি খুৱালে গৰ্ভৱতী হয়।

বাত-বিষত ঃ

৩২৭। কুটজৰ ছাল তিল তেলৰ লগত সিজাই বাত বিষত সানিলে ভাল হয়।

সাপে কামোৰাত ঃ

৩২৮। কুটজৰ গুটি সৰ্পদংশনত লগালে বিষ কমে।

কচুৱা বাতৰ দৰৱ ঃ

৩২৯। মৰাণ আদাৰ ৰস ঘিঁউৰ লগত পগাই খাব।

গঁঠীয়া বাতৰ দৰৱ ঃ

৩৩০। শিঙি মাছ, বছা মাছ, হাঁচিয়তিৰ সৈতে ৰান্ধি খাব।

ৰাজ পীড়াৰ দৰৱ ঃ

৩৩১। কঠালৰ মূল, নিৰবিহৰ আগ, তেঁতেলিৰ মূল, মাটি বাঘিনিৰ মূল, পুলি কইটৰ মূল, বিহমনা এতোলা, তৰুণ, চন্দন, নাগৰ গুটি, লাও সবাকে পিঠা যেন কৰি বটি খাব।

কলিয়া ৰাজ পীড়াৰ দৰৱ ঃ

৩৩২। আকন পাত তেলৰ সৈতে মাৰি দিলে ভাল হয়।

৩৩৩। তৰা গছৰ ভিতৰৰ কুমলীয়া কুঁহি আৰু টিকনি বৰাৰ আগ কেইটামান সমান ওজনত লৈ খুন্দি বান্ধিব লাগে।

৩৩৪। কুমলীয়া মধুৰীৰ পাত শুকুৱাই খৰখৰীয়া কৰি টান কাপোৰত বান্ধি কাপোৰৰ ওপৰত খুন্দিব লাগে। খুন্দোতে যোৱা ধুলিবোৰ পাউদাৰৰ দৰে ঘাত ছটিয়াই দিলে ভাল হয়।

৩৩৫। কঠলৰ ছাল, শিপা, সিজুৰ দক্ষিণৰ ছাল, তেজমূইৰ ছাল, বনছাইৰ গুটি বাটি গুৰি কৰি খাব।

৩৩৬। চলিয়া লতাৰ ৰস বটি খাব।

৩৩৭। সৰু মানিমুনি, শ্বেৰা বেহাৰ, ডালিমৰ পাত, কলৰ ফুল বটি দিব।

৩৩৮। সৰু হেলামৰ পাত, শামুকৰ পানীৰ সৈতে বটি দিব।

৩৩৯। কলৰ পঁচা মধুনা, ডেম ডেউকাৰ গাঁঠি, সূৰ্যমুখী জলকীয়া গছৰ শিপা আৰু আগপাত বটি দিব।

৩৪০। অৰ্জুন গছৰ গুদি ঘঁহি চন্দন তুলি লেপ দিলে গাঙঠি বা ফোঁহোৰা ভাল হয়।

বৰ ব্যাধিৰ ঔষধ ঃ

৩৪১। ভুঁই তিতাৰ মূল, চতিয়নাৰ এঠা, বৰালি মাছৰ ডাঢ়ি পুৰি ছাই ল'ব। সেন্দুৰৰ লগত গাত ঘঁহিব ভাল হ'ব। ২ সপ্তাহমান ব্যৱহাৰ কৰিব।

৩৪২। হোলেভৰ ছাল এক তোলা, সিজুৰ ছাল এক তোলা, যোৰা তামোলৰ বাকলি, লোণ, পিপলি, চেঙা মাছ ৫ টা ৰান্ধি খাব।

জল সাৰৰ দৰৱ ঃ

৩৪৩। কেঁএগ কঠালসহ আমগুটি বাটি খালে ভাল হয়।

৩৪৪। য'খাৰ, ধুঁহিয়াৰৰ ৰস দুয়োটা নিৰৌ খাব। জলসাৰ ভাল হ'ব।

৩৪৫। শাহেকৰ গুটি, সোলেং টেঙাৰ ৰস, পিপলি, য'খাৰ, কলা গৰুৰ মুত, মহানিমৰ পাত সবাৰে ৰস উলিয়াই মংগলবাৰে এদেও বেলি উঠাতে খাব।

৩৪৬। সিজুৰ মজ্জা, বিজুৰ মজ্জা, জেতেলী পকাৰ আগ তিনিওৰে ৰস খাব। লোণ, য'খাৰ মিলাই খাব।

বাত বিষৰ দৰৱ ঃ

৩৪৭। গান্ধ কচু, জাতি চৈ, লা ংকুণ, হাড ঘুনুচ গুণৰাজ নহৰু, পিপলি, মেকাৰ পাত, চোৰাতৰ মূল, সবাকো ৰস উলিয়াই পগাই এক সপ্তাহ খাব।

৩৪৮। পানী কাঁহিট, বৰুণৰ পাত, তেজমুইৰ পাত, কণি বিহৰ পাত বান্ধিলে বিষ নাশ হয়।

৩৪৯। প্ৰতিদিনে তিনি চাৰি সাজ কৰি একোটা ওলকচু আহাৰৰ লগত তৰকাৰী কৰি খাব। ২ টা নহৰু মাখনৰ লগত খাব নাইবা চাউলৰপৰা তৈয়াৰ কৰা মদ ৩০০ গ্ৰাম, কুচিয়াৰ মাংসৰ লগত খাব। নাইবা ভেদাই লতাৰ ৰস এৰি তেলৰ সৈতে ৰাতিপুৱা খালে বাত বিষ ভাল হয়।

৩৫০। সোণাৰুৰ শাহ, গুলঞ্চ ফুলৰ ছাল আৰু বাহকৰ ছালৰ লগত ক্বাথ অলপ এৰা গুটিৰ তেল মিলাই খালে শৌচ হৈ বাত ৰোগত উপকাৰ হয়।

৩৫১। ৰঘুলতা, আমৈলতা, সোণাৰু, এৰাৰ শিপা আৰু পুৰ্ণনৱাৰ ক্বাথ আদাৰ ৰস মিলাই খাব।

৩৫২। আগিয়াচিয়াৰ শিপা, মিচিমি তিতা, টুবুকী লতাৰ শিপা, দুদমুৰিৰ গুটি, বচ, যাত্ৰাসিদ্ধৰ মূল, আমৈলতা সকলোৰে গুড়ি খালে বাত বিষ গুচে।

৩৫৩। হিং ১ ভাগ, চৈ ২ ভাগ, বিট লোণ ৩ ভাগ, শুঁঠ ৪ ভাগ, পিপলি ৫ ভাগ, জিৰা ৬ ভাগ, কুড় ৭ ভাগ সবাকে মিহলি কৰি পগাই খাব।

৩৫৪। ভেদাই লতাৰ ৰস আৰু এৰা গুটি থেতালি লৈ পগাই আধা তোলা ৰস গাখীৰেৰে খাব।

৩৫৫। নহৰু, পঁচতিয়াৰ পাত আৰু আদাৰ ক্বাথ খাব।

৩৫৬। কুঁহিয়াৰৰ মূল ২১ টা, জলকীয়াৰ লগত কিছুদিন খালে বাতবিষ উপশম হয়।

৩৫৭। ঘোলৰ লগত গুৰ মিহলাই খালে বাত বিষ ভাল হয়।

৩৫৮। কেশৰাজ মেঘনাদ, জলকীয়া ২১ টা বাটি খাব।

৩৫৯। নহৰু বটি এৰাঁ গাখীৰৰ লগত খাব। এমাহমান খাব।

৩৬০। মদাৰৰ ফুল এৰাঁ গাখীৰৰ লগত খালে বিষ গুচে।

৩৬১। ভালুক, পিপলি, আদা প্ৰত্যেকৰে এতোলা, ঘিঁউ ছয় তোলা সবাকে বটি জোল কৰি এমাহ খাব।

৩৬২। বচ, হালধি, আচুকাঠ, এলাণ্ডু, সকলোৰে লেপ দিব।

৩৬৩। কুলিকাহিট, কেতেকী কঠালৰ মুঢ়া, চজিনাৰ ছাল আৰু উঁই মাটি মুত দি বটি লিপি দিব।

৩৬৪। বৰুণৰ ছাল, বৰিয়াল, বচ, আদা, কেতুৰী, ভেদালী লতা, জয়ন্তী ফুলৰ গুটি আৰু হিং তপতে তপতে লেপ দিব।

৩৬৫। ক'লা জিৰা, পিপলি, লেট্ৰা গুটি আৰু মৰাণ আদা সবাকে বটি তপতাই গৰমে গৰমে লেপ দিব।

৩৬৬। দুবৰি আৰু হালধি একেলগে বটি দিলে ভাল হয়।

৩৬৭। শত ধৌত ঘিঁউৰে লেপ দিলে ভাল হয়।

চাইয়েটিকা বাত বিষ ঃ

৩৬৮। ৰবছা বনৰ শিপা, তিনি জোপা গাখীৰৰ লগত খাব।

বাত বিষ ঃ

৩৬৯। আসনৰ যোগে যৌগিক নিয়মেৰে যেনে, (১) বজ্ৰ (২) পশ্চিম মুদ্ৰাসন, (৩) গুপ্ত বজ্ৰাসন, (৪) বিকলাংগী মুদ্ৰা কৰিলে বাত বিষৰপৰা মুক্ত পাব।

৩৭০। ভেদাই লতাৰ পাত শিঙি বা মাগুৰ মাছৰ লগত তৰকাৰি বনাই খাই থাকিলে

আৰাম পাব।

৩৭১। এৰা গছৰ সকলো অংশই বাত বিষৰ উত্তম বন দৰব। বাত বিষত এৰা গছৰ তেলেৰে মালিচ কৰাব।

৩৭২। বাত বিষত ফুলি উঠিলে কপাহৰ পাত খুন্দি উখহা ঠাইত প্ৰলেপ দিব।

৩৭৩। সিজুৰ পাত থেতেলিয়াই এৰি তেল বা অন্য যি কোনো তেলেৰে প্ৰলেপ দিব।

৩৭৪। শাওলতাৰ ৰস অলপমান দিনে দুবাৰকৈ খাব।

৩৭৫। চাউলৰপৰা তৈয়াৰী কৰা পানী ৩০০ গ্ৰাম কুচিয়াৰ সৈতে খাব লাগে।

৩৭৬। বচৰ তেলেৰে মালিচ কৰিব।

৩৭৭। কেঁচা হালধিৰ ৰস দিনে ১০ গ্ৰাম খালে বাত বিষ ভাল হয়।

৩৭৮। বাত বিষৰ কাৰণে কপৌ ফুল উত্তম দৰব। প্ৰতিদিনে তিনি সাজকৈ ওলকচুৰ তৰকাৰী বাত বিষৰ কাৰণে উত্তম দৰব।

৩৭৯। গুণৰাজ কলিয়া গুটি, ধতুৰা আৰক চন্দন বটি খাব বাত নাশ।

৩৮০। লং ফুলৰ শিপা কলিয়া বৰণৰ ছাল ডেম ডেউকা বটি দিব, বাত বিষ নাশ হ'ব।

৩৮১। মানিমুনি বটি ঘৃতেৰে পান কৰিলে সৰ্বাংগ বাত নাশ হয়।

৩৮২। নেউল এটা গোটে গোটে পমি যোৰাকৈ সিজাব। লগতে লং, জাই ফল, এলাচি, জাই পত্ৰি, জালুক, জিৰা, যঁনী, আজইন, ডালচেনি, ভোগজিৰা আদি বাৰ মচলা প্ৰত্যেকৰে এতোলা পৰিমাণ আৰু আন্দাজমতে নিমখ দিব। মঙহ সিজি গুণ গুনিয়া হ'লে তাক কাপোৰ এখনেৰে চেকি দিনে দুবাৰকৈ ৩/৪ দিন খালে সকলো প্ৰকাৰৰ বাত বিষ ভাল হয়। ই বাত ৰোগৰ উৎকৃষ্ট ঔষধ।

৩৮৩। বৰুণ এতোলা, গুণৰাজ এতোলা, লোণ, জালুক, পিপলি সবাকে সমানে খাব বাত বিষ নাশ হ'ব।

৩৮৪। ডালিমৰ গুটি বটি ঘিঁউ মিহলাই লিপি দিব বাত বিষ নাশ হ'ব।

৩৮৫। কটাহি বেঙেনাৰ ঠাৰিৰ লগত জালুকৰ গুৰি মিহলাই খালে বাত বিষ নাশ হয়।

৩৮৬। চজিনা গছৰ ছাল ৫ গ্ৰাম ব্যৱহাৰ কৰিলে বাত ৰোগ ভাল হয়। চজিনাৰ গুটিৰ পৰা তৈয়াৰী তেলেৰে মালিচ কৰিলে পুৰণা বাত বিষো ভাল হয়। বাত বিষত নেউল অতি উত্তম।

৩৮৭। গুণৰাজ কলিয়া ধতুৰাৰ গুটি আৰকচণ বটি খাব বাত নাশ। বা সেৱালতা মৰাণ আদাৰ ৰস লোণ জালুক পিপলি বাটিব লঘোণে থাকি ৰাত্ৰি অৱসানে অনুৰে খাব। কঁকাল বিষ নাশ।

বাটোৱালি ঃ

৩৮৮। ফেঁচাৰ মাংস, উদৰ মাংস, নদিবেগে নলথাকি ছিঙি আনিব ওভ তামোলে ছাগলী গাখীৰৰ সৈতে বটি খাব বাটোৱালি নাশ।

গাঁঠি গাঁঠি বিষ :

৩৮৯। মদাৰৰ দক্ষিণৰ শিপাৰ ৰস এবাঁ গাখীৰেৰে খাব।

কলগছিয়া বাত :

৩৯০। সৰিয়হৰ গুৰি, উঁই, মাটি মৌ মিহলাই বা ধতুৰা পাতৰ ৰস খাব।

সিৰাৰ দৰৱ :

৩৯১। ঘুৰ্কুচ মৈৰ মূল, মৰাণ আদা, গাঠিয়ন সবাকো বাটি লিপি দিব। তিনি দিন দিব।

৩৯২। কুকুৰা ঠেঙীয়া গছৰ ছাল, মাঁকে থোকা, তেজমুইৰ আগ আৰু গুটি কণিবিহৰ গুটি গোটাই বাটি বুঢ়া আঙুলিত ল'ব।

৩৯৩। ৰঘু গছৰ ছাল, মাঁকে থোকা, কুকুৰাঠেঙীয়াৰ ছাল, শগুণী লতাৰ পাত, শিপা আৰু গছ, চতিয়নাৰ দক্ষিণৰ ছাল, কণিবিহৰ গুটি, ছাল আৰু শিপা তেজমুইৰ গুটি বাটি ভৰিৰ বুঢ়া আঙুলিত ল'ব।

৩৯৪। চেঙামোৰ, আদা, কলাই, বাখৰ, গনিৰী বাহা গুৰেৰে বাটি দিব। শিৰাকুৰণ্ড ভাল হ'ব।

৩৯৫। চোকা ধপাত, পানী আৰু কলখাৰত তিয়াই মেৰাই বান্ধিব।

৩৯৬। আফুলা গছৰ দক্ষিণ ফালৰ শিপা, মাদুলিত ভৰাই কঁকালত আঁৰি ল'ব।

৩৯৭। শিলিখা গুটি, পিপলি গুড়ি, সৈন্ধৱ লোণ, সবাকো এৰা গুটিৰ তেলত ভাজি খাব।

৩৯৮। শিলিখা গৰুৰ মুতত সিজাই সৈন্ধৱ লোণ মিহলাই এৰা তেলেৰে ভাজি তপত পানীৰে খালে পুৰণি সিৰা ভাল হয়।

৩৯৯। বচ আৰু সৰিয়হ বাটি লগাব।

৪০০। চত্তিনাৰ ছাল আৰু সৰিয়হ বাটি লগাব।

৪০১। জয়ন্তীৰ পাত সেকি জুলিত বান্ধিব।

৪০২। ওদালৰ গুটি, আদা বাটি লেপি দিব।

৪০৩। বগা সৰিয়হ পিহি তাক গৰম কৰি মালিচ কৰিব।

৪০৪। মাকৰি ঘিলাৰ শাহৰ লগত কাজুলি মাছৰ পিতেৰে মিহলি কৰি বাটি বৰঘিলা এটাৰ সৈতে তললৈ নমাই ঘহি দিব লাগে।

বলধাৰ দৰৱ :

৪০৫। ডাঁপৰি বাঘিনী বাটি তেলেৰে সেকিব।

আঙঠাৰ দৰৱ বা কুণ্ডলীয়া :

৪০৬। সুৰগা তেলেৰে মাৰি দিব ভাল হ'ব।

৪০৭। পুনীৰ গাঁঠি আৰু কেহেৰাজ পুৰি ছাই কৰি দিব।

৪০৮। কুমজেলেকুৰা পুৰি ছাই লগাব।

৪০৯। হাঁহিঠা গুটি, গুমঠৰ গুটি, চিতামূল, নাঙলভংগাৰ শিপা, আদা, হালধি, ভেদাইৰ গুটি, আকণৰ শিপা কৰবীৰ শিপা।

৪১০। ১০/১৫ টোপ অৰ্জুন তেল এৰাঁ গাখীৰেৰে নিতৌ খালে পাৰাৰ বিকাৰ গুচে। ১০/১৫ দিন খাব লাগে।

৪১১। শোধ কৰা গন্ধক ৪ ৰতি ঘিঁউৰ লগত খাব।

৪১২। ৭ টা বৰ এলাচি বটি এপোৱা কোমোৰা পানী সানি সেই পানী তিনিদিন খালে দেহৰ ভিতৰত থাকিলে বাহিৰ হয়।

৪১৩। কলমৌ শাক বা কলমৌৰ ক্বাথ খালে পাৰাৰ দোষ গুচে।

পোৰা বেঠৰ দৰব ঃ

৪১৪। তিল বটি দুগ্ধ সৈতে দিলে ভাল হ'ব। চাৰিদিন ঘঁহিব।

সন্তানহীন তিৰোতা গৰ্ভৱতী হোৱাৰ দৰব ঃ

৪১৫। বিজলৰ ঠাৰি, খলিহা মাছেৰে লোণ, জালুক দি আঞ্জা কৰি খাব। গৰ্ভৱতী হ'ব।

৪১৬। কলৰ ভিতৰৰ কেচু, মালভোগ কলৰ মাজত সুমুৱাই খুৱাব গৰ্ভৱতী হ'ব।

৪১৭। ঋতু স্নানৰ পাছত এৰগু বীজ ভক্ষণ কৰি ধঁতুৰাৰ মূল কাষ্ঠ লৈ কঁকালত বান্ধিলে গৰ্ভৱতী হয়।

৪১৮। মালভোগ কলৰ মাজত কলৰ ভূমি লতা দি খুৱালে গৰ্ভৱতী হয়।

৪১৯। কলি মেকুৰীৰ জল, অকণমান সোণ, তিনিটা আৰৈ চাউল, তিনিটা বেজী বা বৰশী, এগেৰুৱা গছৰ শিপা, মালভোগ কলৰ থুৰিৰ নাভিটো, এটা খোলা মুগা, তাবিজত গোটাই তিৰোতা গৰাকীক শনি বা মংগলবাৰে পিন্ধাব।

৪২০। মজাঠি, মৌ, গাখীৰ, কেঁটকোৰা গুটিৰ শাহ সমানে লৈ গৰম পানীত ৩/৪ দিন খালে গৰ্ভৱতী হয়।

৪২১। মালভোগ কল তিনিটুকুৰাত কুমজেলেকুৰাৰ নেগুৰ তিনিটুকুৰা সুমুৱাই তিনিটা কলত ভৰাই ৩ মাহ/৫ মাহ/৭ মাহ খাব। খেতৰ খেদি ল'ব।

৪২২। শ্বেত অপৰাজিতা, শ্বেত উৰমূল, এক্কে বৰণীয়া গৰুৰ গাখীৰেৰে ঋতু কালত খালে গৰ্ভ হয়।

৪২৩। বিজলৰ ঠাৰি খলিহনা মাছেৰে লোণ জালুক দি সিজাই খাব গৰ্ভ হ'ব।

গৰ্ভধাৰণ ঃ

৪২৪। জেওবাৰ পোক তিনিটা, কুমাৰণী বাঁহৰ পোক সাতোটা, জেঠিৰ নেজ এডোখৰ মালভোগ কলত সুমুৱাই ১/৩/৭/৯ মাহত খুৱাব।

পেট বাদুলি মাইকী মানুহৰ গৰ্ভ নষ্টৰ দৰৱ ঃ

৪২৫। পূব ফালৰ বঙা এৰেণ্ৰ শিপা, আঠিয়া কলৰ বাকলি পুখি খাব, পূবৰ সোণ বৰুৱাৰ শিপা, পূবৰ তিতা ভেকুৰীৰ শিপা, বোন্দা কেচু এটা পেট কাটি বাহি ধুই মিহিকৈ কুটি ল'ব। মাটিমাহ অলপ কেঁচাকৈ দলি লৈ ওপৰত লিখা দৰৱৰ সৈতে নিমখ অলপ দি সিজাই খাব।

৪২৬। সোণ বৰিয়ালৰ বঙা বা বগা জাতৰ এমুঠি শিপা (২ ইঞ্চি দীঘল) ৰ ৰস, বড় গছৰ ঠাৰিৰ ৰস, যষ্ঠী মধু আৰু নাহৰ ফুলৰ কেশৰৰ ৰস প্ৰায় ১০ গ্ৰাম লৈ সকলোকে মিহলাই সামান্য এৰাঁ গাখীৰেৰে মোজোল আৰু চেনি লৈ দিনে এবাৰকৈ খাব। ৰাতি খোৱাৰ পাছত তিনিদিন খাব।

৪২৭। কল গছৰ এটা কেচু আৰু জোনাকী পৰুৱা এটা মালভোগ কলত ভৰাই খাব লাগে।

৪২৮। ছাগলীৰ কণী বা আণ্ডা দুটা প্ৰায় আধা লিটাৰ গাখীৰত উতলাই সামান্য চেনি মিহলাই খাব। তিনিদিন খাব।

ল'ৰা জন্ম হৈ মৰি থাকিলে ঃ

৪২৯। নৰসিংহ গছৰ পূব ফালৰ ছাল আৰু পাত আৰু শিপা অলপ।

খেতৰ তাবিজ ঃ

৪৩০। আকণৰ আগ ৩ টা, বিয়নী সাবটা বনৰ পূব ফালৰ শিপা ৩ ডোখৰ, তিতা ভেকুৰীৰ পূবৰ শিপা ৩ ডোখৰ, কলডিলৰ সৰি পৰা ফুল ৩ ডোখৰ, এইবিলাক গোটেই তাবিজত পিন্ধিব লাগে।

গা চলাৰ দৰৱ ঃ

৪৩১। ডালিমৰ পাত ন খিলা, মিঠা ডালিম, বেলপাত ন খিলা, ভলুকা বাঁহৰ পুৰি ১৮ টা তিনিওকে খুন্দি আধাপোৱা ৰস উলিয়াই খুৱাব।

৪৩২। গাখীৰ এপোৱা, চেনি এপোৱা, উখুৱা চাউল এপোৱা, সৰু সোণ বৰিয়ালৰ শিপা এডাল, বঙা খুতৰাৰ শিপা তিনিডাল, চাউল আগদিনাই তিয়াই থ'ব। পুৱা সবাকো পিহি শুদা পেটে খাব।

ল'ৰা-ছোৱালী নহ'লে ঃ

৪৩৩। মানুহজনীক দুৱাৰ দলিত বহুৱাই মালভোগ এটা তিনিচকল কৰি, জীঁয়া এজনীৰ পিচ ডোখৰ, জেঠীৰ নেগুৰ তিনি ডোখৰ কৰি তিনি চকল কলৰ লগত একে পালিত খুৱাব। এনে ধৰণে তিনিদিন খুৱাব। খোৱাৰ আগতে ভগৱান পিৰলৈ টোপোলা বান্ধিব।

৪৩৪। তিনিটা নহৰু চোবাই প্ৰায় ২৫০ গ্ৰাম গৰুৰ গাখীৰ খাব। একেৰাহে ২০/২৫ দিন খাব।

৪৩৫। শিমলু ফুলৰ ৰস ৪০ গ্ৰাম গৰু গাখীৰ এপোৱাৰ লগত ১০ গ্ৰাম মিছিৰি মিলাই ৰাতি প্ৰহৰত খাব লাগে। এনেদৰে দ্বিতীয় মাহত দুগুণ আৰু তৃতীয় মাহত তাৰ, দুগুণ খালে বন্ধ্যা দোষ নাইকিয়া হয়।

৪৩৬। নীল আপৰাজিতাৰ শিপা ছাগলী গাখীৰ সৈতে ৰাতি খালে বন্ধ্যা নাৰী গৰ্ভৱতী হয়। এমাহমান এই দৰৱ খাব লাগে।

৪৩৭। গোলাপ ফুল তিনিপাহৰ কেশ আৰু সমপৰিমাণৰ গৰুৰ ঘিঁউৰ লগত হাতৰ তলুৱাত ভালদৰে মোহাৰি নাকেৰে শুঙিব লাগে।

৪৩৮। পনৌনুৱা শাক আৰু বেল গছৰ শিপা পিপলিৰ লগত ভাজি খাব।

৪৩৯। ৬ গ্ৰাম চফ্‌গুটি গুৰি কৰি ঘিঁউৰ লগত একেৰাহে ৩ মাহ খাব।

৪৪০। নীলা অপৰাজিতাৰ শিপা, ছাগলী গাখীৰৰ সৈতে বটি খাব।

৪৪১। কল গছত থকা কেচু এটা আৰু জোনাকী পৰুৱা এটা মালভোগ কলত সুমুৱাই খাব।

চিৰ বন্ধ্যা শান্তি ঃ

৪৪২। ঋতু কালত ছাগলীৰ গাখীৰৰ লগত কাল বৰ্ণ অপৰাজিতাৰ মূল বটি খালে গৰ্ভ হয়।

সন্তান হোৱাৰ ঃ

৪৪৩। জোনাকী পৰুৱা, কল গছৰ জেলুকিয়া কেচু মালভোগ কলৰ মাজত ভৰাই খুৱাব।

সন্তান নোহোৱাৰ ঃ

৪৪৪। বাজি ঔৰ শিপা ৩ ডাল আনি ধান সিজোৱা পানীৰে তিনি দিনৰ দিনা (ঋতু কালৰ) খুৱাব।

ঋতুকালত বেছিকৈ তেজ পৰাৰ দৰৱ ঃ

৪৪৫। এৰতি পৰিমাণ শিমলুৰ আঠাৰ গুৰি মিছিৰিৰ সৈতে খাব। তেজ পৰা গুচিব।

শক্তি বিন্দু কম হ'লে ঃ

৪৪৬। টিকনী বৰুৱাৰ আগ ৫ টা, মাহুদিৰ আগ ৫ টা, লংকা, জলকীয়া ২১ টা, জালুক ২১ টা, গৰৈ মাছৰ লগত অনুপানলৈ দৰৱ মিহিকৈ বটি খাটি ঘিঁউৰ লগত বনাই তিনি খোৱাকৈ এক সপ্তাহ খাব।

কাম শক্তি বটিকা :

৪৪৭। চেংমৰাৰ আলু, গন্ধ কলাই, এলাচি, গজ পিপলি, কৰ্পূৰ, বেলৰ ছাল, হাতী শুৰিয়া আৰু বিয়নী সাবোটা সবাবে ছাল সোণ পৰুৱা লতাৰ গুটি, জিৰা, ভুঁই কোমোৰা, শতমূল, গোক্ষুৰ, বৰিয়াল, বান্দৰ কেকোৱাৰ গুটি, জাইফল, লং, ভাঙৰ গুটি, শ্বেৰা সৰিয়হ, যঁনী প্ৰত্যেকৰে ৫ ৰতিকৈ লৈ সবাকো পানীৰে বটি ২ ৰতি পৰিমাণকৈ বড়ি বনাই কুহমীয়া গাখীৰেৰে খাব। ইয়াক খালে বুঢ়াও ডেকা হয়।

ৰতি শক্তি :

৪৪৮। যষ্টীমধু, আকণৰ মূলৰ গুৰি ২ ৰতি মৌ সানি চেলেকি খালে আৰু তাৰ লগত গৰুৰ গাখীৰ খালে ৰতি শক্তি বাঢ়ে।

৪৪৯। ময়ূৰ পাখীৰ মজ্জাভাগ গুৰৰ সৈতে বড়ি বনাই ৩ টা বড়ি ১৫ দিনৰ মূৰে মূৰে খাব লাগে। বড়ি খোৱা দিনা গৰুৰ গাখীৰৰ বাদে আন একো নেখাব।

৪৫০। অসমীয়া মালভোগ কল চাৰিটা, মালভোগ কলৰ আগলি ২ টা কলপাত স্নানৰ সময়ত তিনিদিন খাব। লগতে স্বামীৰ লগত সংগম কৰিব।

পুত্ৰ লাভ :

৪৫১। মুৰা আলু পুনঃ ঋতুকালে খালে পুত্ৰ লাভ হয়।

গৰ্ভ হোৱা :

৪৫২। শ্বেত আপৰাজিতাৰ উভৰ মূল ঋতুকালে একে ৰৰণীয়া গৰুৰ গাখীৰেৰে খালে গৰ্ভ হয়।

শক্তি বৃদ্ধি :

৪৫৩। মটৰ মাহ বটি গাখীৰেৰে খালে শক্তি বৃদ্ধি হয়।

বীৰ্য নষ্ট :

৪৫৪। নীলকণ্ঠ ফুলৰ ছাল বটি খাব।

গাখীৰ বেছি দিয়া :

৪৫৫। শালি ধানৰ পিঠা গুৰি এৰী গাখীৰেৰে খালে স্তনত দুধ হয়। বা বন কপাহীৰ শিপা বা কুঁহিয়াৰৰ মূঢ়া বটি কাজি পানীৰে খাব। দুধ বেছি হ'ব।

গৰ্ভপাত :

৪৫৬। গৰ্ভপাতৰ আশংকা থাকিলে বগা অপৰাজিতাৰ শিপা ৪ আঙুল কঁকালত বান্ধিলে গৰ্ভপাতৰ আশংকা নেথাকে।

বন্ধ্যাত্ব :

৪৫৭। গোক্ষুৰ বীজ ১০/১২ টা বটি পচতিয়াৰ ৰস ২০ গ্ৰামৰ লগত ঋতু কালত ৩ দিনৰপৰা ৭ দিনলৈকে খালে বন্ধ্যা তিৰোতাৰ গৰ্ভৱতী হয়।

৪৫৮। কল গছত থকা কেচু এটা আৰু জোনাকী পৰুৱা এটা মালভোগ কলৰ মাজত সুমুৱাই খালে গৰ্ভধাৰণ হয়।

গৰ্ভপাতৰ আশংকা :

৪৫৯। অসময়ত গৰ্ভপাতৰ আশংকা থাকিলে অপৰাজিতাৰ মূল কঁকালত বান্ধি ল'ব। আশংকা দূৰ হ'ব।

বন্ধ্যা তিৰীৰ সন্তান লাভ :

৪৬০। বন্ধ্যা নাৰীয়ে ঋতুকালত ছাগলীৰ দুগ্ধেৰে কৃষ্ণ (নীলা) অপৰাজিতাৰ মূল সেৱন কৰিলে সন্তান লাভ হয়।

গৰ্ভ ব্যাধি :

৪৬১। ঘুকুৰ চুপহিৰ আলু কাক ভাতুৰি মূল চাগলাদুৰিৰ গুটি বৰ মানিমুনি সবাকো বাটি এধাঁ গাখীৰেৰে খাব। গৰ্ভ ব্যাধি নাশ হ'ব।

শৰীৰত শক্তি বঢ়াৰ দৰৱ :

৪৬২। একপোৱা গোক্ষুৰ, এক ছটাক বুট, সাতবাৰ এক সেৰ গাখীৰত সিজাব, এইৰূপে সাতবাৰ কৰা হ'লে ৰ'দত দি শুকাব তাৰ পাছত ভালকৈ খুন্দি গুৰি কৰি কাপোৰেৰে চাকি, সমানে মিছ্ৰিৰ সৈতে আধাতোলা হিচাপে পুৰা গধূলি গৰু গাখীৰেৰে গৰম কৰি খাব। দুই সপ্তাহ খাব শক্তি হ'ব।

গা উখহাৰ দৰৱ :

৪৬৩। মাধৈ লতাৰ শিপা, বনজবা শিপা, সৰু সোণৰৰিয়াৰ শিপা, মানিমুনি, বনলতা শিপাৰ ৰস লোণ জালুক দি গৰম কৰি খাব।

সন্তানহীন ৰোগ :

৪৬৪। যষ্টীমধু আৰু নাহৰ ফুলৰ কেশৰৰ ৰস ২০ গ্ৰাম, সোণ ৰৰিয়াল ৰঙা আৰু বগা

জাতৰ এমুঠি শিপাৰ (দুই ইঞ্চি দীঘল) ৰস, বড় গছৰ থুৰিৰ (৮/১০ টাৰ) ৰস সকলোকে মিহলাই তাত সামান্য এৰাঁ গাখীৰ, মৌ জোল আৰু চেনি দি দি'ন এবাৰকৈ ৰাতি ভাত খোৱাৰ পাছত খাব লাগে। তিনি দিন খাব লাগে।

ল'ৰা-ছোৱালী হৈ নথকা হ'লে ঃ

৪৬৫। তুলসীৰ পাতৰ আগ ৫ টা, বেলপাত ৫ টা, মাগুৰ মাছ এটা জীয়াই থাকোতে পেট ফালি দৰব ভৰাই তেলত দিব। কাঁহীৰে ছাকিব। গাত সেঠা হ'লে ৩ মাহত ৫ মাহত আৰু ৭ মাহত খাব। লগতে তাবিজ ল'ব।

৪৬৬। জহা চাউলৰ ৩ পিঠি, আমৰ পাগমাৰি, আমৰ খৰিৰে, আমৰ খুন্দি ন'ন কেৰাহীত বান্ধিব।

সতী-সন্ততি নোহোৱা কৰিবলৈ ঃ

৪৬৭। সতী-সন্ততি নোহোৱা কৰিবৰ বাবে চেৰা গছৰ শিপা, এডলীয়া ঢেকীয়াৰ শিপা দুয়োকে একেলগ কৰি জালুক দি চেকি ৰস তিনি পালি তিনি দিন খাব। চুৰ নোৱাৰা হোৱাৰ পিছত খাব।

বেচুৰ দৰব ঃ

৪৬৮। মেডেলুৱাৰ গুটি, নেমুটেঙাৰ গুটি দুয়োকো শটি ঘঁহিব।

৪৬৯। চৈ, লৰ বকৰা, পুৰি ছাই কৰি ঘঁহিব। ঘঁহাৰ পূৰ্বে গা ধুই ল'ব। ১ ঘণ্টাৰ পাছত দৰব লগাব।

৪৭০। চজিনাৰ দক্ষিণ ফালৰ ছাল, কোটকৰাৰ পাত পিহি অনুমান কৰি বুঢ়মাহৰ মান নিমখ দি পাতেৰে ঘাত ৩ দিন ঘঁহিব।

৪৭১। শুকান ছাগলী গোবৰ গুড়ি কৰি তাত গুড মিহলাই অলপ গৰম কৰি ঘাত বান্ধি দিব।

৪৭২। চাণ্ডেৰী টেঙা আৰু চেনি বটি খাব।

৪৭৩। বৰ মানিমুনি, কেএৰাবনৰ গুটি, বটুক মাছৰ পেটু সবাকো বটি দিলে বেচু ভাল হয়।

৪৭৪। বঙা মাটি খচি ঘঁহিব লাগে।

৪৭৫। পিপলি গছৰ আগ কিছুমান, আগুনি পান (বনৰীয়া পান গছ) পাত কিছু মিহলাই গুৰি কৰি ঘা হোৱা ঠাইত এদিনত এবাৰকৈ কমেও ৫ দিন বান্ধি থব। দৰব ১০০ গ্ৰাম মান হ'ব লাগে।

শুকান বেচু ঃ

৪৭৬। বগা ধতুৰা পাত কিছুমান নাৰিকল তেলৰ লগত মিহলাই ১০০ গ্ৰাম পৰিমাণৰ

উৰুখেৰে বেমাৰ হোৱা ঠাইত কমেও ৫ দিন বান্ধিব লাগে।

বাটিসেৰে পালে ভাল হোৱা দৰব :

৪৭৭। কঠাল, মধুনা, চিলাৰ ঠোঁট, জামুৰ ছাল সবাকে বটি খুৱাব।

বেচুৰ দৰব :

৪৭৮। পচতিয়াৰ শিপা আৰু তাৰ পাত খুন্দি তিলৰ লগত মিহলাই খাব।

৪৭৯। নিমৰ তেলেৰে মালিচ কৰিলে বেচু ভাল হয়।

৪৮০। ২/৩ টা ধতুৰাৰ পাত খুন্দি বেচু হোৱা ঠাইত প্ৰলেপ দিব।

৪৮১। এৰাৰ পাত বেচু হোৱা ঠাইত প্ৰলেপ দিব।

৪৮২। টেঙেচি টেঙাৰ পাত খুন্দি বেচু হোৱা ঠাইত প্ৰলেপ দিব।

৪৮৩। ধতুৰা গুটি আলাদু বটি লগাব বা হস্তি পিপলি, পানিনী বাঁহ বটি বান্ধি দিব বিচু নাশ।

৪৮৪। শিলিখা চুৰুকি জেতুকাৰে বটি দিব বেচু নাশ।

৪৮৫। ভিতাকচিৰ দক্ষিণৰ ছাল নলৰ আগৰ মজ্জা (কুঁহি), আলাদু পানী লোণ বটি লেপ দিব বিচু নাশ।

৪৮৬। শিলিখা গুৰুকি জেতুকা বটি দিব বেচু নাশ।

৪৮৭। টেঙেচি টেঙা বা পাত বটি বেচু হোৱা ঠাইত লগালে ভাল হয় বা হাতী পুতৰা বটি ৰস লগালে ভাল হয়।

৪৮৮। বেচু হোৱা ঠাইত কজুৱাই নেমুৰ ৰস লগালে বেচু ভাল হয়।

৪৮৯। তিতাকচিৰ দক্ষিণৰ ছাল নল কুঁহি, আলাদু, পানী, লোণ, বটি লগাব।

৪৯০। তৰাৰ গজালি, নলৰ গজালি, দেৱা গছৰ আঠা, এবা গুটিৰ তেলত পগাই সানি দিব।

৪৯১। টেঙেৰী টেঙা আৰু চেনি বটি লগাব। নাইবা বৰ মানিমুনি কেঁএককৰ গুটি।

৪৯২। বতুক মাহৰ পেচু সবাকো বটি দিলে ভাল হয়।

৪৯৩। ধতুৰা গুটি আলাদু বটি দিব বেচু নাশ।

৪৯৪। শিলিখা গুৰি কৰি জেতুকা বটি দিব বেচু নাশ। বা ধতুৰা গুটি আৰু আলাদু বটি দিব।

৪৯৫। একে উশাহে চেংমৰা আৰু পানী কচু উঘালি আনি তাৰ শিপা এবা সূতাৰে বান্ধিব। বন্ধু একনে প্ৰশ্ন কৰিব ৩ বাৰ। কি বান্ধিছা? উঃ আমুকৰ বেচু বান্ধিছো। পিছত গছ কিজোপা নিজৰ চালৰ ওপৰত তুলি থ'ব।

নগা খী বা বেচু :

৪৯৬। বিহলঙনি পাত ৩/৪ খিলা, টোলোঠা পাত ৬/৭ খিলাৰ 'চুণ' পিহি লগাব

লাগে।

৪৯৭। খিলা লতাৰ পাত ২১ টা, নহৰু ৩ টা, মিঠিতেটি ৫০ টা, নাৰিকল তেল ১ ছটাকৰ লগত গৰম কৰি বটলত ভৰাই থৈ হাঁহৰ পাখীৰে ঘাঁত লগাব।

৪৯৮। কুমলীয়া কেচকৰা পাত ১ মুঠি, আৰৈ চাউল তিয়াই দুবৰি বনৰ আগ, এৰা পাতৰ কোঁহ বাটি বান্ধি দিব লাগে।

৪৯৯। বাত গমালী এজোপা, বাতিপুৱাই তুলি আনি জুইৰ ওপৰত বা শুকুৱাই ওপৰত বান্ধি তিনিটা গাঁঠি দিব লাগে, ভাল হ'ব।

৫০০। মঁহৰ শিঙৰ কলি পুৰি আৰু বাত মাছৰ পেটু পুৰি নাৰিকল তেলে সৈতে সানিব।

৫০১। বেছু হোৱা ঠাইত কাটা থুতুৰা পুলি ৰস সানিব লাগে। লগতে নাৰিকল তেল লগাব লাগে। প্ৰতিদিনে ৩/৪ লিটাৰ ঠাণ্ডা পানী খাব লাগে।

৫০২। মৰা মকৰা ৩ টা, তামোলৰ চোৰা ৩ টা, তেল পুৰি দিব।

আহোমৰ কোঁহোৰাৰ দৰৱ :

৫০৩। বন কপাহৰ ফুল, তিতা কেৰেলাৰ শিপা ৩ পালি দিলে ভাল হয়।

বলিয়া মানুহৰ ঔষধ বা উন্মাদ ৰোগৰ দৰৱ :

৫০৪। ৰোগীৰ গাৰ কাপোৰ পুৰি ছাই ল'ব। আকণৰ আঠা, বলিয়া শিলৰ পানী সবাকো পগাই খুৱাব আৰু মূৰত ভৰাল দিব।

৫০৫। সৰ্পগন্ধাৰ শিপাৰ চূৰ্ণ, ২০ গ্ৰামকৈ, বাতিপুৱা, দুপৰীয়া আৰু ৰাতি আহাৰৰ আধা ঘন্টাৰ পিছত খাব।

৫০৬। পুৰণি কোমোৰাৰ গুটিৰ শাহ, মিহিকৈ বাটি মৌ দি ৩ দিন খাব।

৫০৭। পাখী নগজা ঘৰচিৰিকা চৰাইৰ মাংস শুকুৱাই ভালদৰে গুড়ি কৰিব। সেই গুড়ি গাখীৰৰ লগত বাটি খাব।

৫০৮। ব্ৰাহ্মীশাক, কোমোৰা আৰু কচ ইয়াৰ ৰস আৰু কুঁহুৰ গুড়ি মৌ মাৰি খালে সকলো প্ৰকাৰৰ পগলা ভাল হয়।

৫০৯। কুলি চৰাইৰ মঙহ খুৱাই ৰোগীক বতাহ নলগা ঘৰত ভৰাই থব। নজগাৰ সাৰ পাই উঠিলে স্মৃতিভ্ৰংশ আৰু মনৰ বিকাৰ গুচি গাত তত্ আহিব।

৫১০। ভেটাই তিতাৰ আগ এতোলা আৰু মানুহৰ পিয়াহ এতোলা বাটি পুৱা খালে ভাল হয়।

৫১১। পানী হিজলাৰ আগ সাতোটা মানুহৰ পিয়াহ আৰু একেৰবৰণীয়া ছাগলীৰ গাখীৰেৰে পগাই খালে ভাল হ'ব।

৫১২। ডালৰ ৰস, বঁহাৰ ৰস, অলপ মৌ দি খালে পগলা ৰোগ গুচে।

অণ্ডকোষ বঢ়াৰ দৰৱ :

৫১৩। আঠিয়া কলৰ শিপা গৰুৰ গাখীৰৰ সৈতে এসপ্তাহ খালে ভাল হ'ব।

৫১৪। চত্তিনাৰ ছাল পানীত তিয়াই ভালদৰে খুন্দি কিছু সময় প্ৰলেপ দিব। শিৰাৰোগ আৰোগ্য হ'ব।

৫১৫। আমৌ লতাৰ ৰস ২০ গ্ৰাম মৌজোলৰ লগত একেলগে ১০/১২ দিন দিনে এবাৰকৈ খুৱাব।

৫১৬। বট গছৰ শিপা আৰু সৰিয়হ বটি লগাব।

৫১৭। কদম গছৰ পুৰ ফালৰ ছাল খুন্দি লগাব।

৫১৮। ক'লা ধপাত পানীত তিয়াই শিৰা ৰোগত কিছু সময় প্ৰলেপ দিব।

৫১৯। ছতিয়না গছৰ গুটি আৰু আদা ভালদৰে পিহি এই ৰোগত এক ডেৰ ঘণ্টা প্ৰলেপ দিব।

কুকুৰী কণাৰ দৰৱ :

৫২০। ফাসবাকাৰ জোল চকুত এসপ্তাহ দিলে ভাল হয়।

৫২১। চত্তিনাৰ পাত আৰু ফুল প্ৰায় ৩০০ গ্ৰাম সৰু মাছৰ ২৫০ গ্ৰামৰ লগত জুলীয়া তৰকাৰী কৰি দিনে দুবাৰকৈ ভাতৰ লগত একেৰাহে এমাহ খাব।

৫২২। মোৱা মাছ পাতত দি এমাহ খুৱালে ভাল হয়। ১০/১১ টা মান হ'লে ভাল।

৫২৩। মালভোগ কলৰ মাতত জোনাকী পৰুৱাৰ উজ্জ্বল ভাগ ভৰাই খুৱালে ভাল হয়।

৫২৪। শতমূলৰ পাত ঘিউত ভাজি খাব।

৫২৫। মচুৰ দাইল ১০০ গ্ৰাম ঘিউত ভাজি খাব।

৫২৬। মহাভৃংগৰাজৰ পাত মাছৰ কণীৰ লগত ভাজি খাব।

৫২৭। চত্তিনাৰ পাত আৰু ফুল ৩০০ গ্ৰামকৈ, লগত সৰু বিধৰ মাছ যেনে - পুঠি বা ডৰিকনা ২৫০ গ্ৰামৰ সৈতে দিনে দুবাৰকৈ এমাহ খাব। সম্পূৰ্ণ ভাল হ'ব।

৫২৮। জেতুকাৰ পাতৰ ৰস হাত, ভৰি, তলুৱা আৰু মুখত লগালে চকু ভাল থাকে।

৫২৯। ত্ৰিফলা চূৰ্ণ, মৌ বা ঘিউৰ লগত ভাজি খালে ভাল ফল পোৱা যায়।

৫৩০। জিকাৰ ফুল আৰু মৌ খালে কুকুৰী কণা ভাল হয়।

৫৩১। গধূলি পৰত পুৰণা ঘিউ তালুত আৰু চকুত ২/৪ দিন দিলে চকু ভাল হয়।

অৰুচিৰ দৰৱ :

৫৩২। নাগ কেশৰ, সোলেং টেঙাৰ ৰস মধু, সৰুক লোণ সমে মুখত লৈ দুই দণ্ড সময় থাকিব। অৰুচি নষ্ট হ'ব।

৫৩৩। দালচেনি, ইলাচি, মুতাৰ মূল, ধনিয়া গুটি চাৰিওকে চূৰ্ণ কৰিব। বাত্তিপুৱা মুখত লৈ ৰস চুহিব। ভাল হ'ব।

৫৩৪। কলডিল মছলা নিদিয়াকৈ সিজাই খাব লাগে। অৰুচি ভাগে।

৫৩৫। বচুন আৰু আদা খালে ভাল হয়। চেনিচম্পা ক'ল ৩ টা খাব।

৫৩৬। ৩ টা জালুক পিহি সামান্য নিমখৰ সৈতে এদিনত ৩ বাৰ খালে ভাল হয়।

৫৩৭। মানকচুৰ পাতত অলপ মিঠাতেল লৈ ধানখেৰৰ জুইৰ ওপৰত সেকি সেই তেল জিভাত সানিলে অৰুচি গুছে।

উদৰ বা আম্ভোক :

৫৩৮। বগা কেহঁৰাজ (মহাভৃংগৰাজ) ৰ শিপাৰপৰা প্ৰায় ২০০ গ্ৰাম ৰস উলিয়াই ৩ পালি কৰি ৩ দিন একেবাহে খাব। আহাৰ খোৱাৰ আগতে এই দৰব খাব লাগে।

৫৩৯। দ্ৰোণ বন এমুঠি পাতত দি বা আজ্ঞা কৰি খাব। দিনে ২ বাৰ খাব।

৫৪০। মূলা কেঁচা পাতৰ ৰস ২৫ গ্ৰাম খালে উপকাৰ পোৱা যায়।

৫৪১। পদিনাৰ ৰস মৌৰ লগত মিহলাই খালে ভাল হয়। ত্ৰিফলা গৰম পানীত মিহলাই কিছুদিন খালে ভাল হয়।

৫৪২। ডালিম-ক'লা নিমখ আৰু মৌ জোল মিলাই কিছু সময় মুখত ৰাখিব। অৰুচি ভাল হ'ব।

জিভাৰ ঘাঁৰ দৰব ও জিভাৰ দৰব :

৫৪৩। সুৰগা, অমৰা গুটি, শিলিখা, নীলকণ্ঠ সবাকো বটি ঘাঁত লগাব।

ওঁঠ লুৰি ব্যাধিৰ দৰব :

৫৪৪। নেলুকাৰ ছাল, জলকীয়া, ক'লা হালধি, বিহাৰ মূল সবকো বটি লিপি দিব।

জিভা বেথৰ দৰব :

৫৪৫। অমৰাৰ পকা পাত ঘৃতৰ সৈতে বটি দিব।

৫৪৬। সৰু কেচুৱাৰ জিভা ভেকুৰা (জ্বৰ হ'লে বা পানী শৌচ হ'লে)

৫৪৭। মালভোগ কলৰ নতুবা চেনিকলৰ গছৰপৰা সৰু সৰু কেচু ৫/৩ টা লৈ চামুচত লৈ পিহি ৰস তিনি পালি খুৱালে ভাল হয়।

জিভাৰ বেঠ :

৫৪৮। জলকীয়া খালে ভাল বা পিৰালিত গজা ফুল জিভাত সানি দিব লাগে বা জেতুলী পকা দিব লাগে। এৰি লেটা ভাঙি কেঁচুৱাৰ জিভাত দিলে জিভা বেঠ ভাল হয়।

৫৪৯। গৰুখীচ্ পকা পালে কেঁচুৱাৰ জিভাত ভাঙি দিব। যদি পকা নেপায়, তেতিয়া গছ জোপা উবালি আনি ৰস উলিয়াই জিভাত দিলে ভাল হ'ব।

৫৫০। শোহনি বনৰ ৪/৫ টা ফুলৰ থোপা খুন্দি জিভাত সানিব লাগে।

জিভাৰ ঘাঁ :

৫৫১। কুটুকা গছৰ পকা গুটি, জিভাত সানিব বা জলকীয়া পিহি দিব।

মুখত ঘাঁ হ'লে :

৫৫২। ১ লিটাৰ পানীত ৩/৪ টা কদমৰ ফুল সিজাই ৰাতিপুৱা আৰু ৰাতি শোৱা পূৰ্বে ভালদৰে মুখ কুলকুলিয়াব।

৫৫৩। বহেৰ মাহৰ কেঁচা পাত কেইখনমান চোবাই খালেই জিভাৰ ঘাঁ ভাল হয়।

৫৫৪। বকুল গছৰ ছালৰ ৰসৰে মুখ ধুলে জিভাৰ ঘাঁ ভাল হয়।

৫৫৫। তহনি কনৰ ফুল আৰু পাত চোবাই খালে জিভাৰ ঘাঁ ভাল হয়।

৫৫৬। মধুৰী গছৰ কুঁহিপাতৰ আগ তিনিটা পিহি জিভাত লগালে জিভাত হোৱা কোঁহা সোনকালে লাল হয়।

৫৫৭। আহত গছৰ ছালৰ ৰসত মৌ মিলাই মুখ কুলকুলিয়ালে জিভাত হোৱা ঘাঁ ভাল হয়।

৫৫৮। মান কচুৰ শিপা জুইত পুৰি ছাই কৰি মৌৰ লগত মিহলি কৰি জিভাত সানিব লাগে।

৫৫৯। কুটুকা গছৰ পকা গুটি জিভাত সানিব।

৫৬০। অনন্ত মূলৰ বল ভেড়া ছাগলীৰ গাখীৰৰ লগত জিভাত লগাব লাগে।

দুদ বেঁঠৰ দৰৱ :

৫৬১। তিতা কেৰেলাৰ আগ, দুবৰিৰ আগ, ৰবংগাৰ ছাল, ৰবছৰ মূল, দুপৰীয়া এবা, আলুক সবাকে পগাই খুৱাব।

৫৬২। কঁপৌ ঢেকীয়াৰ পাত খুন্দি মিহিকৈ মাকৰ গাখীৰেৰে তালুত ভৰণ দিলে দুদমোৰ ভাল হয়।

কেঁচুৱা ল'ৰাৰ দুধমোৰ :

৫৬৩। মাক বাপেকে থিয় হৈ সাত খিলা কঠাল পাত বাজিছো বুলি ক'ব। মাকে সুধিব কি বাজিছা? বাপেকে ক'ব শ্ৰী - অমুকাৰ দুধমোৰ ওকালি মোৰ বাজিছো। সাত বাৰ ক'ব।

নাকৰ তেজ বন্ধ হোৱা দৰৱ :

৫৬৪। আমলখি ঘিউত ভাজি ভালকৈ বাটি গৰম দিব।

নাসিক ৰোগ (নাকেদি পূঁজ ওলাই :

৫৬৫। বনসতৰ মূল মিহি কৰি বাটি ক'লা গৰুৰ মুতেৰে খাব।

চাইনা চাইটিছ :

৫৬৬। লাই জাবৰি এমুঠি পাতত দি তাৰ ভাপেৰে পৰয়ে পৰয়ে নাকত উজালে চাইনা চাইটিছ ভাল হয়।

চাইনা চাইটিছৰ দৰৱ :

৫৬৭। ৰঙা জিলিমিলি শাকৰ পাতৰ ৰস নাকত দুটোপালকৈ ৰাতিপুৱা সাঁতদিন দিব। চাইনা চাইটিছ ভাল হ'ব।

নাকৰ ভিতৰত হোৱা টেমুনা :

৫৬৮। দ্ৰোণ ফলৰ ৰস ৩/৪ টোপাল নাকেৰে অতি ওপৰলৈ উজাব লাগে, যাইকী বেলি পকাৰ আদুৰ ৰস ১০ গ্ৰাম উলিয়াই সামান্য কঁণা ধপাতৰ ৰস মিশ্ৰণ কৰি নাকেৰে উজাব। একেৰাহে তিনিদিন কৰিব।

পালিপাচ :

৫৬৯। মিঠাতেলত নিমখ দি কপাহেৰে পালি পাচত কমেও দহদিন লগাব।

নাকেদি তেজ অহা দৰৱ :

৫৭০। ডালিম ফুলৰ ৰস নাকেদি উজাব।

নাকৰ ঘাঁ :

৫৭১। হালধি গোৰা ছাই নাকৰ ঘাঁৰ মহৌষধ।

প্ৰস্ৰাৱ কমাৰ দৰৱ :

৫৭২। আমলখিৰ কেঁচা ৰস দৈনিক চাৰি তোলাকৈ খালে ভাল হয়।

৫৭৩। আমলখি বটি নাইৰ চাৰিওফালে ঘঁহি দিলে প্ৰস্ৰাৱ ৰোগ কমে।

প্ৰস্ৰাৱ বন্ধ হোৱাৰ দৰৱ :

৫৭৪। দুখিলা দুপৰীয়া টেঙাৰ পাত খুন্দি তাৰ ৰস উলিয়াই সামান্য ঠাণ্ডা পানী মিশ্ৰণ কৰি দিনে দুবাৰকৈ খালে ভাল হয়।

মোৰৰ দৰৱ :

৫৭৫। মৰাপ আদা, আলুক, শিলিখা তিনিটা, নেমুটেঙা এফুটা, ৰ'খাৰ সবাকো খুন্দি মিহি কৰি বটি দুই টকা মান পানী দি সবাকো মিশ্ৰণ কৰি লোণ দি তপতাই ছাকি খাব।

৫৭৬। নীলকণ্ঠ মূল, দুবৰি বন সবাকে বটি আধাসেৰ গৰুৰ দুগ্ধ মিহলি কৰি খালে ভাল হ'ব।

৫৭৭। বগা নহৰু, বচৰ আলু খুন্দি খাব মোৰ নাশ হ'ব।

৫৭৮। বচ গছৰ আলু আৰু বগা নহৰু এটা একেলগে খুন্দি খাব।

৫৭৯। ৰঙা এৰাৰ পাত খুন্দি অলপ খুৱাব লাগে আৰু তাৰ ৰসেৰে মূৰৰপৰা ভৰিলৈ মালিচ কৰিব লাগে।

৫৮০। ইৰিকৰ মূল বটি পানী দি খাব। ইৰিকৰ মূল ৰোগীৰ চকুৰ আগত নচুৱাব।

৫৮১। ভেটাই গছৰ ক্বাথ খালে মোৰ ভাল হয়।

৫৮২। পানৰ ৰস, আদাৰ ৰস আৰু নহৰু অলপ লোণ দি পগাই খাব।

৫৮৩। কল্পনাথ তিতাৰ পাত, চোলাগুটিয়া বনৰ শিপা আৰু ওক, ভেদালী লতা, চৈ, সবাৰো ক্বাথ খালে মোৰ ভাল হয়।

৫৮৪। তিতা ভেকুৰীৰ শিপা, জাপৰি বাঘিনীৰ গুটি, ছাগলাদুৰীৰ শিপা, শিলিখা, যঁখাৰ, নেমুটেঙা পুৰি কুঁহিয়াৰ ৰস, আদা, জালুক, লোণ দি বটি খাব।

৫৮৫। কণিবিহৰ গুটি একৰতি, বোকবল একৰতি, গৰুৰ মুতত পেলাই থৈ শুকাই ল'ব। আকণ, বিহ্নীৰ শিপা, মৰাণ আদা, কেঁহাৰাজ, গুণৰাজ সবাকে বটি খাব।

মোৰৰ দৰৱ ঃ

৫৮৬। মনিছাল, লেটাগুটি, বগা লাৰমণি তিনিওকো বটি খুৱাব। মোৰ নাশ হ'ব। অথবা বগা নহৰু আৰু বচ গছৰ আলুৰ লগত মিলাই খুন্দি খাব লাগে।

৫৮৭। ৰঙা এৰাৰ পাত খুন্দি খোৱাৰ আগতে তাৰ ৰসেৰে মূৰত মালিচ কৰিব লাগে।

৫৮৮। অকণ বিহ্নি মূল হাতত বান্ধি দিলে মোৰ নাশ হয়।

৫৮৯। নুনি সিকাৰ ৰস, আঠিয়া পচলাৰ পানী, জালুক ১৯ টা পিপলি দি পগাই খালে হালধীয়া মোৰ নাশ হয়।

জেঠী মোৰৰ দৰৱ ঃ

৫৯০। কপালফুটাৰ আগ, কোৰা মণিৰ শিপা, মচন্দৰাৰ শিপা, মচন্দৰীৰ শিপা, সৰু মানিমুনি সবাকে খুৱাব।

মোৰ (বমি, শৌচ হয়) ঃ

৫৯১। এডলীয়া টেঁকীয়াৰ শিপা, গুল মৰিচ ৭ টা, গৰুৰ বিহুৰ দিনা তুলিব। সকলোকে পিহি গৰম কৰি ছাকি খাব লাগে। লগে লগে ব্যৱহাৰ কৰিব লাগে।

৫৯২। এৰা পুলি ৯/১০ টা আনি খুন্দিব। গুৰিৰ ফাল আৰু পানীৰ লগত মিলাই ছাকিব। নিমখ দি গৰম কৰি খাব। বমি বন্ধ হ'ব।

বক্ত মোৰৰ দৰৱ ঃ

৫৯৩। তুলসীৰ পাত, আৰৈ চাউল ৩ টা, গোবৰ অলপ, মইনা লতাৰ পাত ১ খিলা,

বন তুলসীৰ শিপা ৩ টা, বগা পদুমৰ শিপা ৩ টা, সকলো খুন্দি খুৱাব।

বলিয়া শিয়ালে খোৱা দৰৱ :

৫৯৪। গোবৰৰ গেৰেকনীৰ কচু, কুমটি আনি কাটিব। মালভোগ কল এটা পাঁচ খণ্ডতে উক্ত দৰৱ সুমুৱাই আগৰ আগ পাছৰ পাছ কৰি খুৱাব।

৫৯৫। কুঁজি ঠেকেৰাৰ গুটি ৭ টা, জিকা গুটি এটা সবাকে বটি সবাকে সাত ভাগ কৰি এভাগ খাব। অলপ পাছত আনভাগ খাব। এইদৰে খাব।

বলিয়া কুকুৰে খোৱা দৰৱ :

৫৯৬। ধতুৰা ফুলৰ ৰস, গাখীৰ, গুৰ, ঘৃত সমে খাব।

৫৯৭। কণা হাঁহৰ লাড়, মালভোগ কলৰ ক্ষাৰৰ সমে দুয়োকে দিলে ভাল হয়।

৫৯৮। কণি বিহৰ দক্ষিণৰ ফালৰ শিপা, কেএরা আঙুলিৰ ছাল খুন্দি দুখোৱাক পানী দুচামুচৰ লগত, সিতা পেলাই দি শুদা পেটত খাব। দিনে ১ বাৰ দুই/তিনিদিন, বলিয়া হ'লে ৪/৫দিন খুৱাব। খোৱাৰ ৩/৪ দিনৰ ভিতৰত কামত আহে। অপথ্য- মদ একেবাৰে নিষেধ।

৫৯৯। বেটৰ শিপা পূব ফালৰ ১০০ গ্ৰামমান খুন্দি আধা পোৱা পানীত ঘুলি ছাকি লৈ একে বৰণীয়া গৰুৰ গাখীৰ আধা পোৱাৰ সৈতে মিহলি কৰি বাতিপুৱা খালী পেটত খাব। সৌকা বেটৰ হ'লে ভাল হয়। কুকুৰে কামোৰা ৭ দিনলৈকে কাম কৰে।

৬০০। কুকুৰ মাখি এটা জীয়াকৈ ধৰি আনি শনি বা মংগলবাৰে কলৰ ভিতৰত ভৰাই বাতিপুৱা খালী পেটত খাব।

৬০১। টংলতি গছৰ পূব ফালৰ শিপা ৩ ডাল, ৭ আঙুল পৰিমাণে লৈ খুন্দি আধা পোৱামান গাখীৰ ঘুলি ছাকি পুৰণি গুৰৰ সৈতে মিহলাই খুৱাব লাগে। পগলা আৰম্ভণি হওঁতে এই ঔষধ খুৱাব লাগে।

৬০২। একে বৰণীয়া গৰুৰ গাখীৰ ১ পোৱা, ধতুৰা শিপা ৭ ডাল বটি খোৱাৰ আগতে একেলগে খুৱাব।

৬০৩। তেজমুৱি গছৰ ছাল খুন্দি জালুক দি বান্ধি দিব। তিনিপালি।

৬০৪। বলিয়া কুকুৰে খোৱা মানুহক ককিলা ডাৰ পাঁচি তালুত হিংগৰ ফোট দিব চুৰবী পহৰ খুৰা বনিয়া হিং তিনিওকো পিহি কপালত ফোট দিব। পাচে সি নেদেখাকৈ আপোনাৰ পাছফালে জাতি চন্দন এভুৰাৰ লাই জাবৰিবে মোহাৰি সুদা হাতৰ তলুৱা সাতবাৰ দেখুৱাব। এতেকে জাই উঠে। নিমতিতাৰ ৰস মন্ত্ৰাৰে ৰোগীৰ গালে ছটিয়াব। জাই মৰে। পাছে কুঁজি থেকেৰা টেঙা গাখীৰ তিয়ঁহৰ বাকলি মিহলাই খুৱাব শুচে। যদি কিছু থাকে বিহত মৰা মাছ আনি শুকান খৰিচাৰে খুৱাব।

৬০৫। কুকুৰ সুতাৰ আগপাত গুটি লোণ আলুক দি বাত মাছেৰে বান্ধি খাব। বলিয়া কুকুৰে খোৱা বিষ মৰে আৰু মৰে।

৬০৬। ধতুৰা শিপাৰ ৰস গৰু খিউ আৰু একে ৰৰণীয়া গৰুৰ গাখীৰেৰে খালে ভাল হয়।

৬০৭। কুকুৰ সুতাৰ আগ, পাত, গুটি, লোণ আলুক দি বাত মাছেৰে বান্ধি খাব। বলিয়া কুকুৰে খোৱা বিষ নষ্ট হয় আৰু মৰে।

৬০৮। কণক ধতুৰাৰ পাতৰ ৰস ২৫ গ্ৰাম সমান পৰিমাণৰ এৰাঁ গাখীৰৰ লগত গুণ আৰু গৰু খিউৰ লগত একেৰাহে ৩ দিন খাব লাগে। বগা আকন্দৰ শিপা আঢ়ৈ ইঞ্চি ৩/৪ টা আলুকৰ লগত খুন্দি খাব।

বলিয়া জীব-জন্তুৱে কামুৰিলে :

৬০৯। বগা আকন্দৰ শিপা ২ ইঞ্চি, ৩/৪ টা আলুকৰ লগত খুন্দি খালেও বিষ কমে।

বা সূৰ্যকান্তি আলু, কণী বিহঁৰ গুটি ও পাত মিলাই খুন্দি এৰাঁ কৰি খুৱাব। ৰবাব লাড খোৱা মাছ সমান জোখত লৈ বুটমাহ মান বৰি কৰি ৰোগীক খুৱাব। প্ৰথমে ওপৰৰ দৰৱ খুৱাব। আহাৰ চিৰা, গাখীৰ, চেনি ইত্যাদি খুৱাব।

বা লেটা গুটি আগৰ ৰস, মৰাপ আদা বটি খাব। ভাল হ'ব।

পকক বলিয়া কুকুৰে খালে :

৬১০। ম'ৰা চৰাইৰ মাল, বিৰাগীৰ গুটি মিহলাই খুৱাব আৰু গাতো ঘঁহি দিব ভাল হয়।

সৰ্পৰ বিষ নাশ :

৬১১। কণীবিহৰ মূল মৰা কাহৰ পিত ঘাত দিব সৰ্পৰ বিষ নাশ হ'ব।

কাঁহ পিত্তৰ দৰৱ :

৬১২। আমলখিৰ লগত নিমপাত খালে কাঁহ পিত্ত ভাল হয়।

অম্ল পিত্তৰ দৰৱ :

৬১৩। ভাত খাই উঠিয়েই চূণৰ নিৰ্মল পানী খাব লাগে।

৬১৪। অৰ্জুন গছৰ কেঁচা ছাল খুন্দি ৰস তিনি পোৱা উলিয়াই কাপোৰেৰে ছাকি তাত ১ চটাক মিছিৰি খুন্দি দি মিহলাই বটলত ভৰাই প্ৰতিদিনে তোলা কৰি খদা পেটত খাব।

৬১৫। শুকান পিপলি এটা, এক বোৰাক ভাজৰ পিপলি ৪ ভাগ, সৈন্ধৱ লোণ বুটমাহৰ আধা খুন্দি বড়ি কৰি খোৱাৰ পাছত খাব।

পিত্ত গৰম বা ঠাণ্ডা হোৱাৰ দৰৱ :

৬১৬। শুকান আমলখি গৰমৰ দিনত চৰবত কৰি খালে শৰীৰ শীতল হয়।

পিত্ত কামোৰণিৰ দৰব :

৬১৭। ৰৌ মাছৰ পিত, টংলতিৰ শিপা, মেচাকি ফুলৰ শিপা, পানৰ পিপলি, অৰ্চুনী পানৰ পিপলি, ইলাচী, বাইলং, একত্ৰ কৰি চুণাত সিজাই ৰস খাব। ভাল হ'ব।

পিত্তৰ দৰব :

৬১৮। কলীয়া হালধিৰ ৰস, শিলিখাৰ ৰস, ক'লা গৰুৰ মুতসহ মিহলাই দুবাৰকৈ খাব।

৬১৯। ধনিয়া, আমলখি, বাহক মিচিমি পানীত তিয়াই থৈ ৪ পালি খাব।

৬২০। বাহকৰ পাত জুইত সেকি ৰস উলিয়াই মধু চেনিসহ খাব।

৬২১। অমৰ লতা, শতপী লতা, অলস লতাৰ ৰস খাব। পিত্ত ভাল হ'ব।

৬২২। নৰসিংহৰ কেঁচা পাতৰ পিত্ত ভাল কৰে।

৬২৩। অৰ্জুন গছৰ ছালৰ ৰসে পিত্ত ভাল কৰে।

৬২৪। পটলৰ পাত শুকাই, গুৰি এলাদ্ধ খাবলি, পটলৰ পাতৰ গুড়িৰ ধৰি আকাৰৰ কৰি বৰিটো চোবাই খাই এতোলা পৰিমাণৰ খাবলি খাই দিব। দুদিন খাব।

৬২৫। আমলখি ৪ টা, ভোমোৰা গুটি ৪ টা একেলগে খুন্দি পাউদাৰ কৰি খাব।

৬২৬। আমলখি ১টা খুন্দি তাৰ অৰ্দ্ধমান মৌৰ লগত খালে ভাল হয়।

৬২৭। সৰু মানিমুনি দৈনিক খুন্দি ২ চামুচকৈ খাব। ভাল হ'ব।

৬২৮। ৰৌ পিত, বেটি বা মছুৰা সাপৰ পিত, জাইফল, এলাচি, লং, ধান গুটি, (জিৰা আৰু ধনীয়া বাদ) পিপলি, আদি কৰি সকলো মহলা ল'ব। মহানিমৰ পাত, পানৰ পিপলি, টেকেলা গছৰ কুঁহি কুঁহি আগ এমুঠি পাতত দি লৈ বাকী ঔষধৰ সৈতে বড়ি কৰিব। দিনে তিনিটাকৈ খাব নাশ হ'ব।

৬২৯। ভেকুৰিৰ শিপা, হিং, লোণ, জালুক খুন্দি গৰম কৰি খাব। ঐ কলিয়া হালধি, শিলিখা, ক'লা গৰুৰ মুত সৰাবো ৰস ২ তোলা হিচাপে দুইবেলা কৰি ৭ দিন খাব।

৬৩০। শুকান নেমুটেঙা, ব'খাৰ সৈন্ধৱ লোণ।

৬৩১। মৰা পাটৰ কুমলীয়া শাক, মিছিৰি, চেনি ১০০/২০০ গ্ৰাম, ২৫০ গ্ৰাম গৰুৰ গাখীৰ একেলগে মিহলাই গৰম কৰি তাৰ মিশ্ৰিত গাখীৰ পানী দিনত একবাৰকৈ কমেও তিনিদিন খাব।

৬৩২। ভেকুৰিৰ শিপা ১০০ গ্ৰাম খুন্দি তাত আন্দাজ মতে লোণ, জালুক দি গৰম কৰি আহাৰ খোৱাৰ আগত দিনে দুবাৰকৈ একেবাৰে তিনিদিন খাব। নাইবা ওপৰৰ(৬৪০) পেটৰ ঘাৰ দৰবটো খাব লাগে।

গেষ্ট্ৰিক :

৬৩৩। শিলিখা গুটি, মহানিমৰ পাত লংগুটি, জাই গুটি, দালচেনি পানীত সিজাই ৫

লিটাৰ পানী প্ৰায় তিনি লিটাৰ জোখৰ লৈ বং উঠিলে বটলত ভৰাব। ৩ পোৱা ধৰা বটলত ভৰাই তিনিদিন ২ বাৰকৈ খাব। ভাত খোৱাৰ আগে আগে খাব।

৬৩৪। কোমোৰা গুটি, আমলখি, শিলিখা একেলগে পিহি বৰি কৰি বনাই খোৱাৰ আগত এসপ্তাহ খাব।

৬৩৫। জ্বম লাখুটিৰ আলু, আৰু ডাঙৰ আগ তিনিটা লগত খুন্দি গাখীৰৰ লগত সিজাই খাব।

৬৩৬। ভেকুৰিৰ শিপা, জালুক, নিমখ দি এমাহ একেৰাহে খাব।

অম্ল পিত্ত ঃ

৬৩৭। কেঁচা হালধি ১০০ গ্ৰাম ভালকৈ ধুই খুন্দি তাৰ ৰস উলিয়াই চেনি আৰু অলপ পানী দি দিনে তিনিপালিকৈ খাব লাগে। ভাত খোৱাৰ ১০ মিনিট আগতে এক সপ্তাহ খাব।

পাথৰী ৰোগ ঃ

৬৩৮। দুপৰীয়া টেঙাৰ দুখন পুৰঠ পাত খুন্দি ৰস বাহিৰ কৰি দিনে ২ বাৰকৈ আহাৰ খোৱাৰ ২ ঘণ্টাৰ পাছত একেৰাহে এসপ্তাহ খালে পাথৰী ৰোগ ভাল হয়।

পেটৰ ঘা ঃ

৬৩৯। দহঁচিয়া ২ টা, অমিতা টুকুৰা টুকুৰ কৰি কাটি তেল, নিমখ আৰু মচলা নিদিয়াকৈ তৰকাৰী কৰি ৰাতিপুৱা আহাৰৰ লগত খাব। একেৰাহে ১৫/২০ দিন খাব নাইবা ৰাতিপুৱা শিলিখা ৰস খাব।

ৰক্ত পিত্ত ঃ

৬৪০। বিশল্যকথৰণীৰ পাত ৮/১০ খিলা খুন্দি তাৰ ৰস উলিয়াই সামান্য পানী মিহলাই খালে ভাল হয়। নাইবা পিপলি গুড়া, বাসক ছালৰ লগত মৌ মিহলাই খালে উপকাৰ পোৱা যায়।

৬৪১। পিপলি আধা তোলা ৫/৬ দিন মধুৰ লগত খাব।

পাকস্থলীৰ ঘাঁ ঃ

৬৪২। নহৰু ৰস ১০ গ্ৰামত সামান্য পানী মিহলি কৰি একেৰাহে এক পষেক খালে এই ৰোগ ভাল হয়।

৬৪৩। ২ চামুচ আমলখিৰ ৰসৰ লগত এক চামুচ মৌ মিহলাই পুৱা একেৰাহে ১০/১৫ দিন খালে ভাল হয়।

৬৪৪। ঘেঁহুৰ পাত আৰু ঠাবি খুন্দি তাৰ ৰস এগিলাচকৈ বটি ৰাতিপুৱা খাব লাগে।

৬৪৫। এক চামুচ গাজৰৰ ৰস, এক চামুচ আমলখিৰ ৰস, দুই চামুচ মৌ মিহলি কৰি

পুৰা খালে এই ৰোগ নাশ হয়।

৬৪৬। মিঠা পকা আমৰ ৰস উলিয়াই চাকি খাব লাগে।

৬৪৭। অমিতাৰ আঞ্জা মচলা নোহোৱাকৈ ৩০ দিন খালে ভাল হয়।

৬৪৮। কেঁচা কল, হালধিৰ ৰস পুৰা-গধূলি ১০০ গ্ৰামকৈ খাব লাগে।

গেষ্ট্ৰিক আলচাৰ :

৬৪৯। শেৱালী গছৰ পাতৰ গুৰি ১ কাপ বৌ মাছৰ পিত সৰু হ'লে এটা আৰু জালুকৰ গুড়ি চাহ চামুচেৰে ১ চামুচ, নিমখ আৰু পানী আন্দাজমতে দিব। সবাকে মিলাই পুনৰ পিহি বড়ি কৰিব বঙালী বগৰীৰ সমানকৈ। ৰ'দত শুকাই বটলত ভৰাব। খোৱাৰ নিয়ম- দিনে ৩ বাৰ ১ টাকৈ বড়ি এক/ডেৰ ঘণ্টাৰ মূৰত খাব। বড়িটো অলপ গৰম পানীত গুলি লৈ খাব। ৭ দিন ২১ টা। ১ বছৰীয়া পুৰণি বেমাৰ হ'লে ২১ টা। দুবছৰীয়া হ'লে ৪২ টাকৈ খাব।

পানী লগা জ্বৰৰ দৰৱ :

৬৫০। কলমাৰলিৰ তেল, তেজপাত, শুকান ডালিমৰ পাত খালে পানী লগা ভাল হয়।

অথবা পাৰ চৰাই মাংসৰ লগত জালুক দি জুলিয়া কৰি ৰান্ধি খাব।

৬৫১। মৌ জোলৰ লগত কেইটামান লং পিহি খালে পানী লগা ভাল হয়।

অথবা সামান্য গুৰৰ লগত ক'লা তিল মিহলাই ৰাতি শোৱাৰ আগতে খালে পানী লগা প্ৰতিৰোধ কৰে আৰু আৰোগ্য হয়।

৬৫২। বিশুদ্ধ মিঠা তেলত ৫/৬ ফুটা নহৰু খুন্দি অলপ গৰম কৰি নাকৰ বাহিৰে ভিতৰে মালিচ কৰিলে পানী লগা ভাল হয়।

৬৫৩। ৰাতিপুৱা কুহমীয়া পানীৰে মুখ কুলুকুলিয়াই কলিয়া তুলসী পাতৰ ৰস আৰু তাত মৌ মিহলাই খালে যথেষ্ট ভাল ফল পোৱা যায়।

৬৫৪। পদিনাৰ ৰস অলপ পানী মিহলি কৰি সামান্য নিমখ দি খাব লাগে।

৬৫৫। পাণৰ ৰসৰ লগত সামান্য মৌ মিহলাই দিনে ২ বাৰকৈ খাব লাগে।

৬৫৬। ইউক্লিপটাচৰ পাত মোহাৰি নাকেৰে শুঙি লাগে।

ফটুৱাই ফটাৰ দৰৱ :

৬৫৭। ভৰি ফাটিলে ভীমকলৰ বাকলি পুৰি ছাই কৰি সেই ক্ষাৰ আঙঠা ভৰিত লগালে ভৰি ফটা ভাল হয়।

সূৰ্য কপালীৰ দৰৱ :

৬৫৮। লাই গুটি বাটি লিপি দিলে সূৰ্য কপালী ভাল হয়।

৬৫৯। লাই শাকৰ গুটি, লাই জাবৰি, সূৰ্যকান্তি গছৰ শিপা, বাটি কুমত দিব। সূৰ্য কপালী

ভাল হ'ব।

৬৬০। বিৰিং গুটি আৰু ক'লা তিল বাটি নাকেৰে উজাব।

৬৬১। ভগৱানৰ নাম লৈ সূৰ্যক নমস্কাৰ কৰি বিপৰীতে প্ৰস্ৰাব কৰিব।

৬৬২। বৰছু বনৰ শিপা, এৰা পুলি, সিজুৰ পাত জালুক সবাকো বটি খাব। নাশ হ'ব।

৬৬৩। লাইশাকৰ গুটি লাইজাবৰি সূৰ্যক্ৰান্তি ফুলৰ শিপা বটি কুমত লেপ দিব।

আদ কপালী :

৬৬৪। ভীমৰাজৰ মূল, কেঁচা কলৰ সৈতে বটি ঘঁহিব।

৬৬৫। লং ৩ টা, পিপলি ৩ টা, বকশৰ পাত তিনিটা, নিমখ হিচাপত দি বটি মূৰত লিপিব। দিনে এবাৰ।

৬৬৬। বেলপাত, হালধি, আমলখি তিনিওকে বটি লিপি দিব।

৬৬৭। বৰমানিমুনি পাত আৰু লোণ বটি লিপি দিব। আদ কপালী ভাল হ'ব।

৬৬৮। বগা চন্দন আৰু কৰ্পূৰ বটি কুমত লেপ দিব।

৬৬৯। কৰ্ণফুলাৰ গুটি আৰু পাতৰ ৰস বটি কুমত লেপ দিব। আদ কপালী ভাল হ'ব।

৬৭০। পচতিয়াৰ শিপাৰ ৰস জালুকৰ গুৰি, ছাগলী গাখীৰ আৰু গৰুমুত বটি নাকে উজাব। আদ কপালী ভাল হ'ব।

৬৭১। বেলপাত, হালধি, আমলখি সবাকো বটি লগাব।

৬৭২। বৰ মানিমুনিৰ পাত লোণ দি লেপ দিব।

৬৭৩। চেনিৰ লগত এৰাঁ গাখীৰ, ডাবৰ পানী আৰু শতমূলৰ ৰস খালে আদ কপালী ভাল হয়।

চন্দ্ৰ কপালীৰ দৰৱ :

৬৭৪। ছালকুঁৱৰী, সিজুৰ পাত, মধুৰ সমে বটি কপালত ল'ব। চন্দ্ৰ কপালী ভাল হ'ব।

মূৰ কামোৰণি :

৬৭৫। কুমাৰণিৰ বাঁহৰ মাটিৰে কপালত লেপ দিলে মূৰ কামোৰণি ভাল হ'ব।

৬৭৬। দোৰোণ কলৰ আগ ৩/৪ টা মান পানীত ধুই আচাৰ মাৰি তাতে সৰুকৈ হাতত মোহাৰি অলপ ৰস উলিয়াই নাকত উজাই দিব। নাকত জনজনাব। নাকৰ বেমাৰ আৰু মূৰ কামোৰণি ভাল হ'ব। ঔটেঙা সকমাহৰ লগত খাব।

হেলোলি কামোৰণি :

৬৭৭। নাহৰ সমান ওপৰৰপৰা তলৰা কদমৰ ছাল আনি তাৰে এতোলা ৰস লৈ জালুক আৰু পিপলি আঢ়েটাৰে অলপ লোণ মিলাই খালে গুচে।

মৰ কুচিয়াৰ :

৬৭৮। মজৰ শিপা, কুচিয়াৰ মূৰ আটি চন্দন সবাকে বিড়িত ভৰাই খ'ব।

জুইয়ে পোৰা দৰব :

৬৭৯। পকা ভীমকলৰ ছলি মহ লগালে জুইয়ে পোৰা ভাল হয়।

৬৮০। কুমলীয়া কলপাত পোৰাৰ ঠাইত মিহিকৈ বাটি দিলে ভাল হয়।

৬৮১। পুৰা কল, গুৰ, পুৰৈ শাক আৰু চাল কুঁৱৰীৰ শাহ বাটি ৰস সানিব। টেকা নাথাৰ।

৬৮২। পুৰৈ শাকৰ পাত ২/৩ খিলা মিহিকৈ খুন্দি মাখনৰ লগত সানিব লাগে।

৬৮৩। মেথি গুটি ৫০ গ্ৰাম পানীত তিয়াই তাৰ পিহি পোৰা ঠাইত লগাব লাগে।

৬৮৪। চাল কুঁৱৰীৰ পাত খুন্দি পোৰা ঠাইত লগাব।

৬৮৫। পোৰা ঘাত অমিতাৰ আঠা লগালে উপকাৰ পোৱা যায়।

৬৮৬। গাজৰ এডোখৰ পিহি পোৰা ঠাইত লগালে টো নুঠে।

৬৮৭। ধুনা পিহি প্ৰলেপ দিব।

বুকু পোৰাৰ দৰব :

৬৮৮। কলমৌ খালে বুকু পোৰা আৰু পেট বিষ ভাল হয়।

বুকু চম্‌চমোৱা :

৬৮৯। কলজবা চেপি ৰস উলিয়াই (১ ছটাক মান) আগিয়াচিতা (ক'লা হ'লে ভাল) ১ আঙুল খুন্দি খালে ভাল হয়।

বুকু কঁপনি (খপ্‌খপোৱা) :

৬৯০। ডাব নাৰিকলৰ ৰস খাব। দিনে তিনিবাৰ ৩ টা দুদিনমান খালে ভাল হ'ব।

কৰ্ণশূল বা কাণৰ দৰব :

৬৯১। সিজু পাতত দি তাৰ ৰস ল'ব। আদাৰ ৰস দুয়োকে মিলাই কাণত দিব। কৰ্ণশূল ভাল হ'ব।

কাণে নুশুনা বা কলা :

৬৯২। নেমুটেঙাৰ ৰস চেনিৰে সৈতে ফলাই খাই থাকিলে কাণ কলা ৰোগ ভাল হয়।

৬৯৩। ৰনপাতৰ খাৰ আৰু কলাখাৰিৰ টিলৰ তেলেৰে পগাই কাণত দিলে কাণৰ গুম-গুমনি বা কলা গুচে।

৬৯৪। নহৰু, আমলখি আৰু হাইতাল, প্ৰত্যেকৰে এতোলা, তিলৰ তেল ১০ তোলা আৰু এৰা গাখীৰ ২৫ তোলা, সবাকো মিলাই পগাব। এই তেল কাণত দিলে কাণ কলা ভাল হয়।

৬৯৫। নহৰু, আমলখি সম পৰিমাণে লৈ তাত কিছু হাইতাল দি বাটি চাৰিগুণ তেলত পাগ কৰিব। পাগৰ সময়ত চাৰিগুণ গাখীৰ দিব। গাখীৰ শুকাই গৈ যেতিয়া তেল ৰবগে, তেতিয়া নমাব। এই তেলেৰে কেইদিনমান কাণপূৰ কৰি থাকে

কলা ৰোগ ভাল হয়।

৬৯৬। বেলৰ গুটি, গৰুৰ মুতেৰে বটি এতোলা ল'ব। পাঁচতোলা তিলৰ তেলত সেই বটা গুটি বহাই থৈ চাৰিতোলা ছাগলী গাখীৰ আৰু ১৬ তোলা গৰুমূত দি পগাব। গৰুমুত শোহ গলে তেল নমাব। এই তেল কাণত দিলে কাণ কলা ৰোগ ভাল হয়।

৬৯৭। পলাশৰ ফুলৰ ৰস কাণৰ সকলো বেমাৰতে ভাল।

৬৯৮। গোল নেমুৰ ৰস ১০০ গ্ৰামত অলপ চেনি মিলাই খাব লাগে। দিনে ৫ বাৰমানকৈ কিছুদিন খালে কাণেৰে শুনে।

কাণত গাঁড় হ'লে ঃ

৬৯৯। মহানিমৰ পাত, হিং এমহা, কৰ্পূৰ ২ চটাক সৰিয়হৰ তেলেৰে কাণত দিব।

৭০০। পকা আকণৰ পাতত ঘিঁউ সানি জুইত তপতাই তাৰ ৰস উলিয়াই কাণ পূৰ কৰি দিলে কামোৰণি বা ঘাঁ বেগেতে শুকুৱায়।

৭০১। বেঁলিফুল চোঁপ লৈ যি ৰস ওলাই তাক কাণত দিলে ভাল।

৭০২। উৰহীৰ পাতৰ ৰস, তপত কৰি কাণত দিলে কাণৰ পুঁজ ওলোৱা বন্ধ হয়।

৭০৩। শামুকৰ পেটু তেলত ভাজি কাণত দিলে কাণৰ পুঁজ ওলোৱা বন্ধ হয়।

৭০৪। পানী জবাৰ গছ কাটিলে যি ৰস ওলায় তাক ২/৩ বাৰ কাণত দিলে কাণ পকা গুচে।

৭০৫। কৰ্ণমূলাৰ পাতৰ ৰস কাণত দিলে কাণ পকা বা বিষ ভাল হয়।

৭০৬। গৰুমূতৰ লগত হাইতাল ঘঁহি কাণত দিলে কাণ পকা ভাল হয়।

৭০৭। হালধি, গন্ধক আৰু ধতুৰা পাতৰ ৰস তেলত ভাজি সেই তেল কাণত দিলে কাণৰ ঘাঁ গুচে।

৭০৮। কাণত খেৰ, কুটা সোমালে অলপ তপত পানীৰে ফিচকাৰি দিলে বাজলৈ ওলায়।

৭০৯। কাণত পোকে কামুৰিলে তপত তেল ঢালি দিব লাগে, পোক মৰে।

৭১০। আলটা ১ তোলা, কৰ্ণমূল ১ তোলা, সাগৰৰ ফেন ১ তোলা, বাক শবৰ খুৰাৰ ৰস ১ তোলা, ফিৰিঙি জলকীয়া পাতৰ ৰস ১ তোলা পগাই কাণত দিব।

৭১১। আদা নহৰু, চজিনাৰ ৰস আৰু কলৰ বোখা ইয়াৰ কোনো এবিধৰ ৰস কাণত পগাই দিলে ভাল হয়।

৭১২। কাঁচি দৈয়াৰ পাত আৰু আগা ৪ আঙুল, পকা তামোলৰ বাকলিৰ ৰস, দুয়োকে খুন্দি ৰস কৰি কাণত ৩ টোপ দিব। চাকি ল'ব লাগে।

৭১৩। মানুহৰ ছলি পুৰি পানী হোৱা কাণত দিব।

৭১৪। কপৌ ফুলৰ ১০ খিলা পাতৰ ৰস বা কপাহ গছৰ ৮/১০ টা ফুল খুন্দি তাৰ ৰস কাণৰ বিজাত টোপ-টোপকৈ ৩/৪ দিন দিব লাগে। দিনে দুবাৰকৈ।

১১৫। কেঁচা কেতুকাৰ পাত ৫০ টা মান খুন্দি ৰস উলিয়াই কাণত টোপ টোপকৈ দিব লাগে।

কাণ কলা বা কাণ খৰালী ঃ

১১৬। দীঘলতি গছৰ তিনিটা কুমলীয়া আগ লৈ খুন্দি পানী দি ৰস কাণত সুমুৱাই দিনত দুবাৰকৈ দিলে ভাল হয়।

কৰ্ণমূল বা পিঠাখোৱা ঃ

১১৭। বগালি এৰাৰ ঠাৰিৰ লগত কুমলীয়া নিমখ মিহলোৱা গৰম পানীৰ সৈতে মুখ কুলকুলিয়াব লাগে।

১১৮। তৰুৱা কদমৰ প্ৰায় ৩০/৪০ গ্ৰাম পাতৰ লগত অলপ খয়েৰ মিহলাই তাক ভালদৰে পিহি ২ দিন প্ৰলেপ দি ৰাখিলে কৰ্ণমূল ভাল হয়।

১১৯। তৰুৱা কদমৰ ছাল ১০ গ্ৰাম ২ গ্ৰাম খয়েৰ মিহলি কৰি খুন্দি ফুলা ঠাইত প্ৰলেপ দিলে উপকাৰ পোৱা যায়। বা চজিনাৰ শিপাৰ ছাল সমপৰিমাণ সৰিয়হ বটি প্ৰলেপ দিব লাগে। বা চোৰাতৰ শিপা খুন্দি লগাব লাগে।

কাণত কেৰেলুৱা সোমালে মৰাৰ দৰৱ ঃ

১২০। কাণৰ ভিতৰত কটৰ, কটৰ কৰি কামোৰে পূজ ওলায় তাৰ ঔষধ মাটি কঠালৰ পাতৰ কোমল অংশৰ ৰস ২/৩ টোপালকৈ ৩/৪ দিন দিলে ভাল হয়।

১২১। ক্ৰুড় হিং, বচ, নহৰু, আদা আৰু সৈন্ধৱ লোণ, ছাগলী মুতেৰে সিজাই তিলৰ তেলত পগাব এই তেল দিলে কাণৰ ঘাঁ কাণ পকা, পুঁজ বৈ থকা ভাল হয়।

কাণেৰে পুজ বৈ থকা ঃ

১২২। শামুকৰ পেটু তেলত ভাজি সেই তেল কাণত দিলে ভাল হয়।

কাণ তাল মৰা ঃ

১২৩। তিল, মৰাণ আদা, সোণৰৰিয়াল, কেঁচা কল আলাছু সবাকো বটি ভালকৈ চেকি লৈ কাণত দিব। ভাল হ'ব।

গাখীৰ সোমাই কাণ পকিলে ঃ

২৪। কাপৌফুলৰ শিপাৰ ৰস দিনে ১/২ টোপাকৈ দিলেই ভাল হয়। তাল মোহোৱালেকে দিব।[১]

কাণৰ ভিতৰত হোৱা বিষ ঃ

২৫। বনগুটিৰ ৰস ২ টোপাল ২ দিন দিব লাগে।

ৰাক মুৰায়াৰ দৰৱ ঃ

৭২৬। আগিয়া চিতাৰ শিপা তিনি ৰঙণীয়া সুতাৰে বান্ধি বাহুত ল'ব। ভাল হ'ব।

কুমলীয়া ৰোগ ঃ

লক্ষণ ঃ গৰ্ভত হয়, গৰ্ভৰ নাৰী অঙ্গ জ্বল কৰে, দুই চকু ৰক্ত বৰণৰ হয়, পেটত আহাৰ জিন নহয়, ক্ষুধা হয়। গা দুৰ্বল লাগে, ফুলে আৰু জ্বৰ হয়।

৭২৭। দৰৱ ঃ আচ কাঠৰ ৰস, বনপিপলিৰ মূল, শতমূল, সূৰ্যকান্তি ফুলৰ মূল, মৰিচ ৯ টা সকলোৰে ৰস উলিয়াই অলপ লোণ দি খাব।

বহুমূত্ৰ ঃ

৭২৮। কুমলীয়া বা পকা পুৰাকল কেঁচাই কাটি নিমখ, তেল লগাই খাব।

৭২৯। দহিকচু পিহি আধাসেৰ এৰা গাখীৰ মিছিৰি মিহলাই খুৱাব। অসমীয়া মালভোগ কল চেপি গৰু গাখীৰৰ লগত মিছিৰি দি খাব।

৭৩০। ৰহৰ মাহৰ দক্ষিণ ফালৰ ছালৰ ৰস ৩ তোলা, শিমলু গছৰ পুলিৰ আলু খুন্দি গুৰি কৰি এক গিলাচ পানীত এচামুচ গাখীৰ দি খাব। দিনে এবাৰ পুৱা খাব।

৭৩১। কঁলা জামুৰ গুটি দিনে ৩/৪ টাকৈ পুৱা গধূলি একেবাহে ১০/১৫ দিন খাব। নাইবা ১০/১৫ টা আমলখি দৈনিক ২০ দিন খাব। নাইবা ১০০ গ্ৰাম তেঙেচি টেঙা সামান্য মিৰ্চিৰিৰ লগত দিনে ২ বাৰ খাব। এসপ্তাহ খাব।

৭৩২। বগা নয়নতৰা ফুলৰ দুটা বা তিনিটা পাত নিতৌ পুৱা খালে বহুমূত্ৰ নিয়ন্ত্ৰিত হয়।

৭৩৩। ভলুকা বাঁহৰ ২০ টানাম কোমল পাত বটি উতলাই সিজাই লৈ পুৱা পানীখিনিৰ এপোৱামান খাব।

৭৩৪। ডিমৰু গছৰ গুটি ২/৩ টা ভাঙি এগিলাচ পানীত ঘুটি চেকি পানীখিনি খাব। এসপ্তাহ খাব।

৭৩৫। মূত্ৰৰ্কৃচ্ছ্ৰ নাসক ঔষধ, বস্তি আৰু উত্তৰ বস্তি আৰু বিৰেচন দোষণসাৰে প্ৰযোজ্য।

৭৩৬। কাকুৰ বীজ ২ তোলা, সৈন্ধৱ লৱণ ১ অনা বটি সেৱন কৰিলে ভাল হয়।

৭৩৭ মল, কুশ, কাস ও ইক্ষু এই বিলাকৰ মূলৰ ক্বাথ শীতল কৰি চেনিৰ লগত প্ৰতি দিন পুৱা সেৱন কৰিব।

৭৩৮। কোমোৰাৰ ৰস, কিঞ্চত য'খাৰ আৰু পৰাতম গুৰ মিশ্ৰিত কৰি সেৱন কৰিব।

৭৩৯। কলৰ শিয়াৰ আৰু মৌ খাব। নতুবা কলা জামুৰ গুটিৰ গুৰি আৰু মৌ মিলাই খাব।

৭৪০। মদাৰ গছৰ শিপাৰ ৰস ২৫ গ্ৰাম খালে বহুমূত্ৰ ৰোগ ভাল হয়।

৭৪১ [illegible] লতাৰ ৰসত (শগুণীলতা) মৌ তোল মিহলি কৰি খালে সুফল পোৱা

যায়।

প্ৰস্ৰাৱৰ দোষত পাথৰ হ'লে পাথৰ বাহিৰ কৰা দৰৱ :

৭৪২। কানি ১ অনা, ভাং, ২ অনা ওজনৰ আকণৰ ছাল মিহিকৈ চুটি আনি ৩ অনা ওজনৰ লৈ এটা পাত্ৰত কানি গৰম কৰি গলাই ঔষধখিনি মিলাই ৩ টা বড়ি ধূমপান কৰিব লাগে। আধাঘণ্টাৰ মূৰে মূৰে।

৭৪৩। শেৱালী গছৰ ৪ খিলা পাত, (মজলীয়া ধৰণৰ) ৰাতি এগিলাচ পানীত তিয়াই থৈ পুৱা খালী পেটত এই পানী খাব লাগে। এমাহমান খালে চেনি (Suger) নাইকিয়া হয়। যদিহে অপথ্য নাখায়।

৭৪৪। বেত গাজে চেনি কমায়।

৭৪৫। পটল পাতৰ ৰসে চেনি কমায়।

৭৪৬। নয়নতৰা ফুলৰ পাত, বগাফুল, গোলাপী ফুল ৰাতিপুৱা খালি পেটত ৭ টা পাত চোবাই খাব লাগে। ক্ৰমে বঢ়াই যাব লাগে।

৭৪৭। মেথিগুটি আগদিনা ৰাতি এগিলাচ পানীত তিয়াই থৈ ৰাতিপুৱা প্ৰথমে মেথিখিনি চোবাই খাব। পাছত পানীখিনি খাব।

৭৪৮। মেথি গুটি গুড়ি কৰি (ভাজি লৈ) ৰাতি শুৱৰ সময়ত ডেৰ চামুচ ১/৪ সৈন্ধৱ লোণৰ লগত খাব আৰু পাছত পানী খাব।

বহুমূত্ৰ বা সোম ৰোগ :

৭৪৯। কলা জামুৰ গুটি ৩/৪ টাকৈ দিনে ৰাতিপুৱা, গধূলি ১০/১৫ দিন একেৰাহে খাব লাগে। নাইবা ১০/১৫ টা আমলখি ২০ দিনমান খালে ৰোগ নাশ হয়।

৭৫০। টেঙেচি টেঙাৰ ৰস ১০০ গ্ৰাম অলপ মিছিৰিৰ লগত ১ সপ্তাহ খালে এই ৰোগ ভাল হয়।

জলন্দৰ :

৭৫১। মিছিৰি চেনি ১০০ গ্ৰাম, ভীমকল পকা এটুকুৰা, বহুদে গছৰ কুমলীয়া পাত, বুঢ়া কুঁহিয়াৰৰ ৰস ২০০ গ্ৰাম সকলো মিলাই কমেও ২ ঘণ্টামান পানীত জুবুৰিয়াই থব লাগে। ২৫০ গ্ৰাম পৰিহাণ দৰৱ মিশ্ৰিত পানীক দুভাগ কৰি কমেও তিনিদিন খাব। ভাল নহ'লে তিনি মাহ খাব।

৭৫২। মদাৰ গছৰ শিপাৰ ৰস ২৫ গ্ৰাম খালে এই ৰোগ ভাল হয়।

৭৫৩। ৪/৫ টা কেঁচা বিলাহী খাব পাৰিলে এই ৰোগত যথেষ্ট আৰাম পোৱা যায়।

৭৫৪। দিনে ২/৩ টাকৈ আপেল খালে প্ৰসাৱ কমাকৈ হয়।

৭৫৫। ত্ৰিফলা মৌ জোলৰ লগত খাব।

৭৫৬। পকা জাহাজী কল, মৌজোল ২০ গ্ৰাম, কুঁহিয়াৰৰ ৰস ১০ গ্ৰাম, কেঁচা আমলখিৰ ৰস ২০ গ্ৰাম সকলো মিলাই একেৰাহে ৮/৯ দিন খুৱাব। ভাল হ'ব।

৭৫৭। শেৱালী গছৰ পাত বাতি এগিলাছ পানীত তিয়াই সেই পানী পুৱা বাহি পেটত এমাহ খালে চেনি পৰা ভাল হয়। বা জাতিলাউৰ গছৰ পাতৰ ৰস বাহি পেটত খালেও ভাল হয়। (অপথ্য নেখাব)

ডনদিচ, ডায়েবিটিছ, প্ৰসাৱত জ্বলা পোৰা কৰা, পাথৰ হোৱা, চেনী পৰা, ধাতু যোৱা ৰোগ হ'লে :

৭৫৮। দুপৰীয়া পাতৰ ৰস একাপ, সৰু মানিমুনি/বৰমানিমুনি শিপাৰ ৰস একাপ, আহোম বগৰীৰ পাত শুকুৱাই তাৰ গুড়ি ২ চামুচ, চেংমৰা আলু বাটি শুকুৱাই লৈ গুড়ি কৰি ৪ চামুচ, জাইফলৰ ভিতৰ অংশৰ গুৰি অলপ, জালুকৰ গুৰি ১ চামুচ, নিমখ ১ চামুচ আগিয়া চিতাৰ পাতৰ গুৰি শুকুৱাই লৈ ১ চামুচ সবাকে মিলাই পুনৰ বটাত বাটি পিহি ল'ব। অলপ খিলা হ'লে ৰ'দত শুকাই বড়ি কৰি পুৱা ১ ঘণ্টাৰ পৰে পৰে দিনে ৩ বাৰ খাব। প্ৰত্যেক বাৰত এটাকৈ। বৰিটো যি কোনো গাখীৰত (ম'হৰ গাখীৰৰ বাদে) গুলি লৈ খাব ৭ দিনত ২১ টা। ঔষধ খোৱা কালত চৌদা জাতীয় বস্তু, যেনে, বেঙেনা, লোফ, অমিতা, বিস্কুত খাব নালাগে।

মূত্ৰশূল :

৭৫৯। মৰিচফুল বহি জলেৰে বাটি নাভি মধ্যে দিব মূত্ৰশূল নাশ।

পেচাবত পুঁজ ওলালে :

৭৬০। শতমূল ৰস এতোলাৰ লগত ২/৩ টোপা মৌ মিলাই খাব।

বিচনাত মুতা :

৭৬১। এমাহ পৰিমাণ কোৱা ভাতুৰী শিপাৰ ৰস গধূলি শুৱৰ সময়ত অলপ চেনিৰ সৈতে খুৱালে বিচনাত মুতা ৰোগ গুচে।

টোপনিত প্ৰসাৱ কৰা :

৭৬২। ক'লা জামুৰ গুটি ৩/৪ টা খুন্দি সামান্য পানী মিলাই দিনে দুবাৰকৈ খালেই ভাল হয়।

শুক্ৰমেহ (স্বপ্ন দোষ) :

৭৬৩। আমলখিৰ ৰসত চেনি মিহলাই খালে স্বপ্নদোষ নষ্ট হয়।

শ্বেত প্ৰদৰ :

৭৬৪। পেচাবৰ লগত চেনি কিছু পৰিমাণে পৰিলে অৰ্জুন গছৰ ছালৰ ৰস কহ বা চুৰ্ণ খালে অতি উপকাৰী।

মুত বন্ধ হ'লে ঃ

৭৬৫। খুতুৰা শাক ঘিঁউৰে ভাজি খাব।

৭৬৬। কেবেলাৰ গুটি, সৈন্ধব লোণ, আমলখি, শিলিখা আৰু ভইৰা গুটি ই সবৰ গুৰি তপত পানীৰে খাব।

৭৬৭। পুৰৈ পাত বটি লিংগ বা যোনীত লেপ দিলে পেচাব হয়।

শিশুৰ প্ৰসাব বন্ধ হ'লে ঃ

৭৬৮। দুপৰীয়া টেঙাৰ পাত এটা তল পেটত অলপ প্ৰলেপ দিলেই প্ৰসাব হয়। বা সিজুৰ পাত ২/৩ টা থেতেলিয়াই তল পেটত প্ৰলেপ দিলেও প্ৰসাব হয়।

ধাতু বেমাৰ ঃ

৭৬৯। শিমলু আঠাৰ শুকান গুৰি ২ ৰতিকৈ লৈ নাইবা শিমলুৰ কোমল শিপা ছাঁত শুকুৱাই সৰু এলাচি, ডালচেনি, যষ্ঠীমধু আৰু জাইফল আদিৰ মচলাৰ লগত খালে পুৰুষালি বাঢ়ে ই ধাতু বেমাৰৰ আমোঘ ঔষধ। ইয়াক সৰহ দিন খালে অতি ভয় লগা ধাতু বেমাৰ (গণৰিয়া) হয় নাশ।

গৰ্মি ৰোগৰ দৰৱ ঃ

৭৭০। হাতীশুৰীয়া গছৰ পাত ও শিপা বটি দিনে ২/৩ বাৰকৈ ঘাঁত লগাব ভাল হ'ব।

৭৭১। মহানিমৰ পাত, নীলকণ্ঠ, মাটি কঠালৰ আগ বটি লেপি দিব।

৭৭২। কঠনা ফুলৰ শিপা, কোটাহি বেঙেনাৰ শিপা, গৰখীয়া বনাহিৰ শিপা, গোজোৰা বনৰ শিপা, কোৰামণিৰ শিপা বটি খাব। বা সৰু সোণ বৰিয়ালৰ লগত মিছৰি সহ সিজাই গৰুৰ গাখীৰৰ লগত খাব।

৭৭৩। বৰাহ এক আঙুল যমলাখুটিৰ মূল মবাণ আদা মিঠা আমৰ ছাল আমলখিৰ ছাল গৰুৰ গাখীৰৰ লগত তৈয়াৰ কৰি খাব।

৭৭৪। ধূনা আৰু ডালিমৰ পাত খুন্দি নাৰিকল তেলেৰে লগালে ভাল হয়।

পাথৰি ঃ

৭৭৫। দুপৰীয়া টেঙা বা পাতে গাজৰ পাত ২১ টা খুন্দি ৰস উলিয়াই তাত সামান্য চেনি মিশ্ৰণ কৰি বাতিপুৱা আৰু গধূলি এপালি একেবাহে ২১ দিন খালে প্ৰসাৱত পাথৰ ভাঙি বাহিৰ ওলায়।

প্ৰসাব বন্ধ দোষৰ দৰৱ ঃ

৭৭৬। (৫ আঙুলীয়া পাত চনকা গছৰ) বিহজপৰাৰ আলু ৩ চনকা, গৰু গাখীৰ ১ পোৱা, পকা অমিতা এটাৰ সৈতে খাব।

৭৭৭। প্ৰসাৱ বন্ধ দোষত ধ্বৰফৰাই থাকিলে (অৰ্থাৎ প্ৰসাৱ নহ'লে) দীঘলটিৰ শিপা এক কাঁয় খুন্দি পানীৰ লগত খুৱাব। লগে লগে ভাল হ'ব।

৭৭৮। স্থল পদ্ম পাতৰ ৰস এতোলা চেনিৰে খালে বন্ধ হোৱা পেচাব চলে।

মূত্ৰতে গাঁঠি লগা ঃ

৭৭৯। আমৈ লতা, আদা, আমলখি, দুদলি লতা, (অনন্তমূল) ও গোক্ষুৰ কাঁইটৰ ক্বাথ খাব। বাহত্ত মূদ্গৰ গুচে। বা নাৰিকলৰ ফুল চাউল খচা পানীৰে খাব। ভাল হ'ব।

ইনফ্লুৱেনজা আৰু মেলেৰীয়াৰ দৰৱ ঃ

৭৮০। বেলপাত, পচতিয়া গছৰ পাত, পাণ আৰু অলপ আদা, সোণ বৰিয়াল গছৰ শিপা, ১ টা জালুকৰ মান নিমখ দি বটি তাৰ ৰস কুহুমীয়া গৰম কৰি খাব। দিনে পুৱা/গধূলি দুবাৰকৈ খাব।

৭৮১। হাঁচিয়তি বনৰ ৪/৫ খন পাত হাতেৰে মোহাৰি নাকেৰে শুঙিব। নাইবা ইউক্লিপটাচৰ পাত মোহাৰি শুঙিব। ভাল হ'ব।

মেলেৰীয়া ঃ

৭৮২। তুলসী পাতৰ ৰস প্ৰায় ৫০ গ্ৰাম আৰু সমপৰিমাণে বেলপাতৰ ৰস মৌজোলৰ লগত দিনে দুবাৰকৈ খাব। নাইবা কলামেঘৰ প্ৰায় ৫০ গ্ৰাম আলু খুন্দি ৰস বাহিৰ কৰি দিনে ২ বাৰকৈ খাব।

৭৮৩। কৰচৰ পাত বটি শুকাই ১ ৰত্তি পৰিমাণে বড়ি কৰি সদায় এই বড়ি কৰচৰ পাতৰ ৰস অনুপাতে তিনিবেলিকৈ ৮ দিন খাব।

৭৮৪। চিনকোণা গছৰ বাকলিৰ ৰস ২৫ গ্ৰামকৈ খাব। পিঁয়াজ এডোখৰ ৮/১০ টা জালুকৰ সৈতে খাব। চিৰতা তিতাৰ পাত ৫০ গ্ৰাম বা এই গছৰ আলু পিহি তাৰ ৰস ২০ গ্ৰাম দিনে ২ বাৰকৈ খাব।

৭৮৫। সেকবাপৰা (আহধাননিৰ মাজত হয় জুপুৰা মানিমুনিৰ দৰে) সিজাই তাৰ ৰস খাব লাগে।

ইফ্লুৱেনজা, জ্বৰ, কাহ, পেটৰ বিষ ঃ

৭৮৬। গৰম গাখীৰত হালধি গুড়া বা কেঁচা হালধিৰ ৰস মিহলাই দিনে ৩ বাৰ খাব।

৭৮৭। নহৰুৰ মালা পিন্ধিব লাগে।

৭৮৮। ইউক্লিপটাচৰ ৩/৪ খন পাত মোহাৰি নাকেৰে শুঙিব লাগে।

৭৮৯। মাকৰী থিলা, লেটা গুটি, জালুক, পিপলি, বনজবাৰ শিপা, টংলতি, ৰৰচোৰাতৰ শিপা, নীলকণ্ঠৰ শিপা, হেতভেদালি শিপা, ভেদাইলতা, মৰাণ আদা, কোটাহি বেঙেনাৰ শিপা- সবাকো সমানে লৈ বটি মাটি মাহ সমান বড়ি কৰি খাব।

শুকুৱাই খাব।

নিমনিয়াৰ দৰব :

৭৯০। মেটেকাৰ আলু ৩ আঙুল, চেঙামৰা আলু ৫ আঙুল, মৰাণ আদা বড়ি কৰি খাব লাগে। নিমনিয়া ভাল হয়।

কুষ্ঠ সাবৰ দৰব :

৭৯১। তেজমুইৰ ছাল আৰু পাত, কপাহৰ গুটি, পচতিয়াৰ পাত সবাকে ভাজি গুৰি কৰি উবিধানৰ পিঠা ১ চটাক, জালুক ৮ টা সমে খাব। নষ্ট হ'ব।

৭৯২। হালধি গুড়ি ১ তোলা, আধাপোৱা দৈ পাৰিমেৰে খাব।

৭৯৩। ত্ৰিফলা, আচুকাঠ, নিমছালৰ বস, অমৰলতা পুৰা খাব।

৭৯৪। কৰ্দৈ টেঙা ২০ টাৰ বস, সোলটেঙাৰ বস, পুৰণি ভাতৰ পাত, পঁচতিয়াৰ পাত, গৰবচৰ হাৰ, ঘুনুচাৰ মধা, গুণৰাজ, তেজুমুই, তীখাৰ গুৰি, জালুক পিপলি, সবাকো জোখৰ লৈ বস পগাই আহু চাউলৰ পিঠাগুৰিৰ সৈতে ৭দিন খাব।

৭৯৫। আমলখি, শিলিখা, ভুঁই গুটি, যষ্ঠীমধু, তিল, বৰিয়াল, হালধি, আচুকাঠ আৰু চেনি সবাকো গুৰি কৰি মৌৰ লগত খাব।

৭৯৬। মোহিনী ভাং ১ তোলা, বনপাতৰ শিপা, বগা খুতৰাৰ শিপা মিহলি কৰি খুন্দি খাব।

৭৯৭। নবকুশুমৰ শিপা, নাগেশ্বৰ ছাল, নুনি শাক, জালুক দুটা পিপলি দুটা মিলাই বটি খাব।

৭৯৮। যাত্ৰাসিদ্ধিৰ কোমল পাত কুটি মাবত সিজাব। বৰুণ খটিয়া আৰু বগৰীৰ খৰি দি তেলত ভাজি অলপ লোণ দি পুৰাই গুদা পেটত খালে বমি হৈ পেটৰ বীজাণুবিলাক ওলাই ৰোগ নিবাৰণ হয়। বমি নহলে শুকান চিৰা খাব।

৭৯৯। সৰ্প জিভাৰ বস, পনৌনৱাৰ বস, প্ৰত্যেকৰে ৫ তোলা আৰু য'খাৰ ১ তোলা মিলাই নিশা শুবৰ সময়ত খাই শুলে গা ঘামি বস ওলাই ৰোগ গুচিব। বয়সীয়াল মানুহে এপোৱা খাব পাৰিব।

৮০০। দাৰমুৰ্থ, যখাৰ, দাৰচুক, বাইৰুলৰ এফাল, জালুক ২০ টা, লং ২১ টা, বাৰ মছলা ১ তোলা, কণ্ঠনাৰ দক্ষিণৰ ছাল, লবাতিতাৰ ছাল, বনসতৰ শিপা বাটি তিনিটা বড়ি কৰি চন্দনৰ বসত মাৰি খাব।

৮০১। কমাৰে লো পুৰি মৰিয়াওঁতে যিবিলাক লোৰ মলি এৰি পৰে বা উফৰি পৰে সেই মলি ভুইৰা কাঠৰ জুইত বগা কৰি সাতবাৰ পুৰি বাৰ গৰুৰ মুতত পেলাই শোধন কৰিব। সেই মলি মিহিকৈ গুৰি কৰি ঘিউ আৰু মৌৰ অনুপাতে চাৰি ৰত্তি পৰিমাণে খালে ভোক চলে, গুৱ আৰু কুষ্ঠ সবা গুচে। লোৰ মলি যিমান পুৰণি হয় সিমান ভাল।

৮০২। সোণ বৰিয়ালৰ মূল, চকৰ খোলা বটি খালে ভাল হ'ব।

অংগ মৰাৰ দৰৱ :

৮০৩। হাতীমুৰীয়া বনৰ শিপা, তামোলৰ লগত খালে ভাল হ'ব।

মৌ বিচনীয়াৰ দৰৱ :

৮০৪। য'খাৰ দেড় অনা, চেনা কচু ১ টকা, কোটাহী বেঙেনাৰ শিপা, ১ টকা, জালুক ১০ টকা, পিপলি ৬ টা সবাকো বটি জোল কৰি পানী দুটকা পৰিমাণে খাব। ভাল হ'ব।

পদুম নলাৰ দৰৱ :

৮০৫। কঠনা ফুলৰ গুটি, পদুমৰ গুটি, লোণ জালুক, পিপলি দি বান্ধি খাব।

৮০৬। মিঠা আমৰ ছাল, অমৰা গছৰ ছাল, পদুমৰ চকা লো সহিতে বটি জোল কৰি গৰম কৰি খাব।

৮০৭। ক'লা গৰুৰ মুত শনিবাৰে বা মংগলবাৰে আনিব লাগে। চেউৰী বা জাতি নকৰা দমৰা গৰুৰ মুত হ'ব লাগিব। গৰুৰ মুত অনা দিনাই এডাল লোহা গোবৰৰ ভিতৰত পুতি থ'ব লাগিব ৯ দিনৰ দিনা উলিয়াই সেই 'লো' ফাল ৯ বাৰ জুইত পুৰিব, ৰঙা হ'লে কাপোৰেৰে ৰোগৰ অংশত লগাব।

৮০৮। পদুম নলা চৰি আঙুল, বোন্দা কেঁচুৰ মূৰ এটা আধা সেৰ পানীত সিজাই এটকা বা দুটকা ৰস ৰাখি তিনি দিন তিনি পালি খাব।

৮০৯। পদুমৰ চকাৰ গুটি, ভেটৰ ঠাৰি, ঔ টেঙাৰ বীজৰ ওপৰৰ ঢাকনি খন অমলা আৰু জংগী শিলিখা সকলোবোৰ খুন্দি তাৰ ৰস খাব।

গৰ্ভনলাৰ দৰৱ :

৮১০। তামোলৰ শিপা তিনিটা, চেঙেলী মাছেৰে বান্ধি নাহৰৰ তেলেৰে খাব। ভাল হ'ব।

খাপৰিৰ দৰৱ :

৮১১। আৰক ছান্দ ১ চটাক, চপাৰ ঠাৰি, কণক ধতুৰাৰ গুটি সবাকে চন্দন যেন কৰি বটি বড়ি কৰি প্ৰতিদিনে ২ টা বড়ি খাব।

৮১২। আকণৰ শিপা, কড়ি এটাৰ পেটত সুমুৱাই নেমুটেঙাৰ ৰসত পেলাই থ'ব। কড়িটো খাই শেষ হ'লে সেই জোল খাব। খাপৰি ভাল হ'ব।

৮১৩। তাৰ্পিন তেল ঘঁহি তপত পানীৰে সেকিব।

৮১৪। গৰুৰ মুত তপতাই বটলত ভৰাই সেকিব।

৮১৫। সৰিয়হ বটি খাপৰিৰ ওপৰত লেপ দিব।

৮১৬। সৈন্ধৱ লোণ ৫ তোলা, ফিট্‌কিৰি ৫ তোলা, য'খাৰ ৫ তোলা, সটখাৰ ৫ তোলা, হিৰাকচ ৫ তোলা, নিমাদল ৫ তোলা, কলখাৰ ৫ তোলা, মচৰবৰ ৫ তোলা নহৰু ৫ তোলা সবাকে বটি গুড়ি কৰি পানীত পগাই খাব।

৮১৭। য'খাৰ, জাঁইফল, আগিয়াচিতা, হেংগুন কেগৰ তামোল, মাকৰি খিলা, পাণৰ আঠা বটি সোলোং টেঙাৰ ভিতৰত সোমাই থ'ব। কাচী পৰিমাণে বড়ি কৰি পুৱা খাব।

৮১৮। চূণৰ পানী, আগিয়াচিতা, সালুং খিলাৰ শাহ, খিলা জেখাৰে লোণ জালুক, য'খাৰ একেলগে পগাই খাব।

শিপা খাপৰিৰ দৰব ঃ

৮১৯। য'খাৰ, চেমাকচু, ভুঁই তিতা, আদা, হাৰ, ঘুনুচা, চোৰাতৰ শিপা তেজমুইৰ শিপা, সবাকো খুন্দি ৰস উলিয়াই দেড় টকা পৰিমাণে পগাই খাব।

খুন্দি খাপৰিৰ দৰব ঃ

৮২০। লা তৰুণ, আগিয়াচিতাৰ মূল, বৰুণৰ ছাল, মৰাণ আদা, লোণ চাকলেৰে নিহলি কৰি ভাজি কৰাই গুড়ি খুন্দি ১২ দিন খাব।

জল খাপৰি ঃ

৮২১। পাতিদৈৰ শিপা অকণমান,, বনহুত অকণমান কল বাকলি পুৰি, খাৰ সৰাই অল্পমান গৰম কৰি খুৱাব। দিনে এবাৰ, তিনি দিন।

৮২২। ধপাত তিতাৰ কুমলীয় তিনিটা আগ, তিনিখিলাসহ খুন্দি ৰস উলিয়াই পুৰণি ২ বছৰীয়া গুৰ সহ তাক ৰস উলিয়াই ১ টকাকৈ খাব। খোৱাৰ আগত দিনে এবাৰ।

৮২৩। এটা মালভোগ ক'ল, য'খাৰ অলপমান, চেমাকচু এটুকুৰা, দহি কচুৰ আলু ১ টুকুৰা কলৰ মাজত সুমুৱাই লৈ খালেও খাপৰি ভাল হয়।

খাপৰি পেট কামোৰণি ঃ

৮২৪। সিজলৰ গুটি আকণৰ পাত সিজুৰ পাত বটি খাব জলৰোগ খলপা খাপৰি পেট কামুৰি সৰ্বৰোগ নাশ।

৮২৫। শতমূল, কেশৰাজ, অমৰা মূল বটি খাব খাপৰি নাশ।

৮২৬। হিং ১ তোলা, সৈন্ধৱ লোণ ২ তোলা, বহগু ১ তোলা বটি খাব, খাপৰি নাশ।

৮২৭। শতমূল, কেশৰাজ, অমৰামূল, বটি খাব খাপৰি নাশ।

৮২৮। চেঙেলী মাছ ৯টা, ৰবপুনি, কলমৌ, পুলি খুতৰা, লোণ, জালুক দি ৰান্ধি খাব, খাপৰি নাশ।

৮২৯। শতমূল, কেশৰাজ, অমৰামূল বটি খাব খাপৰি নাশ।

গো জিভাৰ দৰব ঃ

৮৩০। সোমলতাৰ ৰস ২ তোলা, হালধিৰ আঢ়ৈ তোলা, গৰুৰ ঘিঁউ ১ তোলা মিহলি কৰি খাব।

গোৰা ব্যাধিৰ দৰব ঃ

৮৩১। মুখ আৰু নাকত হয়। বৰকচুৰ চোঁচ ৭ জুলৈ পৰি ল'ব। কোমল মদাৰৰ পাত পাতত দি ৰস উলিয়াই ল'ব। অলপ য'খাৰ দি দিনে আধা মহা কৰি এসপ্তাহ খাব। অসুখ ভাল হ'ব।

গো জিহ্বাৰ দৰব ঃ

৮৩২। কণি বিহৰ শিপা, বিষ ঢেকীয়াৰ শিপা, তেজমৌৰ শিপা, কলা পকোৰা, বিহলঙনিৰ শিপা-সবাকো ৰস কৰি খাব।

গা' ফুলা (উখহা) বেমাৰৰ দৰব ঃ

৮৩৩। মচুৰ মাহ, সোণ বৰিয়াল, বিলসনি, চেনিকলৰ শিপা, মধুলতা, বনয়ত ২ টকা, মৰিচ ৫ গণ্ডা, পিপলি ৯ গণ্ডা ভাজি গুৰি কৰি দিনে আধা তোলা হিচাপে দুবাৰ খাব। (মাহেকলৈ মহৰ গাখীৰ, টেঙা নাখাব)

৮৩৪। আগিয়াচিতাৰ শিপা ১ আঙুল ডিঙিত বান্ধি পিন্ধাই দিব লাগে।

৮৩৫। শ্বেত ভেদাইলিৰ পাত, সৰু সোণ বৰিয়ালৰ শিপা, আহুধানৰ উখুৱা চাউলৰ ৩ পিঠি গৰম মছলাসহ বনাই গুড়ি কৰি ভাজি খাব। চেঁচা পানী নাখাব।

৮৩৬। টংলতিৰ শিপা, ভেদাই লতাৰ ৰস লোণ দি তপতাই খাব।

৮৩৭। তুলসীৰ ৰস ১০ টকা, তেল ৩ টকা, লোণ, জালুক, দি তপতাই খাব। উখহা নাশ হ'ব।

৮৩৮। মাধৈমালতি লতা ফুলৰ শিপা, গুল মৰিচ ৫ টা বা ৭ টা, খোৰা জোখৰ নিমখ এই বস্তু কেইটা খুন্দি পানী আধা পোৱা সমান দি তাৰ ৰস চেপি গৰম কৰি খুৱাব লাগে।

৮৩৯। মৰফলা আলু ৩/৪ ডাল, সোণবৰিয়ালৰ শিপা ৩/৪ ডাল, নুনী গছৰ শিপা ৩/৪ ডাল, দোৰোন বন তিনিডাল, লোণ, জালুক দি তপতাই খাব।

মূৰ বিষ আৰু মূৰ কামোৰণিৰ দৰব ঃ

৮৪০। মেথিগুটি ২ তোলা, কলা জিৰা ১ তোলা, ধনিয়া ২ তোলা, শিলিখা ১ তোলা সবাকো খুন্দি ১ সেৰ পানী দি নতুন চৰুত সিজাব। আধা সেৰ পানী ৰাখি নমাব। সেই পানী কাপোৰেৰে ১০ বাৰ চাকি নিকা কৰি বটলত ভৰাই থৈ প্ৰতিদিনে

পুৰা গধূলি মূৰত ল'ব। ১ সপ্তাহ ব্যৱহাৰ কৰিলে-মূৰৰ বিষ ভাল হ'ব।

৮৪১। চেনি ঘিঁউ দুয়োকে মিহলি কৰি নাকেৰে উজাব।

৮৪২। নীলকণ্ঠৰ ৰস বটি দিনে প্ৰসুতি নাৰীৰ এঠানত দিব। বিষ নামিব।

৮৪৩। মাকৰি ঘিলা, টেঁপৰ ছাল বাটি বড়ি কৰি খাব।

৮৪৪। নাগিনী পাতৰ শিপা, তেজ মুইৰ শিপা, এৰা সূতাৰে কাণত আঁৰি ল'ব। মূৰ কামোৰণি ভাল হ'ব।

৮৪৫। কেঁচা জলকীয়া ৫ টা, পিপলি ৫ টা, কালজিৰা ৫ গ্ৰাম, বচৰ আলু ৫ গ্ৰাম, ভোগজিৰা ৫ গ্ৰাম, জাইফল এটা, লং গুটি ৫ গ্ৰাম, ডালচেনি ৫ গ্ৰাম, কপাহৰ-আগ পাঁচটা, পচতিয়া আগ পাঁচটা, বাহেকৰ আগ পাঁচটা, এইবিলাক বটি বড়ি কৰি খাব লাগে। শুকুৰাহি থৈ ৰাতিপুৱা খালী পেটত খাব।

৮৪৬। দ্ৰোণ বন ৩/৪ খনৰ কেঁচা পাতৰ ৰস বাহিৰ কৰি নাকৰ ফুটাত টোপ টোপকৈ পৰিবলৈ দিব লাগে। নাইবা মহাভৃংগৰাজ পাতৰ ৰস নাকেৰে শুঙিব।

৮৪৭। দ্ৰোণৰ পাত আৰু শিপাৰ ৰস, কপাল ফুটাৰ পাত দুয়োকে খুন্দি সানিব আৰু কপালত ঘঁহিব। ৰাতিপুৱাতে।

৮৪৮ বকুল গছৰ শুকান ফুল, নাকেৰে শুঙিব। বকুলৰ গুটি পিহি নাকেৰে শুঙিব। পুৰৈ শাকৰ বীজ কপালত সানিব। ছাল কুঁৱৰীৰ পাত খুন্দি মূৰত প্ৰলেপ দিব।

মূৰ ঘূৰণি :

৮৪৯। সৰু মানিমুনি এমুঠি বৰ মানিমুনি সমানে তিয়াই ৰাতিপুৱা খুন্দি জলপানৰ দৰে ৰাতিপুৱা শুদা পেটত খাব। এমাহ খাব।

৮৫০। ছাল কুঁৱৰীৰ ছাল তিনি আঙুল জোখৰ তিনি টুকুৰা ঠাণ্ডা পানীৰ লগত নাৰিকল তেলেৰে সৈতে মূৰত ল'ব।

৮৫১ গুট নোহোৱা কোমল ডিমৰু দুবৰি বনৰ ঠাৰিৰ সৈতে ঘিঁউত ভাজি খাব।

মোৰৰ দৰৱ :

৮৫২। মণিচাল, লেটা গুটি, বগা লাতুমণি তিনিওকো খাব।

৮৫৩। পাণৰ ৰস, আদাৰস, নহৰু অলপ লোণ দি পাগ কৰি খাব।

৮৫৪। পাণ, আদা আৰু নহৰু খুন্দি তাৰ ৰসত অলপ নিমখ দি খাব।

৮৫৫। বগা নহৰু আৰু বচৰ শিপা খুন্দি খাব।

৮৫৬। বগা নহৰু আৰু বচৰ শিপা খুন্দি খাব। বা পাণৰ ৰস আদাৰ ৰস অলপ লোণ দি পাগ কৰি খাব। ভাল হয়। নতুবা শ্যামা কচু অকণমানি এচকলা কলৰ মাজত ভৰাই খাব। চাব যাতে কলৰ মাজৰপৰা কচু ডোখৰ মুখৰ কতো লাগিবলৈ নাপাই। সাৱধানে খুৱাব।

৮৫৭। ভাত থিলাৰ ছাল, চিকামৰপ্পিয়াৰ ছাল তাতে নিমখ, তালুক দি ৰস উলিয়াই গৰম কৰি খাব। খুন্দি খুৱালেও ভাল হ'ব।

গাংগঠিৰ দৰৱ :

৮৫৮। বন ঔৰ শিপা, চন্দন যেন কৰি বটি দিলে ভাল হ'ব।

কলাডুঙি বেমাৰ (পিড়াত হয়) :

৮৫৯। তেকোলা বেং তেলে সৈতে বটি দিলে ভাল হয়।

৮৬০। চতিয়নাৰ এঠা, মুখৰ বাহি থুৰ সেপ লগাই মুখ ধোৱাৰ আগতে গাঙঠিত লগাই দিব।

গাঙঠি নমা :

৮৬১। একনিয়া (এঠান উখহা) পানী নহৰু বেমাৰীৰ নাম কৈ জুই শালৰপৰা ছয় আঙুল আঁতৰত পুতিলেই ভাল হ'ব।
নাইবা চতিযনা গছৰ এঠা গাংগঠিত লগাব।

চাওনি বেমাৰ :

৮৬২। তুলসীৰ শিপা ও পাত লং সহিতে খুন্দি ৰস খাব। ভাল হ'ব।
অপথ্য - মিঠা বস্তু নিষেধ।

৮৬৩। পাণ এখিলা', লং ১১ গোটা, তুলসীৰ শিপাৰ ৰস কৰি খাব। চাউনি দোষ নাশ হ'ব

শিংগিমূৰীৰ দৰৱ :

৮৬৪। বৰ ডালিমৰ শিপা, আৰক ছান্দৰ শিপাৰ সৈতে মিহলি কৰি বটি বান্ধিব। ভাল হ'ব।

নখ চুকাৰ দৰৱ :

৮৬৫। ৰঙা ফুটুকীৰ ফুল ৩ পাহ বটি দিলে ভাল হ'ব।

পাবৰ দৰৱ :

৮৬৬। কাঁচি ধৰিয়া বন আৰু মৰাণ আদা খুন্দি পাতত পুৰি গৰম কৰি সহিব পৰাকৈ বান্ধিব লাগে।

৮৬৭। খৰুৱা বেঙেনা এটা' খুলি আঙুলিত ভৰাই থব লাগে।

নগা ঘাঁৰ দৰৱ :

৮৬৮। মধুৰী আগ কেইটামান কেঁচা হালধি সৈতে খুন্দি মানধপাত মিহলাই বান্ধিব লাগে, যদি খকুৱতি নকমে হাণধপাত বেছিকৈ দিব।

৮৬৯। অমিতাৰ ঠাৰি পিহি পাতত বাটি বান্ধি দিব। এৰাপাত নাইবা কলপাতেৰে বান্ধিব লাগে।

পৰা বা গাঁঠিয়া ঃ

৮৭০। (ক) সিজুৰ ঠাৰি খুলি আঙুলিত পিন্ধিব।

(খ) কলা বা বগা আগিয়া চিতাৰ শিপা বটি বান্ধি দিব ভাল হ'ব।

(গ) সোণবৰিয়ালৰ আলু, ভাং দুয়োকে বটি দিব।

(ঘ) বিহলঙনিৰ আগ বটি বান্ধি দিব।

হাত লগা ব্যাধিৰ দৰৱ - (হাতত হয়) ঃ

৮৭১। গাগল্ল মাছৰ কাঁইট পুৰি তেলেৰে মিশ্রিত কৰি লগালে ভাল হ'ব।

গল বেৰা দৰৱ (বাহুত হয়) ঃ

৮৭২। বগা মহৰ শিং পিহি লগালে ভাল হ'ব।

৮৭৩। তেজমুইৰ শিপা দুই আঙুল বা নীলকণ্ঠ চাৰি আঙুল চোবাই ৰস গিলিব।

গলবেৰা দৰৱ ঃ

৮৭৪। কঠনাৰ শিপা, বৰচাৰ শিপা, য'খাৰ, সোণ বৰিয়ালৰ পাত, তেজমুইৰ ছাল, ঢেকুৰিৰ শিপা সবাকে বটি দিব নাশ হ'ব।

৮৭৫ তেজমুইৰ শিপা, বনজবাৰ ছাল, মনিছাল তিনিওকো বটি বাজে লিপি দিব গলবেৰা গল কাতিকা গুছে।

৮৭৬। বগা আগিয়াচিতাৰ শিপা পিহি ঘৃত সহে খাব। বা বিহমনা গুটি শ্যামা কচু বটি লিপি দিব।

৮৭৭। গলবেৰা বেমাৰ হ'লে অৰেশ চন্দন, ঢেকীয়াৰ ঠোৰ ঢেকীয়াৰ আলু বটি লিপি দিব।

গৰুৰ গলবেৰা ঃ

৮৭৮। তেজমুইৰ শিপা, বৰ জবাৰ ছাল, মনি চাল তিনিওকে বটি বাজে লিপি দিব। গলবেৰা গল কতিকা গুচে।

গোমা ব্যাধি (লিংগত হয়, পুজ ওলায়) ঃ

৮৭৯। ঘিলা গুটি, জামুৰ ৰস, হাইঠাৰ শুকান ছাল, আদাৰ গুৰি, পুলি কাইটৰ মূল, লোণ, জালুক, পিপলি সমে বটি খুৱাব। ভাল হ'ব।

কৰতিয়া বেমাৰ (হাতত ও ভৰিত হয়) ঃ

৮৮০। মোৱা মাছ, যম লাখুটিৰ গুটি, দেওতৰাৰ মূল সবাকে বটি দিব। ভাল হ'ব।

কলাগুটিয়া বেমাৰ (নাভীৰপৰা হয়) ঃ

৮৮১। ধনা বাহেক, ভুঁই তিতা, আদা, সোলোং টেঙা, তেজমুই শিপা, য'থাৰ সবাকে বটি খালে ভাল হ'ব। অপথ্য- চেচাঁ পানী।

খল্লা বেমাৰ (ছালত হয় ক্ৰমে বাঢ়ে) ঃ

৮৮২। আগিয়াচিতাৰ শিপা বটি বাহিৰেই লিপি দিব লাগে। ভাল হয়।

অংগমা বেমাৰ (পেটত হয়) ঃ

৮৮৩। কোবা ভাতুৰীৰ শিপা বটি দিলে ভাল হয়।

হেঙেৰা বেমাৰ (ভৰিত হয়, ফাটে) ঃ

৮৮৪। বুটমাহৰ শিপা, লাহে লতাৰ এঠা সমে দিলে ভাল হ'ব।

সূচিবেথ, বেমাৰৰ দৰব ঃ

৮৮৫। কুমজেলেকুৰা পুৰি ছাই কৰি শিহু তেলেৰে দিব।

টংকা ব্যাধিৰ দৰব ঃ

৮৮৬। বান্দৰদেবাৰ ছাল বটি দিলে ভাল হয়।

মেহুৰা বেমাৰ (ভৰিৰ বুঢ়া আঙুলিত হয়) ঃ

৮৮৭। মৰাণ আদা বটি দিব। পিছদিনা পুঁজ বাহিৰ কৰি দিব ভাল হ'ব।

লেহুৰা বেমাৰ ঃ

৮৮৮। কুমাৰণিৰ বাঁহ বটি দিলে ভাল হয়।

কুমতিয়া বেমাৰৰ দৰব ঃ

৮৮৯। আঁহতৰ মৰা ছাল, কনুৰাৰ ঠেং দুয়োকো পুৰি [illegible] দিব। ভাল হ'ব।

এৰাঁ দৰব ঃ (Foustaxis)

৮৯০। তেতেলী পাত খুন্দি ৰস উলিয়াই [illegible] ভাল হ'ব।

৮৯১। মাটি কান্দুৰী আগ, মাগুৰ মাছ, [illegible] চকুত পানী দি গধূলি সিজাই থৈ পুৱা খাব।

৮৯২। দ্ৰোণৰ শাক ভাজি খাব।

৮৯৩। পুৰণি ঠেকেৰাৰ ৰস, কল্পবাকল্পি খাৰনি, পুৰণি গুৰ, তিনিওকে সমানে লৈ জোল কৰি খাব।

৮৯৪। বাহেক পাতৰ ৰস ৫ তোলা আৰু মৌ পাঁচ তোলা খাব।

৮৯৫। পানী লাওৰ পাতৰ ৰস ১ ছটাক, কেঁচা হালধিৰ ৰস, গুৰ, কল বাকলিৰ খাৰনি সবাকে পগাই খালে ভাল হয়।

৮৯৬। তিতা কেৰেলাৰ পাতৰ ৰস ১০ তোলা পুৰণি গুৰ ২ তোলা মিলাই খাব।

৮৯৭। কঠালৰ শুকান ডিলা পুৰি পানীত তিয়াই খাব তুলি খাব।

৮৯৮। শতমূলৰ শিপা, সোণ ৰবিয়ালৰ শিপা, পুৰণি ঠেকেৰা তিনিওকো বাটি ৰস খাব।

৮৯৯। খাটি সৰিয়হৰ তেল পানীত মিহলাই ২/৩ বাৰ শুঙিব।

৯০০। লাই জাবৰি আৰু হাচিয়তি পাত পাতত দি তপতে তপতে তাৰ ধোঁৱা শুঙিলে ভাল হয়।

৯০১। ডালিমৰ ফুল শুঙিব।

৯০২। ঘূণেখোৱা বাঁহৰ গুৰি (শাওডাৰৰ দৰে) তাক নাকেৰে শুঙিব।

৯০৩। আমলৈ পকন্বাৰ টোপ খাব আৰু নাকেৰে শুঙিব লাগে।

৯০৪। ডালিমৰ ফুলৰ ৰস নাকেৰে শুঙিব লাগে। নাইবা বিশল্যকৰণীৰ পাত খুন্দি নাকেৰে তাৰ ৰস শুঙিব। এৰাঁ ভগা তেজ ওলোৱা বন্ধ হ'ব।

৯০৫। বাওধানৰ শিপা নাকেৰে শুঙিব।

৯০৬। ৰবাব্জি বুকুৰা নাকেৰে তিনিবাৰ শুঙিব।

৯০৭। কিচ্‌মিচ্‌ পানীত সিজাই সেই পানীৰ লগত চেনি মিলাই নাকেৰে উজালে তেজ বন্ধ হয়।

৯০৮। কুঁহিয়াৰৰ ৰস নাইবা হাড়জোৰা লতাৰ ৰস নাকেৰে উজালে তেজ বন্ধ হয়।

৯০৯। মিঠা আঙুৰৰ ৰস নাকেৰে শুঙিলে তেজ ওলোৱা তৎক্ষণাত ভাল হয়।

৯১০। পুৰণি আমৰ গুটিৰ মজ্জাটো খুন্দি জুইত পুৰি তাৰ ধোঁৱা নাকেৰে উজাব। তেজ ওলোৱা বন্ধ হ'ব।

৯১১। গৰুৰ গাখীৰত ফিট্‌কিৰি মিহলাই নাকেৰে শুঙিব। ভাল হ'ব।

এৰাঁৰ মন্ত্ৰ ঃ

৯১২। আলুপাতে এৰাঁ দি ঘৰ লিপো, এৰাঁ বোলে জাত, নাথাকিবি তাত, হৰ বিষ হৰ আমুকাৰ এৰাঁ জাৰো পানী উঠি পৰ।। তেল আৰু পানী জাৰি খাব।

নিদ্ৰা অহাৰ দৰৱ (Insomnia) ঃ

৯১৩। সৈন্ধৱ লোণ আঙ্গাত দি সেই আঙ্গা পিন্ধিনা খাব।

৯১৪। নীলোৎপল, নাগেশ্বৰ উলিয়াই নিৰ্মল কৰি চকুত দিব। নিদ্ৰা হ'ব।

৯১৫। মহৰ শিংৰ চন্দন আৰু কোমোৱাৰ সমজোখে ৰস উলিয়াই মৰ্দন কৰি দুয়ো কাৰলতি আৰু পিঠিত লেপ দিব।

৯১৬। মানিমুনি শাক দিলে ২০০ গ্ৰামকৈ আহাৰৰ লগত তৰকাৰী কৰি দিনে দুবাৰ খাব। নাইবা সৰ্পগন্ধাৰ শিপাৰ ৰস প্ৰায় ২০ গ্ৰাম উলিয়াই তাত সামান্য পানী মিশ্ৰণ কৰি আহাৰ খোৱাৰ আধা ঘণ্টাৰ পাছত খাব। দিনে ২ পালি খাব।

সৰু ল'ৰা-ছোৱালীয়ে টোপনিত থক্‌মকোৱা দৰৱ :

৯১৭ বগা অপৰাজিতাৰ পূৰ ফলৰ শিপা আনি কেঁচা এৰী সূতাৰে ডিঙিত বান্ধি দিব।

৯২৮। অলপ গুৰৰ লগত পিপলি গুড়ি ২০ গ্ৰাম মিলাই খুৱাব।

৯১৯। নেমুৰ ৰস ভাল সৰিয়হৰ তেলেৰে সৈতে ভৰিৰ তলুৱাত সানিব।

৯২০। চেনি, দৈ আৰু কাঁজী মিহলাই খালে ভাল টোপনি আহে।

৯২১। টেঙেচী টেঙাৰ ৰস ২০০ গ্ৰাম ১০০ গ্ৰাম গাখীৰৰ লগত খালে নিদ্ৰা আহে।

হড়াৰ দৰৱ :

৯২২। কঠনা ফুলৰ শিপাৰে ৩ খন তামোল খাব। ভাল হ'ব।

হাড় ভঙা দৰৱ :

৯২৩ হাড় ঘুনুচা গুটি, [illegible] [illegible] মিহি কৰি বাটি হাড় ভগা ঠাইত ভালকৈ বান্ধি দিব ভাল হ'ব।

৯২৪। এডালিয়া কচু, কলিয়া লতা, সৰু মানিমুনি মিহি কৰি বাটি বান্ধিব। বিৰ ভাল হ'ব।

৯২৫। বুৰকি বেপুৰ অলপ পৰিমাণ, (জৰী জাতীয় বন) বগা বঙৰ, কলা হালধি ১০০/২০০ গ্ৰাম, যাই (কুচেৰে) বন কিছু পৰিমাণ কলা বঙৰ। একেলগে মিহলাই পিহি গুৰি কৰি বান্ধি দিব।

হাড়াৰ ঔষধ :

৯২৬। কঠনা ফুলৰ শিপা ৩ খন তামোলৰ লগত খাব ভাল হয়।

শুকানি হাড়া :

৯২৭। বগা আৰক চন, ভুমি চম্পা, ৰাম কেতুৰি সবাৰে মূল বাটি খালে ভাল হয়।

টেকেলি হাড়া :

৯২৮। সুন্দৰ পলাশৰ শিপা জালুক ৩ টাৰে সমে বাটি খাব ভাল হয়।

বহোৱা হড়াৰ দৰৱ :

৯২৯। সহডেউ লতাৰ ৩ টা মূল, জালুক ১১ টা সমে বাটি খালে ভাল হ'ব।

পদ্ম হড়াৰ দৰৱ :

৯৩০। নাংগল ভংগাৰ শিপা, জালুক ৩ টা সমে বাটি খালে ভাল হ'ব।

চাম হড়াৰ দৰব ঃ

৯৩১। লেঠা গছৰ শিপা, তিতা গছৰ শিপা জালুক ৭ টা সমে বটি খালে ভাল হ'ব।

বক্ত হাড়ৰ দৰব ঃ

৯৩২। চকলা টেঙাৰ গুটি, চাউলৰ গুৰি, নেমুটেঙাৰ গুটি বটি গৰম কৰি খাব।

৯৩৩। জাতি বাঁহৰ কুঁহিৰ ৰস, জালুক ২১ টা লোপ দি গৰম কৰি খাব।

জল হাড়ৰ দৰব ঃ

৯৩৪। বাহেকৰ গুটি, সোলেং টেঙাৰ ৰস, পিপলি, ৰ'খাৰ, কলা গৰুৰ মুত, মহানিমৰ পাত সবাকো খুন্দি মংগলবাৰে এক দণ্ড বেলি উঠাতে খাব।

হাড়ৰ দৰব ঃ

৯৩৫। মলাখুটিৰ আলুৰ ৰস একবৰ্ণ গৰু গাখীৰেৰে খাব।

৯৩৬। কুমলীয়া মাটি কঠাল, পানী খুতুৰা মাগুৰ মাছৰ সৈতে বান্ধি ৩ দিন খাব।

কুসুম হাড়ৰ দৰব ঃ

৯৩৭। সোণবৰিয়াল মূল চকৰ খুলা, জাইফল সবাকো বটি খাব।
(লক্ষণ ঃ চকু, গা, ক্ষুদ্ৰশৌচ হালধিয়া হয়)

তেজ পানী হাড়ৰ দৰব ঃ

৯৩৮। টিকনিবধাৰ শিপা ৫ খন তামোলত খাব।

কোম হাড়ৰ দৰব ঃ

৯৩৯। তেজমুৰীয়া ছাল ও পাত, কণাহৰ গুটি, পচতিয়াৰ পাত সবাকো ভাজি উৰিধান পিঠা ১ ছটাক জালুক ৮ টা সমে খাব নাশ হ'ব।

কলহীয়া হড়াৰ দৰব ঃ

৯৪০। সুন্দৰ পশাৰ শিপা, জালুক ৩ টা সমে বটি খাব। ভাল হ'ব।

সোপা হড়াৰ দৰব ঃ

৯৪১। সোণ বৰিয়ালৰ শিপা, জালুক ১০ টা, পিপলি ১০ টা সমে বটি গাই গাখীৰেৰে খাব। (পেট চলিব। ভাল হ'ব)

তেজ হড়াৰ দৰব ঃ

৯৪২। মৌ সৰালি পাতত দি থৈ পুৱা ৰস উলিয়াই গৰুৰ গাখীৰেৰে খাব। ভাল হ'ব।

৯৪৩। মৌ সৰালি পাতত দি থৈ পুৱা ৰস উলিয়াই গৰুৰ গাখীৰেৰে খাব। ভাল হ'ব।

৯৪৪। তিতা ভেকুৰীৰ শিপা ছাগলী গাখীৰৰ লগত মিলাই আধা পোৱা কৰি খোৱাৰ

আগত খাব। অম্লা, টেঙা নিষেধ।

মঘু হাড়ৰ দৰৱ :

৯৪৫। কেহাৰাজৰ বস গাখীৰ সমে ৩ দিন খাব।

গা– হুৰাৰ দৰৱ :

৯৪৬। কুত্তাই বেঙেনাৰ শিপা, টং লতিৰ শিপা, চুৰাতৰ ৰস, লোণ জালুক দি গৰম কৰি খাব।

৯৪৭। গুমনি পানীফেন, কুমজেলুকা, কল গছৰ কেচু, নৰসিংহ শিপা সবাকো ৰূপৰ তাবিজত ল'ব।

হুৰি যোৱাৰ দৰৱ :

৯৪৮। কপাহি শিমলুৰ পাত চেঙেলি মাছেৰে সিজাই ৰস খাব। বা ভলুকা বাঁহৰ কোমল চুঁলিৰ ৰস, পিপলি লোণ দি গৰম কৰি ৰস খাব। বা ফুটকলাৰ শিপা ৩ টাৰ ৰস লোণ জালুক দি গৰম কৰি খাব।

তেজ প্ৰসাৱ হ'লে :

৯৪৯। তুলসী পাতৰ ৰস ২৫ গ্ৰাম মিছিৰিৰ লগত খাব লাগে।

হোলা হাগুৰিয়া :

৯৫০। বৰ জামুৰ ছাল, মিঠা আমৰ ছাল, আমলখিৰ ছাল, অমৰাৰ ছাল, শিলিখাৰ ছাল, ১৮ টা জালুক, মৌশৰালি পাত, মেটেকাৰ শিপা মিহিকৈ বাটি (পানী ছটিয়াইলৈ) ৰস উলিয়াই কিঞ্চিত নিমখ দি কুহমীয়া গৰম কৰি খাব।

হাগণি বা খৰাহি : (Diarrhea)

৯৫১। তিনিপটীয়া নাংগল ভংগাৰ শিপা, জালুক ৯ টা, পিপলি ৬ টা সমে বাটি খালে ভাল হ'ব।

৯৫২। দুতোলা মাখন, আধাতোলা চেনি মিলাই খালে তেজ পৰা গুচে।

৯৫৩। পুলি তেতেলীৰ পাত খুন্দি ৰস তপতাই খালে ভাল হয়।

৯৫৪। কেঁচা বেল পোৰা, তিলৰ গামী সমানে গৰুৰ দৈ গাখীৰৰ লগত খাব।

৯৫৫। কেঁচা বেল পোৰা গুৰ বা মিছিৰিৰ লগত খাব লাগে।

৯৫৬। পুৰণি বৰ ঠেকেৰাৰ গুটি বাটি লোণ, তেল দি সানি খাব।

৯৫৭। ভেদাই লতাৰ পাত, গছ জোল কৰি খাব।

৯৫৮। জামু পাতৰ ৰস বা মিঠা আমৰ ছালৰ ৰস ছাগলী গাখীৰৰ লগত খাব।

৯৫৯। ডালিমৰ পাতৰ ৰস, ভৃংগৰাজৰ ৰস আৰু দদুখৰি ছালৰ লগত বাটি খালে ভাল।

পেটৰ ৰোগ– পেট চলা : (Diarrhoea)

৯৬০। এচামুচ আদাৰ ৰস আধা কাপ গৰম পানীত দি খালে ভাল হয়।

৯৬১। মিছিৰিৰ লগত পিপলি গছৰ ছাল মিহলাই খালে ভাল হয়।

৯৬২। কল আৰু কৰদৈ মিহলাই খাব।

৯৬৩। শিলিখা আৰু পিপলি সম পৰিমাণে ১০০ গ্ৰামকৈ লৈ পানীত গৰম কৰি খাব।

৯৬৪। পকা বেলৰ সাহ দৈৰ লগত মিলাই খালে উপকাৰ পাব।

৯৬৫। ছাগলী গাখীৰৰ লগত সুৰ্মথিৰা টেঙা মিলাই খালে সৰু ল'ৰাৰ পেট চলা ভাল হয়।

৯৬৬। ছাগলী গাখীৰৰ লগত জামুৰ পাত ৫/৬ খিলা মিলাই খালে ভাল হয়। এই দৰৱ দিনে দুবাৰকৈ খাব।

৯৬৭। একাপ মাখনত মৌ দি খাব লাগে। জিৰা আৰু চেনি পিহি মাখনৰ সৈতে খালে অতিসাৰ (পেটচলা) ভাল হয়।

৯৬৮। শুকান আমলখিৰ গুড়ি কৰি তাত ক'লা নিমখ মিহলাই ঠাণ্ডা পানীৰে সৈতে খালে অতিসাৰ (পেটচলা) ভাল হয়।

৯৬৯। আমলখি খুন্দি নাভীৰ চাৰিওফালে দি আদা এডোখৰ খুন্দি ৰাখিলে অতিসাৰ ৰোগ ভাল হয়।

গ্ৰহণী :

৯৭০। পুৰণি বেলৰ সাহৰ লগত দৈ মিহলাই খালে পুৰণি সঞ্চিতা বেমাৰ ভাল হয়।

৯৭১। ক'লা তুলসীৰ ৰস ১০ গ্ৰাম সমান পৰিমাণৰ চিৰতা তিতা খালে যথেষ্ট আৰাম পোৱা যায়।

৯৭২। কেঁচা পিঁয়াজ খুব ভাল ধৰণে খুন্দি ছাগলীৰ দৈৰ লগত খালে এই ৰোগ ভাল হয়।

৯৭৩। মেথি গুটি খুন্দি দৈ গাখীৰৰ লগত খাব।

৯৭৪। বগালী এড়া গছৰ দক্ষিণ ফালৰ এফুটমান ওপৰত কটাৰীৰে বিন্ধা কৰি তাৰ ৰস উলিয়াই সেই ৰস এচামুচ আৰু পানী আধা চামুচৰ লগত খাব।

৯৭৫। জামুৰ ৰসত ছাগলীৰ গাখীৰ মিহলি কৰি খাব (৫০ গ্ৰামকৈ)

৯৭৬। আমলখি, আম আৰু জামুৰ পাত ১০০ গ্ৰাম লৈ মৌ জোল মিলাই ছাগলী গাখীৰৰ লগত খাব।

৯৭৭। ডালিম গছৰ ছাল খুন্দি ১০/১৫ গ্ৰাম ৰস খাব।

৯৭৮। চুণৰ পানীৰ লগত ২/৩ খিলা হালধি পাত ৰস মিলাই দিনে দুবাৰকৈ খালে তেজ গ্ৰহণী ভাল হয়।

৯৭৯। অমৰাৰ ছাল চাৰি ইঞ্চি দীঘল আৰু সিমান বহল লৈ ভাল ধৰণে খুন্দি তাৰ ৰস

খাব ১০০ গ্ৰাম ছাগলী গাখীৰৰ লগত।

অম্লশূল ঃ (Aeidity)

৯৮০। আমলখিৰ ৰস ২০ গ্ৰাম মৌৰ লগত মিহলাই দিনৌ খালে এই ৰোগ ভাল হয়। আমলখিৰ ৰস এই ৰোগৰ সৰ্বশ্ৰেষ্ঠ দৰৱ বুলিব পাৰি।

৯৮১। ভীম কলৰ ভিলৰ লগত চেনি আৰু ইলাচি দি খালে ভাল ফল পোৱা যায়।

৯৮২। গাজৰৰ ৰস আৰু মূলাৰ তৰকাৰী এই ৰোগত উপকাৰী।

৯৮৩। পিঁয়াজৰ ৰস ৫০ গ্ৰাম ভাল গৰুৰ গাখীৰৰ লগত দিনে তিনিবাৰকৈ খালেও এই ৰোগ নাশ হয়।

৯৮৪। কেঁচা হালধিৰ ৰস চেনি মিলাই খালে এই ৰোগ নাশ হয়।

৯৮৫। ডাব নাৰিকলৰ পানী খালে পেটৰ জ্বলা পোৰা আৰু বিষ কমে।

অজীৰ্ণ (Apesia dyspepsia) ঃ

৯৮৬। এটা পিঁয়াজ কাটি তাত নেমুৰ ৰস চেপি আহাৰৰ লগত খালে অজীৰ্ণ ৰোগ ভাল হয়।

৯৮৭। জালুক আৰু তুলসীৰ পাত প্ৰত্যেকৰে তিনি চাৰিটাকৈ চোবাই খালে অজীৰ্ণ ৰোগ ভাল হয়।

৯৮৮। দুচামুচ মৌৰ লগত চাৰি চামুচ আমলখিৰ ৰস আৰু চাৰি চামুচ মাটিকঠালৰ ৰস মিহলাই খালে ভাল হয়। এই দৰৱ ৰাতি আৰু ৰাতিপুৱা খোৱাৰ পাছত খাব।

৯৮৯। ২৫ গ্ৰাম শুকান শিলিখা ২৫ গ্ৰাম জালুক মিহলাই নিমখৰ লগত পিহি আধা চামুচকৈ ৰাতি আহাৰ খোৱাৰ পাছত খাব।

৯৯০। শিলিখা, পিপলি, সৈন্ধৱ নিমখ ১৫ গ্ৰাম মিহলাই দিনে দুবাৰকৈ খাব।

৯৯১। দোৰোণ শাক পাজত দি বা তৰকাৰী কৰি খালে অজীৰ্ণ ভাল হয়।

৯৯২। এগিলাচ পানীত ১০ গ্ৰাম চকগুটি, পাঁচ গ্ৰাম পুৰণি আমলখিৰ ৰস এৰাতি তিয়াই থৈ পিচদিনা ৰাতিপুৱা ভালদৰে চেকি ক'লা নিমখ মিহলাই খাব।

৯৯৩। মৰাণ আদাৰ ৰস, আমলখিৰ ৰস সমানে মিলাই খাব। ১০ দিন একেৰাহে খাব।

বমি (Vomitting) ঃ

৯৯৪। চেনিৰ লগত আমলখিৰ ৰস মিহলাই খালে বমি হোৱা বন্ধ হয়।

৯৯৫। আঁহত গছৰ ছালৰ খাৰ প্ৰস্তুত কৰি ব্যৱহাৰ কৰিলে বমি বন্ধ হয়।

৯৯৬। গুলঞ্চৰ ৰস মৌৰ লগত খালে বমি বন্ধ হয়।

৯৯৭। এচামুচকৈ মৰাণ আদা আৰু পিঁয়াজৰ ৰস মিহলাই খুৱাব।

৯৯৮। ৰক্ত বমি (তেজ বমি) হ'লে ধনিয়া পিহি খুৱাব।

৯৯৯। গৰ্ভধাৰনত বমি হ'লে ধনিয়া ৰস পানীত মিহলাই খুৱাব।

১০০০।পদিনাৰ ৰস আৰু নেমুৰ ৰস খালে সোনকালে বমি বন্ধ হয়।
১০০১।ভেকুৰি তিতা ২৫ গ্ৰাম আৰু মৰাণ আদা এডোখৰ পিহি খালেও বমি বন্ধ হয়।
১০০২।মৌ জোলৰ লগত এচামুচ গাজৰ ৰস দি খুৱাব।
১০০৩। লং, তুলসী পাত, মৌ তিনিওটা সমান পৰিমাণে লৈ বমি হ'লে খুৱাব। বমি বন্ধ হ'ব।
১০০৪। বমি বন্ধ হ'বৰ বাবে শিলিখা গুড়ি আৰু মৌ মিহলাই খুৱাব।

উফি গুছাৰ দৰৱ ঃ

১০০৫। পুণিৰ শিপা পুৰি খাৰণি সকলোই মূৰ ধুব। ভাল হ'ব।
১০০৬। চোকা কল খাৰনিৰে, মাত্তিমাহ গুলগুলীয়াকৈ সিজাই মূৰ ধুব। উফি যাব।
১০০৭। কনক ধতুৰাৰ শিপা আৰু গন্ধক আদাৰ ৰসেৰে বটি ঘঁহিব। ভাল হ'ব।
১০০৮। মূলাৰ গুটি পানীৰে বটি লেপ দিলে ভাল হয়।
১০০৯। বিশুদ্ধ নাৰিকল তেলে উফি নাইকিয়া কৰে।

ওকনি মৰা দৰৱ ঃ

১০১০। দুপৰীয়া টেঙাৰ কেইখিলামান পাত খুন্দি মূৰত লেপ দি থলে ওকনি মৰে।
১০১১। মহানিমৰ পাতেৰে মূৰ ধুলে ওকনি মৰে।
১০১২। আটলাচ গছৰ কুঁহি পাতেৰে মূৰ ধুলে ওকনি মৰে।
১০১৩। পাণ বা পিঁয়াজৰ ৰস মূৰত লিপিলে ওকনি মৰে।
১০১৪। মহাভৃংগৰাজৰ পাত খুন্দি মূৰত লিপিলে ওকনি মৰে।
১০১৫। ৰাতি শোৱাৰ সময়ত ভৰিৰ তলুৱাত পাণৰ ৰস সানি শুলে ওকনি মৰে।
১০১৬। ধতুৰা পাতৰ ৰস মূৰত সানিলে ওকনি মৰে।
১০১৭। আমলখি আৰু গোল নেমুৰ ৰস সমানে মিলাই তাত কুহমীয়া পানী দি সেই পানীৰে মূৰ ধুলে ওকনি নাশ হয়।

ওকনি মৰা আৰু টকৌৰে খোৱা ঃ

১০১৮। ভাল বুঢ়া পান, ১ সেৰ মান মিহিকৈ বটি মূৰত বান্ধিব। ওকনি ধ্বংস হ'ব।
১০১৯। শিলিখা গুটি, ভোমোৰা গুটি, তিতা ভেকুৰী খুন্দি মিহিকৈ বটি মৌজোলৰ লগত মিহলাই পুৰা গধূলি ঘঁহিব।
১০২০। পিঁয়াজৰ ৰসেৰে মূৰ ধুব। নিমপাত, চিৰতা আদি খোৱাৰ উপৰিও মূৰত বান্ধি থব লাগে। ওকনি মৰে।
১০২১। আমলখি আৰু গোল নেমুৰ ৰস মিহলাই অলপ কুহমীয়া গৰম পানী মিলাই মূৰ ধুব লাগে।
১০২২। দুপৰীয়া টেঙাৰ তিনিখিলা পাত খুন্দি মূৰত বান্ধি থব লাগে।

১০২৩। শোকোতাৰ (মৰাপাত) গুটি বাটি লেপ দিব।
১০২৪। চম্পা ফুলৰ পাতৰ ৰস চুলিত সানি থব।
১০২৫। নিমৰ পাত আৰু তিতাভাৰ পাত খাব আৰু ছয় সাত ঘণ্টা মূৰত বান্ধি ৰাখিব।

টকৌৰে খোৱা ঃ

১০২৬। গড়ৰ ছাল পিঁহি চুলি সৰাৰ ঠাইত সানিব।
১০২৭। চালৰ মৰা কাঁইট, ফোট তিতাপাত, কাউৰীয়ে খোৱা কেকোৰা খোলা, জাও বনৰ পাত, আনি বাটি খুৱাব।
১০২৮। ধতুৰা পাতৰ ৰস মূৰত ঘঁহিব।
১০২৯। অসমীয়া পিঁয়াজ এটা ফালি তাক মূৰত খুউব ঘঁহিব লাগে যাতে পিঁয়াজ ডোখৰ গৰম হৈ যায়।
১০৩০। নহৰু কেইফুটামান পিহি লগাব লাগে।
১০৩১। হাতী দাঁতৰ ছাই তিল তেলৰ লগত মিহলাই মূৰত প্ৰলেপ দিব। ভাল হ'ব।
১০৩২। মহা ভৃংগৰাজৰ পাত খুন্দি মূৰত লিপি থব নাইবা মহাভৃংগৰাজৰ তেল ব্যৱহাৰ কৰিব।
১০৩৩। শেৱালী ফুলৰ গুটি ভালদৰে খুন্দি মূৰত প্ৰলেপ দিলে চুলি গজে।
১০৩৪। ভেকুৰী গুটি ৮/১০ টা খুন্দি মৌ জোলসহ ৪/৫ ঘণ্টা মূৰত লিপি থব লাগে।
১০৩৫। ভোমোৰা গুটিৰ বাকলি গুৰি কৰি টকৌৰে খোৱা ঠাইত সানিব লাগে।
১০৩৬। টকৌৰে খোৱা ঠাইত সামান্য পিন এটাৰে খুচি কেইটামান লাটু মণি গুটি পিহি লগাই দিব লাগে।
১০৩৭। ঘূৰণীয়াকৈ কাজি নেমু কাটি তাৰ ৰস সানিব। ৪ দিনত ভাল হ'ব।

দাঁতৰ পোক মৰাৰ দৰৱ ঃ

১০৩৮। ধতুৰাৰ শিপা, কাজি সমে খালে দাঁতৰ পোক মৰে। (সেপ নিগিলিব)।
১০৩৯। মালভোগ কলৰ গেলা, বৰ কচুৰ গেলা, বগা নহৰু, কণি বিহৰ গুটি, সবাকো পিহি তপতাই গালত লগাই দিব। পোক নাশ হ'ব।
১০৪০। খৰুৱা বেঙেনাৰ পাত, চুঙা এটাত ভৰাই পানী দি পুৰিব তাৰ ধোঁৱাটো মুখত ল'ব। একেদিনাই ভাল হ'ব।
১০৪১। মালভোগ কলৰ গেলা, মধুনাৰ দুই চামুচমান, চাৰি-পাঁচ ফুটা নহৰুৰ লগত মিলাই পোকে খোৱা গালত বান্ধি দিব।

দাঁত কলাৰ দৰৱ ঃ

১০৪২। কর্পূৰ, মৰিচ, দুয়োকে মিহিকৈ বাটি লিপি দিব, ভাল হ'ব।

দাঁতৰ পায়েৰীয়া :

১০৪৩। কঠালৰ ডিলা পুৰি তাৰ ছাই দাঁতৰ আলুত ঘঁহিব লাগে।

১০৪৪। মছন্দীৰ পাঁচটা আগ (সৰু সৰু ল'ৰা-ছোৱালীৰ হ'লে কম) নিমখ আৰু জালুক দি চাৰি ভাগ কৰি এভাগ চাকিলে খাব।

১০৪৫। বগুলী এৰাৰ আঠাৰে দাঁত ঘঁহিলেও ভাল হয়।

১০৪৬। তেজমুৰা গছৰ ছালৰ গুৰি কৰি দাঁত ঘঁহিলে একেবাৰে ভাল হয়।

১০৪৭। ভলুকা বাঁহৰ লেকেচিৰ কোমল অংশ পুৰি নিমখ লগাই লাহে লাহে বিষ উঠা দাঁতেৰে কামুৰি থাকিব লাগে।

১০৪৮। ভীমকলৰ পাতৰ মাজৰ কেঁচা ঠাৰি এডাল জুইত অলপ সেকি যিমান সময় পৰা যায় বিষ হোৱা দাঁতেৰে কামুৰি থাকিব লাগে।

১০৪৯। হিং এটুকুৰা তপতাই দাঁতেৰে কামুৰি ধৰি থাকিলে বিষ কমে।

১০৫০। বগা লাটুমনিৰ শিপাৰ ৰসেৰে মুখ কুল-কুলিয়াব লাগে।

দাঁতৰ গুৰিয়ে তেজ ওলোৱাৰ দৰব :

১০৫১। কৰদৈ টেঙাৰ শিপা আৰু কেহঁৰাজ শিপা ভালদৰে পিহি দাঁতৰ গুৰিত লগাব।

১০৫২। বগুলী এৰাৰ শিপা দাঁতৰ গুৰিত লগাব আৰু নিয়মীয়াকৈ দাঁত মাজিব।

দাঁত পোকৰ দৰব :

১০৫৩। সোণবৰিয়ালৰ শিপা, তিনিডাল গোটা ৰচুন তিনি ফুটা, মালভোগ কলৰ ওপৰৰ বাকলি গেলা প্ৰায় এক ছটাককৈ, মিহি কৰি বটি মুখ ধোৱাৰ আগতে ৰাতিপুৱা বাহিৰ ফালে লগাই ওপৰ মুৰাকৈ শুৱালেই পোক ওলাই আহিব। সৰু পোক খৰিকাৰে বাচিব।

দাঁতৰ বিষ :

১০৫৪। বগা লাটুমনি প্ৰায় এশ গ্ৰাম শিপা খুন্দি মুখ কুল-কুলিয়াব আৰু শিপাৰে দাঁত ঘঁহিব লাগে।

দাঁত পোকে খোৱাৰ দৰব :

১০৫৫। বগা লাটুমনি প্ৰায় এশ গ্ৰাম শিপা খুন্দি মুখ কুল-কুলিয়াব আৰু শিপাৰে দাঁত ঘঁহিব লাগে।

দাঁতৰ গুৰি উখহা :

১০৫৬। বগুলী এৰা গছৰ প্ৰায় এশ গ্ৰাম ৰস উলিয়াই নিমখ মিহলাই গৰম পানীৰে মুখ কুল-কুলিয়াব লাগে।

দন্ত ক্ষয় ৰোগ ঃ

১০৫৭। দোৰোন পাতৰ ৰসেৰে মুখ কুলকুলি কৰিব লাগে দিনে তিনি বাৰকৈ।

দাঁত বিষ ঃ

১০৫৮। বকুল গছৰ ছালৰ ৰসেৰে মুখ কুলকুলিয়াব দাঁতৰ বিষ আৰু দাঁতৰ যিকোনো ৰোগ ভাল হয়।

১০৫৯। মৰাণ আদা খুন্দি দাঁতেৰে চোবাই কিছু সময় বিষ হোৱা দাঁতৰ গুৰিত দিলে বিষ দূৰ হয়।

১০৬০। ভলুকা বাঁহৰ লেকেচিৰ কোমল অংশ পুৰি নিমখ লগাই লাহে লাহে বিষ উঠা দাঁতেৰে কামুৰি থাকিব লাগে।

১০৬১। ভীমকলৰ পাতৰ মাজৰ কেঁচা ঠাৰি এডাল জুইত অলপ সেকি যিমান সময় পৰা যায় বিষ হোৱা দাঁতেৰে কামুৰি থাকিব লাগে।

১০৬২। হিং এটুকুৰা তপতাই দাঁতেৰে কামুৰি ধৰি থাকিলে বিষ কমে।

১০৬৩। বগা লাটুমনিৰ শিপাৰ ৰসেৰে মুখ কুল-কুলিয়াব লাগে।

১০৬৪। নিলাজী বনৰ পাত খুন্দি দাঁতত লগাব। সদায় ব্যৱহাৰ কৰিলে দাঁত স্থায়ী হ'ব শতকৰা ১০০ ভাগেই প্ৰমাণ।

১০৬৫। চাৰি/পাঁচটা পচতিয়াৰ পাত চোবাই ১০/১৫ মিনিট পাছত পেলাই দিব। তিনিদিনমান তেনে কৰিলে ভাল হয়।

১০৬৬। লফা শাকৰ শুকান ঠাৰি পুৰি মিঠা তেলৰ লগত মিলাই ৰাতিপুৱা দাঁত ঘঁহিব। তিনিদিন।

১০৬৭। তেজমুৱী গছৰ ডালেৰে দাঁত ধুব। ভাল পাব।

দাঁত পোকে খোৱা ঃ

১০৬৮। এটা মাটিৰ পাত্ৰত শুকান আকন্দৰ আঠা ৰাখি সামান্য পানী ঢালি সেই পানীত কপাহ তিয়াই দাঁতত কিছু সময় লগালে দাঁতৰ পোক মৰে আৰু বিষ নাইকিয়া হয়।

১০৬৯। কেঁচা হালধি জুইত পুৰি দাঁত মাজিলে বা দাঁতত লেপ দি থলে দাঁতৰ পোক মৰে।

১০৭০। তিতা ভেকুৰীৰ গুটি ২০ টামান খুন্দি তাক বাঁহৰ চুঙাৰদ্বাৰাই চুৰট খোৱাদি ধোঁৱাখিনি মুখত কিছু সময় ৰাখিলে দাঁতৰ পোক মৰে।

১০৭১। পিপলিৰ গুৰি, ঘিঁউ আৰু মৌত সানি দাঁত মাজি দাঁতত লগাই থলে দাঁতৰ পোক মৰে।

১০৭২। সিজু গছৰ শিপা খুন্দি বা ভীমকলৰ শিপা খুন্দি দাঁতত লগাই ৰাখিলে দাঁতৰ

পোক মৰে।

১০৭৩। ২/৩ টা লং পিহি দাঁত পোক খোৱা ঠাইত লগাই থলে পোক মৰে।

১০৭৪। সৌৰা গছৰ ঠাৰিৰে দাঁত নিয়মিয়াকৈ মাজিব লাগে।

১০৭৫। বণ্ডালী এবাৰ ঠাবিৰে দাঁত মাজিব লাগে আৰু ইয়াৰ আঠা পোকে খোৱা ঠাইত লগাব লাগে।

বোন্দা ৰোগৰ দৰৱ :

১০৭৬। ১ সেৰ ঘিঁউ গুৰ ১ সেৰ, লাই গুটি ১০ (দহ) টকা, আদা, জালুক, হিং সবাকো লিপি দিব ভাল হ'ব। (ৰ'দত নুকুৰিব)

দাঁত লৰা :

১০৭৭। বকুলৰ গুটি ২/৩ টা চোবালে দাঁত লৰা বন্ধ হয়।

১০৭৮। ভীমকলৰ কেঁচা ঠাৰি এডাল বটি অলপ সময় চোবাই থাকিলে দাঁত ল'ৰা ভাল হয়।

১০৭৯। কেঁচা নিমৰ ঠাৰিৰে দাঁত মাজিব লাগে।

দাঁতৰ গুৰিয়েদি তেজ যোৱা :

১০৮০। দুবৰি বন এমুঠি পিহি মুখত ভৰাই দাঁতেৰে কামুৰি কিছু সময় ধৰি থাকিব লাগে।

দাঁতৰ আলু উখহা :

১০৮১। পুৰা গধূলি ২ বাৰকৈ এৰি তেলৰ লগত কৰ্পূৰ মিহলাই দাঁতৰ গুৰিত লগাব লাগে।

১০৮২। বকুল গছৰ ছাল বা তাৰ ফল পিহি তাৰ ৰসেৰে মুখ কুলকুলিয়ালে এই ৰোগ ভাল হয়।

১০৮৩। ধতুৰা গছৰ পাতৰ ৰসত আফিং মিহলাই মুখ কুলকুলিয়াব লাগে।

১০৮৪। (ক) মহানিমৰ ছাল জুইত পুৰি তাৰ ছাইৰে দাঁত মাজিলে দাঁতৰ বিষ কমে আৰু পূঁজ ওলোৱা বন্ধ হয়।

১০৮৫। (খ) বগা সৰিয়হ বটি দাঁতৰ গুৰিত লিপি দিব লাগে।

কাল কুঠৰ দৰৱ :

১০৮৬। শিলিখা তিনি গুণ, দুৰ্বা, আঠিয়া কলৰ সাৰ, মাণ কচুৰ মুত সবাকে বটি লিপি দিব।

বিবৰ্ণ কুঠৰ দৰৱ :

১০৮৭। আমৰ শিপা বটি ঘিঁউৰে খাব ভাল হ'ব। (টেঙা নাখাব)

১০৮৮। চাল কোমোৰা, খহতা ডিমৰুৰ গুটি, মাগুৰ মাছেৰে ৰান্ধি খাব। ভাল হ'ব।

১০৮৯। বগৰিৰ গুটিৰ শাহ কাটি খাব।

১০৯০। শুকান আদাৰ গুৰি চেঁান এচামুচেৰ লগত খাব।

১০৯১। চাহৰ গুটিৰ শাহ বাটি খাব লাগে।

১০৯২। ছাগলী গাখীৰ পগাই আদাৰ গুৰি দি খাব।

১০৯৩। সোলেং টেঙাৰ ৰস মৌ আৰু ক'লা নিমখ দি খাব।

১০৯৪। হেলমৰ গুটি পানী দি খচি সেই পানী খাব।

১০৯৫। যষ্ঠী মধু আৰু মৌ খাব।

১০৯৬। পলী আৰু চেনি খাব।

১০৯৭। ৰবাব টেঙাৰ ৰস, মৌ আৰু সৈন্ধৱ লোণ দি খাব।

১০৯৮। বৰ এলাচিৰ গুটি আৰু মৌ খাব।

১০৯৯। কলৰ মুঢ়াৰ ৰস, চেনি লগত খাব।

১১০০। মাটি কঠালৰ পাতৰ ৰস, আধা পোৱাত এতোলা মিচিৰি মিলাই খাব।

১১০১। ডালিম ফলৰ ছাল ১০ গ্ৰাম মিহিকৈ খুন্দি এক চামুচ চেনি মিহলাই খালে হেকৌটি বন্ধ হয়।

১১০২। মিহিকৈ আদা এটুকুৰা চৰ্ব্বলিয়াই খালে সকলো প্ৰকাৰ হেকৌটি বন্ধ হয়।

১১০৩। পিপলিৰ গুৰি মৌৰ লগত কেইদিনমান খালে দীৰ্ঘদিনীয়া হেকৌটিও ভাল হয়।

১১০৪। হালধিৰ গুড়া চিলিমত লৈ তাৰ ধোঁৱা টানিলে হেকটি বন্ধ হয।

১১০৫। পিঁয়াজৰ ৰস ২ চামুচ ১ চামুচ মৌ মিহলাই খালে ভাল হয।

১১০৬। পদিনাৰ পাত পিহি মিচিৰিৰ সৈতে খালে হেকটি বন্ধ হয।

জ্বৰ, যক্ষ্মা ব্যাধিৰ দৰৱ ঃ

১১০৭। হিং ১ অনা, মনিছাল ১ অনা পৰিমাণে বটি খালে ভাল হয়।

ঐকয়া জ্বৰ ঃ

১১০৮। ফেঁচাৰ বাঁওফালৰ পক্ষি, আগিয়া চিতাৰ শিপা, ৰঙা, কলা, বগা সূতাৰে ডিঙিত ল'ব মকৰাৰ জালত লগা পখিলা আদি জুৰোৱাৰ তিলৰ তেলেৰে মৰ্দন কৰি চকুত ঘঁহিব।

ডোম জ্বৰৰ দৰৱ ঃ

১১০৯। চেনি, মধু, পিপলি গুৰি, জ্বৰ উঠিলে খাব আৰু কপালত তিলক দিব। গাত মৰ্দন কৰিব।

১১১০। চিৰতা, আমৈলতা, মধু, ৰঙা চন্দন, বিৰিণাৰ মূল ধনীয়া, আদা সবাৰে এতোলা ৰস লৈ চেনি আৰু মৌ দি খাব।

যক্ষ্মা ৰোগৰ দৰব ঃ

১১১১। (ক) দ্ৰোণৰ পাত, তিতা ভেকুৰিৰ পাত, বন জালুক, কেচুমুতা, সবাকো বৰি কৰি খাব।

১১১২। (খ) বগা বাহকৰ আঠ-দহ খন পাত খুন্দি ৰস বাহিৰকৈ তাত সামান্য পানী মিশ্ৰণ কৰি দিনে দুবাৰকৈ খাব। তাৰ উপৰিও দুইটাকৈ পিঁয়াজ খুৱাব।

সুমথিৰা জ্বৰ ঃ

১১১৩। সুমথিৰা টেঙাৰ ৰসৰ লগত পঞ্চাছ গ্ৰাম, অলপ গৰম গাখীৰৰ লগত মিহলাই খাব।

১১১৪। নীলা চজিনাৰ শিপা খুন্দি নাকেৰে শুঙিব।

যক্ষ্মা ৰোগ ঃ

১১১৫। ভীমকলৰ পচলা দিনে একবাৰকৈ একেৰাহে আঠ দহ দিন খাব।

১১১৬। বগা বাহকৰ পাত পঞ্চাছ গ্ৰাম খুন্দি তাত সামান্য পানী মিহলাই দিনে দুবাৰকৈ পোন্ধৰ বিছ দিন খাব। এই দৰৱ অলপ মিল আছে।

জ্বৰ ঃ

১১১৭। কালমেঘৰ ১১/২০ খিলা পাত খুন্দি তাৰ ৰস উলিয়াই দিনে ৩ বাৰকৈ খালে জ্বৰ নাইকিয়া হয়।

১১১৮। ছালকুঁৱৰীৰ পাত খুন্দি মূৰত প্ৰলেপ দিলে জ্বৰ কমে।

যক্ষ্মা ৰোগৰ দৰব ঃ

১১১৯। বগা বাহকৰ আহ-দহখন পাত খুন্দি ৰস বাহিৰ কৰি তাত সামান্য পানী মিহলাই দিনে দুবাৰকৈ খাব। তাৰ উপৰিও দিনে দুটাকৈ পিঁয়াজ খাব লাগে।

১১২০। একাপ আমৰ ৰসত ৫০ গ্ৰাম মৌজোল মিহলি কৰি দিনে ২ বাৰকৈ একেৰাহে এমাহ খালে ভাল হ'ব।

১১২১। কলপাতৰ ৰস ২৫ গ্ৰাম আৰু মৌ ৫০ গ্ৰাম মিশ্ৰণ কৰি খালে যক্ষ্মা ৰোগৰ বীজাণু নাশ হয়।

১১২২। দিনে ২ টাকৈ কেঁচা পিঁয়াজ নিমখৰ লগত খালে যক্ষ্মা ৰোগৰ বীজাণু মৰে।

১১২৩। ২০ গ্ৰাম গাখীৰৰ লগত এটা নহৰু খুন্দি দিনে ১ বাৰকৈ ১৫/২০ দিন একেৰাহে খালে ভাল হয়।

জিকৰি বেমাৰৰ দৰৱ :

১১২৪। **লক্ষণ :** গা খৰাই, ক্ষুদ্ৰ শৌচ কৰোতে ভাগিচিগি যায় আৰু ক্ষুদ্ৰ শৌচৰ লগত তেজ ওলায়।

দৰৱ : বেছি গোন্ধোৰা ধানৰ চাউল একসেৰ, আগদিনাই তিয়াই থৈ পিছদিনা ৰাতিপুৱা সেই চাউল গৰুৰ গাখীৰেৰে খাব ভাল হ'ব।

তেজ পানী সাৰৰ দৰৱ :

১১২৫। টিকনি লতাৰ শিপা, পাঁচখন তামোলেৰে খাব। ভাল হ'ব।

তেজ সাৰ নাশৰ দৰৱ :

১১২৬। মংগলবৰিয়া কাছৰ মূৰ এটা শুকান গুৰি কৰিব। দুটা পিঠি কৰি বৰা চাউলৰ কৰাই লোণ জালুক মিলাই খাব।

মধুসাৰৰ দৰৱ :

১১২৭। ভৃংগৰাজৰ শিপা এক সপ্তাহ বটি খালে ভাল হয়।

পাণ্ডুকমল ব্যাধিৰ দৰৱ :

১১২৮। কৰদৈ টেঙা এশ, সোলেং টেঙা ২০ টা, নাকডেউনাৰ শিপা, ভাং, লাতকণ, তেজমুই, ধলাবাহেক, জালুক, পিপলি সবাকো বটি ৰস উলিয়াই সেই ৰসেৰে আহু চাউলৰ কৰাই খাব। প্ৰতিদিনে ৩ টকা কৰি এসপ্তাহ খাব।

জলন্ধৰ ৰোগৰ দৰৱ :

১১২৯। পিপলি গুড়ি গৰুৰ গাখীৰেৰে ৭ দিন খালে ভাল হয়।

১১৩০। ভৃ ৰাজৰ মূল, আকোন্দৰীৰ গুটি, একমুনিৰ গুটি সবাকো বটি খাব।

১১৩১। নাহৰ গছৰ গুটি, ম'হৰ মুতেৰে খালে জলন্ধৰ ৰোগ ভাল হয়।

১১৩২। জয়ন্তী ফলৰ মূল, ৰবচা বনৰ মূল, বগা অপৰাজিতাৰ মূল, বন সতৰ মূল, টুবুকীলতাৰ মূল, অশোক গছৰ মূল, বৰিয়াল ফুল সবাকো সমানে লৈ জলকীয়া নটা, পিপলি নটা আৰু মইনাগিৰি ধানৰ চাউল নটাৰে বটি খাব। পুৱা আৰু গধূলি।

১১৩৩। মূলাৰ ঠাৰি, কঠনাৰ মুচি বাঘ আচোৰাৰ মূল আৰু ইয়াৰ ফুল বটি খাব।

১১৩৪। আকণৰ ঠাৰি, চতিয়নাৰ ছাল আৰু কৰবীৰ ছাল সকলোকে বটি ৰাতি ৩ দিন খাব জলন্ধৰ ভাল হয়।

১১৩৫। শুংগলতাৰ পাত, বাগী ফুলৰ পাত দহটা সমে বটি খাব ভাল হ'ব।

জাতি খামবিৰ দৰব :

১১৩৬। সৰু আৰু বৰ মানিমুনি, অৰ্জুন গুটি এটা সমে বাঢ়ি খালে ভাল হয়।

কুকুৰৰ খামবিৰ দৰব :

১১৩৭। মদাৰৰ কাঁইট, মৈ গছৰ কাঁইট, তুঁতিয়া দুইতোলা সবাকো পুৰি ছাই কৰি তেলত মাৰি গাত ভালকৈ এক সপ্তাহ ঘঁহিব।

চিকা খামবিৰ দৰব :

১১৩৮। চেকুৰী লতাৰ আঠা, বন বগৰীৰ পাত, নাক ডেউনাৰ পাত সবাকো বটি এক সপ্তাহ ঘঁহিলে ভাল হয়।

কচুৱা খামবিৰ দৰব :

১১৩৯। মৰাগ আদা, শুকান শিলিখা দুয়োকে বটি (মিহিকৈ) ঘঁহিলে ভাল হয়।

গজ খামবিৰ দৰব :

১১৪০। বৰ অগৰাৰ শিপা, কমলা টেঙাৰ বাকলি, শুকান শিলিখা সবাকে বটি এক সপ্তাহ গাত ঘঁহিলে ভাল হয়।

খজুৱা খামবিৰ দৰব :

১১৪১। কলিয়া অগৰাৰ শিপা, জালুকটিৰ শিপা, সিজ্জলতাৰ মূল, আদা, সবাকো খুন্দি ৰস উলিয়াই সেই ৰস তিনিবাৰ চাকি নিৰ্মল কৰি খাব।

ঘোৰা খামবিৰ দৰব :

১১৪২। দাৰ মূল দুই তোলা, চেনি দুই তোলা, মধু দুই তোলা, বচ দুই তোলা সবাকে বটি খাব।

চুক জেকুলীয়ে খোৱাৰ দৰব :

১১৪৩। পাণৰ ৰস, জালুক, পিপলি ভালকৈ বটি শুদ্ধ ঘিউ ৫ টকাৰে তপতাই ভালকৈ ঘঁহিব। তিনিদিন ঘঁহিলে বিষ নাইকিয়া হয়।

পাতবেঙে খোৱাৰ দৰব :

১১৪৪। কেঞালনৰ গুটি, জবা গুটি, তেজমুই শিপা একমহা, মৰাগ আদা, জালুক সবাৰে ৰস উলিয়াই, শুদ্ধ ঘিউ ৫/৬ টকাৰ সৈতে তপতাই খুবমতে ঘঁহিলে ভাল হ'ব। সাত আঠ দিন ঘঁহিলে ভাল হয়। দুই সপ্তাহ দুৰলৈ খোজ নাকাঢ়িব।

বোৰা পোকে খোৱাৰ দৰব :

১১৪৫। টুনুৰিয়া লতাৰ পাত কিছুমান বোৱাৰ মাজত পুতি থ'ব।

খৰৰ দৰৱ ঃ

১১৪৬। অসমীয়া খৰপাত, এপোৱা বঙালী খৰপাত, এপোৱা দহি কুৰ শিপা, পাঁচ টকা, পানী নহৰু আধাসেৰ, সৈন্ধৱ লোণ দুই টকা, কলৰ বাকলি খাৰ একচটাক, ভোমোৰাৰ লাড, মানুহৰ গাখীৰ, ছাগলী গাখীৰ, আমলতি পৰুৱাৰ টোপ এপোৱা সবাকা মিহলি কৰি পাতত খুন্দি ৰস উলিয়াই নিৰ্মল কৰি বটলত ভৰাই এসপ্তাহ সেই ৰস খৰত সানিব।

১১৪৭। কেঁচা মালভোগ কলৰ ৰস, ডালিমৰ ৰস, কানি ৰস, অলপ ৰপতাই খাব। ভাল হ'ব।

১১৪৮। হাতী খতুৰাৰ আলু বা শিপা, মানধপাত, হাতীৰ গো, পকা পান সমান পৰিমাণে লৈ খুন্দি হাতীখৰৰ ওপৰত বান্ধিব।

১১৪৯। তুলসীৰ পাত, উৰহিৰ পাত, বিলাহী পাত মিহি কৰি বটি খজুৱাই লগাই দিব। ভাল হ'ব।

১১৫০। খৰৰ পাত, ৰাম তুলসী পাত একেলগে খুন্দি মিহি কৰি লেপ দিব, দিনে এবাৰকৈ তিনি দিন দিব।

১১৫১। এটুকুৰা হালধি পুৰি ছাই কৰি সেই ছাই নাৰিকল তেলেৰে খৰত ব্যৱহাৰ কৰিব।

১১৫২। দুই তিনিটা নহৰু ভালদৰে খুন্দি তাত সামান্য নাৰিকল তেল মিহলি কৰি খৰ ভালদৰে ধুই এক ৰাতি প্ৰলেপ দিব লাগে।

১১৫৩। মাখিলতি গছৰ ঘাই শিপা, দুই ইঞ্চিমান কৰি তিনিডাল শিপা খুন্দি দিলে পুৰণা খৰ ভাল হ'ব।

১১৫৪। শিংতা আৰু নিমপাত, ১০০ (এশ) গ্ৰামকৈ, কম পানীত ভালদৰে সিজাই সেই পানীৰে গা ধুব খজুৱতী ভাল হয়।

১১৫৫। খৰ পাতৰ গছৰ পাত, খৰত ঘঁহিব।

১১৫৬। চাল মোতোৰাৰ গছৰ ছাল খুন্দি ৰস লগাব।

১১৫৭। জাইফল, তুঁতিয়া মাটি মাহ অলপ কম কৰি বটি লগাই দিব।

১১৫৮। খজুতি- নাট কলপৰ ছাল, জুইত পুৰি ছাই কৰি নাৰিকল তেলৰ লগত ঘঁহিব।

১১৫৯। কেঁচা হালধি বটি দিনে ৩ বাৰ আৰু ৰাতি শোৱাৰ আগত এবাৰ খৰ হোৱা ঠাইত খজুৱাই লগালে খৰ ভাল হয়।

১১৬০। নহৰু ৪/৫ ফোঁটা খৰ হোৱা স্থানত লগালে খৰ সহজে ভাল হয়।

১১৬১। মাখিয়তী গছৰ ঘাই শিপা ৩ ইঞ্চিমান কৰি তিনিটুকুৰা ভালদৰে খুন্দি খৰ হোৱা ঠাইত লগালে বহুদিনীয়া পুৰণি খৰো ভাল হয়।

১১৬২। কলিয়া তুলসীৰ পাত কেইটামান মোহাৰি সামান্য নিমখ দি খৰ হোৱা ঠাই

খজুৰাই লগাব লাগে।

১১৬৩। খৰ পাতৰ ২/৩ টা পাত খুন্দি লগালেও খৰ ভাল হয়।

১১৬৪। অমিতাৰ এঠা খৰ হোৱা ঠাইত খজুৰাই লগালে খৰ ভাল হয়।

হাতীখৰ বা নগা ঘাঁ :

১১৬৫। মেৰঘৰৰ ছালৰ কুটা, নেওৰাত থকা পুৰণি বৰযুগ পৰা শুকুৱাই গুৰি কৰিব ১ কাপ, নৰাবগৰিৰ পাত শুকুৱাই গুৰি কৰি ১ চামুচ, কপালফুটা গছৰ আলু উঘালি কাটি শুকুৱাই গুৰি কৰি ২ চামুচ ল'ব। সবাকে মিলাই পুনৰ পিহি বটলত ভৰাব।

ব্যৱহাৰ : এবটল তেল পানীত মিহলাই আধা পানী দি কপাহ তিয়াই ঘাঁ ধুই ল'ব। প্ৰথমে শুকুৱাই নাৰিকল তেল, M. M. P.পাউদাৰ মিলাই ডাঠ কৰি ল'ব। তাকে চৰাই পাখীৰে ঘাঁত লগাব। বাতি ডাঠকৈ সানিব। দৰৱ লগোৱাৰ আগতে ডেটলেৰে ঘাঁ ধুই লৈ পুনৰ দিব।

ঋতু বিঘিনিৰ দৰৱ :

১১৬৬। হিং এতোলা, কৰ্পূৰ এমহা একেলগে বটি ঋতুৰ পূৰ্বে খাব।

স্ত্ৰী পুষ্পিতা হোৱাৰ দৰৱ :

১১৬৭। মাখিয়তিৰ মূল, তামোলৰ শিপা, বকুলৰ ছাল সবাকো গুড়ি কৰি খুৱাব। স্ত্ৰী ঋতু ভাল হ'ব।

ঋতু বন্ধন হ'লে পুনৰ হোৱাৰ দৰৱ :

১১৬৮। জবা ফুল তিনিপাহ, দুবৰি, জিৰা সবাকো বটি খুৱালে পুনৰ ঋতু হয়।

বেছিকৈ ঋতু হোৱাৰ নিবাৰণৰ দৰৱ :

১১৬৯। গাখীৰ এক পোৱা, আমৰ কুঁহিপাত তিনিটা আঠিয়া কল এটা একেলগে মিহলি কৰি খালে বেছিকৈ হোৱা ঋতু বন্ধ হয়।

ঋতুৰ সময়ত কামোৰে আৰু পোৰে তাৰ দৰৱ :

১১৭০। হিং এক অনা, কৰ্পূৰ এমহা একত্ৰে কৰি বাটি খাব।

১১৭১। আঢ়ে তোলা ৰঙা এৰাৰ শিপা, (দক্ষিণ ফালৰ) এপোৱা কেঁচা গাখীৰ, ডেৰ পোৱা পানী, ছয়ৰতি মেথি গুটিৰ গুৰি সময়ত দি লৈ গৰম কৰিব। আধা পোৱা ৰখাই পুৱা খালি পেটত খাব। টেঙা নাখাব।

কন্যাকাল নোহোৱাৰ দৰৱ :

১১৭২। পঞ্চাছ গ্ৰাম দুবৰি বন খুন্দি তাৰ দিনে তিনি পালিকৈ খাব। একেৰাহে তিনি/

চাৰি দিন খাব। (আহাৰ খোৱাৰ আগতে খাব)

১১৭৩। দুবৰি বনৰ ৰস পিঠাৰ লগত খালেও কন্যাকাল হোৱা দেখা যায়।

গা চলা ঃ

১১৭৪। ভীমকলৰ শিপা এমুঠিমান পানীত ভাল কৰি ধুই, তিনিবাৰ খুন্দি ১১ টা জালুক দি গৰম কৰি শুদা পেটত তিনি দিন খাব। একেবাহে ভাল নোহোৱালৈকে।

চোৰা কামোৰণি ঃ

১১৭৫। জাতি লাও পাত তিনিটা, পিপলি এটা জালুক তিনিটা মিলাই খুন্দি ৰস খাব।

কন্যাকাল দেৰী হ'লে বা বিধুতি সময়ত পেচ কামোৰণি আৰু মতা মানুহৰ চেপ্তা কামোৰণি ঃ

১১৭৬। ৰবাহ গছৰ আলুবিলাক আদাৰ দৰে চুচি খুন্দিব। গুৰি কৰি একাপ কৰিব। জাইফল ২ টাৰ ভিতৰৰ অংশৰ লগত জালুকৰ গুৰা ১ চামুচ নিমখ ১ চামুচ সখাকে মিলাই বৰি কৰি ৰ'দত শুকাব। আগবেলা পাছবেলা অলপ কুহমীয়া পানীৰ লগত মিলাই খ'ব। ৩ দিন খালে ভাল হ'ব।

হাড় যোৰা দৰৱ ঃ

১১৭৭। শামুকৰ ৰস, কেএৱাবনৰ গুটি, মদাৰৰ শিপা, সবাকে বটি বান্ধিলে হাড় যোৰা খায়।

১১৭৮। তিনিবিধ লতা নাম নাই, পিহি ভগা ঘাত লগাই বান্ধি দিব। তিনি দিনৰ ভিতৰত হ'লে ভাল।

১১৭৯। বিয়নি শৰতাৰ পাত; বগৰিৰ কোষ, কোটকোৰাৰ পাত, বিহলঙনিৰ কোষ ভাংৰ পাত, মিলাই খুন্দি বান্ধিলেও হাড় যোবা হয়।

১১৮০। পচতিয়া গছৰ আগ কেইটামান, শিঙা কেইডোখৰমান দুয়োকে ভগা ঠাইত বান্ধি দিলে ভাল হয়। দুই তিনিবাৰ বান্ধিলে ভাল হয়।

১১৮১। ভেদাইলতা পাত খুন্দি প্ৰলেপ দি বান্ধিব লাগে আৰু ভেদাই লতাৰ ৰস ৫০ গ্ৰামকৈ খাব।

১১৮২। অৰ্জুন গছৰ কেঁচা ছাল খুন্দি গাখীৰত সিজাই তাৰ ৰস খাব লাগে আৰু অৰ্জুন গছৰ ছাল খুন্দি বান্ধিব লাগে।

১১৮৩। হাড় জোৰা লতা ৮/১০ ইঞ্চি ভালদৰে খুন্দি ভগা হাড় ভালদৰে জোৰ লগাই বান্ধিলে হাড় জোৰা লাগে।

১১৮৪। নিয়মীয়াকৈ কেঁচা হালধিৰ ৰস খাব লাগে ২০ গ্ৰাম কেঁচা হালধি তিনিটা পিঁয়াজ ভালদৰে পিহি ভগা ঠাইত ২ ঘণ্টামান বান্ধি থব লাগে। তাৰ পাছত

তিল তেল গৰম কৰি সেই বান্ধ খুলি তিল তেল সানি পুনৰ বান্ধি থব।

উদফাইৰ দৰৱ :

১১৮৫। কুবৈ লতাৰ মূল পাত বৰুণৰ ছাল লতা বাঘিণী সবাকে গুৰি কৰি, চিলিমত ভৰাই ধূমপান কৰিব।

১১৮৬। বিলাহি বেঙেনাৰ শিপা পাঁচ আঙুল অথবা বেঙেনাৰ শিপা পাঁচ আঙুল, খেজেঙা বেঙেনাৰ শিপা পাঁচ আঙুল, কেটেলা গছৰ ভুৰ হিচা পত, জালুক পোন্ধৰটা নিমখ হিচাপত দি পানীত গৰম কৰি কুহমীয়া কৰি দিনে তিনিবাৰ খাব। আহাৰ খোৱাৰ আগতে খাব লাগে।

১১৮৭। আদা, শিলিখা, য'খাৰ, জালুক, পিপলি, গাঠিয়ন বচ, সবাকো গুড়ি কৰি আমৈলতাৰ শাহ সিজু আৰু বাহকৰ পাত দি, মৌ বসেৰে শাহ খাব।

১১৮৮। বন আমলখি এমুঠি পাত, জালুক বাৰটা, এপালি পিটি একাপ পানীত মিহলাই চাকি গৰম কৰি ঠাণ্ডা হ'লে, শুকৰ সময়ত খাব। খোৱাৰ পাছত দিনে এপালিকৈ তিনিদিন খাব। বিজলুৱা বস্তু নাখাব।

১১৮৯। গৰু মুত, বনৰ চেচু এতোলামান খুন্দি অলপ নিমখ দি আধা পোৱামান পানীত গুল মৰিচ তিনি/চাৰিটামান দি ভাল মতে ঘুলি চাকিলৈ বাতিপুৱা খালী পেটত খাব লাগে। (তিনিদিন খাব।)

১১৯০। বেলি পকা লতাৰ আলু কেএরা আঙুলিৰ এপাৰৰ সমান খুন্দি লৈ ঘিলা এটাৰ সমান একেৰবৰ্ণীয়া গৰুৰ গাখীৰৰ সতে, শনি বা মংগলবাৰে পুৱা খালী পেটত খাব। অলপ পাছত বমি হ'ব। বমি বাখিবলৈ গৰম ভাত খাব। এইদৰে একেদিনাই বনাব লাগে।

১১৯১। শুৱগা পগাই ছাগলী গাখীৰৰ সগত পুৱাই খালী পেটত খাব।

১১৯২। চতিয়না গছৰ আঠা তিনি টোপাল আৰু মাখিলতিৰ আগ তিনিটা পিহি খাব।

১১৯৩। কনক ধতুৰাৰ গুটি আৰু ডালপাত কুটি শুকুৱাৰ আৰু ইয়াক চিলিমত ভৰাই ধোঁৱা টানিব।

১১৯৪। য'খাৰৰ পানীত এখন কাগজ তিয়াব তাৰ পাছত শুকালে সেই কাগজখন চুৰত বনাই খাব।

১১৯৫। মৈৰাৰ পক্ষীৰ নেজৰ পাখী, চাবোন থকা পাত্ৰত লৈ পুৰি ছাই কৰি, তাৰ সৈতে পিপলি আৰু মৌ সানি চেলেকী খালে ভাল হ'ব।

১১৯৬। শোধন কৰা গন্ধকৰ গুড়ি আৰু জালুক গুড়ি মৌ মিহলাই খাব।

১১৯৭। অৰ্জুন লতাৰ শিপা, জালুক, পিপলি, আদা সকলোৰে বস খাব।

১১৯৮। এটা পইটাচোৰাৰ ভবিকেইখন কলৰ ভিতৰত ভৰাই তিনি চাৰিদিন খালে ভাল

হয়।

১১৯৯। কোৱা ভুতুৰি, কলৰ বাকলি, নাৰিকলৰ বাকলি পুৰি খাব।

১২০০। বন নহৰু খুন্দি ৰস ল'ব, লবা তিতাৰ পাতেৰে বটি পগাই খাব।

১২০১। বগা পদুম ফুলৰ মূল, জালুকেৰে বটি এতোলাকৈ খালে ভাল হয়।

১২০২। কণি বিহৰ আগ, পিপা, জালুক, পিপলি সম জোখে বটি বৰি কৰি খাব।

১২০৩। ভোট এৰাৰ এঠা, সিজুৰ ক্ষীৰ, একেলগ কৰি খাব।

১২০৪। তিতা ভোলৰ গুটি, চতিয়নাৰ ছাল, ভাত কেৰেলাৰ আলু, পনিয়ল টেঙা, কঠগুৱাৰ ছাল, কাপত গড়ৰ ছাল পগাই খাব।

১২০৫। আকলবীৰৰ পিপা, বাহকৰ পিপাৰ ছাল,তিতা ভেকুৰীৰ পিপা, বাদুলীৰ মঙহ প্ৰত্যেকৰে এতোলাকৈ লৈ, এসেৰ পানীত সিজাই আধাপোৱা ৰস ৰাখি চাকি খাব।

যোমুকৰা ঃ

১২০৬। এৰা গাখীৰ দহি কচুৰ ৰস মাকৰি খিলৰ লগত মিলাই খাব।

১২০৭। খিউ পাঁচ তোলা, তিতা কেৰেলাৰ পাতৰ ৰস, লং দুটা কেঁচাই বটিব, এটা আধা পুৰা কৰি সবাকো মূৰত ভৰণ ল'ব নাশ হ'ব।

১২০৮। সৰু আৰু বৰ মানিমুনি, বৰ জালুক চেঙেলিমাছ, চাৰিওকে একেবৰণীয়া গৰুৰ গাখীৰৰ লগত খাব।

প্ৰবল ৰোগত ঃ

১২০৯। হাতী সুৰীয়াৰ পিপা, জবাৰ পিপা, বাহকৰ পিপা, সূৰ্যমুখী জলকীয়াৰ পিপা, ভোটা বেঙেনাৰ পিপা, মাকৰি খিলা, জালুক, পিপলি সবাকো বটি খাব।

১২১০। এগেৰাচিতাৰ কুঁহিৰ আগ আঠ বা ছয়টা মিহিকৈ কুটি, মুৰ্গী কণীৰ লগত খোলাত ভাজি দিনে দুবাৰকৈ খোৱাৰ আগত খাব।

১২১১। বৰ ঢেকীয়া, লেটাই শামুকৰ জিভাৰ পানী, নহৰু, জালুক নিমখ দি পগাই খাব।

সাৰ বেমাৰ ঃ

১২১২। লক্ষণ ঃ চকু ৰঙা বা হালধিয়া পৰিব, তলপেট টানি ধৰিব, জ্বৰ উঠিব। দৰৱ ঃ জমলাখুটিৰ পিপা, কুঁহিয়াৰ এপাৰ, খুতুৰাৰ পিপা কাইট লগা খুন্দি ৰস এক চটাক উলিয়াই সমান পৰিমাণে গৰুৰ কেঁচা গাখীৰৰ লগত ৰাতিপুৱা সুদা পেটত খাব। অপথ্য ঃ টেঙা, তজা, জ্বলা, পিঁয়াজ, চাহপানী নেখাব।

১২১৩। টেঙা, কবাদে, অসমীয়া পুৰা কুঁহিয়াৰ খাব।

১২১৪। জমলাখুটিৰ পিপা দুটা, হাতী খুতুৰাৰ পিপা, তিনি-চাৰি ডাল, পোৱা কুঁহিয়াৰৰ

ৰস উলিয়াই খোৱাৰ আগতে দিনে দুইবাৰকৈ খাব লাগে।

১২১৫। জমলাখুটিৰ পিপা চাৰি আঙুল, কণচ কলিয়াৰ এমুঠি পাত, দুবৰি বন এমুঠি, মিঠিৰি মিঠা হোৱাকৈ, জহা চাউলৰ পানী আধা পোৱা, এক চটাক এৰাঁ গাখীৰ কাটি দধিয়া এমুঠি সবাকো খুন্দি এগিলাচ ৰস খাব। বাতিপুৱা খোৱাৰ আগতে। অপথ্য- জ্বলা, টেঙা নাখাব।

চুলি সৰা ঃ

১২১৬। আমলখি ৩/৪ টা থেতেলিয়াই এৰাতি মূৰত বান্ধি ৰাখিব। পিছদিনা মূৰ ধুব।

১২১৭। কেঁহৰাজৰ পাত খুন্দি ৰসেৰে মূৰ ধুব।

১২১৮। আমৰ বীজৰ শাহ দুটা থেতেলিয়াই তাক এবাটি পানীত তিয়াই ৰাখি ৰস বাহিৰ হ'বলৈ দি সেই পানীৰে ভালদৰে মূৰ ধুব। আৰু কিছু সময় প্ৰলেপ দি থ'ব। নাইবা দুবৰি বনৰ ৰস চুলিত সানিলে চুলি সৰা কমে। নাইবা নেমুৰ ৰস আৰু আমলখি ৰস মিহলি কৰি দুয়োটাৰে ২০ গ্ৰামকৈ কুহমীয়া গৰম পানী দি মূৰত সানিলেও চুলি সৰা কমে।

টকৌৰে খোৱা ঃ

১২১৯। গোল এগুটিয়া পিঁয়াজ এটা মাজে মাজে দুভাগ কৰি টকৌৰে খোৱা ঠাইত খুউব সানিব যাতে ঘঁহোতে ঘঁহোতে পিঁয়াজ গৰম হৈ যায় একেবাৰে এসপ্তাহ ঘঁহিব। টকৌৰে খোৱা ভাল হ'ব।

কেচুমুৰীয়া দৰৱ ঃ

১২২০। শুকান কাচৰ মূৰ এটা, বোন্দা কেচুৰ মূৰ সাতটা নেমুটেঙাৰ ৰস ১৫০ গ্ৰাম ভাজি গৰম কৰি অলপ অলপ দিনে তিনিবাৰ আহাৰ খোৱাৰ আগত খাব।

১২২১। মচৰ আলু বাৰ আঙুল, সিং এতোলা, পিপলি তিনিটা বোন্দা কেচুৰ মূৰ তিনিটা সকলো খুন্দি এক কৰি মুট মাহৰ পৰিমাণে বড়ি কৰি খাব। দিনে এটাকৈ। অপথ্য ঃ জ্বলা, পোৰা, গৰম মচলা, মাটিৰ তলৰ বস্তু।

১২২২। হিং এটকা, ঘিউ এটকা বাটি ঘঁহিব। কেচু সূতাৰে সেক দিব। ভাল হ'ব।

১২২৩। সোম লতাৰ ৰস দুতোলা, কেএগ বনৰ গুটি তিনিটা, জালুক দুটা, এটা জালুকৰ সমান লোণ, ডবা বাঘিণীৰ শিপাৰ ৰস একতোলা, তিনিবছৰীয়া কুন্দুলীৰ ছাল শাহ বাটি খাব। খাৰ, জ্বলা, বেছি তেল নাখাব।

১২২৪। বাহক ফুল, কণি বিহৰ ফুল মিহিকৈ বাটি ঘাৰৰ মুখত লগাই দিব।

১২২৫। বোন্দা কেচুম মূৰ, দহি কচুৰ মূল মিহিকৈ বাটি ঘাৰৰ মুখত লগাই দিব।

১২২৬। বোন্দা কেচুৰ মূৰ তিনিটা, জীয়াই থোৱা মাগুৰ মাছ এটাক আগ দিনাই খোৱাই থৈ পাচদিনা তাক ভাজি খাব। তিনিদিন খাব।

১২২৭। বোন্দা কেচুৰ মূৰ বা পেট তিনিটা ঢেকীয়া পাত চেঙেলী মাছক খুৱাই থৈ তাক অমৰা, আমলখি, লোণ, জালুক দি সিজাই বাটি পুৱাই খাব।

১২২৮। পদুমৰ তলৰ আলু মুণাল চাৰি আঙুল দুখৰ, বচ আঠ আঙুল, বৰ পুণি এমুঠি সবাকে একেলগে মিলাই বৰি বনাই দিনে এটাকৈ খাব আৰু এটা তিয়াই শৌচৰ দুৱাৰত ঘঁহিব।

১২২৯। বিহলঙনিৰ শিপা সাতটা, বিছ-ত্ৰিছটা দ্ৰোণ বনৰ আলু পৰিষ্কাৰ কৰি ধুই লোৰৰ খুন্দনাত খুন্দি ৰস উলিয়াই একে বৰণীয়া গৰুৰ গাখীৰৰ লগত খাব। ৰাতিপুৱা খালি পেটত খাব। তিনি বাৰত ভাল হ'ব। সকলোৰে মূলত নামঘৰত এগচি চাকি জ্বলাই এজন ভকতক আগৰ সেৱা ল'ব।

১২৩০। সিজুৰ আঠাত হালধি গুড়ি কৰি মিহলাই লগাব দিনে এবাৰ।

১২৩১। দ্ৰোণ গছৰ শিপা খুন্দি ৰস এতোলা, কুঁহিয়াৰৰ ৰস দুই তিনি তোলা (পুৰা কুঁহিয়াৰ) কল খাৰৰ খাৰণি একতোলা মিহলাই এক ছটাক এৰা গাখীৰৰ লগত পুৱা খাব।

১২৩২। ওলকচু পুৰি গাখীৰ, চেনি দি জলপান হিচাপে খালে ভাল হয়।

১২৩৩। শুকান বাপহী থেকেৰা, তিনি চাৰি বছৰীয়া পুৰণি মাটিৰ পাত্ৰত তিয়াই ৰাতিপুৱা খালি পেটত খাব।

১২৩৪। পেনপেনীয়া মৌজোল, আহু চাউল একমুঠি, বাৰটা পুঠি মাছৰ লগত খুন্দি মংগলবাৰে দিব, তিনিদিনত ভাল হ'ব।

১২৩৫। নিমৰ গুটিৰপৰা তৈয়াৰ কৰা পাউদাৰ, মৌ লগত মিহলাই সমপৰিমাণে দিনে দুইবাৰকৈ খালে কেচুমুৰীয়া ৰোগৰ তেজ পৰা ভাল হয়।

১২৩৬। নাহৰ ফুলৰ পুৱ ফালৰ চাৰি ইঞ্চি দীঘল দহ ছটা ছাল একেবাই ভাল পানীত ধুই খুন্দিব লাগে তাৰ ৰস আঠ চামুচ দিনে তিনিবাৰ তিনিখন খাব লাগে।

১২৩৭। মিঠা আমৰ ৰস আধা কাপ মিঠাকৈ, পচিছ গ্ৰাম উলিয়াই এচামুচ আদা ৰসৰ লগত মিহলাই খাব ভাল হ'ব।

১২৩৮। মিঠা কৰদৈ পাত পাতত দি ৩/৪ দিন খাব। অলপ নিমখ দিব। খালী পেটত খাব।

১২৩৯। মাৰ্কাৰি ঘিলা, আগিয়াচিতা, দুধ মুৰ্বি গুটি, ভাত ঘিলা, সৈন্ধৱ লোণ সমান ভাগে গুৰি কৰি দৈ গাখীৰ লগত খাব।

১২৪০। সিজুৰ এঁঠা, হালধি গুৰি বাটি লেপ দিলে কেচুমুৰীয়া চিগে।

১২৪১। বগা আগিয়াচিতাৰ আগ এমুঠি গৰৈ চেঙেলী মাছৰ লগত মছলা দি ৰান্ধি খাব। নাশ হ'ব।

১২৪২। কেঁচা তিলৰ গাজি একতোলা, চেনি আধা তোলা একেলগে বাটি এক ছটাক ছাগলী গাখীৰৰ লগত খালে সোণকালে তেজ পৰা ভাল হয়।

১২৪৩। পদুম চকাৰ গুটি, ভেটৰ ঠাবি, ঔটেঙাৰ বীজৰ ওপৰৰ ঢাকনিখন, আমলখি, জংগী শিলিখা এই সকলোবোৰ বাটি তাৰ ৰস খাব ভাল হ'ব।

১২৪৪। তিনিটা পকা কেচুমুতা জুইত পুৰি বণ্ডা কৰি দুয়োখন মুৰাৰত পৰাকৈ লগালে তিনিদিনত ভাল হয়।

১২৪৫। কেচুমুৰীয়াত তেজ পৰিলে আধা গিলাচ গৰম গাখীৰত ১/৪ ভাগ নেমুৰ ৰস মিহলাই খাব। ৰোগ নাশ হ'ব।

১২৪৬। ২৫ গ্ৰামকৈ চেনি, ঘিঁউ, পিঁয়াজ মিহলাই একেৰাহে এসপ্তাহ খালে ভাল হয়।

১২৪৭। পুৰঠ মূলা এটা কাটি লৈ শৌচৰ দুৱাৰত এৰাতি বান্ধি থব আৰু পাছদিনা মূলাৰ ৰসেৰে পোকৰ ধুব। ধুলে ৰোগ ভাল হ'ব।

১২৪৮। মচুৰ দাইল এপোৱা ৰাতিপুৱা আহাৰৰ লগত সিজাই লৈ এগিলাচ বিশুদ্ধ মাখনৰ লগত খালে ৰোগ নাশ হয়।

১২৪৯। অৰ্শত তেজ পৰিলে ৬০ গ্ৰাম তিলৰ তেলৰ লগত অলপ দৈ মিহলাই খালে তেজ পৰা বন্ধ হয়।

১২৫০। গুহ্যদ্বাৰ বাহিৰ ওলালে, এৰি তেল প্ৰায় এমাহ লগালে গুহ্যদ্বাৰ শুকাই আৰু বিষ নাশ হয়।

১২৫১। এচামুচ ফিটকিৰি এগিলাচ পানীত মিলাই সদায় গুহ্যদ্বাৰ ধুব লাগে। এডোখৰ কাপোৰ সেই পানীত তিয়াই গুহ্যদ্বাৰ ৰাখি থলে তেজ পৰা বন্ধ হয়। কেচুমুৰীয়া ভাল হয়।

১২৫২। হাড় জোৰা লতাৰ ৰস, প্ৰায় একসপ্তাহ খালে এই ৰোগ ভাল হয়।

১২৫৩। দুপৰীয়া টেঙাৰ পাতৰ ৰস গুহ্যদ্বাৰত প্ৰলেপ দি অলপ সময় ৰাখিব লাগে।

১২৫৪। একোতাকৈ পকা বেল একেৰাহে ১০ দিন বা ১৫ দিন খালে ভাল হয়।

১২৫৫। পদুম ফুলৰ কেঁচা পাতৰ ৰস, চেনি আৰু মাখনৰ সৈতে খালে ভাল হয়।

১২৫৬। কচু ঠোৰ, কন জলকীয়াৰ সৈতে খালে ভাল।

১২৫৭। ওলকচু তেতেলি পাত দি সিজাই খাব লাগে। ওলকচুৰ আঠা বৰ উপকাৰী।

১২৫৮। কৰবি গছৰ শিপা খুন্দি মলদ্বাৰত প্ৰলেপ দিব।

১২৫৯। শিঙাল গছ এজোপা উঘালি মিহিকৰি পটাত খুন্দি তাৰ ৰস একাপ, নাৰ্জফুলৰ পাতৰ ৰস আধা কাপ, মধুৰী গছৰ কোঁহৰ ৰস আধা কাপ, নিমখ ১ চামুচ, জালুকৰ গুৰি ১ চামুচ, সবাকে মিলাই পটাত বটি ঢিলা হ'লে ৰ'দত শুকাই বৰি কৰি বটলত ভৰাব।

খোৱাৰ নিয়ম ঃ দিনে ২ বাৰকৈ খাব। আগবেলা পিছবেলা ১ টাকৈ। বৰিটো গাখীৰত মিলাই খাব। ৫ দিনত ১০ টা খাব। ভাল হ'ব।

১২৬০। বোন্দা কেচুৰ মূৰ তিনিটা, টেঙেচি টেঙা (সৰু) বন কুঁহিয়াৰৰ আগ তিনিটা, সৰু মানিমুনি সকলোকে বটি ৰস উলিয়াই অলপ গৰম কৰি অলপ নিমখ দিব।

তিনি দিন তিনিবাৰ খাব।

কেচুমুৰীয়া ফাটি গ'লে :

১২৬১। অসমীয়া পিঁয়াজ এটা বাকলি সৈতে তুঁহ জুইত গৰম কৰিব। শুবৰ সময়ত বাকলি গুচাই বগা বাকলি উলিয়াই আগে পিছে অলপ কাটি শৌচৰদ্বাৰত সুমুৱাই দিব। তাৰ তাপ পালে ভাল হ'ব। ৫ দিন বটি শুবৰ সময়ত লগাব।

কুমজেলেকুৱাই খোৱা দৰৱ :

১২৬২। টিয়হৰ গুটি পাঁচটা ছাল বাকলিসহ কেঞাবনৰ গুটি পাঁচটা, বৰচা বনৰ শিপা আধাতোলা কোমোৰা গুটি, ৰবাব টেঙা পাঁচটা, কলি বুটমাহ এটা একেলগে বটি বুটমাহটোৰ মান বড়ি কৰি খোৱাৰ আগত দিনে তিনি চাৰি বাৰ খাব।

১২৬৩। মৰাণ আদা ৰঙা টিয়হৰ বাকলি, লেটা গুটি, কাউৰী মনিৰ শিপা পূব কালৰ সমান পৰিমাণৰ লৈ খুন্দি কেঞা আঙুলিৰ মূৰৰ সমান বড়ি কৰি দিনে তিনিবাৰকৈ খাব লাগে। ৰাতিপুৱা খালি পেটত খাব।

দা, কুঠাৰে কাটিলে তাৰ দৰৱ :

১২৬৪। বুঢ়া কল, কচুপাত, চূণ শুকান জালুক বাঁহৰ খুটাৰ চোচ মিল কৰি বটি ঘাঁত দিব।

১২৬৫। চাৰি/পাঁচখন পাণ, ভালদৰে খুন্দিলৈ তাত আন্দাজ মতে বিশুদ্ধ মিঠাতেল মিহলাই বটি ঘাঁত টেপি ধৰি তাত জুইত গৰম কৰা এখন কাচিৰে পাণৰ ওপৰত হেচি ধৰিব। তেজ বন্ধ হ'ব।

কাটিলে তেজ ওলালে :

১২৬৬। মেকাহি ছাল বা তাৰমণি বন বা কেঁহৰাজ বটি বান্ধি দিব।

কটা ঘাঁ :

১২৬৭। কাচিবিয়লীৰ পাত আগ সৈতে আনি হাতত মোহাৰি কটা ঘাঁত লগাব। বিষ কমিলে ঘাঁ শুকাব। এই দৰৱে চেপটিক ভাল কৰে।

১২৬৮। হাতীৰ হাড় পুৰি ছাই কৰি ক'লা মানধপাত গুড়ি কৰি একেলগে বান্ধি দিব।

১২৬৯। বিহলঙনিৰ আগ এমুঠি খুন্দি অলপ লোণ সহ চাৰিটা সৈতে খুন্দি বান্ধি দিব।

১২৭০। মানিমুনি এমুঠি ভালদৰে খুন্দি লৈ কটা স্থানত লগালে তেজ বন্ধ হয়।

১২৭১। ঘাঁ সহজে শুকাবৰ কাৰণে বিশল্য কৰণীৰ পাত ৪/৫ খন খুন্দি ঘাঁত প্ৰলেপ দিব।

১২৭২। কটা চিঙা সোনকালে শুকাবলৈ হ'লে দোৰোণ বনৰ ৪/৫ টা আগ আৰু নগাবনৰ ৪/৫ টা আগ ভালদৰে খুন্দি কটা ঘাঁত লগাব লাগে।

১২৭৩। চাপৰ জাতীয় গোজোৱা বনৰ পাত পিহি কটা ঠাইত লগালে তেজ বন্ধ হয়।

মাইকী মানুহৰ পাচ নহ্যৰ দৰব :

১২৭৪। হালধি গুৰি দুচামুচ, গুৰ তিনি চামুচ মিলাই পানী দি খুৱাই দিলে ভাল।

১২৭৫। শাল কাঠৰ চকুৰ গুৰিত ঘঁহাই, বৰাব টেঙাৰ গুটি তিনিটা মিঠাতেল দহতোলাৰ লগত মিহলি কৰি খুৱাব।

১২৭৬। মাইকী মানুহৰ নাৰী বিজুতি (জৰায়ু বাহি যায়) লং, দালচেনি, জালুক, জাই গুটি পিহি বড়ি কৰি বনাই দিনটো তিনি বাৰ খাব। জোৱাৰ আগতে প্ৰথম পালি খাওঁতে সোজা বা বাড়নিত বহি খাব ভাল নোহোৱা পৰ্যন্ত।

পাচ অহা দৰব :

১২৭৭। আঙুলি এটাত চুলি মেৰিয়াই ডিঙিত ঘঁহিলে পাচ আহিব।

১২৭৮। মালভোগ কলৰ থুৰিপাতৰ নাই কেঞা আঙুলিৰে তিনি পাক খুতৰালে তামোল তিনিখনত খালে নামিব।

১২৭৯। কুটজৰ (দুথুৰিৰ) গুটি এমহা ছাগলী গাখীৰ ও মিচিৰিৰ সৈতে খালে সহজে প্ৰসৱ হয়।

১২৮০। খৰুৱা বেঙেনাৰ শিপা কপালৰ আগৰ চুলিত বান্ধিলে সহজে পাচ নামে।

১২৮১। পোৱাল বেঙেনাৰ সৰা ফুল বটি পানীৰে খালে পাচ আহে।

১২৮২। শৌচৰ তলিত গুবৰুৱাই তোলা মাটি অকণ আনি পতাত নামকৈ খুন্দিব। খুন্দাৰ লগে লগে পাচ আহিব। নাহিলে তাৰে অকণ পানীৰ লগত গুলি খুৱাই দিব। পাচ আহিব।

১২৮৩। সৰু সোণবৰিয়ালৰ শিপা, সাতভাল মুৰত ল'ব আৰু অলপ তামোলৰ লগত খাব।

১২৮৪। সৰু সোণবৰিয়ালৰ শিপা এজোপা তিনিটুকুৰা খোপাত গুজি দিব।

পাথৰি ৰোগ :

১২৮৫। অমৰাৰ মূল লেটেকুৰ ছাল সনে বটি খাব।

গৰুৰ জল সৰা দৰব :

১২৮৬। কাউৰীয়ে হগা কলপাত, বেঙেনা ফুল, পাটি কাউৰীয়ে হগা বা এন্দুৰে তোলা কেচামাটি নেজৰ গুৰিত বান্ধিব।

গৰুৰ বেমাৰ নোহোৱা দৰব :

১২৮৭। শগুণৰ হাড় গৰুৰ গোহালিত থব। বেমাৰ নহয়।

গৰুৰ খকা ঃ

১২৮৮। আধাপোৰা মিঠাতেল, পইতচোৰণি তিনিজনী আৰু গুৰ আধা পোৰা মিলাই চুঙাত ভৰাই খুৱাব।

খতৌয়া সাপে খালে ঃ

১২৮৯। মৰাণ আদা এক তোলা, খাঁতি গৰুৰ গাখীৰৰ এক চটাক, অসমীয়া মাটি কঠাল আলু তিনিচকল বটি ঘিঁউৰ লগত মঠি কুহমীয়া গৰম কৰি খাব।

১২৯০। অপৰাজিতাৰ শিপা দহ গ্ৰাম ঘিঁউৰ সৈতে খালে ছালৰ ওপৰত বিষ কমে, গাখীৰৰ সৈতে খালে তেজৰ বিষ কমে হালধিৰ সৈতে খালে মাংসপেশীৰ বিষ কমে, পিপলিৰ লগত খালে মজ্জাত বিষ দূৰ হয়। আদা আৰু হালধি গোন্ধেৰে সাপ খেদিব পাৰি।

সাপে খালে ঃ

১২৯১। নাগিনী গছৰ দক্ষিণ ফালৰ শিপা, খুন্দি বান্ধি দিব। ভাল হ'ব। তিনিপালি দিব। এই গছ থাকিলে সাপ নোসোমাই।

মকৰাই খালে ঃ

১২৯২। জোপোহা গছৰ শিপা, এক চটাক গৰুৰ ঘিঁউৰ লগত ভাজি বড়ি কৰি খাব। গৰম বস্তু আৰু জলকীয়া নাখাব।

বিচা শুং সোমালে ঃ

১২৯৩। লাইজাবৰী পাত মোহাৰি শুকান মকৰাৰ লগত বটি ঘঁহিব।

শিয়াল গলাৰ দৰৱ ঃ

১২৯৪। মৰাণ আদা, তেজমুই, বনজৰা টেঙা বটি খুৱাব।

গৰ্মী বেমাৰৰ দৰৱ ঃ

১২৯৫। পানী খুতুৰাৰ এমুঠি, গাখীৰ আধা পোৰা কেঁচা, মিচিৰিৰ লগত মিহলাই তিনি পালি খাব।

১২৯৬। বাহিৰত ওলালে, একচটাক তিল অলপ হাতী সুৰীয়া পাতে পিচি লেপ দিব। অপথ্য ঃ মাছ, কণী।

১২৯৭। কেঁহৰাজৰ ৰসেৰে ঘাঁ ধুব।

১২৯৮। ত্ৰিফলাৰ ক্বাথে সদায় ঘাঁ ধুব লাগে।

১২৯৯। কৰবীৰ শিপা বাটি ঘাঁত লগাই দিব।

১৩০০। বগা বাহকৰ শিপা, কোমোৰাৰ বাকলি, শুকান শিলিখা সৰাকো বাটি লিপি দিব লাগে।

১৩০১। আমলখি, শিলিখা, ভূইৰা গুটি, মৌ সৰাকো সমজোখে লৈ গগাই ঘাঁত লগাই দিব।

১৩০২। মহানিমৰ পাত, নীলকণ্ঠ তিতা, মাটি কমলাৰ আগ তিনিটা বাটি লেপ দিব।

১৩০৩। বৰিয়ালৰ শিপা, পানী নিদিয়াকৈ শুকান শামুক পোৰা চূণৰ গুড়ি আৰু তুতিয়া এমহা সৰাকো গুড়ি কৰি ঘাঁত লগাব। দৰৱ মুৎচাৰ ঘাঁ শুকাই যাব।

১৩০৪। এক ছটাক গৰুৰ ঘিউ ভালকৈ উতলাই তপতাম জতুলৰ গুড়ি পেলাই দিব। মলম যেন গোটা হ'লে নমাই থব। আৰু সেই ঘিউ দিনে ৩/৪ বাৰকৈ লগাব।

১৩০৫। যেই সেই শিপা এঁকেছভাল আনি পুৰি ছাই কৰি নাৰিকল তেল সমে ঘঁহি দিব।

১৩০৬। বগৰী গছৰ শিপাৰ ছাল, অকণবীৰৰ শিপাৰ ছালে সুবগা হেঙুল সৰাকো সমজোখে লৈ ঘাঁত দিলে ঘাঁ শুকাব।

১৩০৭। জালুক গৰম পানীত তিয়াই সেই পানী খুৱাব।

১৩০৮। শিয়াল কাটাৰ শিপা, হাতেৰে মোহাৰি চিনিমত লৈ ধোঁৱা খাব। গৰ্মী ৰোগ ভাল হ'ব।

১৩০৯। জাইফল এতোলা, ইলাচি এতোলা, কৰ্পুৰ এসিকি, ফিটকিৰি এসিকি, সং এসিকি, কুহি মাছেৰে, চজনা গছৰ পাতৰ লগত বান্ধি ক্ৰমান্বয়ে এক সপ্তাহ খাব।

প্ৰমোহ ঃ

১৩১০। ৰঙা জবা ফুলৰ বাৰ তেৰখন কোমল পাত খুন্দি তাক ৰাতি তিয়াই ৰাখি পিচদিনা অলপ চেনি মিশ্ৰণ কৰি খাব লাগে একেৰাহে তিনি দিন খাব।

সমীৰোগ ঃ

১৩১১। শতমূলৰ ৰস ২৫ গ্ৰাম, ২০০ গ্ৰাম গৰুৰ গাখীৰৰ লগত খাব।

১৩১২। ২০ গ্ৰাম কলমৌ শাকৰ ৰস খাব লাগে।

১৩১৩। ধুনা আৰু ডালিমৰ পাত ভালদৰে ধুই খুন্দি নাৰিকল তেলেৰে এই দৰৱ লগালে এই ৰোগ ভাল হয়।

১৩১৪। মহাভৃংগৰাজ পাতৰ ৰস নাৰিকল তেলৰ লগত মিলাই তাক পগাই ব্যৱহাৰ কৰিলে যথেষ্ট উপকাৰ পোৱা যায়।

আৱৰীয়া বেমাৰৰ দৰৱ ঃ

১৩১৫। চিৰতা পচিছ গ্ৰাম, মিচিমি তিতা পঞ্চাছ গ্ৰাম, সোণমুখী পাত পচিছ গ্ৰাম, শুকান শিলিখা দুশ পঞ্চাছ গ্ৰাম, পুৰণি শোকোতা পঞ্চাছ গ্ৰাম, সবাকে আধা লিটাৰ চুণৰ পানী, সাত লিটাৰ গৰম পানীত তিয়াই ফটফটীয়া পানীত বস্তু কেইটা মিলাই সিজাই পাঁচ পোৱা ৰাখি চাৰি চামুচকৈ দিনে তিনিবাৰকৈ আহাৰ খোৱাৰ পাছত খাব।

১৩১৬। মেথিগুটি একপচিছ গ্ৰাম, আদা এশপচিছ গ্ৰাম, ঘিউ এশ পচিছ গ্ৰাম সকলো মিলাই তাৰ লগত এশ পচিছ গ্ৰাম মৌ জেল মিলাই আহাৰ খোৱাৰ পাছত খাব।

১৩১৭। পুৰণি শোকোতা, তিল দুয়োকো বটি যমলাখুটি আলুৰ ৰসৰ লগত মিলাই ৰাতি শোওতে মূৰত ভৰণ দিব লাগে।

১৩১৮। বগৰী গুটিৰ মজা, পিপলি, বিৰিণাৰ শিপা, নাহৰ ফুল বটি কোৱাথ কৰি খালে ভাল হ'ব।

১৩১৯। নিলাজী বনৰ পাত এমুঠি আনি খচি এগিলাচ কৰি খাব। দিনে এবাৰকৈ একেছ পাল্লি খাব।

১৩২০। বচ গুৰি কৰি এমহা পৰিমাণ পুৰণি কোমোৰাৰ বুকুৰ পান প্ৰতি দিনে এবাৰকৈ মিহলাই খাব।

১৩২১। যষ্টীমধুৰ গুড়ি এমহা মৌ ১ মহা পৰিমাণে দিনে এবাৰ খাব।

১৩২২। ভগৱানক চিন্তি কৱচ দিব লাগে ক'লা সূতাৰে।

১৩২৩। যেতিয়াই এই বেমাৰ উকাই তেতিয়াই কেৰকুটৰাৰ মুখৰ কেঁচা তেজ এচামুচ খুৱা লাগে।

মৃগী ৰোগ ঃ

১৩২৪। পিঁয়াজৰ ৰস শুঙিলে সহজে জ্ঞান পায়।

পয়া লগাৰ দৰৱ ঃ

১৩২৫। ভীমকল চালি লৈ তাৰ লগত ভেট ফুল বটি মিহলাই ছাগলী গাখীৰৰ লগত খাব।

১৩২৬। চতিয়না গছৰ ছাল দক্ষিণ ফালৰ, একে উশাহতে কাটিব লাগে আৰু কটাৰ সময়ত কি কাৰণে কাটিছে গছ জোপাক ছাই ক'ব লাগে। অপৰাধ নধৰে যেন, ছাল টুকুৰা ২৪ ভাগ কৰিব লাগে আৰু গাঠিব লাগে। মালাডাল গজহৰ গাঠিবে গাঠিব লাগে। মালাডাল বুকুৰ সমানে টিলাই বুকুত পিন্ধিব লাগে। মালাডাল দুই এদিনত নিজে নিজে সৰকি ওলাই যাব লগতে বেমাৰ ভাল হ'ব। পাছত মালাডাল ভালকৈ খুটি বাধিব লাগে। এই ঔষধ শনি বা মংগলবাৰে দিব।

১৩২৭। সোণবৰিয়ালৰ ছাল বা শিপা, বিয়নী শাপোতা গছৰ শিপা বা গছ (লতা জাতীয়) অসমীয়া মালভোগ কলৰ শিপা বা আলুৰ ৰস মৰাণ আদা (বয়স অনুসৰি) জালুক তিনিটা বা নটা (বয়স অনুসৰি) অসমীয়া খৰুৱা বেঙেনাৰ শিপা, কোতাহি বেঙেনাৰ শিপা, নিমখ অলপ দিব পাৰি. ওপৰৰ উল্লেখ কৰা বস্তু কেইটা ৰস উলিয়াই গৰম কৰি দিনে দুবাৰকৈ তিনি দিন খাব। আহাৰ খোৱাৰ পাছত।

অপথ্য ঃ ৰবাচাউল, গাখীৰ, মাছ, হাঁহকণী, ঠাণ্ডা পানীত গা ধুব নালাগে।

১৩২৮। কেতেলা গছৰ ভুৰ, বগা লাটুমণি, জাহি, জালুক, তিনিটা, লং তিনিটা, অলপ নিমখ, কেএগা বনৰ গুটি এটা সবাকে বটি খাব লাগে।

১৩২৯। হাবিজবা ছাল দক্ষিণ ফালৰ চাৰি আঙুল, গোলনেমু ছাল ২ আঙুল কোটাহি বেঙেনাৰ দক্ষিণ ফালৰ শিপা, জেতুলি পকাৰ শিপা, মালভোগ কলৰ শিপা, মৰাণ আদা,নিমখ সবাকো বটি ৰস উলিয়াই অলপ গৰম কৰি দৈনিক তিনি পালি দুচামুচকৈ খাব প্ৰতিবাৰত। তিনিদিন গাখীৰ, কণী মদ, নাখাব.

কাহ কফ দৰব ঃ

১৩৩০। মৌ জোল, মৰাণ আদা, সিজুপাত, পাতত দি ৰস উলিয়াই একে কৰি দিনে দুবাৰ কৰি খাব।

১৩৩১। শিলিখা, শাওনিলতা, চেনি, মৌ বটি মিহলাই খাব।

১৩৩২। চৈ এটকা, আদা এটকা, পিপলি এক টকা, পিপলিৰ শিপা এক টকা, আগিয়াচিতা নঅনা, খুন্দি সিজাই, তাৰ দুগুণ পানীৰ এজোখ ৰাখি সেই জোল মৌ ৰসৰ লগত খাব।

১৩৩৩। ৰবচা বনৰ শিপা, বাতদোৱা মালিৰ আগ, আমলখিৰ আগ, লোণ, জালুক দি বটি পাতত দি খাব। কফ নাশ হ'ব।

পেচাবৰ দুৱাৰ পুৰিলে :

১৩৩৪। ভেম ডেউকা বা কৰিয়া বিজল গোটেই গছজোপা আনি খচি এগিলাচ মিটিৰি মিহলাই খাব।

১৩৩৫। স্রোল বনৰ নটা বা এঘাৰটা আগা, পচপতীয়া খুন্দি ছাগলী গাখীৰৰ একচটাকৰ লগত কুঁহিয়াৰ ৰস চাহ চামুচেৰে দুই চামুচ মিহলাই চেপি ৰসখিনি উলিয়াই খালি পেটত খাব।

১৩৩৬। মালভোগ খুটৰাৰ ৰস সিজাই ৰস খালে সাৰ বেমাৰ ভাল হয়।

১৩৩৭। বঙালী খুতৰাৰ ৰস সিজাই ৰস খালে ভাল হয়।

১৩৩৮। বৰগছৰ ছাল পানীত সিজাই খালে ভাল হয়।

১৩৩৯। অসমীয়া পোৱা কুঁহিয়াৰ ৰস খালেও সাৰ বেমাৰ ভাল হয়।

১৩৪০। আমলখি, শিলিখা, ভুইৰা গুটি ক্বাথ আৰু গুৰি মিলাই গৰু ঘিঁউৰে খাব।

১৩৩৪১। লোৱাচুৰ সাতদিন গৰুৰ মূতত তিয়াই শুকাই লৈ গুৰি কৰি এৱঁা গাখীৰেৰে খাব।

১৩৪২। বৰ আগৰা, সন্ধ্যা পয়ৰা, সিন্ধৰ লোণ, কাঞ্জি পানী, নাৰিকল পানী ঘিউঁৰ, ভুঙাৰাজৰ মূল ভাতৰ পানী সবাকো সমজোখলৈ খালে শাহৰ পানী মৰে গা উখহা সাৰ ভাল হয়।

১৩৪৩। কুমলীয়া সঁফুৰি কঠালৰ ৰস বিহলঙনি আৰু মাগুৰ মাছ তিনিওকে সিজাই তিনিদিন পুৱা তিনিপালি খালে ভাল হ'ব।

১৩৪৪। সোলেং টেঙাৰ ৰস, কৰদৈৰ ৰস, আমলখি, শিলিখা, গোক্ষ বিৰিণা, লাতৰুণ, বৰগুদা, মৰাণ আদা, বৰ আগৰাৰ শিপা, জালুক সবাকো বটি খাব।

১৩৪৫। বেলিপকা লতাৰ আলু খানি আনি, এটা আঙুলীৰ সমানকৈ ছালৰ অংশচোৱা চোচি পেলাই সাত টুকুৰা কৰিবলৈ চিন দিব লাগে। একেটা উশাহতে সাত টুকুৰ কৰি মালা গাঠিব আৰু পিন্ধিব লাগে।

১৩৪৬। আগিয়াচিতাৰ শিপা চাৰি আঙুল দীঘল, গুল মৰিচ ৫টা যদি সৰু হয় ৭টা, চেঙেলী মাছৰ এটা, নিমখ অলপ দি এই বস্তুবোৰ খুন্দি পাতত পুৰি খাব লাগে।

১৩৪৭। ক'লা কচুৰ ঠাৰি ৫/৬ দাল, কৰদৈ টেঙা এটাৰ লগত সিজাই খালে ভাল হয়।

১৩৪৮। অফুলা শিমলুৰ কুমলীয়া শিপাৰ ৰস, চেনিৰে ৬/৭ দিন পুৱা খালে ভাল হয়।

১৩৪৯। ৰবিয়ালৰ শিপাৰ চালৰ গুৰি, এৱঁা গাখীৰেৰে চেনি মিহলাই খাব।

১৩৫০। খেজুৰৰ শিপাৰ ৰস, পকা কল গাখীৰেৰে খটি খাব।

১৩৫১। নাহৰ গছৰ মূল, মহৰ মুতেৰে বাটি মৌ মিহলাই খাব।

১৩৫২। কেঁএগা বনৰ কোমল মৰ্জ্জা আৰু আমৰ বীজ সংগম বাটি খাব।

১৩৫৩। বৰ্ণপুইৰ পাত আৰু অলপ এৰী গাখীৰৰ লগত মিলাই পগাই নিয়মত থৈ পুৱাতে খাব।

১৩৫৪। শিমলুৰ আলু চাৰি আঙুল, তাল মিচিৰি, তুলিৰ বুঢ়া আঙুলিটোৰ সমান এটুকুৰা. চাৰি-ছয়, আঙুল বগী টেঙৰ শিপা, গৰু কেঁচা গাখীৰৰ চটাকখলাত মিহলাই ভাত খোৱাৰ আগতে এবাৰ খাব। তিনি দিন খাব। চাহ আৰু মচলা নেখাব।

১৩৫৫। শিমলু পুলিৰ দক্ষিণ ফালৰ চাৰি আঙুল খুন্দি প্ৰায় এক ৰেগেত অমৰাৰ ছাল সমানে পিলিখাৰ ছাল আমলখিৰ ছাল ৰেগেত, জমলাখুটিৰ তিনি টুকুৰা তিনি আঙুলৰ সমানকৈ একে বৰণীয়া গৰুৰ গাখীৰৰ লগত মিহলাই তিনিবাৰ খালে ভাল হয়।

১৩৫৬। মিঠা অমৰাৰ ছাল দক্ষিণ ফালৰ চাৰি আঙুল খুন্দি ৰস উলিয়াই একেবৰণীয়া গৰুৰ গাখীৰ আধা পোৱাৰ লগত মিলাই আহাৰ খোৱাৰ আগতে খাব।

১৩৫৭। পকা আঠিয়া কলৰ ৰস পানীত দুবাৰ আগদিনাই। দিনটোত তিনি গিলাচ খাব। খোৱাৰ আগতে।

১৩৫৮। হাতী খুটৰা শিপাৰ ৰস ১০০ গ্ৰাম গৰুৰ গাখীৰৰ ১০০ গ্ৰামৰ লগত একেবাহে তিনিবাৰ খাব একে দিনত।

১৩৫৯। কণা শিমলুৰ আগ ৯ টা বগা বিধৰ, এটা পোৱা আঠিয়া কলৰ ৰস, এটা চাউল তিনি পোৱা গৰুৰ গাখীৰৰ লগত বাটি খাব।

জনদিচ ঃ

১৩৬০। কবিয়া বিজলৰ আলু, পিহি চেকি গৰুৰ গাখীৰৰ এপোৱাৰ লগত মিচিৰিসহ পুৱা শুদা পেটত তিনি দিন খাব।

১৩৬১। ঢেং কচু পাতৰ ৰস ৫ তোলা, গৰুৰ গাখীৰ পোৱা, মিচিৰিসহ শুদা পেটত খাব।

১৩৬২। গৰুৰ গাখীৰ মিচিৰি, মহিকচু, ছালকুৱৰী ভীমকল চালি সকলো মিলাই খুৱাব।

সাৰ বেমাৰৰ দৰৱ ঃ

১৩৬৩। নুনিৰ শিপা, পকা আঠিয়া কল, উখোৱা চাউল, খচা পানীৰ লগত তিনিওকে মিলাই গাখীৰৰ লগত খাব।

ৰক্ত সাৰ ঃ

১৩৬৪। সৰু মানিমুনি পাত, কঠালৰ দক্ষিণ ফালৰ ছাল ৪ আঙুল খুন্দি ৰস উলিয়াই খাব। ভাল হ'ব।

কোম সাৰ ঃ

১৩৬৫। পুৰণি জিকাৰ গুটি, কেঞা বনৰ গুটি মেলি পকা তিনিওকে মিলাই গুৰি কৰি নাকেৰে উজাব পোক ওলাই আহিব।

সাৰ বেমাৰৰ দৰৱ ঃ

১৩৬৬। নুনিৰ শিপা, পকা আঠিয়া কল কেঞা বনৰ গুটি, তিনিওকে খুন্দি ৰস উলিয়াই গাখীৰৰ লগত খাব।

১৩৬৭। মিচিমি তিতাৰ লগত গ্লোকজ মিলাই খালে সাৰ বেমাৰ ভাল হয়।

১৩৬৮। এগিলাচ পানীত এটা কাজি নেমুৰ ৰস মিহলি কৰি খাব লাগে।

১৩৬৯। বগী জামুৰ দক্ষিণ ফালৰ ৩ ইঞ্চি ছাল একবাই তাক ভালদৰে খুন্দি লৈ ইয়াৰ ৰসৰ লগত গো দুগ্ধ সমে খাব।

১৩৭০। ৪/৫ ফোটা নহৰু খুন্দি আধাকাপ গৰম গাখীৰত মিহলাই একেৰাহে দুদিন খালেই এই ৰোগ ভাল হয়।

১৩৭১। কেঁচা মূলা চোবাই খালে এই ৰোগ ভাল হয়।

১৩৭২। কেঁচা অমিতা তৰকাৰী কৰি মচলা নিদিয়াকৈ কেইদিনমান খালেই এই ৰোগ নাশ হয়।

১৩৭৩। আমলখিৰ ১০ গ্ৰাম ৰসৰ লগত ২/৩ চামুচ চেনি আৰু মৌ মিহলি কৰি খালে ভল হয়।

১৩৭৪। আকি কুঁহিয়াৰৰ ৰস দিনে ২ গিলাচকৈ খাব।

১৩৭৫। কেঁচা হালধি গুৰিৰ লগত মৌ, চেনি, ঘিঁউ মিহলি কৰি খালে ভাল হয়।

১৩৭৬। শগুনি লতাৰ ৰস ঘোলৰ সৈতে খালে ভাল ফল পাব।

মাইকী মানুহৰ গা চলাৰ দৰৱ—গৰ্ভপাত ঃ

১৩৭৭। বৰ মানিমুনি, সৰু মানিমুনি, বনজলকীয়া, কাচিদেয়া খুন্দি ৰস উলিয়াই গুটি জালুক ওঠৰতা সহ নিমখ দি কুহুমিয়া গৰম কৰি পুৱা গুদা পেটত খাব।

১৩৭৮। নাৰ্জি ফুলৰ পাতৰ ৰস, আধাতোলা চেনিৰ স'তে তিনি ঘণ্টাৰ মূৰে মূৰে খাব।

গাচলা বন্ধ হ'ব।

১৩৭৯। তৰুণীয়া আলু চাৰি আঙুল, জালুক তিনিটা পিহি খুন্দি খাব।

মাইকী মানুহৰ চুৱা কামোৰণি দৰৱ ঃ

১৩৮০। তুলসী পাত তিনিটা, ঢেকীয়াৰ পাত তিনিটা ঠাণ্ডা পানীৰ লগত খাব। আহাৰ খোৱাৰ আগত তিনি দিন খাব।

১৩৮১। হেন্দুৰী পমা গছৰ পূব ফালৰ ছাল, বঙা আহু ধানৰ ওখোৱা চাউল, কৰ্ণাই, ম'হ এবাৰি বন, ঘৰৰ চালৰ কোটা এমুঠি, মান কণৌ ঢেকীয়া লতাৰ সৈতে পমা গছৰ ছাল শুকানকৈ মিহি কৰি খুন্দি সকলো দৰৱ কৰ্ণাই গুৰৰ সৈতে মিহলাই খুন্দিব আৰু আহু ধানৰ কৰ্ণাই হাতৰ তলোৱাৰ ওলোটাকৈ তিনি পিঠি ল'ব লাগে। চোৱা হোৱাৰ তিনিদিনৰ দিনা গা ধুই চাৰিদিনৰ দিনা বাতিপুৱা খাব। খালি পেটত দুবাৰ মুখত বহি দৰৱ খাব লাগে।

ধাতু দুৰ্বল ও মাইকী মানহৰ গৰ্ভাশয় ঃ

১৩৮২। দুবৰি বন হাতৰ মুঠিৰে এমুঠি ভালদৰে ধুই পাতত থেতালি পুৱা খালি পেটত খাব। এই দৰৱ খায় দুখবো নিৰ্মূল কৰে।

১৩৮৩। ৰবচা বন তিনি জোপা, মেকাহি ছাল চাৰি আঙুল খুন্দি ৰস উলিয়াই খাব।

ঋতুসাৰ অনিয়ম ঃ

১৩৮৪। হাড়জোৰা দিয়াৰ লতাৰ ৰস, ৫ গ্ৰাম দিনে ২ বাৰকৈ একেৰাহে দহ-পোন্ধৰ দিন খাব লাগে।

১৩৮৫। অশোক ফুলৰ গছৰ ছাল নিয়মীয়াকৈ খাব।

কন্যাকাল নোহোৱাৰ দৰৱ ঃ

১৩৮৬। ৫০ গ্ৰাম দুবৰি বন খুন্দি তাৰ ৰস দিনে তিনি পালিকৈ খাব। একেৰাহে ৩/৪ দিন খাব। (আহাৰ খোৱৰ আগতে খাব)

১৩৮৭। দুবৰি বনৰ ৰস পিঠাৰ লগত খালেও কন্যাকাল হোৱা দেখা যায়।

১৩৮৮। কলা তিলৰ ক্বাথ কৰি সেই ক্বাথৰ লগত জালুক, পিপিলা আদা আৰু আকণ বিহৰ গুৰা আৰু হিং ৫০ গ্ৰাম মিহলাই বাতিপুৱা খাব। এক/ডেৰ মাহ একেলগে খাব।

১৩৮৯। ৮/১০ পাহ বঙা জবা ফুল পিহি ৰস খাব।

গৰ্ভপাতৰ দৰৱ ঃ

১৩৯০। বগা অপৰাজিতাৰ শিপা চাবি আঙুল ককালত বান্ধিব।

১৩৯১। পদুমৰ চকা নিয়মীয়াকৈ খাব।

১৩৯২। বহু গছৰ বস খাব তেজ ওলালে।

বক্ত স্রাৱ ঃ

১৩৯৩। দুবৰি বনৰ বস ২৫ গ্ৰাম অলপ মৌ মিহলাই দিনে তিনি বাৰ খাব।

১৩৯৪। কেঁচা আমলখি এটা ভালদৰে খুন্দি যোনিত প্ৰলেপ দিব।

১৩৯৫। ভীমকলৰ শিপা এমুঠি, তিনিবাৰ ভালদৰে খুন্দি বস উলিয়াই তাত এটা জালুব দি তাক তিনিভাগ কৰি তিনি দিন খাব।

মাইকী মানুহৰ গা চলা ঃ

১৩৯২। (ক) ইকৰা গছৰ ধতুৰা, মাটিৰ পাত্ৰ খোলা গুড়ি কৰি খুৱাব।

(খ) বগা বাহেকৰ, মাইকী মানুহৰ গা চলি নুগুকালে ইয়াৰ দুটা আগ, জালুব ১০/১২ টা লগত খুন্দি পুৰা-গধূলি দুবাৰ খাব।

মাইকী মানুহৰ ঋতুস্রাৱ—(অতি কম হ'লে)

১৩৯৬। ৫ টা কঠালৰ কুঁহিপাত, কেঞাবনৰ আগ ৫ টা জালুক ৫ টা বটি তিনি পাছি খাব ১ দিনত।

১৩৯৭। মধ্যমিয়াৰ ঃ এটুকুৰা প্ৰামৈ লতা দুই আঙুল, তনি আঙুল শকুনি লতা, এটুকুৰ টকৌ পাতৰ নাই, (চোৰি আৰু পাত) এটুকুৰা নতুন খোলাকতি সমান জোখৰ বিৰিণাৰ শিপা, এখিলা পকা পাণ, এটা কুমৰাণী বাঁহ, একেলগে এটা নতুন মলাৰ চকত তিনি পোৱা পানীত সিজাই বাখি তাৰ বস চাকি বাতিপুৱা খালী পেটত খাব। এদিনত তিনিবাৰ খাব।

চুৱা কামোৱণি ঃ

১৩৯৮। বাৰি সুন্দৰি পকা পাণত পিপলি, লং, জালুক বটি জোল কৰি খাব।

১৩৯৯। মৰাণ আদাৰ বস তিনি তোলা, সম পৰিমাণে গাখীৰ খোৱা ল'বাৰ মূত্ৰৰ সৈতে সুদা পেটত খাব।

ঋতুস্রাৱ ঃ (অনিয়মিত)

১৪০০। ক'লা তুলসী ৰস দিনে দুশ গ্ৰামকৈ আহাৰ খোৱাৰ আধা ঘণ্টাকৈ পাচত একেৰাহে তিনিদিন খাব।

গৰ্ভপাত হোৱাৰ দৰৱ ঃ

১৪০১। ছাল কুঁৱৰী আগ, মেজাঙ্গি, ৰব মৰিচাৰ শিপা, তামোলৰ লগত খাব লাগে।

১৪০২। দুটা বেঙেনাৰ ফুল দক্ষিণ ফালৰ ৰোগীৰ মূৰত ধৰি ৰাখিব লাগে। তেতিয়া গৰ্ভপাত হয়।

গৰ্ভানী ৰোগ ঃ

১৪০৩। এৰাপাত এখন জুইত সেকি তল পেটত প্ৰায় ২০/২৫ মিনিট সময় ধৰি ৰাখিব লাগে। আধা ঘণ্টাৰ মূৰে মূৰে ছয় সাতবাৰ মান কৰিলে সম্পূৰ্ণ ভাল হয়।

ডিঙিৰ গৰলৰ দৰৱ ঃ

১৪০৪। কণি বিহৰ শিপা তিনিডাল, ৰঙা চন্দনৰ লগত ৰৰসোণৰৰীয়ালৰ শিপা, সাগৰৰ ফেন শিপা খুন্দি একেৰাৰে পানী কুতৰ দৰে হ'লে সাগৰৰ ফেন ৰঙা চন্দনেৰে মিহলাই বেদনা হোৱাৰ ঠাইত ঘঁহিব।

১৪০৫। ৰকল বিহৰ শিপা, অমিতাৰ শিপা, ছোৰাতৰ শিপা, তিনিওৰে পূব ফালৰপৰা আনি কাপৰ তাবিজত ভৰাই ল'ব।

১৪০৬। নহৰু বা পিঁয়াজ ৭৫ গ্ৰামকৈ একেৰাহে এমাহ খালে এই ৰোগ ভাল হয়।

টনচিল ঃ

১৪০৭। যি কোনো তুলসীৰ পাত খুন্দি পিহি ১ কাপ ৰস উলিয়াই ল'ব। লগত ৯ টা লেটা গুটিৰ ভিতৰ অংশৰ আধা খুন্দি থ'ব। নিমখ ১ চামুচ সবাকে মিহলাই পুনৰ পিহি ৰ'দত শুকাই বাটলুগুটিৰ সমান কৰি মুখ বহল টিচাত থ'ব।

ব্যৱহাৰ ঃ এটা বৰি গৰম পানীত মিহলাই মুখত ভৰাই কুলকুলি কৰিব দিনে ২ বাৰ। গুটি হ'লে বহি যায়। ঘাঁ হ'লে শুকাব।

কাঠ বেচুৰ দৰৱ ঃ

১৪০৮। ভবাগজালী, নলাগজালী, দেৱ গছৰ আটা এৰা গুটিৰ তেলত পগাই সানি দিব। বেচু নাশ হ'ব।

মাত ভাল হোৱাৰ দৰৱ ঃ

১৪০৯। হালধি, বচ্, পিপলি, মৰাণ আদা, কালজিৰা, অজিন সৈন্ধৱ লোণ সবাকো বটি বৰি কৰি গৰুৰ ঘিঁউৰ লগত ২১ দিন খাব।

১৪১০। সৰুজকান্তি পতাৰ ৰস উলিয়াই মৌ-জোলৰ সমানে সৈতে সমান পৰিমাণে মিহলাই চাহ চামুচেৰে দুই চামুচকৈ তিনি বেলা খাব।

১৪১১। কেঁচা হালধিৰ ৰস চেনিৰ সৈতে মিহলি কৰি খাব।

১৪১২। মৰাণ আদাৰ ৰস, মৌজোলৰ লগত খাব।

১৪১৩। মৰাণ আদা, কেঁচা হালধি ৰস ৫০ গ্ৰাম সমান পৰিমাণে গুৰ আৰু চেনিৰ সৈতে মিহলাই আন্দাজ মতে পানী দি ল'ব। দিনে দুই বাৰকৈ খোৱাৰ আগতে।

১৪১৪। ব্ৰাহ্মী শাকৰ ৰস মৌৰ লগত দিনে দুবাৰকৈ ১০/১৫ দিন খাব।

১৪১৫। ভোমোৰাৰ চূৰ্ণ গৰুৰ ঘিঁউত ভাজি খাব লাগে।

মুখৰ গন্ধ নাশ হোৱাৰ দৰৱ ঃ

১৪১৬। বকুলৰ ছাল, তিল, কালজিৰা সমানে ভাগ বটি মুখত ল'ব।

প্লীহা বা পিলাই বৃদ্ধি ৰোগ ঃ

১৪১৭। চতিয়নাৰ শিপা ২০০ গ্ৰাম তাক জুইত পুৰি ছাই খাব খালে ভাল হয়।

১৪১৮। নহৰু নাইবা পটলৰ শিপা খুন্দি পেটত প্ৰলেপ দিব।

১৪১৯। গাজৰৰ আচাৰ খালে প্লীহা বৃদ্ধি ভাল হয়।

১৪১২০। কেঁচা মূলা চকল চকল কৰি কাটি তাত জালুক গুৰি মিহলাই অলপ সৈন্ধৱ নিমখ দি দিনে ৩ বাৰকৈ ৬/৭ দিন খাব।

১৪২১। ২৫ গ্ৰাম মৌ লগত ৫০ গ্ৰাম আমৰ ৰস মিহলাই খালে প্লীহা বৃদ্ধি হয়।

১৩২২। ১২ গ্ৰামকৈ পছতীয়াৰ পাত ৰস, এসপ্তাহমান খালে এই ৰোগ ভাল হয়।

১৪২৩। মৌৰ লগত ১২ গ্ৰাম পিপলিৰ গুৰি মিহলাই দিনে এবাৰকৈ কমেও ৮/১০ দিন খাব।

১৪২৪। অমিতাৰ তৰকাৰী খালেও এই ৰোগ ভাল হয়।

১৪২৫। চিৰটা চুণৰ পানীৰ লগত ব্যৱহাৰ কৰিলে ভাল ফল পোৱা যায়।

ম'হৰ পেলুৰ দৰৱ ঃ

১৪২৬। তিতা বনজৰাৰ দক্ষিণ ফালৰ শিপা, ক'লা নিমখ গোটাই ৰস কৰি খাব। পেলু নাশ হ'ব।

ছাগলীৰ হাগনীৰ দৰৱ ঃ

১৪২৭। ভীমৰাজ খুন্দি অলপ নিমখ দি তিনিপালি খুৱাব।

১৪২৮। ৰঘু গছৰ কুমলীয়া পাত মিহি কৰি খুন্দি বা পাতত দি ছাগলীক খুৱাব।

খহনীয়াৰ দৰৱ ঃ

১৪২৯। মৌ সৰালি, পোহাৰি লতাৰ আগ সাতটা ৰকণৰ আগ পাচ গোট, কোটকোৰাৰ আগ সাতটা তুবুকি লতাৰ আগ সাতটা খুন্দি বেছ মতে বান্ধি দিব। ভাল হ'ব।

পুৰুষ বা স্ত্ৰীৰ আধান উথহিলে ঃ

১৪৩০। অকলা বৰপাত আৰু শিপা, আৰৈচাউল খচা পানীৰে বাটি অংগত লিপি দিব।

১৪৩১। পদ্ম নীলোৎপম, মৃণান, শাস, অৰ্জুন বেতস ও যষ্ঠী মধু এই সকল দ্ৰব্য ঘৃত সংযুক্ত কৰি প্ৰলেপ দিব।

শূলাৰ দৰৱ ঃ

১৪৩২। কোটকোৰাৰ আগৰ কুঁহি, জালুক, লং তেজপাত, লোণ সবাকে চুঙাত সিজাব, সাতখিলা পাতেৰে সোপা দিব তিনি পিঠি চাউলৰ ভাত বাটি মাছৰ জোলত খাব।

১৪৩৩। মাগুৰ মাছ এটা, কণা শিমলুৰ আগ এমুঠি, অসমীয়া ভাঙৰ আগ ৫ টা জালুক ২১ টা অলপ লোণ দি আদখৰীয়া আঞ্জা কৰি খাব।

শূল ৰোগ ঃ

১৪৩৪। কালমেঘৰ পাতৰ ৰস ১০০ গ্ৰাম দিনে দুবাৰকৈ খাব। নৰসিংহ পাত ১০০ গ্ৰাম ৰস খালেও ভাল হয়।

১৪৩৫। কপূৰৰ বাকলি, কৰ্দৈৰ ছাল, সুমথিৰাৰ বাকলি, ডালিমৰ বাকলি, ৰঙা কাঠফুলা, শিলিখা, আমগুটি বটি দিব। ভাল হ'ব।

প্ৰেচাৰৰ দৰৱ ঃ হাই প্ৰেচাৰ ঃ

১৪৩৬। নেফাফুল আগ বা পাত এমুঠি লৈ মিহিকৈ বটি ৰস খাব (পাতত দিব বা এনেয়ে) প্ৰায় ১৫ দিন মান খাব।

১৪৩৭। সুগন্ধিৰ শিপাৰ প্ৰায় ১০ গ্ৰাম ৰস বাহিৰ কৰি দিনে দুই বাৰ খাব নাইবা ছাল কুঁৱৰীৰ পাত দুই তিনিখন খুন্দি মূৰত প্ৰলেপ দিব। এমাহ কৰিব।

১৪৩৮। নেফাফুল গছৰ কোমল পাতৰ ৰস কুঁহি অবস্থাত আধা চামুচ ঘিঁউৰ লগত খাব। সাধাৰণ অবস্থাত ১০/১২ টা পাত ভাজি বা পাতত দি খাব লাগে।

১৪৩৯। নেফাফুলৰ কুমলীয়া পাত ভাজি খাব লাগে। ৰক্ত চাপ কমে।

প্ৰেচাৰৰ দৰৱ ঃ

১৪৪০। নেমুৰ ৰস, ঠাণ্ডা পানী, মিঠাতেল মিহলাই মূৰত ল'ব।

উচ্চ ৰক্তচাপ ঃ

১৪৪১। সৰ্পগন্ধাৰ শিপাৰপৰা ১০০ গ্ৰাম ৰস উলিয়াই দিনে দুবাৰকৈ খাব।

১৪৪২। ছাল কুঁৱৰীৰ পাত দুই তিনিখন খুন্দি মূৰত প্ৰলেপ দিব লাগে। এমাহ মান দিলে ভাল হয়।

১৪৪৩। জেতুকাৰ পাত খুন্দি মূৰত প্ৰলেপ দিলে এই ৰোগ আৰোগ্য হয়।

১৪৪৪। ছাল কুঁৱৰীৰ পাত খুন্দি মূৰত প্ৰলেপ দিলে এই ৰোগ আৰোগ্য হয়।

১৪৪৫। দৈনিক কেঁচা নহৰু ২ টাকৈ ভাতৰ লগত এক/ডেৰ মাহ খালে ৰক্ত চাপ স্বাভাৱিক অৱস্থালৈ আহে।

১৪৪৬। বিলাহিৰ ৰস ২০০ গ্ৰামকৈ খালেও ভাল।

১৪৪৭। তুলসী ৰসৰ লগত ২০০ গ্ৰাম মৌজোল মিহলাই খালেও ৰক্ত চাপ ভাল হয়।

১৪৪৮। তুলসী ৰস ৫০ গ্ৰামৰ লগত ৮/১০ চামুচ হালধিৰ ৰসৰ লগত খালে ৰক্ত চাপ ভাল হয়।

১৪৪৯। ৭/৮ টা আমলখি খুণ্ডি তাক মিছিৰিৰ লগত খালে ৰক্তচাপৰ উপসম ঘটে।

চৰ্ম্ম ৰোগ ঃ

১৪৫০। পচতীয়া পাত, বেলপাত, নহৰু এটা, উখোৱা চাউল হাতৰ তিনি পিঠি, জলকীয়া চৰ টা ভাজি গুৰি কৰি পুৱাতে তিনি আঙুলিৰে ধৰি খালে সকলো চৰ্মৰোগ নাশ হয়।

১৪৫১। সৰু আৰু বৰ মানিমুনি, বিহ ঢেকীয়া, অৰ্জুনৰ গুটি জাই ফল দুটা পিপলিসহ বটি দিলে চৰ্মৰোগ নাশ হয়।

১৪৫২। কৰোঙাৰ ছাল কমলা বাকলি, বনসটৰ শিপা, জলকীয়া দুটা, পিপলি দুটা বটি খালে চৰ্মৰোগ নাশ হয়।

১৪৫৩। বৰুণৰ ছাল, শুঠও ইয়াৰ সৈতে যবক্ষাৰ দুই মহা আৰু পুৰাতন গুৰ দুই মহা প্ৰলেপ দিব।

১৪৫৪। শুঠ, গণিয়াৰী, পাষাণ ভেদী, চজিনা, বৰুণ ছাল, কুঁহিয়াৰ হৰীতকী ও সোণাল ফল, ইয়াৰ সৈতে কাথে হিংগ যবক্ষাৰ আৰু সৈন্ধৱ লোণ চূৰ্ণ প্ৰলেপ দিয়া পাণ কৰিব।

□□□□

ঔষধ

২য় খণ্ড

মাউৰ

১। এলাচি, লং নাহৰফুল, বগৰি গুটিৰ সাহ, দুদখুৰি মুথা ৰঙা চন্দন, পিপলি সমজোখে গুড়ি কৰি চেনি আৰু মৌ দি চেলেকি খালে প্ৰবল বাঁতি গুচে।

২। আহতৰ মৰা ছাল পুৰি খাৰ তুলি খালে বাঁতি গুচে।

৩। ভেটাইৰ শিপা, ছাল, পাত-খেঁৰালি পানীত সিজাই কাথ খালে কাহ আৰু মোৰ গুচে।

৪। এক আঁজলি আখৈ আৰু এতোলা চেনি ভেৰ পোৱা পানীত কিছুপৰ থৈ ছেঁকি পানী ল'ব—তাতে বিৰিণাৰ মুঠা এতোলা, সৰু এলাচি আধতোলা, গুৱামৰি আধতোলা বাটি আৰু ৰঙা চন্দন এতোলা ঘঁহি মিহলাব। এই পানী আধতোলা পৰিমাণে আধা ঘণ্টা অন্তৰে অন্তৰে খাই থাকিলে বাঁতি গুচে।

নোখোৱা দৰৱ

১। তাৰ্পিন তেল মালিছ কৰি সেকিলে বাঁতি গুছে।

২। সৰিয়হ বাটি পেটত লেপ দিলে বাঁতি গুচে।

পিয়াহ হ'লে

১। মিঠা আমৰ ছাল,মধুৰী আমৰ ছাল, দুদখুৰীৰ ছাল আৰ লতিৰপাত পানী এসেৰত পগাই এপোৱা ৰাখি খাব।

২। চন্দন ঘঁহা আৰু মৌৰী (গুৱামৰি) ভাঁজি টোপোলা কৰি তপত পানী চেঁচা কৰি সেই পানীত মৌৰীৰ টোপোলাটি তিয়াই পানী খাব।

৩। নেমুটেঙাৰ ৰসত পানী খাব।

৪। আলুক এতোলা ভাজি ছাই ৰেন কৰি ভেৰাই এপোৱা পানীত দি সেই পানী অলপ অলপ খাব:

৫। বালি ভাজি পানীত দি সেই পানী খালে পিয়াহ গুচিব।

৬। কৰ্পূৰ মিহলোৱা পানী খালে পিয়াহ গুচিব।

৭। ডাঙৰ এলাচি পুৰি সেই দানা গুড়ি কৰি পানী মিহলাই খাব।

৮। ভজা মুগ মাহ আধপোৱা দুসেৰ পানীত সিজাই এসেৰ পানী থকাত নমাব, আখৈ গুড়ি এপোৱা সেই পানীত থহি অলপ চেনি আৰু মৌৰে খালে হাগনি, পিয়াহ দাহ গুচে।

৯। আম আৰু জামুৰ কুঁহিপাত সিজোৱা পানী মৌ মিলাই খালে বাঁতি আৰু পিয়াহ গুচে।

১০। মুথাৰ কাথ খালে পিয়াহ আৰু বাঁতি গুচে।

১১। বড় গছৰ নাড়ী, ভঁইৰা ছাল, চেনি, ডালিম, যষ্টিমধু আৰু মৌ সবাকো বাটি চাউল খচা পানী সৈতে খালে বাঁতি আৰু পিয়াহ গুচে।

পেচাব বন্ধ হ'লে— খোৱা দৰৱ

১২। স্থলপদ্মৰ পাতৰ ৰস এতোলা চেনিৰে খালে বন্ধহোৱা পেচাব চলে।

১৩। য'নী বাথৰ, ধনিয়া, অমৰাৰ ছালি তিনিকো ভাজি পানীত পেলাই চেঁচা হ'লে সেই পানী খালে পেচাব চলে।

১৪। নিমৰ ফুল মৌৰে থিনাই বটি খালে নিশ্চয় পেচাব চলিব।

১৫। অশোকৰ গুটিৰ গুড়ি, চাউল খচা পানী, চন্দন আৰু চেনি মিলাই খালে বন্ধ হোৱা পেচাব চলে।

১৬। কোমোৰাৰ ৰস ৪ তোলা, যকাৰ আদ তোলা, পুৰণি গুড় আদ মহা মিলাই খালে বন্ধ হোৱা পেচাব চলে।

১৭। পুৰ্ণনবা সৰ্পজিহ্বা আৰু পদিনা শাক পাতত দিয়া ৰস য'খাৰ দি খাব।

১৮। কেঁচা আমলখিৰ ৰস ১০ তোলা, কিটকিৰি ১ ৰতি এটা বকুলৰ গুটিৰ সাহ সবাকো বটি য'খাৰ দি খালে পেচাব চলে।

ৰোগ বেছিকৈ নহ'বৰ বাবে

১৯। খোৱা পানী আগেয়ে তপত কৰি যেতিয়া চেঁচা হ'ব তেতিয়া ব্যৱহাৰ কৰিব।

২০। তপত পানীৰে বন্ধাবঢ়া খোৱা বাচন-বৰ্তনবোৰ ধুই ল'লে ভাল।

২১। পুখুৰী বা খালৰ পানী খাবলৈ বা গা ধুবলৈ কেতিয়াও ব্যৱহাৰ নকৰিব।

২২। পানীখোৱা পুখুৰী বা নাদৰ পাৰত কেতিয়াও কাপোৰ-কানি নুধুব।

২৩। মলাশয়বোৰ দাহন কৰিব বা মাটিত ভালকৈ পুতিব। কেতিয়াও নদীত বা আন কোনো ঠাইত নেপেলাব। মলাশয়বোৰ পেলাই দিলে মাখি, শিয়াল, শগুণ ইত্যাদিৰদ্বাৰা গাঁৱত মাউৰ বিয়পে।

এই নৰিয়াৰ চিকিৎসা আৰু শুশ্ৰূষা কৰোঁতে বৰ সাৱধানে চলা আৱশ্যক কিয়নো কোন মুহূৰ্তত কি অনিষ্ট ঘটে ক'ব নোৱাৰি। ৰোগীৰ ঘৰ, বিছনা, পিন্ধা কাপোৰ-কানি সদায় পৰিষ্কাৰ ৰাখিব। কৰ্পূৰ, ধূনা, ধূপ আৰু গন্ধক জ্বলাব।

চিকিৎসা

এই ৰোগ আৰম্ভ অৱস্থাত কৰ্পূৰ ব্যৱহাৰ কৰিলে উপকাৰ হয়।

২৪। ৰোগীৰ গোটেই গাতে মৃদুভাৱে সৰিয়হৰ তেল ঘঁহিব। যাতে সিৰামূৰি ধৰিব নোৱাৰে।

২৫। গা চেঁচা পৰিলে বটলত তপত পানী ভৰাই গোটেই গাতো সেকিব বা ইটা

তপত কৰি বা উপঙ খালিৰ টোপোলা কৰি সেকিব।

২৬। এই অৱস্থাত দেশী ভাল তৈয়াৰী মদ পানী মিহলাই এক ঘণ্টা অন্তৰে ১ ছটাক পৰিমাণে খুৱাব।

২৭। পানী যিমান খাব খোজে সিমান দিব কিন্তু সেই পানী আগেয়ে তপতাই চেঁচা কৰিব।

২৮। কৰ্পূৰ আৰু হিঙৰ গোন্ধ লব।

দৰৱ

২৯। জালুকৰ কাথ খালে হগা বমিওৱা উপসৰ্গ গুচে।

৩০। বনমটৰ শিপা এতোলা, জালুক আদমহা দুইওকো পানী দি বাটি প্ৰতি ঘণ্টাই আদ মহা পৰিমাণ খালে পেট চলা ৰোগৰ শান্তি হয়। ই জহুৰী ৰোগৰ প্ৰধান ঔষধ।

৩১। তিতা কেৰেলাৰ পাতৰ কাথত পিপলি গুড়ি পেলাই দি খালে পেট চলা ৰোগ গুচে আৰু পেটৰ অগ্নিবাঢ়ে।

৩২। কৰ্পূৰ হিং আৰু পিপলি গুড়ি পানীৰে মাৰি বুট মাহ পৰিমাণে ১/২ ঘণ্টা অন্তৰে অন্তৰে খাব।

৩৩। হিং জালুক আৰু আফিং সমজোখে পানী দি ভালকৈ মাৰি ৩ ৰত্তি পৰিমাণে বৰি কৰিব। এই দৰৱ বয়স অনুসৰি সিকি আধা বা পূৰ্ণমাত্ৰায় পানী আৰু কৰ্পূৰেৰে মাৰি খাব। এই ঔষধ এবাৰ কোনা মতে ৰোগীৰ পেটলৈ গ'লে ৰোগ নিশ্চয় ভাল হ'ব। শৌচ কৰাই পতি একোটা বৰি খাব। দৰৱ ব্যৱহাৰ মাত্ৰেই ভেদ বমি বন্ধ হব। দৰৱ খোৱাৰ পিছত ৰোগীৰ পিয়াহ লাগিলে পানীত নেমু টেঙাৰ ৰস আৰু কৰ্পূৰ অলপ মিহলি কৰি সেই পানী দিব। হাত ভৰিত যদি সিৰামূৰি ধৰে সৰিয়হ তেল তপতাই হাত-ভৰি আৰু গোটেই গাত মালিছ কৰিব।

৩৪। মুথা এতোলা, পিপলি, হিং, কৰ্পূৰ, সবাৰে আদ তোলাকৈ বটি ৪ ৰত্তি পৰিমাণে বৰি কৰি খালে পেট চলা গুচে। অনুপান বনমটৰ শিপা ৰস আদ তোলা।

৩৫। লং, আদা, জালুক, সুৱাগাৰ খৈ, বনমটৰ, আত্মাচিতৰ শিপা সবাকো সমজোখে বটি ১ ৰতি পৰিমাণ বৰি কৰিব— অনুপান পেটত মলি থাকিলে পাণৰ ৰস, তেজ হাগনিত চেনি আৰু মাউৰত বনমটৰ শিপাৰ ৰস।

৩৬। যঁনী, জিৰা, বিৰিং গুটী, গুৱামৰি, পিপলি, আদা, সুৱাগাৰ খৈ বিটলোণ, সৈন্ধৱ লোণ, বেলৰ গুটি, আমঠু সবাকো সমজোখে গুড়ি কৰি বুট পৰিমাণ বৰি কৰিব।

অনুপান

মিঠা আমৰ ছাল, জামুৰ ছাল আৰু অমৰাৰ ছালৰ ৰস খাব বা বনমটৰ শিপাৰ ৰসত খাব।

৩৭। হালধি গুড়ি এতোলামান খাই বাতি নহাকৈ পেটত ৰখাব পাৰিলে এই ৰোগ

ভাল হ'ব।

শৌচ বন্ধ কৰা

৩৮। হেকা কেকা বা ছলগা দুবিৰ (ছাগলতিৰ) গুৰি বৰি কৰি পানীত মাৰি খালে শৌচ কমে।

৩৯। সৰু জাত চাউল ধোৱাৰ গুটি সেইদৰে খালে শৌচ কমে।

৪০। মাওড়া বা সৌৰাৰ শিপা, আড়ুসৰুৰ শিপাৰ ছাল, মদাৰৰ শিপাৰ ৰসত খাব। শৌচ বন্ধ হ'ব।

৪১। পলাশৰ শিপাৰ ছাল আৰু গুটি, মদাৰৰ শিপাৰ ছাল, জলুক, পিপলি, কাচমণি গছৰ পাতৰ ৰসত বাটি বৰি কৰি জামুৰ কুঁহিপাত, মধুৰী আমৰ কুঁহিপাতৰ বা দুদ্ খুৰীৰ ছালৰ কথত খাব। শৌচ বন্ধ হ'ব।

৪২। জাঁইফল এতোলা, লং আদতোলা, এলাচিৰ দানা আদতোলা, মৌ দুতোলা সৈতে মাৰি বুটা মাহ পৰিমাণ বৰি কৰি পানীৰে খাব ; শৌচ বন্ধ হ'ব। এটা বৰিত ভাল নহ'লে আৰু এটা খুৱাব।

৪৩। জপা পেটাৰীৰ শিপাৰ ক্বাথ খালে শৌচ বন্ধ হয়।

৪৪। বগা বন মটৰ শিপা ৭ টা জালুকৰ সৈতে বাটি আধা ঘণ্টা অন্তৰে ৩ বাৰ খালে ভেদ বন্ধ হ'ব।

৪৫। কুঁহিয়াৰৰ ৰস অলপ ৰঙা যেন হোৱাকৈ পাগি কলহ বা টেকেলিত ভৰাই পুৰণি কৰি থব। এবাৰ দুবাৰ শৌচ হওঁতেই ৰোগীৰ বয়সমতে ৫ তোলাৰ পৰা ২০ তোলালৈ খুৱাব-যতবাৰ শৌচ কৰিব ততবাৰ খুৱাব।

৪৬। বাঘ মকৰা বা কলা পখৰা মকৰাৰ জাল ধুই বাটি ২ ৰত্তি পৰিমাণে বৰি কৰি ৰোগীক খুৱাব। শৌচ বন্ধ হ'ব।

বাতি বন্ধ কৰা

৪৭। শৌচ বন্ধ কৰা ১ আৰু ২ নং ঔষধ কৰাই (চাউল) ভজা পানীত খাব।

৪৮। আমলখিৰ ৰস এতোলা, পাকৰি গছৰ গুটিৰ ৰস এতোলা অলপ পিপলি, জালুক আৰু মৌ দি খালে প্ৰবল বাঁতি গুচে।

কুঁহিয়াৰৰ ৰস অলপ ৰঙা যেন হোৱাকৈ পগাই কলহ বা টেকেলিত ভৰাই পুৰণি কৰি থব। এবাৰ দুবাৰ শৌচ হওতেই ৰোগীক, বয়স মতে ৫ তোলাৰ পৰা ২০ তোলা লৈ খুৱাব। য'তবাৰ শৌচ কৰিব ততবাৰ খুৱাব।

বাগী বা বাইৰহী, বেৰা

৪৯। কলাকচুৰ আঠা বা আকনৰ আঠা বা চমাহুৰপেটাৰ আঠা বা সৈন্ধৱ লোণ, নাইবা সৈন্ধৱ লোণৰ সৈতে ধতুৰাৰ মূল বাটি লগালে উঠিব ধৰা বাগী বা ফোহোৰা ভাল

পৰে।

৫০। অৰ্জুন গছৰ গুটি শিলাত ঘঁহি চন্দন দিলে তথা।

৫১। বেজকচু বটি তপতাই লেপ দিলে, মান কচুৰে (মনাকচুৰে) সেকিলে, চজিনাৰ আঠা বা ভোট এৰাৰ আঠা লগালে বাগী বহে।

৫২। কুকুৰ সুতাৰ পাত, মুৰকুৰা বন, পকাপাল, খয়েৰ আৰু এৰা গছৰ পাত বটি লেপ দিলে বাগী বহে।

৫৩। গোধা লতাৰ কুঁহিপাত সাতোটা আৰু কুকুৰ সুতাৰ ছাল আৰু পাত বটি লগালে বাগী বহিব। ঘা পকিলেও শুকাব।

৫৪। শৰা গছৰ ছাল কাঁজি সৈতে লেপ দিলে বাগী তল পৰে।

৫৫। বডা কেৰেলুৱা (কেণ্ডা) এডাল আৰু সৰু মুখীয়া জলকীয়া এটা বটি লেপ দিলে একে দিনে বাগী বহে, জ্বৰ বিহ গুচে আৰু চিৰকাললৈ বাগী নহয়।

৫৬। বৰৰ আঠা, সৰল কাঠৰ আঠা (গন্ধ বিৰজা) তপতাই লগালে বা কুকুৰা কণীৰ বীজলৰ পটী লগালে বাগী বহে।

৫৭। নিসাদল বা যখাৰ এমহা এটোপ পানীত গুলি সেই পানীৰে কানি এখন তিয়াই পটী লগালে বাগী বহি যায়।

৫৮। বগৰি, শালধূনা, কুড় ইসবক মিলাই ছাগলী গাখীৰেৰে বটি লগালে বাগী মোহ যায়।

৫৯। নিম গছৰ শুকান ছালৰ চন্দন তুলি এটা ধতুৰা পাতত লিপি বাগীৰ ওপৰত ৩ দিন বান্ধিলে বাগী জামৰে।

৬০। ভুঁই চম্পাৰ টেপু বটি লেপি দিলে বাগী বহে।

৬১। বন মটৰ পাতৰ ৰসত কানি এডোখৰ তিয়াই পটী লগালে বেৰাঁ তল পৰে।

৬২। কৰবীৰ আঠা কেইবাৰ মান লগালে উঠিব ধৰা বাগী তল পৰে।

৬৩। ভলাৰ আঠাত কানি এখন তিয়াই বেৰাঁৰ ওপৰত পটী লগাই দি কানিৰ ওপৰত চূণ লিপি দিব, সেইদৰে এৰাতি দখৰ বান্ধিলে বেৰাঁ লীণ যাব।

৬৪। বচ, শিলিখা, আদা, সোনাৰু, তেলীয়া ধূনা লতাৰ শিপা সৰু এলাচি, বৰ এলাচি, লং সমজোখে বটি ২ ৰতি পৰিমাণ বৰি কৰি পানীৰে খালে বাগী আৰু বাগী উঠি হোৱা জ্বৰ বিহ গুচে।

বাগী পুৰঠ হৈ উঠিলে পকুঁৱাই পূঁজ পানী উলিয়াই পেলাব লাগে।

৬৫। ধতুৰাৰ শিপা আৰু জলকীয়া উবহী পাতৰ ৰসত বটি কাপোৰ তিয়াই বান্ধি দিলে বাগী বহি যায়।

৬৬। বেলৰ বা বা মদাৰৰ গুটি ২।৩ দিন ভালকৈ শুকাব এই গুটি হোকাৰ পানীৰে বটি লেপ দিলে বাগী বহি যায়।

৬৭। হাঁহ কণীৰ বিজৰ লগত অলপ চুণ আৰু মৌ মিহলি কৰি বাগীত দিলে বাগী বহি যায়। (ইয়াৰদ্বাৰা কাঠ, পাথৰ ইত্যাদি ও জোৰা হয়)

৬৮। আফিঙৰ পটী লগালে বাগী পকে।

৬৯। শালধুনা বটি লেপ দিলে বাগী পকিব।

৭০। হাতী চাকলিৰ (কেঁাটা খুতৰাৰ) শিপা বটি অলপ লোণ মিলাই লেপ দিলে বাগী পঁকে আৰু আপোনা আপুনি ফাটি যায়।

৭১। গধুলি গোপাল ফুলৰ পাত নাইবা জবা ফুলৰ পাত বটি লেপ দিলে বাগী ফাটে।

৭২। ভোমৰা লতাৰ পাত হোকাৰ পানীয়েদি বটি লেপ দিলে উঠিব ধৰা বাগী তল পৰে। আৰু পুৰঠ বাগীত এই লেপ দিলে উঠিব ধৰা বাগী তল পৰে। আৰু পুৰঠ বাগীত এই লেপ দিলে পঁকি ভোঁহুকি পূঁজ পানী ওলাই ঘা শুকায়। শুং থকা পিঠি ঘাত লগাই বান্ধিলে ঘাৰ তেজ পূঁজ চুটি ঘা চপাই আনে।

বাগী পকি তললৈ গাঁত হৈ গলে তুতিয়াৰ গুড়ি ঘাত দি ওপৰত কোৰা ভাতুৰীৰ বস দিব। তিনি দিন এইদৰে দিলে ঘা চাপি আহিব।

পথ্যাপথ্য—গৰ্মি আৰু বাগী নবিয়াত পুৰণি মিহি চাইলৰ ভাত, মগু, মচুৰ বহৰ দালি, কচু, বেঙেনা, পুৰণি কোমোৰা, ঘিউ, মাখন খাব।

মোচৰ ৰোগ

৭৩। সাধাৰণ স্বাস্থ্য বিধি পালন ঃ যেনে শুকান, খটখটীয়া, পৰিস্কাৰ বতাহ চলা আৰু পোহৰ থকা ঘৰত বাস আৰু শোৱা আৰু নিয়মিত শাৰীৰিক আৰু মানসিক পৰিশ্ৰম কৰা।

ৰ'দ নলগা আৰু জেকা ঠাইত বাস নকৰা।

৭৪। তুলা বা ধূলিকণা নাকেৰে যাতে উশাহ নলীত সোমাব নোৱাৰে তাৰ যত্ন কৰা।

৭৫। সংক্ৰামক ব্যাধিগ্ৰস্থ ৰোগীক বেলেগে ৰখা আৰু পৰিয়ালাদিৰ যথাসম্ভৱ সংস্পৰ্শ এৰা।

৭৬। এই ৰোগীৰ ভেদ, বমি, হগা-মুতা আৰু লাল আদি শুশ্ৰূষাকাৰীৰ অংগত লাগিলে ভালকৈ ধুই পেলোৱা।

৭৭। ৰোগীৰ গৃহত কোনো খোৱা পানী বা ঔষধ নৰখা।

৭৮। ৰোগীৰ ঘৰত, ধূপ-ধুনা, গন্ধক বা কৰ্পূৰ পোৰা বা ফিনাইল চটিওৱা।

৭৯। ৰোগ হোৱা দোকানত কোনো খাদ্যবস্তু ব্যৱহাৰ নকৰা।

৮০। ৰোগ যি ঠাইত হয় তাৰপৰা কোনো বস্তু যেনে—চাউল, আজা, পাচলি, কাপোৰ-কানি, টকা-পইচা, চিঠিপত্ৰ আদি অহা হ'লে খুব গৰম পানীত ধুই লোৱা বা আন কোনো উপায়ে শোধিত কৰা।

৮১। বেমাৰীৰ মাটিত বা য'তে ত'তে হগা-মুতা বা খুৱাবলৈ নিদিয়া ; কফ আৰু থুই পেলাবলৈ বেলেগ বেলেগ খাজ এটা বা কটা কানি ব্যৱহাৰ কৰা। হগা-মুতা বেগেতে চাফ কৰা। সকলো খাদ্যবস্তু ঢাকনি দি ৰখা। মাখি নিবাৰণ কৰা।

৮২। কোনোবিধ মহামাৰীৰ সময়ত সুদা গায়ে আৰু সুদা পেটে থকা অনুচিত।

খেহ ৰোগ

বণ্ডালাউ, নহৰু আদি বস্তু অনিষ্টকাৰক। এই ৰোগৰ যাতে শুক্ৰক্ষয় হ'ব নোৱাৰে বা কাম ভাব হ'ব নোৱাৰে, সেই বিষয়ে বিশেষ সাৱধান হ'ব লাগে। ৰ'দ, বতাহ আৰু বিশুদ্ধ বায়ু এই তিনিও খেহ ৰোগৰ মহৌষধ। এই ৰোগৰ জীৱাণুবোৰে বলী আৰু সুস্থ মানুহৰ গাত সোমাই বল কৰিব নোৱাৰে। যিবিলাক মানুহে কেতিয়াও মুকলি বতাহ নলয়, এন্ধাৰ ঘৰত আবদ্ধ থাকে লেতেৰাকৈ খেৱা-লোৱা কৰে আৰু যাৰ ঘৰত ৰ'দ বতাহ কেতিয়াও নোসোমায়, তেনে মানুহক এই ৰোগে অতি সোনকালে কাহিল কৰি পেলায়।

দৰব

৮৩। পহু, পাৰ আৰু বান্দৰৰ মঙহ সিজাই ছাগলী গাখীৰত বটি খালে খেহ ৰোগ গুচে। এইবোৰ মঙহ ঘিউত ভাজি গুৰি কৰি ছাগলী গাখীৰেৰে খালেও ৰোগৰ শান্তি হয়।

৮৪। শিমলু গছৰ শিপা আৰু মৌ খালে ক্ষয় কাহ গুচে। কুকুৰ সুতাৰ মূল বটি গাখীৰেৰে খালে খেহ ৰোগ গুছে।

৮৫। কুকুৰ সুতাৰ মূল বটি গাখীৰেৰে খালে খেহ ৰোগ গুচে।

৮৬। কাউৰী ঠেঙৱাৰ মূল গাখীৰেৰে খালে খেহ ৰোগ গুচে।

৮৭। ডালচেনি এভাগ, সৰু এলাচি দুভাগ, পিপলি চাৰিভাগ, বাঁহ কৰ্পূৰ আঠ ভাগ, চেনি ষোল্ল ভাগ, সবাকো মিলাই এক অনা বা দু অনা পৰিমাণলৈ ঘিউ আৰু মৌ অনুপানত খালে শ্বাস, কাহ, খেহ পেটৰ অসুখ অৰুচি, ফুটনি, হাত-ভৰিৰ পোৰণি, জ্বৰ আৰু ৰক্ত পিত্ত গুচে।

৮৮। ছাগলীৰ ঘিঁহ এপোৱা, ছাগলীলাদৰ ৰস এপোৱা, ছাগলীৰ মুত এপোৱা, ছাগলীৰ গাখীৰৰ দৈ এপোৱা সবাকো মিলাই পগাব। ৰস মৰি আহিলে য'খাৰৰ গুৰি ৫ তোলা পেলাই দি নমাব। এই ঘিঁউ আদ তোলাকৈ খালে কাহ, শ্বাস, খেহৰোগ নাশ হয়।

৮৯। লা খচা পানী আৰু মৌ খালে বা যষ্ঠীমধু আৰু ৰঙা চন্দন, এৰা গাখীৰেৰে বটি, এৰা গাখীৰ মিলাই খালে খেঁকাৰৰ লগত বা কাহোতে তেজ ওলোৱা গুচে।

৯০। পচতীয়া শিপা, চোৰা মাহৰ (তজুলতাৰ) শিপা বনজবাৰ শিপা, জামাল গোটৰ (সুন্দৰ পখালৰ) শিপা, পীত কচুৱাৰ (লোটৃ কঁচিৰ) শিপা, হাৰ ঘুনুচাৰ শিপা, বেলৰ পাত, ঔৰ বীজ, মহানিমৰ পাত, পুণী কালজীৰা, জালুক পিপলি, পিপলিমূল

সবাকো সমজোখেৰে লৈ, ২১ টা ক'লা বৰা ধানৰ (বৰী ধানৰ) চাউলৰ সৈতে বটি, ৪ ৰতি পৰিমাণ বড়ি কৰি সিজুৰ পাত আৰু বাহকৰ পাত পাতত দিয়া ৰস ৰ'খাৰ আৰু মৌ অনুপানেৰে ৭ দিন খালে খেহ ৰোগ গুচে।

৯১। একো ৰতি বাঘৰ আগ মগুহ আৰু শঙ্খৰ গুড়ি ছাগলী গাখীৰেৰে বটি তপতাই খালে খেহ ৰোগ গুচে।

৯২। আদৰতি পৰিমাণ হাইতাল ভস্ম নাৰিকল তেলৰ সৈতে মাহেক দুমাহ খালে যক্ষ্মা গুচে। নাৰিকল তেল ৫ টোপৰ পৰা ৩০ টোপ লৈ বঢ়াই নিব।

৯৩। শ্মশানৰ বগা কাঠফুলা এটা মগুৰ মান ল'ব ।

অনুপান

নাগৰ গু, পছৰ শিঙৰ ধুনা আৰু ডালিমৰ ৰসেৰে খালে নাকে-মুখে তেজ ওলোৱা গুচে।

৯৪। আদা, জালুক, পিপলি, আমলখি, শিলিখা, ভুঁইৰাগুটি, লং, এলাচি, জাঁইফল প্ৰত্যেকৰ এতোলা, লো ৯ তোলা সবাকো মিলাই ছাগলী গাখীৰত বটি ২ ৰতি পৰিমাণ বড়ি কৰি মৌ অনুপানত খাব।

৯৫। বাঁহৰ পাতৰ নিৰ্জলা ৰস ৫ পোৱা, মৌ এপোৱা দুইওকো পগাই শোহাই এপোৱা বাকি এতোলাকৈ খাব।

৯৬। ত্ৰিফলা, ত্ৰিকটু, শতমূল, বৰিয়াল, সোণ বৰিয়াল প্ৰত্যেকৰ এতোলা লোৰাচুৰ ৯ তোলা সবাকো মিলাই এমহা পৰিমাণে খালে খেহ ৰোগ, কণ্ঠ ৰোগ, বাহু স্তম্ভ আদি ৰোগ গুচে।

গোধ ৰোগ

ৰসবাতৰ দোষৰপৰা কোনো ৰোগীৰ ভৰি দুখন উখহি মোটা হয়, তাকে গোধ ৰোগ বোলে।

খোৱা দৰব

৯৭। পৰামলখি (হলফলী) ঘচৰ ওপৰত ৰঘুমালা শিপা ঘিঁউৰে বটি খাব।

৯৮। এৰাগুটি তেল শিলিকা ভাজি গৰু-মুতেৰে কেইদিনমান খালে গোধ গুচে।

৯৯। নিমৰ শিপা আৰু ছাল আৰু খয়েৰ সমজোখে বটি খালে গোধ গুচে।

নোখোৱা দৰব

১০০। বগা আকলৰ শিপাৰ ছাল কাজি পানীৰে বটি ১৫ দিন লেপ দিলে গোধ ৰোগ গুচে।

১০১। কনক ধতুৰাৰ পাত, এৰাগছৰ শিপা, পচতীয়াৰ পাত, পুৰ্ণনৰা, চজনাৰ শিপাৰ ছাল, বগা সৰিয়হ সবাকো গৰু মুতেৰে বটি তপতাই লেপ দিলে গোধ ৰোগ

গুচে।

১০২। বাহকৰ ছাল, আকণৰ শিপা, সমজোখে লৈ কাঁজি পানীৰে সৈতে বাটি লেপ দিলে তথা।

১০৩। হাতী পিপলি গছৰ ছাল বাটি তপত কৰি বান্ধি লেপ দি বান্ধি থ'ব। ৪/৫ দিন বান্ধিলে নিশ্চয় ভাল হ'ব। (পৰীক্ষিত)

আজলীয়া

পৰামলধী (হালকনি) গছৰ ওপৰত গজা বৰুমলাৰ শিপা কঁকালত আজলীয়া আদি ল'লে গোধ গুচে।

চৰ্মৰোগ

বগৰি গুটীয়া, কপাহ গুটীয়া

ভৰি তলুৱাত গেঁজা লাগি দুখ পালে বগৰি গুটি যেন হৈ উখহি উঠি বিষায়।

দৰব

ঘৃৰণীয়া শিল এডোখৰ জুইত তপতাই পাৰে মানে সেঁক দিব। ৩/৪ দিন সেঁক দিলে বগৰি গুটীয়া মোহ যাব। বিষ বেদনা গুচিব।

বগৰি গুটীয়া ফালি দি তপত তেল পেলাই দিব।

পানীয়ে ভৰি খালে

১০৪। জেতুকা আৰু হালধি বাটি বান্ধিব।

১০৫। এৰা গুটিৰ তেল ঘঁহিব।

১০৬। খয়েৰ আৰু চা খৰি একে লগে মিলাই মালিছ কৰিব।

বোকাই ভৰি খালে

বোকাই ভৰি খোৱাকে চালনী মৰকা বোগ বোলে। ভৰি তলুৱাত ফুট ফুটীয়াদি বোকাই খায়। চালনীৰ নিচিনা ফুটা বা বিন্ধা কৰে দেখি ইয়াক চালনী মৰকা বোগ বোলে।

তিলৰ ফুল, সৈন্ধৱ লোণ, গৰু-মূত আৰু সৰিয়হৰ তেল মিহলাই লোৰ পাত্ৰতলে বাটি লগালে এই বোগ ভাল হয়।

ভৰি ফটা

১০৭। বটৰ আঠা লগালে ভৰি ফটা ভাল হয়।

১০৮। কুঁহি লতাৰ আঠা লগালে ভৰি ফটা ঘা ভাল হয়।

১০৯। কলাগুটি তেলত ভাঁজি তেল লগালে ভৰি ফটা ভাল হয়।

পীলাই

১১০। শিলিখা গুড়ি আৰু পুৰণি গুৰ নাইবা শিলিখা গুড়ি আৰু বিট্ লোণ সমজোখে লৈ তপত পানীৰে খালে পীলাই খাপৰি ৰোগৰ শান্তি হয়।

১১১। ২/৩ টা পিপলি পানী দি বাটি খালে বা পুৰণি গুৰৰ সৈতে খালে পীলাইৰ উপকাৰ হয়।

১১২। মচৰবৰ, হিৰাকচ আৰু নহৰু সমজোখে বাটি, বগৰি গুটি পৰিমাণে বড়ি কৰি কল এচকলৰ ভিতৰত লৈ গিলি খাব। এই দৰৱ দিনত দুবাৰকৈ সুদা পেটত এমাহ খালে পীলাই খাপৰি কুঁচি যাব।

১১৩। হিং, যখাৰ, সৈন্ধৱ লোন, আদা, জালুক, পিপলি, সমজোখে গুৰি কৰি নেমু টেঙাৰ ৰসত বাটি ৰোগীৰ বয়স মতে আদ মহাৰ পৰা এমহা পৰিমাণে দৰৱ নিজে সুদা-পেটত খাব।

১১৪। চিতামূল বাটি একো ৰতি জোখে বড়ি কৰি সেইবৰি তিনিটাকৈ পকা কল এচকলত ভৰাই খাব।

১১৫। গ'হৰা গছৰ ছাল আৰু শিলিখাৰ ক্বাথ পিপলি গুড়ি মিলাই খাব। গাত টান জ্বৰ থাকিলে ইয়াৰ লগতে জ্বৰৰ দৰৱো খাব।

১১৬। আথৈ লতা, তিতা ভেকুৰিৰ শিপা, চিৰতা, নিম, ছাল লতি পোৰোলাৰ পাত, আমলখি, শিলিখা, ভইৰা গুটি, ধনিয়া, সবাকো মিলাই ক্বাথ কৰি পিপলি গুৰি আৰু মৌ দি খালে জ্বৰ গুচিব। (পীলাই ২ সেৰলৈ গধুৰ হয়।)

১১৭। বেজ কচু এপোৱা দুই পোৱা কাতি মহীয়া চোকা কলাখাৰত সিজাই গোটা কৰি বগৰি পৰিমাণ বড়ি কৰিব। এই বড়ি নিতৌ একোটা পুৱা-গধূলি শুদা পেটত খাব। পীলাই জ্বৰ গুচিব।

১১৮। নিম পাত, উৰহী, পাত, ক'লা তুলসীৰ পাত আৰু জালুক সমজোখে বাটি পৰিমাণ বড়ি কৰি পুৱা শুদা পেটত অনুপানত একোটা খাব-পীলাই থকা জ্বৰ ভাল হ'ব।

১১৯। আদাৰ ৰস আৰু ছাগলী গাখীৰ একেলগে খালে পীলাই গুচে।

১২০। পিত্ত ৰোগ ঃ ভেকুৰীৰ শিপা জালুক নিমখ দি ৰান্ধি এমাহ দিন একেৰাহে খাব লাগে।

১২১। ৰক্ত পিত্ত ঃ বগা বাহকৰ পাত পানীত সিজাই চাহৰ দৰে দীৰ্ঘদিন খালে ভাল হ'ব। বা বিশল্যকৰণীৰ পাতৰ ৰস ৩০ গ্ৰামকৈ কেইদিনমান ব্যৱহাৰ কৰিলে ভাল হ'ব।

১২২। বায়ুৰ দৰৱ ঃ জাতি কালিৰোলৰ মূল, কুকুৰা লতাৰ মূল চোৰাতৰ মূল, আঠিয়া কলৰ মূল, জম লাখুটিৰ মূল, কট্যামালীৰ মূল, গুটি মালীৰ মূল, মাকৰি ঘিলা সবাকে বাটি পুৱা শুদাপেটত খুৱাব।

১২৩। বায়ুৰোগ ঃ আদা টুকুৰা কৰি নিমখৰ সৈতে আহাৰ খোৱাৰ আধা ঘণ্টাৰ আগত খাই গৰম পানী খাব লাগে।

১২৪। পিতৰ ঃ ভেকুৰীৰ শিপা নিমখ জালুক দি পগাই খাব। এমাহ খালে বহুদিনীয়া পিত্ত নাশ হ'ব।

১২৫। পিত্ত কামোৰণিৰ দৰব ঃ বৌ মাছৰ পিত্ত, টংলতিৰ শিপা, যে চাকি ফুল আৰু শিপা, পাণৰ পিপলি, ইলাচি জাই, লং একত্র কৰি চুণ্ডাত সিজাই খাব।

পিত্ত ৰোগ

১২৬। বাহক চাল, ভুঁইৰা গুটি, নিমৰ ছাল, চিৰতা, শিলিখা, জীমবাজ, পোৰোলালতিৰ পাত সবাকো ক্বাথ কৰি মৌ মিলাই খালে বুকুৰ চমচমনি, সোপা দিয়া বতিওৱা ইত্যাদি অম্লপিত্ত ৰোগ গুচে।

১২৭। কি.মিচ আৰু শিলিখা বটি মৌ আৰু পুৰণি গুৰ মিলাই খলে অম্লপিত্ত দমন হয়।

১২৮। আমেলতা, খৈৰ, যষ্টীমধু আৰু অচুকাঠৰ ক্বাথ মৌ মিলাই খালে অম্লপিত্ত গুচে।

১২৯। হালধিৰ ৰস চুণৰ পানী অনুপাতত খাব ; অম্লপিত্ত নাশ হ'ব।

১৩০। নিমখ আৰু তেজপাত একেলগে বটি আহাৰৰ আগেয়ে খালে অম্লপিত্ত ৰোগ ভাল হয়।

১৩১। আমলখিৰ ৰস মৌৰে খালে ভাল পাব।

১৩২। ৰঙা চন্দন ঘঁহি সৈ আদতোলা মাখনেৰে পুৱা খালে আৰাম পাব।

১৩৩। পকা নেমুটেঙাৰ ৰস চেনিৰে গধূলি বেলিকা খাব।

বুকুৰ চমচমনি পিত্তৰোগত

১৩৪। খড়ি মাটি আৰু চেনি খালে পিত্ত দমন হয়।

১৩৫। আমঠু গুৰি আৰু চেনি খালে চমচমনি গুচে।

১৩৬। শিগু গছৰ পাতৰ ৰস এছটাক, মিছিৰি পানী বা চেনিৰে খালে কুপিত পিত্ত সাম্য হয়।

১৩৭। কাঁজলগোবিৰ ৰস, শিলিখাৰ ৰস আৰু ক'লা গৰুৰ মূত পুৱা-গধূলি দুবাৰকৈ ৭ দিন খাব।

১৩৮। নিমৰ পাতৰ ৰস, শিলিখাৰ ৰস, জালুক ২১ টা, লোণ দি বটি তপতাই খাব।

১৩৯। জেঙেৰী টেঙাৰ ৰস, মিঠা আমৰ ছালৰ ৰস, কাঁজলগোৰী কেঁচাই খুন্দি ৰস উলিয়াই চেনি দি খাব।

১৪০। বগা বাহকৰ শিপা, বিৰিণৰ শিপা, শিলিখা সিজাই খোল মৌ চেনিৰে খাব।

১৪১। দুইতোলা কাগজী নেমুৰ ৰসৰ লগত এতোলা উত্তম সাজি মাটি ভালকৈ মিহলি কৰি ২/৩ দিন খালে নিশ্চয় অম্লপিত্ত আৰোগ্য হয়।

১৪২। বোকা নাৰিকল আদপোৱা, গৰু ঘিঁহ আদপোৱাত ভাজি সেই নাৰিকলৰ পানীত সিজাব। সিজোৱা হ'লে ধনিয়া, পিপিলি, মুথা, ডালেচেনি, এলাচি, মাহপাত, নাহৰ ফুলৰ কেশৰ, প্ৰত্যেকৰ আদতোলাকৈ গুৰি তাতে দিব। আদতোলা পৰিমাণে এই দৰব খাব।

১৪৩। আদা, জালুক পিপলি, আমলখি, শিলিখা, ভঁইৰা গুটি, বিট লোণ মুথা, বিৰিং গুটি, এলাচি, তেজপাত, প্ৰত্যেকৰ গুৰি এমহা, লং তিনি তোলা, তেউৰী মূলৰ গুৰি আৰু চেনি সবাকো মিলাই এমহা পৰিমাণ খালে অম্লপিত্ত, হগা-মুতা বন্ধ হোৱা, পেটৰ বিষ আদি ৰোগ গুচে।

১৪৪। পিপলি গুৰি ৫ তোলা, ঘিউ ১০ তোলা, চেনি এপোৱা, শতমূলৰ ৰস ১০ তোলা, আমলখিৰ ৰস এপোৱা, এৰা গাখীৰ একেলগে সবাকো মিলাই পগাব। তাতে ডালচেনি, তেজপাত, এলাচি, শিলিখা, কালজীৰা, ধনিয়া, মুথা, বাঁহ কৰ্পূৰ, আমলখি প্ৰত্যেকৰ এমহা, জীৰা, কুড়, আদা, নাহৰ ফুলৰ কেশৰ আদমহা পেলাই দিব। জুৰালে জাই ফলৰ গুৰি, জালুকৰ গুৰি আৰু মৌ প্ৰত্যেকৰ তিনি তোলাকৈ মিহলি কৰিব। ওপৰত পগোৱা গাখীৰে সৈতে আদমহা পৰিমাণ এই দৰব খালে অম্লপিত্ত, ওক-বাতি, অৰুচি, আন্তোক, পেটৰ বিষ আৰু খেহ ৰোগ গুচে।

পিত্তৰোগৰ দৰব

১৪৫। যৱ ধানৰ গুৰি, বাহক আৰু আমলখিৰ কাথত চেনি, এলাচিৰ গুৰি, তেজপাতৰ গুৰি আৰু মৌ দি খালে অম্লপিত্ত গুচে।

১৪৬। যৱ, পিপলি, পোৰোলা লতিৰ পাত বা আমৈ লতা, খাজুৰ কাঠ, যষ্ঠীমধু আৰু কাচুকাঠৰ কাথত মৌ দি খাব।

১৪৭। আমৈ লতা, মহানিমৰ ছাল, লতিপাত আৰু ত্ৰিফলৰ কাথত মৌ দি খাব।

১৪৮। বাহক ছাল, ভঁইৰা গুটি, নিমৰ ছাল, চিৰতা শিলিখা, ভীমৰাজ, পোৰোলা লতিৰ পাত সবাকো কাথ কৰি মৌ মিলাই খালে বুকুৰ চমচমনি, বতিওৱা আদি অম্লপিত্ত গুচে।

১৪৯। কিচমিচ আৰু শিলিখা বটি মৌ আৰু পুৰণি গুৰ মিলাই খালে অম্লপিত্ত দমন হয়।

১৫০। আমৈলতা, খৈৰ, যষ্ঠীমধু আৰু আচুকাঠৰ কাথ মিহলাই খালে অম্লপিত্ত গুচে।

১৫১। হালধিৰ ৰস চূণৰ পানী অনুপানত খাব অম্লপিত্ত নাশ হ'ব।

১৫২। নিম আৰু তেজপাত একেলগে বাটি আহাৰৰ আগেয়ে খালে অম্লপিত্ত ৰোগ ভাল হয়।

১৫৩। আমলখিৰ ৰস খালে ভাল পাব।

১৫৪। আমলখিৰ ৰস মৌৰে খালে ভাল পাব।

১৫৫। বগা চন্দন ঘঁহি লৈ আদতোলা মাখনেৰে পুৱা খালে আৰাম পাব।

১৫৬। পকা নেমুটেঙাৰ ৰস চেনিৰে গধূলি বেলিকা খাব।

গেষ্টিক বেমাৰৰ ঔষধ

উপকৰণ

১৫৭। কাজি নেমু ৩টা।

১৫৮। কৰ্দৈ ১/২ কিলোগ্ৰাম।

১৫৯। ভেঁকুৰি তিতাৰ ৬ টা কুমলীয়া আগ।

তৈয়াৰ কৰা নিয়ম ঃ কৰ্দৈখিনি ভালকৈ পিহি ৰস উলিয়াই ল'ব। নেমু তিনিটা বাকলি সহ বেলেগে পিচি ৰস উলিয়াই ল'ব। ভেঁকুৰি তিতাৰ পাত কেইটাও পিচি ৰস উলিয়াই এটা পাত্ৰত ভালকৈ আটাইখিনি মিহলাই ল'ব। এটা ৭৫০ মিঃলিঃ ধৰা বটলত পিচা বস্তুখিনিও অলপ পানী মিহলাই ভৰাই লওক। ভালকৈ টানি কাক মাৰি এনেদৰেই বটলটো প্ৰায় ৫ দিনমান থৈ দিব।

খোৱাৰ নিয়ম ঃ ষষ্ঠ দিনৰ পৰা এটা সৰু গিলাচৰ আধা গিলাচমানকৈ ৰাতিপুৱা খালি পেটত খাব। খোৱাৰ আধা ঘণ্টামানৰ পাছত আন বস্তু খাব। এনেদৰেই বেমাৰ ভাল নোহোৱা পৰ্যন্ত খাই থাকিব। ৰোগ পুৰণা হ'লে অৱশ্যে বেছি দিন খোৱাৰ আৱশ্যক।

খোৱা নিষেধ ঃ ঔষধ খাই থকা সময়খিনিত ভজা-পোৰা, জালুক-জলকীয়া, মছলা, চাহ আদি খাব নেলাগে।

পিত্ত ৰোগ

১৬০। নাৰিকলৰ ছাল, কুচিয়া মাছ, মৰিচ, সমে পগাই খাব।

১৬১। তিতা লেটাৰ গুটি, নীলকণ্ঠৰ মূল, বেতাল চণ্ডী সবাকো পগাই খাব।

১৬২। ছাগলী লাদ পানীৰে গুলি খাব।

১৬৩। আৰবা চন্দৰ শিপা, বন কপাহিৰ শিপা, আদা, জালুক, পিপলি, বাঘ চোৰাতৰ সাধ, বলজবাৰ শিপা সবাকে বাটি সাতটা বড়ি কৰি খাব।

ৰক্তপিত্ত

১৬৪। দুবৰি ঘাঁহৰ ৰস, ডালিম ফুলৰ ৰস, গোবৰ বা ঘোঁৰাৰ বিষ্ঠাৰ ৰস চেনি মিলাই খালে তেজ বয়।

১৬৫। বাহক পাতৰ ৰস, ডিমৰু গুটিৰ ৰস, ধা ভিজোৱা পানী আৰু বিশল্যকৰণীৰ পাতৰ ৰস খালে তেজ যোৱা বন্ধ।

১৬৬। এক অনা ভৰ ফিটকিৰি গুৰি কৰি এবা গাখীৰ মিলাই খালে তেজ যোৱা গুচে।

১৬৭। কিচ্‌মিচ্‌ ভিজোৱা পানী আৰু কিচ্‌মিচ্‌ খালে উপকাৰ হয়।

১৬৮। ডিমৰু সিজাই তাৰ ক্বাথ মৌৰে খাব।

১৬৯। পাতত দিয়া বাহকৰ পাতৰ ৰস মৌ আৰু চেনি মিলাই খাব।

(পৰীক্ষিত)

১৭০। ডিমৰুৰ ৰস দুতোলা মৌ দি খাব।

১৭১। শিলিখাৰ ৰস আৰু মৌ খাব।

১৭২। পিপলি গুৰি আৰু মৌ খাব।

১৭৩। গৰখীয়া কঠালৰ গুটিৰ গুৰি বা শিপাৰ ৰস পানী দি খালে ৰক্তপিত্তৰ তেজ বন্ধ হয়।

১৭৪। হৰিণকাটা টাঙণৰ চোঁচ আৰু কালুক আঁটেটা, চবিশংকৰৰ (যুগী এবিৰ) ছাল, হৰিণৰ শিঙৰ চোঁচ বটি খালে কাঁহোতে তেজ যোৱা গুচে।

১৭৫। কোৱাভাতুৰীৰ শিপাৰ ৰস তলত লেখা ধৰণে খাব। শনি বা মংগলবাৰে সধৱা তিৰোতাই গা-ধুই শুচি হৈ তিতা কাপোৰে গা নোমোচাকৈ অনা নদীৰ পানীৰে ৮ আঙুল কোৱাভাতুৰীৰ শিপা পটাত বটিব, ৰোগীয়ে লোৰ পাত্ৰত লৈ খাব। সেইদিনা ৰোগীয়ে গাখীৰ বা পায়সত বাহিৰে আন একো নেখাব, যি বস্তু খায় লোৰ পাত্ৰতহে খাব। এবাৰ মাত্ৰ এই দৰৱ খালে ৰোগ গুচিব।

১৭৬। গমাৰীৰ শিপা এক অনা পৰিমাণে বটি খালে ৰক্ত পিত্ত ভাল হয়।

হৰিণা বাগচু (গুল্ম পিত্ত)

১৭৭। বাঘ চোৰতৰ সাহ, বন জবাৰ শিপা, আৰকচনৰ শিপা, বন কপাহিৰ শিপা, আদা, জালুক, পিপলি, সকলো বটি সাতটা বড়ি কৰি আগলতিৰ পাতত লৈ খাব।

১৭৮। এলাচু আৰু বঠী মৌ পিচি খাব।

১৭৯। ছাগলীৰ গু পানীৰে গুলি খাব।

ৰক্ত পিত্ত

১৮০। বগা বাহক ৮/১০ খিলা পাতত দি তাত ৩/৪ চামুচ মৌ মিলাই অলপ চেনি দি দিনে ২ বাৰকৈ কিছুদিন খাব লাগে।

পিত্ত ঃ অভোক, পেট গেজগেজাই থাকে।

১৮১। যখাৰ, ক'লাহালধি একত্ৰিত কৰি খাব। আহাৰ খোৱাৰ পিছত খাব। ৩ পালি খাব। অসুখ পুৰণা হ'লে বেছিকৈ খাব।

১৮২। বাহকৰ পাত জুইত সেকি ৰস উলিয়াই মৌ বসৰ লগত চেনি মিহলাই খাব।

১৮৩। তালা কোচা পিপাৰ ৰস তলত লিখাৰ দৰে খাব। শনি বা মংগলবাৰে ঋতু হোৱা তিৰোতাই গা ধুই শুচি হৈ, তিতা কাপোৰেৰে গা নোমোচাকৈ নদীৰ পানীৰে আঠ আঙুল তালাকোচাৰ শিপা পটাত পিহি লোহাৰ পাত্ৰত লৈ খাব। সেইদিনা ৰোগীয়ে গাখীৰ বা পায়সৰ বাহিৰে কোনো বস্তুকে খাব নেলাগে। যি বস্তু খায় লোহাৰ পাত্ৰতহে খাব। এবাৰ মাত্ৰ এই ঔষধ খালে বেমাৰ ভাল হ'ব।

ৰক্তসাৰ

লক্ষণ ঃ প্ৰসাৱৰ দ্বাৰে তেজ পৰে।

ঔষধ

১৮৪। খঁৰাৰ চাল, পানী, পতনী, সিজুৰ মজা, সান ধুনা, খহকা ডিমৰুৰ ছাল, এৰাঁ গাখীৰৰ লগত মিহলাই খাব।

দাঁতৰ দৰব

১৮৫। মুখৰ ভিতৰত ঘা লাগিলে তকৰা কদমৰ ছালৰ ৰসেৰে মুখ কুলকুলিয়াব।

দাঁতপোকৰ দৰব

১৮৬। মালভোগ কল গেলা, বগা নহৰু, বৰকচুৰ গেলা, কণীৰিহৰ গুটি সকলোকে পিহি তপতাই গালত লগাই দিব।

দন্তক্ষয় ৰোগ

১৮৭। বন ঔষধ ঃ দোৰোণ পাতৰ ৰসেৰে প্ৰতিদিনে মুখ কুলকুলিয়াব লাগে ২/৩ বাৰ।

দাঁত বিষ

১৮৮। ভীম কলৰ পাতৰ মাজত কেঁচা ঠাবি এডাল জুইত অলপ সেকি যিমান সময় পৰা যায় বিষ হোৱা দাঁতেৰে কামুৰি ধৰিলে বিষ নাইকিয়া হয়।

১৮৯। মৰাপ আদা খুন্দি দাঁতৰে চোবাই কিছু বিষ হোৱা দাঁতৰ মাজত ৰাখিলে দাঁতৰ বিষ দূৰ হয়।

দাঁতৰ আলু উঠা-পাইৰিয়া

১৯০। তেজমৰীৰ ছাল খুন্দি তুলাৰে লগাব, ভাল হ'ব।

গোখা আৰু গৰল

১৯১। কণীবিহৰ ছাল পুৰি ছাই কৰি তাৰ লগত শেলুকৰ গুটি পিহি মিহল কৰি গৰলত লিপি দিব লাগে।

১৯২। গোখা হ'লে ককিলা মাছৰ দাৰে আকিয়াই তাক লগাব লাগে।

১৯৩। দাঁত কুত ঃ পিপলি, মিঁউ, মৌ খুন্দি মুখতলে থাকিব, নাশ হ'ব।

১৯৪। গাৰু চাকলীয়া ঃ কলাখাৰ, কাঠফুলা, কেহেৰুৰ ছাল, ভাতঘিলাৰ ছাল, কাছৰ মুৰ সকলোকে পুৰি ছাই কৰি ঘাত দিব।

দাঁত পোকৰ দৰৱ

১৯৫। গাঁথিয়ন, কলাপুলি, পঁচা কলৰ আলু, ভলুকা বাঁহৰ পাত, বগুপতীয়া গুধা লতা গুৰি কৰি ওপৰত কলাপাত দি টোপোলা বান্ধি গৰম দি টেকেলিত ভৰাই টেকেলিৰ মুখখনত শা কৰি গৰম লৈ কলাপাত এখিলাত ফুৰাই থাকিলে। পোক দেখা যাব।

টোপনিত দাঁত চোবোৱা দৰৱ

১৯৬। যোঁৱা নেজৰ চুলি ৭ ডাল তাবিজত ভৰাই ল'ব লাগে।

১৯৭। দাঁতৰ বোগত কোটোহা বেঙেনা (পকা) কেইটামান ভাঙি এটা মাটিৰ টেকেলিত জুইত গৰম কৰিব লাগে। যেতিয়া সেই গুটিকিটাৰপৰা ধোঁৱা ওলাব, তেতিয়া মুখেৰে শা কৰি মুখৰ ভিতৰলৈ সেই ধোঁৱা সোমাব দিলেই দাঁতৰ মাজত থকা পোক ওলাই আহে।

কৌঁহা ৰোগ

১৯৮। জেতুকা পাতৰ ৰসেৰে ধুব লাগে বা দুপৰীয়া টেঙাৰ পাত খুন্দি প্ৰলেপ

১৯৯। আহোম কৌঁহোৱা ঃ বনকপাহৰ ফুল, তিতা কেৰেলাৰ শিপা, আৰজতাদ সমানে বাটি দিব, ভাল হ'ব।

অপথ্য ঃ টেঙা নেখাব।

২০০। শৰীৰৰ ভিতৰত কৌঁহা ঃ চাকিলাৰ শিপাৰ ৰস ২৫ গ্ৰামত সম পৰিমাণৰ

মৌ-জোল মিশ্ৰণ কৰি খালে শৰীৰৰ ভিতৰত হোৱা কোঁহা ভাল হয়।

কোঁহা

২০১। বন ঔষধ ঃ জেতুকা পাতৰ ৰসেৰে কোঁহা শুকুৱাত সহায় কৰে।

২০২। মহৰু ২/৩ ফোটা খুন্দি কিছু সময় প্ৰলেপ দিলে কোঁহা ভাল হয়।

২০৩। দুপৰ টেঙাৰ পাত খুন্দি প্ৰলেপ দিলে কোঁহা বহি যায়। আৰু বেদনা লাঘৱ হয়।

২০৪। সৰু সোণৰৰীয়ালৰ পাত ৫ টা খুন্দি কোঁহাৰ মুখত লগালে কোঁহা বহি যায়। আৰু পকাত সহায় কৰে।

২০৫। সিজুৰ কেঁচা ঠাৰি থেতেলিয়াই, কোঁহাত প্ৰলেপ দিলে কোঁহা বহি বা ফাটি যায়। আৰু বিষ নাইকিয়া হয়।

২০৬। পাঁচপতীয়াৰ পাত ৩/৪ খিলা খুন্দি প্ৰলেপ দিবে লাগে। ই পকা আৰু শুকোৱাত সহায় কৰে।

২০৭। বেলৰ পাত ২/৩ খিলা, দুটা জালুক ভালদৰে পিহি প্ৰলেপ দিব লাগে।

বাঘিনী (কোঁহা)

লক্ষণ ঃ ভিতিৰ একালে ফুলি উঠে।

২০৮। ঔষধ ঃ ভোম চোঁৰাতৰ পাত, লতি পোৱালৰ পাত আকণৰ পাত, ৰঙালী জালুকৰ পাত পিটি লিপি দিব।

বাঘমুৰা

লক্ষণ ঃ ভিতি মুখ ফুলি উঠে।

২০৯। ঔষধ ঃ বাঘ আঁচোৰাৰ শিপা, সোণ বড়িয়াল, কঠওৰ ছাল একেলগে বাটি লিপি দিব।

ওভোটা বাকচু

লক্ষণ ঃ নাভি-মণ্ডলত মৌৰ উঠে। তাকে ওভোটা বাকচু বোলে।

২১০। ঔষধ ঃ আৰৰ চন্দৰ মূল, জলকীয়াৰ সৈতে খাব।

২১১। কাজল গোৰি, আৰৰচন, নীলকণ্ঠ, পিপলি জলকীয়াৰ সৈতে পিটি ভকলা খাৰ দি খাব।

২১২। আৰৰচন, বিজল চণ্ডীমূল, মৰিচ ২টা পিপলি ২টা বাটি মধাৰ দি খাব।

২১৩। কাজলগোৰি, এলাচু, চুণ, আঠিয়া কলৰ হাঁই পানীত তপতাই খাব।

পোৱা জ্বাগা সৰ

লক্ষণ ঃ পানীজোলা ফুটে, চেঙচেঙায়, পানী ওলায়।

২১৪। বাহি বাকিনীৰ ঠাৰি খেতেলিয়াই চুঙাত ভৰাই পুৰি তাকে সেক দিব।

২১৫। কলপ সতাৰ এবা ছাল, কঠালৰ এবা ছাল, শগুনৰ এবা পাখী খোলাত ভাজি গুৰি কৰি দিব।

পোৰা বস্ত্ৰমালা

লক্ষণ ঃ পানীজোলা ফুটে, টিটিকি বাঢ়ি যায়, চেঙচেঙায়।

২১৬। আমঠু শিলিখা, ছালৰ গুদা শিঙনীয়াৰ শিপা, কঠালৰ চবিয়াত বটি দিব।

ফোঁহা ঃ বিশল্যকৰণীৰ পাত খুন্দি ফোঁহাত প্ৰলেপ দিব লাগে।

প্ৰসূতি ৰোগ

প্ৰসূতি নাৰীৰ বিষ

২১৭। পচতীয়াৰ পাতৰ ক্কাথ কৰি দিনে ২ বাৰকৈ খাব লাগে।

গাখীৰ চন্দিয়ালে

২১৮। শুকান অমৰা গুটি ৩৭৫ গ্ৰাম ১০/১২ টামান আখৈ, ১২৫ গ্ৰাম সৈন্ধৱ লৱণ একেলগে মৌজোলৰ লগত ভালদৰে মিহলাই কেঁচুৱাক চেলেকাই থাকিব লাগে।

প্ৰসৱৰ ঔষধ

২১৯। দুপতীয়া তেৰ্তোল গুটিৰ পুনিৰ সৈতে তুলি আনি চুলিত বান্ধি নাকৰ সম্মুখত ওলমাই দিব শীঘ্ৰে প্ৰসৱ হ'ব।

২২০। মধুৰী আমৰ শিপাৰ ছাল কাচমণিৰ শিপাৰ চাউলৰ সৈতে পিচি খাব, তৎক্ষণাৎ প্ৰসৱ হ'ব।

স্ত্ৰী পুষ্পিতা হোৱা ঔষধ

২২১। মাখিয়তিৰ শিপা তামোলৰ শিপা, বৰুণৰ ছাল সবাকো গুৰি কৰি খুৱাব, ঋতু হ'ব।

স্ত্ৰী গৰ্ভৱতী হোৱাৰ ঔষধ

২২২। ঋতুৰ পাছত এৰণ্ড্ৰ বীজ ভক্ষণ কৰিব। ধতুৰাৰ মূল কঁকালত আঁৰি লৈ থাকিব। গৰ্ভ হ'ব।

পোৱণি প্ৰসূতা

২২৩। লেটা গুটি ৫ টা বাঘমলাৰ আগ ২টা, টঙনাৰ আগ ৩টা, হাতী পিৰ্পলিৰ থাৰি, তামোলৰ পুলিৰ কুঁহি, সবাকো খুন্দি ৰস লৈ চেনা বাখৰৰ সৈতে খাব, কিছু ঘঁহিব।

২২৪। পাঁকৰি ধোৱা চৰাইৰ আগমগুহ, ডাউকৰ, নেউলৰ আগমগুহ শুকাই বটি মুৰাকলৰ আঠাৰ লগত মাহটোৰ মান বড়ি কৰিব।

২২৫। মিঠা আমৰ ছাল, আমৰ ছাল, টকুনাৰছাল, মালভোগ কলৰ শিপাৰ ৰসত কিঞ্চিত তপত কৰি খাব।

২২৬। গধূলি গোপাল ফুলৰ শিপা বটি গাখীৰৰ টেকেলি ধোৱা পানীৰ লগত মিহলাই খাব আৰু গাত ঘঁহিব।

হাগনি প্ৰসূতা

২২৭। মিঠা আমৰ ছাল, অমৰাৰ ছাল কহিমলাৰ ছালত ১নং বড়ি পিচি খাব। যদি তাতো নুগুচে ডালিম পুৰি ৰস লৈ ছাগলী গাখীৰত বড়ি এটা পিচি খাব। ভাল হ'ব।

পিত্ত প্ৰসূতা

লক্ষণ ঃ পেট কলমলায়, উজাই আহি বুকুত খামোচ মাৰি ধৰে, ওকালি হয়।

২২৮। আম চেকুৰা, হাইঠাৰ বাকলি, কেটেলা পহুৰ পিত, ছাগলীৰ পিত কাচৰ পিত, ৰৌ মাছৰ পিত ভাত কেৰেলাৰ আলু, তৰাৰ গাঁজ, বেতৰ গাঁজ কৈৰাৰ গাঁজ, পহুৰ পিত (অভাৱত তিতা কেৰেলাৰ শিপা) এক ভেদেলীৰ আলু, পাকৈ টোৰাৰ মহঙ সৱাকো বটি মগুমাহ এটামান বড়ি কৰি খুৱাব।

২২৯। কেৰেলাৰ পাতৰ ৰস, যখাৰ বা হালধিৰ ৰস, যখাৰ বা কৰচৰ ছালৰ ৰস, য'খাৰ বা চাউল ধোৱা পানী, যখাৰ বা ভেটৰ পাতৰ ৰস যখাৰত মাৰি একোটা বড়ি খাব। চূণৰ পানী যখাৰত বড়ি খাব।

২৩০। কৰচৰ ছালৰ ৰস ও যখাৰ।

বাঘনী প্ৰসূতা

২৩১। চেংগামোৰ, গন্ধ কচুৰ আলু, মেটেকাৰ আলু পুৰি সজা ল'ব। পুৰণি খৰিচা, ছালৰ গুদা, কেঁচা আঠীয়া, পঁকা আঠীয়া কল - সকলো খুন্দি পানীত মেহাৰি চেনা বাখৰ দি কিছু ভৰণ দিব।

২৩২। আকণৰ ছাল ও শিপা, পেটাইৰ শিপা দুইপতীয়া এড়াৰ শিপা সকলোকে বটি ৰস খাব। চিঠা ভৰণ ল'ব।

মূৰ ফুৰণি

২৩৩। ভূঁই কোমোৰাৰ বুকু, ছাল কোমোৰাৰ বুকু, পকা অমিতা, দৈ গাখীৰৰ মধা কুমত আৰু কপালত দিব।

২৩৪। সূতিকা তেল ব্যৱহাৰ কৰিব।

প্ৰসূতিৰ পিয়াহ খোৱা

২৩৫। চেঁৰা বেহাৰ ও তিতা ভেঁকুৰিৰ শিপা গাখীৰৰ লগত খালে স্তনত পিয়াহ বাঢ়ে।

২৩৬। খুতৰা শাকৰ শিপা, শগুণৰ কোমল পাখী, তিল সহিতে পাততে দি খালে গাখীৰ বাঢ়িব।

২৩৭। ভূঁই কোমোৰাৰ শিপা শুকাই গুৰি কৰি আখা তোলা, আড়ে চাউলৰ পিঠাগুৰি আধাতোলা এঁৰা গাখীৰৰ লগত ৫/৭ দিন খালে পিয়াহ বাঢ়িব।

পোৰণি প্ৰসূতাৰ লক্ষণ

মুৰ ঘূৰাই, খোৱা কোৱা দেখে।

২৩৮। ১নং সূতিকাৰ বড়ি উখুৰা চাউল, বগা দুবৰি দুয়োকো পিচি সৰ্ব শৰীৰত ঘঁহিব।

২৩৯। সৰু মানি, সৰ্প জিভা, ঝাৰ শিৰীৰ ৰসত ১ নং বড়ি মাৰি ঘঁহিব।

অনুপান ঃ মালভোগ কলৰ শিপাত এটা বড়ি মাৰি খাব।

২৪০। অমৰাৰ আলুৰ ৰসত এটা বড়ি মাৰি খাব।

সূতিকাৰ তৈল

২৪১। শতমুল. ভূঁই কোমোৰা, চালকুঁৱৰী, হাচুটি, সৰ্পজিভা, জখাৰ-সবাকো থেতিলিয়াই ৰস ল'ব। সৰু মানিমুনি, ঝাবশীৰী, বন বেহাৰ, মাটি কমলাৰ শিপা ৩ জন লাইতৰু. ৪/৫ টানান পেটু ল'ব। এক পোৱা তেল ভালকৈ তপতাই সকলোবোৰ তেলত পেলাই দি, ভালদৰে ভাজি তাতে নেমু টেঙা এটাৰ ৰস চেপি দি, কচু পৰৰ মূৰত জুইৰপৰা নমাই চেকি তেল ল'ব।

সূতিকাৰ খোৱা দৰব

২৪২। শিলিখা, আমঠু, অমলখি, লেটা গুটি, বাঘৰ দুধ, ক'লা মেকুৰীৰ জল, গৰ্বৰ ভিতৰত থকা পহুৰ মগুহ, ঘণ গুৰি—সকলো বটি মাহটোৰ সমান বড়ি কৰি শুকাই থ'ব। অনুপান ভেদে খালে সকলো প্ৰসূতাৰ খাটিব।

প্ৰসূতা ৰোগ

২৪৩। গাঠিয়ন, ভোগজীৰা, গুৱামৰী শালধুনা, জাইফল লং, বেত, বীৰ আকণৰ শিপা, গৰুৰ পক্ষী, কঠালৰ মুচি, মালভোগ কলৰ শিপা, পুৰণা আমঠু, কমলা টেঙাৰ বাকলি, তামোল বিয়নিৰ শিপা, শিলিখা, জালুক ২টা পিপলি দুটা লোণৰ লগত মিলাই খাব। প্ৰসূতা নাশ হ'ব।

২৪৪। গুৱামৰী ক'লা বাখৰ, ধনীয়া কালজীৰা, ভোগজীৰা, ঝনী, হালধী, ডালিমৰ

আগ ২১ টা একেলগে কৰি খুৱাব। নাড়ীত পানীৰে সেক দিব।

পুৰ প্ৰসূতা ঃ (গো, হাত-ভৰি পোৰে, সৰিয়হ ফুল দেখেখি)

২৪৪। মালভোগ কলৰ শিপা, তাৰে ফেচু এটা, তামোল পুলিৰ আলু, ৰঙা চন্দন, তিতা ভেঁকুৰীৰ আগ, লং, জিৰা, ক'লা জিৰা, নেউলৰ মাংস, পাখেধোৱাৰ মাংস, কেটেলাৰ ভুক, লোণ, জালুক পিপলি দি পগাই খাব, নাশ।

পুৰা প্ৰসূতা, হাগনি প্ৰসূতা, জিন প্ৰসূতা

২৪৫। বকুলৰ ছাল, মামুকথকাৰ শিপা, ভোগজিৰা, কালজিৰা, ডাউকৰ মাংস, নেউলৰ মাংস, পাখেধোৱাৰ মঙহ, কেটেলাৰ ভুক শকা তেলত পগাই খাব। নাশ।

গ্ৰহণী প্ৰসূতা ঃ (মাইকী মানুহৰ ল'ৰা জন্ম হোৱাৰপৰা হাগনি হয়, গা পোৰে)

২৪৬। ডাউকৰ মঙহ, কুচিয়াৰ মঙহ, শুকান তুলসীৰ আগ, লাইজাবৰি, সৰু মানিমুনি, লোন, জালুক, পিপলি পগাই খাব।

গ্ৰহণী প্ৰসূতা

২৪৭। পদুমৰ শিপা এটা শেলুকৰ শিপা এটা, জাতি চন্দন পিহি পানী ল'ব, মিলাই খাব, নাশ।

গ্ৰহণী প্ৰসূতা

লক্ষণ ঃ গা ফিকে, হাত, ভৰি মুখ, উখহা যেন দেখি, গাত শক্তি নাথাকে, পেটত বিকাৰ কৰে, চকু, মুখ হালধিয়া হয়, গাত শক্তি নাথাকে, তেজ নাথাকে।

২৪৮। হেলচি খাৰৰ আগ এমুঠি, বিহ ঢেকীয়া এমুঠি, ভাত ঢেকীয়া এমুঠি মালভোগ কলৰ শিপা, তগৰৰ ছাল, লাউ খোলা, বহুবীয়া কলৰ শিপা, আগৰ কাঠ, মুঠা শুকাই থ'ব, লোণ, জালুক, পিপলি দিব। সবাকো একত্ৰ কৰি ৩ পিঠি চাউলৰ লগত ভাজি খুন্দি গুৰি কৰিব। বাতিপুৱা বাহি পেটত খাব, নাশ।

হৰিণ প্ৰসূতা ঃ মাইকী মানুহৰ যোনিয়ে তেজ যায়, গা পোৰে।

২৪৯। গজ্জক লাই এমুঠি আনিব, পতাত বতি পানী মিহলাই খাব, নাশ।

বাঘিনী প্ৰসূতা

লক্ষণ ঃ হাগনি ধৰে, পেটত বিষাই, বুকুত খুন্দা মাৰি ধৰে।

২৫০। হেত ভেদালিৰ আগ ঠাৰি, ভেদেই লতাৰ আগ ঠাৰি, শিপা, মাথুক থোকাৰ আগ ঠাৰি শিপা, ধনিয়া গুটি ৰানি গুটি, গোৰা মৰি, লোণ জালুক, পিপলি—সবাকো একত্ৰ কৰি পানীত সিজাই খাব, নাশ।

২৫১। পিপলি ঠাৰি, তগৰ ছাল, বচ ডাউকৰ মঙহ, পাখেধোৱাৰ মঙহ ভোগজিৰা, কালজিৰা, লোণ জালুক, পিপলি দি খাব, নাশ।

মহ্যাদা ঔষধ

লক্ষণ ঃ গৰ্ভাৱতী তিৰি অশৌচ নেলাগে, মাহ চৰি যায়, কষ্ট খাই থাকে।

২৫২। তাঁত বোৱা শালৰ যিথিনি সন্তাৰ থাকে, তাৰ চোঁচ, শাল মাছৰ কিচা, শাল কাঠ—সবাকো একত্ৰ কৰি চকৰাত ভৰাই বাঁও কান্ধত আঁৰি দিব, অশৌচ লাগিব। সৰ্ব মায়া গুচিব।

শ্ৰৱণ কেতেকি

লক্ষণ ঃ গৰ্ভ অৱস্থাত বিষায়, কোষে পেটে ফুটি ধৰে।

২৫৩। বিহলগুণীৰ শিপা, কেতেকি ফুলৰ শিপা, লোণ জালুক, পিপলি দি পগাই খাব। সিতাটো তপতাই গাত সেক দিলে অশৌচ লাগিব।

প্ৰসব হোৱা ঔষধ

২৫৪। দুপতীয়া এৰাৰ পুলি, সৰু সোণবৰুবালৰ শিপা, বৰ সোণবৰুবালৰ শিপা, উৰহিৰ শিপা, কল গছৰ নাই, জিলিকিয়া কেচু—সবাকো গোটাই খুন্দি ৰস খুৱালে প্ৰসৱ হ'ব।

২৫৫। কেলেৰাৰ শিপা আৰু পাত তামোলৰ লগত খাব।

২৫৬। বেঙেনাৰ সৰা ফুল, নলগা আমৰ ছাল, বটি খাব।

২৫৭। দীঘলতিৰ শিপা খুন্দি চুলিৰ ভিতৰত ল'ব।

২৫৮। মালভোগ কলৰ শিপা তামোলত খাব।

২৫৯। দুপতীয়া এৰা পুলিৰ শিপা সোণবৰুবালৰ পাত তামোলত খাব।

২৬০। শুকান তুলসী পাতৰ পানী ধুই খাব।

সাৰণ ৰোগ ঃ (নাকে-মুখে তেজ যায়, বাহিৰ দুৱাৰে তেজ যায়।)

২৬১। সৰমালুৰ সিংৰ ছাঁ, বিচাৰ বাহ পুৰি ছাই কৰিব, কাচমণি কপাহৰ কলি—সবাকে বটি খাব, নাশ। (নাকত উজাব) নাশ।

নাক সুৰসুৰাই তেজ ওলোৱ ঔষধ

২৬২। তেতেলি গুটি খুন্দি জোল কৰি নাকত উজাব, নাশ।

২৬৩। কুমাৰণি বাহ পুৰি পানীত পেলাই থৈ সেই পানী ৰাতিপুৱা খাব, নাশ।

শৰীৰ ভঙা (তেজ হাতকৈ অধিক তেজ যায়)

২৬৪। কেছেৰুৰ ছাল, বন সতৰ শিপা, ১৩ টা জালুক পিপলি দি খাব, নাশ।

২৬৫। বাটত ভগা মূলা, কনাই শিমলুৰ আগ, ঝাপৰি বাঘিনীৰ মূল- সবাকে বটি খাব, নাশ।

ঋতু নোহোৱা মহিলাৰ ঋতু হোৱা

২৬৬। ৰঙাজবা ফুল ৩ টা মোহাৰি তিনি দিন তিতা তিয়নিৰে খালে ঋতু ভাল হয়।

ঋতু বন্ধ হ'লে ঋতু হোৱা দৰব

২৬৭। শুকান তেজপাত, জবাফুল পানীৰে বাটি খালে ঋতু খোলোচা হয়।

ঋতু হোৱাৰ সময়ত পেট কামোৰা দৰব

২৬৮। হিৰাকচ, মহা মচঘৰ মহা ক'লা তুলসীৰ আগ ৫ টা বাটি আধা পোৱা পানীৰ লগত খালে ভাল হয়।

ঋতু হোৱা দৰব

২৬৯। ৰঙা জবা ফুল, দুবৰি বন জিৰাৰ সৈতে খাব, ভাল হ'ব।

২৭০। ৰঙা জবা ফুল ৩ পাহ দুবৰি বন ২১ টা, কালজিৰা – সবাকো ১৫ দিনমান খালেই ঋতু হ'ব।

মাহেকী মানুহৰ গা চলা দৰব

২৭১। কনাই শিমলুৰ আগত, গৰৈ, চেঙেলি মাছেৰে আঞ্জা কৰি খাব, গা বন্ধ হ'ব।

প্ৰসূতাৰ দৰব

২৭২। সৰু ডিমৰুৰ আগ ২১ টা, গৰখীয়া তামোলৰ শিপা ৩টা জেতুকি পাতৰ আগ ২১ টা, জেতুকি পাতৰ শিপা ৩ টা খুন্দি খালেই প্ৰসূতা ভাল হয়। অলপ গৰমাই খাবলৈ দিব।

গা শুৱি হোৱাৰ দৰব

২৭৩। ধতুৰাৰ মূল ৩ ডাল কঁকালত বান্ধি ল'ব, গা শুৱি হোৱা ভাল হয়।

মৃত বৎসা (সন্তান) হৈ মৰা ৰোগ

২৭৪। শ্বেত জবা, শ্বেত কৰবীৰ, শ্বেত শিমলু, শ্বেত আকণ, শ্বেত অপৰাজিতা, সূৰ্য গ্ৰহণ আৰু শনিবাৰৰ দিনা চন্দ্ৰ গ্ৰহণৰ সময়ত তুলি আনিব। স্ত্ৰীলোকৰ মৃত বৎসা ৰোগ গুচে আৰু ভূতে ধৰিলে এৰে। প্ৰসৱত কষ্ট হ'লে ধোৱা জল খুৱালে প্ৰসৱ আৰু গৰল ভল হয়। গুভোটা কৰি ধৰি ধুৱাই পানী খুৱালে সৰ্পৰ বিষ নাশ হয়।

পুত্ৰ সন্তান পাবলৈ হ'লে

২৭৫। পলাশৰ এটা পাত পিহি তাৰ বসন্ত গৰুৰ গাখীৰ মিহলি কৰি মাহেকীয়া ঋতুত খুৱালে পুত্ৰ সন্তান হয়।

চুৱা কামোৰণি

২৭৬। কলীয়া তুলসীৰ পাত চুৱা ২০০ গ্ৰাম দিনে ২ বাৰকৈ খাব লাগে।

কন্যাকাল নোহোৱা

২৭৭। বগা জবা ফুল ৮/১০ পাহ পিহি ৰস খাব লাগে।

মূত্ৰস্থলীৰ ৰোগ

২৭৮। নিয়মিয়াকৈ অমিতা খাব লাগে।

হাগনি প্ৰসূতাৰ দৰৱ

২৭৯। চেঙামৰাৰ আলু, বৰা চাউলৰ পিঠা, শনিবাৰে মৰা কুচিয়া, গধূলি সিজাই থৈ বাতিপুৱা বাহি পেটত খাব।

মূৰ কামোৰণি

২৮০। বকুল গছৰ শুকান ফুল নাকেৰে শুঙিব লাগে।

২৮১। নাগিনী পাতৰ শিপা, তেজমুই গছৰ শিপা, দক্ষিণ ফালৰ দুইজোপা গছৰ শিপা এডাল কেঁচা সূতাত বান্ধি কঁপালত ওলোমাই থ'ব শনিবাৰ আৰু মংগলবাৰে।

২৮২। নাগিনী পাতৰ শিপা, তেমুই শিপা, এঁৰা সূতা কাণত আঁৰি থ'ব।

আদকপালী

২৮৩। অপৰাজিতাৰ পাত, ফুল আৰু শিপা সমপৰিমাণে লৈ তাক খুন্দি ৰস খাব লাগে। প্ৰতিবাৰতে ১০ গ্ৰামকৈ খাব লাগে।

মূৰৰ উফি গুচাবলৈ

২৮৪। ঔটেঙাৰ বিজলেৰে বা গোল নেমুৰ ৰসেৰে মূৰ ধুব লাগে।

মূৰ ঘূৰণী

২৮৫। গুটি নোহোৱা কোমল ডিমৰু, দুবৰি বনৰ ঠাৰিৰ সৈতে ঘিঁউত ভাজি খাব লাগে।

চেঙা কামোৰণিৰ দৰৱ

২৮৬। চেঙা মাছৰ পিত ১টা, জলকীয়াৰ শিপা ৩ ডাল, আগ ৩ টা, নেমু টেঙাৰ শিপা ৩ ডাল, লং ৭ টা একেলগে বটি খাব, চেংগাৰ কামোৰণি নাশ হ'ব।

কাছ কামোৰণিৰ দৰৱ

২৮৭। কাছৰ পিত, বাত, বগালী জালুকীয়া, লেটা গুটি, কেটেলাৰ ভুৰু, নিমখ, জালুকৰ ৰস গৰম কৰি খাব।

পানীলগা

২৮৮। পাৰচৰাইৰ মাংসৰ লগত জালুক দি ৰান্ধি খাব।

মূৰ ঘূৰণি

২৮৯। গুটি নোহোৱা কোমল ডিমৰু, সুজৰি বনৰ ঠাৰিৰ সৈতে ভাজি খালে মূৰ ঘূৰণি ভাল হয়।

মূৰ কামোৰণি

২৯০। পচতিয়াৰ শিপাৰ ৰস, জালুকৰ গুৰি, কলাজী গাখীৰ, গৰুৰ মুত নাকেৰে উজাব।

মোৰ উঠা

২৯১। চোৰাতৰ গছত হোৱা বখুমলা, অম্রা নক্ষত্রত উলংগ হৈ আনিব। তাকে আনি মোৰ উঠা মানুহৰ আগত নচুৱাত। মোৰ উঠা নাশ হ'ব।

ঘূমুৰুক

২৯২। আকণৰ ফুটি ওলোৱা আগ তাত নিমখ জালুক দি ঘিউত গৰম কৰি খাব।

আদকপালীৰ ঔষধ

২৯৩। বন কেৰেলাৰ পাত বটি লিপি দিব।

গ্ৰহণী

২৯৪। আমৰ কুঁহি, জামুৰ কুঁহি, আমলখিৰ কুঁহি ছাগলীৰ গাখীৰেৰে খাব, নাশ।

সূৰ্য কপালি

২৯৫। সৰু বৰিয়ালৰ আগ আনি হাত মেহাৰি সূৰ্য উদয় হোৱাৰ আগে আগে তিনি আলিৰ মূৰত মাটিত বহি দুই পোটামান ৰস পেলাই কপালত সানিব। দুই হাতত লৈ ৭ বাৰ খুন্দা মাৰি ভৰিৰ তলুৱাত ৭ বাৰ ঘঁহিব আৰু মূৰ কামোৰা ঠাইত টিপা মাৰি ধৰি পেলাই দিব, তেতিয়া এই ৰোগ ভাল হয়।

শূলৰ দৰৱ

২৯৬। দীঘলতীৰ পাত পাতত দি ৰস উলিয়াই গৰুৰ গাখীৰেৰে খাব ২ সপ্তাহ।

তেজ শূল

২৯৭। আগদিনাই মাণ্ডৰ মাছ পাতত দি পুৰি পাতেৰে বান্ধি থ'ব। পিছদিনা খাব। এনেকৈ ১০ দিন খাব।

মূত্ৰশূলৰ দৰৱ

২৯৮। শিলিখাৰ ফুল, ছাল বাটি নাভিত ল'লে ভাল হ'ব—১ সপ্তাহ।

২৯৯। ইসব মূল বাহি পানীত খাব।

৩০০। কেৰেলাৰ গুটি বাটি লোণ দি তপতাই খাব।

৩০১। খুতৰা শাক ঘিঁউ দি ভাজি খাব।

পিঠাখোৰা

৩০২। ছজিনাৰ শিপাৰ ছাল, সম পৰিমাণৰ সৰিয়হ বাটি প্ৰলেপ দিব।

টনচিন

৩০৩। মাটিকঠালৰ কুমলীয়া ফুল জুইত পুৰি পিছদিনা মিচিৰিৰ লগত তাৰ ৰস খাব লাগে বা দোৰোণ শাক আঞ্জা কৰি খাব।

জৰায়ুৰ ৰোগ

৩০৪। অশোকৰ ছালৰ ৰস গাখীৰৰ লগত খাব লাগে।

স্ত্ৰী পুষ্পিতা নহ'লে খোৱা দৰৱ

৩০৫। মাখিয়তিৰ শিপা, তামোলৰ শিপা বকলৰ ছাল বাটি ৰস উলিয়াই খুৱাব লাগে।

মাইকী মানুহৰ ঋতু বন্ধ হ'লে

৩০৬। জবাফুল এপাহৰ মূৰৰ ঠাৰি গুচাই ল'ব। কালজিৰা ৩ টা বাটি খাব লাগে। তেতিয়া ঋতু হ'ব।

শিশুৰ দৰৱ

শিশুৰ পেটৰ বিষ

৩০৭। শোৱালি পুলৰ গুৰি মৌজোলৰ লগত মিহলি কৰি খুৱাব।

কেচুৱাৰ মুখ ফেকুৰিলে

৩০৮। সুৰগাৰ আখৈ কৰি খাতি মধুৰ লগত পাৰ বা মৌৱা চৰাইৰ পাখীৰে জিভাত ও মুখৰ ভিতৰত ঘঁহিলে ভাল হয়।

৩০৯। এডাল লোৰ শলা জুইত তপতাই অলপ সুৰগাত লগাই কামুৰি ধৰিব। জুইত সেকিলে আখৈ হ'ব।

কেচুৱাই গাখীৰ নাখালে

৩১০। শুকান আমলখী আৰু পিপলিখাৰ গুৰি কৰি মৌজোলৰ লগত ভালকৈ মাৰি জিভাত ঘঁহি দিব

শিশুৰ সৰু আইৰ দোষ থাকিলে

৩১১। শোৱনি ফুলৰ গুৰি মৌজোলৰ লগত মিলাই খুৱাব।

শিশুৰে দাঁত কামুৰিলে

৩১২। ডালিমৰ ছাল আৰু পিপাৰ ৰস ১০ গ্ৰাম দিনে এবাৰকৈ ৩ দিন খাব।

শিশুৰ জ্বৰ মূৰত উঠিলে

৩১৩। লাইজাবৰী এমুঠি খুন্দি মূৰত প্ৰলেপ দিব লাগে।

৩১৪। জাল কুঁৱৰীৰ পাত খুন্দি মূৰত প্ৰলেপ দিলে জ্বৰ কমি যায়।

শিশুৰ শৌচ বন্ধ হোৱা ৰোগ

৩১৫। পাণ ঠাৰি ওডাল কোমল কৰি তাত নাৰিকল তেল লগাই পাণঠাৰিডাল গুহ্যদ্বাৰত লাহে লাহে সুমুৱাই দিলে শৌচ হয়।

শিশুৰ নাড়ী পকা ৰোগ

৩১৬। জন্মৰ সময়ত শিশুৰ নাড়ী কাটোতে বিস্মৃতি ঘটিলে শিশুৰ নাড়ী পকিব পাৰে। বন দৰবৰদ্বাৰা এই ৰোগৰপৰা সহজে আৰোগ্য পাব পাৰে।

৩১৭। পকিব ধৰা শিশুৰ নাড়ীত গুৱহ টামান শুকান জালুক গুৰি কৰি (জালুক গৰম কৰি ল'ব লাগে) নাড়ীত দি ৰাখিলে পিচদিনাই নাড়ী শুকাই যায়।

৩১৮। বগা চন্দন খুন্দি প্ৰলেপ দিলে কেঁচা নাড়ী বা পকি থকা নাড়ী শুকাই যায়।

টোপনিত প্ৰস্ৰাব হোৱা

বহু ল'ৰা-ছোৱালীয়ে টোপনিত ক'ব নোৱাৰাকৈ প্ৰসাৱ কৰে।

৩১৯। আমলখিৰ ৰস এক গ্ৰাম উলিয়াই তাত সম পৰিমানৰ ক'লা জিৰা গুৰিৰ ৰসৰ লগত মিচিৰি মিহলি কৰি কেইদিনমান খালেই টোপনিত প্ৰসাৱ হোৱা ৰোগ ভাল হয়।

৩২০। অলপ তিলৰ লগত সম পৰিমাণৰ গুৰ মিহলি কৰি প্ৰতিদিনে২ বাৰকৈ খাব লাগে।

৩২১। ক'লা জামুৰ গুটিৰ ৰস পানীৰ লগত মিশ্ৰণ কৰি খালেই টোপনিত প্ৰসাৱ কৰা ৰোগৰ পৰা আৰোগ্য পাব পাৰি।

ফিটা পেলু

৩২২। দহি কচুৰ ঠাৰি আঞ্জা কৰি খাব লাগে।

৩২৩। পলাশৰ বীজ খুন্দি তাৰ ৰস ৫ গ্ৰামকৈ দিনে ২ খাব লাগে।

৩২৪। ডালিম গছৰ শিপাৰ ছাল খুন্দি তাক গৰম কৰি খাব লাগে। দিনে ২/৩ বাৰ খালে ফিটা পেলু শৌচৰ লগত ওলাই আহে।

পাত কাপুৰীয়া

কেচুৱা ল'ৰাৰ গাত ৰঙা, চকলা দাগ হয়।

৩২৫। পাত পচুৱে খোৱা নুনী গছৰ পাত খুন্দি এডোখৰ পাতৰ কাপোৰত বান্ধি ঘঁহি গুলে ভাল হয়।

মাত ভগাৰ দৰৱ

৩২৬। হাড়ি ভেকুৰিৰ শিপা, পিপলি, দালচেনি, ইলাচি, তেজপাত, জালুক গুৰি কৰি মৌৰ লগত খালে মাত ভগা ভাল হয়।

খোনা

৩২৭। ১০টা বাদাম পিহি তাত ১০টা জালুক গুৰি কৰি মিচিৰি মিহলাই খালে খোনা ভাল হয়।

কৃমি

৩২৮। নেমুৰ গুটি ৫টা খুন্দি পানীৰ সৈতে খালি পেটত খাব লাগে।

কৰচৰ ছাল নাইৰ জোখত ওভতাই কাটি আনি ৰস খাব।

বমি

মুখেদি লালটি ওলায়, উগাৰ আহে, কণ্ঠনলী পোৰে, পিয়াহ লাগে, শৰীৰ দুৰ্বল হয়।

৩২৯। আমলখিৰ ৰসৰ লগত চেনি মিশ্ৰণ কৰি খালে বমি বন্ধ হয়।

৩৩০। দুবৰি বনৰ ৰস ২৫গ্ৰাম অলপ চূণৰ পানীৰ লগত মিহলাই এচামুচকৈ ৩/৪ বাৰ খালে বমি বন্ধ হয়।

৩৩১। শিলিখাৰ গুৰিৰ লগত মৌ মিহলি কৰি খাব লাগে।

৩৩২। ২/৩ টা নিমৰ গুটিৰ ৰস মৌৰ লগত মিহলি কৰি খালে বমি বন্ধ হয়।

৩৩৩। এচামুচ মৰাপ আদা আৰু পিয়াজৰ ৰস মিহলি কৰি খালে বমি বন্ধ হয়।

গৰ্মী ৰোগ

৩৩৪। শতমূলৰ ৰস ২৫ গ্ৰাম ২০০ গ্ৰাম গৰুৰ গাখীৰৰ লগত খাব লাগে।

৩৩৫। অনন্ত মূল গৰম পানীত সিজাই তাৰ কাথ সেই স্থানত লগাব লাগে বা বন্ধাকৰি ঘিউত ভাজি খাব।

৩৩৬। অন্তমূলৰ কেঁচা ৰস দিনে ৩ বাৰকৈ খাব।

জুইয়ে পোৰা

৩৩৭। পুৰৈ শাকৰ পাত ৩/২খন মিহিকৈ খুন্দি মাখনৰ সৈতে লগাব লাগে।

৩৩৮। আলু চকল চকল কৰি লগালে ৰমৰমনি, জ্বলজ্বলনি কম হয়।

৩৩৯। হাল কুঁৱৰীৰ পাত খুন্দি প্ৰলেপ দিব লাগে।

৩৪০। জুইয়ে পোৰা ঘাত অমিতাৰ আঠা লগালে উপকাৰ পোৱা যায়।

৩৪১। পকা তীয়ঁকল বাটি পোৰা অংশত লগাব লাগে।

৩৪২। ডকুৱা কদমৰ আঠা কণীৰ বিজলৰ লগত মিহলি কৰি লগালে আৰাম পোৱা যায়।

৩৪৩। মেথিগুটি ৫০গ্ৰাম পানীত তিয়াই তাক পিহি পোৰা ঠাইত প্ৰলেপ দিব লাগে।

৩৪৪। গাজৰ এডোখৰ পিহি জুইয়ে পোৰা ঠাইত লগালে টো নুঠে।

৩৪৫। জেং পুৰৈৰ লগত নাগৰ ও সমে বাটি লগাই দিব।

৩৪৬। চূণৰ পানী ও তেল গাত ঘঁহি দিব, ঘা ভাল হ'ব।

লেওৰ দৰৱ

গৰকা লেও ঃ (গাত বিষ ও কাঁহ হয়।)

৩৪৭। নৰজৰাৰ মূল, তেজমূৰীৰ মূল, লং ফলৰ ফুল, কোটাহি বেঙেনাৰ মূল. মাটিকাদুৰিৰ মূল, কেটেলাৰ ছাল, জালুক, পিপলি লোণ আলপ দিব।

কাকৈ লেও

৩৪৮। চতিয়নাৰ ছাল, ডবাৰ গজালি আৰু গুটি ১০টা, জালুক পিপলি আদৈটা সবাকে বাটি খুৱাব। অপথ্য ঃ সোৱাদ বস্তু আৰু চেঁচা পানী।

হিকতিয়া লেও (ঘনাই হিকতিয়াই থাকে)

৩৪৯। কাচমৰীৰ ছাল ও শিপা, মৰাণ আদা, বাজ গছৰ ছাল, লঙা বাকলি সবাকে বাটি খুৱাব। অপথ্য ঃ গুৰ, চেনি।

ধাই লেও ঃ (দুই পোখলি ভাগি সোমাই হেন্দোলনি চুদি সৰু হয়)

৩৫০। চিটিবিঙা জবাৰ মূল, মুঠাৰ মূল, বাটৰাজৰ মূল, তেজমুৰীয়াৰ মূল, মৰাণ আদা সবাকে ১টকা পৰিমাণ লৈ অলপ নিমখ দি তপতাই ৩পালি কৰি খাব। অপথ্যঃ সোৱাদ বস্তু।

কুৰা লেঙ ঃ (কোনে নুশুনে, গাত জ্বৰ হয়)

৩৫১। কালুক লতাৰ মূল ১মহা, কুকহা লতাৰ মূল ১ মহা, জালুক ১টা, পিপলি ১টা সবাকে চন্দন যেন কৰি পানী দি তপতাই খাব, লগত নিমখ দিব।

লেৰ লেঙ ঃ (বুকুত চিকুত মাৰি ধৰে, বলেৰে কাঁহে)

৩৫২। ৰবচাৰ মূল, বৰাহী লতাৰ মূল, জালুক ১টা, পিপলি ২টা সবাকে মিলাই দিনে দুপালি কৰি খাব।

চন্দ লেঙ ঃ (১ বছৰ তাহে ধৰে, বুকুত সোপা দি কাহিলে গোজাই, গা দুৰ্বল হয়)

৩৫৩। নীলকণ্ঠৰ মূল, ডালিমৰ মূল, জালুক, পিপলি – সবাকে মিলাই খুৱাব। অপথ্য ঃ সোৱাদ বস্তু।

বলীয়া লেঙ ঃ (জিভাৰ দুইফালে ঘা-ফোঁহা হয়।)

৩৫৪। তগুলাৰ ছাঁই, বৰালী মাছৰ দাঁতৰ ছাঁই, আঁহতৰ শুকান ছালৰ ছাঁই সবাকে বটি ফাকু যেন কৰি পুৰা ১টকা মান পানীত মিলাই ৩ দিন খাব।

অপথ্য ঃ সোৱাদ বস্তু।

৩৫৫। চোবাতৰ শিপা, ডালিমৰ শিপাৰ ৰস খুন্দি পিপলিৰ সৈতে বাটি গৰম কৰি খালে ভাল হ'ব।

কেচুমুৰীয়া ৰোগ

৩৫৬। গৰ্ভপদ্মনালা, চেংমৰাৰ আলু, নিমখ, জালুক সবাকে পগাই খাব, ভাল হ'ব।

৩৫৭। নেগুৰীয়া শামুকৰ চুণ, কেচুৰ মূৰ পুৰি ছাইৰ লগত জিজিৰি লতাৰ আগ, কেঁচা হালধিৰ ৰস খুউব মিহি কৰি বটি ঘাত লগাব।

৩৫৮। হাৰ জোৰা লতাৰ ৰস নিয়মীয়াকৈ খাব লাগে বা দুপৰীয়া টেঙাৰ পাত খুন্দি গুহ্যদ্বাৰত লগাব লাগে নাইবা এৰেকোটা পকা বেল নিয়মীয়াকৈ৮/১০ দিন খালে ভাল হয়।

উপকৰণ ঃ বোন্দা কেঁচুৰ তিনিটা মূৰ আৰু মুগীৰ কণী তিনিটা ল'ব লাগে।

৩৫৯। বোন্দা কেঁচুৰ মূৰ তিনিটা সহ কণী তিনিটা ভাঙি ভালকৈ ফেন্টি ল'ব। জোখমতে হালধি নিমখ দি মিঠাতেলত ভালকৈ ভাজিব। বস্তুখিনি ভালকৈ সিজিলে নমাই থ'ব।

খোৱাৰ নিয়ম ঃ পুৰা আৰু আবেলি খালি পেটত প্ৰায় ডাঙৰ চামুচৰ দুচামুচকৈ

দিনে দুবাৰকৈ ৬/৭ দিনমান খাব।
ঔষধ খোৱাৰ দিনকেইটাত জলকীয়া, জালুক, গৰম মচলা আদি নাখাব।

৩৬০। মাকবিঘিলা দুমুঠুৰিৰ গুটি সৈন্ধৱ লোণ গুৰি কৰি খালে ভাল হয়।

৩৬১। নাহৰ ফুলৰ কেশৰ, তেজপাত, ডালচেনি, ইলাচি, আদা, জালুক সকলো মিহলাই চেনিৰ লগত খালে ভাল হয়।

৩৬২। ওল কচু ৮তোলা, আম্ৰাচিতৰ জোল ৪তোলা, মৰাণ আদা ১তোলা, জালুক ১তোলা সকলো গুৰি কৰি ১তোলা গুৰ দি খালে ভাল হয়।

৩৬৩। পুৱাতে কুঁহি পদ্ম পাত কলডিল বাটি চেনি আৰু ছাগলী গাখীৰৰ লগত খালে ভাল হয়।

৩৬৪। লং, জাই ফল, পিপলি, আদা, ধুতুৰা গুটি, সুৱগা গোটাই সেন্দুৰৰ বসত মাৰি ১ ৰত্তি পৰিমাণ বড়ি কৰি পানী বা ছাগলী গাখীৰৰ লগত খালে ভাল হয়।

৩৬৫। নেগুৰিয়া শামুকৰ চুণ, কেঁচুৰ মুৰ তিনিটা পুৰি ছাই কৰি, জোৰাই লতাৰ আগ ৭টা, কেঁচা হালধি সবাকো বটি লগাই দিলে ভাল হয়।

৩৬৬। গঁড়ৰ মগুহ, কলীয়া হালধি লোণ দি পগাই খাব।

৩৬৭। কেঁচুৰ মুৰ তিনিটা, গাঁথিয়ন, কলা তিতা বাটি বড়ি কৰি প্ৰতি দিনে খালে ভাল হয়।

৩৬৮। নেগুৰীয়া শামুকৰ চুণ, কঠালৰ ডিলা পুৰি ছাঁই কৰিব, বাদুলীয়ে খোৱা কলৰ বাকলি পুৰি ছাই সবাব, শোকোটা সবাকে বটি খালে ভাল হয়।

গৰ্ভনলা ঃ (গৰ্ভৰপৰা ওলায়, তেজ যায়, তল পেট বিষায়)

৩৬৯। গোৰোল পাতৰ ৰস এৰাঁ গাখীৰেৰে খালে ভাল হয়।

মতা কেঁচুমুৰীয়া ঃ (গাঁৰ ফুটি ওলায়, তেজ যায়)

৩৭০। মৰা এৰি চকৰি পুৰি ছাই কৰি সেন্দুৰৰ লগত বাঁহিলে ভাল হয়।

মাইকী মানুহৰ তেজহাৰ ঃ (যোনি দুৱাৰে তেজ যায়)

৩৭১। যোগী এৰি পাত, মৰাণ আদা বটি খালে ভাল হয়।

৩৭২। কথনুৰাৰ আগ পাতত দি খাব।

৩৭৩। জেতুকা পাতৰ ৰস ১৩ টা জালুক পিপলি পগাই খাব।

আঘাত পোৱাৰ সময় ঃ

৩৭৪। এক চামুচ কেঁচা হালধি গৰম গাখীৰ একাপৰ লগত খাব লাগে। কেঁচা হালধি খুন্দি বান্ধি থ'ব লাগে।

কটা ঘা ঃ

৩৭৫। পচতীয়াৰ পাত কেইখনমান ভালদৰে খুন্দি প্ৰলেপ দিব বা মানিমুনি এমুঠি ভালদৰে খুন্দি লৈ কটা ঠাইত লগাব।

৩৭৬। খকন্দা বেঙেনাৰ পাত দুবৰি বন বটি ঘাত লগাব।

৩৭৭। পানী কচু এটা বটি লগাব।

৩৭৮। বাঘনলাৰ মূল, নীলকণ্ঠ, বাত বাজয় মূল বাটি লিপি দিব।

৩৭৯। বাঁহৰ চোঁচ, কুকুৰ সূতাৰ ছাল, পুৰণি জুৰা তামোল সবাকো গুৰি কৰি কটা ঘাত দিব।

৩৮০। কদমৰ ছাল লবণৰ সৈতে বটি লগাই দিব।

৩৮১। কয়লা, সিন্দুৰ, কাউৰী এটা মাৰি পাখীৰ সৈতে পুৰি ছাঁই অলপ কাছৰ পিঠিৰ খোলা পোৰা ছাঁই সকলো পিচি গুৰি কৰি সেই ধুলি ঘাত মাৰি থাকিব।

চিটিকা ঘা ঃ

৩৮২। দুবৰি বন আৰু কেঁচা হালধি খুন্দি লগাব লাগে।

কটা ঘাৰ তেজ বন্ধ হোৱা দৰৱ ঃ

৩৮৩। সপজিবা, কুঠকন্দা, দুবৰি বন, ভলুকা বাঁহৰ চোঁচ, ডেম ডেউকাৰ গাঁঠি, কলৰ বাকলিৰ খাৰণি কৰি বাটিব আৰু তেজ ধুৱাই লগাব।

বেচুৰ দৰৱ ঃ

৩৮৪। টেঙেচি টেঙা বটি বেচুত লগাব লাগে।

৩৮৫। চেঙেৰী টেঙা আৰু চেনি বটি লগালে বেচু ভাল হয়।

৩৮৬। বৰ মানিমুনি, গৰৈ মাছৰ পেটু আৰু কেএৱবনৰ গুটি বটি দিব।

শালমহনা ঃ

৩৮৭। পকা অমিতা পিহি মুখত ঘঁহিব লাগে বা গোল নেমুৰ ৰস ৰাতিপুৱা শুদা পেটত আৰু ৰাতি শোৱাৰ আগতে খাব আৰু গোল নেমু এটা ফালি মুখত ঘঁহিব লাগে।

গাৰ ছাল সোতোৰা পৰা ঃ

৩৮৮। জেতুকা পাতৰ ৰস সানিব লাগে বা সুমথিৰা টেঙাৰ ৰস ২ গ্ৰাম কৈ দিনে খাব লাগে।

গাৰ ছালৰ ওকনি ঃ

৩৮৯। ধুতুৰা পাতৰ ৰস ঘঁহিব।

ঘামচি :

৩৯০। হেলচি শাক পিহি গাত ঘঁহিব লাগে।

মুখৰ ঘা :

৩৯১। তগুণাৰ দক্ষিণ কালৰ ছাল লেটেকুৰ দক্ষিণ কালৰ ছাল, এৰা গাখীৰত বটি মুখত ল'ব। শিশুৰ হ'লে মাকৰ পিয়াহত ঘঁহি দিব।

অজীর্ণ বা আভোক :

৩৯২। অজীর্ণতাৰ বাবে ভোক নালাগিলে কেঁচা ডালিম জুইত পুৰি অলপ চেনিৰ লগত মিহলাই খুৱাব।

৩৯৩। আভোক হ'লে দোবোন খন এমুঠি পাতত দি বা আঞ্জা কৰি দিনে ২বাৰকৈ খাব।

৩৯৪। দোবোন শাক তৰকাৰী কৰি খাব। বা তুলসী পাতৰ সৈতে জালুক ৩/৪ টা চোবাব।

৩৯৫। সোণাৰুৰ শিপা, অলপ চতিয়ানৰ ছাল, কণী বিহৰ ছাল, অলপ লোণ, জালুক দি পগাই খাব।

গুহ্যদ্বাৰৰ বেমাৰ

গুহ্যদ্বাৰ বাহিৰ হৈ গ'লে :

৩৯৬। ধুতুৰাৰ পাত খুন্দি গুহ্যদ্বাৰত প্ৰলেপ দিব লাগে।

গুহ্যদ্বাৰৰ পোৰণি হ'লে বা পকিলে :

৩৯৭। পটলৰ পাত আৰু সমপৰিমাণৰ মধু লৈ তাক ভালদৰে পিহি ছাগলী গাখীৰৰ লগত মিহলাই গুহ্যদ্বাৰত প্ৰলেপ দিব।

শৌচ হওঁ হওঁ অৱস্থাত শৌচ নহ'লে :

৩৯৮। নৰসিংহৰ ৮/১০খন কেঁচা পাত খুন্দি গুহ্যদ্বাৰত প্ৰলেপ দিব।

৩৯৯। তুলসী পাতৰ গৰাৰ লগত সুমথিৰা টেঙাৰ চৰবত কৰি খুৱাব লাগে নাইবা আলুত মৌজোল সানি দিব লাগে।

শৌচ-বমি হ'লে :

৪০০। তুলসীৰ গুটি কেইটামান খুন্দি গাখীৰৰ লগত মিহলাই খুৱাব লাগে।

মাইকী মানুহৰ অশৌচৰ পিছত কামোৰণি হ'লে :

৪০১। ক'লা গৰুৰ গোবৰ মজিয়াৰ মাটি গুলি খুৱাব।

পেট গোৰগোৰালে বা ওফন্দিলে :

৪০২। অলপ চূণৰ পানী, দুটকামান তুলসীৰ ৰস, অলপ আলাজু বটি বাটী পেটত খাব।

৪০৩। শুকান আমলখি আৰু শিলিখা পানীত সিজাই শুদা পেটত খাব২/৩দিনমান।

হেকেতিৰ দৰৱ :

৪০৪। হেকেতি আহিলে খুউব মিহি কৰি আদা চকলিয়াই খাব।

৪০৫। শকুৰি কঠালৰ ৰস, মাটিকঠালৰ পাতৰ ৰস আধা পোৱা, ১তোলা মিচিৰি মিহলাই খালে ভাল হয়।

হৃদৰোগ :

৪০৬। দিনে ২টাকৈ আপেল খাব লাগে বা মাটি দাইল দুদিনত এবাৰকৈ খাব।

৪০৭। অৰ্জুন গছৰ ছালৰ ৰস ব্যৱহাৰ কৰিলে ভাল।

কোষ্ঠ্যকাঠিন্য :

৪০৮। পকা অমিতা শিলিখা ত্ৰিফলা খাব লাগে।

বুকুৰ ঢপঢপনিৰ ঔষধ :

৪০৯। আদমহা অৰ্জুনৰ ছালৰ গুৰি, ঘিঁউ, গাখীৰ আৰু গুৰ মিহলাই খালে বুকুৰ ঢপঢপনি, জীৰ্ণ জ্বৰ আৰু ৰক্তপিত্ত ৰোগ গুচে।

৪১০। অৰ্জুনৰ ছালৰ গুৰি, ছাগলী গাখীৰ, ঘিঁউ, মৌ আৰু চেনি সবাকো সমজোখে মিহলাই খালে বুকুৰ ঢপঢপনি ৰোগ গুচে।

৪১১। মুথা, নাগেশ্বৰ ফুলৰ কেশৰ, আচুকাঠ, সৰু এলাচি, শুঁঠি, আদা, জালুক পিপলি, অজ্জাচিত, ৰঙা চন্দন - সবাকো সমজোখে লৈ গুৰি কৰি দু-অনা ভৰি গুৰি মৌৰে খাব।

৪১২। শিলিখা, বচ, ৰঘুমলা, আদা, কেতুৰি আৰু গাঁঠিয়ন সবাৰো এমহা গুৰি পানীৰে খালে বাতজ ৰোগ গুচে।

৪১৩। অৰ্জুনৰ ছাল, ৰবিয়াল, যষ্টীমধু, ভূতমূলা, বিনন্নী সাৰটা, তিতা ভেঁকুৰী, কঁটা বেঙেনা, গোক্ষৰ - ই সবৰ মূলৰ সৈতে গাখীৰ পগাই, সেই গাখীৰ চেনিৰে সৈতে খালে পিত্তজ ৰোগ গুচে।

৪১৪। ধুনা লতা, কেতুৰি, ৰবিয়াল, ৰঘুমলা, শিলিখা আৰু কূড় ই সবৰ আদমহা গুৰি কৰি গৰু মূত্ৰেৰে খালে কফজ ৰোগ গুচে।

৪১৫। সৰু এলাচি আৰু পিপলি মূলৰ গুৰি ঘিঁউ সানি চেলেকি খালে কৃমিজ ৰোগ গুচে।

৪১৬। বিৰিং গুটি আৰু কূড় আদমহা গৰু মূত্ৰেৰে খালে কৃমিজ ৰোগ গুচে।

৪১৭। আদা, জালুক, পিপলি, অজ্জাচিত, শিলিখা, বচ, হিং, য'খাৰ, বিটলোণ ই সবৰ সমজোখে আদমহা গুৰি কৰি খালে ত্ৰিদোষত বুকুৰ নবিয়া গুচে।

বুকুৰ পোৰণিৰ ঔষধ ঃ

৪১৮। ধনীয়া দুতোলা আধাপোৱা পানীত আগদিনা গধূলি পৰত তিয়াই থৈ পুৱা চেনি পেলাই খালে পোৰণি গুচে।

৪১৯। আমৈ লতা বা যেতকপৰাৰ ৰস বা উভয়ৰে ৰস মৌৰে খাব।

৪২০। চন্দন, যেতকপৰা বিৰিণাৰ মূল, পদ্মৰ মূৰা, মূথা, মোলান গুৱামৰি, ধনিয়া, উৰৈ কাঠ আৰু আমলখি সবাকো মিলাই দুতোলা আদসেৰ পানীত পগাই এপোৱা ৰস ৰাখি জুৰাই মৌৰে খালে গাৰ পোৰণি গুচে।

৪২১। ত্ৰিফলা আৰু সোণালুৰ শাহৰ ক্বাথ চেনি আৰু মৌৰে খালে গাৰ পোৰণি গুচে।

৪২২। পুৰঠ কেঁচা নাৰিকলৰ মূৰ কাটি গুৰ ভৰাই কিছুপৰ থৈ সেই পানী খালে গাৰ পোৰণি গুচে।

৪২৩। বীট লোণ, সুৰগাৰ আঁখে, জালুক সমজোখে লৈ গুৰি কৰি ৪ ৰতি গুৰি মুখত লৈ মিছিৰি পানী খালে পিত্তচাৰ হৈ হাত-ভৰি, গাৰ পোৰণি হোৱা ৰোগ গুচে।

৪২৪। পাকৈঢোঁৰা চৰাইৰ আগমগুহ, শুকুৰাই, বটি, পুৰা কলৰ আঠাৰ সৈতে মগু পৰিমাণ বড়ি কৰিব - মিঠা আমৰ ছাল, আমৰাৰ ছাল, টেঙুনাৰ ছাল, মালভোগ কলৰ শিপাৰ ৰসত অলপ তপত কৰি খাব।

৪২৫। লেটা গুটি ৫টা, বাঘনলাৰ আগ ২ টা, টকুনাৰ আগ ৩টা, হাতী পিপলিৰ ঠাৰি, তামোল পুলিৰ কুঁহি - সবাকো খুন্দি ৰস লৈ চেনা বাখৰেৰে খাব।

৪২৬। গধূলি গোপাল ফুলৰ শিপা বটি গাখীৰ টেকেলি ধোৱা পানীৰ লগত মিহলাই খাব।

নোখোৱাকৈ দিয়া দৰৱ ঃ

৪২৭। টুবুকী লতাৰ আগ আৰু হাইটা ৰাকলিৰ ফেন তুলি তালুত আৰু ভৰি হাতৰ তলুৱাত দিব।

৪২৮। শত ধৌত ঘিঁউ অৰ্থাৎ ঘিঁউ চেচা পানীৰে এশবাৰ ধুই সেই ঘিঁউ মলিব।

৪২৯। কোৱাভাতুৰীৰ পাতৰ ৰস দুতোলা আৰু তিলৰ তেল দুতোলা মিলাই এখন কাঁহৰ সাজতলৈ ৰদত থব। খাব পৰা তপত হ'লে সেই তেল তালুত আৰু হাত-ভৰিত ঘঁহিলে গা-হাত পোৰণি গুচিব।

৪৩০। চেঁচা পানীৰে ভালকৈ ভৰি-হাত ধুই কোৱাভাতুৰীৰ পাতৰ ৰস আৰু তিলৰ তেল মিহলি কৰি হাত-ভৰিত ঘঁহিব।

৪৩১। পদ্মৰ পাতৰ বা কলপাতৰ শয্যা পাতি শুৱাই চন্দনৰ পানীত তিওৱা বিছনীৰে বিচিব। গাত পানী ছটিয়ালে, চেঁচা পানীৰে গা ধুলে গা জুৰ পৰে।

যক্ষ্মা ৰোগ ঃ

৪৩২। পকা আম এটাৰ লগত মৌজোল মিহলি কৰি খাব বা দিনে ২০গ্ৰামকৈ গাজৰ খাব লাগে।

৪৩৩। খাতি অশোক ফুল পুৰি ছাই কৰি তাৰ লগত ছাগলীৰ আগমগুহ দি পিহি ছাগলীৰ কেঁচা গাখীৰৰ লগত খাব। শুদা পেটত খাব। এইদৰে ৩ পালি খোৱাৰ পাছত ৩ দিনত ৰোগ ভাল হ'ব।

নাৰেঙা ৰোগ ঃ

৪৩৪। বিহমইনাৰ গুটি, ছাল আৰু আগ খুন্দি প্ৰলেপ দিলে নাৰেঙা ভাল হয়।

বলিয়া নাৰেঙা ঃ

৪৩৫। ভাতকেৰেলাৰ শিপা, গৰখীয়া তামোলৰ শিপা, শিজুৰ ৰস ৭টোপা পিহি গৰমাই খালে ভাল হয়।

৪৩৬। চুৰাতৰ শিপা, ডালিমৰ শিপা, মাকৰিঘিলা, ভালুক, পিপলি একেলগে বটি একচটাক কৰি তিনি দিন খাব।

৪৩৭। বন শহৰ ৰস আদাৰ ৰসৰ লগত খালে ভাল হয়।

কাঁহৰ দৰব ঃ

৪৩৮। বগা বাহকৰ পাতৰ ৰস ২০ গ্ৰামকৈ দিনে ৩ বাৰ খাব।

৪৩৯। ভাৰ্তঘিলাৰ শিপা, খৰুৱা বেঙেনাৰ আগ, য'খাৰ, পিপলি - সবাকে বটি অলপ পানী দি খাব। বেছি সোৱাদ ও বিজলুৱা বস্তু নাখাব।

৪৪০। কুঁহিয়াৰৰ ৰস ১০০ গ্ৰামকৈ দিনে ২ বাৰ খালে শুকান কাহ ভাল হয়।

৪৪১। ৩/৪টা বাদাম চোবাই মুখত ৰাখিলে শুকান কাহ ভাল হয়।

৪৪২। গৰম পানীত কেঁচা হালধিৰ ৰস মিহলাই তাত অলপ নিমখ দি খাব লাগে।

৪৪৩। কেঁচা মূলাৰ ৰসত কুঁহিয়াৰ ৰস মিশ্ৰণ কৰি দিনে ২ বাৰকৈ খাব লাগে।

৪৪৪। ভাল ঘিউত গুৰ মিহলি কৰি জুইত গৰম কৰি খুওৱাৰ উপৰিও ঘিউ আৰু নিমখ সম পৰিমাণৰ মিহলি কৰি বুকুত মালিচ কৰিব লাগে।

৪৪৫। নহৰুৰ ৰসৰ লগত মাটিকঠালৰ ৰস অলপ মিশ্ৰণ কৰি চৰবত কৰি খালে সকলো প্ৰকাৰৰ কাহ ভাল হয়।

৪৪৬। পুৰণি কাহত এচামুচ হালধিৰ ৰসত ২ চামুচ মৌ মিহলাই দিনে ৩ বাৰকৈ খাব লাগে।

৪৪৭। শিশুৰ কাঁহ হ'লে ৪/৫টা দোৰণ ফুল পিহি ১ চামুচ মৌজোলৰ লগত মিহলি কৰি খুৱালে ৰোগ সহজে আৰোগ্য হয়।

লেং কাঁহ ঃ

৪৪৮। বেজ কচুৰ ঠাৰি খুন্দি তাক পাতত দি তাৰ ৰস উলিয়াই গুৰৰ সৈতে মিহলাই খাব লাগে।

কাঁহ, কফৰ দৰৱ ঃ

৪৪৯। শিলিখা, শগুনী লতা, পিপলি,চেনি বটি মৌৰে খাব

কফ, ফুটনি ঃ

৪৫০। আদা, নীলকণ্ঠ, তিতা, জালুক, পিপলি, লং, জাইফল, জয়িত্ৰী, ইলাচিৰ ৰস, সিন্দুৰ, মাকৰি ঘিলা, লেটা গুটি, হাইঠাৰ বাকলি –প্ৰত্যেকৰে সমান জোখলৈ ২ ৰতিৰ বড়ি কৰিব।

অনুপান ঃ গৰম পানী, লোণ পচতীয়াৰ পাতৰ ৰস ও আদাৰ বড়ি মাৰি খাব।

ঘাঁহা ঔষধ ঃ

৪৫১। ৰসমানিক ঘাঁহি কষ্ট পোৱা ঠাইত লিপি দিব, ফুটনি গুচিব।

৪৫২। বেলৰ শিপাৰ ছাল আৰু জাইফল বটি লেপ দিব। ফুটনি গুচিব।

বাধক বেদনা

৪৫৩। জাব সিয়েৰী সৰ্প জিবা, টুপুৰা, কথা, পুনী ৩ গাঠি, মদাৰ ফুল, পলাশ ফুল, ডালিম ফুল, ৰামতুলসী, কণা শিমলু বন, হাঁচিয়তী, লেটা গুটি, আম চেকুৰা, তেজাময়, বন জবাৰ ছাল–প্ৰত্যেকৰে এক তোলা শুকাই গুৰি কৰি কঠিয়াৰ নানি ধানৰ চাউল তিনি পিঠি ভাজি গুৰি কৰি ৫ তোলা গুৰিৰ লগত ঔষধ মিহলাই প্ৰতিদিন তিনি চিকটা (চিমটা) খাব। বাধক ৰোগ গুচিব।

ব্ৰংকাইটিচ ঃ

৪৫৪। বগা বাহকৰ পাতৰ ৰস (তিতা ফুল) দিনে ২০ গ্ৰামকৈ ২ বাৰ খাব লাগে।

লেং কাঁহ ঃ

৪৫৫। পুৰৈ শাকৰ ৰস ছাগলীৰ গাখীৰৰ লগত খাব লাগে।

হাঁহকাহ ঃ

৪৫৬। সৰিয়হ তেলত নিমখ মিহলি কৰি বুকুত মালিচ কৰিব লাগে।

কছুৱা লেং কাঁহ :

৪৫৭। তিতা ভেঁকুৰীৰ শিপা, ভেদাই তিতাৰ শিপা, কোটাহী বেঙেনাৰ শিপা, ১৩ টা জালুক পিপলি দি বটি খালে এই কাহ ভাল হয়।

চেঙেলীয়া লেং কাঁহ :

৪৫৮। টংলতিৰ শিপা, দীঘলতিৰ ছাল বটি ১৩ টা জালুক পিপলি দি খালে ভাল হ'ব।

লিংগত ঘাঁ হোৱা দৰৱ

৪৫৯। আঁহত গছৰ ছালৰ ৰসেৰে গা ধুব লাগে। অনন্ত মূলৰ ৰসেৰে গা ধুব।

৪৬০। বিশল্যকৰণীৰ পাত খুন্দি ৰস উলিয়াই সেই ৰসেৰে গাধুলে ভাল।

মল দুৱাৰৰ ভুমি ওলোৱা দৰৱ :

৪৬১। গৰুৰ তেজ ঘঁহিব আৰু এন্দুৰৰ মওহ পানীত সিজাই ভাপ দিলে আগৰ দৰে হ'ব।

শক্তি শেল : (বুকত খোঁচ মাৰি ধৰে, সোপামাৰি ধৰে পিঠিয়ে সৰকে)

৪৬২। বকুলৰ ছাল ১ তোলা, ঘিউ সমে জোল কৰি খাব।

চেঙেলীয়া বেমাৰ :

৪৬৩। বকুলৰ ছাল, জালুক, পিপলি দি পগাই খালে নাশ হ'ব।

স্বপ্নদোষ

৪৬৪। ৫০ গ্রাম নহৰু ঘিঁউৰ সৈতে খাব।

৪৬৫। আমলখীৰ ৰস বা চুণ মৌৰ সগত ব্যৱহাৰ কৰিব লাগে।

ধাতু দুৰ্বল

৪৬৬। শতমূলৰ আলু ৫০ গ্ৰাম ২৫০ মিলিলিটাৰ গাখীৰত সিজাই খাব লাগে।

৪৬৭। বাদাম ৬ টা, জলকীয়া গুটি ৬ টা, মিৰ্চিৰি মিহলি কৰি ৰাতিপুৱা ২০০ গ্ৰাম গাখীৰ খোৱা পাছত খাব। বা

৪৬৮। ৫ গ্ৰাম ক'লা জামুৰ গুটি আধা গিলাচ গাখীৰৰ লগত দিনে ২ বাৰকৈ খাব।

টোপনিত প্ৰসাব হোৱা

৪৬৯। ক'লা জামুকৰ গুটি ৩/৪ টা পিহি তাত সামান্য পানী মিহলাই দিনে ২ বাৰকৈ খাব।

মেদ ৰোগ : (শকত হোৱা)

৪৭০। এৰা পাতৰ খাৰ হিঙুৰ লগত ব্যৱহাৰ কৰিলে মেদ কমি শৰীৰৰ গঠন স্বাভাৱিক হয়।

ধনুষ্টংকাৰ ৰোগ :

৪৭১। জগুঘলী ভাঙৰ কেঁচা পাত বা শুকান পাত চিলিমত খাব লাগে।

সাপে কামোৰা :

৪৭২। নাহৰ ফুল আৰু পাত খাব লাগে আৰু পিহি কামোৰা ঠাইত লগাব লাগে।

শামুকীয়া ৰোগ :

৪৭৩। গোৰোহা গৰম পানীৰে দুই তাত নাৰিকলৰ তেল সানিব।

গৰ্ভপাত :

৪৭৪। গৰ্ভাৱতীৰ গৰ্ভাশয়ৰপৰা পানী উলিয়াবলৈ হ'লে দৈনিক দুটাকৈ নাচপতি খাবলৈ দিব লাগে।

৪৭৫। গৰ্ভপাত কৰাবলৈ চজিনা গছৰ ছাল খুন্দি তাৰ ৰস খুৱাব লাগে। বা অমিতাৰ আঠা বা কেঁচা অমিতা খালে ভ্ৰূণ নষ্ট হয়।

হেন্দালি কামোৰণিৰ দৰৱ : (মাইকী মানুহৰ)

৪৭৬। অমৰাৰ ৰস পুৰণা গুৰৰ লগত খাব লাগে।

তিৰোতাৰ ঋতু বন্ধ কৰা :

৪৭৭। ৩ বছৰীয়া পুৰণি গুৰ ঋতুৰ পাছত ৪ তোলাকৈ ১৫ দিন খালে ঋতু বন্ধ হয়, গৰ্ভ নহয়।

স্তন ডাঙৰ হোৱা দৰৱ :

৪৭৮। ডালিমৰ বাকলি সিজাই তিলৰ তেলৰ লগত মিহলাই স্তনত লেপ দিলে স্তন ডাঙৰ আৰু থিয় হৈ থাকে।

বাজী মাইকীৰ গৰ্ভ হোৱা দৰৱ :

৪৮৯। বিজলৰ ঠাৰি খলিহা মাছেৰে লোণ-আলুকৰ আঞ্জা কৰি খুৱালে বাজী মাইকীৰ গৰ্ভ হয়।

প্ৰসৱৰ দৰৱ ঃ

৪৮০। মালভোগ কলৰ থৌলু বা কেঁচু পাঁচোটাৰ মূৰ, কপাল ফোটৰ শিপা, একে গছৰ তাপোল-পান ৫ খনত খুৱাব।

৪৮১। তেজাময়ৰ দক্ষিণ শিপা, কলৰ সৰা ফুল, জাই ফল, ৫ খন তামোল সহিতে খাব।

৪৮২। দুপতীয়া তেতেলিৰ পুলি গুটিৰ সৈতে তুলি আনি পোৱতীৰ চুলিত বান্ধি নাকৰ সন্মুখত আঁৰি দিব, শীঘ্ৰে প্ৰসৱ হ'ব। তৎক্ষণাত খহাই পেলাব।

৪৮৩। আলাজ্জু বাহি পানীত বটি খুৱালে তৎক্ষণাত প্ৰসৱ হয়।

৪৮৪। মধুৰি আমৰ শিপাৰ চাল, লাটুমণিৰ শিপাৰ ছাল বাটি মৌৰ সৈতে খালে তৎক্ষণাত প্ৰসৱ হয়।

নাৰিৰ পৰাজিৰ বঢ়াৰ দৰৱ ঃ

৪৮৫। আগিয়া চিতাৰ মূল বটি খালে নাশ হ'ব।

তোৰ জিৰাৰ দৰৱ ঃ

৪৮৬। দুই নেগুৰীয়া জেঠী, দুইমুখীয়া পাণ, হাইঠাৰ ছাল, যঁখাৰ ১ তোলা, গন্ধক ২ তোলা – সবাকে বাটি তামৰ পাত্ৰত খাব।

শ ৰূপ ঃ (বুকুৰ ভিতৰত কামোৰে, ফুটি যায় যেন কৰে)

৪৮৭। মৰাশালৰ ছাল, শিমলুৰ ছাল, কাঞ্চনৰ গুটি, মাল ফুলৰ শিপা, দৰুণৰ মূল সবাকে বটি খালে নাশ হ'ব।

চিলনী ৰূপ ঃ (কণ্ঠত হয়।)

৪৮৮। বেলৰ গুটি, কোতাহী বেঙেনাৰ গুটি, ইকলাৰ গুটি, হিং, জালুক, পিপলি, মৰাণ আদা খুন্দি পগাই খালে নাশ হ'ব।

জলনধৰাৰ দৰৱ ঃ

৪৮৯। অশোকৰ মূল, মহিৰৰ মূতেৰে বটি খালে নাশ হ'ব।

পৰা ঃ শিঙিমুৰীৰ দৰৱ ঃ

৪৯০। মৰাণ আদা, কেতকুৰীৰ আলু খুন্দি, মিহি কৰি বান্ধি দিলে নাশ হ'ব।

তিৰোতাৰ গৰ্ভত অথবা উপজি ল'বা মৰে ঃ

৪৯১। ৩ মাহত মালভোগ কলৰ নাই, জোনাকি পৰুৱা পকা মালভোগ কলত সুমুৱাই খুৱাব। ৫ মাহত ছাগলী গাখীৰ, ক'লা অপৰাজিতা খুন্দি খুৱাব। ৭ মাহত জেঠিৰ নেজ, চেনি কলৰ শিপা খুৱাব। ৯ মাহত কলপাতৰ মহি, দৰুণ বনৰ শিপা, জেলুকীয়া

কেছু, সৰু সোণৰুৰুবাল খুন্দি একেৰৰণীয়া গৰু গাখীৰত খালে নাশ হ'ব।

৪৯২। গাঙ্গ কচু মংগলবাৰে কুকুৰ জুৰ যোৱা কাটি আনি বৰি কৰিব, কুকুৰৰ গলৰ উজ্বল মুখে পকা মাখি, জোকৰ মোৰ মংগলবাৰে জুৰ যোৱা মাখি সবাকে বটি জোল কৰি তেলেৰে চিতা মাৰিব।

দুধ মোৰ : (গাখীৰ খোৱা ল'বাৰ)

৪৯৩। লাইজাবৰী আৰু জাতি লাওৰ শিপা পিহি মাকৰ গাখীৰৰ লগত তালুত ভৰণ দিব লাগে। যদি হয়, লাগি ধৰিব আৰু এবাৰতে ভাল হ'ব।

মাইকী মানুহৰ গা যোৱা দৰৱ :

৪৯৪। বৰালী বকুৰা ১ মুঠি তুলসী পাত ১ মুঠি জমলাখুটিৰ আলু ৪ আঙুল, তাকে পিহি ৰস উলিয়াই খাব।

গৰ্ভ মুক্ত হোৱাৰ দৰৱ :

৪৯৫। বজৰুৱা কলৰ শিপা ৩ টা, পোৱা কলৰ শিপা কঁকালত বান্ধি ল'ব, তৎক্ষণাত ভাল হ'ব।

গৰ্ভবতী হোৱাৰ দৰৱ :

৪৯৬। পিপলি, জিৰা, জবৰাং, গৰুৰ ঘিঁউৰ সৈতে খালে বন্ধ্যাৰো গৰ্ভ হ'ব।

৪৯৭। পুষ্যা নক্ষত্ৰত বগা বিৰিঙা, আদৰ মালতি, নিলাজী বনৰ শিপা যষ্টি মধু ৪ তোলা, ১ চটাক চেনিৰে সৈতে খাব। পাছত গাখীৰ খাব।

ঘুমুৰুক

৪৯৮। শিজুৰ সাহ নিমখ, জালুক, পিপলি একেলগে খুন্দি আহু চাউলৰ সৈতে ভাজি খুৱাব লাগে।

৪৯৯। কণী বিহৰ ছালৰ বৰি বনাই কপাহৰ গুটি সহিতে মালা গাঁঠি পিন্ধাব।

৫০০। পলৰীয়া এবাৰ বাহ ভাত এটা চেমিজোক ভৰাই ডিঙিত কেঁচা সূতাৰে আঁৰিব, ভাল নহয় মানে নেৰুৱাব।

৫০১। ছাল কুৱৰীৰ ২ খন পাত খুন্দি তাৰ বিজলুৱা বসখিনিত অলপ গৰুৰ গাখীৰ মিহলাই দিনে ২ বাৰকৈ একেৰাহে ৩ দিন খুৱাব।

৫০২। বৰ ঢেকীয়া, লেধাই শামুকৰ কলিজা, পানী নহৰু, বগা নহৰু জালুক, নিমখ পগাই খাব।

৫০৩। কণী বিহৰ ছালৰ বৰি কৰি কপাহৰ গুটি চিলাই কৰি ডিঙিত পিন্ধাব।

মৃগী ৰোগ ঃ

৫০৪। কেঁচা হালধি পুৰি তাৰ ধোঁৱা সুঙিলে মৃগী ৰোগ ভাল হয়।

মূৰ্চ্ছা যোৱা ৰোগ ঃ

৫০৫। শতমূলৰ ৰস ২৫ গ্ৰাম, আধা গিলাচ গৰুৰ গাখীৰৰ লগত মিহলাই প্ৰায় ছয়মাহ একেলগে খাব লাগে।

কৰ্কট ৰোগ

৫০৬। প্ৰথম অৱস্থাত নিয়মিয়াকৈ ৫/৬ ফুটা নহৰু খালে পেটত কৰ্কট ৰোগ নহয়। বা

৫০৭। নয়নতৰা বা পিয়ালী কুঁবৰীৰ পাতৰ ৰস খাব লাগে।

কোষ্ঠ্যকাঠিন্য ঃ

৫০৮। তিলৰ বাকলি একেবাৰে সমান পৰিমাণৰ মাখন আৰু মিচিৰি মিহলি কৰি ৰাতিপুৱা খালে এই ৰোগ ভাল হয়। বা পকা অমিতা খালে ভাল হয়।

সাপে কামোৰা ঃ

৫০৯। আধা কাপ ঘিঁউত অলপ গাখীৰ দি ৩/৪ বাৰ খুৱাব লাগে আৰু জাৰিব লাগে।

৫১০। চাপন শাকৰ (খুতুৰা) শিয়া, চাল ধোৱা পানীৰ লগত গৰুৰ ঘিঁউ মিহলাই এক চামুচ খাব লাগে - সৰ্প বিষ নাশ হয়। আধা ঘন্টাৰ মূৰত ৩ চামুচ।

৫১১। বগা কচুৰ শিপা পানীৰ লগত বাটি খোৱা জেগাত লগাব লাগে।

মৰকুচিয়া দৰৱ ঃ

৫১২। কুমলীয়া তৰাৰ গজালি, বিৰিয়া তৰাৰ শিপা বগা লাতুমণিৰ শিপা তাবিজত ভৰাই কঁকালত শনি বা মংগলবাৰে বান্ধিব।

এন্দুৰীয়া ঃ

৫১৩। তৰা গুটি ১টা, কণী বিহৰ গুটি ১ টা, সিজুৰ ৰস ১টোপাল - সবাকে মিহি কৰি ঘাত লগাব লাগে।

ভূতৰ দৰৱ ঃ

৫১৪। গন্ধকলাই, নৰসিংহৰ গুটি, শ্বেত মদাৰৰ পাত ও ছাল এটা তামৰ বিৰিত ভৰাই পিন্ধিব।

মূৰ কামোৰনি ঃ

৫১৫। নাগিনী পাতৰ শিপা, তেজমুই গছৰ শিপা, বটি কঁপালত লগাব লাগে।

পাতকাপুৰীয়া ঃ কেঁচুৰা ল'ৰাৰ গাত বঙা বঙা চকলা দাগ হয়।

৫১৬। পাতপলুৱে খোৱা নুনী গছৰ পাত খুন্দি এদোখৰ পাতৰ কাপোৰত বান্ধি ঘঁহি দিলে ভাল হয়।

পেট কামোৰণি ঃ

৫১৭। বগা বাহকৰ শিপা, বিৰিণাৰ শিপা, শিলিখা সিজাই তাৰ জোল মৌ দি খালে পেট কামোৰণি নাশ হয়।

৫১৮। ভুই তিতা, মৰাণ আদা, কলা কেতুৰি, আমলখি খুন্দি ৰস মৌ ও চেনি দি খালে পেট কামোৰণি নাশ হয়। সোণাৰুৰ কোমল পাতত লোণ অলপ সানি তেলত ভাজি গধূলি থৈ ৰাতিপুৱা খাব।

৫১৯। কৰ্ঠনা ফুলৰ শিপা, মাখিয়তী গছৰ শিপা, ফুটুকাৰ শিপা, নেমুটেঙাৰ আগ, লাটুমণি, লেটা গুটি, কেটেলাৰ ভুক, লোণ, জালুক দি সিজাই খাব।

৫২০। নৰসিংহৰ পাতৰ ৰস উলিয়াই অলপ পানী মিশ্ৰণ কৰি খালে পেট কামোৰণি ভাল হয়।

৫২১। তিনি গ্ৰামকৈ পদিনা, হিং, জিৰা, জালুক, নিমখ একেলগে পিহি খালে পেট কামোৰণি ভাল হয়।

৫২২। পিঁয়াজৰ ৰসৰ লগত (৫০গ্ৰাম) অলপ চেনি মিহলি কৰি খাব লাগে।

৫২৩। নহৰুৰ ৰস (১০গ্ৰাম) অকনমান নিমখ মিহলি কৰি খালে আৰাম পোৱা যায়।

৫২৪। দুচামুচ আদাৰ ৰস আৰু মৌজোল মিহলি কৰি অলপ গৰম পানীৰ লগত খালে সুফল পোৱা যায়।

৫২৫। চক্‌গুটি আৰু ক'লা নিমখ পিহি গৰম গাখীৰৰ সৈতে খাব লাগে।

৫২৬। বকলৰ ছাল, লেটাগুটি, বাদুলিৰ মাংস, দাউকৰ মাংস সবাকো বটি ছাগলী গাখীৰৰ লগত খালে পেট কামোৰণি ভাল হয়।

৫২৭। বকলৰ ছাল ১পোৱা, কুতাই বেঙেনাৰ ছাল ১পোৱা, বিহলঙনিৰ জোল ১পোৱা, শিজুৰ মাহ, মৰাণ আদা, জালুক, পিপলি সবাকো গুৰি কৰি পিটি বৰি কৰি প্ৰতিদিনে তিনিটাকৈ খালে পেট কামোৰণি ভাল হয়।

৫২৮। মৰাণ আদা, বকলৰ ছাল, লোণ, জালুক, পিপলি দি গুৰি কৰি খালে নাশ হয়।

৫২৯। তিতা জবাৰ শিপা, মিলকণ্ঠ, তৰা গুটি, মৰাণ আদা সবাকো বটি টেপাকৈ খালে নাশ হয়।

৫৩০। কাছৰ মূৰ, বাঘৰ দাঁত পিহি খুৱালে নাশ হয়।

পেট কামোৰণিত ঘঁহা দৰৱ :

৫৩১। পদুমৰ আলু বটা, কুমতিৰ মূৰ ৫টা পুৰি ছাঁই কৰি পেটত ঘঁহি দিব।

৫৩২। পকা পাণ, হালধি হোকাৰ এটা ডিম পুৰি ছাঁই কৰি ঘঁহি দিব।

চোৰা কামোৰণিৰ দৰৱ :

৫৩৩। ধপাত তিতাৰ আগ ৯টা, ছাল ও শিপা একেজোপা গছৰে হব লাগে। ভাল হয়।

বৰ পেট কামোৰণিৰ দৰৱ :

৫৩৪। বকুলৰ ছাল ১পোৱা, কুতাই বেঙেনাৰ পাত ১পোৱা, বিহলঙনীৰ মূল ২১ ডাল শিজুৰ শাহ ১ আঙুল, মৰাণ আদা ৭ চকল, জালুক ২১ টা, পিপলি ৩ টাকৈ খাব। ভাল হ'ব।

চকুৰ দৰৱ :

চকুত ফুল পৰিলে :

৫৩৫। তুলসীৰ পাতৰ ৰস চকুত দিব লাগে।

চকুত জাল পৰিলে :

৫৩৬। গোল নেমুৰ ৰস গধূলি চকুৰ কোণত দিব লাগে আৰু নেমুৰ ৰস নিয়মীয়াকৈ খাব লাগে।

৫৩৭। পুৰা কল (কাচ কল) ৰ আঠা চকুত দিব লাগে।

কুকুৰিকণাৰ দৰৱ :

৫৩৮। কালজাকৰ জোলৰ চকুত দিব এসপ্তাহ পৰ্যন্ত।

৫৩৯। শতমূলৰ পাত ঘিঁউত ভাজি খাব। বা মচুৰ দাইল ১০০ গ্ৰাম ঘিঁউত ভাজি খাব।

৫৪০। পনৌনৌৱা ঘিঁউত ভাজি খাব।

৫৪১। নিতৌ গধূলি ৪/৫টোপা আমলখিৰ ৰস দিলে কুকুৰিকণা ভাল হয় আৰু তামোল বা পকা কলৰ লগত বা ভিতৰত সুমুৱাই ৰোগীয়ে নজনাকৈ জোনাকি পৰুৱা আৰু কলা ছাগলীৰ পিত্ত খুৱালে কুকুৰিকণা ভাল হয়।

চক্ষুবেতৰ দৰৱ :

৫৪২। ছালৰ কুটা, বেতৰ গাঁজ, বৰ পুণি, আগৰ কাঠ সবাকে বাটি লেপি দিব,

নাশ।

চকুৰ কুটৰ দৰৱ :

৫৪৩। ভোমোৰাৰ গুটি ২টা, আমলখিৰ গুটি ৪টা, শিলিখাৰ গুটি ১টা সকলো পিচি ৰস দিব। চকুকুট ভাল হয়।

জীব-জন্তুৱে কামুৰিলে :

মৌ বা বৰলে খালে :

৫৪৪। আদাৰ ৰস বা পিয়াজৰ ৰস সেই ঠাইত সানিব লাগে।

চিকাই কামুৰিলে :

৫৪৫। কলীয়া তুলসীৰ পাত আৰু গুটিৰ ৰস মিহলাই প্ৰলেপ দিব লাগে।

ভেকুলীয়ে কামুৰিলে :

৫৪৬। তুলসীৰ পাত, সৰিয়হ আৰু সিজু পিহি গাখীৰৰ সৈতে ভালদৰে মিহলি কৰি লগাব লাগে।

বিছাই কামুৰিলে :

৫৪৭। গুমুনি লতা ৪ ইঞ্চি মান খুন্দি কামোৰা ঠাইত ৩ ঘণ্টা প্ৰলেপ দিব লাগে।

বাঘে খালে :

৫৪৮। সৰল কাঠৰ চন্দন আৰু ঢেকীয়া লতাৰ আগ ভালদৰে খুন্দি মিঠাতেলত সানি কামোৰা ঠাইত লগাব লাগে।

সাপে খালে :

৫৪৯। প্ৰথমে বান্ধনী দিব লাগে। পিছত মন্ত্ৰেৰে জাৰিব লাগে।

৫৫০। নাহৰ ফুল আৰু পাত খাব লাগে। ফুল আৰু পাত পিহি কামোৰা ঠাইত প্ৰলেপ দিব লাগে।

৫৫১। গাখীৰ আৰু ঘিঁউ মিশ্ৰণ কৰি ২/৩/৪ বাৰ খুৱালে বিষ নাইকিয়া হয়।

৫৫২। অপৰাজিতাৰ শিপা গাখীৰৰ লগত খালে তেজৰ বিষ নাথাকে।

৫৫৩। ঘিঁউ, মৌ, মাখন, পিপলি, জালুক, লোণ একেলগে মিলাই খালে সাপে কামোৰা বিষ ভাল হয়।

৫৫৪। দোৰোন বনৰ ৰস কামোৰা ঠাইত লগাব লাগে আৰু খাব লাগে।

৫৫৫। ডালিমৰ শিপা মিহিকৈ বটি লগাই দিব, ভাল হ'ব।

৫৫৬। ভেদাই লতা দক্ষিণ ফালৰ শিপা আঢ়েটো ভাল্লুকৰ সৈতে বটি লগাই দিব।

৫৫৭। ঘৰৰ আলাম্ভু, হালধি, মেঘনাদ সমভাগে বটি খাব ও ঘাৰ মুখত দিব।

বিষাক্ত ফল খালে ঃ

সাপে খালে ঃ

৫৫৮। সহদেৱৰ মূল তালুত বাটি নালিচিয়াদি লিপি দিব।

৫৫৯। ক্ষুদ্ৰ মানিমুনি, আদা, বেঙেনাৰ ফুল, ডিমৰুৰ মূল ও ছাল বটি লৈ খাব ও যাৰ মুখত দিব।

৫৬০। গোল নেমুৰ ৰস ৫০ গ্ৰাম খাবলৈ দিব বা নহৰুৰ ৰস ১৫গ্ৰাম খুৱাব লাগে।

বিষাক্ত কীট আদিৰ দংশন ঃ

৫৬১। শ্বেত আকণৰ মূল গোল মৰিচৰ সহিতে বটি খোৱা ঠেগাত লগাব।

৫৬২। ৰবিবাৰে পুষ্যা নক্ষত্ৰৰৰুণ গছৰ শিপা জল সহিতে বটি ক্ষত স্থানত লগাব লাগে।

কুমজেলুকাই খোৱা ঃ

৫৬৩। মৰাণ আদাৰ ৰস, টো গুটি, কোৱামণিৰ শিপা, বেত্ৰাতীয় হৰ বাকলি সবাকে বটি বৰি কৰি খাব।

শিঙি মাছে ফুটিলে ঃ

৫৬৪। জলকীয়া বটি বিন্ধা ঠাইত প্ৰলেপ দিব।

কেৰেলুৱাই খালে ঃ

৫৬৫। জলকুঁৱৰী লতাৰ পাত, ৰঙা আগিয়াচিতাৰ পাত বটি দিলে ভাল হয়।

৫৬৬। খোৱা কেৰেলুৱাটো মাৰি পেলাব।

গা ফুলা বেমাৰ ঃ

৫৬৭। মচুৰ মাহ, সোণবৰিয়াল, বিহলঙনি, চেনি বনৰ শিপা, মধুলতা, বনশত দুটকা, বিচম ৫ গণ্ডা, পিপলি ৯ গণ্ডা ভাজি গুৰি কৰি দিনে আধাতোলা হিচাপে ২ বাৰ খাব। মাহেকলৈ ম'হৰ গাখীৰ, টেঙা আঞ্জা নাখাব।

বলীয়া শিয়ালে খোৱা ঃ

৫৬৮। গোৱৰৰ গেৰেকনিৰ কেঁচু-কুমতি আনি বাটিব। মালভোগ কল এটা সমানে ৫ ভাগ কৰি প্ৰতিভাগত উক্ত দৰৱ আগৰ আগ পাছৰ পাছ হিচাপে খাব।

বলীয়া কুকুৰে খোৱা ঃ

৫৬৯। ধুতুৰা ফলৰ ৰস গাখীৰ, গুৰ, ঘিঁউৰ সমে খাব কলা হাঁহৰ মাং, মালভোগ কলৰ খাৰ দুয়ো মিহলাই ঘাত লগাব।

পেটৰ ভিতৰত জোক সোমালে ঃ

৫৭০। টিয়হ এটা কেঁচাই খাব লাগে বা ইয়াৰ ৰস উলিয়াই খালে জোক মৰি বাহিৰ ওলাই যাব।

বাঘে ভালুকে খোৱা ঘা ঃ

৫৭১। বনসট, নিলাকুটি লতা (আদৰ মালতী) কঁপাল বেপটা, কপা পেটাৰী, সৰ্পজিবা সকলো বাটি ঘাত লগাব।

সাপে গৰুক কামুৰিলে ঃ

৫৭২। আদা ৩ চকল, ভেদাই লতাৰ শিপা, লোণ সহিতে খুৱাব আৰু কাণ-নাকে দিব

শুই সাপে খোৱা ঃ

৫৭৩। হালধি, পিঁয়াজ, নেমু তিতাৰ পাত, বাহেকৰ পাত সবাকো ঢেকীত খুন্দি কাপোৰত চেকিব, চকত পাগ্নিব, জুৰালে গৰুৰ সৰ্বশৰীৰে ঘঁহিব। ৰ'দত বান্ধি থব, পাছত পানী খুৱাব।

সৰ্ব বেথা ঃ

লিংগত হয়, ফাটে, বিষ কৰে, ফিকে তাকে সৰ্বৰেথা বোলে।

৫৭৪। হিদলৰ ছাল, থুটি ওলৰ পেটা, মেটেকাৰ আলু, ভৱনি লতাৰ পাত বাটি ৰস দিব।

গাই গৰুৰ পুষ্প হোৱা দৰৱ ঃ

৫৭৫। লোধাই শামুকৰ সাহ, ভূমি পদৰ মূল, দেওগুৰাৰ মূল সবাকো সিজাই পুৰাতে খুৱাব গাখীৰ ওলাব।

ঘোঁৰা ঘাঁহৰ ঔষধ ঃ

৫৭৬। তাৰ্পিন তেল, টুটিয়া, এমেৰাৰ ছাল, বৰ জামুকৰ ছাল, আম ৰ ছাল, মৌজোলৰে সিজাই পানীৰে ধুৱাব, নাশ।

পাতবেঙে খোৱা ঃ

৫৭৭। কেঁএৱাবনৰ গুটি ২১টা, তেজমুৰিৰ শিপা ১মহ, মৰাণ আদা ১তোলা, জালুক ২১টা ৰস উলিয়াই গৰু ঘিউ ৬-৭ টোপাৰ লগত মিহলি কৰি থুউৱ ঘঁহিব। পাতবেঙে খোৱা ভাল হ'ব।

বলীয়া শিয়ালে খোৱা :

৫৭৮। বলীয়া নোহোৱা কুকুৰৰ নোম জাহাজী কলৰ ভিতৰত সুমুৱাই খুৱাব, ভাল হ'ব।

বাঘ মোৰ :

লক্ষণ : পেট ওখহে, চট্‌ফট্ কৰে, পেট কামোৰে, মুখে বাতি আহে।

৫৭৯। নেউলৰ মঙহ, ৯টা জালুক, পিপলি, লোণ দি পগাই খাব, নাশ।

বাঘ মোহিনী :

৫৮০। পূৰ্ব ফাল্গুনি নক্ষত্ৰত আঁহতৰ মূল, কোটাই বেঙেনাৰ মূল প্ৰাতঃকালে তুলি আনি তাবিজত ভৰাই ল'ব লাগে। বাঘ-ভালুকে খাব নোৱাৰে। দক্ষিণ বাহুত ল'ব।

কুমজেলেকুৰাই খোৱা :

৫৮১। মৰাণ আদা, ৰঙা তিয়হৰ বাকলি, লেটা গুটি, কোৱামণিৰ শিপা বৰি কৰি ৩ টাকৈ খালে ভাল হয়।

নিউমোনিয়া :

৫৮২। কলীয়া তুলসীৰ ৰসৰ লগত মৰাণ আদা আৰু মৌ মিহলি কৰি দিনে ২ বাৰকৈ খাব।

৫৮৩। লেটা গুটি, গুটিৰ দৰৱ, তিতা কটিৰ শিপা, বগা অপৰাজিতাৰ শিপা, দোৰোণ বনৰ শিপা, বগা লাটুমণি ১..., দৰৱ চাই জালুক ৩টা, সৰু হ'লে ১... নিমখ সহ সবাকে পিহি গৰম পানীৰ লগত দিনে ২ বাৰকৈ খুৱাব। দুপালিতে ভাল হ'ব।

বেচু :

৫৮৪। টেঙেচি টেঙা বটি বেচু হোৱা ঠাইত লগাব লাগে বা এৰাপাত এখিলা খুন্দি লেপি থ'ব।

লেঙ :

খোচা লেঙ :

৫৮৫। বৰজ্বালৰ শিপা, চৰাদৰ শিপা, মৰাণ আদা, জালুক দি খাব, ভাল হ'ব।

টোপনিত লেঙ :

লক্ষণ : উঠি উঠি শোৱে, কাপোৰ হাপুতি লয়।

৫৮৬। ভাতকেৰেলাৰ আলু, তিতা ভেঁকুৰীৰ শিপা, চৰাদৰ শিপা, মৰাণ আদা, জালুক, পিপলি দি খাব, ভাল হ'ব।

ভুৰু লেঙ :

লক্ষণ : চুকে-কোণে ফুটি যাই, জ্বৰ-কাঁহ হয়।

৫৮৭। বৰুণৰ ছাল, অলপ গন্ধক, কলাখাৰ, বাহ খাৰ, ১৩টা জালুক পিপলি দি পগাই খাব।

চৰহী লেঙ :

লক্ষণ : গাত তং নাই, জ্বৰ-কাঁহ হয়।

৫৮৮। গাজ কচুৰ আলু আদাৰ ৰসৰ লগত পগাই খাব।

বৈদ্য সমৰ :

কলা লেং :

লক্ষণ : কাণে নুশুনে, চাই থাকে, গাত জ্বৰ, অলপ কাঁহে, তাকে কলা লেঙ বোলে।

৫৮৯। মাকৰি ঘিলা, লেটা গুটি, বনজবা, তিতা ভেকুৰীৰ শিপা, বোন মানাৰ শিপা, তেজামৰ, উৰিয়ামৰ মৰা ছাল, আঢ়েটা জালুক, পিপলি বাটি পাগি খাব।

কাঙুয়া লেঙ :

৫৯০। তেজামৰ শিপা, জালুকলতি গছৰ ছাল ও শিপা, জালুক, পিপলি ৯ টা দি বাটি খাব।

৫৯১। ভুমি চম্পাৰ মূল, আদা সহ বাটি তপতাই খাব।

জ্বৰ লেঙ :

লক্ষণ : গাত জ্বৰ, নামাতি থিয় হৈ থাকে, কামুৰিব খোজে গছা লেঙ বোলে।

৫৯২। ভেঁটাইৰ আগ, অনা ফুল বগৰীৰ শিপা, সিজুৰ কুঁহি, তিনিবো ৰস আগে খুৱাব, পিছে লতি পোৱালৰ শিপা ও আদা ৰসত পিপলি দি পাগি খাব।

চন্দ্ৰ লেঙ :

লক্ষণ : ৰৰকৈ কাঁহে, বুকুত সোপা দিব যেন খোজে, খেকাৰ গোজায়, গৰ্ভত সোপা থাকে তাকে চন্দ্ৰ লেঙ বোলে।

জুৰীয়া লেঙ :

লক্ষণ : খেহ্ খেহ্ কৰি কাহে, বছৰ হয় মাহ থাকে, সূতা যেন ঘেগাৰ ওলায়, আঁহীয়া গোজায়।

৫৯৩। চতীয়নাৰ ছাল, কঠগুয় ছাল, আদা ৰসত পাগি খাব।

৫৯৪। বনমালাৰ আগ, বাহকৰ আগ, লৰা তিতাৰ আগ, আচু কাঠৰ আগ, কদমৰ আগ, মাত্রা সিজুৰ আগ, নীলকণ্ঠৰ আগ, আদাৰ ৰসত পগি খাব।

টেকেলীয়া লেঙ ঃ অৰ্থাৎ দ'ঘা-ছোৱালীৰ জ্বৰ-হাগনি।

৫৯৫। সৰু উৰুখা বটি মাকৰ পিয়াহেৰে খাব ও ভৰণ দিব আৰু টুপুৰি লতা কঁকালত আঁৰি দিব

দুদ লেঙ ঃ আহাৰ বতিয়াই

৫৯৬। চাঁইনাৰ ছাল, তাৰে গন্ধা খুন্দি খাব।

শিশুৰ জ্বৰীয়া হাগনি ঃ হাগিলে উটি যায়।

৫৯৭। অমৰাৰ ছাল ও কহিমলাৰ ছালৰ ৰস খাব।

পানীয়া লেঙ ঃ

লক্ষণ ঃ ঠেহঠেহীয়া জ্বৰ, পানীলগা হেন হয়।

৫৯৮। লেটা গুটিৰ বাকলি, হাইঠাৰ বাকলি, কেটেলা পহুৰ ভোঁহ, জালুক পিপলিৰে পগাই খাব।

লক্ষণ ঃ গাত জ্বৰ, তাপ, কাঁহ, ঘেগাৰ, গোজায়, সপোন দেখে।

৫৯৯। তেজামৰ, বনজবা, তাতশালৰ সত্তাৰ, বাৰ বাখৰ, আদা, জালুক পিপলি, লোণ, চেনা বাখৰ, বটি বৰি কাৰি, কলৰ বাকলি, নাৰিকৰ বাকলিৰ খাৰত খাব।

ফুটনি জ্বৰ ঃ

লক্ষণ ঃ গাত জ্বৰ, কাহ, আথা বিছনীত ফুটে।

৬০০। বাম বাহকৰ আগ, আদা সমে টেপা কৰি খাব।

বতাহী লেঙ ঃ

৬০১। তামোলৰ খুদীয়া ডাবি, বিহাৰ আলু, পকা আঠীয়া কল, লাইত কণৰ ঠাৰি, কঠগুৰ শিপা বটি ৰস লৈ ফুটীয়া গাখীৰে খাব।

বায়ু লেঙ ঃ

লক্ষণ ঃ জ্বৰ তাপ কৰে ও ৰোগী উঠি লৰ মাৰে।

৬০২। চোৰাতৰ শিপা, জিম খৰিচাৰ ৰস, য'খাৰ, জালুক, পিপলি বটি পগাই খাব।

বলীয়া লেঙ ঃ

লক্ষণ ঃ জ্বৰ তাপ কৰে ও ৰোগী উঠি লৰ মাৰে।

৬০৩। ভাত কাকৰীয়ালৰ (কেৰেলা) মূল, গোৰখীয়া কঠালৰ মূল আনি

সিত্তাব। সিন্দুৰ বসৰ সৈতে বটি তপতাই খাব।

তৃতীয়া লেঙ :

লক্ষণ : জ্বৰ, তাপ কৰে, কাপৰ তুলি কান্ধে খুখুচাই থাকে, মানুহে মাতিলে মাতিব নোৱাৰে।

৬০৪। ছাগলী লাটিৰ ছাল, ওৰ (ৰক্তজবা) ফুলৰ মূল, টেঁপোৰৰ ছাল, বগা তুলসীৰ ৰসত খাব।

সৰ্ব লেঙ :

৬০৫। জবা টেঁওাৰ শিপা, বাহকৰ শিপা, সূৰ্যমুখীয়া জলকীয়াৰ শিপা, জলকীয়া ২১ টা, পিপলি ২১টা মিহি কৰি খাব।

সোপা লেঙ :

লক্ষণ : বুকুত সোপা ধৰে, উশাহ নাহে।

৬০৬। লতি পোৱালৰ মূল, সিজুৰ মজা, সৰুচই, আদা, জালুক, ২টা পিপলি বটি নাৰিকলৰ ও জাতিকলৰ খাৰৰ সৈতে খাব।

বলিয়া লেঙ :

লক্ষণ : হাত-ভৰি খাচ্‌খুচ কৰে, কাহে, জ্বৰ নথকে তাকে বলিয়া লেঙ বোলে।

৬০৭। চোৰাতৰ শিপা, ডালিমৰ শিপা, মাকৰি ঘিলা, জালুক, পিপলি একত্রে বটি পগাই খাব।

৬০৮। চাল্দোৰ শিপা, আম, আদা, জাতি আদা, ভাতকেৰেলাৰ মূল, মৰিচ সবাকো বটি পগাই খাব।

৬০৯। বন নহৰুৰ ৰস, আদাৰ ৰস পগাই খাব।

হাগনীয়া লেঙ :

লক্ষণ : অন্ন কৰি কাহে, হাগে, গাত ঘুহঘুহীয়া জ্বৰ।

টেকেলীয়া লেঙ :

৬১০। পোৰা উধানৰ মাটি, শিমলুৰ আগ, ৰৰ পুনি পুৰি খাৰ কৰি লব, অলপ খুন্দি ৰস ল'ব, লোণ জালুক দি খাব লাগ।

তপতীয়া লেঙ :

লক্ষণ : তৎক্ষণাত ধৰে, উশাহ নিৰুদ্ধ হয়, মুখত জ্বৰ পিয়ৰি ধৰে, সিয়ে তপতীয়া লেঙ।

৬১১। কেএগ্রা কঠালৰ গুটি, দুবৰিৰ ঠাৰি, দিগলতিৰ ছাল, লোণ, জালুক দি সবাকে বটি খাব, নাশ।

ঘোঙোক লেঙ :

লক্ষণ : বিষায়, কাঁহে ধৰে।

৬১২। লাইজাবৰীৰ শিপা, খালোনৰ খাৰ, লোণ, জালুক দি তপতাই খাব, নাশ।

কহুৰা লেঙ :

লক্ষণ : সদায় কুহুৰ কুহুৰ কাহি থাকে, সিয়ে কহুৰা লেঙ।

৬১৩। ভেদাই তিতাৰ শিপা, কেঁটাহি বেঙেনাৰ শিপা, ১৩টা জালুক, পিপলি দি খালে নাশ হ'ব।

চেঙেলীয়া লেঙ :

লক্ষণ : জ্বৰ-কাঁহ হয়, বুকু, পিঠি, চকুত আৰু মূৰত ধৰে - সিয়ে চেঙেলীয়া লেঙ।

৬১৪। টংলতিৰ শিপা, কৰ্থনা শিপা, দিগলতিৰ ছাল, ১৩টা জালুক, পিপলি দি খালে নাশ হয়।

৬১৫। আগিয়া চিতৰ সিপা ২ তোলা, টুটিয়া ২ মহা বটি পকা তেলৰে তপতাই ঘাত লগাই দিলে শুকাব।

লক্ষণ : তালুত বোবোৰা হয়, ডিঙিত বিষায়।

৬১৬। হাইঠাৰ বাকলি, কৰ্থনাৰ ছাল, লোণ, জালুক দি পগাই খাব।

পোৰা লেঙ :

জ্বৰ, কাঁহ হয়, পোৰণি উঠে।

৬১৭। অকাল বিহৰ শিপা, দুপতিয়া এৰাৰ পুলি, তামোলৰ শিপা, সৰা পাত, লোণ-জালুক দি কলাখাৰৰ লগত পগাই খালে নাশ।

সৰ্বাংগ লেঙ :

লক্ষণ : জ্বৰ কাহ হয়, পেট-বুকু বিষায়, গা গোট মাৰি ধৰে।

৬১৮। কোৰাভাতুৰিৰ আলু, চপাৰ ছাল, লোণ, জালুক দি পগাই খালে নাশ হয়।

৬১৯। পোজাৰ ছাল, তেতেলি গুটি, কন্দ্ৰাক্ষৰ গুটি, মাকৰি ঝিলাৰ সাৰৰ শিপা, তিতা ভেকুৰীৰ শিপা, হাৰ ঘুনুচাৰ লতা, ভীমবাজ, অগৰুৰ ছাল - লোণ, জালুক, পিপলি দি পগাই খালে নাশ।

লক্ষণ ঃ জ্বৰ, কাঁহ হয়, আউল বাউল কৰে।

৬২০। মুঠাৰ শিপা, কৰ্ণনাৰ ছাল ও শিপা, তগৰৰ ছাল, সোমলতা, নিমৰ শিপা, বগৰিৰ শিপা ও ছাল, চোৰাদৰ শিপা, ১৩ টা জালুক-পিপলি দি পগাই খালে নাশ।

হেকেতিয়া লেঙ ঃ

লক্ষণ ঃ জ্বৰ-কাঁহ হয়, হেকেতি ধৰে।

৬২১। হেকেতীয়া মাহ ৯টা, পতিয়া ঝাপৰি চোলা, বগৰিৰ শিপা, কোমোৰাৰ গুটি, ১৩ টা জালুক, পিপলি দি খালে নাশ।

লক্ষণ ঃ জ্বৰ-কাঁহ হয়, আউল বাউল কৰে।

৬২২। বগৰিৰ শিপা, ছাল, ভাঙৰ শিপা, কেটেলা পহৰ ভুক, ১৩ টা জালুক, পিপলি দি পগাই খালে নাশ।

থৰিয়া লেঙ ঃ

লক্ষণ ঃ জ্বৰ-কাঁহ হয়, গা বিষায়।

৬২৩। ঝাপ তগৰৰ ছাল, বনজবা, তেজমুইৰ শিপা, মাকৰি ঘিলা, লোণ-জালুক-পিপলি দি পগাই খালে নাশ।

খোচা লেঙ ঃ

লক্ষণ ঃ চুকত পিঠিয়ে সৰকে, লৰচৰ কৰিব নোৱাৰে।

৬২৪। চপাৰ ছাল, জালুক-পিপলি দি খুন্দি ৰস খাব, নাশ।

৬২৫। সোণ বৰুৱালৰ শিপা, চৰাদৰ শিপা, মৰাণ আদা, জালুক-পিপলি দি খাব, নাশ।

টোপনীয়া লেঙ ঃ

লক্ষণ ঃ উঠি উঠি শোৱে, কাপোৰ সাৱটি লয়।

৬২৬। ভাত কেৰেলাৰ আলু, তিতা ভেকুৰীৰ শিপা, ১৩টা জালুক-পিপলি দি খাব, নাশ।

ভুক লেঙ ঃ

লক্ষণ ঃ চুকে কোবে ফুটি যায়, জ্বৰ-কাহ হয়।

৬২৭। বকুলৰ ছাল, অলপ গন্ধক, কলাখাৰ, মাহ খাব, ১৩টা জালুক-পিপলি দি পগাই খাব, নাশ।

নিতুতি লেঙ ঃ

লক্ষণ ঃ গাত তং নাই, জ্বৰ-কাহ হয়।

৬২৮। বৰ শিমলুৰ ছাল, মৰিচ, ঘিলাৰ সাহ, ১৩টা জালুক-পিপলি দি পগাই খাব, নাশ।

চৰহি্ লেঙ :

লক্ষণ : দাঁতত চেপি ধৰে, জ্বৰ-কাঁহ হয়।

৬২৯। গান্ধ কচুৰ আলু, আদাৰ ৰসৰ লগত পগাই খাব, নাশ হ'ব।

তেজ সাৰ বা সাৰৰ দৰব :

জিকৰি বিন্দুসাৰ :

৬৩০। আদচটাক কেঁচা এৰাঁ গাখীৰেৰে আদচটাক ভুঁই কোমোৰাৰ ৰস খাব।

৬৩১। আমৈলতা থেঁতাল্লি আঢ়ে তোলা ৰস মৌৰে খাব।

৬৩২। আঢ়ে তোলা শতমূলৰ ৰস এৰাঁ গাখীৰ মিলাই ৬/৭দিন খাব।

৬৩৩। পলাশৰ ফুল এতোলা আৰু চেনি আদতোলা পানীৰে বটি খাব।

৬৩৪। সোণ বৰিয়ালৰ শিপা ছাল ৰস, গাখীৰ আৰু চেনি মিহলাই খাব।

৬৩৫। মহানিমৰ পাত আৰু জাইফল বটি গাখীৰেৰে খাব।

৬৩৬। মূতোতে শুক্র ওলালে শতমূলৰ ৰস, এৰাঁ গাখীৰ আদপোৱা, চেঁচা পানী আদপোৱা মিলাই খাব।

৬৩৭। মূত বন্ধ হ'লে কেৱেলাৰ গুটি, সৈন্ধৱ লোণ, আমলখি, শিলিখা, ভঁইৰা গুটি - ইসবৰ এমতা গুৰি তপত পানী দি খাব।

৬৩৮। কেঁৰা ভেদাইলী পাতৰ ৰস খাব।

৬৩৯। চালকুঁৱৰীৰ ৰস ১৫ টোপ, ৫ ৰতি সৈন্ধৱ লোণৰ সৈতে ৭ দিন খাব।

৬৪০। দুৰতি পৰিমাণ বংগভস্ম (কিনিবলৈ পায়, এতোলাত ।।০ অনাৰ বেছি নহয়) তুলসী ৰস বা মৌ দি খাব।

৬৪১। দুবৰি, কেহেঁৰু, লেটাগুটি, পুনি আৰু শেলুৱৈ (পানীত হোৱা চুলি যেন তৃণ) সকলোকে মিহলাই দুতোলালৈ আদসেৰ পানীত সিজাই আদপোৱা ৰস ৰাখি মৌৰ সৈতে খালে মূতৰ লগত বীৰ্য পৰা ৰোগ গুচে।

৬৪২। হেলচী শাকৰ ৰস দুতোলা আদপোৱা এৰাঁ গাখীৰেৰে খালে প্ৰস্ৰাৱৰ পোৰণি আৰু শুক্র মেহ গুচে।

৬৪৩। বন কপাহীৰ শিপা এতোলা থেঁতেলি নিশা এপোৱা পানীত পেলাই থব। পুৱা সেই পানীখিনি সেই পানীতে খচি চেকি লৈ পানীখিনি এপোৱা এৰাঁ গাখীৰ আৰু চেনি মিহলাই ৫/৭ দিন খালে বিন্দুসাৰ গুচে।

৬৪৪। আদৰতি পৰিমাণ লো, ভস্ম, আমলখি, শিলিখা, ভোমোৰা গুটিৰ ক্বাথ চেনিৰে ৪/৫ দিন খালে বিন্দুসাৰ গুচে।

৬৪৫। পিনৌ তিনি বেলিকৈ কেঁচা হালধিৰ ৰস আঢ়ৈ তোলাকৈ খালে মূত্ৰেতে পোৰণি গুচে।

৬৪৬। আমলখিৰ ৰস ২ তোলা, হালধি গুৰি ২ টা মাহৰ সমান আৰু মৌ দুই তোলা মিহলাই দুপৰীয়া আৰু গধূলি দুবাৰকৈ ২/১ দিন খালে এই ৰোগ গুচে।

৬৪৭। তিনি চাৰি বছৰীয়া পুৰৈ (পুঁই) গছৰ শিপা আদতোলা, পানী নিদিয়াকৈ বাটি দুভাগকৈ পুৱা আদখিনি আৰু দুপৰীয়া বাকী ভাগৰ আদখিনি দৈ গাখীৰেৰে খাব। সেই দিনাখন দৈ গাখীৰে ভাত খাই থাকিব। লোণ, আঞ্জা বা পানী সমূলি নাখাব। গধূলি বেলিকা বাকীখিনি দৰব দৈ গাখীৰেৰে খাব। এইদৰে ২/৩ দিন খালে এই ৰোগ গুচে।

৬৪৮ ডাব নাৰিকল এটা খুলি তাৰে ভিতৰত আদমাহ পৰিমাণ ফিট্‌কিৰি ভৰাই থৈ নাৰিকলটো এনিশা পানী থকা বোকাত পুতি থ'ব। পিছদিনাখন পুৱাতে বোকাৰ পৰা তুলি ফিট্‌কিৰি গুৰি মিহলোৱা সেই নাৰিকলৰ পানী খালে বহুদিনীয়া পুৰণি বিন্দুসাৰ নৰিয়া গুচে।

দূষিত যোনি তিৰোতাৰে সহবাস কৰিলে এবিধ বিন্দুসাৰ নৰিয়া হয়। ইয়াকে ইংৰাজীত "গণোৰিয়া" বোলে। সহবাস কৰিবৰ প্ৰায় সাত দিনৰ ভিতৰত এই নৰিয়া প্ৰকাশ পায়। প্ৰথমতে লিংগৰ আগখিনি কুৰকুৰায় লিংগ উঠিলে বা মূত্ৰিব ধৰিলে, মূতা হোৱাৰ পাছত বৰকৈ পোৰে আৰু ঘনে প্ৰতি লিংগ উঠে আৰু মূত্ৰিব লাগে। লাহে লাহে লিংগৰ নলীয়েদি তেজ-পুঁজ, এঠা বৈ থাকে আৰু খেকেৰু বাঢ়ি মূত্ৰৰ নলী মাৰ নিয়াই মূত ওলাব নোৱাৰা হয় বা মূত ফালি দুধাৰে ওলায়। গাত বোৰোৰা ওলায়।

৬৪৯। জিকৰি ঃ কেকোৰা ধানৰ চাউল, গধূলি পৰত পানীত তিয়াই থব। পুৱাতে এৰী গাখীৰৰ লগত মিলাই খাব।

৬৫০। তেজপিয়া জন্তুৰ আগ মাংস, ২১টা জালুক, ২১টা পিপলি সমে বাটি পদুম পাতত তপতাই খাব।

৬৫১। ছাগলীৰ গাখীৰ, আঠিয়া কল, ভাবলি কুঁহিয়াৰৰ ৰস, বন ঝৰাৰ শিপাৰ সমে খচি খাব।

৬৫২। পলাশৰ ছাল, জিকাৰ কাথ, গাখীৰত তিয়াই উলিয়াব। তুবুকী লতাৰ গছ ১পোৱা গাখীৰত মিলাই তিল ও মুগৰ গাজীৰ লগত মিলাই খাব।

তেজসাৰ ঃ

৬৫৩। যাহেকৰ পকা পাত চাউল সমে খুন্দি কাকুৰ দৰে গুৰি কৰি প্ৰতিদিনে ১ মহা কৰি খাব, ভাল হ'ব।

৬৫৪। চেঙা মাছ টেঙামৰা, জালুক দি বান্ধি খাব, ভাল হ'ব।

বিন্দুসাৰৰ দৰৱ ঃ

৬৫৫। পলাশৰ ফুল ১ তোলা, চেনি আধা তোলা, চেঁচা পানী ৫০ গ্ৰাম মানৰ

লগত ৰস খুৱাব লাগে।

শুক্ৰসাৰৰ দৰৱ ঃ

৬৫৬। শতমূলৰ ৰস, এঁৰা গাখীৰ আধা পোৱা, চেঁচা পানী আধা পোৱা ৰস উলিয়াই খাব। গাত ফোঁহা হ'লে ডিম্বৰু এটা ঘঁহিব লাগে।

বহুমূত্ৰ ঃ

৬৫৭। কেঁচা শিমলুৰ শিপা গুৰি কৰি মৌৰ সৈতে ১৫/২০ দিন খাব।

৬৫৮। ক'লা জামু গছৰ ছালৰ ৰস ১০ গ্ৰামকৈ নিয়মিয়াকৈ ১৫/২০ দিন খাব লাগে।

সাৰ বেমাৰ ঃ

৬৫৯। মিঠা আমৰ ৰস আৰু এক কাপ গাখীৰ মিহলি কৰি তাত মৌৰ স্তোল ৩ চামুচ দি পুৱা গধূলি খাব লাগে।

জল সাৰৰ দৰৱ ঃ

৬৬০। কেঁএৱা কঠালৰ সাহ আমগুটি বটি খালে ভাল হয়।

তেজসাৰ ঃ

৬৬১। ৰঙা এৰাৰ আগ, শিঙা পাতৰ গুটি, লোণ, জালুক, পিপলি বটি গৰৈ মাছেৰে ৰান্ধি খাব।

কুশুম সাৰ ঃ

৬৬২। মোহিনী ভাং ১ তোলা, বন সঠৰ শিপা, ৰঙা খুতৰাৰ শিপা একেলগে কৰি খাব।

৬৬৩। নৰ কশুমৰ শিপা, নাগেশ্বৰৰ ছাল, লুনি শাক, জালুক ২ টা, পিপলি ২টা মিলাই বটি খাব।

৬৬৪। দাৰ মুখ, অথম, দাব চুক, জাই ফল, জালুক ২১ টা, লং ২১ টা বনশঠৰ শিপা, বাৰ মছলা ১ তোলা, কাঠগুৰ দক্ষিণৰ ছাল, ল'বা তিতাৰ ছাল বৰি বনাই বগা চন্দনৰ ৰসত মাৰি খাব।

৬৬৫। নৰ কাশুমৰ শিপা, নাগেশ্বৰৰ ছাল, লুনি শাক, জালুক ২টা, পিপলি ২টা মিহলাই খাব।

বিন্দুসাৰ ঃ

৬৬৬। ঘৃত কুমাৰী বটি ক্ষীৰৰ সমে খাব।

৬৬৭। অৰ্জুন গছৰ গুটি, ৰবলিয়াৰ আগ, কুকুৰ সূতাৰ মূল, নাগেশ্বৰৰ কেশৰ বটি ছাগলী গাখীৰৰ সমে খাব।

৬৬৮। কাঞ্চনৰ মূল, জাইফল বটি গাখীৰৰ সমে খাব।

৬৬৯। বচৰ পাত বৰলিয়াৰ পাত, কলীয়া হালধি, পিপলি, ছাগলী গাখীৰৰ লগত মিলাই খাব।

৬৭০। আউনীয়া পাণৰ শিপা, একে বৰণীয়া গাইৰ ক্ষীৰৰ লগত অঞ্জলি সাৰ সবাকো বটি খাব।

৬৭১। নৰসিংহ, পুৰণি শিঙিখা বটি ছাগলী গাখীৰৰ লগত সমানে খাব।

৬৭২। অৰ্জুন শাক, পুৰণি খৰিছা, মাগুৰ মাছ জালুক ১।।, পিপলি ১।। লোণ দি ৰান্ধি খাব।

৬৭৩। বাহকৰ মূল, ঘৃত সমে খাব।

৬৭৪। হেলচী খাৰ খাব।

বিন্দুসাৰ ঃ

৬৭৫। দেউতৰাৰ মূলৰ ৰস নিয়ঁৰৰ পানী, এৰাঁ গাখীৰত খালে নাশ হ'ব।

উচ্চ ৰক্তচাপ ঃ

৬৭৬। সৰ্পগন্ধাৰ ৰস ১০ গ্ৰামকৈ দিনে ২ বাৰ খাব। বা ছালকুঁৱৰীৰ পাত খুন্দি মূৰত প্ৰলেপ দিলে ৰোগ আৰোগ্য হয়।

নিম্ন ৰক্তচাপ ঃ

৬৭৭। ভীম কলৰ কলডিল, পাৰ চৰাইৰ মাংসৰ লগত খাব লাগে।

হৃদৰোগ ঃ

৬৭৮। দিনে দুটাকৈ আপেল খাব লাগে।

মুদগাৰ

৬৭৯। নিতৌ পুৱাতে কবাবচনিৰ গুৰি (এবিধ নেপালী ধনীয়া) আদমহা, য'খাৰ আদমহা মিহলি কৰি তপত পানী জুৰাই সেই পানী খাব।

৬৮০। ৰাতি শুৱৰ সময়ত কবাবচিনিৰ গুৰি এক অনা, কৰ্পূৰ ২ ৰত্তি, আফিং আদ ৰত্তি সবাকো মিলাই খালে ভালকৈ প্ৰসাৱ হ'ব, সঘনে-লিংগ উন্দাম হোৱা আৰু স্বপ্নদোষ নিবাৰণ হৈ প্ৰসাৱৰ নলীৰ ঘা শুকাই তেজ-পুঁজ ব'ব এবিধ।

৬৮১। আমে লতাৰ ৰস খালে মূতোতে পোৰা গুচে।

৬৮২। কাঁইটীয়া খুতৰাৰ শিপাৰ ৰস ছাগলী গাখীৰেৰে খালে মূতোতে পোৰা আৰু প্ৰস্ৰাৱদ্বাৰে পুঁজ পৰা গুচে।

৬৮৩। হাতী খুতৰাৰ পাতৰ ৰস এৰাঁ গাখীৰেৰে খালে এই নৰিয়াৰ জ্বালা, যন্ত্ৰণা পোৰণি সকলো গুচে।

৬৮৪। কোকোৰা ধানৰ চাউল, গধূলি চৰুত দৈৰাই পানী দি থ'ব। পুৱাতে এৰাঁ

গাখীৰেৰে খাব।

৬৮৫। ত্রিফলাৰ কাথ আৰু মৌ অনুপানেৰে নাইবা কেঁচা হালধিৰ ৰস আৰু আমলখিৰ ৰসৰে সৈতে এৰতি পৰিমাণ স্বর্ণ সিন্দুৰ ৭ দিন খালে সকালো তৰহৰ বিন্দুসাৰ (গলোৰিয়া) গুচে।

লিংগ উখহিলে ঃ

৬৮৬। ত্রিফলাৰ কাথ বা গেন্ধাই ফুলৰ কাথ কৰি সেই কাথত লিংগ জুবুৰিয়াব।

বোবোৰা উঠিলে ঃ

৬৮৭। দুদলী লতা, সাওঁ লতা, তেলীয়া ধূনাৰ শিপা, খাস্তুৰৰ শিপা, শিলিখা, বাহকৰ ছাল, নিম ছাল, হালধি, আচু কাঠ আৰু গোক্ষুৰ কাঁইট ই সবৰ কাথ খালে বোবোৰা ফুটা গুচে।

৬৮৮। ডিম্বৰুৰ আঠা বা হাইঠা গুটি বটি ঘঁহিব।

পথ্যাপথ্য ঃ দিনত পুৰণি মিহি চাউলৰ ভাত নিশা ৰুটি খাব। মগু মচুৰ, বুটৰ দালি, সৰু মাছৰ ঝোল, কপেট, কুকুৰা, শহা, ছাগলী, পশুৰ মঙহৰ ৰস, বেঙেনা, লাও, কচু চাজনা, ঢেকীয়া, কলডিল, পুৰাকলৰ আঞ্জা খাব। গাখীৰ আৰু মিঠা নাখাব। কুঁহিয়াৰ, ডালিম, খেজুৰ, বাদাম, কিচ্‌মিচ্ খাব পাৰে। বেঙিকে মাছ, জলা শাক, টেঙা বস্তু, ক'লা মাহ, দৈ গাখীৰ, গুৰ, লাও নেখাব। মদ নেখাব, মৈথুন নকৰিব, দিনত নুশুব আৰু উজাগৰে নাথাকিব।

মূত্রকৃচ্ছ্র, মুদগৰ আৰু পোৰাজ্বিকৰি ঃ

৬৮৯। যি নৰিয়াত মূতোতে পোৰে, বৰ যাতনাৰ সৈতে টোপাটোপে মূত ওলায়, গাত খৰে ধৰে, মূত আহোতে ফাঁলি যায়, তলপেট খহি যায় যেন পায়, মূতৰ লগত তেজ আহে তাকে মূত্রাকৃচ্ছ্র আৰু পোৰাজ্বিকৰি বোলে। যি নৰিয়াত মূত বন্ধ হয় তাকে মুদগৰ বোলে। চোকা দৰৱ খালে, চোকা মদ খালে, অভোকত খালে হগা-মূতা উজুৰালে, বেগৱান বাহনত চৰিলে ইত্যাদি কৰিলে এই নৰিয়া হয়। ইয়াৰে অনেক বিধ নৰিয়া আছে।

মূতত গাঁঠি লগা বেমাৰ ঃ

৬৯০। বগা বন সৰ্তৰ দক্ষিণৰ মূল, বাদুলীয়ে খোৱা আঠীয়া কলৰ বাকলি পুৰি ছাই কৰি খাব সদায়। অজাচিতৰ দক্ষিণৰ শিপাৰ ৰস, জালুক ১।। টা পিপলি ১।। টা, লোণ তেল দি পগাই খাব। তাৰ পাছত ৫ খন তামোল খাব। তাৰ পাছত কবকবা ভাত আটিয়া কলৰ খাৰৰ লগত খাব।

৬৯১। কহু লতাৰ পাঁচোতা আগ, পানী তেঁকুৰিৰ শিপা, দুগ্ধত পগাই ৩ দিন পুতি থ'ব। তাৰ পাছত খাব।

৬৯২। হেংলটি খাবৰ আগ ১৩ টা, জালুক-পিপলিৰ লগত জোল কৰি খাব।

৬৯৩। শিলিখাৰ ছাল, ঔৰ ছাল, বন কপাহীৰ আলু, এপোৱা গাখীৰত খটি ১ তোলা চেনি আৰু ১ তোলা মিচিৰি মিহলাই খাব।

জইন মৰা ঔষধ ঃ

৬৯৪। ডালিমৰ শিপা কঢ়াইৰ পানীত খাব।

৬৯৫। (ক) বেতৰ গাঁজ, তৰাৰ গাঁজ বটি বসখিনি কেকোৰা গাতৰ পানীৰ লগত খাব।

গৰ্ভত মুদগাৰ ওলোৱা লক্ষণ ঃ পেট ওখহে, গাঁঠি ধৰে, শৌচ-প্ৰস্ৰাৱ কৰিব নোৱাৰে, ঘনে ঘনে প্ৰস্ৰাৱ হৈ তেজ যায়, পুৰুষৰ বক্তহাৰ হয়।

৬৯৬। ঔৰ বীজ এৰাঁ গাখীৰেৰে খালে নাশ হয়।

জল সাব ঃ

লক্ষণ ঃ সঘনে পানী চোৱে, গা পোৰে, পিয়াহ লাগে।

৬৯৭। ছালকুৱৰী কোমোৰা দি খালে এই ৰোগ নাশ হয়।

৬৯৮। আম গুটি, শিলিখা গুটি, আমলখি-জেতুকাৰ পাত, নুলিৰ পাত লোণ-জালুক-পিপলি দি খালে নাশ।

৬৯৯ কদমৰ ছাল, পাত গাখীৰেৰে খাব।

৭০০। কুমাৰণি বাহ পুৰি পানীত দি থ'ব, লোহা এডোখৰ পুৰি পানীত দি থ'ব। সেই পানী প্ৰতিদিনে খাব নাশ।

হাপতংকা ৰোগ ঃ

লক্ষণ ঃ গা ঘামে, দাঁত সৰে হেন কৰে, হাত-ভৰি থৰবৰ কৰে, হাত শিয়ামুৰীয়া ধৰে, পেট উখহে, জিবাতলে মাত নাহে।

৭০১। ডাউকৰ মঙহ, বন মলাৰ গুটি, সোণ-জালুক-পিপলি দি খাব, নাশ।

মুদগাৰৰ দৰৱ ঃ

৭০২। জম লাখুটিৰ আলু ৭ চকল, চেঙেলি মাছ ৭ টা, বাঁহৰ কুঁহি ৩ টা, জালুক ৭ টা সবাকে গোটাই চুঙাত সিজাই খাব।

প্ৰস্ৰাৱৰ লগত ধাতু যোৱা ঃ

৭০৩। বৰ গছৰ পাতৰ আঠা ১০ টোপাল, মিচিৰি আৰু কেইটামান টোক মাহ, এটা আয়না গিলাচত শুবৰ সময়ত তিয়াই ৰাখি পিছদিনা পুৱা শুই উঠিয়েই খালি পেটত ৭ (সাত) দিন খালেই এই ৰোগ একেবাৰে ভাল হয়।

মামৰি ৰোগ

লক্ষণ ঃ খৰ যেন দেখি, গোটেই গাতে হয়। গাৰ মাখি ছাল ছিগি যোৱা এবিধ ৰোগ।

৭০৪। পাণতীয়াৰ পাত, বেলৰ পাত, নহৰু এটা, উখুৰা চাউল হাতৰ তিনিপিঠিমান, মৰিচ ২১ টা সকলো ভাজি গুৰি কৰি পুৰা তিনি আঙুলিৰে ধৰি খালে মামৰি নাশ হয়।

৭০৫। সৰু মানিমুনি, বৰ মানিমুনি, বিহঢেকীয়া, অৰ্জুনৰ গুটি, জাই ফল সকলো এক কৰি লোণৰ লগত জোল কৰি খাব।

৭০৬। কৰংগাৰ ছাল, কমলা টেঙাৰ বাকলি, অপামাৰ্গৰ (বনসঠৰ) শিপা, মৰিচ ২, পিপলিৰ সৈতে বটি দিলে নাশ হয়।

৭০৭। জাবৰং কমলা টেঙাৰ বাকলি, অপামাৰ্গৰ (বনসঠৰ) মূল, কচৰু গছৰ ছাল, মৰিচ ২ টাৰে সৈতে বটি খালে মামৰি নাশ হয়।

লিংগপোৱা মামৰি ঃ (গৰ্মী ৰোগ)

লক্ষণ ঃ লিংগৰ আগৰ গাঁঠি ফিকি উঠে। কুহন-ৰ চৌ পাশে ঘা হৈ বাঢ়ি যায়।, পুঁজ-পানী বয়।

৭০৮। পুনি খ'ৰ, জালুক ৯ টা, পিপলি ৭ টা সমে ভাজি খাব।

৭০৯। কাণকুৰাকাৰ মাংস, সিৰিলি শাক, ২১ গোট মৰিচ, পিপলি, লোণ সমে পাগ কৰি খাব। (কাণকুৰিকা ঃ এবিধ পিঠি ক'লা-বগা শালিকাৰ নিচিনা চৰাই)।

৭১০। জাইফল, ডোমা চোৰাতৰ পাত, কমলা টেঙাৰ বাকলি, খৰ মজুৰাৰ বাকলি, আঁহতৰ মৰা ছাল গুৰি কৰি খাব।

লুৰা ঃ

লক্ষণ ঃ মুৰত শিৰ সঞ্চে, ঘা হয়, সৰিৱা প্ৰমাণে বাঢ়ে।

৭১১। কাকিৰলৰ (কেৰেলা) পাত, মেছান্দৰীৰ পাত, জালুক লতিৰ পাত, মাজঠি, হাঁহকণীৰ সৈতে বটি দিব।

৭১২। বাঘনলাৰ পাত, সোমলতাৰ পাত বটি দিব।

৭১৩। কেতুৰি বটি মুৰ খুৱায় দিব।

৭১৪। ভদ্ৰাক্ষৰ পাত, বগা শিমলুৰ পাত, মৈডা, টকনীৰ পাত, কুচিলতাৰ পাত, আমলতাৰ পাত বটি দিব।

চিকা মামৰি ঃ

লক্ষণ ঃ কাণৰ তলত হয়, তাৰ পৰা ওপৰলৈ বাঢ়ি যায়, চিকাৰ গাটো যেন দেখি, খজুৱাই, আঠা বয়।

৭১৫। চেঙেৰি লতাৰ আঠা, বন বগৰীৰ পকা গুটি, নাক দেওনাৰ পাত, লোণৰ সৈতে বটি ৰস দিব।

৭১৬। সিদ্ধি উৎপলৰ গুটি, মিছুকুৰি পাত (নুনি পাত) বাটি দিব।

ঘোঁৰা মামৰি ঃ

৭১৭। পুৰণি শোকোতা, হাইতাল, তৰ ভেতৰ শিপা, বাংগাল ফুলৰ শিপা, সকলোকে মঠি নেমু টেঙাৰ ৰসৰ লগত কোদালত এলেগে বাটি পিছদিনা ঘাত দিব।

৭১৮। য'খাৰ ২ তোলা, চৰলী ৫ তোলা, কুৰ বাখৰ ১ তোলা, আদা গুটি ২ তোলা সকলো এক কৰি খাব।

গর্ত্ত মামৰি ঃ

লক্ষণ ঃ মানুহৰ বোৰত (চকুত) হয়, গুপ্তাংগত হয়, গাঁত হৈ খাই যায় শিঘ্ৰ কৰে

৭১৯। কুমতিৰ মূৰ ২।। টা, চেঙেলী মাছৰ মূৰ ২।। টা, কুমাৰণী পোকৰ মূৰ ৩টা তুতিযাৰ লগত পুৰি ছাঁই কৰি চুন্সিৰ সৈতে দিব। গর্ত্ত মামৰি নাশ হ'ব।

৭২০। হাৰীযা বৰলৰ পুৰণি বাহ, সক জাতৰ কণা দুলাৰ মাংস, বাগৰু শিয়াৰ (এক্জাত শালিকা) মগুহ, সৈন্ধৱ লোণৰ লগত ভাজি গুৰি কৰি বান্ধি টিকিলিগাই দিব গর্ত্ত মামৰি নাশ হ'ব।

৭২১। জাইফল ১ তোলা চৰালী ১ তোলা, পানী লোণ ২ তোলা সকলো ভাজি গুৰি কৰি খালে গর্ত্ত মামৰি নাশ হয়।

কঠুৰা মামৰি ঃ

৭২২। মৰাণ আদা, শুকান শিলিখা বাটি দিলে নাশ হয়।

কুকুৰ মামৰি ঃ

৭২৩। মদাৰ কাঁইট, খৈৰাৰ কাঁইট, ভুটীয়া, মাছৰ মূৰ, কেঁকোৰাৰ ঠেং সকলো পুৰি ঘঁহিব।

৭২৪। মংগলবাৰে গজচিকা মাৰি, দৈ গাখীৰৰ কলহত পেলাই থ'ব। আমতীয়া কপাহ গুটিৰ লগত পুৰি ছাঁই ঘঁহিব।

পাল জ্বৰ

৭২৫। কোটাহি বেঙেনাৰ ছাল ও শিপা দুয়োকো বাটি ৫ খন তামোলৰ লগত খাব, সেপ গিলি দিব।

৭২৬। শেৱালী ফুলৰ ৰস দিনে ২০ গ্ৰামকৈ খাব লাগে।

৭২৭। কপৌ তেকিয়া, সোণৰবীয়ালৰ শিপা, শতমূলা, তিনিবৰণীয়া সূতাৰে ডিঙিত পিন্ধিব।

৭২৮। কুতাহি বেঙেনাৰ চাল ও শিপা পাঁচখন তামোলৰ লগত খাব। পালজ্বৰ ভাল হ'ব।

৭২৯। তুবুকী লতা এডাল শনিবাৰে একে উশাহে আনি ডিঙিত পিন্ধাই দিব, ভাল হ'ব।

নিত্য জ্বৰ ঃ

৭৩০। চোৰাতৰ শিপা এৰাঁ সূতাৰে বান্ধি কাণত আঁৰি ল'ব।

মেলেৰীয়া জ্বৰ ঃ

৭৩১। চিৰতা তিতাৰ পাত ৫০ গ্ৰাম বা এই গছৰ আলু পিহি তাৰ ২০ গ্ৰাম দিনে দুবাৰকৈ খাব লাগে।

৭৩২। পিঁয়াজ এডোখৰ ৮/১০ টা জলুকৰ সৈতে খালে ভাল হয়।

৭৩৩। পুৰা ৫ গ্ৰামকৈ তুলসীৰ ৰস খাব লাগে। বা চিন কোনা গছৰ বাকলিৰ ৰস ২৫ গ্ৰামকৈ খাব লাগে।

সন্নিপাত জ্বৰ ঃ

৭৩৪। ছালকুঁৱৰীৰ ৩/৪ খন পাত খুন্দি মূৰত কিছু সময় প্ৰলেপ দিব।

৭৩৫। নীলা চন্তিনাৰ শিপা খুন্দি নাকেৰে শুঙিব লাগে।

৭৩৬। সুমথিৰা টেঙাৰ ৰসৰ লগত (৫০ গ্ৰাম) অলপ গৰুৰ গাখীৰ মিহলি কৰি খুৱাব।

সূতিকা জ্বৰ ঃ

৭৩৭। ছালকুঁৱৰীৰ পাত খুন্দি তাৰ বিজলুৱা অংশৰে মূৰত প্ৰলেপ দিব আৰু নেমুৰ চৰবত খুৱাব।

জ্বৰ শিৰা ঃ

৭৩৮। নৰসিংহ, তুলসীৰ পাত, বচৰ পাত, বিহলঙনীৰ পাত, হাচুতী জ্বাৰবং, লাউজাবৰি, বড়, শাল পাত, মৰাণ আদা, হিলৈৰ বাখৰ বটি শিৰত ভৰণ দিব।

৭৩৯। নৰসিংহ, তুলসীৰ পাত, ভেদাই তিতাৰ পাত, বচৰ পাত, বিহ ঢেকীয়াৰ পাত, আউনী শাগৰ ঠাবি সকলোকে বটি ভৰণ দিব, তেহে ৰোগীৰ মাত ওলাব। তাতো যদি শিৰৰ বিষ নসবে ; কৰ্বাই গছৰ ছাল, পাত খুন্দি পুনৰ ল'ব। ব'তে বিষ কৰে তাতে দিলে ভাল হয়।

৭৪০। খোৱা দৰব ঃ গোধা লতাৰ আলুৰ ৰস, সজি সাপৰি, কল বাকলিৰে খাব সকলো মিলাই। সেই ৰসতে দি খাব লাগে। তেতিয়া মাত ওলাব।

জ্বৰ পিলাহি ঃ

৭৪১। বেজ কচু এপোৱা, কাতিমহীয়া পোৰা চোকা কলা খাৰত সিজাই একেলগ কৰি বগাৰি গুটিটোৰ সমানে সদায় পুৱা সুদা পেটত খাব লাগে। গৰ্ভত থকা জ্বৰ এৰিব।

(জ্বৰ নানা প্ৰকাৰৰ। অৱস্থাভেদে চিকিৎসাৰ প্ৰভেদ আছে। সাধাৰণ জ্বৰত থাকিব নোৱাৰা হ'লে অনেক বেমাৰে আগুৰি ধৰে, তেতিয়া উপযুক্ত ঔষধ ব্যৱহাৰ কৰিব। কলিজা হ'লে বা কলিজা বাঢ়িলে সেই দৰৱ ব্যৱহাৰ কৰিব।

ক'লা জ্বৰ ঃ

লক্ষণ ঃ তল পেটত খাপৰি যেন হয়, পেট পকায়, কিছু বিষায়, ভোক নালাগে।

৭৪২। সাও গুটি, কুমাৰণীৰ বাহু, ভবতুৰ শিপা, মৌ লতাৰ আগ ২১ টা, সট্ খাৰ, বন সঠ, ধোৰচ খাৰ, চেঙামোৰাৰ আলুৰ খাৰ, তৰাৰ খাৰ, ক'লা কচুৰ খাৰ, জাতি চৈৰ খাৰ, সমান জোখ কৰি সৰাব। চকত তৰাহি ওপৰত এটা চক জাপি দি উভয় জোৰাত মাটি লিপিব, গাঁত খান্দি পুতিব, ভক্ষৰা থৰিবে দুদিন জুই দি পিছত তুলি আনি ৰবিবাৰত খাব। কতিকা চেঙা কছোৱা, জ্বৰ খাপৰি, মৌ বিছনীয়া, শিলা খাপৰি আদি সমস্ত ব্যাধি নাশ হয়, জ্বৰ খণ্ডন হয়।

৭৪৩। হাঁহ ঠেঙীয়া শাক ভাজি খাব আৰু বটি নাভিমণ্ডলত ভৰণ দিলে ক'লা জ্বৰ গুচে।

৭৪৪। ক্ষুদ্ৰ ঢেকীয়াৰ শিপা, জালুক ৩ টা, পিপলি ৩টা, লোণৰ সৈতে পগাই খাব।

মোৰৰ দৰৱ

৭৪৫। বগা নহৰু বচৰ আলু খুন্দি খাব, মোৰ নাশ হ'ব। ধুন্দুলিৰ ছাল বটি খাব আৰু শ্বেত মদাৰৰ ছাল ভৰণ দিব।

৭৪৬। মৰাণ আদা, জালুক, শিলিখা ৩ টা, নেমুটেঙা ১ ফুটা, য'খাৰ সবাকে মিহি কৰি বটি ২ তোলা পানী দি গৰম কৰি চাকি খুৱাব।

৭৪৭। নীলকণ্ঠৰ শিপা, দুবৰি সবাকে বটি গৰু গাখীৰ আধা সেৰ সহ খাব লাগে।

৭৪৮। ভাতঘিলাৰ ছাল, চিকা মৰলিয়াৰ ছাল তাতে নিমখ জালুক দি ৰস উলিয়াই গৰম কৰি খাব।

জেঠী মোৰ ঃ

৭৪৯। মচন্দৰীৰ শিপা, কোৱামণিৰ শিপা, কপাত ফুটাৰ আগ, সৰু মানিমুনি সবাকে বটি খুৱাব, ভাল হ'ব।

শিৰাৰ বেমাৰ

৭৫০। যোকুচুৰৈ মূল, মৰাণ আদা, গাঁথিয়ন বটি লিপি দিব, শিৰা ভাল হ'ব।

৭৫১। চেঙা মোৰ বা চেঙামৰাৰ আলু, কলাহি বাময় চুৰা গুৰৰ সৈতে বটি লিপি দিব, ভাল হ'ব।

খহনীয়া শিৰা :

লক্ষণ : ঘাৰ মুখত উখহি ডিম্বাকাৰ হয়, পকি খহি দুৰ্গন্ধ হয়।

৭৫২। আগিয়া চিতাৰ শিপা দুতোলা, ছুতিয়া ২ মহা বটি পকা তেলেৰে সৈতে তপতাই ঘাত লগাই দিলে ঘা শুকাব।

লক্ষণ : তালুত বোবোৰা হয়। ডিঙি বিষায়।

৭৫৩। হাইঠাৰ বাকলি, কৰ্থনাৰ ছাল, লোণ-জালুক দি পগাই খাব।

অংগশিৰাৰ ঔষধ :

৭৫৪। তেমৈৰ ছাল, কেকেকি কঠালৰ ডিল, বগা নহক, চুকা ধপাত নেফাফুৰ ছাল সবাকে একত্ৰ কৰি বটি লেপি দিব।

মুণ্ডক ঔষধ :

৭৫৫। পিপলিৰ ঠাৰি, পুথি মাছ গেলাই পানী ল'ব, দুয়োকো মিলাই খাব নাশ।

মামৰি ঔষধ :

৭৫৬। লতা মাহুদিৰ ছাল, লাইজাবৰি দুইকো শুকুৱাই গুৰি কৰি আহু চাউলৰ কৰাইগুৰি, লোণ-জালুক-পিপলি দি খাব।

টেকেলীয়া শিৰাৰ ঔষধ :

৭৫৭। চৰাদৰ শিপা, বন নহক, জাতি নহক, মৰাণ আদা, একে বৰণীয়া গৰুৰ গাখীৰ, লোণ-জালুক-পিপলি দি পগাই খাব, নাশ।

মেছ খহু :

৭৫৮। বাজী ঔৰ আগ ৫ টা, লতা মাহুদিৰ আগ ৫ টা, মধুৰি আমৰ ছাল, আগ ৫ টা, বচ এডখৰ, বৰাহ এৰ্ডখৰ, লোণ-জালুক-পিপলি দি পগাই খাব, নাশ।

মতা মানুহৰ শিৰা :

৭৫৯। মাটি পাৰিজাতৰ শিপা, সুমথিৰা টেঙাৰ বাকলি দুয়োকো তাবিজত বান্ধি কঁকালত বান্ধি ল'ব।

কণী শিৰাৰ দৰৱ :

৭৬০। ক'লা মানচাদা পানীত তিয়াই মেৰিয়াই বান্ধিব, ভাল হ'ব।

মাইকী মানুহৰ শিৰা

৭৬১। আৰৈ চাউল কুলা এখনত চুৰাত জাৰি চোবাই পেলাব আৰু আচলৰ আগত বান্ধি থ'ব।

সাৰ বেমাৰ ঃ প্ৰস্ৰাৱত জ্বলন জ্বলে।

৭৬২। বৰ সোণবৰলীয়াৰ শিপা, আমলবিৰটোপ এমুঠি কেঞ্জা বনৰ গুটি, গাখীৰ, মিচিৰি বাটি ৰস উলিয়াই খাব। ৩ পালি খাব।

এন্দুৰীয়া ঃ

৭৬৩। সাগৰৰ ফেন, নহৰু ৯ কোহা, গোম সাপৰ মূৰ, শ্ৰৱণা নক্ষত্ৰত বিৰিত ভৰাই ল'ব।

৭৬৪। কণী বিহ, ফুটুকাৰ আগ, দীঘলতীৰ আগ বাটি লিপি দিব।

৭৬৫। বৰথেকেৰা পুৰি নাৰিকল তেলৰ লগত সানি দিলে এন্দুৰীয়া ভাল হয়।

৭৬৬। বোবাৰল বিহৰ শিপা, চুবাতৰ শিপা, তেজমুইৰ শিপা, কাঞ্চনৰ শিপা, লোণ জালুক, পিপলি, মৰাণ আদা সমে লগাব।

৭৬৭। তামাখুৰ পাত, হিং, তুতিয়া, গন্ধক, দেও তৰাৰ মূল, তিনিটা মদাৰৰ কুঁহি আগ, সৰু পাণ, চুণ, বিয়নী সাবটাৰ পাত ও গুটি, কুঁহি মাছৰে দেওবাৰে বান্ধি খাব

৭৬৮। ৰঙা শিঙৰাৰ বুকু, পাণৰ শিপা বাটি দিব। ওপৰত আকণৰ আঠা লিপি দিব।

৭৬৯। ডালিমৰ গুটি, জালুক, জলকীয়া বাটি দিব।

৭৭০। মংগলবাৰে এন্দুৰ মাৰি দহ দিনমান গোলত থৈ ঘৃত এক তোলা দি ঘঁহি দিব।

গ্ৰহণী ৰোগ ঃ

৭৭১। পুৰণি বেলৰ সাহৰ লগত দৈ মিহলি কৰি খাব লাগে।

৭৭২। কেঁচা পিঁয়াজ খুউৰ মিহিকৈ পিহি ছাগলী গাখীৰৰ দৈৰ লগত খুৱাব। বা বৰ মানিমুনিৰ পাতৰ ৰস ২০ গ্ৰামত অলপ নিমখ মিহলাই খাব লাগে।

৭৭৩। ভোগজৰা বাটি চেনিৰে খাব, নাশ।

৭৭৪। শুকান ঢেকীয়া, কেঁচা ঢেকীয়া, শোকোতা, মাটিমাহ, এৰী গাখীৰ, জালুক ১৩ টা, পিপলি ১৩ টা, সবাকে চুঙাত সিজাই ৰাতিপুৱা খাব।

৭৭৫। চেঙা মাছ ১ টা, উবৈ আমৰ আগ ৭টা, নেমুটেঙাৰ আগ ৭ টা, টেপৰ টেঙা ৭ চকল, জালুক ১৯ টা, অলপ নিমখ দি সিজাই ৰস খাব।

তেজ গ্ৰহণী ঃ

৭৭৬। ঔফুল, কেঁচা আঠিয়া কলৰ আঁহ, বৰ জামুৰ ছাল, জালুক, পিপলি সকলো বাটি গৰম কৰি ৰস খাব।

দৰৱ খোৱাৰ ৪ ঘণ্টাৰ পাছত গৰু গাখীৰ ১পোৱা খাব।

৭৭৭। পুৰণি গুৰৰ লগত পুৰণি ঠেকেৰাৰ সৈতে বটি খালে তেজ গ্ৰহণী ভাল হ'ব।

সঞ্চিত গ্ৰহণী ঃ

৭৭৮। মিঠা আমৰ ছাল, অৰ্জুনৰ ছাল, ভেদাই লতাৰ শিপা সবাকে বটি চুণপানীৰে সৈতে এসপ্তাহ খাব।

পেট চলা ঃ

৭৭৯। আধা কাপ গৰম পানীত এচামুচ আদাৰ ৰস দি খাব।

হাগনি ধৰা ঔষধ ঃ

৭৮০। হাতী ভেকুৰীৰ শিপা ৫টা, নেফাফুৰ শিপা ৫টা, টংলতিৰ শিপা ৫টা, নেমু টেঙাৰ শিপা ৫টা, ভীম কলৰ শিপা ৫টা, ১৩টা জালুক-পিপলি দি পগাই খাব।

পেট কামোৰণিৰ ঔষধ ঃ (বুকে-পিঠিয়ে সৰকি যোৱা যেন কৰে)

৭৮১। ছালকুঁৱৰীৰ পাত, খলিহনা মাছৰ পিত, বেলি পকাৰ শিপা, আলু, জাতি আদা, আগিয়াচিতৰ মূল, বিয়নি হাপোতাৰ শিপা, চেঙেলি মাছৰ মূৰ সবাকো একত্ৰ কৰি লোণ-জালুক দি পগাই খাব।

৭৮২। ম'হৰ শিং এডোখৰ পুৰি ছাই কৰি ল'ব, মাকী মানুহৰ ছিগা চুলি পুৰি ছাই কৰি ল'ব, নৰসিংহ, তৰুৱা কদমৰ ছাল, বচ, বৰাহ, বগা নহৰু, হিং, কফুৰ সবাকো একত্ৰ কৰি বটিব আৰু অলপ খুৱাই ঘঁহি দিব।

তাবিজৰ ঔষধ ঃ

৭৮৪। পানী পৰুৱা, কুচিয়াৰ মূৰ, বাঢ়নি কাঠি, মকিয়া উধান, গোটা চাল, ধঁতৰৰ বতিয়া তাবিজত ভৰাই দিব। সকলো মায়া নাশ।

চুলিৰ ঔষধ

আকালতে চুলি পকা ঃ

৭৮৫। কৰবী গছৰ শিপাৰ ছাল খুন্দি গাখীৰত জুবুৰিয়াই মূৰত প্ৰলেপ দিব লাগে।

৭৮৬। মহানিমৰ গুটি ১০টা গুৰি কৰি ল'ব লাগে। মহাভৃংগৰাজৰ ৰস ৫০গ্ৰাম মিশ্ৰণ কৰি এটা পাত্ৰত লৈ ৰ'দত ৭ দিন শুকুৱাই তাত গুৰি কৰা নিমৰ গুটি ভালদৰে মিহলাই মূৰত ২০ মিনিট সময় সানিলে চুলি নপকে।

৭৮৭। চুলি আকালতে পকিলে কেশুৰৰ পাতৰ ৰস মূৰত ঘঁহিলে ভাল ফল পোৱা যায়।

চুলি সৰা ঃ

৭৮৮। আমলখি ৩/৪টা থেতেলিয়াই এৰাতি মূৰত বান্ধি থ'ব লাগে।

টপা হ'লে ঃ

৭৮৯। শেৱালী ফুলৰ গুটি ১০/১২টামান ভালদৰে খুন্দি মূৰত প্ৰলেপ দিব লাগে।

চুলি সৰা ও পকা ঃ

৭৯০। এটা মাটিৰ টেকেলিত আমলখি আধা কিলোগ্ৰাম মান খুন্দি পানীত ডুবাই ৰাখিব লাগে এক সপ্তাহমান। তাৰ পাছত, সেই পানী সদায় গুৱৰ সময়ত মূৰত ল'লে চুলি সৰা বন্ধ হোৱা লগতে পকাও বন্ধ হয়।

বাত বিষৰ ঔষধ

৭৯১। পানী কাঁহিট, বকুলৰ পাত, তেজমূইৰ পাত, কণী বিহৰ পাত বান্ধি দিব।

৭৯৩। ভেদাই লতাৰ তৰকাৰী খাব লাগে।

৭৯৪। গান্ধ কচু, জাতি চৈলাদ তৰু, হাৰ ঘুমুচা, গোমৰাজ, নহৰু, পিপলি, মাহদীৰ পাত, চোৰাতৰ শিপা সবাকে উলিয়াই পগাই ১ সপ্তাহ খাব।

৭৯৫। গাথীৰ গছৰ শিপা কিছু পৰিমাণৰ উঠাই আনি পানীৰে ধুই অলপ পানী দি খুউব ভালকৈ পিচি লব। তাৰ পাছত ২০০ মিঃলিঃ মান পানী এটা বটলত লৈ পিচাখিনি ভৰাই ভালকৈ বটলটো জোকাৰি সেইখিনি মিলাই ল'ব। ১/২ ঘণ্টামান ৰখাৰ পাছত গেদখিনি জমিলে এখন পাতল কাপোৰেৰে ভালকৈ চেকি লৈ বেলেগ এটা বটলত ভৰাই ৰাখিব। বিষ হোৱা ঠাইত ভালকৈ ঘঁহি দিব।

ঝিনঝিনিয়া বাত ঃ

লক্ষণ ঃ ভৰিৰপৰা শিৰ টনটনাই, কঁকালৰপৰা শিৰা টনটনায়।

৭৯৬। চোৰাতৰ শিপা, মৰাপ আদা ১ তোলা, জাতৰ গুৰি ১ তোলা, জালুক ১ তোলা, পিপলি ১ তোলা সকলোকে মিহলাই গুৰি কৰি আদা মহা পৰিমাণে ৰাতিপুৱাতে খাব।

লক্ষণ ঃ ভৰিৰ আঙুলি সিৰসিৰাই, কঁকালৰপৰা শিৰ টানে, গোটেই গা জিন্‌জিনায়।

৭৯৭। চোৰাতৰ শিপা, জালুক, পিপলি, সূৰ্য, কালজিৰা, ভোগজিৰা, ৰানি, ধনীয়া সকলো গুৰি কৰি তিনিদিন পুৱা খাব।

এৰী বাত ঃ

৭৯৮। চন্দ্ৰ, সূৰ্য, কদমৰ ছাল, দুপতীয়া এৰাৰ পাত, ওকণী কাঠৰ পাত বাটি তপত

কৰি দিব।

৭৯৯। দুপতীয়া এৰাৰ শিপা, মৰাণ আদা, বৰুণৰ ছাল, গুণৰাজ বটি তপতাই দিব। তপতে তপতে বান্ধি থ'ব।

লক্ষণ ঃ গাঁঠিয়ে গাঁঠিয়ে বিষায়, কঁকাল বিষায়।

৮০০। মদাৰৰ দক্ষিণৰ শিপাৰ ৰস এৰা গাখীৰৰ লগত মিলাই খাব।

৮০১। বাতৰাজ, গুণৰাজ, গোবৰ ইঁই, বৰুণৰ ছাল, তেজামৈ, চোৰাতৰ শিপা, লাইতৰু, তাৰ ঘুনুচা, জালুক, পিপলি, মৰাণ আদা সকলো গুৰি কৰি কড়াই গুৰিত মিহলাই খব। সকলো বাত গুচে।

তেজ বাত ঃ

লক্ষণ ঃ কঁকাল বিষায়, হাত, ভৰি, পিঠি উখহে।

৮০২। কেঁচুমটা কাপোৰৰ টোপোলা বান্ধি তপত তেলত জুবুৰিয়াই সেকিব। ঘিঁউৰ লগত আকণৰ মূল পিহি দিব।

সৰ্বাংগ বাত ঃ

৮০৩। মানিমুনি ঘিঁউৰ লগত খালে সৰ্বাংগ বাত নাশ হয়।

৮০৪। তিলৰ তেল গাখীৰ মিহলাই পান কৰিলে ৰক্ত বাত নাশ হয়।

হনুমন্ত বাত ঃ

লক্ষণ ঃ কিছু গা বিষায়, হাত-ভৰি নচলে।

৮০৫। বোন্দা কেঁচুৰ পানী তপতাই ভৰণ দিব।

৮০৬। নাক দেওনাৰ শিপা, কলীয়া হালধি, আমলখি তিনিওকে তপত পানীত পেলাই ভৰণ দিব।

শক্তিমালা ঃ

লক্ষণ ঃ হিয়াত সোপা দি পিঠিত ফুটি যায়।

৮০৭। বৰুণৰ ছাল ১ তোলা, পিপলি ১ তোলা ঘিঁউত পগাই খাব।

সন্নিপাত জ্বৰ ঃ

৮০৮। চান্দোনত মূল, মাঠকঠাকাৰ মূল, জালুক, পিপলিৰ সৈতে বটি বৰি কৰি খাব।

বিষ ব্যাধি ঃ

৮০৯। কেশৰাজ, মেঘনাদ, মৰিচ ২১ টা বটি খাব ও ঘঁহিব।

৮১০। শাখিনী সৰ্প মংগলবাৰে মাৰি তাৰ হাড় বাহুত গাঁঠি দিব, সকলো বিষ নাশ হ'ব।

৮১১। মহুৰ বটি এৰা গাখীৰৰ লগত ১ মাহ খাব।

কঁকালৰ বিষ ঃ

৮১২। কেঁচা আলুগুটি ২টা পিহি কঁকালত ১৫ মিনিট মান লগাই থ'ব লাগে।

খুন্দা আদি খাই আঘাত পাই হোৱা বিষৰ ঔষধ ঃ

৮১৩। উপকৰণ ঃ গেণ্ডা ফুলৰ পাতৰ আগ (ভোমজ) ৩টা, বচুন এটা, মিঠাতেল ২০মিঃ লিঃ মান।

নিয়ম ঃ ফুলৰ পাতৰ আগ কেইটা আৰু বচুনটো গোটেইকেইটা একেলগে পিচি মিঠাতেলত গৰম কৰি ল'ব। অলপ ঠাণ্ডা হ'বলৈ দি বিষ হোৱা ঠাইত লাহে লাহে মালিচ কৰিব।

কটা ঘা ঃ

৮১৪। কদমৰ ছাল লৱণৰ সৈতে লগাই দিব।

পোৱা ঘা ঃ

৮১৫। তিতা পুৰৈ, গু, গেবেলাৰ গু দিব।

কাণৰ বেমাৰ

কাণত ঘা হৈ পোক হ'লে ঃ

৮১৬। পদিনাৰ ৰস কাণত দিব লাগে। বা বিশুদ্ধ সৰিয়হৰ তেল কাণত দিব লাগে।

৮১৭। ভেৰাৰ মূত আৰু লৱণ মিশ্রণ কৰি কাণত দিলে পোক মৰে।

শিশুৰ কাণ পকা ঃ

৮১৮। তুলসীৰ পাতৰ ৰস মহানিমৰ পাতৰ ৰসত মৌজোল মিহলি কৰি কাণত টোপ টোপ কৰি দিব লাগে।

কাণ কলা হ'লে ঃ

৮১৯। গোল নেমুৰ ৰস ১০০গ্ৰামত অলপ চেনি দি খাব দিনে ৫ বাৰকৈ কিছুদিন।

কাণত পোক সোমাই বিষ হ'লে ঃ

৮২০। সৰিয়হ তেল গৰম কৰি কাণত দিব লাগে।

কাণত কেৰেলুৱা সোমালে ঃ

৮২১। খিটত ধুতুৰা গুটি, তিয়হ পাতৰ ৰস সকলো বাটি ৰস উলিয়াই কাণত বাটি ৩ টোপালমান দিব লাগে।

শিশুৰ নাৰী পকিলে ঃ

৮২২। বগা চন্দন খুন্দি নাৰীত প্ৰলেপ দিব লাগে।

কাণ পকা ঃ

৮২৩। শামুকৰ পেটু কেঁচা তেলেৰে ভাজি সেই তেল কাণত দিব লাগে।

কণামাকনি হ'লে ঃ

৮২৪। কাউৰীঠেঙীয়াৰ ছাল, বৰুণৰ ছাল বটি দিব।

৮২৫। ভূঁয়ৰাৰ পাত বটি দিব।

৮২৬। চতিয়া লতাৰ ৰস ঘিলা সমে বটি খাব।

৮২৭। শিমলুৰ শিপাৰ ৰস, ছাগলী গাখীৰৰ লগত সমান খাব।

কাঁহ ৰোগ

৮২৮ হালধি, বচ, কুড়, পিপলি, জীৰা, যনী, যষ্টীমধু আৰু সৈন্ধব লোণ প্ৰত্যেকৰ এমাহ লৈ গুড়ি কৰিব আৰু মৌৰে চেলেকি খাব, কফ ভাল পাব।

৮২৯। জালুক আঢ়ৈটা, লং আঢ়ৈটা, পিপলি আঢ়ৈটা, আকণৰ আঠাত বটি বৰি কৰি পচতীয়াৰ পাত পাতত দিয়া ৰসৰ সৈতে খালে কাঁহ, কফ আৰু গলৰ সুৰ সুৰনি গুচে।

৮৩০। আকণৰ পকা পাত এটা, জালুক, হাইঠা বাকলি, লোণ সবাকো সমজোখে লৈ বটি জালুক এটা পৰিমাণে বৰি কৰিব। পুৱা-গধূলি একোটাকৈ- ৭/১০দিন এই বৰি খালে কাঁহ, কফ, হিঁহিনী, উদফাই আৰু পলাই গুচিব।

৮৩১। জালুক ২তোলা, পিপলি এতোলা, ডালিমৰ গুটি ৮তোলা, যখাৰ এতোলা, পুৰণি গুড় ১৬ তোলা, সবাকো বটি নিয়মকৈ খালে দুঃসাধ্য কাহ আৰু কাহত পুঁজ ওলোৱা গুচে।

৫ লং, জাইফল, পিপলি প্ৰত্যেকৰ এতোলা, জালুক দুতোলা, আদা গুড়ি দুতোলা, চেনি ৮তোলা সবাকো মিলাই বটি খালে কাঁহ, জ্বৰ, অৰুচি, জিকৰি, হাগনি আৰু গ্ৰহণী গুচে।

৮৩২। বাহকৰ ছাল এপোৱা, দুসেৰ পানীত সিজাই আদ সেৰ ক্বাথ ৰাখি আদ পোৱা চেনি আৰু ঘিউ ৫ তোলা ভালকৈ পগাব, জুৰালে তাতে ১০ তোলা মৌ সানিব - এই দৰৰত কাঁহ, খেহৰোগ, ফুটনি জ্বৰ, তেজ বৰ্তিওৱা আদি ৰোগ গুচে।

৮৩৪। ছাগলীৰ ঘিঁউ এপোৱা, ছাগলীলাদৰ ৰস এপোৱা, ছাগলী মূত এপোৱা, ছাগলী গাখীৰ এপোৱা, সবাকো একেলগে পগাই তাতে এপোৱা যখাৰৰ গুড়ি দিব। এতোলা পৰিমাণে এই ঘিউ খালে কাঁহ, খেহ ৰোগ ফুটনি গুচে।

৮৩৫। আঠিয়া কলৰ মূৰাৰ খাৰ আৰু শুকান কচুৰ ঠাৰিৰ খাৰ মিহলাই পগায়

গোটা কৰিব তাৰে অকণ অকণ খালেই কাঁহ আৰাম পাব।

কাঁহৰ দোষত বুকুৰ বেদনা হলে :

৮৩৬। কুড়চূৰ্ণ মৌৰে মাৰি খাব।

৮৩৭। তাৰ্পিণ তেল বা পচতীয়াৰ পাতেৰে সেকিব।

৮৩৮। আদা আৰু আটিৰ চাল বটি লেপ দিব।

৮৩৯। কাউৰঠেঙীয়াৰ পাত, আদা আৰু জালুকে সৈতে বটি পাতত দি লেপ দিব।

মূত বন্ধ হোৱা ৰোগত

৮৪০। ইসব মূল বাহি পানীৰে খাব।

৮৪১। কোমোৰাৰ পানী যঁখাৰ আৰু চেনি খাব।

৮৪২। গোধা বা শগুণীলতাৰ মূল তেল, ঘিউ আৰু দৈ গাথীৰেৰে খালে পেচাব মুকলি হয়।

৮৪৩। কেৰেলা গুটি (কাক্‌বাল) সৈন্ধৱ লোণ, আমলখি, শিলিখা আৰু ভইৰা গুটি, ইসবৰ গুড়ি তপত পানীৰে খাব।

৮৪৪। অশোকৰ গুটিৰ গুড়ি পানীয়েদি বা শংকৰ জটাৰ শিপা দৈ গাথীৰেৰে খালে মূত নোলোৱা আৰু পাথৰি গুচে।

৮৪৫। খুতুৰা শাক ঘিউৰে ভাজি খাব।

৮৪৬। কেহেৰু এটা গছ পাত্ শিপা সৈতে তুলি এমুঠি আৰে চাউলৰ সৈতে আদপোৱা পানীত মোহাৰি সবাকো খালে বেগেতে পেচাব হ'ব, নবিয়া গুচিব।

৮৪৭। এতোলা ছাগলীৰ মূতেৰে এক অনা ভৰ ফিটকিৰি বটি খালে সুগমে পেচাব চলে।

৮৪৮। কহলতাৰ আগ ৫টা, পানী ভেকুৰীৰ শিপা দুধত পাগি ৩ দিন পুতি থৈ খাব।

নোখোৱা দৰৱ :

৮৪৯। ত্ৰিফলাৰ অলপ কাৰত লিঙ ডুবাই থলে বেদনাৰ উপশম আৰু ব্যাধিৰ বল কমে।

৮৫০। সৰ পাৰা ব্যাধিৰ তপত পানীত কঁকাললৈকে ডুবাই কিছুপৰ বহি থাকিলে মূত্ৰকৃচ্ছ্ৰ ৰোগ গুটি সুন্দৰ মতে পেচাব চলে।

৮৫১। কোৱা ভেদালীৰ শিপা বটি নাইত ভৰণ দিব।

৮৫২। লিঙত তাৰে কৰ্পূৰ সোমাই দিব।

৮৫৩। পুৰৈৰ পাত (পুইৰ) বটি পুৰুষ অংগত বা যোনিত লেপ দিলে মূত চলে।

পথ্যাপথ্য ঃ দিনত পুৰণি চাউলৰ ভাত, সৰু মাছ, ছাগলী বা চৰাই মঙহৰ ৰস, বেঙেনা, পটোল, কচু, ঢেঁকীয়া, কলাডিল ইত্যাদিৰ আঞ্জা খাব। ৰাতি লুচি, ৰুটি, গাখীৰ আৰু অলপ মিঠা বস্তু খাব। তিতা শাক হেলচি খাব। মাখন, মিছ্‌ৰী, খৰমুজা আৰু মিঠা পকাফল খাব। পুৱাতে এৰাঁ কেঁচা গাখীৰ পানী মিলাই বা মিছ্‌ৰীৰ পানী খোৱা উপকাৰ।

শালমন, ব্ৰণ

মুখত হোৱা এবিধ বিষাল খহুক শালমন বোলে। ই বৰ ডাঙৰ ব্যাধি ইয়াক কেতিয়াও ভাঙি দিব নালাগে। প্ৰথমে বহুবাৰ যত্ন কৰিব লাগে নহ'লে পকনি দৰৱ দি পকুৱাই চকু বাহিৰ কৰি দিব লাগে। চকু বাহিৰ হ'লে শুকনি দৰৱ নিদিলেও ই আপোনা আপুনি শুকাই যায়। নাক, মুখ আৰু ওঁঠত এই ব্যাধি হোৱাত কেঁচাতে ভাঙি দি বহু মানুহ মৰিছে। এতেকে ই আহিলে সাৱধান হ'ব লাগে।

দৰৱ ঃ

৮৫৪। চমাহৰ আঠা ৪/৫বেলি লগালে উঠিব ধৰা শালমন তল পৰে।

৮৫৫। গোৰচনা আৰু জালুক বটি লগালে তথা।

৮৫৬। পকা অমিতা মুখত ঘঁহিলে শালমন তল পৰে আৰু নোলায়।

৮৫৭। ভাং খোৱা চিলিমৰ আঠা লেপ দিলে শালমন বহে বিষ কম পৰে।

৮৫৮। জাইফল বটি লগালে শালমন গুচে।

৮৫৯। মৌ আৰু মজাঠি বটি লগালে তথা।

৮৬০। শহাৰ তেজ ঘঁহিলে শালমন গুচে।

৮৬১। মচুৰ ডালি ঘিঁউত ভাজি এৰাঁ গাখীৰেৰে বটি মুখত ঘঁহিলে শালমন আদি মুখত হোৱা ব্ৰণ গুচে।

৮৬২। বচ, ধনীয়া, ভইৰাগুটি বটি দিলে ডেকাকালত মুখত ওলোৱা শালমন গুচে।

৮৬৩। জলকীয়া আৰু গোৰচনা একেলগে বটি মুখত লেপ দিলে ডেকাকালত হোৱা সৰ্বপ্ৰকাৰ ব্ৰণ নষ্ট হয়।

৮৬৪। কেঁচা অমিতা মুখৰ পিনে কাটিলে যি আঠা ওলায় সেই আঠা ঘঁহিলে শালমন গুচে।

গণ্ড বা গঠলু

শৰীৰৰ কোনো কোনো ঠাইত গেঠেলা মাৰি টেমুনা দি উঠে, তাকে গঠলু বা গণ্ড বোলে। ই অলপ বিষায়, অচল আৰু কটকটীয়া টান।

খোৱা দৰব ঃ

৮৬৫। খাজুৰৰ ৰসেৰে শিলিখা গুড়ি খাব।

৮৬৬। কুঁহিয়াৰৰ ৰসত শিলিখা গুড়ি খাব।

নোখোৱা দৰব ঃ

৮৬৭। অৰ্জুন গছৰ ছাল, জামু গছৰ ছাল আৰু মহুৱা ফুল বাটি লগাব।

৮৬৮। সুন্দৰ পখালৰ শিপা, চিতামূল, সিজুৰ আঠা, আকণৰ আঠা, গুড়, ভলাগুটি আৰু হিৰাকচ এইবিলাক বাটি লেপ দিলে গাঠলু পকিব।

শিলাধমনা

উখহি শিলৰ দৰে মঙহ টান হোৱা নৰিয়াক শিলাধমনা বোলে।

দৰব ঃ

৮৬৯। মাকৰি ঘিলা, কৰ্দৈৰ পাত আৰু সিজুৰ শাহ বাটি দিব।

৮৭০। অৰ্জুনৰ গুটি, আদা, সৰু বৰিয়ালৰ শিপা, জাতি কিলাৰ শাহ আৰু নীল সবাকো বাটি দিব।

৮৭১। বজ্ৰা কলৰ শিপা, গাৰো (মিৰি) মাহৰ ছাল আৰু পাত খুদীয়া হেলচৰ ছাল আৰু পাত, কদুলীয়ে খোৱা কলা বাকলি পোৱা খাৰণী, সবাকো বাটি দিব।

বাত বিয়াধি

৮৭২। ঈশৰ মূল, ২১টা জলকীয়াৰ লগত কিছুদিন খালে বাতৰ উপশম হয়।

৮৭৩। ঘোলৰ লগত গুড় মিলাই খালে বাত ভাল হয়।

৮৭৪। কেশৰাজ, মেঘনাদ, জলকীয়া ২১টা বটি খাব আৰু ঘঁহিব।

৮৭৫। নহৰু বটি এৰাঁ গাখীৰ সমে সমাহ খাব।

৮৭৬। বাতৰাজ, ঘৃণৰাজ, গোবোকচই, বৰুণৰ ছাল, তেতামই, চোৰাতৰ শিপা, লাইতৰু, হাৰঘুঞ্চা, জালুক, পিপলি, মৰাণ আদা, সবাকো গুড়ি কৰি, কৰাই গুড়ি মিহলাই খাব, সকলো বাত গুচে।

এই দৰব খোৱাৰ লগতে এই দৰবকে তিলৰ তেলেৰে পগাই সেই তেল গাত ঘঁহিলে বিশেষকৈ উপকাৰ দিব।

৮৭৭। সাৰঘুঞ্চা, বাতৰাজ, জালুক ২১গণ্ডা, গুণৰাজ, আদাৰস, পিপলি সবাকো বটি সোণাজুল ধানৰ পিঠাগুড়ি সৈতে ৭ দিন খালে গাঠিয়াবিহ গুচে।

৮৭৮। মদাৰৰ ফুল বটি এৰাঁ গ্যাঁথীয়েলি খালে বিহ গুচে।

৮৭৯। ভ্ৰান্সুক, পিপলি, আদা, প্ৰত্যেকৰ এতোলা, ঘিউ ৬ তোলা সবাকো বটি জোল কৰি এমহা পৰিমাণে খালে বিহ গুচে।

৮৮০। বাতবাজ, গুণৰাজ, গোৰোকচই, তেজ্ঞামই বৰুণৰ ছাল, গাঠিয়ন, ধুতুৰাৰ মূল, কালজীৰা, ভোগজীৰা, ধনিয়া, আজ্বইন, চোৰাতৰ শিপা, লাইতৰু, সাৰঘৃঞ্চা, জ্ঞালুক, পিপলি, মৰাণ আদা, সিজু, লং, জাইফল, এলাচি, জাইপত্ৰী, সবাকো সমজোখে গুড়ি কৰি বগৰী পৰিমাণ দৰৱ কৰাই গুড়ি মিহলাই ২১দিন খালে সকলো প্ৰকাৰৰ বাতৰোগ আৰু বিষ গুচে। সেই লগতে এইবিলাক দৰৱকে তিলৰ তেলেৰে পগাই সেই তেল গাত ঘঁহিলে বিশেষকৈ উপকাৰ দিব।

৮৮১। তেঁকাইটীয়া সিজুৰ আঠাত, খোলাত ভজা বুট মাহ এটা, তিয়াই ৰ'দত নিদিয়াকৈ ছাঁত শুকাই ২/৩ দিন খাব, গাৰ কট্‌কটনি, কামোৰণি গুচিব। বুট দুবাৰকৈ নিতিয়াব আৰু এটা এটা মাথোন খাব কিয়নো ই চোকা দৰৱ - ধাতু নষ্ট হ'ব পাৰে।

৮৮২। পলাশৰ গুটি, ভেকুৰীৰ শিপা, কৰবীৰ শিপা, হাব ঘুঞ্চা লতা, কুসুৰ সূতা, জটামাংসী , ডালচেনি, মাত্ৰা সিজুৰ শিপা, ডলাগুটি সবাকো সমজোখে মিলাই বটি ২ৰতি পৰিমাণ বড়ি কৰি আমৈলতা আৰু ধনিয়া ক্বাথত খালে বিষজ্বৰ, কুঠ আদি সকলো নৰিয়া গুচে।

নোখোৱা দৰৱ ঃ

৮৮৩। আদাছ, বচ, হালধি, আচুকাঠ সবাকো পানী দি বটি লেপ দিব।

৮৮৪। কুলি কাইট, কেতেকী কঠালৰ (বক্ৰভাৰ) মূৰা, চাজনাৰ বাকলি আৰু উইমাটি, গৰু মূত্ৰেৰি লেপ দিলে বিষ গুচে।

৮৮৫। বৰুণৰ ছাল, মজীয়া, বচ, আদা, কেতুৰি, ভেদাইলতা, জয়ন্তী ফুলৰ গুটি আৰু হিং তপতে তপতে লেপ দিলে বিষ গুচে।

৮৮৬। কালজীৰা, পিপলি, লেটাগুটি আৰু মৰাণ আদা সবাকো বটি পগাই তপতে তপতে লেপ দিলে বিষ গুচে।

৮৮৭। নহৰু এতোলা, ৰঙা এৰাৰ শিয়াৰ এতোলা, বাহি হোকাৰ পানীত বটি জুইত অলপ তপতাই বেদনাস্থলত ২/৩ বাৰ লেপ দিলে বাত বেদনাৰ শান্তি হয়।

৮৮৯। দুবৰি আৰু হালধি একেলগে বটি দিলে শান্তি হয়।

৮৯০। শত ধৌত ঘিউৰ লেপ দিলে তথা।

এই নৰিয়া হ'ব ধৰোতে চিকিৎসা কৰিব, বহু দিনীয়া পুৰণি হ'লে সতকাই ভাল হোৱা টান।

৮৯১। যি ঠাইত স্পৰ্শ শক্তি নষ্ট হয়, তাতে জোক লগাই বা শস্ত্ৰ কৰি বা শিঙা দি তেজ উলিয়াই পেলাব লাগে। ক্ষীণ, শুকান বা বায়ু চাব ধতুৰা মানুহে তেজ নকটাব।

শৌচ খোলচা ৰখাৰ নিমিত্তে শিলিখা আৰু গুড় বটি খাব।

চিকিৎসা ঃ গা ফিকা বাত ৰোগত উপবাস, সেক আৰু তিতা, জ্বলা, অগ্নি বঢ়োৱা বস্তু খোৱা আৰু শৌচ কৰোৱা হিতকৰ। শালি চাউলৰ ভাত, দৈৰ মথা, চৰাইৰ মঙহ হিতকৰ।

দৰৱ ঃ

৮৯২। পিপলি, পিপলিমূল, চই, চিতামূল আৰু শুঠ সমজোখে দুতোলাকৈ লৈ ৪সেৰ পানীত পগায় দুসেৰ ৰাখিব. এই পানী খালে ৰোগীৰ পিয়াহৰ শোহ গুচিব, এই ৰসতে ভাত বা চাগু পগাই খাব।

খোৱা দৰৱ ঃ

৮৯৩। সোণালুৰ পাত তেলত ভাজি ভাতেৰে খাব।

৮৯৪। তেউৰী চূৰ্ণ আদ তোলা, সৈন্ধৱ লোণ এমহা, শুকান আদৰ গুৰি এমহা, কাঁজি সতে খালে শৌচ হৈ ৰোগ নষ্ট হ'ব। (বয়স মতে দৰবৰ পৰিমাণ কমাই দিব)

৮৯৫। ৰগুমলা, আমৈলতা, সোণালুফল, উৰৈ কাঠ, গোক্ষুৰ, এৰাৰ শিপা, পূৰ্ণনবা প্ৰত্যেকৰ দুতোলা লৈ তেৰ পোৱা পানীত পগাই আদ পোৱা ৰস ৰাখি এই ক্বাথ এমহা শুকান আদা গুড়ি সৈতে খালে কঁকাল, উৰুত, পাশ্ব আৰু পিঠিৰ বেদনা গুচে।

৮৯৬। জালুক, পিপলি, বিৰিংগুটি, উৰৈ কাঠ, চিতামূল গুৱামৰি, সৈন্ধৱ লোণ, পিপলিমুল, যনী প্ৰত্যেকৰ এতোলা, শুকান আদাৰ গুড়ি ১০ তোলা, সোণ পৰুৱা লতাৰ গুটি ১০ তোলা, শিলিখা ৫ তোলা সবাকো গুড়ি কৰি কুঁহিয়াৰৰ গুড় এপোৱা সানি এমহা পৰিমাণ বড়ি কৰি ল'ব; এই বড়ি পানীৰে খাব।

৮৯৭। বাই তক, চজনাৰ শিপা, বৰুণৰ বাকলি, চোৰাতৰ শিপা তেজামই, লং জাঁইফল, এলাচি, তেজপাত, গাঁঠিয়ন, মহাবনী বচ, আদা, জালুক পিপিল, নহৰু, পিঁয়াজ, টকুনাৰ ছালি, ধনিয়া, আজইন, হিং আৰু ভোগজীৰা প্ৰত্যেকৰ এক অনা ওজন লৈ পাৰ চৰাই এটাৰে বান্ধি খালে তেজ বাত ৰোগ গুচে।

৮৯৮। সোণালুৰ শাহ, আমৈলতা আৰু বাহকৰ ছালৰ ক্বাথত এৰাৰ তেল মিহলাই খালে শৌচ হৈ তেজ বাত ৰোগ সাম্য হয়। আমৈলতাৰ ক্বাথ, গুড়ি বা ৰসখোৱা তেজ বাত ৰোগীৰ পক্ষে বৰ উপকাৰী।

৮৯৯। লতি গোকেলা কটা বেঙেনা, শতমূল, ত্ৰিফলা, আমৈলতাৰ ক্বাথ খাব।

৯০০। তেলীয়া ধুনাৰ মূল, ভুঁই-কোমোৰা আৰু গোক্ষুৰ ইয়াৰ ক্বাথ খালে অলপ দিনতে তেজ বাত ৰোগ ভাল হয়।

৯০১। নিমৰ ছাল, আমৈলতা বৰিয়াল, আমলখি, শিলিখা, ভঁইবাগুটি, আদা, বিৰিংগুটি, কঠনাৰ শিপা, পিপলি, যনী, বচ, জীৰা, কঁটা বেঙেনা, খেজুৰ কাঠ, সৈন্ধৱ

লোণ, য'খাৰ, হালধি, আচুকাঠ, মুথা, গাঠিয়ন, কুড় সবাকো সমজোখে মিলাই গুড়ি কৰি এমহা গুড়ি আমৈলতাৰ ক্বাথত খালে তেজ বাত, বিহ বাত, শোথ পীৰাই সকলো গুচে।

৯০২। য'খাৰ, পদ্মকাঠ, মুথা, সৰু এলাচি, বচ, আদা, জালুক, পিপলি, য'নী, হালধি, ত্রিফলা, জীৰা, কালজীৰা, বিৰিং গুটি, আজাচিত, সৈন্ধৱ লোণ প্ৰত্যেকৰ এতোলা, গুল গুল ৪ তোলা চেনি ৪তোলা সবাকো মিলাই খাব।

ডেঁউৰ বা অচেতন ঃ Epilepsy

খোৱা দৰৱ ঃ

৯০৩। কোমোৰাৰ পানীয়েদি যষ্ঠীমধু বটি খাব।

৯০৪। নহৰু আৰু তেল, শতমূল আৰু এৰাঁ গাখীৰ আৰু ব্রহ্মী শাকৰ ৰস আৰু মৌ খালে ডেঁউৰ গুচে।

৯০৫। মানুহৰ ওপৰ অংগৰ তেজ আঙঠাত ডেৰাই সেই ছাই খাব।

৯০৬। পিপলি, পিপলি মূল, ছৈ চিতামূল, মৰাণ আদা, জালুক, আমলখি ,শিলিখা, ভঁইৰা গুটী, বীঁট লোণ, বিৰিং গুটী, মাকৰি ঘিলা, ধনিয়া, য'নী, জীৰা সবাকো সমজোখে লৈ গুৰি কৰি তপত পানীয়েদি আদতোলা পৰিমাণে খাই থাকিলে ডেঁউৰ গুচে।

৯০৭। হাইতাল ভষ্ম বা পাৰা ভষ্ম এৰতি পৰিমাণে ২/৪ দিন খালে ডেঁউৰ গুচে।

৯০৮। বচ গুড়ি কৰি কেইদিনমান মৌৰে খাব। দৰৱ খোৱা কেইদিন গাখীৰ ভাত খাই থাকিব, আন একো নেখাব। বৰ্দ্ধিনীয়া টান ডেঁউৰ ৰোগ ভাল হ'ব।

৯০৯। গলত ফাঁচ লগাই মৰা মানুহৰ ডিঙিৰ ফাঁচ লগোৱা জৰী ডালৰ অলপ (পঘা) পুৰি তাৰে ছাই চেঁচা পানীয়েদি খালে অতি উগ্ৰ ডেঁউৰ ৰোগ ভাল হয়।

৯১০। ঘিউ ৬ তোলা, পুৰণি কোমোৰাৰ ৰস, ১ সেৰ, যষ্ঠীমধুৰ ৫ তোলা সবাকো পগাই খালে ডেঁউৰ ৰোগ গুচে।

নোখোৱা দৰৱ ঃ

৯১১। অঞ্জন- ১। মনঃশীলা, ৰসাঞ্জন, আৰু পাৰৰ গু ই সৰক একেলগে মৌ মিলাই মাৰি চকুত অঞ্জন দিব।

গোন্ধলোৱা বা সুঙা ঃ

৯১২। জটা মাংসীৰ ধোঁৱা সুঙিলে বৰ্দ্ধিনীয়া ৰোগ গুচে।

৯১৩। নেউল, যেঁচা, বিৰালী, শগুণ কেৰেলুৱা, শাগ, কাউৰীবিলাকৰ যিহকে পাৰা যায় তাৰে ঠোঁট, পাখী আৰু বিঠাৰে ধুপ জ্বলাই গোন্ধ ল'ব।

উজোৱা ঃ

৯১৪। ২ নং অঞ্জনৰ দৰৱ উজাব।

৯১৫। ১ নং গোন্ধ লোৱা দৰব উজাব।

৯১৬। কপিলা গাইৰ মুত নাকে উজাব।

৯১৭। আজু, কপিলা গাইৰ গোবৰ আৰু মহক তিনিকো পলিতাত কৰি নাকে উজাব।

যোনীৰ ৰোগ

যোনীৰ ঘা হ'লে ঃ

৯১৮। ডালিমৰ ৰসেৰে যোনি ভালদৰে ধুব। বা অনন্তমূলৰ পাতৰ ৰসেৰে যোনী ধুব লাগে।

যোনীশূল ঃ

৯১৯। আমলখিৰ ৰস ৫০ গ্ৰামত নাৰ্জিফুলৰ পাতৰ ৰস ২৫ গ্ৰাম মিহলি কৰি খাব লাগে।

ফিটা পেলু বা পেলুৰ দৰৱ

ফিটা পেলু ঃ

৯২০। ডালিম গছৰ শিপাৰ ছাল খুন্দি অলপ গৰম কৰি দিনে ৩ বাৰ খাব।

পেলু ঃ

৯২১। ভেট ফুলৰ শিপা খুন্দি তাৰ ২০ গ্ৰাম ৰস উলিয়াই তাত মৌ জোল মিহলি কৰি খাব।

ফিটা পেলু হ'লে ঃ

৯২২। দহি কচুৰ ঠাৰি আঞ্জা কৰি খাব।

মোহনী

৯২৩। গুৰুচনা (এবিধ হালধীয়া দ্ৰব্য, তাক গৰুৰ মূতৰ পৰা কৰা যায়) জাতি চন্দন, টেটোৱা তিতা, নীলকণ্ঠ, কেতুৰী, কৰ্পূৰ, জাবৰাং বাখৰ, গোবৰ গোঠৰ মুল, খেত-ধতুৰৰ মূল, গজ কলাই (কস্তুৰী) সবাকো একত্ৰ কৰি পূৰ ফালে মুখ কৰি বড়ি

বনাব। বেলি ডুবাৰ আগতে কপালত ফোট হিচাপে ল'ব। সকলো ক্ষেত্ৰতে জয়ী হ'ব।

৯২৪। গন্ধ পিপলী, সেন্দুৰ কাকমাচি (কাঠৰ ঠেঙীয়া) সকলো পিহি চকুত কাজল লগোৱাৰ দৰে লগাব, তিনিলোক মোহ যায়।

৯২৫। শ্বেত জয়ন্তী, ভৃংগৰাজ, কেশৰাজ, শ্বেত অপৰাজিতা গ্ৰহণ লাগিবৰ সময়ত খুন্দিলে (বাতিত লৈ কপালত ফোট ল'ব)

ভাল পোৱাৰ ঔষধ

৯২৬। নিজৰ বুকুৰ মলি, দাঁতৰ মলি, জিভাৰ মলি, তিনিওকো মিহলি কৰি গাত ঘঁহি দিব। আপুনি আহিব।

হাৰ ভগা বা জোৰা লগোৱা

৯২৭। হাৰ ঠিকমতে বহুৱাই অৰ্জ্জুন গছৰ ছাল খুন্দি তাত নহক খুন্দি বান্ধি দিলে হাৰ জোৰা লাগে।

হাৰজোৰা :

৯২৮। শামুকৰ ৰস, কেএবনৰ গুটি, মদাৰৰ শিপা সবাকো বটি বান্ধিলে হাৰ জোৰা খাব।

৯২৯। তামোলৰ ধকুৰাৰ মাজ অংশ পুৰি নাৰিকল তেলৰ লগত বটি গাত তামোলৰ কেঁচা পাতেৰে মেৰিয়াই বান্ধিব।

৯৩০। হাৰব্যাধি : ঘনাই প্ৰেচাব কৰে, পুৱা হ'লে অলপ হয়, গুটি ধৰে, ঔষধ : ভেকুৰি গুটি ধুই বতিব, এঁৰা গাখীৰেৰে খাব নাশ।

৯৩১। ক্ষয় - আমছাল-কেছেৰু ছাল- চেমা কচু পুৰি বসব- এৰাঁ গাখীৰ সমে খাব গোটা ভাগৰ নাশ।

৯৩২। কণি বিহৰ ছাল আনি কনিষ্ঠ আঙুলীৰে জুখি আনিব এক উশাহতে বড়ি কৰিব, পকা মালভোগ কলত সোমাব, তিনি জোলা কুজি থেকেৰা। এজোখ যখাৰ দি খাব। নাশ।

৯৩৩। ৰক্তহাৰ : ঔষধ : মিঠা মৰা-আমলখি-ছাগলী গাখীৰ-মৌজুল খাব নাশ।

ব্ৰংকাইটিছৰ দৰৱ

ব্ৰংকাইটিছ :

৯৩৪। বগা বাঁহৰ পাতৰ ৰস (তিতা ফুল) দিনে ২০ গ্ৰামকৈ ২ বাৰ খাব।

৯৩৫। ব্ৰংকাইটিছ ৰোগ : আমলখিৰ গুটি খুন্দি খাব লাগে।

নখত বগা পৰা

১৩৬। নখত বগা পৰা : চজিনাৰ পাত, চয়াবিন, নাৰিকল, নৰসিংহৰ পাত খাব লাগে।

১৩৭। নখৰ ৰোগ : জেতুকাৰ ৰস মাজে সময়ে নখত সানিব লাগে।

নাকৰ ৰোগৰ দৰৱ

নাকৰ ভিতৰত টিউমাৰ হ'লে :

১৩৮। দোৰোনধনৰ ৰস নাকেৰে ওপৰলৈ উজাব লাগে।

১৩৯। নাক সোপা মাৰি ধৰা : মৰাপ আলা, মৌ জোল আৰু তুলসীৰ ৰস খাব লাগে।

গা ফটা চুম পৰা খৰ

গা ফটা :

১৪০। পুৰা ১০ টাকৈ আমলখি খাব লাগে।

গাত বগা চোম পৰিলে :

১৪১। আৰৈ চাউল আৰু গন্ধক সমপৰিমাণৰ লৈ খুব মিহিকৈ পিহি একেৰাৰে ৫/৬ দিন সানিব লাগে।

খৰ হ'লে :

১৪২। অমিতাৰ আঠা খৰ হোৱা ঠাইত খজুৱাই লগালে ভাল হয়। বা কেঁচা হালধি পিহি দিনত ৩ বাৰ আৰু ৰাতি শোৱাৰ আগত এবাৰ খৰ হোৱা ঠাইত খজুৱাই লগাব লাগে।

খজুৱতী :

১৪৩। নাৰিকল তেলৰ লগত গোল নেমুৰ ৰস মিহলি কৰি খজুৱা ঠাইত লগাব। বা নিমপাত সিজোৱা পানীৰে গা ধুব।

খৰ (Ring Worm)

১৪৪। খৰ ছালৰ যিকোনো অংশত হ'ব পাৰে। চালৰ ওপৰত ৰঙা বা কজলা বৰণৰ সৰু ফোঁহা উঠে আৰু চকল চকল হৈ থাকে। ফোঁহাবিলাকৰ খজুৱতি হয় আৰু খজুৱালে আঠাৰ নিচিনা পানী বাহিৰ হয়।

ৰনদৰৱ : খৰ পাত খুন্দি (২/৩ টা পাত) লগাব লাগে।

১৪৫। কেঁচা হালধি পিহি দিনত তিনিবাৰ আৰু ৰাতিপুৱাৰ আগতে এবাৰ খৰ

হোৱা অংশত সানিব লাগে।

৯৪৬। কণীয়া তুলসীৰ কেইটামান পাত মোহাৰি সামান্য নিমখ দি ঘা হোৱা ঠাইত খজুৱাতি দিলে ২/৩ বাৰকৈ লগালে ঘা ভাল হয়।

গা ফটা বা জালি কটা :

বনদৰৰ : ৰাতিপুৱা আমলখি খোৱা ভাল।

৯৪৭। গোল নেমুৰ ৰস ২৫গ্ৰামকৈ নিতৌ ৰাতিপুৱা শুদাপেটত খোৱাৰ উপৰিও নেমু এটা দুফাল কৰি ছালত সানিব লাগে।

৯৪৮। কেঁচা হালধিৰ ৰস ২০গ্ৰামকৈ খোৱাৰ উপৰিও কেঁচা হালধি খুন্দি ৰাতি শোৱাৰ আগতে ছালত লগাব লাগে।

৯৪৯। বক ফুলৰ গুৰাৰ লগত দৈ আৰু ইয়াৰ লগা তৈয়াৰ কৰা মাখন একেলগে মিহলাই কলসৰ দৰে তৈয়াৰ কৰি সানিলে ছাল নিমজ আৰু উজ্বল হয়।

৯৫০। নাৰিকল তেলৰ লগত গোল নেমুৰ ৰস মিহলি কৰি সানিব লাগে।

৯৫১। গাজৰ খজুৱতী হোৱা ঠাইত লগাব লাগে আৰু খাব লাগে।

৯৫২। বহৰ দাইল পিহি খজুৱতী হোৱা ঠাইত লগাব লাগে আৰু খাব লাগে।

৯৫৩। আমলখি ৰসত অলপ চেনি মিশ্ৰণ কৰি খালে খজুৱতী ভাল হয়।

৯৫৪। খুদ জলকীয়া পিহি লগালে খজুৱতী ভাল হয়।

হাইজা বেমাৰ :

৯৫৫। হাইজা : তুলসীৰ পাত আৰু জালুক পিহি প্ৰায় ২০গ্ৰাম খাব লাগে।

৯৫৬। এলাৰ্জী : তুলসী পাতৰ ৰস আৰু কেঁচা হালধিৰ ৰস মিহলাই খাব লাগে।

৯৫৭। হাইকাই : এটা নেমুৰ ৰসৰ লগত মৰাণ আদা খুন্দি খুৱাব।

ভূতৰ দৰৱ :

৯৫৮। ভূতৰ দৰৱ : গজকলাই, নৰসিংহৰ গুটি, শ্বেত মগাৰৰ পুৰৰ ছাল, তাবিজত ভৰাই ল'ব, ভূত নাহে।

পিশাচ খেদাৰ দৰৱ :

৯৫৯। বৰুণৰ দক্ষিণৰ চাল, আম গছৰ দক্ষিণৰ চাল ও শিপা, বিহ কচুৰ যোল ১ আংগুল বা ৰতি বচৰ শিপা গুৰি কৰি খুৱাব আৰু গাত ঘঁহি ঘঁহি দিব। পিশাচ দূৰ হ'ব।

ভূতৰ দৰৱ :

৯৬০। আলাথনি বাঁহৰ শিপা, মচন্দৰিৰ শিপা, বচৰ শিপা, গোটা মহৰু (বহুন)

ভকুৰা কদমৰ ছাল উত্তৰ ফালৰ সৰা চুলি পুৰি ছাই কৰি ল'ব। গৰু ছালৰ বৰতি পুৰি ছাই কৰি ল'ব গুৰকল্লাৰ মূৰা পুৰি ছাই কৰি ল'ব। খুন্দি, ভাল খোৱাব।

ভূতৰ ভৱণ দিয়া ঃ

৯৬১। গজকলাই, ভূত মলাৰ আগ ৫টা টংলতি মূল ৫টা বনমলাৰ শিপা পশ্চিম ফালৰ খুন্দি গাত ঘঁহি দিব আৰু তাতুত ভৱণ দিব।

শোভা বা শুৰ বা পাণ্ডুকমল ঃ

৯৬২। মাগুৰ মাছৰ লোণ, জালুক, পিপলি দি আঞ্জা কৰি খাব। ভাল হ'ব।

মৰ কুটিয়াৰ ঔষধ ঃ

৯৬৩। হাতীৰ কপালৰ ছাল, কেঁচা কঠালৰ শিপা, পানী পৰুৱা ৫টা, চোতালৰ পোক ২টা, কুটিয়া মূৰৰ শিল এটা শলবীয়া এৰি বাঁহত সুমুৱাই লিংগত পিন্ধাই দিব। মৰ কুটিয়া এৰিব।

ৰোদ পিৰা (প্লেগৰ মিচিনা এবিধ ৰোগ) কাণৰ গুৰিত গাঁড় উঠে।

৯৬৪। নাগৰ ও এৰা ৩টি, কোমোৰা ৩টি, বিয়লি সাপোতাৰ আগ, গুৰৰ সৈতে বাটি লিপি দিব নাশ হ'ব।

৯৬৫। জিভা ভেকুলীয়াৰ দবৰ পুৰৈ, পঁচা কলৰ মধুনা, কলৰ থাও তিনিওকে সিজাই গোটেই গাত সানিব। তৃতীয় দিনা আলতীয়া মাটি গৰুটোৰ গাত খুউব লিপিব পাছত গা ধুৱাই দিব। পাছত কোমোৰা আৰু কলাই সিজাই খুৱাব ভাল হ'ব।

বসন্ত নিবাৰণ কৰা ঔষধ ঃ

ভেঁওৰ মোৰ্চা ৰোগৰ ঔষধ

৯৬৬। বসন্ত কালত পোৱাল বেংগেনা আৰু মহানিমৰ ৰস বাটি খালে বসন্ত নিবাৰণ হয়। ১-২-৩ ৰ কম।

৯৬৭। জাতি ভেকুৰি, কুভাই বেংগেনাৰ শিপা জালুকৰ সৈতে বাটি খালে বসন্তৰ কাৰণে ভয় নাথাকে।

৯৬৮। তিৰোতাৰ বাঁওফালে পুৰুষৰ সোঁফালে শিয়ালৰ হাৰ ও শিঙিখাৰ ৩টি আৰি ল'লে বসন্ত কেতিয়াও ওলাব নোৱাৰে।

৯৬৯। কমলাৰ আগ, তেঁতাই তিতাৰ আল, সকলো পাতত গুৰা কৰি বাতি জুঁইত দি খুন্দি ৰস ল'ব। নাৰিকলৰ বাকলিৰ, জাতি কলৰ থাৰ, মিহলাই কেঁচা বাঁহৰ চুঙাত ভৰাই পুতি থুৱাব।

গা চফা হোৱাৰ ঔষধ :

৯৭০। কলাই শিমলুৰ আগৰ লগত গাৰৈ, চেংেলী মাছৰ আঞ্জা কৰি খাব।

বিছা শুং উলিওৱা দৰব :

৯৭১। মোথাৰৰ ৰস দিলে বিছা শুং ওলাই।

বেছিকৈ পোৱাৰ দৰব :

৯৭২। চুণৰ পানীৰ লগত নাৰিকল তেল মিহলাই দিব।

অংগ মৰা ঔষধ :

৯৭৩। ঢেকীয়া ঠোৰ বিচনাৰ তলত পাৰি দিলে অংগ নাশ।

জিভাৰ দৰব :

৯৭৫। কলা হালধিৰ ৰস, শুম লতাৰ ৰস খাব আৰু জিভাত লগাব।

৯৭৬। তামোলৰ দাব, ভীমকলৰ বাকলি, বৰৰ লগত মনিকলৰ জিভা, পাত, খাগৰিৰ পাত পুৰি ছাই কৰি লেঙেৰি শামুকৰ চুণ, দেও শামুকৰ চুণ, চক কুচা শামুকৰ চুণ সকলো মিহলাই আকণৰ দিব তবে নাশ হ'ব।

৯৭৮। আঠিয়া কলৰ বাকলি খাব, বাদুলিয়ে খোৱা কলক থাক নিমখ দি বাঁও কাঠি এদালৰ আগত লৈ জিভাত লগাব।

হাড় জোৰাখোৱা দৰব :

৯৭৯। খাৰ শাকৰ ৰস, কেয়া বনৰ গুটি মদাৰৰ শিপা সকলো বটি বান্ধিলে হাড় জোৰা খাই।

লগি পাচ হোৱাৰ দৰব :

৯৮০। কঠনাৰ সৰা ফুল বিজলৰ সৰা ফুল দুয়োকো খটি পানী খুৱাব পাচ হ'ব।

সপোন দেখিলে :

৯৮১। চোৰাতৰ শিপা আৰু তৰুৱা কদমৰ বাকলি একেলগে-মাইকী মানুহ হ'লে আঁচলত বান্ধিব আৰু মতা মানুহে গাৰুৰ তলত থ'ব। ভাল হ'ব।

ভেকেলি হুৱাৰ ঔষধ :

৯৮২। শুদ্ধ বাখৰ শিপা, জালুক গুটা, বটি খালেই হুৱা ভাল হয়।

ঘটকা ৰোগ :

৯৮৩। তীখচুৰ ৫তোলা, ভাং ১তোলা, ধুতুৰাৰ শিপা ১তোলা, জালুক ৫তোলা,

পিপলি ৫তোলা সকলো গুৰি কৰি খাব।

১৮৪। কঠগুৱাৰ শিপা, বড় চৈৰ শিপা, আঢ়ৈটা জালুক, পিপলি তাৰে বসত পগাই খাব।

১৮৫। কাউৰ মণিৰ মূল, কঠগুৱাৰ শিপা, আদা সমে বটি খাব, মাণ।

১৮৬। নিমু তিতাৰ দক্ষিণৰ ছাল, জালুক, পিপলি লগতে বটি খাব।

১৮৭। গোবৰক চঁই, লাইতক জালুক, পিপলি, চেংগেলী মাছ সহিতে বান্ধি খাব।

১৮৮। বন চম্পাৰ শিপা, পুৰণি পোকোতা, জালুক লোণ সৈতে পগাই খাব।

১৮৯। মাকড়ি ঘিলা ও আদা খাব।

১৯০। ডিমৰু গছৰ দক্ষিণৰ ছাল, বাঁচৰ শিপা, ৰুদ্ৰাক্ষ, জালুক ২টা পিপলি ৯টা পোড়া লোণ সহ বটি পগাই খাব।

১৯১। মাখিয়তীৰ শিপা, লৰ তিতাৰ মূল, ভোট এডাৰ মূল জালুক, পিপলী ৯টা সহ বটি খাব।

বিহালা ঃ

১৯২। আঁওনীয়া পাণৰ শিপা, সলি আঠা, বকুলৰ বাকলি, বন মাখিণী সকলো খুন্দি তেলত বান্ধি খাব।

১৯৩। গড়ৰ খড়গ, বক ফুলৰ শিপা, নাহৰৰ শিপা, বাঘৰ দুধ, সৰগ পৰা শিল, সকলো খাব।

বেওঁৰ ঔষধ (গুল্ম) ঃ

১৯৪। বামী, কুচিয়া, কাছ, সঠলি মাছ এই সকলো পুৰি ছাই কৰিব। ধুন্দুলিৰ পাত, কাকিবালৰ (কেবেলা) পাত, লতা গুটি, বাবৰি ঢেকীয়া সকলোকে খুন্দি চুঙাত পুৰিব, পাছত তাৰ লগত চেনা বাখৰ বটি দিব ও খাব।

গাড় পাগ অহা দবৰ ঃ

১৯৫। কুমাৰণী পোকৰ বাঁহ দুটা আৰু শিলিখা পুৰি পানীত পেলাই, সেই পানীত চুণ আৰু এলাচু মিহলাই খাব।

ৰাজপীড়া (প্লেগৰ নিচিনা এবিধ ৰোগ)

লক্ষণ ঃ কাণৰ গুৰিত খা উঠে।

১৯৬। ঔষধ ঃ মালন ৩, এলা গুটি, কোমোৰাৰ গুটি, খিৰুনী সাৰতাৰ আগ, মিহি সকলো মিলাই বটি দিব।

৯৯৭। ঝোৰ তামোলৰ বাকলি, কমলা টেঙাৰ বাকলি, কুজী থেকেৰাৰ গুটি, আম্লাকু, কঠি বিহৰ ছাল, বাদুলীয়ে খোৱা আঠীয়া কলৰ বাকলি, নাৰিকলৰ বাকলি উখুৱা চাউল সকলো একেটা চৰুত ভাজি পুৰণা গুড়ৰ সহিতে দিব। ৰাক্তপীড়া সিন্দুৰীয়া। (এবিধ প্লেগ যেন ৰোগ)

৯৯৮। সৰু হেলামৰ পাত, শামুকৰ পানী সৈতে দিব। সৰু মানিমুনি, কঠি বা খেৰা বেহাৰ, ডালিমৰ পাত, কলৰ ফল বটি দিব।

৯৯৯। পদ্ম ঢেকীয়া, তকৰা কদমৰ বাকলি, নহৰু, বছ, তিনি বৰণীয়া সূতাৰে কাণত আৰি ল'ব। (যেই ফালে হয় সেই ফালে আৰিব)

লিপা ঔষধ ঃ

১০০০। কলৰ গছৰ মুৰা, ডেম ডেউলৰ গাঁঠি; সূৰ্যমুখীয়া জলকীয়া গছৰ শিপা, আগ, পাত, বটি দিব।

ৰূপৱন্ত হোৱা (পাষ্টাই)

১০০১। ঔষধ ঃ সোমলতা মূল, চনখিলতাৰ মূল, তিলৰ তেল মৌ সৈতে খাব। (মুগা পলুয়ে পাত খোৱা এবিধ লতাক সোমলতা বোলে)

মন্দ কৰা ঃ

১০০২। লক্ষণ ঃ আনে মাৰিবৰ মন কৰি দ্ৰৱ্য খুৱাই পেট ডাঙৰ হৈ যায়, শৰীৰ ক্ষীণাই দুৰ্বল হয়, হাত-ভৰি নচলে ছিগি পৰা যেন।

১০০৩। ঔষধ ঃ বন নহৰু, কলা কাছমণিৰ শিপা, ছাগলীৰ গাখীৰৰ সৈতে খাব। ওকালি হৈ খুওৱা দ্ৰব্য ওলাব। তেতিয়া জুৰণি খাব। টেংগা গাখীৰ, পকা আঠিয়া কল, পয়তা ভাতৰ লগত খালে ওকালি গুচিব। দুজ'বো মৌৰ উঠে; তাৰ দৰব। পানী দিয়া ভাত চোকা তামাখু খটি খুৱাব, তেহে জাই গুচে।

১০০৪। কণি বিহৰ কুঁহি এবা দৈৰ সৈতে খাব হাবা (খুওৱা দৰব) ওলায়।

১০০৫। লাজুকী লতাৰ শিপা আধা তোলা বটি এক পোৱা কেঁচা গাখীৰত মিহলাই খুৱাব।

বায়ু, মূৰ্চ্ছা, অগ্নি বায়ু

লক্ষণ ঃ গৰ্ভৰ তিৰত কুণ্ডলী নাড়ীৰ মাজত অগ্নি মণ্ডল আছে। পিংগলা নাড়ীৰ কাষত, তাৰ ভিতৰত অগ্নি উঠে। নাড়ী গোট খায় উপৰলৈ উঠে, বায়ু নাকে কাণে চলে। বায়ু অধিক হ'লে অগ্নি উঠে, চক্ষু মুখ মেলিব নোৱাৰে, তাকে অগ্নি বায়ু বোলে।

১০০৬। ঔষধ ঃ শুকান শিলিখা, শুকান আমলখি, শুকান আমঠু, হেমলতা, জাতি চন্দন, ঘিউ ২সেৰ, তিল তেল ২সেৰ, পানী ৩সেৰ সকলোকে কুমাৰী পাতি লাও পাগ

কৰি সোপা দি পানীত পুতি থ'ব। ৭ দিনৰ পাছত তুলি আনিব। পানী দুই ক্রোখৰ দি পুৰাতে পগাই তিনি নিয়ৰত দিব। সেই তেল ব্যৱহাৰ কৰিলে বায়ু সামা হ'ব।

১০০৭। ভোগজীৰা ১তোলা, ক'লা জীৰা ২ তোলা, ৰঙা চন্দন ৩ তোলা, ধনীয়া ১৩ তোলা, তিল তেল ২ সেৰ, ডাউকৰ তেল, কোৰোচা (কৰ্চন) পখীৰ তেল, মৌৰা পখীৰ তেল, ঘৰিয়ালৰ তেল ৪ সেৰ, এৰী গাখীৰ ২ সেৰ শিমলুৰ গুটি ২ সেৰ, শতমূল ২সেৰ, তেজপাত ২ সেৰ, জাইফল ২ তোলা, লং ২ তোলা, গন্ধ ২ তোলা, চটা বৰ ২তোলা, পিপলি ২ তোলা, মৰিচ ২ তোলা, কেঁচা তেল ৩ সেৰ, ম'হৰ গাখীৰ ৩ সেৰ, গন্ধক ১ তোলা, সোণ বৰিয়ালৰ মূল ৮তোলা, পাঁচ গুণ পানীৰ লগত ঠালিত কেঁচা মৰাত পেগাব, পাগ কৰি ৰ'দত দিব, ৰাতি নিয়ৰত দিব; এইমতে ৭ দিন দিব। তাৰ পাচত পানীত পুতি থ'ব, তিনি দিন পাচত তুলি আনিব। এক শনিবাৰ বা মংগলবাৰে বা দেওবাৰে ৰাতিপুৱা মূৰত দিব। ৬ দিনৰ পাচত গধূলি বা দোভাগ সময়ত মূৰত দিব। ৰ'দত বহি থাকিব, সৰ্ব বায়ু নাশ হ'ব, দেও মানুহ ভাল হয়; সৰ্ব পীড়া, পেটৰ বেমাৰ ভাল হয়।

১০০৮। ঘিঁউৰ কলহত তপত কৰিব, শিমলুৰ মূল, অমৰাৰ মূল, ডিমৰুৰ মূল, মৰিচ ৭টা, পিপলি ৭টা, আদা ৰস দি খাব।

১০০৯। মাটি মাহৰ গাঁজ ধুই চোকোৰা গুচাই তেলৰ টেকেলিত ভৰাব। তাত তিল দিব, শিল এডোখৰ দিব, শিলিখা এটা দিব, মুখখন চাঁতি দি বান্ধিব, ওপৰত হীৰা মাটিৰে লিপিব। যি ঠাইত পানী কলহ থাকে সেই ঠাইত পুতিব। সেই মাহ ৰাতি ভৰণ ল'লে উষ্ম বায়ু, জল বায়ু, সমস্ত বায়ু নাশ হয়।

১০১০। উকা ভেদেলীৰ আগ, জাতি ভেদেলীৰ আগ মৰিচ দি বটি বড়ি কৰি ল'ব। বেচা মাছ এটাৰ এক পাব বাঁহৰ খৰি খুটি কৰি ঘিঁউত ভাজি খাব। সন্ধিত বায়ু নাশ হ'ব।

সৰ্ব ব্যাধিৰ ঔষধ ঃ

১০১১। বৰুণৰ ছাল, কুকুৰ সুতাৰ পাত, বাঘনলাৰ ছাল, শিমলুৰ ছাল, সৰু বৰীয়ালৰ পাত, দেবী টোকনৰ আলু, বিহ ঢেকীয়াৰ পাত, বিহলাংগনীৰ পাত, কুঠকৰা হাচুটী, চলা গুটীয়া বন, কদমৰ পাত সকলো বটি লিপি দিব। গমা, লাহামা, পাতুয়া, বৰঙীয়া, শিংগী মুৰী, লুখি, বাজ পীড়া ঔগমা আদি সকলো ব্যাধি নাশ হয়।

উৰহ মাৰিবলৈ ঃ

১০১২। ভকৰা কদম গছৰ ছাল খুন্দি বা নৰসিংহৰ পাতো লগাব পাৰে।

নপুংসক ঃ

১০১৩। ৬২ গ্ৰাম নহৰু দেশী গৰুৰ ঘিঁউৰ লগত খাব লাগে একেবাহে

এমাহমান।

একাংগী ঃ

১০১৪। পিঁয়াজৰ ৰস নাকেৰে ঘ্ৰাণ লব আৰু নাকত কেইটোপালমান দিব লাগে।

গাত এচিড পৰিলে ঃ

১০১৫। যথেষ্ট ঠাণ্ডা পানীৰে ভালদৰে ধুই তাত নাৰিকল তেল আৰু চূণৰ পানী মিহলোৱা মিশ্ৰণ সানিব লাগে।

গৰমত প্ৰস্ৰাৱ ৰঙা হ'লে ঃ

১০১৬। পকা ভীমকল ১টা কাটি ২৫০গ্ৰাম পানীত এৰাতি তিয়াই ৰাখি ৰাতিপুৱা শুদা পেটত খাব লাগে।

১০১৭। ঘামৰ দুৰ্গন্ধ নাইকিয়া কৰিবলৈ মানিমুনি শাকৰ ৰাতিপুৱা ৰস খাব।

প্ৰস্ৰাৱ বন্ধ হ'লে ঃ

১০১৮। দুপৰীয়া টেঙাৰ পাত এখন ভালদৰে খুন্দি তলপেটত অলপ সময় প্ৰলেপ দিব।

ঘোঁৰা শলখা (Dyptheria)

১০১৯। পিঁয়াজ এটা থেতেলিয়াই ৰস বাহিৰ কৰি শিশুক দিনে দুবাৰকৈ খুৱাব।

মদৰ নিচা গুচাবলৈ ঃ

১০২০। পকা তেতেলী টেঙা বা কুন্তী থেকেৰা অলপ (১০গ্ৰাম) এগিলাচ পানীত মিশ্ৰণ কৰি খুৱালে মদৰ নিচা তৎক্ষণাত নাইকিয়া হয়।

উন্মাদ ঃ

১০২১। চাউল ধোৱা পানীৰ লগত বগা অপৰাজিতাৰ শিপা খুন্দি তাত ঘিউ মিহলি কৰি তাক নাকেৰে ঘ্ৰাণ লব লাগে।

পয়ালগা ঃ

১০২২। লাইজাবৰী এমুঠি পিহি দুৱাৰ দলিত শনি বা মংগলবাৰে ৰাহি শিশুৰ শৰীৰত ঘঁহি পিছত সেই লাইজাবৰী মুঠি ঘৰৰ চাললৈ পেলাই দিলে পয়ালগা ভাল হয়।

চুণে ডাকিলে ঃ

১০২৩। সৰিয়হৰ তেল চুণে ডকা ঠাইত সানিব লাগে।

পাথৰ ৰোগ ঃ

১০২৪। অনন্ত মূল ৫০গ্ৰাম খুন্দি গৰুৰ গাখীৰৰ লগত খাব।

অধিক টোপনি হ'লে ঃ

১০২৫। চন্ত্ৰিনাৰ গুটি, নাহৰ ফুল আৰু মেটেকাৰ ফুল এই তিনিওটা সমপৰিমাণ লৈ তাক ভালদৰে মিহি কৰি চকুত লগাব লাগে।

প্লেগৰোগ ঃ

১০২৬। আধা কাপ ঘিঁউত অলপ গাখীৰ দি দিনে ৩/৪ বাৰ খুৱাব লাগে।

শক্তি বঢ়াৰ দৰৱ ঃ

১০২৭। একে বৰণীয়া গৰুৰ গাখীৰেৰে ঘনচিৰিকা চৰাই সিজাই ঘিঁউৰ লগত ভাজি খালে শক্তি বাঢ়ে।

মেছ্ খহুৰ দৰৱ ঃ

১০২৮। কোতাহী বেংগেনাৰ শিপা, ভেকুৰীৰ শিপা, ভজাবতীৰ শিপা, বিহলংগিনিৰ শিপা, নেমুটেংগাৰ শিপা, তং লতিৰ শিপা, কেহেঁক চাল, সোণ, তাম্ৰুক দি জোল অলপ তপতাই খাব।

এনকেফেলাইটিছ্ ৰোগ ঃ

১০২৯। চিৰতা তিতা নাইবা কালমেঘৰ কেঁচা কুমলীয়া পাত ১৫/২০ খন চোবাই বা তাৰ ৰস বাহিৰ কৰি দিনে ৩ বাৰকৈ আহাৰ খোৱাৰ আধাঘণ্টাৰ পিছত খাব।

শিৰ শূল ঃ

১০৩০। ক'লা হালধিৰ গুড়ি নাকেৰে ঘ্ৰাণ ল'ব।

অংগমৰা ব্যাধিৰ দৰৱ ঃ

১০৩১। হাতীসুৰিয়া বনৰ শিপা তামোলৰ লগত খালে ভাল হয়।

গৰুৰ পোক হ'লে ঃ

১০৩২। সিজু পাত, আদা পাত পাতত দি খুৱাব। পোৱালি হ'লে ১৭১পাত ডাঙৰ হ'লে তেৰ + তেৰ। বা সৰু বস্তা কেনেকৈ এখিলা সোন্দা কলৰ পাতত ভৰাই খুৱাব ৩ দিনতে ঘা নাচাব।

জলাতংক ৰোগ ঃ

১০৩৩। ৭ টা শিমলুৰ বীজ কলৰ মাজত ভৰাই একেবাৰে ৭ দিন খাব।

এলাৰ্জী (Alargi)

বনদৰব ঃ

১০৩৪। তুলসী পাতৰ ৰস আৰু কেঁচা হালধিৰ ৰস মিহলাই খাব।

১০৩৫। আদাৰ ৰস ২০ গ্ৰাম, পুৰণি গুৰৰ সৈতে খাব লাগে।

১০৩৬। পুৰৈ শাকৰ ৰস উলিয়াই এলাৰ্জি হোৱা ঠাইত সানিব লাগে।

১০৩৭। ভেদাই লতা ৪/৮ শিপা পাত খুন্দি সানিব লাগে।

১০৩৮। একেটা নহৰু খুন্দি তাত ভেদাই লতাৰ পাতৰ ৰস ৫০ গ্ৰাম মিহলাই খাব লাগে।

১০৩৯। পচতীয়াৰ পাত খুন্দি প্ৰলেপ দিব লাগে আৰু পাতৰ ৰস (৩০গ্ৰাম) খাব লাগে।

১০৪০। কেঁচা হালধিৰ ৰস দিনে ৫০ গ্ৰামকৈ ১০/১৫ দিন খাব লাগে।

১০৪১। ইউক্লিপটাচৰ পাত ৪/৫ খিলা মোহাৰি সানিব লাগে।

১০৪২। দুবৰি বন আৰু কেঁচা হালধি খুন্দি সানিব লাগে আৰু সমপৰিমাণৰ ৰস খাব পাৰিলে উপকাৰ পোৱা যায়।

বহুমূত্ৰ ৰোগ ঃ (Diabetes)

১০৪৩। বহুমূত্ৰ ৰোগ সাধাৰণতে বয়সস্থ লোকৰ হোৱা দেখা যায়। কেতিয়াবা কম বয়সৰ লোকৰো হ'ব পাৰে।

লক্ষণ ঃ ঘনাই পিয়াহ লাগে, প্ৰস্ৰাৱ বেছিকৈ হয়, শৰীৰৰ ওজন কমি যায়, ভাগৰ লাগে, হাত-ভৰি জিনজিনাই থাকে।

বনদৰব ঃ

১০৪৪। বহুমূত্ৰ ৰোগত বাৰে বাৰে প্ৰস্ৰাৱ হ'লে আৰু পিয়াহ লাগিলে ৮ গ্ৰামমান হালধি পিহি লগত পানী আৰু আধা চামুচ মৌ দি খাব লাগে।

১০৪৫। ১০/১২ টা মান আমলখিৰ ৰস মৌৰ লগত খালে (১৫/২০ দিন) এই ৰোগৰ পৰা আৰোগ্য পাব পাৰি।

১০৪৬। ক'লা জামু গছৰ বাকলিৰ ৰস নিয়মীয়াকৈ খালে ভাল ফল পোৱা যায়।

১০৪৭। দিনে ২/৩ টাকৈ আপেল খাব লাগে।

১০৪৮। ৪/৫ টা বিলাহী খাব পাৰিলে ভাল।

১০৪৯। এমুঠি টেঙেচি টেঙা চেনি বা মিচিৰি নিদিয়াকৈ পাতত দি খাব লাগে।

১০৫০। মানিমুনি ৰস দৈনিক পুৰা ৮ গ্ৰামকৈ কেইদিনমান খালেই বহুমূত্ৰ ৰোগ ভাল হয়।

১০৫১। আমলখি, শিলিখা, ভোমোৰা (ত্ৰিফলা) মৌৰ সৈতে খাব লাগে।

১০৫২। এসপ্তাহমান তিতা কেৰেলা (৩ টা) খুন্দি তাৰ ৰস খাব লাগে।

১০৫৩। তৰুৱা কদমৰ আঠা বহুমূত্ৰ ৰোগত ব্যৱহাৰ কৰিব পাৰে (২গ্ৰামকৈ)।

১০৫৪। গাজৰ আৰু পালেঙৰ ৰস মিহলি কৰি খালে বহুমূত্ৰ ৰোগৰ পৰা হাত সাৰিব পাৰি।

অপথ্য ঃ মিঠা জাতীয় বস্তু খোৱা নিষেধ।

দৈ, আলু, ৰঙালাউ, চৰবৎ, আঙুৰ, কিচমিচ, কল খোৱা বেয়া।

মুখেৰে লালতি ওলালে ঃ

১০৫৫। বকুল গছৰ ছালৰ ৰসেৰে মুখ কুলুকুলিয়াই থাকিব একেৰাহে ৩/৪ দিন।

পাকস্থলীৰ ঘা ঃ (Gastric Ulcer)

১০৫৬। নহৰুৰ ৰস ১২ গ্ৰামত সামান্য পানী মিহলি কৰি একেৰাহে ১৫ দিন খাব লাগে।

স্মৃতিশক্তি হ্ৰাস ঃ

১০৫৭। মানিমুনি আৰু টেঙেচি টেঙা পাতত দি খাব লাগে।

এৰাভগা ঃ

১০৫৮। ডালিমৰ ফুল পিহি তাৰ ৰস নাকেৰে উজাব লাগে।

বেচুৰ দবৰ ঃ

১০৫৮। মেডেলুৰ পাত ও গুটি বটি ঘঁহি দিব, ভাল হ'ব।

কুষ্ঠ ৰোগ ঃ

১০৫৯। কোটিকোৰা গুটি, মৰাণ আদা, উপোল মধু, ৰঙা এৰা বটি দিব ভাল হ'ব।

১০৬০। কুক্তি ঠেকেৰা গুটি ৭টা, জিকা গুটি ১টা সবাকে বটি সমানে ৭ ভাগ কৰি এভাগ খাব, অলপ পাছত আনভাগ খাব-এইদৰে খালে ভাল হ'ব।

১০৬১। ঘাত-গন্ধক ঘৃত কুমাৰী পাত বটি লগাব।

গোধ ৰোগ ঃ

১০৬২। আপৰাজিতাৰ শিপা পাত ঠাৰি বটি লগাব লাগে।

ভৰিৰ আঙুলিত পানীয়ে খোৱা ঃ

১০৬৩। পুৰণি অমৰা লগাব বা জেতুকাৰ পাত আৰু হালধি খুন্দি পানীয়ে খোৱাত লগাব।

মৃগী ৰোগ ঃ

১০৬৪। কোমোৰাৰ বীজ (গুটি) মৌজোলৰ সৈতে খাব লাগে।

মূৰ্চ্চা যোৱা ঃ

১০৬৫। ১৫ গ্ৰাম আমলখিৰ ৰস সমপৰিমাণৰ মৌৰে সৈতে মিহলাই কিছুদিন খাব।

গাৰ ছালৰ ওকণি ঃ

বনদবৰু ঃ

১০৬৬। ধতুৰা পাতৰ ৰস গাৰ ছালত ঘঁহিলে ওকণি সহজে মৰে।

জলাদ্ধা ঃ

লক্ষণ ঃ পেটৰ ভিতৰত পানী হৈ পেট ফুলি যায়।

১০৬৭। নাগেশ্বৰ শিপাৰ লগত মৌজোলৰ লগত মিহলাই খাব।

১০৬৮। ভৃংগৰাজৰ শিপাৰ লগত অকাদ্দোলীৰ গোট, এক আঙুলিৰ সমান তিনিওটাকৈ বটি লৈ খাব।

জলসাৰ (বহুমূত্ৰ)

১০৬৯। নাগেশ্বৰৰ শিপাৰ লগত মৌজোল মিহলাই খাব লাগে তেতিয়া জলসাৰ নাশ হয়।

জাংগঠা ঃ

লক্ষণ ঃ ল'ৰা-ছোৱালীৰ টিলা হগা।

১০৭০। ঔষধ ঃ তগৰ ফুল শিপা; তিতা ভেকুৰীৰ শিপা; কোটাহী বেগেনাৰ শিপা; জালুক এটাৰ আধা মান শিপালিৰ এটাৰ আধা লৈ অলপ নিমখ দি খাব।

১০৭১। আমৰ বাকলি আৰু বহিমলাৰ বাকলিৰ ৰস খাব।

জিকৰি ঃ (প্ৰমেহ ধাতুভ বা গণোৰীয়া)

১০৭২। কেদোৱা ধানৰ চাউল গধূলি চকুত দমৰৰ সৈতে ভুবাই ৰখা ভাল। ৰাতিপুৱাই এই গাখীৰৰ সৈতে খাব লাগে।

পোড়া জিকৰি ঃ

১০৭৩। মানুহে প্ৰস্ৰাব কৰোঁতে প্ৰস্ৰাৱ জোলোলা নহয়। তলপেট বিষাই, প্ৰস্ৰাৱৰ লগত তেজ বাহিৰ হয় তাকে জিকৰি বোলে।

১০৭৪। ঔষধ ঃ কিছু গোটা বগৰি লৈ তাক বটি খাব লাগে।

১০৭৫। তেজপিয়া জন্তুৰ আগ মজুহ শুকাই লৈ তাক ২১টা জালুক ২১টা পিপলিৰ সৈতে বটি পদুম পাতত গৰম কৰি খাব।

১০৭৬। বাহপুৰা কুঁহিয়াৰৰ ৰস, সাগৰৰ ফেন, বন জাবৰ পিপাৰ ৰস আৰু আঠিয়া কলৰ লগত খটি খাব।

১০৭৭। পলাশৰ ছাল, জিকাৰ ক্বাথ গাখীৰত তিয়াই ভলিয়াই থুপুকী লতাৰ গছ ১পোৱা গাখীৰত মিলাই তিল আৰু গজালি ওলোৱা মগুৰ লগত মিলাই খাব।

জিভা বেত ঃ

১০৭৮। ভোত জলকীয়া খিঁউৰ লগত ভাজি খাব।

জুইয়ে পোৰা ঃ

১০৭৯। পোৰা মাত্ৰকে হালোৱা গৰুৰ গোবৰ লিপি দিব।

১০৮০। শীত কচুৱা বটি দিব।

১০৮১। সাগৰ ফেনা বটি দিব।

১০৮২। বন নহৰু আৰু পইতা ভাত বটি লিপি দিব।

ভৰি ফটা ঔষধ ঃ

১০৮৩। কুচিলতা এটা লগালে ভৰি ফটা ভাল হয়।

১০৮৪। মূলা গুটি পিচি তেলত ভাজি লগাব লাগে।

অচেতন হোৱা দৰৱ ঃ

১০৮৫। যষ্টীমধু, হিং, বচ, পিলিখা, মদাৰ গুটি, নহৰু আৰু কুম ৰাখৰ গৰু মূত বটি চকুত অঞ্জন দিব ৰোগ ভাল হ'ব।

১০৮৬। মূলা গুটি পিচি তেলত ভাজি লগাব লাগে।

স্ত্ৰী পুষ্পৱতী হোৱাৰ দৰৱ ঃ

১০৮৭। মাখিয়তিৰ শিপা, তামোলৰ শিপা, বকুলৰ ছাল সবাকো গুৰি কৰি খুৱাব। স্ত্ৰী ঋতু হয়।

পগলা বেমাৰৰ ঔষধ ঃ

১০৮৮। কৰ্পূৰ এতোলা শিলৰ বাতিত লৈ ম'হৰ শিঙেৰে ২ দণ্ড লৈ ঘঁহিব। সেই কৰ্পূৰ পগলাৰ মূৰত ১ ঘণ্টা মান দি থ'ব। পগলা ঠাণ্ডা হ'ব আৰু নিৰলে টোপনি যাব।

১০৮৯। পনিহিজলৰ আগ ৭ টা, মানুহৰ গাখীৰ, একে বৰণীয়া ছাগলীৰ গাখীৰৰ সৈতে পগাই খালে পগলা ৰোগ ভাল হয়।

গলবেৰাৰ ঔষধ ঃ

১০৯০। আখচেকুৰী, বেজ কচুৰ মূল বটি লিপি দিলে ভাল হয়।

১০৯১। কলৰ চুৰা পাত পুৰি ছাই কৰি ঘঁহি দিলে বিষ নাশ হয়।

আঁঠু কামোৰণি, কঁকাল কামোৰণিৰ ঔষধ ঃ

১০৯২। মদাৰৰ দক্ষিণৰ ফালৰ শিপা, এৰা গাখীৰৰ সৈতে খুন্দি বল খালে ভাল হয়।

পখৰা বা বগা ওলোৱা দৰৱ ঃ

১০৯৩। তুতিয়া গুৰি ১তোলা গৰুৰ গাখীৰৰ সগত মাখন, ঘিউ আধা পোৱা কেৰাহিত হিং ১তোলা দি ভালকৈ ভাজিব। সকলোখিনি গুৰি কৰি ৮/১০ দিন ঘঁহিলে বগা বেমাৰ ভাল হয়।

মাত ওলোৱা দৰৱ ঃ

১০৯৪। বচ্, পিপলি, হালধি, গুণ পৰুৱা পোক, আদা, জিৰা, জনি, মধু গুৰি কৰি ঘিউ মিহলাই খালে মাত ওলায়।

গা চফা হোৱা দৰৱ ঃ

১০৯৫। কনাই শিমলুৰ পাত ও গবৈ , চেংগেলি মাছ আঞ্জা কৰি ৬-৭দিন খাব গা চফা হ'ব। ৰ'দত নোলাব।

জিহ্বা গুংগা ওলোৱা দৰৱ ঃ

১০৯৬। মেহেন্দিৰ ৰস দিলে জিহ্বা গুংগা ওলায়।

হাঁৰা কুমন্ত্ৰৰ ঔষধ ঃ

১০৯৭। সূৰ্যকান্তি মোল - ৩ ৰতি

ৰঙা দুৰৰি	-	১৫ ৰতি
বৰাহৰ মঙহ	-	আধা তোলা
কঠনাৰ মোল	-	৬ ৰতি
বৰাহৰ মোল	-	৫ ৰতি
কাফিং	-	৩ ৰতি
কুতচৰ মোল	-	৩ ৰতি
এৰা শিৰাৰ মোল	-	১ ৰতি
কণি বিহৰ মোল	-	১ ৰতি
যৱক্ষাৰ	-	১১ ৰতি
যৱধান	-	১৯ ৰতি

সকলোকে পিহি বৰি কৰি দিনে ৯ টাঁকৈ বৰি এসপ্তাহ খালেই হাঁৰা ভাল হ'ব আৰু কুমন্ত্ৰও ভাল হ'ব।

পোৰণি ঃ

১০৯৮। দৰৱ ঃ গা পোৰণি নৰিয়াত শৌচ পৰিস্কাৰ ৰাখিব। ধনিয়া দুতোলা আদ পোৱা পানীত আগদিনা গধূলি পৰত তিতাই থৈ পুৱা চেনি পেলাই খালে পোৰণি গুচে।

১০৯৯। আমেলতা বা শ্বেত কপৰাৰ ৰস বা উভয়ৰে ৰস মৌৰে সৈতে খাব।

১১০০। চন্দন, শ্বেতক পৰা বিৰিণাৰ মূল, পদ্মৰ মূৰা, মুথা, মোলান গুৱামৰি, ধনীয়া, উবৈকাঠ আৰু আমলখি সৰাকো মিলাই দুতোলা খালে আদসেৰ পানীত এপোৱা ৰস ৰাখি জুৰাই মৌৰে খালে গাৰ পোৰণি গুচে।

১১০১। ত্ৰিফলা আৰু সোনালুৰ শাঁহৰ কাথ চেনি আৰু মৌৰে খালে গাৰ পোৰণি গুচে।

১১০২। পুৰঠ কেঁচা নাৰিকলৰ মূৰ কাটি গুড় ভৰাই কিছুপৰ থৈ সেই পানী খালে গাৰ পোৰণি গুচে।

১১০৩। বীট লোণ, সুৱাগৰ আখৈ, জালুক সমজোখে লৈ গুড়ি কৰি, ৪ ৰতি গুড়ি মুখত লৈ মিছৰী পানী খালে, পিত্ত চাৰ হৈ হাড-ভৰিৰ, গাৰ পোৰণি হোৱা ৰোগ গুচে।

১১০৪। পাকৈ ঢৌৰা চৰাইৰ আঁগ মঙহ, ডাউক আৰু নেউলৰ আগ মঙহ, শুকাই ৰতি, পুৱাকলৰ আঠা সৈতে মও পৰিমাণ ৰৰি কৰিব। মিঠা আমৰ ছাল, অমৰাৰ ছাল, টকুনাৰ ছাল, মালভোগ কলৰ শিপাৰ ৰসত অলপ তপত কৰি খাব।

১১০৫। লেটা গুটি ৫ টা, বাম নলাৰ আগ ২ টা, টকুনাৰ আগ ৩ টা, হাতী পিপলিৰ ঠাৰি, ডামোলৰ পুলিৰ কুঁহি সৰাকো খুন্দি বসঙে চেনা বাখৰেৰে খাব।

১১০৬। গধূলি গোপাল ফুলৰ পিপা ৰটি গাখীৰৰ টেকেলি ধোৱা পানীৰ লগত মিহলাই খাব।

নোখোৰা দৰব :

১১০৭। টুবুকীলতাৰ আগ আৰু হাইঠা বাকলিৰ ফেন তুলি তালুত আৰু ভৰি-হাতৰ তলুৱাত দিব।

১১০৮। শত ধৌত ঘিউ অৰ্থাৎ ঘিউ পানীৰে এশবাৰ ধুই সেই ঘিউ সানিব।

১১০৯। কোমা ভাতুৰীৰ পাতৰ ৰস দুতোলা আৰু তিলৰ তেল দুতোলা মিলাই এখন কাঁহৰ মাজতলে বদত থ'ব-সব পাৰা তপত হ'লে সেই তেল তালুত আৰু হাত-ভৰিৰ তলুৱাত ঘঁহিলে গা-হাতৰ পোৰণি গুচিব।

১১১০। চেঁচা পানীৰে ভালকৈ ভৰি-হাত ধুই কোমা ভাতুৰীৰ পাতৰ ৰস আৰু তিলৰ তেল মিহলি কৰি হাত ভৰিত ঘঁহিব।

১১১১। পদ্ম পাতৰ বা কলপাতৰ শয্যা পাতি শুৱাই চন্দনৰ পানীত তিতোৱা বিচনীৰে বিচিব। গাত পানী ছটিয়ালে, চেঁচা পানীৰে গা ধুলে গা জুৰ পৰে।

১১১২। ৮ আৰু ৯ নং খোৱা দৰব গা ঘঁহিব।

ঔষধ

৩য় খণ্ড

ঊৰ্দ্ধশ্বাসৰ দৰব :

শ্বেত মদাৰৰ ৰস, মধু, নীলকণ্ঠ, ভুমুকৰ পানী সকলোকে বটি খাব।

চকুৰোগৰ দৰব :

ভোমোৰা গুটি, আমলখি, শিলিখা, নিয়ৰৰ পানীৰে বটি ছাঁত শুকুৱাই লৈ চকুত অঞ্জন দিব।

উদফাই, কাঁহ, ঘুংগুৰৰ দৰব :

১। দুবামালী ফুলৰ পাত, কঠনাৰ ছাল-পাত, কঠালৰ ছাল-পাত সবাকে গুৰি কৰি আহু চাউলৰ আধাখিনি গুৰি লব চাৰিওকে একত্ৰ কৰি খাব।

২। বাদুলীৰ মাংস, মৰিচ, পিপলী, মৰাণ আদা সবাকে ৰান্ধি খাব।

কাস, শ্বাস, পানীলগাৰ দৰব :

চেংগমৰা এতোলা গুৰিকৰি মৌৰে সৈতে খাব।

বৰ বায়ুৰ দৰব :

আমলখি, শিলিখা, ভোমোৰা গুটি, জালুক, পিপলি, আদা কাকড়াশৃংগী, কেতুৰী, কপৌফুল, দ্ৰাক্ষা, ঔফুল, বৰকুহিয়াৰৰ পাত, ভলুকা বাঁহৰ পাত, আমলখিৰ ছাল, জামুৰ ছাল, বৰপুৰৈৰ ঠাৰি, শতমূল, আঠিয়াকল, অমৰাৰ ছাল, এৰাঁ গাখীৰ সবাকে একত্ৰ কৰি কলসত থৈ গেলিলে মূৰত ভৰণ দিব।

বিপাদিকাৰ দৰব :

আমগুটি, পুৰা টেংগাৰ বাকলি, কাঠফুলা, বিড়ংগনা সবাকে বটি লেপ দিব।

হাড় ভগা জোৰা হোৱা দৰব :

লাই সামুকৰ বাহ, কেয়া কাইটৰ শিপা, ভেকুৰা খৰিছা, ভলুকা বাঁহৰ কুঁহি, ৰৰছা সবাকে বটি লেপ দিব।

দাঁত পোকৰ দৰব :

মৰাণ আদা, তেজমুইৰ শিপা, পুৰণি বৰুণ আঢ়েটা, নীলকণ্ঠ, তৰা গুটি এটা বটি দাঁতত দিব।

দাঁতৰ গুৰি পকিলে দিয়া দৰব :

মৰিচ, যষ্টিমধু, কুড়, বনসত, সবাকে বটি দাঁতত লগাব।

কুমতিয়াৰ দৰব :

আমৰ্ভিলিকা, সলিসূতা, মৰাণ আদা, গাঠিয়ন, বেতৰ লা, একত্ৰ কৰি দিব।

সাপৰ বিষৰ দৰব :

১। আমগুটি কুঞ্জিঠেকেৰা, কনকবিৰা, কঠগুাৰ ছাল, বাতিমণিৰ ছাল, বটি দাঁড়ৰ মুখত দিব।

২। হিংগুল এমহা, হৰিতাল, মনিছাল, তুতীয়া, দাৰমুখ, বিয়ালিটুক, সোলংগ, আদমহা সবাকে বটি গুৰি কৰি পচতীয়াৰ এংগাৰ, বগৰী এংগাৰৰ জুই দি তাত গুৰি অলপ পেলাই দি তিনিদিন ধোঁৱা লব।

সোতৰ দৰব :

কোৱাভাতুৰীৰ আলু, নুনিপাত, কলা খাৰ বটি মুৰ ধুব।

গৰুৰ গলবেৰাৰ দৰব :

শৰ পহুৰ শিংগৰ গুৰি ১ তোলা, জালুক ২ তোলা, পিপলি ২ তোলা, তিনিওকে বটি খুৱাব।

সৰ্ব কাঁহৰ দৰব :

কৰ্দৈ ৬০ টা, সোলেংগ ৬ টা, পুনিখাৰ ১ সেৰ, মোৱামাছৰ মুৰ গুচাই লব। প্ৰথমে সৰিয়হ বটিব, তাৰ পাছত মোৱামাছ দিব ঢাকন দিব। পিচত সোলোংগৰ ৰস দিব। তাৰ পিচত পুনি খাৰ দিব যদি নীৰস হয় অলপ পানী দিব। সিদ্ধ হলে নমাই থব। আগদিনা আবেলি বাদ্ধি থৈ পিচদিনা পুৱাৰ পৰা ৰাতিলৈ তিনিভাগ কৰি তিনিবাৰ খাব।

তিনিদিন বাদ্ধি খাব লাগিব। (দিনত তিনিবাৰকৈ)

কুছিয়ামোৰ, পেটৰ বিষ, পেট উখহাৰ দৰব :

বছৰ ৰস ১ তোলা, মৰিচ২১টা, পিপলি ২১ টা, সকলোকে বটি খাব।

খৰৰ পৰা মিশূল হোৱাৰ দৰব :

দৈ গাখীৰ ১ তোলা, বাহকৰ ৰস ১ তোলা মিহলাই খাব।

চকুত ফুলপৰাৰ দৰব :

মনিছাল, সৈন্ধৱ লোণ, মালতী ফুলৰ শিপাৰ ৰস তিনিকো চকুত দিব।

ৰক্ত বাতৰ দৰৱ :

মচুলি তিতা, বাহক তিতা, নিম তিতা, কৰ্দৈ, সোলেংদ টেঙা, যথাৰ সবাকে পগাই খাব।

ৰৰথছুৰ দৰৱ :

দুবপাঙ্কবালি, জালুক২১ টা, বাঘৰ মাংস, কানি আংগুলি প্ৰমাণে লৈ সবাকে বটি খুৱাব।

কোষ নাশ হোৱা দৰৱ :

ফুকৰাৰ শিপা ককালত বান্ধি লব।

ডোম জ্বৰৰ দৰৱ :

ভেৰেণ্ডাৰ শিপা, বাটত বৰা গাহৰীয়ে ললোটি লোৱা ধুলি লৈ দেওবাৰে বা মংগলবাৰে দুইকো মিলাই ফোট দিব।

শোথা নাশ হোৱা দৰৱ :

দেৱ তৰা আলু, কোৱাভাতুৰীৰ আলু দুইকো নাকেৰে উজাব।

বাত বিষৰ দৰৱ :

লাতকৰ্ণ, সলিবিসলি, বামশৰ, সম্পূৰ্ণ শৰ, বাঘিনী, পাৰিজাত ফুলৰ আলু, গুণৰাজ সোন্দাকলৰ আগ, ডোম চোৰতৰ শিপা, ভেৰেণ্ডাৰ শিপা, গোৰখচেই ৰৰপুনিৰ পাত, চেংগমৰাৰ আলু, ওভতা পৰুৱাৰ বাঁহ, আউনি পানৰ শিপা, লোণ, জালুক, পিলি, উতনুৱাৰ হাড়, শিংগি মাছৰ কাইট, শগুণৰ হাড়, টিকাৰ হাড়, সাংখিনী হাড়, বৰ আহুক, মচন্দৰী, বৰুণৰ ছাল, জাতি বিষ, বাঘৰ গাখীৰ সবাকে গোটাই এড়ি চোকবাত ভৰাই হাতত বান্ধিব।

কুমসাৰৰ দৰৱ :

কোৱাভাতুৰীৰ গছৰ ছাল, জালুক ২১টা, বচ, মবাণ আদা সবাকে বটি বড়ি কৰি খাব।

টেংগাপানী অহা, বমিৰ দৰৱ :

হালথিৰ বস, বাহকৰ বস, নিমতিতা, মহাতিতা, পোন্নালতি সবাকে সম জোখত লৈ ৩২ তোলা পানীত সিজাই ৮ তোলা হলে নমাই থৈ চেকি খাব। দিনত তিনিবাৰকৈ

বাতৰোগৰ দৰৱ :

১। কাছৰ মুৰ, মৰা তাৰৰ শিপা, পাৰিজাত ফুলৰ এালু, চালনীৰ ওপৰৰ চাউল,

সোণবৰিয়ালৰ শিপা, একল বীৰৰ শিপা, লোণ, জালুক, পিপলি, সবাকে একেলগ কৰি হাতত আৰিব।

২। জালুক, পিপলি, আদাশুণ্ঠি, পিপলিৰ মূল, চিতা, কালজিৰা, ভোগজিৰা, জনি, ঘোৰা জনি, শিলিখা, বৰচৈই, সৈন্ধৱ লোণ, যখাৰ, বিৰংগ ছাল, থেকেৰা সকলোকে সমজোখে লৈ গুগুল ১ তোলা দি বটি খাব।

দানৱ, ৰাক্ষস, ভুত-প্ৰেত, ডাকিনী,

আদিৰ ভয় নাশ হোৱা দৰৱ ঃ

শ্বেত অপৰাজিতা, জয়ন্তী ফুলৰ শিপা, বচসিহা, লোৱাল এই সকলো একত্ৰ কৰি এড়িত ভৰাই হাতত আৰি লব।

শ্বাস, কাহ, হৃদৰোগৰ দৰৱ ঃ

চনা কচু আলুৰ গুৰা, বৰুণৰ ছাল, আগিয়াচিতা, লাতকুণ, জামিৰ ৰস দিয়া পানী, জাইফল, লৱংগ, জাইপত্ৰ, কালজিৰা, ভোগজিৰা, জালুক, পিপলি, বাহক তিতা, লতাতিতা, ৰামবাহক, ভুইতিতা সবাকে সিজাই খাব।

খৰপীড়াৰ দৰৱ ঃ

গোখোৰ কাঁইট ১ তোলা, আকন বিন্ধি, আমলখি, ভোমোৰাগুটি সবাকে একেলগে খুন্দি ৩২ তোলাপানীৰে সিজাই ৮ তোলা হলে নমাই থৈ চেকি খাব।

অম্ল পিত্তৰ দৰৱ ঃ

ৰাংগা হালধি, কলীয়া হালধি, আদা, বনজৰা, সৰুবৰ, মানিমুনি, তেজমুই, শিলিখা গুৰি কৰি তিনিচামুচকৈ দিনে তিনিবাৰকৈ খাব।

পিত্ত বাতৰ দৰৱ ঃ

হালধি ২০ তোলা, পলাশ ফুল ২০ তোলা, সৰু মানিমুনি ২০তোলা, আদা ২০ তোলা, কলীয়া হালধি ২০ তোলা, বচ ২০ তোলা, সবাকে গুৰি কৰি ৩ চামুচকৈ দিনে তিনিবাৰকৈ খাব।

খৰপীড়া, গাঠি মুদগৰ, জিংগিৰি আদৰি দৰৱ ঃ

ক্ৰন্টকোৰি, গোখোৰ কাটা, শতমূল, যষ্টিমধু, যখাৰ, সকলোৰে সমান জোখেৰে লব। ৩২ তোলা পানী দি সিজাই ৮ তোলা থাকোতে নুমাব আৰু চেকি মৌৰে খাহ।

পেটৰ গুল্মৰোগ নাশ ঃ

দেবদাৰু, পিপলি, একলবীৰ, আদা শুণ্ঠি, লেটাগুটিৰ ডাল সবাকে গুৰি কৰি খাব।

মূৰ, কপাল বিষোৱা আৰু শোকৰ দৰব ঃ

এড়াৰ শিপা, কুড়, চাংগেৰী টেঙা, কাঞ্জি সমে বাটি মূৰত ভৰণ দিব।

মূৰৰ বিষৰ দৰব ঃ

কুমকুম, জাইপত্ৰী, দুবৰি (দূৰ্বা) তিনিওকে বটি ৰস উলিয়াই নাকেৰে উজাব।

এৰাঁ লগাৰ দৰব ঃ

১। ডালিমৰ ৰস, চাংগেৰীৰ ৰস, দুৰ্বাৰ ৰস তিনিওকে বটি ৰস উলিয়াই নাকেৰে উজাই দিব।

২। কালিকচু, ৰৰথেকেৰা, আমলখি, আমৰা, নেমুটেঙা সবাকে বটি ভৰণ লব।

অৰ্দ্ধ কপালীৰ দৰব ঃ

১। এড়াৰ মূল, মেদেলুৱা মূল, নেলুকা চন্দন, কাঞ্জি সবাকে বটি কপালত লেপ দিব।

২। কুমকুম, চন্দন, যষ্টিমধু, চেনি, ডালিমৰ ফুলৰ ৰস, সবাকে সম পৰিমাণে লৈ বটি ৰস উলিয়াই নাকেৰে উজাই দিব।

মূৰৰ বিষ, আদকপালীৰ দৰব ঃ

এড়াৰ মূল, কুড়, মেদেলুৱা, কাঞ্জি বটি কপালত লেপ দিব।

ঔষধ ওলোৱা দৰব ঃ

বন নহৰু ১ গোট, একে বৰণীয়া গৰুৰ গাখীৰ একপোৱা, কনাৰী পাতৰ আগ ও কোমল পাত, পাতত দি সিজাই পাছদিনা খাব। তাৰ পাছত কোমল চাউল এমুঠি খাব। নহ'লে শিলিখা ২/৩ টা খাব।

দাঁত পোকৰ দৰব ঃ

আকনৰ এথা তুলৰ সহিতে দাঁতৰ গুৰিত লগাই দিব, ভাল হ'ব।

স্বপ্ন দোষৰ দৰব ঃ

সমান চাৰিচুকিয়া ১।। দুই অনা ভৰ ওজনৰ সীচা এডোখৰ শনিবাৰে ৰাতিপুৱা ককালত বান্ধিলে নাশ হয়।।

মাইকী মানুহৰ গা দুঃখ থাকিলে ভাল হয় (পেইন্ট হোৱাৰ সময়ত)

ফেটি সাপৰ মোট এটা বাঁওফালৰ কৰংগনত বান্ধিলে সোনকালে ভাল হয়।

বলীয়া কুকুৰে খোৱা দৰব ঃ

বগা কৰবীৰৰ শিপা আধা ইঞ্চি, ৮ টা জালুকৰ লগত বটি খাব।

ল'ৰাৰ দাঁত গজিবৰ সময়ত বেমাৰ হ'লে

চিকাৰ ওপৰৰ ওঁঠতো দাঁতেৰে সৈতে কাটি আনি শুকুৱাই ল'ৰাৰ ডিঙিত বান্ধিলে ভাল হ'ব।

নাকেদি তেজ গলে তাৰ ঔষধ ঃ

সুঠাবনৰ মূল, হাঁচিয়া বন, দ্ৰোৰ্ণৰ মূল, দেমতৰা বন, দ্ৰোৰ্ণৰ পাট, পচতিয়াৰ পাত সবাকে ৰস উলিয়াই নাকেৰে দুই টোপমান সুমুৱাই দিব ভাল হ'ব। (দুই তিনি দিন)

চেংগাবীহুৰ ঔষধ ঃ

চেংগা মৰাৰ আলু, বৰ মানমুনি, পচতিয়াৰ পাতৰ ৰস, গৰৈ মাছ সমে খাব।।

জহনি বেমাৰৰ ঔষধ ঃ

গাঁৱত যেতিয়া জহনি বেমাৰ উপস্থিত হয়, তেতিয়া কিছুমান কেঁচা চূণ কলহত ভৰাই, নতুনকৈ পানী দি ভৰাই তাত কাফুৰ এমহা দি মুখ বান্ধি ৰাখিব, প্ৰতিদিনে ৰাতিপুৱা আৰু গধূলি অলপ খাব, তাৰ পাছত, কিছুমান মহৰ গাখীৰ আনি কুজি থেকেৰা দি খুব টেঙা কৰি পেলাই, কাপোৰেৰে চেকি গাখীৰত থেকেৰা পেলাই দিব সেই পানীতো কাফুৰ দি মুখ বান্ধি ভালকৈ থৈ দিব। (নতুন নিগনিৰ লাদ যিমান হৰ গোটাই ৰাখিব, দৰৱ খোৱাৰ সময়ত আৰৈ চাউলৰ ভাত নেখাব, নোখোৱাকৈ কোনো বেমাৰীৰ ওচৰলৈ নাযাব। খাই যাব। মাছ গাখীৰ নেখালে ভাল, ৰোগীক খাবলৈ নিদিব; খাবলগীয়া পানী সূৰ্য উদয় নোহোৱাতেই আনি, গৰম কৰি নতুন কলহত, কাফুৰ দি মুখ বান্ধি ৰাখিব অলপ খাব প্ৰত্যেক দিনে পাগ পাত্ৰ নতুন কৰি দিনত এবাৰ গা ধুব, যেতিয়া মানুহৰ ভেদ বমি হ'ব, তেতিয়া তুবুকি লতাৰ পাতৰ ভৰণ দিব।।)

১টাৰ পাচত ২ টকা মান চূণৰ পানী খাব, ২৫ মিনিটৰ পাচত পেলুৰ দৰৱ খাব, তাৰ পাচত তলত লিখা দৰৱ খাব।

নেমুটেঙাৰ আগ ৩ টা, সুমথিৰা টেঙাৰ আগ ৩ টা, নুনি গছৰ চাল দক্ষিণ ফালৰ ২ আংগুল, কেএঁৰবনৰ গুটি ৭ টা, গৰু খিছুৰ গুটি ৭ টা, মোৰ দাহীনীৰ শিপা ২ ডাল, সূৰ্য্যকান্তি ফুলৰ শিপা ২ ডাল, পদুনাৰ আগ ৭ টা, ভাং ১ মহা, কাফুৰ আধা মহা, জালুক ১০ টা কলা নিমখ ১ মহা, গাঠিয়ন আধামহা, মকচকল পাটি।। ।।

সকলো বতি বড়ি কৰিব, ১ মহা আভাজ বড়ি কৰিব ১৫ মিনিটৰ অন্তৰে অন্তৰে ১/২ খুৱাব, ভেদ বমি অন্ত নোহোৱা পৰ্য্যন্ত, ফন্দিয়াই ধৰিলে তাৰপিন তেল, মিঠাতেল দুইকো মিচাল কৰি ৰুগীৰ গাত খুব ঘহি দিব। ৪/৫ সেৰ মান লোণ ভাজি সেকিব, তাৰ গাত বাঁহৰ ঘূনৰ গুৰি ঘহিব, আপুনি গৰম হ'ব। যেতিয়া মুতিব নোৱাৰিব তেতিয়া তলত লিখা দৰৱ খুৱাব।

মানিমুনি শপা ৩ ডাল, নতুনকৈ হুগা নিগনিৰ লাদ ২১ টা, ২ টা পানীত বটি খুৱাব, পেস্রাব চলিলে জিব, যেতিয়া ভেদ বমি বন্ধ হ'ব, তাক মাজে মাজে ভৰণ দি থাকিব।। ২০ মিনিটৰ অন্তৰে চুণৰ পানী খাব। যেতিয়া পিয়াহ লাগিব গৰম কৰা থান্দা পানী খাব, মাজে মাজে টেংগা গাধীৰ পানী অলপ অলপ খাব, দুটা এটা ডালিমৰ গুটি মুখত দিব। যেতিয়া বন্ধ হ'ব, সিজোৱা পীথা বা চাগুদানা কিম্বা উখোৱা চাউলৰ কোমল ভাত দিব, পদুনাৰ সহিত ভাত দিব।

গ্ৰহণীৰ দৰৱ ঃ

গ্ৰহণী হ'লে খাবোনি, জলকীয়া, বেটগাজ, পোৱা মাছ, বঙালাউ, মছুৰ মাহ আদি গৰম বস্তু নেখাব।

১। গধূলি কৰকৰা ভাতৰ লগত নেমুটেঙা ৭ ফাল চেপি লব, চুৰা টেঙা গাধীৰ লব, আঠিয়া কল প্ৰতিদিন খাব, বাতিপুৱাই ঔষধ খাব, কেঁচা আঠিয়াকল এটা, নেমু টেঙাৰ ৰস, কেঁচা কলৰ বাকলি সহ ৫ টা লব, তাতে কানী মাটি মাহৰ দুইভাৰ সমান লব, গৰুৰ গাধীৰৰ এবাঁ গাধীৰ সকলোকে মিহুল কৰি খাব।

২। কথালৰ আগ ৭ টা, সৰু বৰ মানিমুনি, ধতুৰাৰ কোমল আগ ৩ টা, আকণৰ কোমল আগ ৩ টা, ভাঙৰ আগ ৩ টা আটাইকে বতি পান শুকুৱাৰ দৰে শুকাব, তাৰ পাছত বুট মাহৰ সমান কৰি বড়ি কৰি লব। প্ৰতিদিনে বাতিপুৱা আৰু গধূলি খাব।

৩। চেংগেলী মাছ, কুজি থেকেৰা, টেপৰ টেঙা সিজাই খাব।

মাইকী মানুহৰ বৰ ফুল সৰা দৰৱ ঃ

কথন্দাৰ সৰা ফুল, হিদালৰ সৰা ফুল, দুইকো মিহলাই পানীত মোহাৰি খাব।

বৰ পুনীৰ শিপা, কলাসূতাৰে একে উশাহে চুলিত বান্ধি দিব। নতুবা দালচেনি পানীৰ সহিত মোহাৰি খাব আৰু পেটত ঘহি দিব।

ৰোগৰ লক্ষণ ঃ- কুহ কুহিয়া জ্বৰ, থাহ মাৰি ধৰে, কাঁহি থাকে তাৰ ঔষধ

কযুৰ ১ মহা, মৰাণ আদা ৫০ গ্ৰাম, জালুক ২১ টা, পিপলি ৭ টা, কানী আধামহা, সকলো বটি মৌৰ ৰসত মাৰি দিনত তিনিবাৰকৈ খাব।

শগুণী লতাৰ পাত, ভেদাই লতাৰ পাত, নেমু টেঙাৰ পাত সকলোকে ১ সেৰ মান পানীত সিজাই আধা সেৰমান কৰিব। মৌৰ সহিত মিছাল কৰি খাব।

কঠালৰ কুণহিপাত, সৰু বৰ মানিমুনি, আকণৰ কুঁহিপাত, ধতুৰাৰ কুঁহিপাত, কানি ১মহা সৰাকে মিহু কৰি দিনত তিনিবাৰকৈ খাব।

সন্তান হোৱা দৰৱ ঃ

ঘৰত পোহা কলা মেকুৰিৰ ৰক্ত, আকণৰ তুলা, পুষ্যা নক্ষত্ৰ সংগ্ৰহ কৰিব লাগে। চাৰি দিনীয়া গা ধোৱৰ দিনা ৰক্ত কণিকা তুলাত লগাই গা ধোব লাগে। গাত লগাই দিব(পুৰুষে)

মালভোগ কলৰ মাজত গুবৰুৰাৰ পেতু, গেৰেলাৰ গু, সোপ, বৰঘৰৰ দক্ষিণ ফালৰ চালৰ কুটা মাজত সুমুৱাই খাব।

মামৰিৰ দৰৱ :

নীলকণ্ঠৰ মূল, ৰংগাচিতাৰ মূল, লতা তিতাৰ মূল, বাহেকৰ মূল, কেশৰাজৰ মূল, হৰিদ্ৰা।

সকলোকে লগ কৰি চোবাই খাব বা বটি খাব।

পদ্মনলাৰ দৰৱ :

ক'লা তুলসীৰ আগ ৭ টা, মৰাণ আদা, লোণ পদ্মগোট, তেজমুইৰ মূল, জালুক ৫ টা, পিপলি আঢ়েটা।

সবাকে লগ কৰি বটি পি খাব

ঘুংগৰৰ দৰৱ :

১। গন্ধক বটি পোষ্টৰ ভিতৰে থৈ পুৰি ক'লা হলে ৰাখিবা কেঞ্চো গোট দি বটি পি খাব।

২। ৰাতিমণিৰ মূল, ভেৰেণ্ডা, শিলিখা সমভাগে লৈ বটি খাব।

সৰ্ব কুষ্ঠৰ দৰৱ :

কসাসাল ১, গুড ১ ৰোহিন্তা গৃহে স্থাপয়েত, কৃৰ্তিকায়া পানাত।

কুৰুণ্ডৰ দৰৱ :

অনিপুষ্প ১ টা, ধান্য পুষ্প ১ টা, ঘোটম্যাল দুগ্ধ১।

বটি লেপ দিব

ৰাজ বশ্যকৰণ দৰৱ :

কুমকুম, বগা চন্দন, গোৰোক চেনা, গাখীৰ, গোলাপজল।

সবাকে বটি কপালত তিল এটাৰ মান ফোট লব

জল সাৰৰ দৰৱ :

ধাতু ফল ১২, সৈন্ধব্য লোণ দুয়োকে এখত্ৰ কৰি খাব।

অৰিসৰ দৰৱ :

উহমুৰ ফল১, তাৰ মূল, ছাল বটি খাব।

বিষুসাৰৰ দৰৱ :

ভোমোৰা গছৰ ছাল, কেঁচা গাখীৰত সমভাগ লৈ খাব।

স্ত্রী জলসাৰৰ দৰৱ :

টেঁপৰীয়াৰ পত্ৰ, ষ্টামাস গুড়িৰে খাব।

কুকুণ্ডৰ দৰৱ :

কণ্টকোৰ বীজ, আদা সহিতে বটি লেপ দিব।

দাঁত চুলি নপকাৰ দৰৱ :

নিগুণ্ডি মূল১, গুড়ি কৰি ছাগলীৰ গাখীৰেৰে খাব। ৭ দিনলৈ সহবাস নকৰিব।

ডিংগৰীয়া ৰোগৰ দৰৱ :

বকুলৰ গুটি বটি খাব।

ক্ষয় ৰোগৰ দৰৱ :

তালমূলি সৌসহ খাব।

হ্যলধীয়া কাংগলৰ দৰৱ :

এৰগুমূল বটি চকুৰ গুৰিত লেপ দিব।

কাম নাশ হোৱা দৰৱ :

১। নিগুণ্ডি চূৰ্ণ ১, মৌ ১, পপ্লিস ১, সমে খাব।

২। চিতা মূল, বাসক ৰস, ভেকুৰী তিতাৰ ৰস, মৌ একত্রে পান কৰিব।

অৰ্ধ কপালিৰ দৰৱ :

সোলষ্ঠ বীজ, আদা বটি লেপ দিব।

বিন্দুসাৰৰ দৰৱ :

যখাব, শৰ্কৰা বটি খাব।

উদৰৰ সৰ্ব শূলৰ দৰৱ :

এলাপিপলি চূৰ্ণ দৰো সমকৰি ঘিঁউৰে খাব।

কুকুণ্ডৰ দৰৱ :

স্বেতাৰ্ক মূল গুঞ্জ সমে বটি লেপিব।

বসন্ত ৰোগৰ দৰৱ

জয়ন্তী ফুলৰ মূল বাহি পানীৰে বটি খাব।

চকুৰ পটলৰ ৰোগ :

শ্বেত অপৰাজিতাৰ অঞ্জন লব।

বশ্য হোৱা দৰৱ :

একেবৰণীয়া গৰুৰ গাখীৰ (মাক আৰু পোৱালী) কাদলী বীজ লগ কৰি অংগত লেপ দিব।

চক্ষু ৰোগৰ দৰৱ :

বিশ্ব পত্ৰ ১, ছাগলীৰ গাখীৰ ১, জাতি ফল ১, হৰিদ্ৰা ১ বটি চক্ষুপুটে লেপ দিব।

কৃষ্ণ কুষ্ঠৰ দৰৱ :

ধাতৃচচ১, তাৰফল১, বীজ ১, মধু ১, সৌৰিবাৰ চতুৰ্দশীত স্বেত অপৰাজিতাৰ মূল ১, ঘৃতৰে সিদ্ধ কৰি ৫ বাৰ লেপ দিব।

শ্বেত কুষ্ঠ ৰোগৰ দৰৱ :

বগা অপৰাজিতাৰ মূল, মধু সমে বটি লেপ দিব।

বিকাচ কুষ্ঠ ৰোগৰ দৰৱ :

আদিত্য বাসতে সেত অপৰাজিতাৰ মূল ১, অজলাদ ১, তিলতেল সহ তিনিবাৰ লেপ দিব।

কুকণ্ডৰ দৰৱ :

কামৰংগা ১, আদ্ৰক ১, সৈন্ধৱ লোণেৰে লেপ দিব।

গলগ্ৰহৰ ঔষধ :

১। জিকা ফুল ১, বকুলৰ ফুল ১, আলপটা বটি খাব।
গালি মাৰ আছিল হাৰিৰ ঘৰে বাপেৰ আছিল কুলা বৈই ককায়েৰ আছিলা হাট সাৰি। বায়েৰ আছিল ভৰি পকালি। চাৰিৰ কথা জানো, মই কও কথা এইবোৰ সুন তই। লাথি মাৰ খেদো মই। মাৰিলো লাথি কৰিবি কি। মাংগৰ তলে সাতবেলি

সৰকালো। গিদাকেৰে কাদি। খুচু খুচুৰ কৰ তই। বাল চিৰ্গিগ চিৰ্গিগ দিয়ো মই। কাৰ বাল মাহেদৱৰ বাল। চিংগিলো তিনি ডাল। তিনিডাল বাল চাৰিডাল ভৈল। সমস্তে খেত্ৰৰ মায়া মৰিল। মাৰৰ খোচৰ কথা কওঁ মাৰক কৰিলে নটুৱা টনা। মাৰি কোলাহৰা সিয়ালে। আহিন ৰসে সতত তই পাৰি। লিংগত দিলে তল লো। লো দি কৰিম লাজ। মাৰেৰে তই জোৰা খাই থাক। বায়েৰে সুমথিৰ টেংগা পুৰিবাক গৈল। অজগৰ সৰ্পে দৰসন ভৈল। দৰসন হয়া আছে চাই। খৰস কৰি লিংগ বজাই। বিৰাই ৰাম তোৰ নাম কওঁ সুনা। তান নাম সুনিলো মই। নাম কওঁ তৈখিনলা। ই দুই হৰিচন্দ্ৰ ধন জাই পকি চন্দ্ৰলা পিচ্ছি। ই গোপি চন্দন কাজন নাথ। ধৱল খেত্ৰ লাজ হই থাক। কোটা খেত্ৰ কোটা বল থলো বান্ধি পাতলতল। সাত খেত্ৰৰ কথা কওঁ ভৈলা সমাপতি ভগিনা খেত্ৰৰ কথা কওঁ শুনিয়ো দুৰ্ম্মতি। ভেক ভেক নাও ভেলাই সুধি খটোৰমাৰে চাংগত উঠি তোক ৰমি চকু লগাই। চৰ চৰ কৰি সুতি পঠাই তিনিৰ তিনিৰ কৰস তই। বিষ বিষ বিষালি কৰিবি কি। মহাদেৱৰ বচনে টুটি গৈল বিষ। হৰ বিষ হৰ হৰিহৰ নাসিবি খেত্ৰৰি সিমা সঞ্চাৰ। জোবে তই আস আগবাঢ়ি খাইবো আগমাংস কাটি। গৌৰিৰ মাথাত দি ৰসলাৰে। উলটি জাস খেত্ৰ কৈলাস গুৰিত দিলো গাঠি নাসিবি খেত্ৰ উজনি ভাটি। শনিবাৰে খেত্ৰ উপস্তিস্থিত ভৈলা। খেত্ৰ সাধন দিবাক লৈলা। গৌৰিৰ বান্ধ দিপে লৈগৈল। পূৰ্ব্ব বৈল হৰিচন্দ্ৰ। পশ্চিমে হৰিথা। উত্তৰে কল। হং হং হংকাৰ চাৰিজা লংকাৰ পাৰ নাহিবি অমুকাৰ ঘৰবাৰি সিমা সঞ্চাৰ।।**।। সিখণ্ডী কৃষ্ণে খেত্ৰ মন্ত্ৰ সমাপ্ত চাৰি খেত্ৰ দক্ষৰ ভাই। ব্ৰহ্মাৰ নাগপাশে বান্ধি পেলাই। নলৰিবি নচৰিবি নকাটিবি ভৰি। উভোতা গোড়ে বান্ধি থৈচো গণ্ডুসত কৰি। নাগচন্দ্ৰ খেত্ৰ ধ্যানখেত্ৰ উপজিল খেত্ৰ মংগলবাৰে কালক্ষণবোলা। টেপেটা বাটত পাতিলে খেলা। মহাদেৱৰ বিৰ্য্যে পাৰ্ব্বতিৰ গৰ্ভেথিতি ভৈলা কোনবেলা। দেউবাৰে ডেৰপৰনিশাত থিতি ভৈলা। সেহি ঠাই বাটত দেখিলে কালিকা জাই। অৰে অৰে খেত্ৰ খেতৰি কিকৰ তই। হাটত বাটত মনুষ্যৰ লাগ জাই পাছত ঘৰত তমো মই। খেত্ৰ কৰে কুলি মালি। চাৰি দিশ চাই খেত্ৰ হাসে খল খলি। তোৰ জন্ম কথা কওঁ। জেই তোৰ হাতত বন্দি কৰি থওঁ। তৃদশ কোটি দেৱতাৰ শপত, মহাদেৱৰ শপত, বান্ধিলোখেত্ৰ খেতৰি পঢ়িনামহিত মোৰ হাক গুৰুৰ ডাক বান্ধিলো খেত্ৰ থেকৰিনি জমদি থাক। হং হং জাৰনাসিবি খেত্ৰ খেতৰণি সিমা সঞ্চাৰ।*। চিন্তযে পুৰুষৰ মেটা। বেকত হেন বৰ্ণসমপ্ৰেংগ। নলাট মৰিষ্টেয়ে, চক্ষু আদিতৃসমভয়ং। তিনি উৰ্দ্ধপাদে জিবি জুথা। সাচালংগৰি সিদ্ধ মন্ধ কওঁ কেশ গুদ্ধালোমভূতং। চন্দ্ৰতয়োসিথৰ্গজিবা। পঞ্চৰসিতহুং।

কৰ্ণস্যাৰং ভবিসং। দন্তগোলং শিংগসবিৰ। নখচন্দ্ৰ তৃদশংভবৈ হৰতিলোকং আসুৰোগ্যাংতদুজাখেত্ৰং। আমুকি এৰি বান্ধো আংগ বান্ধো জাংগ বান্ধো নব দুৱাৰ গৌৰিৰ বাণি গৌৰিৰ বান্ধে বান্ধো। ক্ষেত্ৰ গাঠি বন্দি হুই থাক। ধন জক্ষ ক্ষেত্ৰক বান্ধো, জল বান্ধো, পলয়া খেত্ৰক বান্ধো, ভগুাৰি খেত্ৰক বান্ধো, খোৰা খেত্ৰক বান্ধো, বিসাল খেত্ৰক বান্ধো, খোৰাজংগলিয়া, দক্ষিণে জৰি, বায়্যে ঘুমাই। মটিয়া, ঐসান্যে বলিয়া, নৈৰীতে নগা, অগ্নিয়ে আজোক হৰিচন্দ্ৰক বান্ধো, কলিয়াক বান্ধো, দেৱদেৱ মহেশ্বৰ উজনিভাটি। বান্ধিলো লক্ষ কোটি খেত্ৰ ব্যালিশ কোটি দেৱতা। নিচলে থাক জেবে সাগৰ সুকাই পৰ্ব্বত লুকাই তেবেসে দেৱতা বন্ধা সুকাই। আজ্ঞাক বান্ধো নাসিবি খেত্ৰ গৌৰিৰ মাথে দিয়া পাওঁ উলটি ভৈলা।।***।।

ভৈৰৱী পিশাচৰ মন্ত্ৰ

শ্ৰীকৃষ্ণায়ে নমোঃ শ্ৰী ধনন্তৰীয়ে নমোঃ ভৈৰবি মন্ত্ৰ। ৰাথাকি গজকি দায়ন চিছিদায়, চিছিকিজাগণ, সুচুকি পায়। লসমেস্বৰ চুমকিদয়ন চোৰাতিলুক, কিদায়ন ৰোকিসামো ভুক্কোকিৰ্কি ভক্কো ৰামকি উডাই মাস্যাকিদহাই, নামাকিত ধাই, ধোৰকালৰয়ঃ কৃকদায়ন পূজিলাবগো, চক্ৰদায়ন জিনি আৰজিদ, তিকিদয়ন, সমগ্নকি দধন চৰাকি নাগকি, গুমাই, মাবিকিখমহা, নিজমাজিমাল, বিৰালিতো বিৰান্ধে লুকিদযৰ, হুংহুকেহো হোজনক্তে। হেক্তেলা, মোজ যামাক্তে, পূজেদয়ন, সৃবযপছিদায়ন, হুংহ্ৰাবতি মাতি আনিলা। ভৈৰবিগোসাইক লাগ নাপাইলা। কামেকাৰ্যে উতপতি ভৈলা। ভৈৰবি গোসাই থিয় দিয়া ৰৈলা। মাৰমাৰ বুলি পাবৈ সাৰতি মাদাক গোসাই উঠি বোলে নামাতি আক ববিবাৰ অজয়সমক তই হৈবি, পূজা বলি খাই তই ৰাজ্যত ফুৰিবি। এহি বুলি কামাক্ষা জেনমত গুনিলা । গোসাইৰ চৰণে চাই ভৈৰবি পৰিলা। তৃদশ কোটি দেৱতাই নমাতিয়া ৰৈলা। তৃদশ দেৱতাই আছিল চাই। ভৈৰবি মন্ত্ৰক লাগ নাপাই। দোআন কৰিআ গৈলেক মতাই। আথুমা গৈলে আছিলা ছাই। পাটালি কামাখ্যাক লাগ নাপাইলা। দেৱনাদ কৰিয়া সম্বাদ বুলিলো জগ্মতৰি তাক লাগ নাপাইলো। দোআন কৰিয়া মাতিবাক লৈলা। কুবেৰ উতপতি কহিবাক লৈলা. আৰ সুজাক মধ্যক তুলি লোংগিয়া কপাত। মংগহ মগজুক ককি খাওঁ খাও তাক খাও। কবে আজ্ঞায়ে ৰামৰ আজ্ঞায়ে ভৈৰবিৰ বচনে সবাক মাৰি কৰিলো ছন্ন। হুং হুং দায়ন, হুং হুং ৰামন তয়ন জৈবে দেবিৰৰ ৰংগে হুং হুং জয়নঃ ৰামনদয়ন জেইবেলা গোসাই দাযান কৰিলা, সিদ্ধৰ যাত্ৰা গোসাই পুছিবাক লৈলা। দাক দিয়া দয়ানক লাগ নাপাইলা। দায়ন মন্ত্ৰ লাগ নাপাই দায়ন মনত্ৰ পাতালে জাই। পাতালৰ নাগ নাগিনি ভাগি পলাই। দেখি দায়ন দাক বিযুগ্ৰযেদায়ন ছক্কদায়ন, কুক্কুজেদায়ন,

বাজ্ঞদায়ন, লগুনাজ্ঞদায়ন, দাকল্প ভৈৰবি দাগনক লগাপইলো। ঊই ঊই ৫৮ দায়ন, [illegible] দাজদায়ন পৃক্তনোৰোগাহো দাকাঁদ য়াপোছৰেক্তকব লাকলে ভৈৰবি মন্ত্ৰ সিদ্ধ লাগ পাইলো। আছোক্তেন [illegible] পাইলা মালা কুলৰ জল। কুবেৰৰ মাকো বান্ধিবে লাগিলা। আনবাঙ্ক লাগিলা আলুপাতাল নাগিনি আনা [illegible] দাংগ ভৰি মালা। বঙ্কণিতত্তে বসিয়াই সুকণি কিমলোদযনে।ভৈৰবি মন্ত্ৰ মায় [illegible]। মাৰিব আইল। তৃদশ কোটি দেৱতাৰ উৰি গৈলামালা। কুমালা কুমাকাসৰ চামন দেৱগণ লাগ নাপাইলো। হং হং দয়নব। ভৈৰবি ভাবি পাতালৰ নাগিনি আইল লোহাৰ দাংগ চামৰ ভৰিমালা। আকাশৰ ৰবি পাতালক জাই। নাগ নাগিনিক লাগ নাপাই। পাতালৰ পৰা আকাশক জাই। চন্দ্ৰ সূৰ্যাক লাগ নাপাই। মেৰু মন্দৰ ভাগিলা জাই। আকাশৰ [illegible] ভৈলা। আকাশ [illegible] দক্ষিণৰ পৰা বায়ু [illegible] বাট [illegible] লৈলা। দক্ষিণ [illegible] পশ্চিমে গৈলা। পশ্চিমৰ ধন কুবেৰৰ লাগ পাইলা [illegible] দেখা ধনকুবেৰৰ আগে চাই দোখ জমহত্ত পলাই যাই জমৰ আজ্ঞা সুনি জাদি ধনকুবেৰৰ আজ্ঞা পাও। মাৰি [illegible]। [illegible] ধনকুবেৰে হাসিবাব [illegible] লাগিলা [illegible] কাই [illegible] পাও [illegible] জমৰ পাতত ৰহিলো মই [illegible] পলাই [illegible] গৈলো [illegible] পাইলো ভৈৰবি মন্ত্ৰক সাধবে লৈলো। তাত সিংহাসন পাৰিয়া দিলো। আসি ভৈৰবি বসিলা তাতে। ৰত্ন সিংহাসন ৰহিলা তাতে। ভাগসুৰে ধুৰাই গৃহক নিলাব কস্যপ ধৰিয়া মাৰিম মই। নবহা পৃথিবী নহবা তই চুলিত ধৰিয়া তুলিম মই। দেখি জমৰাজা তলতৰি কম্পিলা ভৈৰবি মন্ত্ৰক হুংকৰিলা।দেখি ভৈৰবি গৰ্জিবাক লৈলা। সাত পাতালৰ দেব পলাইবে লৈলা। হিৰ হিৰ গিৰ গিৰ পৃথিবী থান লৰে। থাক থাক শব্দে সদলি যেন ফুৰে। মেঘৰ গৰ্জন জেন বাৰিবাৰ দেব। ভৈৰবিৰ আগত আবে কোন দেব। দেখি ভৈৰবি হুংকাৰিলা। চইঅংগ কম্পিবে লৈলা। তৃদশ কোটি দেব পৰিলা। দেখি জমৰাজা আছ চাই দেখিয়া ভৈৰবি চক্ষু উৰাই। জমৰাজা লৰৰ দিয়া পলাই। নাগপাশ থানলাগ নাপাই। হু হু ৰকি চন্দ্ৰ হাই। দেখিয়া ভৈৰবি গাৰৰ বিদামানে দুই দন্তে দেখি তোৰ ব্ৰজৰ্বৰ সমান। চক্ষু দুটা দেখি তোৰ মচুৰ চুত। দুই কাণ দেখো তোৰ ৰক্তত পিত। দুইবাহু দেখো তোৰ বৃক্ষৰ সমান। হং হং দায়ন, হং [illegible] চামন, চেচুজানি মৰণে কুম্ভৰ ভিতৰে কুম্ভৰক বান্ধিবা। বান্ধিলো ব্ৰহ্মাৰ নাগপাশে। জক্ষ জখিনিক বান্ধিলো তেবে। জত জক্ষ বন্দি ভৈলা জেবে চুহি খাৰিবংগ বান্ধিলো তেবে। ভালুৰা বিৰা বন্দি ভৈলা জেবে। সকৈ বিৰাক বান্ধিলা তেবে। হাগুৰি শিৱ

বান্ধিলো জেবে জুটুলা জুটুলিক বান্ধিলো তেবে। বেঙ্কামুখীয়াক বান্ধিলো জেবে। চাপৰি গালিকে বান্ধিলো তেবে। দমকা মুই বন্দি ভৈলা জেবে। নাগেশ্বৰীক বান্ধিলো তেবে। পক্ষপাতট দেৱতাৰ বাস। ভৈৰবি মন্ত্রে ভাংগিলো ভাস। কন্ধমটাক বান্ধিলো তেবে। নিথেংগিয়া বন্দি ভৈলা জেবে। নাতেংগাৰাক বান্ধিলো তেবে। ভৈৰবি দেৱক বান্ধিলো তেবে। জলৰভূতক বান্ধিলো জেবে। জলন্ধসৰক বান্ধিলো তেবে। চাপৰি গালিক বান্ধিলো জেবে। তৃদশ দেৱ মাদে হুমদে আছে। তাক বান্ধিবে লাগি ভৈৰবি সৈন্য আছে, জলকুবেৰক বানিধেলো জেবে। ধন কুবেৰক বান্ধিলো তেবে। মতিয়া কুবেৰক বন্ধি ভৈলা জেবে। পদাকুবেৰ বন্দি ভৈলা জেবে। হকুবাই কুবেৰক বান্ধিলা তেবে। চেকা কুবেৰক বান্ধিলো জেবে। নাগল কুবেৰ বন্দি ভৈলা তেবে। সাত কুবেৰ বন্দি ভৈলা জেবে। সাত কুবেৰ লৰস তই ব্ৰহ্মাৰ নাগপাশে বান্ধিলো মই। গোপাল ক্ষেত্রক বান্ধিলোজেবে। হৰি পাল ক্ষেত্রক বান্ধিলোতেবে। জয়পাল খেঁত্র বন্দিভৈলা জেবে। আকাশি খেত্র বন্দি ভৈলা তেবে। জলক্ষেত্র বন্ধি ভৈলা জেবে। আঠাৰ খেত্র বন্দি ভৈলা তেবে। ব্ৰহ্মাদেৱক লগা নাপাইলা। নাগপাসে বান্ধিয়াথৈলা। কৈলাস পুৰক গৈলেক জেবে। মহাদেৱক পাইলেক তেবে। হাতত ব্ৰজ্ঞ তাতট তৰ দেখি পাৰ্বতি সৰ্ব্ব কাৰ্য্য দেখি পাৰ্ব্বতি খল খলি হাসে। তৃদশ কোটি দেৱতা ত্ৰাশ লাগে। তৃদশকোটি দেৱগণ ভাগি পলাই। জৰন্ধবিৰা তোৰজানো জাত। তোক মাৰিলে দোভাগ ৰাতি। ব্ৰহ্মাৰ নাগপাশে বান্ধে তিনি কাতি। ভৈৰবিৰ বচন মনত লই। বান্ধো দেৱগণ সংগে গই। আকাশ পাতাল সিমা কৰি। বান্ধো অমুকা ৰুগিৰ আগ ধৰি মোৰ হাক গুৰুৰ দাক বান্ধিলো দেৱ নিচলে থাকে আইকামাক্ষ্যাৰ মাথা খাস। ভৈৰবিৰ চক্ৰত পৰি মৰস।।**।

অৰে ভৈৰবি তোৰ জানো জাতি। তৃদশ কোটি দেৱতা আসিলা দোভাগ ৰাতি দেখিয়া ভৈৰবি চক্ষু পকাই চাই। তৃদশ কোটি দেৱনগণ ভাগি পলাই। জক্ষ জথিনি প্ৰেতনিয়ালিনি ডাকিনি জুগুনি সুগুনি তৃধনি আসে ভৈৰবিৰ ঠাই। দেখি ভৈৰবি চক্ষু পকাই চাই। সকলো জক্ষিনি ভাগি পলাই। দৈত্য দানৱ আসে ভৈৰবিৰ ঠাই। দেখি ভৈৰবি চক্ষুপকাই চাই। কুবিৰ কুবেৰ বিৰা ভাগি পলাই। ধনু ধৰি আছে চাই। ধনৰ মায়া পাতালে জাই। ধনৰ সকল ভাংগিয়া চাই। ধনৰ আশামাৰি পথাই। আঠ কোৰৰে আঠ কায়া। ভৈৰবি মন্ত্রে মাৰিলো মায়া। চাৰি ৰাজ্যৰ চাৰি কায় সনাৰমুড়ে ভৰি দিয়া ভৈৰবি মন্ত্রে মাৰিলো মই। সিলাৰ মায়া আতে তাই ভৈৰবি মন্ত্রে

বান্ধিলো চামৰ জৰি। গোচামৰ জৰি গলত দিয়া, সদৰ দেৱ বন্ধিলু গৈয়া। হুং হুদায়নং ভৈৰবি মন্ত্ৰত কৰি ভই ধন দেবে গৈইলেক উঠি সোনাৰ মায়া সবে উঠো চাৰ ভৈৰবি মত্ৰস্বৰ্গ সত্য পাতাল ভৈৰবি মন্ত্ৰে গৰ্জ্জিবাক লৈলা। পাতালৰ নাগিনি কম্পিবাক লাগিলা। ধলৌ পলৌ কৰি পৃথিবীত পৰিলা। মৰোমৰো বুলিয়া মনুষ্যক পাৰে দাক অসিয়া ভৈৰবি ধৰিলেক মুত্তি তৃদশ দেৱতাৰ বাণ চক্ৰ গৈলা পানী উঠি। মনুষ্যৰ কামে ভৈৰবি বাণগাঠি। কোন গাঠি ৰাম গাঠি। কোন গাঠি লক্ষণৰ গাঠি। ভৈৰবি গাঠি লাবস চাবস। ৰাম লক্ষণৰ ব্ৰহ্মা বিষ্ণু মহেশ্বৰৰ চক্ৰত পৰি মৰস।।**।। জেইবেলা ভৈৰবি দয়নকৰিলো ভৈৰবি মন্ত্ৰ সাৰ পাই ভৈৰবিৰ বচন ভৈৰবি আই। ভৈৰবি মন্ত্ৰ দাৰকোবাই জাৰিবাৰ লৈলা তৃদশ কোটি দেবে আছে চাই। ভৈৰবি মন্ত্ৰে লাগ নাপাই। দায় নকৰিয়া মৰিলা গৈ ভৈৰবি মন্ত্ৰে আছিলা চাই।দেখি জমহত পলাই জাই। ঐসান লৰে জমৰ থাই দায় নকৰিয়া জমৰহত পলাইলা ছান্দি দোসান কৰিয়া পেলাইলা বান্ধি। দেখি জমৰাজা আছে চাই। পাট এৰিয়া পলাই জাই। ঐশান্য কোনত জমৰ ঠাই দায় নকৰিয়া পলাই জাই। জত দূৰ দূৰ সুন তৈতে দুৰ হয়া জাইবি। বিৰা কুবেৰ ভাগি পলাই। ভৈৰাবি তাক সুনিলা। তৃদশ কোটি দেৱতাগণ মনত গুনি সুনি ভৈৰবি আকাশে গৈলা। জমৰ পুৰে বন্দি হয়া ৰৈলা। ভৈৰবি দয় নেবান্ধিবেক জাই। জমৰ পুৰত থাক সিতাও দোৱা নকৰিয়া বান্ধিয়া থওঁ। দোৱান মন্ত্ৰ গৈলেক উৰি জয়ন পুৰে মৰিলা গুৰি। সাতো পাতল ভিৰিলে জোবে তৃদশ দেৱতা কম্পিলা তেবে। সাতালি পৰ্ব্বত খলক লাগিল। মেৰুগিৰি পৰ্ব্বত ধলিধলি পৰিল। দাৱনকৰিলো মনত গুনি ভৈৰবি মন্ত্ৰ সুনি। ভৈৰবি দৱন গৰ্জ্জিবাক লৈলা। সাত টাল মেৰু ধলি পৰিলা। মেৰি সিখৰ লঙ্কাপুৰি ভৈৰবি মন্ত্ৰ আছে জুৰি। লৰদি পলাই জমৰ ভাই। দায়ন মন্ত্ৰে খেদিয়া খাই। লৰদি পলাই সৰ্প্পৰ ভাই। দসন চোবাই খাই। লৰদি পলাই জক্ষৰ ভাই। দসন কামুৰি ছোবাই খাই। লৰদি পলাই কুবেৰৰ ভাইৰ ভৈৰবি দয়নে লাগ নপাই। দশন কামুৰি চোবাই খাই। তৃদশ কোটি দেৱতা ভাগি পলাই। দয়ন মন্ত্ৰে খালে চোবাই। তৃদশ কোটি দেৱতাত ভাগি দুৰে পলাই। দৱন মন্ত্ৰে খাইলে চোবাই। তৃদশ কোটি দেৱতা এবেশ্বৰে পাই। সমস্তে দেৱক পেলাইলে খাই। দেসন মেলিয়া খেদিয়া জাই। মুলৰ দেৱতা পেলাই চুছিয়া সমস্তে পলাই জাই। দায় নকৰিবা চুছিয়াক বান্ধো, দায় নকৰিয়ু চুছিয়া চান্দো। চুছিয়া ভুত পলাই আছে। পিৰি ভৈৰবি দয়ন কৰে। মেৰুমূলে ভৈৰবি থিউ। তৃদশ কোটি দেৱতাৰ উৰি গৈলা জিউ। দৱ নকৰিয়া মাৰো ভৈৰবি বৰি বাণ। সমস্তে দেৱক কৰো নিৰ্য্যাণ। ভৈৰবি দাৱনে পাইলেক লাগ। গায়ন মন্ত্ৰ আমাৰ

ভৈলা ক্রমৱাল। আলচি চৰছি পালে গোসাইৰ পাস। গোসাইৰ পাসত পৰিক্রা জেৰে ৰাখা ৰাখা প্ৰভু ভৈৰবিৰ হাতে। এহি বুলি গোসাই আলেচে কাৰ্য্য। তৃদশ কোটি দেবতা পাইলেক লাগ। সত্যকৰিয়া সত্য জাতি। ভৈৰবিৰ কথা সুনি পলাই বিৰাট ক্রৰকৰাছি। পাছে পাছে ভৈৰবি সিঘ্রে চলি গৈলা। দাৰন মন্ত্রে লাগ নাপাইলা গোসাইক দেখি মনত গুণে। গোসাইৰ আগত বহিলাকোন। গোসাই ভৈৰবি ভৈলাথিত। গোসাই আছে পৃথিবী চাৰি ভৈৰবি দৰানে গোসাইক কৰে স্তুতি। তৃদশ কোটি দেৱগণে পলাইলা উঠি। দেখিয়া গোসাই ঠাপ দি ধৰি। ভৈৰবিৰ আগত গোসাই দিলা। তৃদশ কোটি দেবতাৰ লাগিল ত্রাস গোসাই বোলে নামাই থাক দোবৰ কুমাৰি কাম্পবে লৈলা। ফুলেশ্বৰি পেংগুৰা ভৈলা। কায ঢাছিবিয়া ধুাৰ নপাইলা। তৃদশ কোটি দেবতা আলচ কৰ্য্য। ভৈৰবিৰ দোখয় সুখাইত নগ। দেখিয়া গোসাই আছে চাই কৰি সৰে ভৈৰবিক জাই। দেখিয়া দৰানে মাত্রে যোন সুনিয়া ভৈৰবি আসে দৰি। আকাশৰ দেবতা নপলাই সাৰ তৃদশ কোটি দেগণ পলাই ৰাজ্যচাৰি দেখিয়া ভৈৰবি বাম্ভৰাৰ লৈলা। আকাশ স্বৰ্গ বসুমতি বান্দ পাৰিল। দৰান মন্ত্রে লাগ নপাইলা। ভৈৰবিৰ বাণ জাই তেখনে মাৰিলা। স্বৰ্গ মত্য পাতালত ধলিয়া পৰিলা কাতৰ পুতন বাণ বান্ধত মৰিলো। সৰ্ব্বমুখি বাণ বান্ধত মাৰিলো। দুই পাৰ ঢিংগি তাৰ পাতালে পশিশা অগ্নিসন্ধাৰিতাৰ মাথত মাৰিলা নাকে মুখে তাৰ ৰুধিৰ বাহিলা বৰতাল আসা বাণ তাৰ হিয়া ভৰিলা। চুকত বহি তাৰ ৰুধিৰক দিলা। চক্ষু দুটা ভৈৰবিৰ ওঁৰবণ ভৈলা পাতালৰ চাই গৰ্জ্জিবাক লৈলা। তৃদশ কোটি দেবতাৰ থলক লাগিলা। পৃথিবীখান ফুৰে গোসাই আছে থিৰবৰি। ধাৰ সিঘ্রে বেগে ভৈৰবি আসে চানি।দেখে ভৈৰবি গহেৰে আসে চলি দেখি গোসাই ভৈৰবিৰ আকোয়ালী ধৰি। পাতাল পুৰৰ সিমা তলে দেহ ভৰি। এহি বুলি গোসাই ভৈৰবিৰ বচন আছে ধৰি। কি কাৰ্য্যে বৰনি ভৈৰবি হোৱে আমাত যদি আমি বেটাছই আছো তোমাৰ আমাৰ বন্ধ কৰা কিয়। পাতালৰ সিমা এহি কথা সুনি গোসাই মনত গুণিলা। কথা সুনি গোসাই বৰদিয়া গৈলা। মোৰ সুনাকৈলো অজৰ অমৰ হৈবি। ভুত পাষণ্ডক ক্রমপুৰক মাৰি পঠাইবি। পূৰ্বাদশক চাই ভৈৰবি হুংকাৰ চাৰিলা। তেতিক্ষণে ভৈৰবি পাতালক গৈলা। মোৰ কি মৰো ভোখৰে জাতহোৰা কি দহাই ভৈৰবি দাক। দহাই বৰ কলাৰ সুবনে বাবিত বনে সাবৃত চিল কি ছিল খুৰ ভৈৰবি মন্ত্রৰ পাযা জ্ঞিজানে পাই। তৃদশ কোটি দেবতাৰ উৰি গৈল স্ৱিস্থ।*। অৰে অৰে চামন উতপতি ভৈলি। দমনকচা মনক। এক থাইপাইলি হেৰো মোৰ পুতা দমন ভৈলা জাত। তৃদশকোটি দোৱতা নপসিবি মোৰ আমুকা ৰোগিৰ

গাত।।**।। তৃদশ কোটি দেৱগণ পলাই এৰি ভৈৰবি দেৱগণ দয়ন। বুলি মাতিবাক লৈলা। তৃদশ কোটি দেৱগণ ভয়ে ত্রাস ভৈলা। ভৈৰবি দাৰনক সিদ্ধে আনি দিলা। সিদ্ধৰ বাধাইৰ কোন কোন নাও। একাংগি একমালিবেহা খাখিহিয়া খালি নাওঁ। সাগৰ মসা মগৰ বান্ধিলাগৈই। মোক কি জাংগকি কহো দেৱন জাংগো ভৈৰবি দয়ন। কি [illegible] কিবাত। মাৰাগাৰো তৃংগেদিকে দায়ন কিগনমনংগ জান্ত। জিবেলাই জাই জিবেলা ভৈৰবি আসন পাৰিলা। সিদ্ধে লাগ পাইলা। হুবুলি ভৈৰবি হিয়াত মাৰি লাথি। তৃদশ কোটি দেৱতাক মাৰিলা সমূলি। হুবুলি ভৈৰবি সিদ্ধে গৈলা [illegible] তৃদশ কোটি দেৱতা পলাই জাই চাৰি। মুচ্চাজাই পৰিছে মাৰক প্ৰভু ভৈৰবি মন্ত্ৰ [illegible] শৰীৰ ভৈলা দৃঢ়। বুলি মাতি জঙ্কাৰি উঠি দিলা লৰ। লাম্ফাদ কেশক ধৰিলা [illegible] ভৈৰবিৰ মাৰোগা ভৈলাগেদৰ দয়ন মন্ত্ৰ কথা সুনিবাক পাই। [illegible] পলাওঁ জেতানুসমাৰু ভৈৰবিৰ সাৰি। তৃদশ কোটি দেৱগণ পলাই [illegible] মনত গুণি দৰনক কৰিলেক সাৰ। মোৰ ৰুগিন [illegible] ঘাৰে। [illegible] ভৈৰবি। নালে বিধা কথা [illegible] সুমানিকাল পাত [illegible] পৰাণ্ড [illegible] ধনন্তিৰ [illegible] মহাদেৱৰ [illegible] সকল [illegible] পাও মাৰাৰ আকাশে সুৰন দয়ন। [illegible] তৃদশকোটি [illegible] কথা [illegible] তৃদশ কোটি দেৱগণ নাথাকিবি [illegible] ধনকুবেৰ [illegible] লই ভৈৰবি [illegible] কোটি দেৱগণ কৰি তাই চয়। জমদূতক [illegible] ভৈৰবি জাই ধাই। দেখি [illegible] পলাই। জমলপাই পাছসনো জমক মাৰি কুঁৱৰি যদি হোৱা কিমাৰুগুছি। কমাতং কিকপন্ত চিকিজমনি, বিতাবিসং [illegible] কিবাপায়া কৃপাট। কিবিৰ নাসং কিদযনং। অক্তপজনং কিখঙ্কো কিখা, ৰেংগকিজায়ে কিদয়নং পত্ৰকিকমখা। ভৈৰবি দয়নতং, কিজিসিনং গুৰু কিয়নং উশ্বৰ আগেগে কি বলন্তে কি আকাশে সুৰনদৱন কিক্তিবিষ চাদকিয়া ববাৰুনং, কিবাউকি বায়ুসং ছুগুকিৰনং কিমনং কিন্তধৰনওঁ কিচম্ছিমাঅগ্নুজলং কতিসিদুৰিলা খেয়দিলেখাও। বনিজলং হুহঙ্কামগাৰকিপিৰকি লাম্ফুহাই ৰংগকৰন্তে ভৈৰবি দয়নং। বামকি লক্ষনং ভৈৰবি দয়ন, বিন্দি কিঙ্কোগুকিই খাংগোকি দয়ন বৈদ্যদয়ন চাদেকি বাকলওঁ, দাযন, গুৰুৰ হিমনদয়ন, গুমাই খিক্তহোনিফাই দয়ন কিজাঙোগলি, খিথোফিক্কা, কিথালো কিপালোয়ে, কিংগচাৰো সিজায়ো। কিসমানে কি ভৈৰবি দয়নং, [illegible] কিৰমনং

কিকুবেৰং, থামোযহৈবো, জমদাদোয়ন, কিম্বাচিছ্কিদকিদয়ন।।**।। এহি বুলি ভৈৰবি মনত গুনিলা। ঈশ্বৰ মহাদেৱ বৰদিবে লৈলা। সুনিয়া ভৈৰবি অজৰ অমৰ ভৈলা। বৰলৈয়া ভৈৰবি সিগ্ৰেবেগে চলি জাই। তৃদশকোটি দেগণ ভাগি পলাই। দেখিয়া ভৈৰবি ধৰিলেক জাত্তি। চৰ্গ মত্য পাতাল কম্পিয়া গৈলা। কৰিন্ধি বান্ধিয়া ভৈৰবি গৰ্জিবাক লৈলা। তৃদশ দেৱগণ কম্পিবাক লৈলা।*জৈতে জেনি সুনু ভৈৰবিৰ মন্ত্ৰৰ সাৰি. তৃদশকোটি দেৱগণ পলাই ৰাজ্য চাৰি এহি বুলি ভৈৰবি সিগ্ৰে চলি গৈলা। কামাখ্যাৰ পাসতে তেখনে পৰিলা। ভৈৰবি নাম ভৈৰবি দহাই।।*।। দক্ষিণে জমক লাম্ফদিয়া ধৰিলেক লাগ পাই। বান্ধিলা ভৈৰবি মেৰাই মেৰাই। বান্ধৰ চোতত জমৰাজা লৰবি পলাই. স্বৰ্গ মত্য পাতাল কম্পিবে লৈলা। দেখি ভৈৰবি ধৰিলেক জাত্তি। স্বৰ্গ মতা পাতালক পেলাইলেক বান্ধি। বান্ধিয়া ভৈৰবি গৰ্জিবাক লৈলা। মেৰুগিৰি পৰ্ব্বতত খসি পৰিলা। এৰাইবে নপাৰি জাইজমে। ভৈৰবিক কৰে বৰ দুৰ। সত্যে সত্যে নজাওঁ ৰুগিৰ পাসে আৰ। দেখি জমৰাজা দুতসব আসন পাতি জৈত জেনি সুনে ভৈৰবিৰ সাৰি। তৃদশ কোটি দেৱগণ পলাই ৰাজ্য চাৰি।।**।।

নিদানৰ মন্ত্ৰ আৰু ঔষধ

সসৰ্পৰ বিষ নমা মন্ত্ৰ। বুঢ়া আঙুলিৰে টানি জাৰিব।

শ্ৰীকৃষ্ণায়ে নমো। সত্য তেত্ৰা দ্বাপৰ কলি। কাল সৰ্প খালে আসি। ব্ৰহ্মা বিষ্ণু ভৈলা উতপতি নাই বিষ নাই।। ** ।। ব্ৰহ্মা বিষ্ণু মহেশ্বৰ হৰ বিষ হৰ তাহনি, বিজ্ঞনি ফুতনি সূল পানী উঠি পৰ।। **।।

সাপৰ ধৰনি মন্ত্ৰ।।

চুৰ চুৰ মহা চুৰ সাগৰে বান্ধো নাৰিপুৰ। সাগৰ সুকাই পৰ্ব্বত লুকাই তেবে আমুকাৰ চুৰগু মুকলে। ধৰনি ৰতি ধৰনি পতি ধৰনি ধৰো মই। আমুকাৰ সাতো সিৰ আতি। গংগাৰ তিৰত দস বামুণ কপিলা মাৰস যদি মোৰ চুৰ ধৰণি লৰস। মোৰ হাক গুৰুৰ দাক জৈতে থয়ো তৈতে থাক।। **।।

সাপো খোৱা বিষ ধৰণি মন্ত্ৰ।। ইথাবান্ধো, বিথা বান্ধে গৌৰি পাৰ্ব্বতি মোৰ হাক গুৰুৰ ডাক জেমনে বান্ধো তেমনে থাক। হাক চাৰি বিষ ইজাই জাস। উঠৰ গুৰুৰ মাথা খাস।। **।।

বিষৰ তিপনি মন্ত্ৰ।।

বিষৰ থেৰিজাহানি বিষ উতপতি ভৈলা। শিলৰ পুখুৰি শিলৰ নাদ বিষেত্ৰয়োকৰে সেহি ঠাই। পৰ্ব্বতৰ উপৰে বিষে ঠাই বিষনমাই আনিলো। হৈৰ তেৰাই। হাতৰ বিষ হাতট মাৰিলো। পটাৰ বিষ পটাত মাৰিলো কান্ধৰ বিষ লাগিল

জেবে আমুকাৰ বিষ গুচিল তেবে। পূবৰ পৰামাবিলো পশ্চিমলৈ বই জাই। নেদেখিলো নুসুধিলো নৰদি গোসাই। গোবালত জনালো খাব দিবো একিৰহিবো তাতে ধৰিলো কেপাইলা বিষ নাই। বিষতাত বিষ নাই মোত। বিষ বিষ কাই গৰুগে মলছিলে ঠোট কৰ্ণজল বিষ উপৰক ধাৰে মাৰিলো অপাপে কতে মায়ে অ্মায়ে, কৰিলো অনাদি বোলন্ত সিদ্ধগুৰু মহেশ্বৰ। কুচৰচাতিতে নমাইআনো হৰো ৰোগ বিষ আমুকাৰ মাথাত প্ৰদিপ জলে। তিপনি মন্ত্ৰত সমস্ত বিষ হৰে হৰ বিভৰ হৰ আমুকৰা বিষ ব্যাধি পানীকৃত্য হই পৰ।।**।।

কাম শক্তি বঢ়া ঔষধ

গোতা মগুমাহ এক মুঠি, জালুক একমুঠি, জধানৰ চাউল এমুঠি, তিল এক মুঠি, এই চাৰি আমৰ খুতি পাগ মাৰি চামৰ পিৰাত বহি এৰাগাখীৰত সিজাই অগলতি কলাপাটত বহি খাব। তিনিদিনলৈ তেওাগাখীৰ, গুৰ নাখাব খৰলিকৈ আঞ্জা খাব।।

গাঠিয়া মুদগৰৰ ঔষধ

ৰংগা আগিয়াচিতৰ শিপা, কতিয়া জালুকৰ ছাল, ববচাৰ শিপা, জালুক পাঁচটা, লোন পাঁচৰতি, বটি কুহমলিয়াকৈ খাব।।

জেতুকা, সোণবৰিয়ালৰ মূল,গ বচাৰ মুল, এই তিনিৰ ৰস উলিয়াই কচুপাতত খুৱাব।।

কুহুম সাৰ

লক্ষণ ঃ প্ৰথমে বুৰবুৰিয়াদি ফোহা হয়। খজুৱালে ঘা হয়। দেকদেকিয়া দি পানী বই। সেই পানীবোৰ এঠাৰ দৰে। জতে পানী লাগে তাতে ফোহা হয়। তাৰ ঔষধ।।

নিলকণ্ঠৰ শিপা, বোকোৱণ বিহৰ শিপা, কেতেকি ফুলৰ শিপা, মদাৰৰচাল, (উভতাই আনিব) বনাউৰ শিপা, পান এ পাত বটি দিব।

গাত ঘামচিৰ দৰে গোটেই গাঁয়ে হয়। আৰু খজুৱালে ফোহা ভাগি দেকদেকিয়া হয়˙তাব ঔষধ।।

জাকিফুলিৰঞ্জা, এদলিয়া ধেকিয়া, দুবাকাছৰ কণি, ডেকা গছৰ তামোল, চাৰিকো বটি ঘহিব।।

ক্ষুদ্ৰ সৌচত তেজ গলে তাৰ ঔষধ।।

১। কুকুৰ সুতাৰ আগৰ ৰস, একে বৰণীয়া গৰুৰ গাখীৰ, পুৰাজাতি কুহিয়াৰৰ ৰস, আঠিয়া কলৰ গুটি গুচাই লব। তিনি মঙ্গলবাৰে ৩ পালি খাব।।

২। চেংগেলী মাছ এটা, সৰু মানিমুনি, দিঘলতিৰ আগ ৫ টা, সৰুআগ ৫ টা.

চুমগছৰ ৰঘুমল্লাৰ আগ ৫ টা, লোণ জালুক দি ৰান্ধি খাব।।

গাঠিয়া মুদগাৰৰ ঔষধ

লক্ষণ ঃ গাঠি গাঠি ধৰি পোৰে।।

১। জাতি কুঁহিয়াৰৰ ৰস, ভ্ৰমলাখুতিৰ ৰস, মিঠাআমৰ দক্ষিণৰ চাল কুকুৰ সুতাৰ ৰস, একে বৰণৰ গৰুৰ গাখীৰ, গোত কৰি পাগি খাব।।

মালভোক শাক, চেংগেলী মাচৰে ভাজি খাব।।

২। এদাৰ ৰস। প্ৰতি সেৰে এটা এফাল জালুক দি পাগি খাব।।

ক্ষুদ্ৰ সৌচত ঘনে বহুতকৈ জাই। তাকে জলসাৰ বোলে।।

১। সিজুৰ আগৰ কোমল সাহ খুন্দি লব, লোন জালুক দি গৰৈ বা চেংগেলী মাছৰ সৈতে ৰান্ধি তিনি পালি খাব।

বিন্দু সাৰৰ ঔষধ

১। আমলখিৰ ৰস, এৰাগাখীৰ সমে খাব।।

শিমামুৰিৰ ঔষধ

১। তিলৰ ফুলৰ গুৰি সিজুৰ আঠা লিপি দিব।।

২। দিমৰু শিপাৰ ৰস, চেংগেলী মাছৰে সৈতে ৰান্ধি খাব।

চুৰ দিয়া মন্ত্ৰ

চুৰ চুৰ মহাচুৰ। চুৰ দিযা আছো অনাদি পুৰ। মোৰ চুৰ লৰে চৰে মেৰুগিৰি পৰ্ব্বত ভাগি পৰে। থিয় হই জাই। সাগৰ পানী পৰিল সুখাই। মই চুৰ ধৰণি দৰো চৌদিশে চাই। ধৰণি গাঠি ধৰাণ মাতি। ধৰণি কৰিচে উজনি ভাতি। উজনি ভাতি কৰিছ তই। ব্ৰহ্মাৰ নাগপাশে ৰান্ধিছোমই। থৈৰো ধৰণি ধৰি মই আহো গুৰু সেৱা কৰি। মোৰ বচন গুৰুৰ দাক জৈতে দৰো তৈতে থাক।।*।।

ধৰণি বান্ধো, গৰণি বান্ধো গলে লৈই। জাই জাতি দৌকৰ মাৰি। ধৰণি ধৰো গৌৰি পাৰ্ব্বতি। চাদাত কাপৰৰ চাই দাত কলিয়া, মই ধৰণি ধৰো গৰু পিঠি চৰিয়া। মেৰুৰ তলে সাগৰ সুকাই। তেহে মোৰ চুৰধৰণি লুকাই।।*।।

বলিয়া শিয়াল কুকুৰে কামুৰিলে জৰা মন্ত্ৰ

মাঘ মাসে সপ্তমি তিথি। সৰমাত হন্তে ভৈল উতপতি। উতপতি হই তোৰ কু-কুপভৈল। এতেকে তোৰ কুকুৰ নাম থৈল। চাৰি গোত দান্তে কৰে জেংগ জেংগ সৰ্ব্ব দাই নগুছিল তোৰ খেং খেং গিয়াতিগাণ সহিতে সদায়ে মাতুল। জৈহিকে জাই

তেহিঁকে পাই লগাই কন্দল। সৰমা মঁই সেহি নজানি মনে পাইলা তাপ। ক্ৰোদ্ধ কৰি সৰমাত ঋষিয়ে তাকো দিলে শাপ। তোহোৰ ঘাৰত মণ্ডনোহোক সদাই। দিশোদিশে ফুৰ তই চুৰাপাতৰ ভাত খাই। সৰমা তাৰ হেন গুণিচিন্তি হিৰাণি। কুকুৰ বিষ জাৰি কৰিলো পানী।।**।।

শ্ৰীকৃষ্ণায়ে নমো। সোণাৰ উধান ৰূপৰ টাক মই ভাত বান্ধো আলাসৰ লাক। বাঘ বৰণি আই মই বান্ধিচো ভাত জুৰই আই পাৰিলে পাত। এই ভাত খাই নিচিন্তিবি আন মোক দেখিবি দেহ প্ৰাণ জদি এই ভাত খাই তই ভাত খাই মোক কৰা বোল মহাদেৱৰ মাথা খাব।

শ্ৰীকৃষ্ণানে নমঃ সোণাৰ নাংগল ৰূপৰ পাল। আহিছে চোৰ জগতৰ কাল। হাত বান্ধো ভৰি বান্ধো, কৰ্ণ বান্ধো, চৈক্ষু বান্ধো, বান্ধো সৰ্ব্ব সৰীৰ বান্ধো চৈদিশ বান্ধিলু শৰীৰ চোৰৰ দৰেত গজত উঠিচ চাৰি দিকি বান্ধিলো চোৰ কৰে উজনি ভাগি। মোৰ হাক গুৰুৰ ডাক নিনিবি চোৰ অন্তৰি থাক। যদি মোৰ বচন লৰে চৰে মহাদেৱৰ চক্ৰত পৰি মৰ।।**।।

শ্ৰীকৃষ্ণায়ে মনঃ মন্ত্ৰ ও নমো মই চক্ৰ পাল এহাজ্ঞক্ষেসেনা। পাড়য়ে স্বহা।

জৰৰ মন্ত্ৰ

ঘৰে ঘৰে জৰি জৰ জানো তোৰ জাতি। ৰজখলাইৰ পো ক্ষেত্ৰ কলাইৰ নাতি। সাৰি কাণিৰধুচুলি। সুনিপুৰে বাস। ঘৰে ঘৰে জৰৰ এজৰাছে ৰুমুসুদেজাস। ইলিজৰ দিলি জৰ শ্ৰীষ্টিজৰ, বাজস জৰ পতি জৰ, হাব জৰ. গোত্ৰজৰ, দৰয়া জ্বৰ. অৰে অৰে জৰ লঙ্কাৰ পৰা পৰি লঙ্কাপৰ ৰামৰ আজ্ঞা বিভিষণৰ ঘৰে শ্ৰীৰামেচৈচন্ত হৰে। মই জৰ জাৰো হুংকাৰে। চাৰিজা লংকাৰ পাৰ। ই আইনত নাই তোৰ পাবো ঘাৰ। শ্ৰীৰামৰ থৈইচন্ত হৰে। মই জৰ জাৰো আমুকাৰে মই জাৰোমুঠি চৈসন্তি চুৰচণ্ড জা আগুনি উঠি।।**।।

শ্ৰীকৃষ্ণায় নমঃ কালমেঘৰ পানি। ভালুক মাৰৰ চাক মই ভগা খোলাখাপৰি জাপি থয়ো চমাইলে থাক। জদি তই থালি লৰচৰবি। সুক মাৰাৰ মাথা খাব। মোৰ হাক গুৰুৰ দাক জেনে বান্ধিলো তেনে থাক।*। ধৰণি ধৰো দেৱ তৃদশ কোটি দেৱতা লগা আকাশৰ চন্দ্ৰ খসি পৰে। তেবে মোৰ ধৰণি লৰে। গুৰুৰ বচন মোৰ হাক মই ধৰণি বান্ধো সেই পিনে থাক। সেই ইক্কিনিৰো পৰালৰস কাই ধৰণি আতি ধৰনি জাতি ব্ৰজ বান্ধো চক্ৰ মতে থয়ো। আমুকাৰ দশশিৰ বান্ধো দেৱ মণ্ডলত বসি। গুৰুৰ বচন মোৰ হাক। সেই ইক্কিনিৰো পৰালৰস কাই ধৰণি আতি ধৰনি

জাতি ব্ৰজ্ৰ বান্ধো চক্ৰ মতে থয়ো। আমুকাৰ দশশিৰ বান্ধো দেব মণ্ডলত বসি। গুৰু বচন মোৰ হাক জৈতে বান্ধো তৈতে থাক।।**।। আকাশেৰ পানী পাতালৰ মাটি হাজুয়াক মাৰে আনিলে কাটি। খচি গুলি দিলে চাকটৰ থালি থালি হ'ল ব্ৰহ্মাৰ পাকত। মাৰে ধৰিলে চাক মই ধৰিলো পাক। জেবে থালি কাত মোৰ আজ্ঞা এৰ।।**।।

জুইয়ে পুৰিলে জৰা মন্ত্ৰ

অগনি কুমাৰে আনিলে মাটি সেইবেলা ভৈলা দৈবকি কুমাৰণি। গঢ়িলে থালি জেৰে থালি ফুত জেবে থালি কাট মোৰ হাক গুৰুৰ ডাক পাতিলো থালি নিচুক হই থাক।।**।। শ্ৰীব্ৰহ্মা গুৰুসেৱা অগ্নি জাৰো মাৰো অগ্নি উঠিল ফাস্কেবাৰে অগ্নি মাৰো হনুমন্তৰ মুখে। ৰামৰ বচন জৈসানি হনুমন্ত লঙ্কাক গৈল মুখৰ অগ্নি মুখে নুমালে হৰি বিষ হৰ সিতা মাইৰ মুখে অগ্নি পানীকৃত্য কৰ।। **।।

সিতা সিতা ৰামৰ সিতা ভাগিল হাৰি চৰু লাগিল চিন্তা। কলা কমলা জুৰিলে হাল হাল বাওঁতে উঠিল মাতি ভাগিল চৰু থৈলো মাটি। মোৰ হাক গুৰুৰ ডাক কৰসে থালিয়ে চাপি থাক।।**।।

শ্ৰীকৃষ্ণায়ে নমঃ চাণ্ডৰকুলিখিতে দৰ মনত বান্ধো হাত মুখ পাব। বায়ে চায়ে বান্ধো। নকাৰোক ৰায় দিছিমিছি। বান্ধো, চক্ষু চক্ষু চান্দি। সিদ্ধ গুৰুৰ বচন সিৰোগত কৰি। নাকে মুখে চক্ষুও সবাকে বান্ধো একত্ৰ কৰি।।**।।

প্ৰভাতে পাতিত বহি পঢ়িব। সভাত চক্ষুত সুন।।

কালিকা মন্ত্ৰ

শ্ৰীৰামৰ বাচা ৰাড়া কালিকা চণ্ডিমায়েৰ বৰ। উথেনখাণ্ডাফুতে নতি ৰক্ষা কৰে। জদি হনুমান বিৰ আজ্ঞা জোংগোহোলোতা অগ্নিশৰ। বায়ুশৰ বৰণশৰ, ৰাখা ৰাখা ৰাখা। জথে জথে জথে। ৰণত জয়। জে আসে আকাশে তাক বান্ধো নাগ পাসে। জে পাতালে আসে তাক বান্ধো কোদালে। এসবড়াক্তিৰা পড়িল মায়া, জাল জেই মাৰে সেয়ে মৰে।মোৰ প্ৰাণপিণ্ড ৰক্ষা কৰে। নাসিবি কাৰ গুলি আমুকাৰ সিমাসঞ্চাৰ। সিদ্ধা গুৰুৰ পাৱ কামৰূপে ৰক্ষা কৰা কামাখ্যা মাৱ।।**।।

হস্তি ঘোৰা দণ্ডচত্ৰ নিলগা সিলাহ আই গোসানি কালিকাৰ বৰ আই তুমি দেবি মাওঁ গোসাইক কৰে ক্ৰাউ লাউ। কপালত পিন্ধিলো কোত জুৰ সমুখে

ৰৰিলো।গোসাই তুমি ৰক্ষা কৰাআমাক। নাকাতে লো লোহাড়ি নুফুতে জোংগ জাঠি। নুফুতে লাগিলাই। নুফুতে কাৰে জুজি বৃাগি আহিলো হৈলো বণ। জয়ৰণ কৰি গোসাই আমাক দিলে বৰ। ৰণ চড়িআন কৰিচো নাই কাকো দৰণগুৰুত শিকিবো। এই নটা তিয়াই গোসানি মাৰ তুতি কৰিবো সাখি উপৰত কৰিলো চন্দ্ৰ সূৰ্য্য দুই ভাইক সাখি তলত কৰিচো আই বসুমতিক সাখি। লক্ষ লক্ষ কন্টক গোসাই আনি ৰাখি।।**।। মালমন্ত্ৰ যুজন্তে হনুমন্ত্ৰ কলাংগুলেত যুজন্ত। বিজয়ং যুদ্ধে হনুমন্ত সুবিক্ৰমং।।**।।

শ্ৰীকৃষ্ণায়ে নমঃ ব্ৰহ্মনালে গৰাহো মই নালে চাপো জেইবয়সে গৰাহো। সেই বয়সে থাকো। উতলাকো পৱন। নেয়োতোক আমুকাৰ কেস, দাবি। হাৰ নাৰি চুলকালাহুট জায়োক। আমুকাৰ কায়। অনাদিৰ গাৱ হোৰুসি গুৰুৰ পাৱ।।**।। আৰপতিয়াৰ কৰো নৰপতিত খোজেই বয়সে আৰকৰো।সেই বয়সে থাকো চান্দ সুন্দৰ পতি। আৰজেনকৰে উজা। নিভাঠি পিগুা প্ৰাণকায়ানোহো। নাৰিৰ বৰৰ শঙ্কৰ ভেতিত পিগুপ্ৰাণকায়াৰ ৰক্ষা কৰ। পিগুপ্ৰাণ কায়াৰমাতাৰ ৰক্ষা কৰ।।*।। ভাততাখায়োতে হাত তলৈ পানীচিতা মাৰি খাব। মুশুন দাকে মন্দ কৰিব নোৱাৰে।।*।।

শ্ৰীকৃষ্ণায়ে নমঃ। একাদশি দিনা দ্বাদশি ভৈলা। সৰমাৰ গৰ্ভে পুত্ৰ উপজিলা। সেই পুত্ৰ নাম সিয়াল। কুকুৰ নাম তৈইলা। তাৰ চাৰি দান্তে কৰে আও জাওঁ তাৰ সৰ্ব্বকালে নুগুচিল খাওঁ খাওঁ দেখে দেখে ফুৰে চুৰাপাত খাই। মাৰিলো শিয়ালে খোৰা জাই। কুকুৰে খোয়া জাই। মোৰ হাক গুৰুৰ দাক মাৰিলো সিয়ালে কুকুৰে খোৰা পানী উঠি থাক।।**।।

চাউল জৰা মন্ত্ৰ

শ্ৰীকৃষ্ণায় নমঃ। আসি কালিকামাথাৰ ফুল। চাউল পড়ি দিয়ো চোৰ বন্দিকৰো। নাজাবি চাউল গৰ্ভৰ ভিতৰে। ক্ষিনিক উত্তৰ কালিকাৰ বৰ সাধুক এৰিয়া চোৰক ধৰ।।**।।

শ্ৰীকৃষ্ণায় নমঃ। বানলৰে বাণ চলে সাতজাপ বাণ অজপাত পৰে অচলা বাণ বিচলা গাঠি। হানিলো বাণদিন ৰাতি। দিনত হানিলো বাণ কলাজলা কৰি। ৰাতি হানো বাণ চক্ষু অন্ধলা কৰি। মুখত হানো বানে। মুকক্ষানি নিৰে কোচাই। গৰ্ভত হানো বান গৰ্ভ জাই সুকাই। কৰ্ণত হানো বাণ কলাজলা কৰি. দেৱবাণ হানোনিৰোধন কৰি। ভুত প্ৰেত গুলৈই কুবেৰ জক্ষৰ বান হানো। ক্ষিনি ক্ষিনি

দায়ালং কৰি। ক্ষেত্ৰ ধাণ হানোঁ ক্ষিনি ক্ষিনি দায়ানং কৰি। ৰুংগ ৰুংগ ৰাংগ ৰাংগ চুংগ থুংগ ছাংগ থাংংগ স্বাহাংগ মু হংগ।।*।।

পুনিয়া ৰাজপিৰাৰ ঔষধ

লংঙু ফুলৰ শিপা, তৰাৰ গুটি।।

(বত্তি লেপ দিব)

আহোম ফোহোৰাৰ দাৰু।।

১। বিৰালি খুজিয়া লতাৰ পাত। পাতত দি লিপ দিব।

২। হাতি কেৰেলাৰ গুটি, জাতি কেৰেলাৰ গুটি' বটি লিপি দিব

লক্ষণ ঃ ৰোগ পেতত হয়।। তাৰ দাৰু।।

আমহিলতা, ৰক্তচন্দনৰ শিপা, মৰণ এদা, লংবেতু জাইফল, কালাজিৰা, জালুক পিপলি সবাকে বটি গুৰি কৰি লেপ দিব।।

দাঁত পোকৰ মন্ত্ৰ

শ্ৰীকৃষ্ণায়ে নমো. আকাশি স্বৰগ সিমলু ফুলা খৰকে জাবো দাঁত পৰুৱা। কুত কুটাই মই ভাৰা লুত পুতাই। যমদুৱৰিয়ারে ...ৰ ... আনে, সব জদি সব নসৰ জদি ভিতৰতে মৰ। নসৰ ভিতৰতে সাঁব সৰি ... বোবা মুখ জোবা জুবি দৰচক্ৰে ব্ৰহ্মা চোকাৰ বাঁৰ অমুকাৰ দাঁতৰ পৰুৱা আমুকাই জাবে। চৰুপাৰি তোপাতিৰিতা কৰিম চৈসক্তি দাঁতৰ পৰুযা সৰি সৰি পৰি মৰে।।*।।

কাঁহৰ ঔষধ ঃ

১। সৰু মানিমুনি, বৰ মানিমুনি, দুইৰো দুভাগ। লাইজাবৰিৰ আগ ২ ভাগ, নিগষ্ঠৰ শিপা, হাতিকেৰেলাৰ গুটি, খোৰকচৈৰ শিপা, আঢ়েতা জালুক, আঢ়েতা পিপলি, সবাকে বটি জুলিয়াকৈ তপতাই খাব কাঁহ গুচিব।।

২। মালতি ফুল তিনিকুৰি. তিল ফুল তনিকুৰি, লতা দুবাসানিৰ শিপা. আদা, মৰণ আদা, পিপলি নতা, জালুক পাঁচটা ঘিউ সবাকে বটি জুলিয়াকৈ দিনত তিনিবাৰকৈ খাব।।

জ্বৰ আৰু কাঁহ হলে

চ'লগাদৰি গুটি, বিহমনাৰ শিপা, পনিয়ালৰ শিপা, জালুক সবাকে বটি তপতাই খাব।

গাতো আদখনিয়া জ্বৰ। পানী অধিককৈ খাই তাৰ দৰৱ।

কল্পিয়া তুলসীৰ শিপা,মালভোগ কলৰ শিপা, তিহৰণৰ ফুলৰ শিপা, খুন্দি ৰস উলিয়াই তপতাই খাব।

বলিয়া লেংগৰ দাৰু

লক্ষণ ঃ জ্বৰ উঠে, মানুহজনে অলিয়া বলিয়া কৰে, ভাঙি ছিৰাপোলা কৰি সৰ মাৰে।

১। ওঁৰ শিপা, পাতিদৈৰ শিপা, তিয়হৰ শিপা, এবুৰি ৩টা গুটি, বটি ৰস উলিয়াই কুহুমিয়া গৰমকৈ খাব।।

২। বকুল ফুলৰ শিপা, আকলবিৰৰ শিপা, নাগফুলৰ শিপা খুন্দি ৰস উলিয়াই তপতাই খাব।

ফুতালেংগৰ দাৰু

লক্ষণ ঃ উশাহ লওঁতে বিঙিফুতি যাই, গাত অলপ জ্বৰ উঠে, মুখখন শুকাই যাই।

দাৰু ঃ ১। দুবৰি শাকৰ শিপা [illegible]

[illegible]

২। [illegible]

কালিকাইতৰ গুটি বটি [illegible]।

সোপা লেংগৰ দাৰু

লক্ষণ ঃ বুকত সোপা মাৰি ধৰে, কাঁহে গাত জ্বৰ উঠে।

দাৰু ঃ

১। নাহৰ গছৰ বঘুমলা, সত্তাগুটি, তালুক পিপলি মৰণ এদা সাবকে বটি ৰস উলিয়াই পাগ খাব।

তপত লেংগৰ দাৰু

লক্ষণ ঃ গাতো জ্বৰ উঠে, সৰ্ববগাত্রে পোৰে

দাৰু ঃ ১। বৌমাছৰ পিতৰ চাউল, নাগৰতা, হাইঠাৰ চাল তেজামৈৰ চাল সবাকে বটি তপতাই খাব।

২। মেটেকাৰ আলু, সৰলতাৰ পাত, বাতুলমণিৰ পাত বতি মুৰত ভৰণ দিব।

চাম হাবাৰ দাৰু

লক্ষণ ঃ চালৰ তলে মগুহৰ উপৰে পুৰি ফুৰে। গা মাৰি মুচৰি নিয়ে।

দাৰু ঃ ১। আমাদাৰ ৰস জাতি চন্দন, দুইকো গাত ঘহিব।।

২। আমৰাৰ আলু, পাতালি কোমোৰা, মেটেকাৰ আলু, কেঁচা আঠিয়া কল, পকা আঠিয়া কল, সবাকে খুন্দি ৰস উলিয়াই এগ্ৰাগাখীৰৰ সৈতে দিনত তিনিবাৰকৈ খাব।।

পোড়া হাৱাৰ ঔষধ

লক্ষণ ঃ সৰ্ব্ব গাৰে পোড়ে, চেংগ চেংগ ভক ভক কৰে, গা ক্ষিণাই জাই, ঘুমতি নাহে।

দাৰু ঃ পানী চেঙেৰি, পানীকলা, মুসাক কেহেৰু সেলুক, ভেত ফুলৰ মূল,

কোৰ হুড়াৰ দাৰু ঃ

লক্ষণ ঃ পেতটো কোৰ হেন বাঢ়ে, ভোক নালাগে, পেতটো ডাঙৰ হৈ আহে, গা সুকাই ক্ষীনাই যায়।।

দাৰু ঃ মৰণ আদা, সোন্দৰ পকাল চাৰি আংগুল, চাৰি আংগুল সিজুৰ শিপা, সূৰ্য্যকাণ্ডি ফুল। দোভাগ ৰাতি বতি প্ৰভাততে খাব।।

উখহা হাৱাৰ দাৰু

লক্ষণ ঃ সৰ্ব্ব গাৰে উখহে গাৰৰ তেজ পানী হয়।

দাৰু ঃ ১। সিজুৰ পকা তাল, বিলক্ষনিৰ মুল, ভজায়তিৰ পাত, হাইঠাৰ চাল, ৰাতিমণিৰ পাত, সবাকে গুৰি কৰি ল'ব। ৰাতুসালি ধানৰ চাউল তিনিপিঠিৰ কৰাই গুৰি, পাঁচটা পিপলি পাঁচটা জালুক, লোণ সবাকে মিহলি কৰি খাব।।

২। লোহচুৰৰ গুৰী, আহুতিলৰ গুৰি, কুমাৰ চকৰ খোলা, ভাঙৰ গুৰি, দুতোলা তিথা চুৰৰ গুৰি, দোৰোণ ফুলৰ গুৰি, লাতকচিৰ গুৰি চাৰিতোলা, গুণবাজৰ গুৰি চাৰিতোলা, লাইতৰুণ অলপমান, জগৰু কোমোৰাৰ গুটি, জালুক, পিপলি, মৰণ আদা, জাতি আদা, সবাকে গুৰি কৰি দিনত দুই চামুচকৈ তিনবাৰ খাব।

সেন হাৱাৰ দাৰু

লক্ষণ ঃ খোচ মাৰি ধৰে, উশাহত ফুতে, গাত কিছু জ্বৰ হয়।

দাৰু ঃ চেপাৰ কোল পুৰি চাই কৰি লব, একুৰি এজাত কাইত পুৰি চাই কৰি লব, কতলাপহৰ গু, কেতেকি ফুলৰ দিলা, তেকেই কলাৰ আলু, কোয়াভাতুৰীৰ আলু, কেহৰাজ সবাকে সম পৰিমাণৰ ৰস উলয়াই লব তাৰ লগত জালুক পাঁচটা পিপলি পাঁচটা দি পাগি খাব।

উদফাই দাৰু

১। মাহতিতা, নিলকণ্ঠ, আকনৰ পাতৰ গুৰি, চাৰিটা নেমুটেঙা বাকলিৰ গুৰি জাতিহালধি, কলিয়া হালধি, পিপলি, সবাকে গুৰি কৰি লৈ নিতে আদতোলাকৈ খাব।।

২। উদে বাগৰা ঠাইৰ মাতি, বাদুলিৰ বাতি, উদে আধাখোৱা কৰামাছৰ চাই, বেংগৰ থুই, সবাকে বটি চোকা চৰাইৰ মাংসৰে খুৱাব। খুৱাই বেজ একাঠু পানীত নামিব আৰু পানী ভৰিবে লৰাই থাকিব, বতিয়াই ওৰ নহয় মানে বেজ পানীৰ পৰা নুঠব। তাৰ পাচত এৰাগাখীৰ আৰু কৰকৰাভাত সমে খুৱাব।।

অসৌচ হোৱা দাৰু

১। মালভোগ কলৰ ঠুৰি পাতৰ সৰ, জয়ন্তি পুলৰ শিপা, সোহাতৰ কনিষ্ঠ আঙুলৰি পাবৰ জেখাকৈ তিনিখুতৰকৈ, পাঁচখান তামোল, পাঁচপাট পাণত চুন লগাই আগলতি পাতত সাৰিকৈ থব। আগৰ ফালৰ পৰা একেমুখে খাব।

২। সালখাঠ নাঙলৰ মুখৰ কাঠ, সালধুনা বৰতি লৈৰ পানী সৈতে পাগি খাব।।

মন্ত্ৰৰ ঃ আগে গুতি পাচে পুল, গুতিয়ে ফুলে চপাই বুল, জিকালত অনাদি প্রকৃতি স্রর্জলা, অনাদিৰ কতাইক্ষত মহত উপজিলা, প্রকৃতি আই খাইলে কষ্ট, কৰতি মন্ত্র পঢ়ি অনাদি কৰিলা কষ্ট সুস্ত ভৈল প্রকৃতি আই। ব্রহ্মা বিষ্ণু আছিলেক চাই। ৰংগ ৰংগ ভৈল প্রকৃতিৰ বুচ প্রর্বৃত সমান ওলা মিল, কুচ যোনিবয়ে তেজ ধাৰা। অনাদি বোলে হেৰা একবাৰ ৰমো দিয়োক মোক। কাকুতি কৰিয়া বোলো তোক। হেৰ মৰোমই যোনিৰ বিষে। তেজ জৰি যাই নিশেষে। অনাদি বোলে সুনৰে বায়ু যোনি সুকাইয়া জগতৰ মাওঁ, বায়ুয়ে সুকালা প্রকৃতিৰ বুচ, স্রজিবে লাগিল প্রকৃতিৰ কুচ ওলায় আমুকিৰ গুতি সাল. নৰকত পৰি কি কৰ এতকাল প্রসুতি বাই বাজকৰি দিয়া। সমস্তে লোকৰ দুৰহৌক হিয়া। সিদ্ধ গুৰুৰ পাওঁ আমুকিৰ সাল বাজ কৰা কামৰূপৰ কামাক্ষা মাওঁ।।**।।

বৰতি নৈৰ পানী ঝাৰি খুৱাব আৰু গাত ঘহিব।।

হাদালি কামোৱা দাৰু

ভেদেলি মাহ পোৱা ছাই। কৰদৈৰ শিপা, আমগছৰ বঘুমলা, বৰৰ কুহি, বগৰিৰ গুটি সবাকে বটি খাব।।

দুদ সুংগবলৰ দাৰু

লক্ষণ ঃ লৰা-চোৱালীৰ ডিঙ্গি সায়োত সায়োত কৰে পানী লগা যেন হয়।

দাৰু ঃ ১। নাকডেঙনাৰ আগ, ধলাঝুগিয়াৰিৰ আগ, গোমধানৰ গুটি, তিনিকো বটি নেমু টেঙাৰ ৰসেৰে মুৰত ভৰণ দিব আকভৰিৰ তলুৱাত ঘহি জুইত তাপ দিব।।

২। চতিয়ানৰ ছাল, ধলা বাহকাৰ আগ, ভেতাই তিতাৰ শিপা, ফুলা হাইঠাৰ ছাল সবাকে বটি ৰস উলিয়াই খুৱাব।।

মেঘ ঘুংগুৰ

লক্ষণ ঃ দেওঁ দাৱৰিলে উকাই। কিচু কিছু কাহে ডিঙি বাজে

দাৰু ঃ ১। কোয়াভাতুৰিৰ আলু, ধেনুমধা, বিহলংগিৰ শিপা, আমচেংগোৰ শিপা, হাতি তেংগেচিৰ শিপা, কটা আংগনৰ শিপা, সবাকে বটি ছাগলীৰ গাখীৰত মাৰি খুৱাব।

২। উনকনাৰি আলু পুৰি নিয়ৰত দি থব। একে বৰণীয়া গৰুৰ গাখীৰত মাৰি খুৱাব।।

তেজ সাৰৰ দাৰু

১। কুকুৰাঠেংগিয়া শাক, কনা শিমলা আগ মেতেকাৰ কুমলীয়া পাত, সূৰ্য্যকান্তি ফুলৰ পাত, ওদালৰ ছাল (অলপমান), ৰাতশালি ধানৰ চাউল তিনিপিঠি, জালুক, পিপলি কলা লোণ দি ভাজি দিনত তিনিবাৰকৈ খাব (তিনি চামুচকৈ)

২। সিমলু কাঁইট, মেদেলুৱা গুটি, আহুতিল, পুৰণি আমৰ গুটি, পুৰণি ভাং অলপমান, পুৰণি কঠালৰ দিলা, পুৰৈৰ মূল, ৰবিয়ানিসাবতাৰ গুতি, জালুব, পিপলি, লোণ সবাকে ভাজি গুৰি কৰি খাব।

পদুম নলাৰ ঔষধ

গুহ্যদ্বাৰৰ কাষত পদুমৰ চকা হেন বাড়ে তাৰ দাৰু।

১। তেজমুহিৰ শিপা, বলবেলৰ শিপা, নাথ কলপতি তাৰ পাত সৰু নিলকণ্ঠ, কেয়াৰ গুটি, কলিয়া হালধিব তেকুৰি, মাকৰি ঘিলাৰ শিপা, সবাকে বটি লিপি দিব।।

২। পদুমৰ চকা, কচমাছৰ মুৰ, কুচিয়াৰ মুৰ, কনুয়াৰ বাহৰ জেং, কনুয়াৰ ঠেং সবাকে পুৰি চুৰ্ণ কৰি পানী ওলোৱা ঠাইত দিব।

৩। তিনি ৰবনিয়া উৰহিৰ শিপা, কেন্দুৰ শিপা, পানীহালনৰ শিপাস কটাই নাহৰৰ শিপা, নেমুটেঙাৰ শিপা, বাতি একেবৰণীয়া গৰুৰ গাখীৰৰ সৈতে খাব।।

কেচুমুৰীয়াৰ ঔষধ

দেও সামুকৰ চুন, থেকেৰা আঠা, কুজিথেকেৰাৰ আঠা, আমৰ আঠা, চুৰাপাত

তেলোতে হাতত ধৰা আঠা, মৰা কেচুৰ মূৰ সবাকে বটি পিপি দিব।

বিন্দুসাৰৰ দাৰু

লক্ষণ ঃ সৰু পানীচোৰা বাটেৰে বগা বগা পূজৰ দৰে ধাতু বয়, মানুহজন শুকাই ক্ষীনাই যাই, মূৰ ঘূৰাই তাৰ বিন্দুসাৰ বোলে।

দাৰু ঃ ১। কলগছত উঠা আকাশবিৰিণজৰ পাত, দেমেঠৌকাৰ গাঠি, জয়লা খুত্তিৰ আলু, ৰতজামুলৰ চাল, অমৰাৰ ডাল, দেকাআমৰ চাল। মালভোগ কলৰ শিপা, ওৰ শিপা, পকাভিমকলা, কেঁচা আটিয়া, সবাকে খুন্দি পানী দি ৰস লব। আবাগাখীৰে সৈতে চেনি মিহলাই খাব।

২। সৰু মানিমুনি বৰ মানিমুনি, সিজুৰ আগৰ মজা, দহি কচুৰ শিপা, পৰলালতিৰ গুটি, আহকয়াচপাৰ চাল, আকলবিৰৰ শিপা, কেতেই কঠাল, সবাকে খুন্দি ৰস উলিয়াই এৰা গাখীৰ মিহলাই দুটা গাঠি বাখি ভলুকা বাঁহৰ চুংগাত ওভোটাই বিন্ধি ভৰাব চিকোনকৈ ঠিলা মাৰিব, সাত দিন পানীত পেলাই থব। পাচে চেনি মিহলাই খাব।।

জ্বৰৰ ঔষধ

১। সুকান নহৰ ফুল বতি গাত ঘহিব আৰু খাব।

২। নার্জি পুলৰ পাত বতি ভৰি তলুৱাত বান্ধিলে জ্বৰ কমে।

৩। ভেকুৰিৰ মূল, ভাত তিতাৰ মূল, জনিগুতি উজনিয়া লোন মিহলাই খাব।।

বাদুলীয়া মোৰ

লক্ষণ ঃ পেতটো উখহি আহে বতিয়াই জিন জিনাই তাক বাদুলিয়া মোৰ বোলে।

দাৰু ঃ ১। বনজবাৰ শিপা, ভজাত্ৰতিৰ পাত, জালুকৰ পাত, পিপলিৰ শিপা, আংগনি পানৰ শিপা, কুকুৰাঠেংগিয়াৰ নওটা আগ বটি বৰি কৰি আদাৰ ৰসেৰে খাব।

২। দুপতিয়া এৰাৰ শিপা, ঠৌটনি শাকৰ আগ, কুৱৈ লতাৰ শিপা, দালিমৰ বাকলি, সুমথিৰাৰ শিপা, বাদুলিয়ে খোৱা কলৰ বাকলি, বাদুলিখোৱা কঁঠালৰ দিলা, দুইকো পুৰি খাৰণি সবাই সেই খাৰণিৰে বৰি কৰি মৰণ আদাৰে খাব।।

টাংগোন মৰা মোৰ

লক্ষণ ঃ পেটত পতা গুতি হেন ফুৰে, উজাই বুকত ধৰে, হাত ভৰি কোচাই মাৰি আনে, তাকে টাংগোন মৰা মোৰ বোলে।

দাৰু ঃ ভেদাই লতাৰ শিপা, সেতভেদাইৰ সিপা, দুইবিধ হালধি, মৰণ আদা,

গোখোৰ কটা নটা পিপলি নটা, জালুক ন টা বটি ৰস উলিয়াই তপততই খাব।।

জেঠি মোৰ

লক্ষণ ঃ গাতো অবতবাই ফুৰে, পেত বয়।

দাৰু ঃ ১। বৰ পুনিৰ পিপা, ভাত তিতাৰ শিপা, তোলোঠাকলিয়া, বগৰি গুটি, ব্ৰাহ্মণ, এটা জেঠিদিমাৰ চুকৰি, জালুক, পিপিলি বটি খাব।।

২। দেৱতবাৰ গুটি, গোৰকচইৰ গুটি, লাতকণৰ গুটি, বাহৰ ভিতৰৰ ঘুণগুৰি, সবাকে বটি সিজাই গাত ঘহিব।

নাকেৰে তেজ পৰে তাৰ দাৰু

১। সেন্দুৰ বন্দাকাগজ, চুলিৰ ছাই, সেন্দুৰ সমেত নাকে উজাব।।

২। মৰা মকৰা ৫টা, মাখিৰ মূৰ ৫টা, হৰিণৰ শিঙৰ চোছ বটি নাকেৰে উজাই দিব।

চক্ষু বন্ধা পৰে তাৰ দাৰু

১। সিজুৰ শিপা বাহুত আৰি লব।

২। আমলক্ষি বেলপাত, সিলিখা, হালধি বতি দিব।

কর্ণ তালৰ দাৰু

১। দোৰোণৰ মূল নটা, কলবাকলিৰ খাৰণি, তপতাই দিব।

২। আদাৰ ৰস, সাতখাৰ, সামুকৰ মাংস তৈলত ভাজি সেই তেল কাণত দিব।

গলবেৰাৰ দাৰু

কঁঠালৰ ছাল ওভোটাই আনি বতি খাব।।

গল হেংগেৰাৰ দাৰু

১। কেতেকিৰ পাত বৰুণৰ পাত, বতি দিব।

২। তেজমুইলাৰ শিপা, আগিয়াশিতাৰমূল, মৰিচ, পিপলি বতি খাব।।

গলবিষৰ দাৰু

চম্পাৰ আগ বটি দিব।

গলশিৰাৰ দাৰু

১। ভলুকা বাঁহৰ চোঁচ, কেহুৰাজ শাক, জোৰ তামোল বতি দিব।।

২। ভেত্তাই শিপা, কলা মধুৰাৰ শিপা, জেষ্টমধু সতে বতি দিব।

গলত সপা দিয়া হয় দুই তিনিদিনৰ মূৰত মৰি জাই তাৰ দাৰু

চাস গাহৰ শিয়াৰ, কঁঠালৰ মুছি, কলবাকলিৰ ছাই, বতি দিব। খাব।

কাহিঁয়া সূল

লক্ষণ ঃ হিয়া চমচমাই, ফুতে বিন্ধে, বিষাই তাক কাহিঁয়া সূল বোলে।

দাৰু ঃ বৰুণৰ চাল একতোলা, উলুৰ কাটা এক তোলা, আমথি এক তোলা, চাতিয়ানৰ চাল এক তোলা, মৰিছ এক গণ্ডা, ঘৃত ভাজি খাব।

পিত্ত শূলৰ দাৰু

চুনৰ পানী, চাউলৰ গুৰা, কৰাইৰ পানী, কলা কাউৰি, আম কত্তৰি বটি খাব।।

পিত্তৰ দাৰু

১। নীলকণ্ঠ আৰচন্দ, চতিয়নাৰ চাল, সৰে তিতাহালধি, কাজলগৌৰি বাহকতিতা, তিনি বছৰিয়া সোকতা, সৰাকে সুকাই গুৰি কৰি খাব।

২। আদা কেতুৰি, হাৰ কেতুৰি, আমকেতুৰি, সিজুলতা, পাতিদৈইৰ মূল, তেজমূই, পিতৰ চাউল, জখাৰ সমেত বটি গুৰা কৰি খাব।।

সেন পছৰিয়া

লক্ষণ ঃ বুকে পিথিয়ে সাল মাৰি ধৰে, উশাহ লব নোৱাৰে তাকে সেন পছৰিয়া বোলে।

দাৰু ঃ দেৱশৰ, ৰামশৰ, ধনুৰ চোছ,, জোৰৰ তুলা, বিৰ বাহকৰ আগ, ভুইতিতা, তোৰ মাছৰ মূৰ, আদা, খাপৰ ধোৱা পানীদি বটি খাব।

কাঁহিলে পুজ ওলাই তাৰ দাৰু

কাঞ্চিৰ গুৰি, মুহিয়াৰাৰণিৰ আগ, এদলিয়া কচু থাৰি, ঘনলতাৰ গুটি, কুছিয়ামাছৰ আলু, আলু একতোলা, সলংগাৰ গুটি এক তোলা, লোণ চাৰিতোলা, বটি খাব।

বাতি কামুৰিৰ দাৰু

লক্ষণ ঃ নাভিৰ তলত খাস মাৰি থাকে, পেত দপদপাই কামোৰে, দিনত টিলা বাতি টান দুইদিন থাকি একদিন কামোৰে তাৰ দাৰু।

বনজাৰ শিপা, আকৰ্মবিধিলতাৰ শিপা, গাখীৰ সমে বটি খাব।

পেট গাজ গিজ কৰি ঔটেন্দাৰ বখলাৰ দৰে উঠি পৰে তাৰ দাৰু

১। কাজল গৌৰি, মৰণ আদা, লোণৰ গাঠি, জখাৰ, সোণবৰিয়াল, বাহকতিতাৰ আগ এটা, সুৰগা সমে বটি উপৰে লিপি দিব।।

২। গুণৰাজৰ ৰস, চেংগমৰাৰ ৰস, দেওতৰাৰ ৰস, কলপুতুৱাৰ ৰস, দুপৰ ভেঙাৰ পাত, কলাগছৰ মূত, কলাখাৰনি, সৰাকে সমজোখ কৰি একত্ৰ কৰি খাব।

কথপিৰাৰ দাৰু

লক্ষণ ঃ তলপেত, গুহ্যদ্বাৰ পোৰে, ককাল বিষাই, গা পোৰে. চাউলধোৱা পানীহেন শৌচ হয়। তাৰ দাৰু।

১। গৰক্ষিয়া কৰাই, বনকপাহ, সগুনি লতা, কালজিৰা, ভোগজিৰা, জাইফল, সেতভেদালিৰ মূল, সালি চাউল তিনি পিথি, গুৰা কৰি খাব।

২। বনকপাহৰ গুটি, মৰণ আদা, শালি চাউল ভাজি গুৰি কৰি খাব।

কঠুৰা পেটত হই গুহ্যত কামোৰে তাৰে দাৰু

কোমোৰাৰ গুটি, ঘৰ চকৰাৰ মাংস, সিলিখা, বনকপুৰা তেংগাৰ ৰস, মৰণ আদা, লোণ জালুক দি ৰবি কৰি ভাতেৰে সৈতে খাব।

মাৰাংগাৰ দাৰু

গেহু ধানৰ চাউল, মৰণ আদা, তুলসিৰ শিপা, বতি খাব।

নাইৰ গুৰিত কামোৰ মাৰি ধৰে তাৰ দাৰু

আৰকচন্দ, নিলকণ্ঠ লতাগুটি, কুছিয়া মাছৰ মূৰ, চেংমাছৰ মূৰ, বেতৰ গাজ তিনিটা, নলৰ গাজ তিনিটা, জালুক, পিপলি, কেকোৰা গাঁতৰ পানীদি পাগি খাব।

//////

প্রস্তাবনা, সাধারণ জনবিশ্বাস
আর
পরিভাষা

৫ম খণ্ড

প্ৰস্তাৱনা

ৰুদ্ৰাক্ষৰ শব্দটোৰ উৎপত্তি দুটা মূল শব্দৰপৰা হৈছে, ৰুদ্ৰ (শিৱ) আৰু অক্ষি (চকু) — অৰ্থাৎ, শিৱৰ চকু। হেমকোষত ইয়াৰ অৰ্থ এনে ধৰণে কৈছে ; 'এবিধ গছৰ গুটি, তাৰে মালা কৰা যায় আৰু সি শিৱৰ বৰ প্ৰিয়" ("The hard tubercled nuts ..... are polished and made into rosaries and bracelets")। এই মালা ধ্যান আৰু প্ৰাৰ্থনাৰ সময়ত সহায়ক হিচাপে ব্যৱহাৰ কৰে আৰু সাধাৰণতে ১০৮ টা পাঁচমুখী মণিৰে গাঁথা হয়। কাঞ্জিলাল দাসে (Flora of Assam, rep : 1982, Vol I P-172) ৰুদ্ৰাক্ষৰ বিষয়ে এনেকৈ লিখিছে, "পাঁচোটা বা তাতকৈ অধিক বা কম কোষ যুক্ত এবিধ অসাধাৰণ গুটি। কোষৰ সংখ্যা অনুসৰি প্ৰতিবিধৰে স্বকীয় গুণাৱলী থকা এইবিধ গুটিয়ে বেচ ভাল মূল্য আহৰণ কৰে।

বৰ্ণনা আৰু অৱস্থান

উদ্ভিদ বিজ্ঞানে ৰুদ্ৰাক্ষৰক Elaeocarpaceae, Elliocarpus ganitrus বংশৰ বুলি কয়। এই গছ ৬০ ফুট পৰ্যন্ত ওখ হয় আৰু ইয়াৰ বেৰ প্ৰায় ৪ ফুট পৰ্যন্ত হয়। ইয়াৰ বাকলি মিহি, ধূসৰ মূগা বৰণৰ। ফুল বিলাক সৰু বগা বঙৰ, পাহিৰ বেৰ এক ইঞ্চিতকৈও কম। ইয়াৰ মণি বিলাক সাধাৰণতে পাঁচমুখী আৰু একোটাইত মাৰ্বল গুটিৰ সমান। অৱশ্যে আকাৰত তাতকৈ সৰু আৰু ডাঙৰ বহুত পোৱা যায়। মণিবিলাক ক'লা আৱৰণ এটাৰে ঢাক খাই থাকে। আৱৰণটো আঁতৰালে মণিটো ওলাই পৰে। সাধাৰণতে ৰুদ্ৰাক্ষ গুটিৰ বৰণ গাঢ় মূগা। কেতিয়াবা বগা বৰণীয়া গুটিও পোৱা যায়। বিশ্বাস যে বগা ৰুদ্ৰাক্ষৰ ব্ৰাহ্মণ জাতৰ, ৰঙা বিধ ক্ষত্ৰিয়, মিহলি বঙৰ বিধ বৈশ্য আৰু ক'লা বিধ শূদ্ৰ। ভৈয়ামত হেমন্ত ঋতুৰ শেষৰ কালে আৰু শীতকালত ৰুদ্ৰাক্ষৰ গুটি পকে, পাহাৰত তাতকৈ কিছু পিছত। নেপাল, ভুটান, চিকিম, হিমালয়ৰ পাদদেশ (প্ৰায় এহেজাৰ ফুট পৰ্যন্ত), জাভা আৰু সুমাত্ৰাত ৰুদ্ৰাক্ষৰ পোৱা যায়। অসমত তাহানিৰে পৰা প্ৰায় সকলো জিলাতে ৰুদ্ৰাক্ষৰ গছ অ'ত ত'ত আছে। কিন্তু অৰুণাচল প্ৰদেশৰ ক'তো সহজে পোৱা নাযায়। (কাঞ্জিলাল দাস পৃঃ ১৭২ ৰ পাদটীকা)। শিৱসাগৰ জিলাৰ চৰাইদেউ মহকুমাত মই অনেক ঠাইত গজালি দেখিছো আৰু ই ডিগবৈ, মাৰ্ঘেৰিতা পৰ্যন্ত সম্প্ৰসাৰিত হৈছে আৰু তাৰ সিপাৰেও আছে।

ৰুদ্ৰাক্ষৰ উৎপত্তি, ইয়াৰ মাহাত্ম্য আৰু সাধাৰণ প্ৰভাৱ

ৰুদ্ৰাক্ষৰ সম্পৰ্কত মূল গ্ৰন্থ শিৱ পুৰাণ। তাত শিৱই নিজমুখে-পাৰ্বতীক মণিটোৰ গুণাৱলী ব্যাখ্যা কৰিছে। ব্যাসৰ শিষ্য সূতে কৈছে, "শিৱৰ নাম, ভস্ম আৰু ৰুদ্ৰাক্ষৰ মণি—এই তিনি লগ লাগিলে ত্ৰিবেণী সংগমৰ সমান পবিত্ৰ হয়।" (২৩ অধ্যায়) শিৱই ৰুদ্ৰাক্ষৰ উৎপত্তি সম্পৰ্কে এনেকৈ কৈছে।

"হে মহেশানি, আগতে মই হাজাৰ হাজাৰ স্বৰ্গীয় বছৰ ধৰি তপস্যা কৰিছিলো। মই মোৰ মনক কঠোৰভাৱে আয়ত্বাধীন কৰি ৰখা সত্বেও চঞ্চল হৈছিল। হে দেৱী. মই দিব্য শক্তি লাভ কৰাৰ পিচত তিনিও লোককে উপকাৰ কৰাৰ মানসেৰে চকু মেলিলো। মোৰ অৰ্ধ বিকশিত সুন্দৰ দুচকুৰপৰা চকুলো সৰিবলৈ ধৰিলে। সেই চকুলোৰ টোপাল বিলাকৰপৰাই সৃষ্টি হ'ল ৰুদ্ৰাক্ষৰ গছৰ" (অধ্যায় ২৪, ৫-৭)

ৰুদ্ৰাক্ষৰ উপকাৰিতা সম্পৰ্কে এটা কথাৰপৰা বিচাৰ কৰিব পাৰি। যি ৰুদ্ৰাক্ষ পিন্ধে তেওঁ যমৰ ৰাজালৈ যাব নালাগে। যমে তেওঁৰ পালি গহৰীয়াক নিম্নোক্ত নিৰ্দেশ দিয়া আছে ঃ

'যি সকলে অন্ততঃ এটা ৰুদ্ৰাক্ষ মূৰত পিন্ধে, কপালত ত্ৰিপুণ্ড্ৰ লয় আৰু পঞ্চ পদাংশ যুক্ত মন্ত্ৰ জপে সেই সবক তোমালোকে সন্মান কৰিবা। তেওঁলোক ঋষিতুল্য লোক। যি সকলে ৰুদ্ৰাক্ষ আৰু ভস্ম লয় তেওঁলোকৰ শক্তি জানি আমি সদায় সন্মান জনাম। ইয়ালৈ তেওঁলোকক কদাপি অনা নহ'ব।" (অধ্যায় ২৫/৫০-৫২) ৰুদ্ৰাক্ষই অকাল মৃত্যুৰপৰা ৰক্ষা কৰে, 'মনোবাঞ্ছা পূৰণ কৰে। পাৰ্থিব সুখ দিয়ে আৰু মোক্ষ লাভ কৰায়" (শিৱ পুৰাণ অধ্যায় ২৫, ২১)। সাধাৰণতে ৰুদ্ৰাক্ষই স্বাস্থ্যৰ উন্নতি আনে। ই বিষ নিৰাময় কৰাত সহায় কৰে আৰু বিশেষকৈ উচ্চ ৰক্তচাপ, হৃদযন্ত্ৰৰ বিকাৰ, মৃগীৰোগ, কাহ, মানসিক ব্যাধি তথা স্ত্ৰী ৰোগত উপকাৰ আছে। ৰুদ্ৰাক্ষ আৰু ভস্ম ধাৰণ কৰা জনে "সৰ্বসুখ লাভ কৰিব। তেওঁ পুত্ৰ আৰু নাতি দেখা পাব। পৰজনমত মোক্ষ প্ৰাপ্ত হ'ব" (শিৱ পুৰাণ ১৪)। ভূত-প্ৰেত আৰু অপদেৱতা ৰুদ্ৰাক্ষৰ কাষ নাচাপে।

ৰুদ্ৰাক্ষৰ আন কিছুমান ব্যৱহাৰো আছে। তামৰ ৰুদ্ৰাক্ষৰ মণি পানীত তিতা পটাত থাই উলিওৱা আঠাযুক্ত পদাৰ্থ বিষ থকা ঘাঁত ব্যৱহাৰ কৰিলে ভাল হয়। এটা ৰুদ্ৰাক্ষ পোৱা চাহ সামান্য সোণ পোৱা চাহৰ লগ লগাই গাখীৰ বা দৈৰ লগত মিহলাই পুৱা গধূলি দুবাৰ (এবাৰত এক কেৰেট মান ওজনৰ) খালে উচ্চ ৰক্তচাপ

নিয়ন্ত্ৰিত হয়। ৰুদ্ৰাক্ষৰ চাই সমপৰিমাণৰ জালুকৰ লগত মিলাই পানীৰ লগত তিনিমাহ খালে বৰ আই ভাল হয়। আয়ুৰ্বেদত ৰুদ্ৰাক্ষৰ ব্যৱহাৰ উল্লেখ আছে ; বৈদ্যনাথ কাৰ্মেচীৰ 'মধু মুনাকা' নামৰ এটা টনিক আছে। তাৰ অন্যতম উপাদান ৰুদ্ৰাক্ষৰ।

ৰুদ্ৰাক্ষৰ মণিৰ শ্ৰেণী

ৰুদ্ৰাক্ষৰ সাধাৰণতে চৈধ্য বিধ বা 'মুখী' যদিও আৰু অনেকবিধ আছে বুলি শুনা যায়। প্ৰত্যেক বিধৰে মই আগেত কৈ অহা গুণ বিলাকৰ উপৰিও নিজ নিজ গুণ আছে। কিছুমান যজা মণিও আছে। সেইবিধক "গৌৰী শংকৰ" বুলি কয় আৰু অতি পৱিত্ৰ বুলি খ্যাত। ইয়াৰোপৰি 'গণেশ আৰু 'গৰ্ভগৌৰী' নামৰ দুবিধ ৰুদ্ৰাক্ষৰ কেতিয়াবা পোৱা যায়। বিশ্বাস যে আচল দেৱাশীষ থকা ৰুদ্ৰাক্ষৰত শিৱৰ ত্ৰিশূল নাইবা অন্য তেনে চিহ্ন অংকিত থাকে। পিছে মই এতিয়ালৈকে মাত্ৰ এটাহে দুমুখী মণি পাইছো য'ত ত্ৰিশুলৰ দৰে চিহ্ন খোদিত আছে। এনে মণি স্বাভাৱিকতেই বিৰল।

আকাৰ আৰু গুণ

ৰুদ্ৰাক্ষৰ আকাৰ বেলেগে বেলেগ। জালুকটোতকৈও সৰুৰপৰা আৰম্ভ কৰি ডাঙৰ মাৰ্বল গুটিতকৈও ডাঙৰলৈকে বিভিন্ন আকাৰৰ ৰুদ্ৰাক্ষৰ আছে। কোনটো আকাৰ বেছি প্ৰভাৱশালী তাক লৈ ভিন্ন মত আছে। শিৱ পুৰাণত কৈছে যে আনকি আমলখিৰ গুটিৰ সমান আকাৰৰ ৰুদ্ৰাক্ষৰেও সুখ সমৃদ্ধি আনে। আমলখিৰটোৰ সমান বিলাকে সকলো দুখ-দুৰ্গতি নিবাৰণ কৰে। চমুকৈ ক'বলৈ হ'লে সকলো ৰুদ্ৰাক্ষৰে গুণ আছে, মাথোন যিমানে পাতল হয় সিমানে বেচি প্ৰভাৱশালী হয়। অৱশ্যে এল, আৰ চৌধুৰীৰ মতে আটাইতকৈ সৰু ৰুদ্ৰাক্ষৰ আটাইতকৈ বেচি পৱিত্ৰ, ক্ৰমশঃ ডাঙৰ আকাৰৰ বিলাকৰ গুণৰ মান ক্ৰমশঃ কম হয়। (পৃঃ ২৩৬ Practicals of M & T) সি যি কি নহওক, সুলক্ষণীয় ৰুদ্ৰাক্ষৰটো ঘূৰণীয়া, গাৰ খাজ বিলাক অসমান, মিহি আৰু টান।

পৰিষ্কাৰ কৰি মিঠাতেলত জুবুৰিয়াই থ'লে ই সুন্দৰকৈ বাৰ্ণিচ কৰা কাঠৰ দৰে চিক্‌চিকিয়া হয়। যি ৰুদ্ৰাক্ষৰ মাজেদি এমুৰৰপৰা আন মূৰলৈ স্বাভাৱিক ফুটা থাকে সি আটাইতকৈ ভাল।

অনুপযোগী মণি

শিৱ পুৰাণে ছয় বিধ ৰুদ্ৰাক্ষৰ মণি বৰ্জন কৰিবলৈ বিধান দিছে। সেইবিলাক হৈছে পোকে খোৱা, কটা দাগ থকা, ফাট থকা, কাইটৰ নিচিনা বিলাক নথকা আৰু ঘূৰণীয়া নোহোৱা। তাৰোপৰি কিছুমান মণি বেচিদিন মাটিত পৰি থকাৰ বাবে ৰ'দ

আৰু ৰুদ্ৰাক্ষৰ সংস্পৰ্শত আংশিকভাৱে পচি যায়। সেইবিলাকো ব্যৱহাৰ কৰিব নালাগে। অৱশ্যে শিৱ পুৰাণত কোনোৱে সকলো মণিয়ে ঘূৰণীয়া হ'ব পাৰিব সেই কথা মানিবলৈ মই টান পাইছোঁ। কাৰণ, মই পুৰা ঘূৰণীয়া দুমুখীয়া মণি এটাও দেখা নাই। মোৰ অভিজ্ঞতা মতে দুমুখীয়া ৰুদ্ৰাক্ষৰ আকাৰ-সাধাৰণতে আৰু সামান্য চেপেতা।

বিশুদ্ধ মণিৰ পৰীক্ষা

ৰুদ্ৰাক্ষৰ চাহিদা অত্যধিক বঢ়াৰ লগে লগে ৰুদ্ৰাক্ষৰ বনোৱা উদ্যোগ অসংখ্য হ'ল আৰু নকল মণি অনেক বিক্ৰী হ'বলৈ ধৰিছে। এই বিলাক বিভিন্ন পদাৰ্থৰপৰা বনোৱা হয়, সাধাৰণতে প্লাষ্টিকৰপৰা ; আৰু বজাৰ, মেলা, ধৰ্মীয় সমাবেশ তথা মন্দিৰৰ প্ৰাংগনত অনেক বিক্ৰী হয়। ৰুদ্ৰাক্ষ আচল হয়নে নহয় তাক পৰীক্ষা কৰা কেইবাটাও উপায় আছে তাৰে সৰ্বসাধাৰণ কেইটামান পদ্ধতি তলত দিয়া হ'ল ঃ

বিশুদ্ধ ৰুদ্ৰাক্ষৰ এটি পানীত দিলে ডুব যায়। হাতৰ মুঠিতলৈ জোকাৰি কাণৰ ওচৰত ল'লে এটি মৃদু কোমল শব্দ শুনা যায়। দুটা তামৰ মোহৰৰ মাজত লৈ টিপি ধৰিলে ই লৰচৰ কৰিব। আচল ৰুদ্ৰাক্ষৰ খাজবিলাক কিছু বিশৃঙ্খল, নকলী বিধৰ খাজ নিয়মীয়া।

কু-প্ৰভাৱ আৰু সাৱধানতা

ৰুদ্ৰাক্ষৰ পৰিধান কৰাৰ ক্ষেত্ৰত কোনো ধৰাবন্ধা সাৱধানতাৰ কথা নাই যদিও ইয়াৰ সহযোগী বিধি-বিধান পাৰ্যমানে মানিব লাগে। ইয়াৰ সংসৰ্গ থকা মন্ত্ৰবিলাক বিশেষ প্ৰয়োজনীয় আৰু তাৰ ফলত ৰুদ্ৰাক্ষৰ গুণ বহুত বাঢ়ে। ৰুদ্ৰাক্ষৰ সাধাৰণতে যৌন সম্ভোগৰ সময়ত বা মলত্যাগৰ সময় পৰিধান কৰা অনুচিত। মণিবিলাক সময়ে সময়ে পৰিষ্কাৰ কৰিব লাগে, তেল সানিব লাগে আৰু গাঁথা জৰীদাল সলনি কৰিব লাগে।

সাধাৰণতে ৰুদ্ৰাক্ষৰ মণি বা মালা পিন্ধাৰ কুফল নাই। পিছে মই দুটা ক্ষেত্ৰত এইমণি পৰিধান কৰোতাৰ ওপৰত কুফল পৰাৰ কথা জানিব পাৰিছোঁ। এই কেইটাৰ কথা ঘটনাৰ বিৱৰণি (Case history) শিতানত উল্লেখ কৰিছোঁ। মই এই কথাটো এইবাবে উল্লেখ কৰিছোঁ যে ৰুদ্ৰাক্ষৰ পিন্ধাৰ ফলত কিবা অশুভ প্ৰতিক্ৰিয়া উপস্থিত হ'লে সেই মালা বা মণি পৰিধান কৰিব নালাগে।

ৰুদ্ৰাক্ষৰ আৰু গ্ৰহ

ৰুদ্ৰাক্ষৰ লগত কোনো একোটা ৰাশিৰ বেলেগ সম্পৰ্ক নাই। যি কোনো ৰাশিৰ মানুহে যি কোনো মুখী ৰুদ্ৰাক্ষ পিন্ধিব পাৰে। প্ৰথম নটা 'মুখী'ৰ জ্যোতিৰ্বিদ্যাৰ নৱগ্ৰহৰ লগত সম্পৰ্ক। একমুখী ৰুদ্ৰাক্ষ প্ৰথম গ্ৰহ সূৰ্যৰ লগত মিলে আৰু একে ধৰণৰ প্ৰভাৱ পেলায়। দ্বিমুখী মণি চন্দ্ৰৰ লগত, ত্ৰিমুখী মংগলৰ লগত, চতুৰ্মুখী বুধৰ লগত, পঞ্চমুখী বৃহস্পতিৰ লগত, ষষ্ঠমুখী শুক্ৰৰ লগত আৰু সপ্তমুখী শনিৰ লগত মিলে। অষ্টম আৰু নৱমুখীৰ প্ৰভাৱ ৰাহু আৰু কেতুৰ লগত মিলে। বাকী কেইমুখী মণিৰ প্ৰভাৱ গ্ৰহৰ প্ৰভাৱৰ বাহিৰত পৰে।

চৌধুৰীৰ মতে (Practicals of M & T পৃঃ ২৪৮) ৰুদ্ৰাক্ষৰ বৰণ চাৰিটা, যেনে, বগা, ৰঙা, হালধীয়া আৰু নীলা। বগা ৰুদ্ৰাক্ষৰে বৃহস্পতি, চন্দ্ৰ আৰু শুক্ৰৰ; ৰঙা ৰুদ্ৰাক্ষৰে সূৰ্য, মংগল আৰু কেতুৰ, হালধীয়া ৰুদ্ৰাক্ষৰে বৃহস্পতি আৰু বুধৰ; নীলা ৰুদ্ৰাক্ষৰে শনি আৰু ৰাহুৰ কুপ্ৰভাৱ খণ্ডন কৰে।

ৰুদ্ৰাক্ষৰৰ ব্যৱহাৰৰ প্ৰস্তুতি বিধি

পকা ৰুদ্ৰাক্ষৰ গুটি সংগ্ৰহ কৰি তাক পানী আৰু কোমল ব্ৰাছ ব্যৱহাৰ কৰি ভালকৈ পৰিষ্কাৰ কৰিব লাগে। তাৰ পাচত ৰ'দাব লাগে। শুকোৱাৰ পিছত বিশুদ্ধ সৰিয়হ তেলত কমেও তিনি দিন তিনি ৰাতি ডুবাই থ'ব লাগে। তাৰ পাচত তেলৰ পৰা উঠাই লৈ ৰ'দত খৰখৰীয়াকৈ শুকাব লাগে। পৰিষ্কাৰ কৰাৰ আগতেই বা পিচতে (আগত হ'লে বেচি ভাল) এটা জুইত গৰম কৰা বেজী লৈ মণিটোৰ ইমূৰৰ পৰা সিমূৰলৈ অৰ্থাৎ 'মুখী' নিৰ্ণয় কৰা লম্বাকৃতি ৰেখাবিলাক লগ লগা অংশ দুটাৰ মাজেদি এটা ফুটা কৰিব লাগে. বেজীটো গৰম কৰি ন'ললে মণিটো ভাগিব নাইবা দুফাল হৈ যাব পাৰে। তাৰ পাচত জৰীত সি (সাধাৰণতে ৰঙা জৰী ব্যৱহাৰ কৰা হয়) ডিঙি, বাহু নাইবা হাতত ধাৰিত পিন্ধিব পৰা হয়।

সময়ে সময়ে, বিশেষকৈ গৰমৰ দিনত, জৰীডাল সলনি কৰিব লাগে আৰু মণিবিলাক পৰিষ্কাৰ কৰি তেল সানিব লাগে।

একমুখী ৰুদ্ৰাক্ষ

১। পৰিধান কৰাৰ দিন ঃ সোমবাৰ।
২। পৰিধান কৰিব লগা মণিৰ সংখ্যা ঃ এক।
৩। জৰীৰ বৰণ ঃ ৰঙা (নাইবা সোণ বা অন্য যি কোনো ধাতুৰ শিকলি)
৪। ক'ত পিন্ধিব ঃ ডিঙিত (নাইবা ধনৰ বাকচত থ'ব)

৫। সংশ্লিষ্ট দেব-দেৱী ঃ স্বয় শিৱৰ আৱিৰ্ভাৱ বুলি কোৱা হয়।
৬। মন্ত্ৰ ঃ ওঁম্ হ্ৰম্ (তাৰ পাচত প্ৰণিপাত জনাব)
৭। মণিটোৰ গুণাৱলী ঃ একমুখী মণি অতিশয় বিৰল। মই কেইবা হাজাৰ গুটিৰ বাকিঙ্গ গুচাই এটাও পোৱা নাই। ইয়াৰ গুণ সম্পৰ্কে শিৱই কৈছে (শিৱ পুৰাণ ৬৪-৬৫) ঃ

"একমুখী ৰুদ্ৰাক্ষৰ স্বয়ং শিৱ। ই পাৰ্থিৱ সুখ দিয়ে আৰু নিৰ্বাণ প্ৰদান কৰে। ইয়াৰ দৰ্শনে ব্ৰহ্মহত্যাৰ পাপ মোচন কৰে।

ইয়াৰ মাহাত্ম্য হৃদয়ংগম কৰিলে সৌভাগ্য কাষ চাপে, অনিষ্ট আৰু অশান্তি নাশ হয় আৰু আকাংখা পূৰণ হয়।" একমুখী ৰুদ্ৰাক্ষ পৰিধান কৰা পৰিয়ালৰ মানুহক সকলোৱে সন্মান কৰে। এই ৰুদ্ৰাক্ষৰ পৰিহিত লোক কৰ্তৃত্বশীল আৰু প্ৰভাৱশালী হয়। সম্পদে তেওঁৰ জীৱন সুখৰ কৰে। তেওঁ মানসিক শান্তি লভে আৰু পুনৰ্জন্মৰ বান্ধোনৰপৰা মোক্ষ প্ৰাপ্ত হয়। আটাইতকৈ ডাঙৰ সৌভাগ্য হ'ল যে তেওঁ দেৱ দৰ্শন লাভ কৰে।

দ্বিমুখী ৰুদ্ৰাক্ষৰ

১। পৰিধান কৰাৰ দিন ঃ সোমবাৰ।
২। পৰিধান কৰিব লগা মণিৰ সংখ্যা ঃ তিনি।
৩। জৰীৰ বৰণ ঃ ৰঙা (নাইবা ৰূপৰ, তামৰ বা সোণৰ শিকলি)
৪। ক'ত পিন্ধিব ঃ ডিঙিত (গৰ্ভৱতী নাৰীয়ে সুকলমে সন্তান জন্ম দিবৰ বাবে বাহুত নাইবা কঁকালত পিন্ধিব লাগে। এটা মণি গাৰুৰ তলত থ'ব লাগে।)
৫। সংশ্লিষ্ট দেব-দেৱী ঃ দেৱৰাজ ইন্দ্ৰ। লগতে শিৱ আৰু পাৰ্বতী দুয়ো।
৬। মন্ত্ৰ ঃ ওঁম্ (তাৰ পাচত প্ৰণিপাত জনাব)
৭। মণিটোৰ গুণাৱলী ঃ শিৱই কৈছে (শিৱ পুৰাণ, ৬৬) ঃ

"ই সকলো আকাংখা পূৰণ কৰে। বিশেষকৈ এই ৰুদ্ৰাক্ষই গো হত্যাৰ পাপ তৎকালে মোচন কৰে।"

দ্বিমুখী ৰুদ্ৰাক্ষই একাগ্ৰচিত্ততা বঢ়ায়। ই তামসিক বৃত্তি নাশ কৰি ভক্তিমাৰ্গত উপনীত কৰায় আৰু মনত আধ্যাত্মিকভাৱৰ উদ্ৰেক কৰে। একমুখী ৰুদ্ৰাক্ষৰ দৰে ই প্ৰভাৱশালী হোৱাত সহায় কৰে।

ত্ৰিমুখী ৰুদ্ৰাক্ষৰ

১। পৰিধান কৰাৰ দিন ঃ ৰবিবাৰ প্ৰাতঃ কালত।
২। পৰিধান কৰিব লগা মণিৰ সংখ্যা ঃ তিনি।
৩। জৰীৰ বৰণ ঃ ৰঙা, ক'লা, হালধীয়া।
৪। ক'ত পিন্ধিব ঃ ডিঙিত।

৫। সংশ্লিষ্ট দেৱ-দেৱী ঃ ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ।

৬। মন্ত্ৰ ঃ

৭। মণিটোৰ গুণাৱলী ঃ শিৱই (শিৱ পুৰাণ, ৬৭) কৈছে যে তিনি মুখী ৰুদ্ৰাক্ষৰে সদায় সম্ভোগৰ সম্ভাৰ প্ৰদান কৰে।

এই মণিটোৰ প্ৰভাৱে বিশেষকৈ জুইৰপৰা হ'ব পৰা দুৰ্ঘটনা আৰু দুৰ্ভাগ্যৰপৰা ৰক্ষা কৰে। ই শিক্ষা আৰু সম্পদৰ বাবে উপকাৰী আৰু পূৰ্বৰ তিনিটা জন্মৰ পাপ ই মোচন কৰে আৰু গ্ৰহদোষ খণ্ডায়। ই পৰিধানকৰ্তাৰ পথৰপৰা সকলো বিধি-পথালি আঁতৰ কৰে আৰু দুৰ্ভাগ্য নাশ কৰে। ইয়াৰ ব্যৱহাৰে স্বাস্থ্য আৰু সম্পদ দুয়োটা আনে।

চতুৰ্মুখী ৰুদ্ৰাক্ষৰ

১। পৰিধান কৰাৰ দিন ঃ বৃহস্পতিবাৰ। পুৱা আঠ বজাৰ আগতে মণিটো কলগছত স্পৰ্শ কৰাই পিন্ধিব লাগে।

২। পৰিধান কৰিব লগা মণিৰ সংখ্যা ঃ এক।

৩। জৰীৰ বৰণ ঃ ৰঙা

৪। ক'ত পিন্ধিব ঃ ডিঙিত

৫। সংশ্লিষ্ট দেৱ-দেৱী ঃ ব্ৰহ্মা।

৬। মন্ত্ৰ ঃ ওঁম্ হ্ৰম্।

৭। মণিটোৰ গুণাৱলী ঃ শিৱই কৈছে (শিৱ পুৰাণ, ৬৮) ঃ "চতুৰ্মুখী ৰুদ্ৰাক্ষৰ স্বয়ং ব্ৰহ্মা। ই নৰহত্যাৰ পাপ মোচন কৰে। ইয়াৰ দৰ্শন স্পৰ্শই তৎমুহূৰ্তে জীৱনৰ চাৰিটা লক্ষ্যত উপনীত কৰাৰ শক্তি অৰ্পণ কৰে।

দুৰ্ভাগ্য আঁতৰ কৰা আৰু উন্নতি সমাগত কৰাৰ উপৰিও এই ৰুদ্ৰাক্ষৰে সন্তানহীন দম্পতীক সন্তান লাভত সহায় কৰে। ই দাৰ্শনিক আৰু পণ্ডিত সকলক উৎকৰ্ষ সাধন কৰাত সহায় কৰে আৰু সমাজত সন্মান তথা পদমৰ্যাদা বঢ়ায়। ই বক্তাসকলৰ কাৰণে মংগলদায়ক আৰু মানসিক উৎকৰ্ষ সাধনত সহায়ক। এই মণি সদায় পৰিধান কৰিলে স্বাস্থ্য আৰু সম্পদ দুয়োটা আহৰণ হয়। এটা মণি গাখীৰত উতলাই সেই গাখীৰ কিছু দিন খালে মনৰ শান্তি হয় আৰু উদ্বেগ নিবাময় হয়। কেতিয়াবা ইয়াক ৰতিক্ৰিয়াৰ সাফল্যৰ বাবে ব্যৱহাৰ কৰা হয়।

পঞ্চমুখী ৰুদ্ৰাক্ষৰ

১। পৰিধান কৰাৰ দিন ঃ যিকোনো দিনতে পৰিধান কৰিব পাৰি যদিও বৃহস্পতিবাৰে পুৱা ভাল সময়।

২। পৰিধান কৰিব লগা মণিৰ সংখ্যা ঃ এটাৰ পৰা তিনিটাৰ ভিতৰত।

৩। জবীৰ বৰণ ঃ ৰঙা।
৪। ক'ত পিন্ধিব ঃ ডিঙিত।
৫। সংশ্লিষ্ট দেৱ-দেৱী ঃ ৰুদ্ৰ।
৬। মন্ত্ৰ ঃ ওঁম্ হ্ৰাম্ (তাৰ পাচত প্ৰণিপাত)
৭। মণিটোৰ গুণাৱলী ঃ শিৱ পুৰণাৰ মতে (গদ্যাংশ ৬৯) ঃ "পাঁচমুখী ৰুদ্ৰাক্ষৰ স্বয়ং ৰুদ্ৰ। ইয়াৰ নাম কালগ্নি। ই ৰাজকীয়। ই সকলো নিৰ্বাণ প্ৰদান কৰে আৰু আকাঙ্খিত বস্তু প্ৰাপ্তিত সহায় কৰে। "ই দুৰ্ঘটনাৰপৰা ৰক্ষা কৰে আৰু পাপ মোচন কৰে। দুখ দূৰ কৰে আৰ মোক্ষ লাভত ইন্ধন যোগায়। ই ৰোগ নিৰাময়ত সহায় কৰে। কোষ্ঠবদ্ধতা নিৰাময়ৰ বাবে এটা মণি নাভিদেশত ধাৰণ কৰি একৰ পৰা ১০৮ লৈ গণনা কৰিব লাগে, আকৌ ঘূৰাই ১০৮ৰ পৰা একলৈ গণনা কৰিব লাগে। এনেকৈ এৰেকেছ দিন কৰাৰ পিচত মণিটো উপাসনা কৰা ঘৰত ৰাখিব লাগে।

কৈলাস বাজপেয়ীৰ মতে (The Science of Mantras p. 39) পাঁচমুখী ৰুদ্ৰাক্ষৰ সকলোতকৈ ভাল।

ষষ্ঠমুখী ৰুদ্ৰাক্ষৰ

১। পৰিধান কৰাৰ দিন ঃ সোমবাৰ।
২। পৰিধান কৰিব লগা মণিৰ সংখ্যা ঃ তিনি।
৩। জবীৰ বৰণ ঃ ৰঙা
৪। ক'ত পিন্ধিব ঃ ডিঙিত, সোঁহাতৰ বাহুত।
৫। সংশ্লিষ্ট দেৱ-দেৱী ঃ কাৰ্ত্তিকেয়।
৬। মন্ত্ৰ ঃ ওঁম্ হ্ৰাম্ হুম্ (তাৰ পাচত প্ৰণিপাত)
৭। মণিটোৰ গুণাৱলী ঃ শিৱই কৈছে (শিৱ পুৰাণ, ৭১) "ছয়মখী ৰূদ্ৰাক্ষৰ কাৰ্ত্তিকেয়। সোঁবাহুত এই মণি পিন্ধিলে ব্ৰহ্মহত্যাৰ দৰে পাপো মোচন হয়।"

এই মণি পৰিধানে জীৱনলৈ সুখ আনে, ব্যৱসায়ত সফলতা প্ৰদান কৰে আৰু আশা আকাঙ্খা পূৰণ কৰে। ইয়াৰ ব্যৱহাৰে সিদ্ধিলাভ সম্ভৱ কৰে। ছাত্ৰসকলৰ বাবে এই মণি উপকাৰী। বিশেষকৈ ইয়াক পাঁচমুখী ৰুদ্ৰাক্ষৰ লগত পিন্ধিলে গাধা আৰু পিচপৰা ছাত্ৰসকলেও পঢ়াশুনা কৰিবৰ বাবে অনুপ্ৰেৰণা পায় আৰু পৰীক্ষাত সুফল লাভ কৰে। ইয়াৰ ব্যৱহাৰে যক্ষ্মা, উচ্চ ৰক্তচাপ, গেষ্ট্ৰাইটিচ্, হাপানী তথা কাঁহ আদি ৰোগৰ উপশম ঘটায়। স্ত্ৰীৰোগৰ বাবে ই সাধাৰণতে ভাল যদিও বিশেষভাবে উপকাৰী হিষ্টেৰিয়া আৰু অচেতন হোৱা বেমাৰীৰ বাবে।

সপ্তমুখী ৰুদ্ৰাক্ষৰ

১। পৰিধান কৰাৰ দিন : কোনো বিশেষ দিন নাই।
২। পৰিধান কৰিব লগা মণিৰ সংখ্যা : এক।
৩। জৰীৰ বৰণ : ৰঙা
৪। ক'ত পিন্ধিব : ডিঙিত।
৫। সংশ্লিষ্ট দেৱ-দেৱী : অনংগ, সপ্তৰ্ষি আৰু লক্ষ্মী।
৬। মন্ত্ৰ : ওঁম্ হাম্ (তাৰ পাচত প্ৰণিপাত)
৭। মণিটোৰ গুণাৱলী : শিৱ পুৰাণত (৭২) শিৱই কৈছে যে সাতমুখী ৰুদ্ৰাক্ষৰ পৰিধান কৰি দুখীয়া মানুহো সদাগৰ হ'ব পাৰে। তেওঁ উচ্চ সম্মান লাভ কৰে, সম্পত্তিবান হয় আৰু আধ্যাত্মিক শক্তিৰ উৎকৰ্ষ সাধন কৰে। তেওঁৰ ব্যৱসায় সফল হয়। কিন্তু জি, এচ্, কাপুৰে প্ৰতিনিধিত্ব কৰা এক চিন্তাগোষ্ঠীয়ে (Remedial measures in Astrology p. 199) কয় যে সপ্তমুখী মণিৰ অনংগৰ (কিউপিদ) লগত সংযোজন থকাৰ কাৰণে ইয়াক পৰিধান কৰা অনুচিত।

অষ্টমুখী ৰুদ্ৰাক্ষৰ

১। পৰিধান কৰাৰ দিন : কোনো নিৰ্ধাৰিত দিন নাই।
২। পৰিধান কৰিব লগা মণিৰ সংখ্যা : এটা
৩। জৰীৰ বৰণ : ৰঙা ।
৪। ক'ত পিন্ধিব : ডিঙিত।
৫। সংশ্লিষ্ট দেৱ-দেৱী : গণেশ, ভগৱতী।
৬। মন্ত্ৰ : ওঁম্ হাম্ (তাৰ পাচত প্ৰণিপাত)
৭। মণিটোৰ গুণাৱলী : শিৱই কৈছে (শিৱ পুৰাণ, ৭৩) যে এই মণিটোৱে অকাল মৃত্যু প্ৰতিৰোধ কৰে আৰু পৰিহিতজনক দীৰ্ঘায়ু কৰে। তেওঁ মৃত্যুৰ পিছত ত্ৰিশূলধাৰী দেৱতা, অৰ্থাৎ শিৱ হয়। ইয়াক অতি পৱিত্ৰ বুলি গণ্য কৰা হয় আৰু ই জীৱনলৈ সুখ আনে। ইয়াৰ পৰিধানে যশ, উন্নতি আৰু সম্পদ আনে। তেওঁৰ অতীতৰ পাপ মোচন হয়।

নৱমুখী ৰুদ্ৰাক্ষৰ

১। পৰিধান কৰাৰ দিন : সোমবাৰ।
২। পৰিধান কৰিব লগা মণিৰ সংখ্যা : এক।
৩। জৰীৰ বৰণ : ৰঙা
৪। ক'ত পিন্ধিব : ডিঙিত বা বাঁও বাহুত।
৫। সংশ্লিষ্ট দেৱ-দেৱী : দুৰ্গা।

৬। মন্ত্র ঃ ওঁম্ হ্ৰম্ হ্ৰম্ (তাৰ পাচত প্রণিপাত)।

৭। মণিটোৰ গুণাৱলী ঃ শিৱই কৈছে (শিৱ পুৰাণ, ৭৫), "নমুখী পৰিহিত জন মোৰ দৰে সৰ্বেশ্বৰ হ'ব"। এই মণি পৰিধানে ৰাহু আৰু কেতুৰ কু-প্ৰভাৱ খণ্ডন কৰে, আশা আকাংখা পূৰণ হয়, সতি সন্ততিৰ উন্নতি হয় আৰু সুখ-সম্পদ আহৰণ হয়। মহিলা সকলে বিশেষকৈ ইয়াৰ ব্যৱহাৰৰপৰা উপকাৰ পাব।

দশমুখী ৰুদ্ৰাক্ষৰ

১। পৰিধান কৰাৰ দিন ঃ ৰবিবাৰ আৰু বৃহস্পতিবাৰ।

২। পৰিধান কৰিব লগা মণিৰ সংখ্যা ঃ এক।

৩। জৰীৰ বৰণ ঃ ৰঙা ।

৪। ক'ত পিন্ধিব ঃ সোঁবাহুত, ডিঙিত।

৫। সংশ্লিষ্ট দেৱ-দেৱী ঃ বিষ্ণু।

৬। মন্ত্র ঃ ওঁম্ হ্ৰম্ (তাৰ পাচত প্রণিপাত) ·

৭। মণিটোৰ গুণাৱলী ঃ দশমুখী ৰুদ্ৰাক্ষৰ পৰিহিত জনৰ সকলো ইচ্ছা পূৰণ হ'ব। তেওঁৰ মনৰ কষ্ট আৰু মানসিক ৰোগ লাঘৱ হ'ব। বুদ্ধি প্ৰখৰ হ'ব। তেওঁৰ অভিযান সফল হ'ব; দুখ, দুৰ্গতি আৰু দুৰ্যোগৰপৰা সুৰক্ষিত হ'ব। ইয়াৰ প্ৰভাৱত গছত ফুল ফুলে, গ্ৰহদোষ নিবৰ্তমান হয়। আৰু ভূত-প্ৰেত বিদূৰ হয়। বোধহয় আটাইতকৈ ইয়াৰ ডাঙৰ গুণ হ'ল – যে দহমুখী ৰুদ্ৰাক্ষৰ পৰিহিতজনক তান্ত্রিক মন্ত্রজালে প্ৰভাৱিত কৰিব নোৱাৰে। গাখীৰ দি এই ৰুদ্ৰাক্ষৰ শিলত ঘঁহি খালে হুপিং কাঁহ ভাল হয়।

এঘাৰমুখী ৰুদ্ৰাক্ষৰ

১। পৰিধান কৰাৰ দিন ঃ নিৰ্ধাৰিত দিন নাই। সূৰ্যোদয়ৰ আগতে পিন্ধিব লাগে।

২। পৰিধান কৰিব লগা মণিৰ সংখ্যা ঃ এক।

৩। জৰীৰ বৰণ ঃ ৰঙা বা হালধীয়া।

৪। ক'ত পিন্ধিব ঃ ডিঙিত। ধনৰ বাকচ বা প্ৰাৰ্থনা কৰা কমত থ'বও পাৰে।

৫। সংশ্লিষ্ট দেৱ-দেৱী ঃ ৰুদ্ৰ, ইন্দ্ৰ।

৬। মন্ত্র ঃ ওঁম্ হ্ৰম্ হ্ৰম্ (তাৰ পাচত প্রণিপাত)।

৭। মণিটোৰ গুণাৱলী ঃ শিৱই কৈছে যে (শিৱ পুৰাণ, ৭৭) এঘাৰমুখী ৰুদ্ৰাক্ষৰ পৰিহিতজন সকলো ক্ষেত্ৰতে বিজয়ী হ'ব। ই একমুখী ৰুদ্ৰাক্ষৰৰ পৰিবৰ্তে ব্যৱহাৰযোগ্য। ই ৰোগ আৰু শোক নিবাময় কৰে, সমাজত সন্মান বঢ়ায় আৰু তেওঁৰ ঘৰ উল্লাসেৰে ভৰি পৰে। ই গ্ৰহদোষ নিবৰ্ত্তমান কৰে। যি নাৰীয়ে এই মণি পৰিধান কৰে তেওঁ ধনী, বহল মনৰ আৰু দীৰ্ঘায়ু স্বামী

লাভ কৰে। ইয়াৰ পৰিধানে জীৱনৰ আশীৰ বৰষে আৰু নাৰীয়ে পুত্ৰ সন্তান লাভ কৰে।

বাৰমুখী ৰুদ্ৰাক্ষ

১। পৰিধান কৰাৰ দিন ঃ নিৰ্ধাৰিত দিন নাই। সূৰ্যোদয়ৰ সময়ত পিন্ধিব লাগে।
২। পৰিধান কৰিব লগা মণিৰ সংখ্যা ঃ এক।
৩। জৰীৰ বৰণ ঃ হালধীয়া।
৪। ক'ত পিন্ধিব ঃ ডিঙিত, মূৰৰ চুলিত।
৫। সংশ্লিষ্ট দেৱ-দেৱী ঃ বিষ্ণু, সূৰ্য।
৬। মন্ত্ৰ ঃ
৭। মণিটোৰ গুণাৱলী ঃ এই ৰুদ্ৰাক্ষৰ বৰ শক্তিশালী আৰু সকলো বেমাৰতে ইয়াৰ প্ৰভাৱ আছে। ই পৰিহিতজনৰ পথৰ পৰা হেঙাৰ আঁতৰায়, সম্পদ আহৰণ কৰায় আৰু উন্নতি সাধন কৰে। তেওঁৰ ভাগ্য সূৰ্যৰ দৰেই উজ্বল হয় আৰু য'তে যায় তাতে সন্মান লাভ কৰে।

তেৰমুখী ৰুদ্ৰাক্ষ

১। পৰিধান কৰাৰ দিন ঃ কোনো নিৰ্ধাৰিত দিন নাই। প্ৰাতঃকালত পিন্ধিব লাগে।
২। পৰিধান কৰিব লগা মণিৰ সংখ্যা ঃ এক।
৩। জৰীৰ বৰণ ঃ ৰঙা আৰু হালধীয়া।
৪। ক'ত পিন্ধিব ঃ ডিঙিত।
৫। সংশ্লিষ্ট দেৱ-দেৱী ঃ বিশ্বদেৱ ইন্দ্ৰ আৰু কামদেৱ।
৬। মন্ত্ৰ ঃ ওঁম্ হ্ৰম্ (তাৰ পাচত প্ৰণিপাত)
৭। মণিটোৰ গুণাৱলী ঃ শিৱই কৈছে (শিৱ পুৰাণ, ৭৯) যে তেৰমুখী ৰুদ্ৰাক্ষৰ পৰিহিত জনৰ সকলো আকাংক্ষা পূৰণ হ'ব। তেওঁ সৌভাগ্যবান আৰু মংগলময় হ'ব। নেতৃস্থানীয় লোকসকল আৰু প্ৰশাসকসকলৰ কাৰণে ই বিশেষভাৱে উপকাৰী। ইয়াৰ পৰিধানে সুস্বাস্থ্য আৰু সম্পদ দিয়ে, ইন্দ্ৰিয় জয় কৰাত সহায় কৰে আৰু এই ইন্দ্ৰিয়জয়ৰ ফলস্বৰূপে মোক্ষ লাভ কৰে। তেৰমুখী ৰুদ্ৰাক্ষৰ পৰিহিত জনৰ প্ৰতি লোক আকৰ্ষিত হয়।

পিচে, জি, এচ, কাপুৰে (Remedial Measures in Astrology p. 200) এই মণি ব্যৱহাৰ কৰাৰ সম্পৰ্কে বিধান দিয়া নাই ; কাৰণ ইয়াৰ সম্পৰ্ক কামদেৱৰ লগতহে আছে।

চৈধ্যমুখী ৰুদ্ৰাক্ষৰ

১। পৰিধান কৰাৰ দিন ঃ সোমবাৰে পুৱা।
২। পৰিধান কৰিব লগা মণিৰ সংখ্যা ঃ এক।
৩। জৰীৰ ৰঙ্গ ঃ ৰঙা ।
৪। ক'ত পিন্ধিব ঃ ডিঙিত, মূৰত।
৫। সংশ্লিষ্ট দেৱ-দেৱী ঃ শংকৰ, হনুমান।
৬। মন্ত্র ঃ ওঁম্ (তাৰ পাচত প্ৰণিপাত)
৭। মণিটোৰ গুণাৱলী ঃ শিৱই কৈছে (শিৱ পুৰাণ, ৮০) যে চৈধ্যমুখী ৰুদ্ৰাক্ষৰ পৰিধানে সকলো পাপ মোচন কৰে, মানসিক উৎকর্ষ সাধন কৰে, তেওঁ সাধু হয় আৰু সকলোৰে প্ৰিয়পাত্র হয়। ইয়াৰ ব্যৱহাৰে সকলো ধৰণৰ উন্নতি, যশ আৰু সম্মান আনে আৰু মৃত্যুৰ পিচত নিৰ্বাণপ্রাপ্ত কৰায়। ই ৰোগ নিৰাময় কৰে। এই ৰুদ্ৰাক্ষৰ দি উতলোৱা গাখীৰ ২০ দিন খালে উদ্বেগ উপশম হয়।

গৌৰী শংকৰ ৰুদ্ৰাক্ষৰ

গৌৰী শংকৰ ৰুদ্ৰাক্ষৰ দুটা ৰুদ্ৰাক্ষৰ মণি সংযোগ কৰাৰ দৰে আকৃতি লয়। ই শিৱ আৰু পাৰ্বতী দুয়োৰে বাবে পবিত্ৰ। ইয়াৰ ব্যৱহাৰে সৌভাগ্য আনে। ইয়াক বিৰল একমুখী ৰুদ্ৰাক্ষৰ সলনি ব্যৱহাৰ কৰিব পৰা হয় বুলি ধৰা হয়। যদিও ই তাতকৈ বহুত বেছি শক্তিশালী। ইয়াক ৰঙা বা হালধীয়া জৰীত সি পিন্ধিব লাগে আৰু ডিঙিৰপৰা হৃৎযন্ত্ৰমান পৰ্যন্ত ওলোমাই থ'ব লাগে। অন্যথা ইয়াক ধনৰ বাকচত বা ঘৰৰ আলমাৰীত ৰাখিব পাৰি। এনেয়ো লগত লৈ ফুৰিব পাৰি। ইয়াৰ প্ৰভাৱত অন্যান্য সুফল বিলাকৰ উপৰিও সম্পদ, সৌভাগ্য, বুদ্ধিমত্তা আৰু সাংসাৰিক সুখ আছে।

ৰুদ্ৰাক্ষৰ মালা

মন্ত্র যপ আৰু যোগ সাধনৰ কাৰণে ৰুদ্ৰাক্ষৰ মালা অতিশয় ফলপ্রসু বুলি কৈলাশ বাজপেয়ীয়ে মত পোষণ কৰে (Science of Man tras p. 38) ১০৮ টা পাঁচমুখী মণিৰে এই মালা গাঁথা হয়। মণিবিলাকৰ আকাৰ যিমানে সৰু হয় মালাধাৰ সিমানে ফলদায়ক হয় বুলি কয়। ইয়াক জপমালা আৰু নেকলেচ দুয়োধৰণে ব্যৱহাৰ কৰিব পাৰি।

ৰুদ্ৰাক্ষৰ মালা পৰিধানে দুৰ্ঘটনাৰপৰা ৰক্ষা কৰে আৰু হৃৎযন্ত্ৰৰ বেমাৰ, উচ্চ আৰু নিম্ন ৰক্তচাপ, নৈৰাস্য, মানসিক ৰোগ আৰু বন্ধ্যা ৰোগ আদি নিৰাময় কৰে. তেওঁৰ ভাগ্য উদয় হয় আৰু উন্নতিৰ জখলাত উঠে। মন পবিত্ৰ আৰু আধ্যাত্মিক

হয় আৰু কুচিন্তা বিদূৰ হয়। সেই কাৰণেই হিন্দু ঋষি, আৰু জ্ঞানী সকলে ইয়াৰ ব্যৱহাৰ কৰে।

মই ৰুদ্ৰাক্ষৰ বিধান দিয়া সকলৰপৰা শুনা ঘটনাবিলাকৰ কেইটামান তলত উল্লেখ কৰিছো। গোপনীয়তা ৰক্ষাৰ্থে মই তেওঁলোকৰ সম্পূৰ্ণ নাম দিদি নামৰ প্ৰথম ইংৰাজী আখৰ কেইটাহে দিছো।

১। SNH ৰ বয়স ৩৫ বছৰ, পুৰুষ। কেইমাহমানৰ আগতে পৰা ৰুদ্ৰাক্ষ পিন্ধিবলৈ লৈছে। তেওঁ এটা তিনিমুখী, এটা চাৰিমুখী, তিনিটা পাঁচমুখী তিনিটা ছয়মুখী আৰু এটা গৌৰীশংকৰ ব্যৱহাৰ কৰিছে। তেওঁৰ সম্ভাব্য দুৰ্ঘটনাৰপৰা ৰুদ্ৰাক্ষৰ বলত ৰক্ষা পোৱাৰ অভিজ্ঞতা হৈছে।

স্কুটাৰেৰে অফিচৰপৰা ঘূৰি আহোঁতে এদিন SNH এ তেওঁৰ বাওঁহাতে এটা ছাগলী দেখিলে আৰু কেইফুটমান দূৰত এজনী গাই। এখন সেনাবাহিনীৰ শক্তিমান ট্ৰাক তেওঁৰ কাষে আহি আছিল। ট্ৰাকখন তেওঁৰ সমান্তৰাল হোৱাৰ লগে লগে গৰুজনীয়ে হঠাৎ ছাগলীটোক লাঠি মাৰি দিলে আৰু ছাগলীটোৱে তেওঁৰ স্কুটাৰলৈ জপিয়ালে। SNH সেই সময়ত ভাৰসাম্য হেৰাই শক্তিমান গাড়ীখনৰ চকাৰ তলত পৰিব লাগিছিল ; কিন্তু তেওঁ ঠিয়া হৈ ৰ'ল আৰু বাচিল।

অন্য এবাৰ SNH ৰ গেচৰ চিলিণ্ডাৰৰপৰা গেছ বিজুতি হৈ ওলাইছিল। গেছ যোগানকাৰীয়ে সেই বিজুতি ভাল কৰিবলৈ মানুহ পঠালে। মিস্ত্ৰীজন সন্ধ্যা ৭ বজাত আহিছিল। চিলিণ্ডাৰটো লৰচৰ কৰোঁতে হঠাৎ সাৰুবটো ঢিলা হৈ বাহিৰ ওলাই চিলিণ্ডত জোৰেৰে খুন্দিয়ালে। ভাগ্যে জুই নজ্বলিল। SNH ৰ ঘৰ আছিল এটা ক'লনিত। মাত্ৰ কিছু ফুট দূৰে দূৰে অনেক ঘৰ আছিল। সন্ধ্যা ৭ বজা ৰন্ধা-বঢ়াৰ সময়। গতিকে ওচৰৰ আটাইকেইঘৰতে নিশ্চয় ৰান্ধনিশালৰ বাৰ্ণাৰ জ্বলি আছিল। গেছ গৈ যদি সেই জ্বলি থকা জুইত লাগিলহেঁতেন তেন্তে সাংঘাতিক অগ্নিকাণ্ড ঘটিলহেঁতেন। পিচে একো নহ'ল।

তেওঁ তৃতীয় এটা ঘটনাৰ সম্মুখীন হৈছিল। SNH পৰিয়াল সহ নগৰৰ বাহিৰলৈ গাড়ীৰে ফুৰিবলৈ গৈছিল। প্ৰায় ৫০ কিলোমিটাৰ বাট গাড়ীখন সুন্দৰকৈ চলি গ'ল। তাৰ পাছত পৰিয়ালটো ৰাস্তাৰ দাঁতিৰ ধাবা এখনত চাহ খাবলৈ সোমাল। হঠাৎ গাড়ীখনৰ ইঞ্জিনত জুই জ্বলি গ'ল। ঘটনাটো গাড়ী চলি থকা অৱস্থাত ঘটাহেঁতেন গোটেই পৰিয়ালটো সাংঘাতিক ধৰণৰ দুৰৱস্থাত পতিত হ'লহেঁতেন।

২। R.D. ৰ বয়স ৫২ বছৰ, পুৰুষ। তেওঁ তিনিটা পাঁচমুখী ৰুদ্ৰাক্ষ পিন্ধিছিল। ৰুদ্ৰাক্ষ পিন্ধাৰ পিছত তেওঁৰ দুৰ্ঘটনা হ'ব বুলি গাড়ীত উঠিবলৈ কৰা পূৰণা ভয়টো নোহোৱা হ'ল।

৩। N.C.D. ৰ বয়স প্ৰায় ৫৫ বছৰ, পুৰুষ। তেওঁ তিনিটা তিনিমুখী, এটা

চাৰিমুখী, তিনিটা পাঁচমুখী, তিনিটা ছয়মুখী আৰু এটা সাতমুখী ৰুদ্ৰাক্ষৰ মালা পিন্ধাৰ পিছত মনৰ অনেক শান্তি পোৱা বুলি জনাইছিল আৰু মালাধাৰ নিপিন্ধিলে তাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছিল। তেওঁ ইয়াৰ প্ৰভাৱত ভালেকেইটা সমস্যা সমাধান হোৱা লক্ষ্য কৰিছিল।

৪। U.B. ৰ বয়স প্ৰায় ৫৭ বছৰ, পুৰুষ। তেওঁ প্ৰায় এবছৰ তিনিটা পাঁচমুখী মণি পিন্ধিছে। তেওঁ কয় যে ৰুদ্ৰাক্ষৰ পিন্ধিবলৈ লোৱাৰ কেইদিনমানৰ ভিতৰতে ভালেকেইটা বহুদিনীয়া সমস্যা নিজে নিজে সমাধান হ'ল। বিশেষকৈ জীৱন বীমা কৰ্পৰেশ্যনৰপৰা বহিন দিব নোৱাৰা বাবে আদায় দিয়া নাছিল। ৰুদ্ৰাক্ষৰ পিন্ধাৰ ৫/৬ দিনৰ ভিতৰতে জীৱন বীমা কৰ্পৰেচনে আপোনা-আপুনি প্ৰাপ্য ধনৰ চেক এখন পঠাই দিছিল।

৫। S.D. ৰ বয়স ৪৩ বছৰ, পুৰুষ। তেওঁ তিনি, চাৰি আৰু পাঁচমুখী ৰুদ্ৰাক্ষৰ মালা পিন্ধে। তেওঁ কয় যে এই মালা পিন্ধাৰ পিচৰ পৰা তেওঁৰ আত্মবিশ্বাস বাঢ়িছে আৰু নিৰাপদ অনুভৱ কৰিছে। আজিকালি এই মালা নিপিন্ধাকৈ নাথাকে।

৬। D.N.D. ৰ বয়স ৪০ বছৰ, পুৰুষ। তেওঁ জনাইছে যে দুমুখীৰপৰা তেৰমুখী পৰ্যন্ত আৰু গৌৰীশংকৰ ৰুদ্ৰাক্ষৰ মালা পিন্ধাৰ পিচত তেওঁৰ আৰ্থিক উন্নতি হৈছে, স্বাস্থ্য ভালে আছে আৰু সকলো ক্ষেত্ৰতে উন্নতি হোৱা পৰিলক্ষিত হৈছে।

৭। আৰু ৮। এই দুয়োজনৰ বয়স পঞ্চাছৰ ওচৰ। দুয়োজন পুৰুষ। ৰুদ্ৰাক্ষৰ পৰিধান কৰি তেওঁলোকে সুফল পাইছে। তেওঁলোকে ৩ টাকৈ পঞ্চমুখী মণি পিন্ধিছিল। মণি পিন্ধাৰ পিচত মনলৈ অসুস্থতা আৰু বিষন্নতাৰ ভাব আহিল। কিন্তু ৰুদ্ৰাক্ষৰ পিন্ধিবলৈ এৰি দিয়াৰ পাচত এই ভাববোৰ আঁতৰিল।

****

সাধাৰণ জনবিশ্বাস

১। মাহৰ গাইট ঘৰৰ চালত খুঁছি থলে ভূত-প্ৰেত আহিব নোৱাৰে।

২। বৰ্ণ হিন্দুৱে মুৰ্গী/মুৰ্গীৰ কণী খোৱাটো নিষিদ্ধ অৰ্থাৎ খাব নাপায় কাৰণ মুৰ্গীয়ে লেতেৰা বস্তু খায়।

৩। ধলপুৱা কুকুৰাই ডাক দিয়াৰ বাহিৰে আন সময়ত ডাক দিয়াটো অশুভ।

৪। ঘৰৰ কাষত সিজুগছ ৰুলে ভূত-প্ৰেত আহিব নোৱাৰে।

৫। নিম গছেও ভূত-প্ৰেত খেদে।

৬। বসন্ত ৰোগীৰ বিচনাৰ তলত নীম গছৰ ডাল থলে ৰোগ নিৰাময় হয় বুলি কোৱা হয়। (অধ্যায় তাবিজ দ্ৰষ্টব্য)।

৭। গাঁৱলীয়া বেজে ভূত-প্ৰেত খেদিবৰ বাবে ঝৰা জৰা-ফুকা কামত বিহলংগনী ব্যৱহাৰ কৰে।

৮। অমাবস্যা, একাদশী, মংগলবাৰ আৰু শনিবাৰে বাঁহ কাটিব নালাগে। কাৰণ, বাঁহত থকা ভূত-প্ৰেতে কাটোঁতাৰ হানি কৰিব পাৰে।

৯। প্ৰসবৰ প্ৰথম মাহটোত মহিলা গৰাকীক অশুচি বুলি ধৰা হয় কোনোধৰণৰ অপকাৰ যাতে ঘটিব নোৱাৰে সেয়ে তেওঁক একো বস্তু চুবলৈ দিয়া নহয়।

১০। অশুচি হোৱা বুলি ভাবি কন্যাকাল পোৱা ছোৱালীজনীক অকলশৰীয়াকৈ ৰখা হয়।

১১। মৃতকৰ প্ৰেতাত্মাই যাতে কোনো প্ৰকাৰে অথন্তৰ ঘটাব নোৱাৰে সেয়ে শ্ৰাদ্ধ কৰা ব্যক্তিজনে লগত এখন লোৰ কটাৰী লৈ থাকে।

১২। সন্তান জন্ম হ'লে মাকৰ বিচনাৰ তলত সন্তানটিৰ সুৰক্ষাৰ কাৰণে কটাৰী এখন থোৱা হয়।

১৩। ভূত-প্ৰেতৰপৰা ৰক্ষা পাবলৈ বুলি হাতত এখন দা বা কটাৰী লৈহে গাঁৱৰ মানুহ ৰাতি বাহিৰলৈ ওলায়।

১৪। নৱজাত শিশুক সৰিয়হৰ গাৰুত শুৱলৈ দিয়া হয়। সৰিয়হে ভূ—প্ৰেত খেদে বুলি কোৱা হয়।

১৫। ভূত-প্ৰেতে লগা বুলি জানিবলৈ হ'লে সৰিয়হ এমুঠি জুইলৈ চটিয়াই দিয়ক। সৰিয়হ নুফুটিলে জানিব যে মানুহজনৰ গাত ভূত-প্ৰেত লাগিছে।

১৬। ধানৰ থোক কেইটামান একেলগে বান্ধি কোঠাৰ ভিতৰত ওলমাই ৰাখিলে ভূত-প্ৰেত সোমাব নোৱাৰে।

১৭। ভূত-প্ৰেতে নাপাবলৈ দৰা-কইনাই চুৰি কটাৰী লয়।

১৮। ভুল কৰি ভূত-প্ৰেতে যাতে সখীয়েককে দৰা-কইনা বুলি ভাবে সেয়ে দৰা-কইনা উভয়ৰে সখী থাকে।

১৯। ভূত-প্ৰেত খেদিবলৈ, কন্যাৰ পদুলিত উপস্থিত হোৱা দৰাৰ গাত চাউল ছটিওৱা হয়।

২০। বিয়াৰ সময়ত দৰা কন্যাক কেতিয়াবা কেতিয়াবা দেৱ-দেৱী বুলিও সম্বোধন কৰা হয়। কিয়নো, ভূত-প্ৰেতে দেৱ-দেৱীৰ অনিষ্ট কৰিব নোৱাৰে।

২১। নৱ জাতকৰ নাম নিৰ্বাচনৰ ক্ষেত্ৰত অসমীয়া সকলৰ মাজত এক দীঘলীয়া পদ্ধতি আছে। জ্যোতিষ গণনা মতেহে নামকৰণ কৰা হয়। জাতকৰ অপকাৰ হ'ব পাৰে বুলি সন্দেহ কৰি গুপ্ত নামটো আনক সদৰি কৰা নহয়।

২২। দেৱ-দেৱীৰ নামেৰেই নৱ জাতকৰ নামকৰণ কৰা হয় যাতে জাতকে তেওঁলোকৰ গুণসমূহ লাভ কৰে বা দেৱ-দেৱীয়ে তেওঁলোকেক ৰক্ষা কৰে।

২৩। আনহাতে জাতকক বেয়া নামেৰেও নামকৰণ কৰা হয় যাতে ভূত-প্ৰেতে অসাধাৰণৰ জাতকৰ প্ৰতি আকৰ্ষিত নহয় বা ভূত-প্ৰেত আঁতৰি থাকে।

২৪। নৱ জাতকক যাতে ভূত প্ৰেতে ধৰিব নোৱাৰে সেই আশা কৰি কেতিয়াবা আনৰ সামান্য মূল্যত বিক্ৰী কৰি দিয়া হয়।

২৫। সাপক ৰাতি সাপ বুলি কোৱা নহয়। কওঁতাজনক খোতে বুলি ভয় কৰি "দীঘলা মেখেলীয়া" বুলি কোৱা হয়। ভুলতে সাপ বুলি ক'লেও 'আস্তিক' শব্দটো উচ্চাৰণ কৰিব লাগে।

২৬। শ্মশানৰ পৰা অহাজনে নিজৰ কাপোৰ-কানি জোতা আদি ঘৰৰ ভিতৰলৈ নিব নালাগে। প্ৰথমে স্নান কৰি কাপোৰ-কানি সলনি কৰাৰ পিছতহে ঘৰৰ ভিতৰলৈ সোমাব লাগে। নহ'লে, হয়তো মৃতকৰ প্ৰেতাত্মাই তেওঁক অনুসৰণ কৰিব পাৰে।

২৭। ল'ৰা-ছোৱালীক জল দেৱতাই ধৰিলে ঘৰৰ চাৰিওফালে ফটা জাল ওলোমাই দিয়া হয় আৰু সৰিয়হ ভজা হয়। ভজা সৰিয়হৰ গোন্ধ সহ্য কৰিব নোৱাৰি আৰু ঘৰৰ চাৰিওফালে ওলোমাই ৰখা ফটা জালে মেৰিয়াই ধৰিব বুলি ভয় কৰি জল দেৱতা আক্ৰান্ত ল'ৰা ছোৱালীৰ গাৰ পৰা আঁতৰি যায়। তাৰ পিছত ৰোগী আৰোগ্য হয়।

২৮। গৰুৰ গোবৰ আৰু গৰুৰ মূতৰো ভূত-প্ৰেত খেদাৰ ক্ষমতা আছে।

২৯। জেঠী গাত পৰা জনক ভাগ্যবান বুলি ভবা হয়।

৩০। দোভাগ নিশা মেকুৰীয়ে মেঁও মেঁও কৰিলে বেমাৰ-আজাৰ বা দুৰ্ঘটনা হয় বুলি কয়।

৩১। ৰাস্তাত গাড়ী এখনৰ আগেৰে ক'লা মেকুৰী এটা পাৰ হৈ গ'লে দুৰ্ঘটনা হ'ব বুলি আশংকা কৰা হয়। আন এটা পাৰ হৈ নোযোৱা পৰ্যন্ত থুৰাই বা গাড়ীখন ৰখাই বা উইণ্ডস্ক্ৰীনৰ কাষত কাল্পনিক কটা চিন দি ইয়াক খণ্ডন কৰিব পাৰি।

৩২। ক'লা মেকুৰী ভূত প্ৰেতৰ লগত সম্পৰ্ক থকা, দুখ ভৰা হয়
৩৩। কাউৰীয়ে কা-কা কৰিলে প্ৰায়ে বেমাৰৰ আগজাননী সূচায়।
৩৪। ঘৰৰ চালত পৰি কাউৰীয়ে কা-কা কৰাটো বেমাৰৰ পূৰ্বাভাষ।
৩৫। কপৌ বা পাৰৰই ঘৰৰ মুখচত বাঁহ লোৱাটো শুভ লক্ষণ।
৩৬। ৰোগীৰ কাৰণে ফেঁচাৰ মাত মৃত্যু সংকেত।
৩৭। থকা ঘৰৰ ভিতৰলৈ ফেঁচা এটা উৰি কণা-মুণিকৈ সোমাই অহাটো কু লক্ষণ
৩৮। ফেঁচাৰ মঙহ আৰু পাখি কাম শক্তিবৰ্ধক (ঔষধ)।
৩৯। কিছুমান বেমাৰৰ বেলিকা ম'ৰাৰ পাখি ৰোগ নিবাৰক মাদুলিৰ দৰে
৪০। সাপ মৰাটো অনুচিত কিয়নো ই দুৰ্ভাগ্য মাতি আনিব পাৰে।
৪১। সাপ মাৰিলে নৱজাত শিশুৰ স্বাস্থ্য হানি হ'ব পাৰে।
৪২। সৰ্পদংশনত মৃত ব্যক্তিক দুৰ্ভগীয়া বুলি ভবা হয়। তেওঁৰ মৃতদেহ পুতি থ'ব লাগে অথবা নৈত উটুৱাই দিব লাগে কিন্তু দাহন কৰিব নালাগে
৪৩। মহিলাক বশ কৰাৰ ক্ষেত্ৰত সাপৰ বিষ অৰু মোট ঔষধ হিচাপে ব্যৱহৃত হয়
৪৪। মিজোসকলে ভাবে যে (সংগমৰত) জুৰীয়া সাপ দেখাটো ভয়ানক দুৰ্ভাগ্য আৰু মৃত্যুৰ আগজাননী। সাপ মৰাটো হতভাগ্য।
৪৫। বৰালীৰ দৰে মাছ ভক্ষণ নিষিদ্ধ, কিয়নো ই মাংসহাৰী। বিশেষকৈ বানপানীৰ সময়ত নদীত উটি যোৱা মৰাশ'বোৰ বৰালী মাছে খায়।
৪৬। সন্তানৰ জন্মৰ প্ৰাৰ্থনাৰে ডিমাছাসকলে দেৱতালৈ বুলি নিৰ্দিষ্ট কিছুমান মাছ উচৰ্গা কৰে আৰু তেনে মাছ তেওঁলোকে নাখায়।
৪৭। এৰেকবাহী পানীত এযোৰ মাগুৰ মাছ লৈ এগৰাকী কন্যাৰ সন্মুখত বৰ্ণি দি তাক এৰি দিয়া হয়। ইয়াৰ অৰ্থ হ'ল দীৰ্ঘায়ু পুত্ৰ সন্তান লাভ।
৪৮। শ্ৰাদ্ধৰ সময়ত কোনোধৰণৰ মাছ-মাংস খোৱা নহয়।
৪৯। 'হবিচ'ৰ ফলমূল আদা আৰু সৈন্ধৱ লৱণ আৰু সিদ্ধ আহাৰে পাকস্থলী পৰিষ্কাৰ কৰে।
৫০। কছাৰীসকলে ভূত-প্ৰেতলৈ কোনো এক 'পূক্ৰাত' মাছৰ আঞ্জা উচৰ্গা কৰে।
৫১। বিচনাত মূতিলে পাতিমূতুৰা মাছ খুৱাব লাগে।
৫২। স্ত্ৰীৰোগৰ বাবে দৰিকণা মাছ ঔষধ সদৃশ।
৫৩। দৰা-কইনাৰ গাঁত হালধি সানিব লাগে হালধি ছালৰ খাদ্য।
৫৪। বিয়াৰ আগতে দৰা-কইনাই লঘোণ দিলে বিবাহ কাৰ্য সম্পন্ন কৰাৰ সময়ত উত্তেজনাৰ বশতঃ মল মূত্ৰাদি ত্যাগৰ ভাব নহয়।
৫৫। সুখৰ/সুখময় জীৱন যাপন কৰিব বাবে খোৱা-খুৱুনী অনুষ্ঠানত এই 'ভূত-প্ৰেত' দুটালৈ পূজা অৰ্চনা দিয়া হয়।

৫৬। বহাগত নিম পাত আনুষ্ঠানিকভাৱে ভক্ষণ কৰা হয়, কাৰণ এপ্ৰিল মাহতে সাপবোৰ প্ৰথমে গাঁতৰপৰা ওলায়। সৰ্প দংশনত নিম উপযোগী বুলি কোৱা হয়।

This glossary has been prepared by Shri A.C. Dutta of Cinnamara, Jorhat.

(পৰিভাষাখিনি যুগুতাই দিছে যোৰহাট, চিনামৰাৰ শ্ৰীযুত এ, চি দত্তদেৱে।)

	Assamese Name	English Name	Botanical Name
1.	তুলসী পাত		Abies-Wabbiana
2.	গৰখীয়া কপাহ	Devil's Cotton	Abroma-augusta
3.	লাটুমণি	Rosary	Abrus-Precatorius
4.	জপাবজা	Indian Mallow	Abutilion-indicum
5.	তৰুৱা কদম	Gum Arabic tree	Acacia-arabica.
6.	খৈৰা	Black Cutch, Pegu Cutch	A. catechu.
7.	তৰুৱা কদম	Sweet acacia	a. farnesi ana.
8.	কুচাই		A. Pennata.
9.	সমিধ		A. Summa.
10.	মুকুতা মঞ্জৰী	Indian Nettle	Acalypha-indica.
11.	বন্না		Acampe-papilesa,
12.	বনচোধ	Prickly Shaff flower.	Achyranthes-aspera.
13.	বিচ	India Aconite.	Aconitum-ferox.
14.	বচ	Sweet flag.	Acorus-calamus.
15.	ৰঙা চন্দন	Red wood tree	Adenathera-pavonina.
16.	বগা বাহেক	Basaka	Adhatoda-Vasica.
17.	খোজকঢ়া ঢেকীয়া		Adiantum-cudatum.
18.	বিদ্যাপট		A. lunulatum.
19.	কেলি কদম	Yellow teak,	Adina Cordifolia.
20.	বেল	The Beal tree	Aegle-Marmelos.
21.	মালতী		Aganasma-dichotoma.
22.	বিলাতী আনাৰস	Century plant	Agave-americana.
23.	গাওণ তুলসী	Goats weed	Ageratum-conyzoides.
24.	ৰঙা শিৰিষ	Pink sirish,	Albizzia-julibrissin.
25.	শিৰিষ	Koko sirish,	A. lebbeck.

26. চাম কৰৈ বা শিৰিষ	Fragrant Sirish,	A. odoratissima.
27. কৰৈ	White Sirish,	a procera.
28. চ-কৰৈ		A. Stipulata.
29. মতা ভেলা	The Varnish tree	Alaurites Moluccana.
30. লিলাচ ফুল		allamanda cathartica
31. পিয়াজ	Onion,	Allium-cepa
32. নহৰু	Garlic,	a. sativum.
33. মানকচু	Giant Taro,	Alocasia-indica.
34. চালকুঁৱৰী	Barbado's Aloe	Aloe-barbadensis.
35. তৰা		Alpinia-allughas.
36. সুগন্ধি বচ	Greater Galangan	A. galanga.
37. চৈতিয়না	Dita Bark tree,	Alstonia-scolaris
38. মাটি কান্দুৰী	Rebaca,	alternanthera-Sessilea.
39. জুতুলি	Rasamal Resin tree,	Altingia-excelsa.
40. চলতিয়া		Amaranthus-blitum.
41. কাঁটা খুতুৰা	Sping Speng Amaranth,	A Spinpaus, Linn.
42. মৰিচা শাক	Gian Amaronth,	Amaranthus gangeticus.
43. খুতুৰা	Amaranth, Green calalu	A. viridis.
44. খাৰনাশাক	Bistering ammania	Ammania-baccifera.
45. মৰাণ ইলাচি	Bengal Cardaman,	Amomum-aromaticum.
46. বান্দৰ ডিমা	Schaga	Amooba-rohituka.
47. ওলকচু	Elephant yam	Amorphophallus-campanulatus.
48. আনাৰস	Pine apple	Ananas-comosus.
49. কাল পটিতা	Halvia	Andrographis-paniculata.
50. বনতিল		Anisomeles-indica.
51. আটলাস কঠাল	Bulock's heast,	Annona-reticulata.
52. আতাফল, চিটাফল	Sugar apple,	Annona-squamosa.
53. কদম	The kadam tree,	Anthocephalus Indicus.
54. পানী হেলচ	Chinese Laurel,	Antidesma bunius.
55. অগৰু	Eagle wood tree,	Aquilaria agallocha.
56. চাউল ধোৱা		Ardisia solanacea.
57. তামোল	Areca nut, Betelnut,	Areca catechu

১৮	শেয়াল কাঁটা, শিয়াল কাঁটা	Mexican poppy	Argemone mexicana
১৯	বিধারক	Elephant creeper,	Argyreia Speciosa
২০	সাপ মঞ্জরী		Arisaema speciosum
২১	[illegible] পিপলি, [illegible]		Aristolochia-tagala
২২	কাঁঠাল	Jack fruit	Artocarpus integrifolia
২৩	[illegible]	Monkey jack	Artocarpus Lakoocha
২৪	নল	Giant Reed	Arundo donax
২৫	শতমূলী	Asparagus	Asparagus racemosus
২৬	কাঁটাবাগা		[illegible]acantha longifolia
২৭	পাহাড়ি পালং		Atriplex hortensis
২৮	[illegible]	Carambola, Kamranga	Averrhoa carambola
২৯	[illegible]	The Margosa tree	Azadirachta indica
৩০	[illegible]		Bacopa monnieri
	[illegible]		Baliospermum montanum
৩১	কাঁটা বাঁশ		Bambusa bambos
৩২	[illegible]		Barleria cristata
৩৩	[illegible]		B. Prionites
৩৪	[illegible]		B. Strigosa
৩৫	[illegible]		Barringtonia acutangula
	[illegible] পুঁই	Indian Spinach	Basella-rubra
৩৬	[illegible]		Bauhinia malabarica
৩৭	মাকবিঘিলা		B. macrostachya
৩৮	বড়া কাঞ্চন	Pink Bauhinia	B. purpurea
৪১	বগা কাঞ্চন		B. racemosa
৪২	নাককাটি জোবা	Camel's foot climber	B. Vahlii
৪৩	কাঞ্চন	Mountain Ebony,	B. Variegata
৪৪	সূর্যকান্তি		Belamcanda chinensis
৪৫	কুমড়া	Ash gourd	Benincasa hispida
৪৬	কাঠহলদি	Indian Berberry	Berberis asiatica
৪৭	পাষাণভেদ		Bergenia ligulata
৪৮	বিটপালং	Sugar Beet	Beta vulgaris
৪৯	ভূর্জপত্র	Silver Birch	Betula alnoides

90.	বন নেৰেংগা	Sensative wood sorrel	Biophytum Sensitivum.
91.	উৰিয়াম	West Indian cedar	Bischofia javanica
92.	জলফৰ	Annatto	Bixa orellana.
93.	কুকুৰচুটা		B. lacera
94.	ৰিহাগছ	The Rhea plant	Boehmeria nivea
95.	পুৰ্ণনভা	Hog weed	Boerhaavia diffusa
96	বনকুচিদৰিয়া		Bonnya reptans
97	তাল গছ	Palmira palm,	Borassus flabellifer
98.	সৰিয়হ	Yellow mustered,	Brassica campestris
99.	চুৰচুকণি		B. rhamnoides
100	কাহিট'		Bridelia montana
101.	কহিৰ		B. retusa
102.	পলাশ	Flame of the forest.	Butea monosperma
103	লতাপলাশ	Climbing Palash.	Butea superba
104.	লেতাগুটি	Bonduc nut.	Caesalpinia bonducela
105.	অৰহৰ	Kongo bean	Cajanus cajan
106.	ৰাইদাংবেত	The Rattang	Calamus erectus
107.	গুণমালা		Callicarpa arborea
108.	বনমালা		C. macrophylla
109.	নাগচম্পা	Alexandrian Laurel	Calophyllum inophyllum
110.	আকণ	Giant milk weed	Calotropis-gigantea.
111.	আকণ		C. Procera
112.	ধূনা	East Indian Copal.	Canarium bengalense
113.	ৰৰউৰহী	Sword bean	Canavalia ensiformis
114.	পাৰিজাত ফুল	Indian Shot	Canna orientalis
115.	ভাং	Hemp, Patti	Cannabis savita.
116.	শংখফুল		Canscora decussata
117.	জলকীয়া	Bird's Chillies.	Capsicum frutescens
118.	লতা কপাল ফোটা	Baloon Vine.	Cardiospermum halicacabum
119.	পানভেলা	Tummy wood tree.	Careya arborea.
120.	অমিতা	Paw paw	Carica papaya.
121.	কৰ্জাটেঙা	Indian current	Carissa carandus.

122.	কুসুম ফুল	Saf ... a	Carthamus tinctorius
123	চেরা	Fishtail Palm	Caryota urens
124	দাদমারি	Ring worm Senna	Cassia alata
125	সোনালু	Indian Laburnum	C. Fistula
126	মেদেলুনি	Negro Coffee	C. occidentalis
127	মেদেলুয়া	Sickle cassia	C. sophera
128	চাকুন্দা	Sickle senna	C. Tora
129	ঝাউগাছ	Beef wood tree	Casuarina equisetifolia
130	মরমরাটি		Caurala Camosa
131	গেন্দুয়া গাছ	The toon tree	Cedrela toona
132	দেবদারু	The Deodar tree	Cedrus deodara
133	ফুটফুটি লতা		Delastrus paniculatus
134	বগা কুকুল	Cocks Comb	Celosia argentea
135	মহিতা	Hack berry	Celtis australis
136	থব থানিমুনি	Indian pennywort	Centella asiatica
137	নাচুটি		Centipeda minima
138	কালজিরা	Kinka oil plant	Centratherum anthel-minticum
139	চিলি		Cephalostachyam capitatum, Munro
140	ঝিলমিল শাক	Goose foot	Chenopodium album
141.	বনপালেং	Worm weed	C. ambrosoides
142.	বগা পমা	Chittagong wood	Chikrasia tabularis
143.	গবা আমলাথি বা হরফলি	Country goose berry	Cicca acida
144.	বুটমাহ	Gram	Cicer arietinum
145.	তিনকোণা		C. lodgesiana Moens and Trimen
146.	কর্পূর	The Camphor tree	Cinnamomum camphora
147.	নগা দালচেনি	Cassia Cinnamon	C. obtusifolium
148.	তেজপাত	Indian Cassia	C. Tamala
149.	পরিয়ালতা		Cissampelos Pareira
150.	হাড়জোড়া লতা		Cissus quadrangularis
151.	তরমুজ	Water Melon	citrullus Vulgaris
152.	কাগজিলেবু	The Lime	Citrus acida

153.	গুটি নেমু	The lemon	Citrus limon
154.	ৰবাব টেঙা	Pomelo	Citrus maxima
155	জৰাটেঙা	The citron	Citrus medica
156.	কমলাটেঙা	Orange	Citrus reculata
157	নৰসিংহ		Clausena excavata
158.	[illegible]		Cleome icosandra
159.	অকালসিহ		Clerodendrum indicum
160.	ভেটভিতা		Clerodendrum infortunatum
161.	নাঙলভাংগা		C. Serratum
162	অপৰাজিতা	Butterfly creeper	Clitoria ternatea.
163.	বনবীয়া পটল	Scarlet gourd	Coccinia Indica
164.	নাৰিকল	The coconut palm	Cocos nucifera
165.	কফিগাছ	The coffe plant	Coffea arabica
166.	সেবামালি, কঠনা ফুল	Indian wild Coffee	Coffea bengalensis
167.	সুগন্ধি বালা		Celus amboinicus
168	কচু	Taru yam	Colocasia Exculanta
169.	লতাচালি		Combretum decandrum.
170.	অগৰু		Commiphora-roxburghii
171	মিচিমিতিতা	Coptis thread	Coptis teeta
172.	পানীপিপলি		Commelina Salicifolia.
173.	কানসিমলু	Day flower	Commelina benghalensis.
174.	তিতামৰা	White jute	Corchorus capsularis
175.	খুতুৰা		Cordia dichotoma.
176.	ধনীয়া	Coriander	Coriandrum sativum.
177.	দেবীটাকন		Costus speciosus
178.	তাল	Talipot palm	Corypha umbraculifera.
179.	বৰুণ গছ	Sacred Barna	Crateva Religiosa
180.	বিলাতীবেল	Calabash tree	Crescentia cujete
181.	বননহৰু	Poison bulb	Crinum asiaticum
182.	সুৰুণ নহৰু		Crinum latifolium
183.	শোণ গছ	The sunn hemp	Crotalaria juncea
184.	[illegible]		C. Spectabilis

185	ঘঁহুলেৰা		Croton caudatus
186	মাকদি		C. joufra
187	কাণবিহ	Purging nut	C tiglium.
188	কৃষ্ণ অনন্তমূল		Cryptolepsis buchanani
189	বাঙি Bangi	Musk Melon	Cucumis melo
190	তিঁয়হ	The Cucumber	C sativus
191	মিঠালাউ, ৰঙালাউ	Red gourd	Cucurbita maxima
192	মিঠা কোমোৰা	Rangalau	C. Pepo
193	তালমূলি		Curculigo orchioides
194	অমদা	Mango Ginger	Curcuma amada
195	বাৰ্লি	East Indian Arrowroot	C. angustifolia
196	বনৰীয়া হালধি	Wild turmeric	C. aromatica
197	হালধি	Common turmeric	C Longa
198	আকাশী লতা	The Dodder plant	Cuscuta reflexa
199	কপৌফুল		Cymbidium aloifolium
200	দুবৰি বন		Cynodon dactylon
201	মুথা	Nut grass	Cyperus rotundus
202	চিচু	Sisam	Dalbergia sissoo
203	গাজৰ	Wild Carrot	Daucus carota
204	ৰাঙেলিলতা		Deeringia amaranthoides
205	ঔলতা		Delima scandens
206	বাঁহ		Dendocalamus stricus
207	ৰঘুমলা	Bird's eye	Dendrophthoe
208	অৰু		Derris ferruginea
209	চলাপৰণি		Desmodium gangeticum
210	বিহনি চেপতা		D latifolium
211	Urchi		D pulchellum
212	উলুখ		D. triquetrum
213	জীবন্তি		Desmotrichum fimbriatum
214	ঔ টেঙা	Elephant fruit	Dillenia indica
215.	গছ আলু, কাঠ আলু	White yam	Dioscorea alata.
216.	কাটা আলু, পাটপটিয়াআলু		d. Pentaphylla

217.	বনগাভ		Diospyros montana
218	কেন্দুগাছ	Indian persimon	D peregrina
219.	হলং		Dipterocarpus pilosus
220.	গুৰ্জন	Balsam gorjan tree	D turbinatus
221	হংখ ওজাৰ মোনা		Dischidia rafflesiana
222.	বুলটি মাহ		
	কটাৰী ভবুৰা মাহ	Horse Gram	Dolichos biflorus
223.	উৰহি	Black ben, Bonavist	D lablab
224.	মিথাজালি	Sundew.	Drosera burmanni
225.	ভেংৰাগছ	Pigeon berry.	Duranta repens
226.	গোমেলি পমা		Dysoxylum hamiltonium
227	নীলকণ্ঠ		Ecbolium linneanum
228.	কেহৰাজ		Eclipta alba
229	বিহ মেটেকা	Water Hyacinth	Eichhornia crassipes
230.	বনজলা, মিৰিকা টেঙা	Balstard Oleaster	Elaeagnus latifolia
231	জলফাই	Indian Olive tree	Eleocarpus floribundus
232.	ৰুদ্ৰাক্ষ	Bead tree	E. ganitrus
233.	গাজিয়ালতা, হাতীখুজি		
	হাতীখুজি	Elephant's foot	Elephantopus scaber
234	বকুল লতা		Embelia ribes
235.	আমলখি	Emblic Myrobalans	Emblica officinalis
236.	চালখিহ		Engelhardtia Poly stachya
237.	হেলেচী	Water cress	Enhydra fluctuans
238.	ঘিলা	Nicker bean	Entada phaseoloides
239.	বুহ		Eragrotis cynosuroides
240.	বনধনীয়া কপাট		Erigeron asteroides
241.	তগৰ	Crape jasmine	Ervatamia coronaria
242.	মান ধনীয়া	Fitweed	Eryngium foetidum
243.	মদাৰ	Mudar	Erythrina stricta
244.	বগা মদাৰ	Indian coral tree	E. Venegata
245.	বিশল্য কৰণী		Eupatorium triplinerve
246.	টংলতি	Water hemp	Eupatorium cannabinum

247.	জাৰমণিবন	Siam baghdheka weed	E. odoratum
248.	তিতাসিজু	Common cactus	Euphorbia antiquorum
249.	গাখীৰতি বন	Harryspurge	E. hirta
250.	দুধবন		E. hypericofolia.
251.	সিজু	Thorny Cactus	E. nerifolia
252.	নিকৰে	Fox Nut	Euryale ferox
253.	দফলা	Buck wheat	Fagopyrum esculen tum
254.	মিজুঠিংগা		Fagopyrum tatae Eapa
255.	বৰগছ	The Banyan tree	Ficus bengalensis
256.	জৰি গছ	Java fig.	F. benjamina
257.	দিমৰু		F. cunia
258	কঠিয়া ডিমৰু		F. fistulosa
259.	জৰিবৰ		F. gibbosda
260	ডিমৰু		Ficus racemosa
261.	ডিমৰু	Indian Ivy	F. heterophylla
262.	কথি ডিমৰু		F. hispida
263.	পাকৰি		F. lacor
264.	আঁহত	Bot tree Peepul tree	F. religiosa
265.	চিলোৰাব, জৰিগছ	Java fig. Jon gochy	f. reyusa
266.	পাকৰি বৰ		f. rumphii
267.	পনিয়ল	Pilua Plum	Flacourtia jangomas
268.	মাখিয়তি		Flemingia strobilifera
269.	কৰা শিমলু		Floscopa scandense
270.	হাতীজিতা		Flueggea virosa
271.	চহ্‌তচি	Fennel Anise	Foeniculum vulgare
272.	আগল		Fraxinus floribunda
273.	পালপতি		Fumaria parviflora
274.	কাউ থেকেৰা	Cawa tree	Garcinia cowa
275.	কুজি থেকেৰা	Indian gamboge tree	G. morella
276.	বন থেকেৰা		G. peniculata
277.	কুজি থেকেৰা		g. Kydia
278.	থোৰাল টেঙা	Coching gorcia	G. xanthochymus

279.	বিষহৰা		Gardenia campanulata
280.	ভাওৰি		G. jasminoides
281.	ঢেঁকিয়া	Indian Ash tree	Garuga pinnata
282.	নাংগল ভগা	Glory lily	gloriosa superba
283.	চাউলধোৱা	Tooth brush plant	Glycosmis pentaphylla
284.	গমাৰী	Hill teak	Gmelina arborea
285.	মামাইলেট		Gnetum scandens
286.	কপাহ	Lavent Cotton	gossypium herbaceum
287.	জৱাৰপাট		Gaurania leptostachya
288.	মনবিজল	Phalsa	grewia asiatica
289.	পিছলি		G. microcos
290.	চুকটাপাট		G. hirsuta helicterifolia
291.	বগা ভোটমলা	Spider flower	Gynandropsis gynandra
292.	লেমটেম		Gynocardia odorata
293.	চোটি		Hedychium spicatum
294.	সূৰ্যমুখী	Sun flower	Helianthus annus
295.	হাতীচুৰা	Indian heliotrope	Heliotropium indicum
296.	অনন্তমূল	Indian Sarsaparilla	Hemidesmus indicus
297.	গন্ধীয়া কবে	Musk mellow	Hibiscus abelmoschus
298.	ভেণ্ডি		H. esculentus
299.	থল পদ্ম	Cotton rose	H. mutabilis
300.	জবা	China rose	H. rosasinensis
301.	তেতেলামধা	Roselle	H. sabdariffa
302.	মাধবীলতা	Madablata	Hiptage benghalensis
303.	দুধকুৰী	Kanessi Bark tree	Holorrhena antidysenterica
304.	শিলকলম		Homonoia riparia
305.	জৱধান	The Barley	Hordum vulgare
306.	মেজেঙ্গাপাৰি		Houttuynia cordata
307.	লেমতেম, চালমুগ্ৰা	The chalmugra Oil tree	Hydnocarpus kurzii
308.	বৰ মানিমুনি		Hydrocotyle rotundifolia
309.	কলীয়া ধান		Hygrory za aristata
310.	তিলক,ভদা	Black creeper	Ichnocarpus frutescens

311	দমভেকো		Inpatients tripetala
312	মিঠা আলু বা ৰঙাআলু	Sweet Potato	Inpomea batatas
313.	নীলা চন্দ্ৰকান্তি	Indian Purging plant	I nil
314	বনমৌ		I hispida
315	ভুঁই কোমোৰা		I paniculata
316.	কালমৌ	Swamp Cabagge	I. reptans
317	ৰংগোযাগ	Jungle flame Ixora	Ixora coccinea
318	নিউবালী	Torch tree	I. Parbiflora
319	খৰিকাজাই	Downy Jasmine	Jasminum multiforum
320	[illegible]	Italian jasmine	J grandiflorum
321	[illegible]	Arabian jasmine	J. sambac
322.	ধতুৰা	Physic nut tree	Jatropha curcas
323.	বঙাল ধতুৰা	Wild Cassada	J. gossypifolia
324	[illegible], আকৰট	English walnut	Jaglans regia
325	ভুইলং	Water Weed	Jussiaea suffruticosa
326	[illegible]		Justicia Gendraussa
327	ভুইচম্পা		Kaempferia rotunda
328	পাটেগজা	Sproutbat plant	Kalanchoe pinnate
329.	সিয়ানাহঁৰ		Kayea assamica
330	আজাৰ	Queen crape myrtle	Agerstroemia speciosa
331	জিয়াগছ	Indian Ash tree	Lannea grandis
332.	গু খুল		Lantara camara
333	চৰাট		Laportea crenulata
334.	খেচাৰী মাহ	Grasspea, Jarossa	Lathyrus sativus
335.	জেতুকা	The Henna Plant	Lawsonia inermis
336.	কুকুৰাদিঙা		Leea aequata
337	মচুৰমাহ	Lentil	Lense culinaris
338.	বাজপ্ৰোণ	Siberian mother wort	Leonurus sibiricus
339.	হালিমাহ		Lepidium Sativum
340.	আহঁৰ কদম		Leucaena glauca
341.	দোৰণ		Leucas aspera
342.	বনদোৰণ		L cephalotes

343.	দোৰণ		L. Lavanoualaefolia
344.	কাঠবেল		Lanoma crenulata
345.	তিচি	Linseed Oil Plant	Linum usitassimum
346.	বাঘনলা	Litchi Leachee	Litchi chinensis
347.	হালিয়াগছ	Tallow laurel	Litsea chinensis
348.	চুআলু		L. polyantha
349	জিকা	Angled Luffa	Luffa acutangula
350.	ভোল	Bath Sponge gourd	L. cylindrica Lununga scandens
351.	আয়ীৰ		Lyonia ovalifolia
352.	জগালু		Makaranga indica
353.	চেচু		Maesa indica
354.	লুচন	The kamal tree	Mallotus Philippensis
355.	লফা		Malva verticillata
356.	আম	The Mango tree	Mangifera indica
357.	শিমলু আলু	Tapioca	Manihut esculenta
